# মূল পাঠ্যপুথি প্ৰস্তুতি সমিতি

**অধ্যক্ষ,** উচ্চতৰ মাধ্যমিক স্তৰৰ সমাজবিজ্ঞান বিষয়ৰ পাঠ্যপুথিৰ উপদেষ্টা মণ্ডলী
হৰি বসুদেবন, অধ্যাপক, ইতিহাস বিভাগ, কলিকতা বিশ্ববিদ্যালয়, কলকাতা

**মুখ্য উপদেষ্টা**
তাপস মজুমদাৰ, এমিৰেটচ অধ্যাপক, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়, নতুন দিল্লী।

**সদস্যসকল**
বি. চি. ঠাকুৰ, পি. জি. টি., অৰ্থনীতি বিভাগ, ৰাজকীয় প্ৰতিভা বিকাশ বিদ্যালয়, দিল্লী।
গোপীনাথ পেৰুমুলা, প্ৰবক্তা, টাটা সামাজিক বিজ্ঞান বিভাগ সংস্থান, মুম্বাই।
জয়া সিং, প্ৰবক্তা, ডি. ই. এছ. এছ. এইচ. এন. চি. ই. আৰ. টি, নতুন দিল্লী।
নিশিত ৰঞ্জন দাস, পি. জি. টি., নিউ আলিপুৰ বহুমুখী বিদ্যালয়, বেহলা, কলকাতা।
নৌশাদ আলী আজাদ, অধ্যাপক, অৰ্থনীতি বিভাগ, জামিয়া মিলিয়া ইছলামিয়া, নতুন দিল্লী।
নীৰজা ৰশ্মি, প্ৰাধ্যাপক, ডি. ই. এছ. এছ. এইচ., এন. চি. ই. আৰ. টি, নতুন দিল্লী।
ৰাম গোপাল, অধ্যাপক, অৰ্থনীতি বিভাগ, আন্নামালাই বিশ্ববিদ্যালয়, আন্নামালাই নগৰ, তামিলনাদু।
প্ৰতিমা কুমাৰী, প্ৰবক্তা, ডি. ই. আৰ. পি.পি., এন. চি. ই. আৰ. টি., নতুন দিল্লী।
পুনম বক্সী, জ্যেষ্ঠ প্ৰবক্তা, অৰ্থনীতি বিভাগ, পাঞ্জাৱ বিশ্ববিদ্যালয়, চণ্ডীগড়।
আৰ. শ্ৰীনিবাসন, এছ. জি. প্ৰবক্তা, অৰ্থনীতি বিভাগ, আৰিংগনৰ আন্না চৰকাৰী কলা মহাবিদ্যালয়, বিল্লুমপুৰ, তামিলনাদু।
সবিতা পাটনায়ক, পি. জি. টি., ডেমনষ্টেচন স্কুল, ৰিজিওনেল ইন্সটিটিউট অব এডুকেশ্বন, সচিবালয় মাৰ্গ, ভুবনেশ্বৰ।
শৰ্মিষ্ঠা বেনাৰ্জী, প্ৰধান শিক্ষয়িত্ৰী, বিদ্যাভাৰতী বালিকা উচ্চ বিদ্যালয়, কলকাতা।

**সদস্য সমন্বয়ক**
এম.ভি. শ্ৰীনিবাসন, প্ৰবক্তা, ডি. ই. এছ. এছ. এইচ., এন. চি. ই. আৰ. টি, নতুন দিল্লী।

## অসমীয়া অনুবাদ সমিতি

### সদস্যসকল

ড° ৰাণী মুদিয়াৰ ডেকা, *মুৰব্বী,* অৰ্থনীতি বিভাগ, দিশপুৰ মহাবিদ্যালয়, গুৱাহাটী

ড° ডালিমী দেৱী, *জ্যেষ্ঠ প্ৰবক্তা,* অৰ্থনীতি বিভাগ, মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী

শ্ৰীসুব্ৰত বৰ্মন, *জ্যেষ্ঠ প্ৰবক্তা,* অৰ্থনীতি বিভাগ, নলবাৰী মহাবিদ্যালয়, নলবাৰী

ড° অমৰেন্দ্ৰ কলিতা, *জ্যেষ্ঠ প্ৰবক্তা,* অৰ্থনীতি বিভাগ, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়, গুৱাহাটী

শ্ৰীসঞ্জয় শইকীয়া, *জ্যেষ্ঠ প্ৰবক্তা,* অৰ্থনীতি বিভাগ, ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়, গুৱাহাটী

শ্ৰীজয়দীপ বৰুৱা, *সহকাৰী অধ্যাপক,* অমিয় কুমাৰ দাস ইন্সটিটিউট অৱ্ ছ'চিয়েল চেঞ্জ এণ্ড ডেভেলপ্‌মেণ্ট, গুৱাহাটী।

শ্ৰীদীপক কুমাৰ শৰ্মা, *কনিষ্ঠ প্ৰবক্তা,* অৰ্থনীতি বিভাগ, পূব বংশৰ কনিষ্ঠ মহাবিদ্যালয়, পূব বংশৰ

মঃ হালিমুদ্দিন আহমেদ, *বিষয় শিক্ষক,* ৰঙিয়া মাদ্ৰাছা উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰঙিয়া

### সমন্বয়ক

শ্ৰীজগদীশ চন্দ্ৰ গোস্বামী, *মুৰব্বী,* অৰ্থনীতি বিভাগ, বি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী।

### সম্পাদনা

শ্ৰীজগদীশ চন্দ্ৰ গোস্বামী, *মুৰব্বী,* অৰ্থনীতি বিভাগ, বি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী।

# এই পুথিখনৰ ব্যৱহাৰ সম্পৰ্কে

'ভাৰতীয় অৰ্থনৈতিক উন্নয়ন' নামৰ এই পুথিখনৰ মূল উদ্দেশ্য হ'ল ভাৰতীয় অৰ্থব্যৱস্থাই সন্মুখীন হোৱা কিছুমান গুৰুত্বপূৰ্ণ সমস্যা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা। এই প্ৰক্ৰিয়াত, কমবয়সীয়া তৰুণ-তৰুণী হিচাপে তেওঁলোক এই সমস্যাসমূহ সম্পৰ্কে আলোক-সংবেদী হ'ব বুলি আৰু বিভিন্ন অৰ্থনৈতিক ক্ষেত্ৰত চৰকাৰী ভূমিকাৰ গুণ নিৰ্ণয় তথা সমালোচনাত্মক মূল্যাংকন কৰিবলৈ শিকিব বুলি আশা কৰা হৈছে। আৰ্থিক সম্পদ কি আৰু এই সম্পদসমূহ বিভিন্ন খণ্ডত কেনেদৰে ব্যৱহৃত হৈ আছে সেই সম্পৰ্কে জানিবলৈও কিতাপখনে সুযোগ দিব। ভাৰতীয় অৰ্থব্যৱস্থা আৰু ভাৰতবৰ্ষৰ অৰ্থনৈতিক নীতিসমূহ সম্পৰ্কীয় সাংখ্যিক তথ্যও ছাত্ৰ-ছাত্ৰীসকলক জনোৱা হৈছে। তেওঁলোকৰ মাজত বিশ্লেষণাত্মক কুশলতা বৃদ্ধি পাব আৰু তেওঁলোকে অৰ্থনৈতিক ঘটনাসমূহ ব্যাখ্যা কৰিবলৈ তথা ভাৰতবৰ্ষৰ অৰ্থনৈতিক ভৱিষ্যৎ মানসপটত অংকন কৰিবলৈ সক্ষম হ'ব বুলিও আশা কৰা হৈছে। তথাপি ছাত্ৰ-ছাত্ৰীসকলক ধাৰণা আৰু তথ্যৰ দ্বাৰা ভাৰাক্ৰান্ত নকৰিবলৈ সচেতন প্ৰচেষ্টা চলোৱা হৈছে।

বিভিন্ন অৰ্থনৈতিক সমস্যা আৰু গতিধাৰাৰ প্ৰত্যেকৰে ক্ষেত্ৰত ভিন ভিন মতসমূহ পুথিখনত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে— যাতে-ছাত্ৰীসকলে সুতথ্যভিত্তিক বিতৰ্কত অংশ ল'ব পাৰে। ভাৰতীয় অৰ্থনৈতিক উন্নয়নৰ এই পাঠ্যক্ৰমটোৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ চৌপাশে ঘটা সমষ্টিবাচক আৰ্থিক ঘটনাসমূহ বুজিবলৈ কুশলতা অৰ্জন কৰিব বুলি আৰু প্ৰচাৰ মাধ্যমে প্ৰকাশ কৰা তথ্যসমূহৰ সমালোচনাত্মক মূল্যায়ন আৰু ব্যাখ্যা আগবঢ়াব বুলি আশা কৰা হৈছে।



এই পাঠ্যক্ৰমৰ প্ৰত্যেক অধ্যায়তে বিভিন্ন কাম সংযোজন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ তত্ত্বাৱধানত সেই কামবোৰ কৰিব লাগিব। এই পাঠ্যক্ৰমত ভাৰতীয় অৰ্থব্যৱস্থাৰ ধাৰণা উন্নত কৰাত প্ৰকৃততে শিক্ষকসকলৰ ভূমিকা অধিক। শ্ৰেণীকোঠাত আলোচনা; ইক'ন'মিক চাৰ্ভে (Economic Survey) আদি চৰকাৰী নথি, লেখ্যাগাৰৰ তথ্য, বাতৰি কাকত, দূৰদৰ্শন আৰু অন্যান্য উৎসৰ পৰা তথ্য সংগ্ৰহ আদি উল্লিখিত কামৰ অন্তৰ্ভুক্ত। বিভিন্ন বিষয়ৰ ওপৰত বিজ্ঞলোকৰ লিখনিসমূহ পঢ়িবলৈও ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰা উচিত।


ইয়াৰ বাবে পাঠ্যক্ৰমটো আৰম্ভ কৰাৰ আগতে কিছুমান পদক্ষেপ লৈ শিক্ষকসকলে প্ৰাৰম্ভিক শিক্ষাদানৰ ব্যৱস্থা ল'ব লাগিব। শৈক্ষিকবৰ্ষৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যক্ৰমৰ অন্তৰ্গত

পঞ্চবাৰ্ষিক পৰিকল্পনা, কৃষি, উদ্যোগ সেৱা আদি খণ্ডসমূহলৈ নতুবা দাৰিদ্ৰ্য দূৰীকৰণ আৰু কৰ্মসংস্থান আদি বিশেষ কাৰ্যৰ বাবে পুঁজিৰ আবণ্টন; গ্ৰাম্য উন্নয়ন, পৰিবেশ, বিভিন্ন আন্তঃগাঁথনি, স্বাস্থ্য, শিক্ষা আৰু শক্তিৰ মূল সমস্যাসমূহ; আৰু চীন আৰু পাকিস্তানৰ অৰ্থনৈতিক ঘটনাৱলী ইত্যাদি বিভিন্ন বিষয় সম্বলিত বাতৰি কাকতৰ টুকুৰা সংগ্ৰহ কৰিবলৈ পৰামৰ্শ দিব পাৰি। ছাত্ৰ-ছাত্ৰীসকলে এই টুকুৰাসমূহ ৰাখি থ'লে শিক্ষকে কোনো বিশেষ বিষয় আৰম্ভ কৰাৰ সময়ত সেইবোৰ শ্ৰেণীকোঠাত প্ৰদৰ্শন/ব্যৱহাৰ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ আৰম্ভণিৰে পৰা এনে সংগ্ৰহ কাৰ্য চলাব লাগে— যাতে প্ৰয়োজন মাত্ৰেই প্ৰাসঙ্গিক তথ্যসমূহ হাততে পোৱা যায়। এনে অভ্যাসে পৰৱৰ্তী পৰ্যায়ৰ শিক্ষাতো তেওঁলোকক সহায় কৰিব।

বিদ্যালয়ৰ তৰফৰ পৰা শেহতীয়া বৰ্ষৰ ইক'ন'মিক্ চাৰ্ভেৰ মুদ্ৰিত প্ৰতিলিপি (hard copy) এটা ক্ৰয় কৰিব লাগিব। ইক'ন'মিক চাৰ্ভেত ভাৰতীয় অৰ্থব্যৱস্থা সম্পৰ্কে একেবাৰে শেহতীয়া তথ্য পোৱা যায়। প্ৰাসঙ্গিক কাম-কাজবোৰৰ সন্দৰ্ভত এনেধৰণৰ প্ৰতিবেদন বা লিখনৰি লগত চিনাকি হোৱাটো ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয়। ইক'ন'মিক চাৰ্ভেৰ পৰিশিষ্টত সন্নিৱিষ্ট পৰিসংখ্যীয় তালিকাবোৰে বিভিন্ন সমস্যাসমূহ বুজাত অশেষ সহায় কৰে।

এটা বিষয়ৰ আলোচনাৰ সময়ত বিষয়টোৰ সন্দৰ্ভত সাংখ্যিক তথ্যৰ আলোচনা অপৰিহাৰ্য। উদাহৰণ স্বৰূপে সামগ্ৰিক তথা বিভিন্ন খণ্ডৰ বৃদ্ধিৰ হাৰক ধৰা হওক। বৃদ্ধিৰ হাৰৰ গতিধাৰা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ এটা থূলমূল ধাৰণা থকা উচিত যদিও তালিকাৰ ৰূপত বৃদ্ধিৰ হাৰৰ তথ্যৰ উপস্থাপনতকৈ ছাত্ৰ-ছাত্ৰীসকলক বৃদ্ধিৰ স্তৰত উপনীত হোৱাৰ লগত জড়িত প্ৰক্ৰিয়া তথা বৃদ্ধিৰ গতিধাৰালৈ বৰঙণি যোগোৱা উপাদানসমূহ সম্পৰ্কে জানিবলৈ উৎসাহিত কৰিব লাগে।

এই পুথিখনৰ প্ৰত্যেক অধ্যায়তে কিছুমান নম্বৰযুক্ত কক্ষ দেখা যাব। এই কক্ষসমূহে মূল পাঠৰ পৰিপূৰিকা হিচাপে কাম কৰিব। এই কক্ষসমূহৰ জৰিয়তে এক মানৱদৰদী আচৰণলৈ বৰঙণি যোগোৱাৰ প্ৰচেষ্টা চলোৱা হৈছে— যাৰ ফলত চৰ্চিত বিষয়টো বাস্তৱ জীৱনৰ অধিক ওচৰ চাপিব পাৰে। অৱশ্যে, এই কক্ষসমূহ আৰু 'কৰি চোৱা'ৰ অন্তৰ্ভুক্ত কামবোৰ পৰীক্ষা বা মূল্যাংকনৰ বাবে দিয়া হোৱা নাই।




আপেক্ষিকভাৱে পৰম্পৰাগত 'অনুশীলনী' সমূহৰ উপৰিও প্ৰত্যেক অধ্যায়তে মূল পাঠৰ অংশ হিচাপে 'ওপৰঞ্চি কাৰ্যৰ পৰামৰ্শ' আৰু 'কৰি চোৱা' সন্নিৱিষ্ট কৰা হৈছে। এইবোৰৰ অধিক বিস্তৃতিকে প্ৰকল্প জ্ঞান কৰিব পৰা যাব। এই কামবোৰ কৰোঁতে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ পৰিধি অতিক্ৰমি আগবাঢ়ি যাবলৈ শিক্ষকসকলে অনুপ্ৰাণিত কৰিব লাগে।



তথ্য প্ৰযুক্তিৰ সুবিধা সকলো বিদ্যালয়তে নাথাকিবও পাৰে। তথাপি এইটো লক্ষ্যণীয় যে ভাৰতীয় অৰ্থব্যৱস্থা সম্পৰ্কে বহুতো তথ্য ইণ্টাৰনেটত পোৱা যায়। ছাত্ৰ-ছাত্ৰীসকলক ইণ্টাৰনেটৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে প্ৰয়োজনীয় তথ্যলাভৰ বাবে চৰকাৰৰ বিভিন্ন বিভাগৰ ৱেব্‌চাইটসমূহৰ ওচৰ চাপিবলৈ উৎসাহিত কৰিব লাগে। উদাহৰণস্বৰূপে, পৰিকল্পনা আয়োগে দৰিদ্ৰতা সম্পৰ্কে বিতংভাৱে প্ৰকাশ কৰে। ছাত্ৰ-ছাত্ৰীসকলে জনা উচিত যে দৰিদ্ৰতাকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন বিষয় প্ৰতিবেদনৰ ৰূপত ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগৰ ৱেব্‌চাইটত পোৱা যায়। তেনেকুৱা প্ৰতিবেদনৰ মুদ্ৰিত প্ৰতিলিপি পোৱাটো সদায় সম্ভৱ নহ'বও পাৰে। গতিকে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে এনে প্ৰতিবেদনসমূহ ৱেব্‌চাইটৰ পৰা কম্পিউটাৰৰ সহায়ত উলিয়াই লৈ সেইবোৰ শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব পাৰে।

যোৱা দহ বছৰৰ ইক'ন'মিক চাৰ্ভেৰ লেখীয়া প্ৰতিবেদনসমূহ www.//budgetindia.nic.in ৱেব্‌চাইটত পোৱা যায়।



শিক্ষাৰ সুবিধাৰ্থে প্ৰতিটো অধ্যায়ৰ সাৰাংশ 'পুনৰুক্তি'ত সন্নিৱিষ্ট কৰা হৈছে। মন কৰিব লগীয়া যে সকলো তালিকাৰ উৎস তালিকাবোৰৰ লগত উল্লেখ কৰা হোৱা নাই; কিয়নো এইবোৰ প্ৰত্যেক অধ্যায়ৰ বাবে 'প্ৰসঙ্গ'ত সন্নিৱিষ্ট বিভিন্ন গৱেষণাৰ তথ্যৰ পৰা লোৱা হৈছে।

এইটো পুনৰাই ক'ব খোজা হৈছে যে ভাৰতীয় অৰ্থব্যৱস্থাৰ এই পাঠ্যক্ৰমটোৰ মূল উদ্দেশ্য হ'ল ভাৰতীয় অৰ্থব্যৱস্থাৰ মৌলিক সমষ্টিবাচক সমস্যাসমূহৰ লগত ছাত্ৰসমাজৰ পৰিচয় ঘটোৱা আৰু আমাৰ অৰ্থব্যৱস্থা সম্বন্ধে সুতথ্যভিত্তিক বিতৰ্কৰ সূচনা কৰা। এই পাঠ্যক্ৰমত সহযোগিতামূলক শিক্ষাগ্ৰহণৰ দিশটোতো গুৰুত্ব দিয়া হৈছে। গতিকে, ভাৰতীয় অৰ্থব্যৱস্থা সম্পৰ্কে অন্যান্য উৎসৰ পৰা তথ্য সংগ্ৰহ কৰাত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকসকলো জড়িত হোৱাটো দৰ্কাৰ। এনেদৰে সংগৃহীত তথ্যসমূহ ভাৰতীয় অৰ্থব্যৱস্থা সম্বন্ধে শিক্ষাদান আৰু শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সমল হিচাপে ব্যৱহাৰ কৰিব লাগে।

# ভাৰতীয় সংবিধান

## প্ৰস্তাৱনা

“আমি ভাৰতৰ জনগণে ভাৰতক এখন সাৰ্বভৌম সমাজবাদী
ধৰ্মনিৰপেক্ষ লোকতান্ত্ৰিক গণৰাজ্যৰূপে গঠন কৰিবলৈ,
তথা ইয়াৰ সকলো নাগৰিকৰ বাবে ঃ
সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়,
চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা,
প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ
আৰু তেওঁলোকৰ সকলোৰে মাজত
ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি
সুনিশ্চিতকাৰী ভ্ৰাতৃভাৱ বৃদ্ধি কৰিবলৈ
নিষ্ঠা সহকাৰে সংকল্প কৰি—
আমাৰ এই সংবিধান সভাত আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ
ষষ্ঠবিংশ দিৱসত
ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ
আৰু নিজকে অৰ্পণ কৰিছোঁ।”

# সূচীপত্ৰ


*ভূমিকা* (iii)

**প্ৰথম গোট ঃ উন্নয়নৰ নীতিসমূহ আৰু অভিজ্ঞতা (1947–90)** **১ – ০০**

*প্ৰথম অধ্যায়* ঃ **প্ৰাক্ স্বাধীনতা কালৰ ভাৰতীয় অৰ্থব্যৱস্থা** ১ – ০০

— ঔপনিৱেশিক শাসনত নিম্ন স্তৰৰ অৰ্থনৈতিক উন্নয়ন ২

— কৃষি খণ্ড ২

— ঔদ্যোগিক খণ্ড ২

— বৈদেশিক বাণিজ্য ২

— জনসংখ্যামূলক ব্যৱস্থা ২

— বৃত্তিগত গাঁথনি ২

— আন্তঃগাঁথনি ২

*দ্বিতীয় অধ্যায়* ঃ **ভাৰতীয় অৰ্থব্যৱস্থা 1950–1990** ১ – ০০

— পঞ্চবাৰ্ষিক পৰিকল্পনাৰ লক্ষ্যসমূহ ২

— কৃষি ২

— উদ্যোগ আৰু বাণিজ্য ২

— বৈদেশিক বাণিজ্য নীতি, আমদানি প্ৰতিকলন ২

**দ্বিতীয় গোট ঃ 1991 চনৰ পৰা অৰ্থনৈতিক সংস্কাৰ** **১ – ০০**

*তৃতীয় অধ্যায়* ঃ **দৰিদ্ৰতা** ১ – ০০

— পটভূমি ২

— উদাৰীকৰণ ২

— ব্যক্তিগতকৰণ ২

— গোলকীকৰণ ২

— সংস্কাৰকালীন ভাৰতীয় অৰ্থব্যৱস্থা ঃ এক খতিয়ান ২

**তৃতীয় গোট ঃ ভাৰতীয় অৰ্থব্যৱস্থাই সন্মুখীন হোৱা সাম্প্ৰতিক প্ৰত্যাহ্বানসমূহ** **১ – ০০**

*চতুৰ্থ অধ্যায়* ঃ **দৰিদ্ৰতা** ১ – ০০

— কোনবিলাক লোক দৰিদ্ৰ? ২
— দুখীয়া লোকসকলক কেনেদৰে চিনাক্ত কৰা হয়? ২
— ভাৰতবৰ্ষত দুখীয়া মানুহৰ সংখ্যা ২
— দৰিদ্ৰতাৰ কাৰণসমূহ কি? ২
— দৰিদ্ৰতা দূৰীকৰণৰ বাবে নীতি আৰু কাৰ্যসূচী ২
— দৰিদ্ৰতা দূৰীকৰণ আঁচনিসমূহ— এক সমালোচনাত্মক মূল্যায়ন ২

*পঞ্চম অধ্যায়* ঃ **ভাৰতত মানৱ মূলধন গঠন** ১ – ০০

— মানৱ মূলধন কি? ২
— মানৱ মূলধনৰ উৎস ২
— মানৱ মূলধন আৰু মানৱ উন্নয়ন ২
— ভাৰতবৰ্ষত মানৱ মূলধন গঠন ঃ বিৰাট সম্ভাৱনা ২
— ভাৰতৰ শিক্ষা খণ্ড ২
— ভৱিষ্যতৰ সম্ভাৱনা ২

*ষষ্ঠ অধ্যায়* ঃ **গ্ৰাম্য উন্নয়ন** ১ – ০০

— গ্ৰাম্য উন্নয়ন কি? ২
— গ্ৰাম্য অঞ্চলত ঋণ আৰু বিপণন ব্যৱস্থা ২
— কৃষি সংক্ৰান্ত বজাৰ ব্যৱস্থা ২
— উৎপাদনশীল কাৰ্যসমূহৰ বহুমুখীকৰণ ২
— বহনক্ষম উন্নয়ন আৰু জৈৱিক কৃষি পদ্ধতি ২

*সপ্তম অধ্যায়* ঃ **নিয়োগ ঃ বৃদ্ধি, অনানুষ্ঠানিকীকৰণ আৰু অন্যান্য বিষয়** ১ – ০০

— শ্ৰমিক আৰু নিয়োগ ২
— নিয়োগ ক্ষেত্ৰত জনসাধাৰণৰ অংশগ্ৰহণ ২
— স্ব-নিয়োজিত আৰু ভাৰাতীয়া শ্ৰমিক ২
— ব্যৱসায় প্ৰতিষ্ঠান, কাৰখানা আৰু কাৰ্যালয়ত নিয়োগ ২
— বৃদ্ধি আৰু নিয়োগৰ পৰিৱৰ্তিত সংগঠন ২
— ভাৰতীয় শ্ৰমিক বাহিনীৰ অনানুষ্ঠানিকীকৰণ ২
— কৰ্মসংস্থানহীনতা ২
— চৰকাৰ আৰু নিয়োগ সৃষ্টি ২

*অষ্টম অধ্যায়* ঃ **আন্তঃগাঁথনি** ১ – ০০
— আন্তঃগাঁথনি কি? ২
— আন্তঃগাঁথনিৰ প্ৰাসংগিকতা ২
— ভাৰতবৰ্ষৰ আন্তঃগাঁথনিৰ অৱস্থা ২
— শক্তি ২
— স্বাস্থ্য ২
*নৱম অধ্যায়* ঃ **পৰিৱেশ আৰু বহনক্ষম উন্নয়ন** ১ – ০০
— পৰিৱেশ-সংজ্ঞা আৰু কাৰ্যাৱলী ২
— ভাৰতবৰ্ষৰ পৰিৱেশৰ অৱস্থা ২
— বহনক্ষম উন্নয়ন ২
— বহনক্ষম উন্নয়নৰ কৌশলসমূহ ২

**চতুৰ্থ গোট ঃ ভাৰতবৰ্ষত উন্নয়নৰ অভিজ্ঞতা ঃ প্ৰতিবেশী দেশসমূহৰ লগত এটি তুলনা** **১ – ০০**
*দশম অধ্যায়* ঃ **ভাৰতবৰ্ষ আৰু ইয়াৰ প্ৰতিবেশী দেশসমূহৰ উন্নয়নৰ তুলনামূলক অভিজ্ঞতা** ১ – ০০
— উন্নয়নৰ পথ— এক প্ৰতিচ্ছবি ২
— জনসাংখ্যিক নিৰ্দেশসমূহ ২
— মুঠ ঘৰুৱা উৎপাদন আৰু খণ্ডসমূহ ২
— মানৱ উন্নয়নৰ নিৰ্দেশসমূহ ২
— উন্নয়নৰ কৌশলসমূহ— এক মূল্যায়ন ২

***শব্দাৱলী*** ১ – ০০

# ভাৰতীয় সংবিধান

## [৪ৰ্থ (ক) ভাগৰ ৫১ (ক) অনুচ্ছেদ]

## মৌলিক কৰ্তব্য

**মৌলিক কৰ্তব্য ঃ** ভাৰতীয় নাগৰিক হিচাপে আমাৰ কৰণীয়—

১. সংবিধান মানি চলা আৰু ইয়াৰ সকলো আদৰ্শ আৰু সংস্থা তথা ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সঙ্গীতক শ্ৰদ্ধা কৰা।

২. স্বাধীনতাৰ বাবে কৰা আমাৰ ৰাষ্ট্ৰীয় আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহ পোষণ আৰু অনুসৰণ কৰা।

৩. ভাৰতৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতা ৰক্ষা কৰা আৰু তাক অক্ষুণ্ণ ৰখা।

৪. দেশখনক ৰক্ষা কৰা আৰু যেতিয়াই আহ্বান কৰা হয় তেতিয়াই ৰাষ্ট্ৰীয় সেৱা আগবঢ়োৱা।

৫. ভাৰতৰ সকলো লোকৰ মাজত, ধৰ্মীয়, ভাষিক আৰু আঞ্চলিক অথবা সাম্প্ৰদায়িক অনৈক্য অতিক্ৰম কৰি সম্প্ৰীতি আৰু সামূহিক ভ্ৰাতৃত্বভাৱ বৃদ্ধি কৰা, নাৰীৰ মৰ্যাদা হানিকৰ আচৰণ ত্যাগ কৰা।

৬. মিশ্ৰিত সংস্কৃতিৰ মূল্যৱান ঐতিহ্যক মূল্য দিয়া আৰু তাক সংৰক্ষণ কৰা।

৭. বন, হ্ৰদ, নদী আৰু বন্য জীৱকে ধৰি প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰা আৰু তাৰ উন্নয়ন কৰা, তথা সকলো জীৱিত প্ৰাণীৰ প্ৰতি দয়াভাৱ ৰখা।

৮. বৈজ্ঞানিক দৃষ্টিকোণ, মানৱতাবোধ আৰু অনুসন্ধিৎসা তথা সংস্কাৰৰ মনোভাৱৰ বিকাশ সাধন কৰা।

৯. ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাত্মক কাৰ্য পৰিহাৰ কৰা; আৰু

১০. ব্যক্তিগত আৰু সামূহিক কাম-কাজৰ সকলো ক্ষেত্ৰতে উৎকৰ্ষ সাধনৰ বাবে প্ৰয়াস কৰা যাতে ৰাষ্ট্ৰই প্ৰযত্ন আৰু সফলতাৰ উচ্চতৰ পৰ্যায়লৈ নিৰন্তৰ আগুৱাই যায়।

# প্ৰথম গোট

## উন্নয়নৰ নীতিসমূহ আৰু অভিজ্ঞতা (1947–90)

স্বাধীনতাৰ প্ৰাক্ কালৰ পৰা দেশখনে বাছি লোৱা পৰিকল্পিত উন্নয়নৰ পথেৰে চাৰি শতিকা অতিক্ৰম কৰালৈকে ভাৰতীয় অৰ্থব্যৱস্থাৰ অৱস্থা সম্পৰ্কে এই খণ্ডৰ অধ্যায় দুটাত এটা সাধাৰণ আভাস পাম। পৰিকল্পিত উন্নয়নৰ পথ বাছি লোৱাৰ অৰ্থ এয়ে যে ভাৰত চৰকাৰে পৰিকল্পনা আয়োগ স্থাপন আৰু পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহৰ ঘোষণা আদিৰ লেখীয়া বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিবলগীয়া হৈছিল। এই খণ্ডটোত পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহৰ উদ্দেশ্যাৱলী আৰু পৰিকল্পিত উন্নয়নৰ সুবিধা আৰু সীমাবদ্ধতাসমূহৰ সমালোচনাত্মক মূল্যায়নৰ এটা সাধাৰণ আভাস অন্তৰ্ভুক্ত কৰা হৈছে।

1

# প্ৰথম অধ্যায়

# প্ৰাক্ স্বাধীনতা কালৰ ভাৰতীয় অৰ্থব্যৱস্থা

**এই অধ্যায়টো পঢ়াৰ পিছত, ছাত্ৰ-ছাত্ৰীসকলে—**

- ভাৰতৰ স্বাধীনতাৰ বৰ্ষ -1947 চনৰ, ভাৰতীয় অৰ্থব্যৱস্থাৰ সৈতে পৰিচিত হ'ব।
- ভাৰতীয় অৰ্থব্যৱস্থাৰ অনুন্নয়ন আৰু স্থবিৰতাৰ কাৰকসমূহ বুজি পাব।

"ভাৰতবৰ্ষ হ'ল আমাৰ সাম্ৰাজ্যৰ কেন্দ্ৰ বিন্দু। এই সাম্ৰাজ্যই ইয়াৰ কৰ্তৃত্বাধীন আন কোনো অংশ হেৰুৱালে আমি তিষ্ঠি থাকিম, কিন্তু আমি ভাৰতবৰ্ষক হেৰুৱাব লাগিলে আমাৰ সাম্ৰাজ্যৰ বেলি ডুবিব।"— *ভিক্টৰ আলেকজেণ্ডাৰ ব্ৰুছ, দি ভিক্টৰি অৱ ব্ৰিটিছ ইণ্ডিয়া* 1948, Victor Alexander Vruce, The Victory of British India in 1984

## 1.1 সূচনা (Introduction) ঃ

ভাৰতীয় অৰ্থনৈতিক উন্নয়ন নামৰ পুথিখনিৰ প্ৰাথমিক উদ্দেশ্য হৈছে স্বাধীনতা লাভৰ পিছত সম্প্ৰতি ভাৰতীয় অৰ্থব্যৱস্থাৰ মূল বৈশিষ্ট্য আৰু ইয়াৰ উন্নয়ন সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰোৱা। অৱশ্যে দেশখনৰ অৰ্থনীতিৰ বৰ্তমান আৰু ভৱিষ্যৎ সম্ভাৱনাৰ বিষয়ে জ্ঞান আহৰণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ইয়াৰ অতীত সম্পৰ্কে জনাটোও প্ৰয়োজনীয়। এতেকে, প্ৰথমতে আমি ভাৰতবৰ্ষৰ প্ৰাক্ স্বাধীনতা কালৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি স্বাধীনতাৰ পৰৱৰ্তী কালত কেনে ধৰণৰ চিন্তাৰ ভিত্তিত দেশখনৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন ধৰণৰ কৌশলসমূহ গঢ়ি উঠিছিল সেই সম্পৰ্কে ধাৰণা কৰোঁহক।

সাম্প্ৰতিক কালৰ ভাৰতীয় অৰ্থনৈতিক ব্যৱস্থাটো এদিনতে সৃষ্টি হোৱা নাই। ইয়াৰ শিপাবোৰ ইতিহাসত, বিশেষকৈ 1947 চনৰ 15 আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগৰ প্ৰায় দুশ বছৰ ধৰি চলি থকা ইংৰাজ শাসনকালত সোমাই আছে। ইংৰাজসকলৰ সাম্ৰাজ্যবাদী শাসনৰ একমাত্ৰ উদ্দেশ্য আছিল ভাৰতবৰ্ষক ইংলেণ্ডত দ্ৰুতভাৱে সম্প্ৰসাৰিত আধুনিক উদ্যোগৰ ভিত্তি স্থাপনৰ বাবে সাৰ-পানী যোগোৱা দেশ এখনলৈ অৱনমিত কৰা। বিগত ছয়টা দশকত ভাৰতীয় অৰ্থব্যৱস্থাই যি ধৰণৰ আৰু পৰ্যায়ৰ উন্নয়ন লাভ কৰিছে তাৰ মূল্যায়নৰ বাবে শোষণমুখী সম্বন্ধটো বুজাৰ প্ৰয়োজন।

## 1.2 ঔপনিৱেশিক শাসনত নিম্ন স্তৰৰ অৰ্থনৈতিক উন্নয়ন (Low Level of Economic Development under the Colonial Rule) ঃ

ইংৰাজসকলৰ আগমনৰ আগতে ভাৰতবৰ্ষত এক স্বাধীন অৰ্থব্যৱস্থাই বিৰাজ কৰিছিল। কৃষিয়েই অধিকাংশ ভাৰতীয়ৰ জীৱিকাৰ প্ৰধান উৎস আছিল যদিও বিভিন্ন ধৰণৰ নিৰ্মাণ কাৰ্য দেশখনৰ অৰ্থব্যৱস্থাৰ বৈশিষ্ট্য আছিল। ভাৰতবৰ্ষ বিশেষকৈ কপাহ আৰু ৰেচমৰ বস্ত্ৰশিল্প তথা বিভিন্ন ধাতু আৰু মূল্যৱান মণি আদিৰ দৰে হস্তশিল্পত বিখ্যাত আছিল। সেই সামগ্ৰীসমূহৰ কাৰু-কাৰ্য আৰু উৎপাদনত ব্যৱহৃত কেঁচামালৰ উন্নত মানৰ বাবে সমগ্ৰ বিশ্বতে ইহঁতে বজাৰ লাভ কৰিব পাৰিছিল।

**কক্ষ 1.1 ঃ বঙ্গদেশৰ বস্ত্ৰশিল্প (Textile Industry in Bengal)**

মচলিন এবিধ কপাহী কাপোৰ। ই পোন প্ৰথমে বঙ্গদেশত বিশেষকৈ সাম্প্ৰতিক বাংলাদেশৰ ৰাজধানী চহৰ ঢাকা (প্ৰাক্-স্বাধীনতা কালত ডাক্কা বুলি উচ্চাৰণ কৰা হৈছিল) আৰু ইয়াৰ ওচৰে-পাঁজৰে উৎপাদিত হৈছিল। অতি উত্তম কপাহী কাপোৰ বুলি 'ডাক্কায়া মচলিন'য়ে সমগ্ৰ বিশ্বতে সমাদৰ লাভ কৰিছিল। মচলিন কাপোৰৰ আটাইতকৈ মসৃণ বিধক মলমল বুলি কোৱা হৈছিল। কেতিয়াবা বিদেশী ভ্ৰমণকাৰীসকলে এই কাপোৰক মলমল চাহী বা মলমল খাচ নামেৰে অভিহিত কৰিছিল। ইয়াৰ অৰ্থ আছিল যে এনে কাপোৰ ৰাজপৰিয়ালৰ লোকসকলে পৰিধান কৰিছিল অথবা তেওঁলোকৰ বাবেহে এনে কাপোৰ উপযুক্ত আছিল।

ভাৰতবৰ্ষৰ ঔপনিৱেশিক চৰকাৰে অনুসৰণ কৰা অৰ্থনৈতিক নীতিসমূহে ভাৰতীয় অৰ্থব্যৱস্থাৰ উন্নতি কৰাতকৈ ব্ৰিটিছসকলৰ আৰ্থিক স্বাৰ্থৰ সুৰক্ষা আৰু অগ্ৰগতিত অধিক গুৰুত্ব আৰোপ কৰিছিল। এনেধৰণৰ নীতিবোৰে দেশখনক ইংলেণ্ডলৈ কেঁচামালৰ যোগানকাৰী আৰু ইংলেণ্ডত উৎপাদিত সামগ্ৰীৰ গ্ৰাহকত পৰিণত কৰি ভাৰতীয় অৰ্থব্যৱস্থাৰ সংগ্ৰথনলৈ এক মৌলিক পৰিৱৰ্তন আনিছিল। স্পষ্টতঃ ঔপনিৱেশিক চৰকাৰে ভাৰতবৰ্ষৰ জাতীয় তথা জনমূৰি আয় গণনাৰ বাবে কেতিয়াও আন্তৰিকতাৰে প্ৰচেষ্টা হাতত লোৱা নাছিল। এই ক্ষেত্ৰত ব্যক্তিগত পৰ্যায়ত চলোৱা কিছুমান প্ৰচেষ্টাৰ ফলাফল আছিল পৰস্পৰ-বিৰোধী আৰু অসংলগ্ন। দাদাভাই নৌৰজী (Dadabhai Naoroji), উইলিয়াম ডিগ্‌বি (William Digby), ফিণ্ডলে চিৰাচ্ (Findlay Shirras), ভি. কে. আৰ. ভি. ৰাও (V.K.R.V. Rao) আৰু আৰ. চি. দেশাই (R.C. Desai) আদি এনেধৰণৰ উল্লেখযোগ্য গণনাকাৰী সকলৰ ভিতৰত ৰাওয়ে কৰা গণনাকে ঔপনিৱেশিক শাসনকালত ভাৰতৰ জাতীয় তথা জনমূৰি আয়ৰ তাৎপৰ্যপূৰ্ণ গণনা হিচাপে ধৰা হয়। সি যি কি নহওক, বেছিভাগ অধ্যয়নতে দেখা গৈছে যে কুৰি শতিকাৰ প্ৰথমাৰ্ধত দেশখনৰ মুঠ প্ৰকৃত উৎপাদনৰ বৃদ্ধি দুই শতাংশ (2%) তকৈ কম আছিল আৰু বছৰি জনমূৰি আয়ৰ বৃদ্ধি আছিল মাত্ৰ আধা (0.5%) শতাংশ।

## 1.3 কৃষি খণ্ড (Agricultural Sector) ঃ

ইংৰাজ ঔপনিৱেশিক শাসনকালত ভাৰতবৰ্ষৰ অৰ্থনীতি মূলতঃ কৃষিভিত্তিক হৈয়ে আছিল। দেশখনৰ মুঠ জনসংখ্যাৰ প্ৰায় 85 শতাংশ লোকেই বিশেষকৈ গ্ৰামাঞ্চলত বাস কৰিছিল আৰু তেওঁলোকে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কৃষিৰ ওপৰত ভিত্তি কৰি জীৱন নিৰ্বাহ কৰিছিল। ইমান সৰহ সংখ্যক লোকৰ জীৱিকাৰ উপায় হোৱা সত্বেও কৃষিখণ্ডই স্থবিৰতাত ভুগিছিল আৰু প্ৰায় সঘনাই ইয়াৰ অৱনতি ঘটিছিল। কৃষিৰ

**কক্ষ 1.2 ঃ প্ৰাক্ ব্ৰিটিছ যুগত ভাৰতবৰ্ষৰ কৃষি (Agriculture during Pre-British Period)**

ফৰাচী দেশীয় ভ্ৰমণকাৰী বাৰ্ণিয়াৰ (Bernier) য়ে সোতৰ শতিকাৰ বঙ্গদেশৰ বিৱৰণ দিছে এনেদৰে— "দুবাৰ ভ্ৰমণ কৰি বঙ্গদেশ সম্পৰ্কে মই আহৰণ কৰা জ্ঞানে মোক বিশ্বাস কৰাই যে ই ইজিপ্তুতকৈ চহকী। ই প্ৰচুৰ পৰিমাণে কপাহ, ৰেচম, ধান, চাউল, চেনি আৰু মাখন ৰপ্তানি কৰে। নিজৰ ভোগৰ বাবে ই প্ৰচুৰ পৰিমাণৰ গম, শাক-পাচলি, বিভিন্ন শস্য, কুকুৰা, হাঁহ, ৰাজহাঁহ উৎপাদন কৰে। ইয়াত অশেষ পৰিমাণৰ গাহৰিৰ জাক, ভেড়া আৰু ছাগলীৰ জাক আছে। বিভিন্ন ধৰণৰ মাছ ইয়াত প্ৰচুৰ পৰিমাণে পোৱা যায়। নৌ-জাহাজৰ চলাচল আৰু জলসিঞ্চনৰ বাবে অসীম শ্ৰমেৰে অতীত কালত গঙ্গা নদীৰ পৰা খন্দা ৰাজমহলৰ পৰা সাগৰলৈকে অসংখ্য খাল আছে।



*চিত্ৰ. 1.1 ঃ ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ অধীনত ভাৰতীয় কৃষিৰ স্থবিৰতা*

- ➤ সোতৰ শতিকাত আমাৰ দেশৰ কৃষিৰ সমৃদ্ধিৰ কথা মন কৰা। ইয়াৰ লগত প্ৰায় দুশ বছৰ পিছত ইংৰাজসকলে আমাৰ দেশ এৰি যোৱাৰ সময়ত কৃষিৰ স্থবিৰতা ৰিজাই চোৱা।

উৎপাদনশীলতা বৰ্ধিত হাৰত হ্ৰাস পাইছিল। অৱশ্যে কৃষি ভূমিৰ সম্প্ৰসাৰণ হোৱা হেতুকে মুঠ হিচাপে এই খণ্ডটোৰ কিছু পৰিমাণে বৃদ্ধি ঘটিছিল। কৃষিখণ্ডত স্থবিৰতাৰ মূল কাৰণ আছিল ঔপনিৱেশিক চৰকাৰে প্ৰণয়ন কৰা বিভিন্ন ধৰণৰ ভূমি বন্দৱস্তি ব্যৱস্থাসমূহ। বিশেষকৈ সাম্প্ৰতিক ভাৰতৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক লৈ গঠিত সেই সময়ৰ বেঙ্গল প্ৰেচিডেন্সিয়ে প্ৰণয়ন কৰা জমিদাৰী ব্যৱস্থাত কৃষিখণ্ডৰ পৰা সৃষ্টি হোৱা লাভ কৃষকৰ পৰিৱৰ্তে জমিদাৰসকলৰ হাতলৈহে গৈছিল। অকল ঔপনিৱেশিক চৰকাৰেই নহয়; সৰহ সংখ্যক জমিদাৰেও কৃষিৰ উন্নতিৰ বাবে কোনো উদ্যোগ হাতত লোৱা নাছিল। জমিদাৰসকলৰ প্ৰধান স্বাৰ্থ আছিল কৃষকসকলৰ অৰ্থনৈতিক অৱস্থা সম্পৰ্কে কোনো ধৰণৰ বিবেচনা নকৰাকৈ তেওঁলোকৰ পৰা খাজনা আদায় কৰা। ফলত তেওঁলোকে অশেষ যাতনা ভুগিবলগীয়া হৈছিল আৰু পিছলৈ সামাজিক অশান্তিৰ সৃষ্টি হৈছিল। ৰাজহ বন্দৱস্তিৰ ব্যৱস্থাও জমিদাৰসকলৰ এনেধৰণৰ দৃষ্টিভংগীৰ বাবে বহু পৰিমাণে দায়ী। নিৰ্দিষ্ট পৰিমাণৰ ভূমি ৰাজহ জমা দিয়াৰ বাবে নিৰ্দিষ্ট দিন নিৰ্ধাৰণ কৰা হৈছিল আৰু সেই নিৰ্দিষ্ট দিনত ৰাজহ জমা দিব নোৱাৰিলে জমিদাৰসকলে অধিকাৰ হেৰুৱাব লগা হৈছিল। ইয়াৰ উপৰি নিম্ন মানৰ প্ৰযুক্তি, জলসিঞ্চনৰ অভাৱ আৰু তাকৰীয়া পৰিমাণৰ সাৰ প্ৰয়োগ আদিয়ে কৃষকসকলৰ অৱস্থাৰ অধিক অৱনতি ঘটাইছিল আৰু কৃষিৰ উৎপাদনশীলতা অতি নিম্ন পৰ্যায়লৈ নমোৱাত অৰিহণা যোগাইছিল। অৱশ্যে কৃষিৰ বাণিজ্যিকীকৰণৰ বাবে দেশৰ কোনো কোনো অঞ্চলত তুলনামূলকভাৱে অধিক পৰিমাণত মুদ্ৰা উপাৰ্জনমুখী শস্য (Cash crop) উৎপাদনৰ উদাহৰণ পোৱা গৈছিল কিন্তু ইয়াৰ ফলত কৃষকসকলৰ অৰ্থনৈতিক অৱস্থাৰ বিশেষ উন্নতি ঘটা নাছিল। কিয়নো খাদ্য-শস্য উৎপাদনৰ সলনি ইংৰাজসকলে শেষ পৰ্যায়ত তেওঁলোকৰ দেশৰ উদ্যোগত খটুৱাব

**কৰি চোৱা ঃ (Work These Out)**

- ইংৰাজ শাসনৰ ভাৰতবৰ্ষৰ মানচিত্ৰ এখনৰ লগত স্বাধীন ভাৰতৰ মানচিত্ৰ এখন তুলনা কৰি পাকিস্তানৰ অংশ হোৱা অঞ্চলবোৰ বাছি উলিওৱা। সেইবোৰ অঞ্চল অৰ্থনৈতিক দিশৰ পৰা ভাৰতবৰ্ষৰ বাবে কিয় গুৰুত্বপূৰ্ণ? (তোমাৰ সুবিধাৰ বাবে ড° ৰাজেন্দ্ৰ প্ৰসাদ ৰচিত 'ইণ্ডিয়া ডিভাইডেড' (India Divided) নামৰ কিতাপখন প্ৰসংগ হিচাপে চোৱা)।
- ইংৰাজসকলে ভাৰতবৰ্ষত প্ৰৱৰ্তন কৰা ৰাজহ বন্দৱস্তিৰ বিভিন্ন ব্যৱস্থাবোৰ কি কি ? এইবোৰ কোন কোন ঠাইত প্ৰয়োগ কৰা হৈছিল আৰু ইহঁতৰ ফলাফল কেনে ধৰণৰ আছিল? সাম্প্ৰতিক কালৰ ভাৰতীয় কৃষিৰ দৃশ্যপটত এই বন্দৱস্তিবোৰে কি ধৰণৰ প্ৰভাৱ পেলোৱা বুলি ভাবা। (এই প্ৰশ্নৰ উত্তৰৰ বাবে তুমি ৰমেশ চন্দ্ৰ দত্তই তিনিখণ্ডত লিখা 'ইক'নমিক হিষ্টৰী অৱ্ ইণ্ডিয়া' (Economic History of India) আৰু দুটা খণ্ডত লিখা বি. এইচ. বদন পাৱেলৰ 'দি লেণ্ড ছিষ্টেম অৱ্ ব্ৰিটিছ ইণ্ডিয়া' (The Land System of British India) পঢ়ি চাব পৰা। বিষয়টো অধিক উপলব্ধি কৰিবলৈ তুমি ইংৰাজ শাসনাধীন ভাৰতৰ কৃষি মানচিত্ৰ এখন হাতেৰে নাইবা পঢ়াশালিৰ কম্পিউটাৰৰ সহায়ত অংকন কৰিব পাৰা। মনত ৰাখিবা যে বিষয়টো বুজিবলৈ ব্যাখ্যাযুক্ত মানচিত্ৰ এখনৰ দৰে আন একোৱে সহায় কৰিব নোৱাৰে।

পৰা মুদ্ৰা উপাৰ্জনমুখী শস্যহে ভাৰতীয় কৃষকৰ দ্বাৰা উৎপাদন কৰাইছিল। স্বাধীনতা লাভৰ সময়ত হোৱা দেশ বিভাজনৰ ফলত ভাৰতৰ কৃষি উৎপাদন পুনৰ পিছ হোঁহকে। অবিভাজিত দেশখনৰ এক বৃহৎ পৰিমাণৰ অতি সাৰুৱা আৰু উচ্চ হাৰত জলসিঞ্চন ব্যৱস্থা থকা কৃষিভূমি পাকিস্তানৰ হাতলৈ যোৱাৰ ফলত ভাৰতবৰ্ষৰ কৃষিখণ্ডৰ উৎপাদনৰ ওপৰত বিৰূপ প্ৰভাৱ পৰে। বিশেষকৈ, ভাৰতবৰ্ষৰ মৰাপাট উদ্যোগ ইয়াৰ জৰিয়তে বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছিল। কাৰণ মৰাপাট উৎপাদন হোৱা প্ৰায়ভাগ অঞ্চলেই পূব-পাকিস্তান (বৰ্তমানৰ বাংলাদেশ)ৰ অন্তৰ্ভুক্ত হয়। এইদৰে ভাৰতবৰ্ষৰ মৰাপাট সামগ্ৰীৰ উদ্যোগ কেঁচামালৰ অভাৱত দুৰ্যোগৰ সন্মুখীন হ'ল। (যিটো ক্ষেত্ৰত তেতিয়ালৈকে দেশখনে আন্তৰ্জাতিক বজাৰত একচেটিয়া অধিকাৰ লাভ কৰি আছিল।)

## 1.4 ঔদ্যোগিক খণ্ড (Industrial Sector) ঃ

ঔপনিৱেশিক শাসনৰ অধীনত ভাৰতবৰ্ষই কৃষি আৰু নিৰ্মাণ খণ্ডসমূহৰ দৰেই সুস্থ ঔদ্যোগিক ভেটিও গঢ়ি তুলিব নোৱাৰিলে। দেশখনৰ বিশ্ববিখ্যাত হস্তশিল্পৰ উদ্যোগসমূহ হ্ৰাস পালে, অথচ অতদিনে এইবোৰে লাভ কৰি থকা গৌৰৱৰ স্থান অধিকাৰ কৰিব পৰাকৈ অনুৰূপ কোনো আধুনিক ঔদ্যোগিক ভেটি গঢ়ি উঠিবলৈ দিয়া নহ'ল। ঔপনিৱেশিক চৰকাৰৰ ভাৰতবৰ্ষত নিঃউদ্যোগীকৰণৰ এনে প্ৰণালীবদ্ধ নীতিৰ প্ৰাথমিক অভিপ্ৰায় দুই ধৰণৰ আছিল। প্ৰথমতে, ভাৰতবৰ্ষক মাথোন ইংলেণ্ডত গঢ়ি উঠা আধুনিক উদ্যোগসমূহৰ কাৰণে প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ কেঁচা সামগ্ৰীবোৰৰ ৰপ্তানিকাৰীৰ পৰ্যায়লৈ অৱনমিত কৰা; আৰু দ্বিতীয়তে, সেই উদ্যোগসমূহৰ উৎপাদিত সামগ্ৰীৰ বাবে ভাৰতবৰ্ষক এখন প্ৰাপ্তিবিহীনভাৱে প্ৰসাৰিত (Sprawling Market) বজাৰলৈ পৰিণত কৰা, যাতে তেওঁলোকৰ মাতৃভূমি ব্ৰিটেইনৰ সৰ্বাধিক সুবিধাৰ বাবে এই উদ্যোগসমূহৰ বিৰামহীন প্ৰসাৰণ নিশ্চিত কৰিব পৰা যায়। খোলা অৰ্থব্যৱস্থাৰ দৃশ্যপটত স্থানীয় হস্তশিল্পৰ উদ্যোগসমূহৰ অৱনতিৰ ফলত দেশত প্ৰভূত নিবনুৱা সমস্যাৰ সৃষ্টি হোৱাৰ লগতে স্থানীয়ভাৱে প্ৰস্তুত সামগ্ৰীৰ পৰা বঞ্চিত ভাৰতবৰ্ষৰ ভোক্তাৰ বজাৰত এক নতুন চাহিদাৰ সৃষ্টি হ'ল। ইংলেণ্ডত সস্তাতে প্ৰস্তুত কৰা সামগ্ৰীৰ বৰ্ধিত আমদানিৰ জৰিয়তে লাভজনকভাৱে এনে চাহিদা পূৰণ কৰা হৈছিল।

ঊনৈশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত আধুনিক উদ্যোগে ভাৰতবৰ্ষত খোপনি পুতিবলৈ আৰম্ভ কৰিছিল যদিও ইয়াৰ বিকাশ তেনেই লেহেমীয়া হৈ থাকিল। আৰম্ভণিতে এই বিকাশ কপাহী বস্ত্ৰ আৰু মৰাপাট কল স্থাপনতে সীমাবদ্ধ আছিল। মূলতঃ ভাৰতীয়সকলে আধিপত্য বিস্তাৰ কৰা কপাহী বস্ত্ৰৰ কলসমূহ মহাৰাষ্ট্ৰ, গুজৰাট আদিৰ দৰে দেশৰ পশ্চিম অংশত অৱস্থিত আছিল। আনহাতে বিদেশীসকলে আধিপত্য বিস্তাৰ কৰি ৰখা মৰাপাট কলসমূহ বঙ্গদেশত কেন্দ্ৰীভূত আছিল। পৰৱৰ্তী পৰ্যায়ত, কুৰি শতিকাৰ আৰম্ভণিত, লো-তীখা উদ্যোগসমূহ গঢ়ি উঠিবলৈ আৰম্ভ কৰিছিল। 1907 চনত টাটা আইৰণ এণ্ড ষ্টিল কোম্পানী (টিচকো, TISCO) স্থাপন কৰা হৈছিল। দ্বিতীয় মহাসমৰৰ পিছত চেনি, চিমেণ্ট, কাগজ আদি ক্ষেত্ৰতো কেতবোৰ উদ্যোগ গঢ়ি উঠিছিল।

অৱশ্যে ভাৰতবৰ্ষত ভৱিষ্যতে অধিক ঔদ্যোগীকৰণৰ সহায়ক হ'ব পৰাকৈ কোনো মূলধন জাতীয় সামগ্ৰীৰ উদ্যোগ গঢ়ি নুঠিল বুলিয়ে ক'ব পাৰি। চলিত ভোগৰ সামগ্ৰী উৎপাদন কৰিবলৈ ব্যৱহাৰ কৰা যন্ত্ৰ-পাতি উৎপাদন কৰা উদ্যোগক মূলধন জাতীয় সামগ্ৰীৰ উদ্যোগ বুলি কোৱা হয়।

**কৰি চোৱা ঃ (Work These Out)**

- ভাৰতবৰ্ষৰ ক'ত আৰু কেতিয়া অন্যান্য আধুনিক উদ্যোগসমূহ স্থাপন হৈছিল তাৰ এখন সূচী প্ৰস্তুত কৰা। এটা আধুনিক উদ্যোগ স্থাপনৰ বাবে মৌলিক প্ৰয়োজনীয়তাসমূহ কি কি তাক চিনাক্ত কৰিব পাৰিবানে? উদাহৰণ স্বৰূপে, জামছেদপুৰত (বৰ্তমান ঝাৰখণ্ড ৰাজ্যৰ) টাটা আইৰণ এণ্ড ষ্টিল উদ্যোগ স্থাপন হোৱাৰ কাৰণসমূহ কি কি বুলি ভাবা?
- বৰ্তমান সময়ত ভাৰতবৰ্ষত কিমানটা লো-তীখাৰ কাৰখানা আছে? এইবোৰ বিশ্বৰ সৰ্বোৎকৃষ্ট লো-তীখাৰ কাৰখানাসমূহৰ অন্তৰ্ভুক্তনে? এই উদ্যোগসমূহৰ পুনৰ সঠন আৰু উন্নীতকৰণ প্ৰয়োজনীয়নে? যদি হয় এইটো কেনেকৈ কৰিব পৰা যাব? এটা মতামত আছে যে যি সমূহ উদ্যোগ অতি গুৰুত্বপূৰ্ণ বিধৰ নহয়; সেইবোৰ ৰাজহুৱা খণ্ডত চলি থকাটো উচিত নহয়। তুমি কি ভাবা?
- ভাৰতবৰ্ষৰ এখন মানচিত্ৰত স্বাধীনতাৰ সময়ত বিদ্যমান কপাহী বস্ত্ৰৰ কল, মৰাপাটৰ কল আৰু সূতা কলসমূহ চিহ্নিত কৰা।

অ'ত-ত'ত দুই-এটা উৎপাদনকাৰী গোট স্থাপন কৰাটো দেশখনত পৰম্পৰাগত হস্তশিল্পৰ উদ্যোগসমূহৰ প্ৰায় পাইকাৰী স্থানচ্যুতিৰ বিকল্প হিচাপে গণ্য কৰিব পৰা নাযায়। ইয়াৰ উপৰি নতুন উদ্যোগ খণ্ডৰ বৃদ্ধিৰ হাৰ আৰু মুঠ ঘৰুৱা উৎপাদনলৈ ইয়াৰ বৰঙণি তেনেই তাকৰ আছিল। নতুন উদ্যোগখণ্ডৰ আন এটা তাৎপৰ্যপূৰ্ণ ত্ৰুটি হ'ল ৰাজহুৱা খণ্ডৰ কাৰ্যৰ সীমিত পৰিসৰ। এই খণ্ডটো মাত্ৰ ৰে'ল, শক্তি উৎপাদন, যোগাযোগ, বন্দৰ আৰু আন কিছুমান বিভাগীয় উদ্যোগতে সীমাবদ্ধ হৈ থাকিল।

## 1.5 বৈদেশিক বাণিজ্য (Foreign Trade) ঃ

অতীজৰে পৰা ভাৰতবৰ্ষ বৈদেশিক বাণিজ্যত অংশগ্ৰহণৰ ক্ষেত্ৰত এখন গুৰুত্বপূৰ্ণ দেশ। কিন্তু সামগ্ৰী উৎপাদন, বৈদেশিক বাণিজ্য আৰু শুল্কৰ ক্ষেত্ৰত ঔপনিৱেশিক চৰকাৰে গ্ৰহণ কৰা ৰক্ষণশীল নীতিয়ে ভাৰতবৰ্ষৰ বৈদেশিক বাণিজ্যৰ ৰূপ, গঠন আৰু পৰিমাণৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছিল। ফলস্বৰূপে ভাৰতবৰ্ষ কপাহ, ৰেচম, উঁণ, চেনি, নীল, মৰাপাট ইত্যাদি প্ৰাথমিক সামগ্ৰীৰ ৰপ্তানিকাৰী আৰু কপাহী, ৰেচমী আৰু উঁণৰ কাপোৰ আদি চূড়ান্ত ভোগ্য বস্তুসমূহ তথা ইংলেণ্ডৰ কাৰখানাত উৎপাদিত লঘু যন্ত্ৰপাতিৰ লেখীয়া মূলধন জাতীয় সামগ্ৰীৰ আমদানিকাৰী হৈ পৰিছিল। সকলো ব্যৱহাৰিক অৰ্থত ইংলেণ্ডে ভাৰতবৰ্ষৰ আমদানি আৰু ৰপ্তানিৰ ওপৰত একচেটিয়া নিয়ন্ত্ৰণ সাব্যস্ত কৰিছিল। ফলস্বৰূপে ভাৰতবৰ্ষৰ বৈদেশিক বাণিজ্যৰ আধাতকৈও অধিক ইংলেণ্ডতে সীমাবদ্ধ হৈছিল আৰু বাকীখিনি চীন, সিংহল (শ্ৰীলঙ্কা) আৰু পাৰ্চীয়া (ইৰান) আদি অন্যান্য কেইখনমান দেশৰ লগতো চলিবলৈ দিয়া হৈছিল। চুৱেজ খাল (Suez Canel) মুকলি হোৱাত ভাৰতৰ বৈদেশিক বাণিজ্যত ব্ৰিটিছৰ নিয়ন্ত্ৰণ অধিক শক্তিশালী হৈছিল। (কক্ষ 1.3 চোৱা।)

সমগ্ৰ ঔপনিৱেশিক কালজুৰি ভাৰতবৰ্ষৰ বৈদেশিক বাণিজ্যৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছিল বৃহৎ পৰিমাণৰ ৰপ্তানি উদ্বৃত্তৰ সৃষ্টি; কিন্তু দেশখনৰ অৰ্থব্যৱস্থাৰ বিস্তৰ মূল্যৰ বিনিময়তহে এই উদ্বৃত্ত সম্ভৱ হৈছিল।

### কৰি চোৱা ঃ (Work These Out)

- ব্ৰিটিছ শাসন কালত ভাৰতবৰ্ষই আমদানি আৰু ৰপ্তানি কৰা সামগ্ৰীসমূহৰ এখন সূচী প্ৰস্তুত কৰা।
- ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা অৰ্থনৈতিক সমীক্ষাৰ পৰা ভাৰতবৰ্ষৰ আমদানি আৰু ৰপ্তানিকৃত সামগ্ৰীৰ তথ্য সংগ্ৰহ কৰা। প্ৰাক্-স্বাধীনতা কালৰ পৰা চলি অহা আমদানি ৰপ্তানিৰ লগত এইবোৰৰ তুলনা কৰি চোৱা। ভাৰতবৰ্ষৰ বৈদেশিক বাণিজ্য বহুলাংশে নিয়ন্ত্ৰণ কৰা মুখ্য বন্দৰসমূহৰ নামবোৰ লিখা। দেশীয় বজাৰত খাদ্য-শস্য, বস্ত্ৰ, কেৰাচিন তেল ইত্যাদি অনেক অত্যাৱশ্যকীয় সামগ্ৰীৰ অত্যন্ত নাটনি সুস্পষ্ট হৈছিল। ইয়াৰ উপৰি এই ৰপ্তানি উদ্বৃত্তই ভাৰতবৰ্ষলৈ সোণ নাইবা ৰূপৰ সোঁত বোৱাব পৰা নাছিল। বৰঞ্চ ই ব্যৱহৃত হৈছিল ঔপনিৱেশিক চৰকাৰে ইংলেণ্ডত প্ৰতিষ্ঠা কৰা কাৰ্যালয়ৰ খৰচৰ বাবে, ব্ৰিটিছ চৰকাৰে চলোৱা যুদ্ধ আৰু অদৃশ্যমান সামগ্ৰীৰ আমদানিৰ ব্যয় হিচাপে। এই আটাইবোৰে ভাৰতবৰ্ষৰ ধনৰ নিৰ্গমন ঘটাইছিল।

## 1.6 জনসংখ্যামূলক অৱস্থা (Demographic Condition) ঃ

ব্ৰিটিছ শাসন কালত ভাৰতবৰ্ষৰ জনসংখ্যা সম্পৰ্কীয় বিভিন্ন বিস্তৃত তথ্য পোন প্ৰথমে 1881 চনত এটি সমীক্ষাৰ জৰিয়তে সংগ্ৰহ কৰা হৈছিল। এই সমীক্ষাৰ কিছুমান সীমাবদ্ধতা আছিল যদিও ইয়াত ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ বিষমতাৰ ছবি এখন প্ৰকাশ পাইছিল।




*চিত্ৰ. 1.2 ঃ চুৱেজ খাল ঃ ভাৰত আৰু ব্ৰিটেইনৰ মাজত ঘাইপথ হিচাপে ব্যৱহৃত*

### কক্ষ 1.3 ঃ চুৱেজ খালৰ জৰিয়তে বাণিজ্য (Trade through the Suez Canel)


চুৱেজ খাল (Suez Canel) উত্তৰ-পূব ইজিপ্তৰ চুৱেজ যোজকৰ মাজেৰে উত্তৰৰ পৰা দক্ষিণলৈ বোৱাই নিয়া এটা কৃত্ৰিম জলপথ। ই ভূমধ্য সাগৰৰ চেইড (Said) বন্দৰ আৰু লোহিত সাগৰৰ প্ৰশাখা চুৱেজ উপসাগৰক সংযুক্ত কৰিছে। এই খালে এহাতে ইউৰোপীয় বা আমেৰিকাৰ বন্দৰসমূহ আৰু আনহাতে দক্ষিণ এছিয়া, পূব আফ্ৰিকা বা ওচেনিয়াৰ বন্দৰসমূহৰ মাজত চলাচল কৰা জাহাজসমূহৰ বাবে এটা বাণিজ্য পথৰ সুযোগ দিছে। ফলত আফ্ৰিকাৰ মাজেৰে ঘূৰি অহা-যোৱা কৰাৰ অসুবিধা আঁতৰিছে। কৌশলগত আৰু অৰ্থনৈতিক কাৰণত এই নদী পথটো পৃথিৱীৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ জলপথসমূহৰ অন্যতম। 1869 চনত এই পথটো মুকলি হোৱাৰ ফলত পৰিবহন ব্যয় হ্ৰাস পায় আৰু ভাৰতীয় বজাৰলৈ প্ৰৱেশ সহজসাধ্য হৈ উঠে।

পৰৱৰ্তী পৰ্যায়ত প্ৰতি দহ বছৰৰ ব্যৱধানত এনে পিয়ল চলোৱা হৈছিল। 1921 চনৰ আগত ভাৰতবৰ্ষ, জনসংখ্যা সঞ্চৰণ (Demographic Transition)ৰ প্ৰথম স্তৰত আছিল। জনসংখ্যা সঞ্চৰণৰ দ্বিতীয় স্তৰ 1921 চনৰ পিছৰ পৰা আৰম্ভ হয়। সি যি কি নহওক, এই স্তৰত ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা অথবা জনসংখ্যা বৃদ্ধিৰ হাৰ কোনোটোৰে উচ্চহাৰত বৃদ্ধি হোৱা নাছিল।

সামাজিক উন্নয়নৰ বিভিন্ন নিৰ্দেশকসমূহো যথেষ্ট উৎসাহজনক নাছিল। সামগ্ৰিক সাক্ষৰতাৰ হাৰ 16 শতাংশৰো কম আছিল। ইয়াৰ ভিতৰত মহিলাৰ সাক্ষৰতাৰ স্তৰ অতি নগণ্য আছিল। (প্ৰায় 7 শতাংশ)। জনসংখ্যাৰ বৃহৎ অংশৰ বাবে জনস্বাস্থ্যৰ সুবিধাৰ কোনো ব্যৱস্থা নাছিল আৰু কেতিয়াবা থাকিলেও অত্যন্ত তাকৰীয়া আছিল। ফলত পানী আৰু বায়ুৰ দ্বাৰা সৃষ্টি হোৱা বেমাৰ-আজাৰসমূহে প্ৰচণ্ড মূৰ্তি ধাৰণ কৰি বৃহৎ সংখ্যক মানুহৰ মৃত্যু ঘটাইছিল। আচৰিত হ'ব লগা নাই যে সামগ্ৰিক মৃত্যুৰ হাৰ যথেষ্ট উচ্চ আছিল। বিশেষকৈ, শিশুৰ মৃত্যুৰ হাৰ যথেষ্ট ভয়াবহ আছিল। বৰ্তমানৰ প্ৰতি হাজাৰত 63 টা শিশুৰ মৃত্যুৰ বিপৰীতে তেতিয়া প্ৰতি হাজাৰত প্ৰায় 218 টা শিশুৰ মৃত্যু হৈছিল। জীৱন প্ৰত্যাশা (Life Expectancy)ও অতি নিম্ন আছিল। বৰ্তমানৰ 63 বছৰৰ বিপৰীতে সেই সময়ত জীৱন প্ৰত্যাশা আছিল মাত্ৰ 32 বছৰ। বিশ্বাসযোগ্য তথ্যৰ অভাৱত সেই সময়ৰ দৰিদ্ৰতাৰ বিস্তৃতি নিৰ্দিষ্টকৈ ক'ব নোৱাৰি। কিন্তু সন্দেহ নাই যে ঔপনিৱেশিক শাসন কালত ভাৰতবৰ্ষত ব্যাপক দাৰিদ্ৰ্যই বিৰাজ কৰিছিল আৰু ই সেই সময়ৰ ভাৰতবৰ্ষৰ জনসাধাৰণৰ অৱনতিপূৰ্ণ দৃশ্যপটলৈ অৰিহণা যোগাইছিল।

## 1.7 বৃত্তিগত গাঁথনি (Occupational Structure) ঃ

বৃত্তিগত গাঁথনি, অৰ্থাৎ ঔপনিৱেশিক সময়ত ভাৰতবৰ্ষত বিভিন্ন উদ্যোগ তথা খণ্ডৰ মাজত কৰ্মৰত লোকৰ বিতৰণত পৰিৱৰ্তনৰ কোনো চিন নাছিল।



*চিত্ৰ. 1.3 ঃ দাৰিদ্ৰ্য, পুষ্টিহীনতা আৰু অনুন্নত স্বাস্থ্য সেৱাৰ সুবিধায়ো ব্ৰিটিছ শাসিত ভাৰতবৰ্ষত জনসংখ্যাৰ লেহেমীয়া বৃদ্ধি ঘটাইছিল।*

**কৰি চোৱা ঃ (Work These Out)**


- ভাৰতবৰ্ষৰ স্বাধীনতাৰ আগতে সঘনাই উৎপত্তি হোৱা দুৰ্ভিক্ষৰ কাৰণসমূহ বিচাৰি উলিয়াব পাৰিবানে? ন'বেল বঁটা বিজয়ী অমৰ্ত্য সেনৰ 'Poverty and Famines' পুথিখন পঢ়ি চাব পাৰা।
- স্বাধীনতাৰ সময়ত ভাৰতবৰ্ষৰ বৃত্তিগত গাঁথনিৰ (Occupational Structure) এটা পাইচিত্ৰ প্ৰস্তুত কৰা।

মুঠ শ্ৰমিকৰ এক বৃহৎ অংশ অৰ্থাৎ প্ৰায় 70-75 শতাংশ কেৱল কৃষিখণ্ডত নিয়োজিত আছিল। আনহাতে নিৰ্মাণ খণ্ড তথা সেৱা খণ্ডত যথাক্ৰমে 10 শতাংশ আৰু 15-20 শতাংশ নিয়োজিত আছিল। বৰ্ধিত আঞ্চলিক বৈষম্য আছিল আন এটা চকুত পৰা দিশ। তেতিয়াৰ মাদ্ৰাজ প্ৰেচিডেন্সি (বৰ্তমানৰ তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, কেৰালা আৰু কৰ্ণাটক)ৰ কিছু অংশ মহাৰাষ্ট্ৰ আৰু পশ্চিমবংগত শ্ৰমিকৰ কৃষিখণ্ডত নিৰ্ভৰশীলতা হ্ৰাস পাইছিল আৰু সম অনুপাতত নিৰ্মাণ খণ্ড আৰু সেৱাখণ্ডত শ্ৰমিকৰ সংখ্যা বৃদ্ধি পাইছিল। অৱশ্যে একে সময়তে উৰিষ্যা, ৰাজস্থান আৰু পঞ্জাৱ আদি অন্যান্য ৰাজ্যত কৃষিখণ্ডত শ্ৰমিকৰ অংশ বৃদ্ধি পাইছিল।

## 1.8 আন্তঃগাঁথনি (Infrastructure) ঃ


ঔপনিৱেশিক শাসন কালত ভাৰতবৰ্ষৰ মূল আন্তঃগাঁথনিমূলক ব্যৱস্থাসমূহ যেনে— ৰে'ল, বন্দৰ, জলপৰিবহন আৰু ডাক-তাঁৰ সেৱাৰ উন্নতি ঘটিছিল। অৱশ্যে এনে উন্নয়নৰ অন্তৰ্নিহিত উদ্দেশ্য জনসাধাৰণলৈ মৌলিক সা-সুবিধা আগবঢ়োৱাটো নাছিল; বৰঞ্চ বিভিন্ন ঔপনিৱেশিক স্বাৰ্থ পূৰণ কৰাটোহে আছিল। ইংৰাজৰ শাসনৰ আগতে নিৰ্মাণ কৰা ৰাস্তাসমূহ আধুনিক পৰিবহনৰ বাবে উপযুক্ত নাছিল। মূলধনৰ অভাৱ হেতুকে ঔপনিৱেশিক প্ৰশাসনেও এই ক্ষেত্ৰত বিশেষ একো কৰিব পৰা নাছিল। যিবোৰ পথ নিৰ্মাণ কৰা হৈছিল সেই পথসমূহ মূলতঃ ভাৰতবৰ্ষলৈ সৈন্য আনিবলৈ আৰু গ্ৰামাঞ্চলৰ পৰা কেঁচামাল ওচৰৰ ৰে'ল ষ্টেচনলৈ বা বন্দৰলৈ নি সেইসমূহ ইংলেণ্ড তথা অন্যান্য লোভনীয় বিদেশী ৰাষ্ট্ৰলৈ পঠোৱাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। সকলো বতৰতে গাঁও অঞ্চলৰ লগত যোগাযোগ ৰক্ষা কৰিবলৈ সুবিধাজনক পথৰ সদায় অত্যন্ত নাটনি আছিল। সেয়েহে গাঁও অঞ্চলত বসবাস কৰা জনসাধাৰণে প্ৰাকৃতিক দুৰ্যোগ আৰু দুৰ্ভিক্ষৰ সময়ত অৱধাৰিতভাৱে অকথ্য কষ্ট ভোগ কৰিবলগীয়া হৈছিল।

1850 চনত ইংৰাজসকলে ভাৰতবৰ্ষত ৰে'লপথৰ সূচনা কৰে আৰু ই ইংৰাজসকলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৰঙণিসমূহৰ ভিতৰত অন্যতম আছিল। ৰে'লপথে ভাৰতবৰ্ষৰ অৰ্থব্যৱস্থাৰ গাঁথনিত দুই ধৰণৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। প্ৰথমতে, এই পৰিবহন ব্যৱস্থাই দেশখনৰ জনসাধাৰণক বহু দূৰ-দূৰণিলৈ ভ্ৰমণত সহায় কৰিছিল আৰু সেয়েহে ভৌগোলিক আৰু সাংস্কৃতিক প্ৰাচীৰ নাইকিয়া হৈছিল। দ্বিতীয়তে, এই ব্যৱস্থাই ভাৰতীয় কৃষিৰ বাণিজ্যিকীকৰণক উৎসাহিত কৰাৰ ফলত ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থব্যৱস্থাৰ তুলনামূলক স্ব-নিৰ্ভৰশীলতাৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছিল। সন্দেহাতীতভাৱে ভাৰতবৰ্ষৰ ৰপ্তানি বাণিজ্যৰ পৰিমাণৰ প্ৰসাৰ ঘটিছিল; কিন্তু ইয়াৰ সুফল ভাৰতীয় জনসাধাৰণে খুব কমেই লাভ কৰিছিল।



*চিত্ৰ. 1.4 ঃ বোম্বাই আৰু থানেক সংলগ্ন কৰা প্ৰথম ৰে'লপথৰ দলং, 1854*

ৰে'ল পৰিবহনৰ সূচনাই ভাৰতীয় জনসাধাৰণৰ বাবে যি সামাজিক সুফলৰ সৃষ্টি কৰিছিল তাৰ তুলনাত দেশখনৰ অৰ্থব্যৱস্থাত ঘটা বৃহৎ লোকচান অধিক আছিল। পথ আৰু ৰে'ল পৰিবহনৰ উন্নতিৰ লগতে ঔপনিৱেশিক শাসকসকলে আভ্যন্তৰীণ বাণিজ্য আৰু সাগৰীয় পথ উন্নয়নৰ বাবেও ব্যৱস্থা হাতত লৈছিল; কিন্তু এই ব্যৱস্থাসমূহ মুঠেই সন্তোষজনক নাছিল। আভ্যন্তৰীণ জলপথসমূহো সময়ে সময়ে অমিতব্যয়ী বুলি প্ৰমাণিত হৈছিল। উদাহৰণস্বৰূপে, উৰিষ্যা উপকূলৰ উপকূলীয় নলাৰ কথা আঙুলিয়াব পাৰি। ৰাজকোষৰ বৃহৎ ব্যয়েৰে এই নলাটো নিৰ্মাণ কৰা হৈছিল যদিও ইয়াৰ সমান্তৰালভাৱে শীঘ্ৰে সমগ্ৰ অঞ্চল অতিক্ৰম কৰা ৰে'লপথৰ লগত ফেৰ মাৰিবলৈ ই ব্যৰ্থ হৈছিল; আৰু সেয়েহে অৱশেষত ইয়াক পৰিত্যাগ কৰিবলগীয়া হৈছিল। তেনেদৰে, ব্যয়বহুল বৈদ্যুতিক টেলিগ্ৰাফ ব্যৱস্থাৰ প্ৰচলনে দেশখনৰ আইন-শৃংখলা ৰক্ষাৰ উদ্দেশ্য পূৰণ কৰিছিল। আনহাতে, জনসাধাৰণৰ বাবে অতি উপযোগী সেৱা আগবঢ়োৱা ডাক-সেৱা সম্পূৰ্ণৰূপে অযথোপযুক্ত আছিল। আন্তঃগাঁথনিৰ



*চিত্ৰ. 1.5 ঃ ভাৰতবৰ্ষৰ উড্ডায়ন খণ্ডৰ আৰম্ভণি ঘটাই টাটা এণ্ড চন্সৰ এটা বিভাগ 'টাটা এয়াৰলাইন্স' প্ৰতিষ্ঠিত হয়– 1932 চনত*

**কৰি চোৱা ঃ (Work These Out)**

- ভাৰতবৰ্ষত ব্ৰিটিছ প্ৰশাসনে বিভিন্নভাৱে সুফল প্ৰদান কৰিছিল বুলি এতিয়াও এটা ধাৰণা চলি আছে। এই ধাৰণা সন্দৰ্ভত তথ্যভিত্তিক বিতৰ্কৰ প্ৰয়োজন আছে। এই ধাৰণাৰ প্ৰতি তোমাৰ দৃষ্টিভংগী কি? ব্ৰিটিছৰ ৰাজত্ব ভাৰতবৰ্ষৰ কাৰণে ভাল আছিলনে, বিষয়টোৰ ওপৰত শ্ৰেণীকোঠাত যুক্তিৰে আলোচনা কৰা।

সাম্প্ৰতিক অৱস্থা সম্বন্ধে তোমালোকে অষ্টম অধ্যায়ত অধিক জানিব পাৰিবা।

## 1.9 সামৰণি (Conclusion) ঃ

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়লৈকে দুই শতিকাজোৰা ঔপনিৱেশিক শাসনৰ প্ৰভাৱৰ বীজ ইতিমধ্যে দেশৰ অৰ্থব্যৱস্থাৰ সকলো দিশতে ৰোপিত হৈছিল। কৃষিখণ্ডটো ইতিমধ্যে উদ্বৃত্ত শ্ৰম আৰু অত্যন্ত নিম্ন উৎপাদনশীলতাৰ দ্বাৰা ভাৰাক্ৰান্ত হৈ উঠিছিল। উদ্যোগখণ্ডই আধুনিকীকৰণ, ভিন্নকৰণ, সক্ষমতাবৰ্ধন আৰু বৰ্ধিত ৰাজহুৱা বিনিয়োগৰ বাবে উদ্বাউল হৈছিল। বৈদেশিক বাণিজ্যক ব্ৰিটেইনৰ ঔদ্যোগিক বিপ্লৱৰ প্ৰতিপালমুখী কৰি তোলা হৈছিল। বিখ্যাত ৰে'ল ব্যৱস্থাকে ধৰি আন্তঃগাঁথনিৰ উন্নয়ন, সম্প্ৰসাৰণ আৰু জনমুখীকৰণৰ প্ৰয়োজন হৈছিল। তীব্ৰ দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাৰ ব্যাপকতাৰ বাবে চৰকাৰী অৰ্থনৈতিক নীতিৰ প্ৰয়োজন হৈছিল। মুঠতে দেশখন বিপুল সামাজিক আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল।

### পুনৰুক্তি (Recap)

- স্বাধীনতাৰ পিছত ভাৰতবৰ্ষই লাভ কৰা অৰ্থনৈতিক উন্নয়নৰ বিষয়ে জানিবলৈ আৰু ইয়াৰ মূল্যায়নৰ বাবে প্ৰাক্-স্বাধীন কালৰ ভাৰতীয় অৰ্থব্যৱস্থাৰ এটা বোধৰ প্ৰয়োজন।
- ঔপনিৱেশিক শাসনকালত চৰকাৰৰ অৰ্থনৈতিক নীতিসমূহে উপনিৱেশসমূহৰ অৰ্থব্যৱস্থাৰ উন্নতি সাধন কৰাতকৈ ব্ৰিটিছৰ অৰ্থনৈতিক স্বাৰ্থৰ সুৰক্ষা আৰু অগ্ৰগতিত অধিক গুৰুত্ব আৰোপ কৰিছিল।
- ভাৰতবৰ্ষৰ জনসাধাৰণৰ বৃহত্তম অংশই জীৱিকাৰ বাবে কৃষিৰ ওপৰত নিৰ্ভৰশীল হোৱা সত্ত্বেও কৃষিখণ্ড স্থবিৰতাৰ বলি হৈছিল আৰু অধিক হাৰত ইয়াৰ অৱনতি ঘটিছিল।
- ব্ৰিটিছ চৰকাৰে প্ৰৱৰ্তন কৰা প্ৰণালীবদ্ধ নীতিসমূহে ভাৰতবৰ্ষৰ বিশ্ববিখ্যাত হস্তশিল্পসমূহক পতনলৈ ঠেলি দিছিল। অথচ, ইয়াৰ বিকল্প হিচাপে আধুনিক উদ্যোগৰ ভেটি গঢ়াত কোনো বিশেষ অৰিহণা যোগোৱা নাছিল।
- উপযুক্ত জনস্বাস্থ্য সেৱাৰ অভাৱ, সঘনাই হোৱা প্ৰাকৃতিক দুৰ্যোগ আৰু দুৰ্ভিক্ষই দুৰ্ভগীয়া ভাৰতীয় জনসাধাৰণক ভিকহুত পৰিণত কৰিছিল আৰু ফলত মৃত্যুৰ হাৰ অধিক হৈছিল।
- ঔপনিৱেশিক শাসকসকলে আন্তঃগাঁথনিমূলক সা-সুবিধাৰ উন্নয়নৰ বাবে কিছুমান পদক্ষেপ লৈছিল, কিন্তু এইবোৰৰ লগত নিজ স্বাৰ্থহে জড়িত আছিল। অৱশ্যে দীৰ্ঘকালত স্বাধীন ভাৰতীয় চৰকাৰে ইয়াৰ ভিত্তিতে দেশখনৰ ভৱিষ্যতৰ অৰ্থনৈতিক আৰু সামাজিক পৰিকল্পনাৰ সৌধ নিৰ্মাণ কৰিছিল।



## অনুশীলনী (Exercise)

1. ভাৰতত ঔপনিৱেশিক চৰকাৰে অনুসৰণ কৰা অৰ্থনৈতিক নীতিসমূহৰ দৃষ্টিভংগী কেনে আছিল? এই নীতিসমূহৰ প্ৰভাৱসমূহ কেনেকুৱা আছিল?
2. ঔপনিৱেশিক শাসন কালত ভাৰতবৰ্ষৰ জনমূৰি আয় গণনা কৰা কেইজনমান বিশিষ্ট অৰ্থনীতিবিদৰ নাম লিখা।
3. ঔপনিৱেশিক শাসন কালত ভাৰতীয় কৃষিৰ স্থবিৰতাৰ প্ৰধান কাৰণসমূহ কি কি আছিল?
4. স্বাধীনতাৰ সময়ত ভাৰতবৰ্ষত চলি থকা কেইটামান উদ্যোগৰ নাম লিখা।
5. পৰাধীন ভাৰতত ইংৰাজসকলে চলোৱা পদ্ধতিগত নিঃউদ্যোগীকৰণৰ দুইধৰণৰ উদ্দেশ্য কি কি আছিল?
6. "ঔপনিৱেশিক শাসনৰ সময়ত ভাৰতবৰ্ষৰ পৰম্পৰাগত হস্তশিল্পসমূহ ধ্বংস হৈছিল।" এই মন্তব্য সমৰ্থন কৰানে? তোমাৰ উত্তৰৰ সমৰ্থনত যুক্তি দিয়া।
7. ইংৰাজসকলে ভাৰতবৰ্ষত আন্তঃগাঁথনি উন্নয়ন নীতিৰ জৰিয়তে কেনে উদ্দেশ্য পূৰণ কৰিব বিচাৰিছিল?
8. ব্ৰিটিছ ঔপনিৱেশিক প্ৰশাসকসকলে ভাৰতবৰ্ষত প্ৰৱৰ্তন কৰা ঔদ্যোগিক নীতিৰ কিছুমান ত্ৰুটিৰ সমালোচনাত্মক মূল্যায়ন আগবঢ়োৱা।
9. ঔপনিৱেশিক শাসন কালত ভাৰতীয় ধন (সম্পদ)ৰ নিৰ্গমন বুলিলে তুমি কি বুজা?
10. প্ৰথম পৰ্যায়ৰ পৰা দ্বিতীয় পৰ্যায়লৈ জনসংখ্যাৰ সঞ্চৰণ সূচাবলৈ নিৰূপণকাৰী বছৰটো কি?
11. ঔপনিৱেশিক শাসন কালত ভাৰতবৰ্ষত জনসংখ্যাৰ দৃশ্যপট সম্বন্ধে এটি পৰিমাণগত বিশ্লেষণ আগবঢ়োৱা।
12. ভাৰতবৰ্ষৰ প্ৰাক্ স্বাধীনতা কালৰ বৃত্তিগত গাঁথনিৰ মুখ্য বৈশিষ্ট্যসমূহ দাঙি ধৰা।
13. স্বাধীনতাৰ সময়ৰ ভাৰতবৰ্ষৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক প্ৰত্যাহ্বানসমূহৰ কেইটিমান চিহ্নিত কৰা।
14. ভাৰতবৰ্ষত কেতিয়া চৰকাৰীভাৱে পিয়ল কাৰ্য হাতত লোৱা হৈছিল?
15. স্বাধীনতাৰ সময়ৰ ভাৰতবৰ্ষৰ আন্তৰ্জাতিক বাণিজ্যৰ আয়তন আৰু দিশৰ আভাস দিয়া।
16. ভাৰতবৰ্ষত ইংৰাজসকলৰ কিবা ইতিবাচক বৰঙণি আছিলনে? আলোচনা কৰা।

## ওপৰঞ্চি কাৰ্যৰ পৰামৰ্শ (Suggested Additional Activities)

1. স্বাধীনতাৰ আগতে ভাৰতবৰ্ষৰ গাঁও আৰু চহৰ অঞ্চলৰ জনসাধাৰণৰ বাবে উপলব্ধ সামগ্ৰী আৰু সেৱাসমূহৰ এখন সূচী প্ৰস্তুত কৰা। বৰ্তমানৰ জনসাধাৰণৰ তেনেকুৱা সামগ্ৰী আৰু সেৱাসমূহৰ ভোগৰ ধৰণৰ লগত ইয়াৰ তুলনা কৰা। ইয়াৰ পৰা জনসাধাৰণৰ জীৱন ধাৰণৰ মানৰ লক্ষ্যণীয় পৰিৱৰ্তনসমূহ দেখুওৱা।
2. স্বাধীনতাৰ আগৰ তোমাৰ ওচৰ-পাঁজৰৰ গাঁও/নগৰৰ চিত্ৰ সংগ্ৰহ কৰা আৰু বৰ্তমানৰ দৃশ্যপটৰ লগত ইয়াৰ তুলনা কৰা। কি পৰিৱৰ্তন লক্ষ্য কৰিলা? সেই পৰিৱৰ্তনসমূহ ভাল নে বেয়া? আলোচনা কৰা।
3. ভাৰতবৰ্ষত জমিদাৰী প্ৰথা প্ৰকৃতপক্ষে নিৰ্মূল হৈছেনে? শিক্ষকৰ সহায়ত এই বিষয়ত এটা সমূহীয়া আলোচনা অনুষ্ঠিত কৰা। সমূহীয়াভাৱে যদি নেতিবাচক মতামতত উপনীত হোৱা, তেনেহ'লে প্ৰথাটো নিৰ্মূলকৰণৰ বাবে কি ব্যৱস্থা লোৱা উচিত বুলি ভাবা আৰু কিয়?
4. স্বাধীনতাৰ সময়ত ভাৰতবৰ্ষৰ জনসাধাৰণে গ্ৰহণ কৰা প্ৰধান বৃত্তিসমূহ চিনাক্ত কৰা। বৰ্তমান সময়ত জনসাধাৰণে প্ৰধানকৈ কোনবোৰ বৃত্তি গ্ৰহণ কৰিছে? সংস্কাৰ নীতিৰ পৰিপ্ৰেক্ষিতত অহা 15 বছৰৰ পিছত, ধৰা 2020 চনত, ভাৰতবৰ্ষৰ বৃত্তিগত দৃশ্যপট কেনে হ'ব বুলি অনুমান কৰা?

## প্ৰসঙ্গ (References)


BADEN-POWELL, B.H. 1892. *The Land Systems of British India,* Vols I, II and III. Oxford Clarendon Press, Oxford.

BUCHANAN, D.H. 1966. *Development of Capitalist Enterprise in India.* Frank Cass and Co. London.

CHANDRA, BIPAN. 1993. 'The Colonial Legacy' in Bimal Jalan (ed.), *The Indian Economy: Problems and Prospects.* Penguin Books, New Delhi.

DUTT, R.C. 1963. *Economic History of India*, Vols. I and II. Ministry of Information and Broadcasting, Government of India, New Delhi.

KUMAR, D. and MEGHNAD DESAI (Eds.). 1983. *Cambridge Economic History of India.* Cambridge University Press, Cambridge.

MILL, JAMES.1972. *History of British India.* Associated Publishing House, New Delhi.

PRASAD, RAJENDRA. 1946. *India Divided.* Hind Kitabs, Bombay.

SEN, AMARTYA. 1999. *Poverty and Famines.* Oxford University Press, New Delhi.

# 2

## দ্বিতীয় অধ্যায়

# ভাৰতীয় অৰ্থব্যৱস্থা
# (1950–1990)
# (INDIAN ECONOMY : 1950–1990)

**এই অধ্যায়টো পঢ়াৰ পিছত, ছাত্ৰ-ছাত্ৰীসকলে—**

- ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ লক্ষ্যসমূহ জানিব পাৰিব।
- 1950–1990 চনলৈ ভাৰতবৰ্ষৰ কৃষি আৰু উদ্যোগ আদি বিভিন্ন খণ্ডৰ উন্নয়নৰ নীতিসমূহ জানিব পাৰিব।
- নিয়ন্ত্ৰিত (Regulated) অৰ্থব্যৱস্থাৰ সুবিধা আৰু সীমাবদ্ধতা সম্পৰ্কে চিন্তা কৰিবলৈ শিকিব।

ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ মুখ্য উদ্দেশ্য হ'ল.......... উন্নয়নৰ এক প্ৰক্ৰিয়াৰ সূচনা কৰা— যিয়ে জীৱন ধাৰণৰ মান উন্নীত কৰিব তথা সমৃদ্ধ আৰু ভিন্নতাপূৰ্ণ জীৱনৰ বাবে জনসাধাৰণলৈ নতুন নতুন সুযোগৰ পাতনি মেলিব।

**প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা**

## 2.1 সূচনা (Introduction) ঃ

1947 চনৰ 15 আগষ্ট তাৰিখে ভাৰতবৰ্ষত স্বাধীনতাৰ এক নতুন প্ৰভাতৰ সূচনা হয়। অৱশেষত প্ৰায় দুশ বছৰ পিছত আমি আমাৰ নিজৰ ভাগ্য নিয়ন্তা হ'লোঁ। জাতি গঠনৰ কাম এতিয়া আমাৰ নিজৰ হাতত। স্বাধীন ভাৰতৰ নেতাসকলে অন্যান্য বিষয়ৰ লগতে আমাৰ দেশৰ বাবে আটাইতকৈ খাপ খোৱা বিধৰ অৰ্থনৈতিক ব্যৱস্থা সম্পৰ্কেও সিদ্ধান্ত ল'বলগীয়া হৈছিল। আমাৰ বাবে প্ৰয়োজন হ'ল এনে এটা পদ্ধতিৰ যিয়ে মুষ্টিমেয় কেইজনমানৰ নহয়— সৰ্বজনৰ কল্যাণ সাধিব পাৰে। বৰ্তমান সময়ত বিশ্বত বিভিন্ন ধৰণৰ অৰ্থনৈতিক পদ্ধতি আছে। (কক্ষ নং 2.1 চোৱা) ইয়াৰ ভিতৰত সমাজবাদে জৱাহৰলাল নেহৰুক অধিক আকৰ্ষিত কৰিছিল। অৱশ্যে তেওঁ আগৰ ছোভিয়েট ৰাছিয়াত প্ৰতিষ্ঠিত সমাজবাদ— য'ত উৎপাদনৰ আটাইবোৰ উপাদান অৰ্থাৎ দেশৰ সকলো কাৰখানা আৰু পামসমূহ ৰাষ্ট্ৰৰ মালিকী স্বত্বত আছিল— সেই ধৰণৰ সমাজবাদৰ পোষকতা কৰা নাছিল। এনে অৰ্থব্যৱস্থাত ব্যক্তিগত সম্পত্তি নাছিল। ভাৰতবৰ্ষৰ দৰে এখন গণতান্ত্ৰিক দেশৰ চৰকাৰৰ বাবে আগৰ ছোভিয়েট ইউনিয়নৰ নিচিনা নাগৰিকসকলৰ ভূমি আৰু অন্যান্য সম্পত্তিৰ মালিকী স্বত্ব পৰিৱৰ্তন কৰাটো সম্ভৱ নহয়।

নতুনকৈ স্বাধীনতা লাভ কৰা ভাৰতবৰ্ষত নেহৰু আৰু আন কিছুমান নেতা আৰু চিন্তাবিদে চূড়ান্ত ৰূপৰ পুঁজিবাদ তথা সমাজবাদৰ নৰম বিকল্পৰ সন্ধান কৰিছিল। মূলতঃ সমাজবাদী দৃষ্টিভংগীৰ প্ৰতি সহানুভূতিশীল হৈ তেওঁলোকে এনে এক অৰ্থব্যৱস্থাৰ কথা ভাবিছিল য'ত সমাজবাদৰ দোষসমূহ নাথাকি ইয়াৰ উৎকৃষ্ট বৈশিষ্ট্যসমূহৰ সমাহাৰ ঘটে। এনে দৃষ্টিভংগীৰে, শক্তিশালী ৰাজহুৱা খণ্ডৰ লগতে ব্যক্তিগত সম্পত্তি আৰু গণতন্ত্ৰৰ সৈতে ভাৰতবৰ্ষ এখন সমাজবাদী সমাজ হ'ব। (কক্ষ 2.2 চোৱা)

**কৰি চোৱা ঃ (Work These Out)**

- বিশ্বত চলি থকা বিভিন্ন প্ৰকাৰৰ অৰ্থনৈতিক ব্যৱস্থাসমূহৰ এখন সাৰণি প্ৰস্তুত কৰা। পুঁজিবাদী, সমাজবাদী আৰু মিশ্ৰ অৰ্থব্যৱস্থাৰ দেশসমূহৰ সূচী যুগুত কৰা।
- গোটেই শ্ৰেণীটোৱে এখন কৃষি পাম ভ্ৰমণ কৰা। শ্ৰেণীটোক সাতটা গোটত ভাগ কৰা আৰু প্ৰতিটো গোটে একোটা বিশেষ লক্ষ্যৰ পৰিকল্পনা কৰা। এনে লক্ষ্যৰ উদাহৰণ হ'ল— ভ্ৰমণৰ উদ্দেশ্য, ভ্ৰমণৰ লগত জড়িত মুদ্ৰা ব্যয়, প্ৰয়োজনীয় সময়, সম্পদ, গোটৰ লগত যোৱা আৰু সংস্পৰ্শলৈ আহিবলগীয়া মানুহ, ভ্ৰমণৰ সম্ভাব্য স্থলসমূহ, সুধিবলগীয়া সম্ভাব্য প্ৰশ্নসমূহ ইত্যাদি। শিক্ষকৰ সহায়ত এই বিশেষ লক্ষ্যসমূহক সংকলিত কৰা আৰু এখন কৃষি পামলৈ সফল ভ্ৰমণৰ দীৰ্ঘকালীন লক্ষ্যসমূহৰ লগত এইবোৰৰ তুলনা কৰা।

**কক্ষ 2.1 ঃ অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰকাৰ (Types of Economic Systems)**

প্ৰতিখন সমাজেই তিনিটা প্ৰশ্নৰ সমাধান কৰিবলগীয়া হয়—

- দেশ এখনত কোনবোৰ সামগ্ৰী আৰু সেৱা কাৰ্য উৎপাদন কৰিব লাগে?
- সামগ্ৰী আৰু সেৱা কাৰ্যসমূহ কিদৰে উৎপাদন কৰিব লাগে? উৎপাদনকাৰীসকলে সামগ্ৰী উৎপাদনৰ বাবে অধিক শ্ৰম নে অধিক মূলধন (যন্ত্ৰ-পাতি) ব্যৱহাৰ কৰিব লাগে?
- সামগ্ৰী আৰু সেৱা কাৰ্যসমূহ কিদৰে জনসাধাৰণৰ মাজত বিতৰণ কৰিব লাগে?

এই প্ৰশ্নবোৰৰ এটা সমাধান হ'ল চাহিদা আৰু যোগানৰ বজাৰশক্তিসমূহৰ ওপৰত নিৰ্ভৰ কৰাটো। বজাৰ অৰ্থব্যৱস্থাত বা পুঁজিবাদী অৰ্থব্যৱস্থাত সেইবোৰ ভোগ্য সামগ্ৰীহে উৎপাদন কৰা হয় যিবোৰৰ চাহিদা থাকে অৰ্থাৎ যিবোৰ সামগ্ৰী দেশীয় বা বৈদেশিক বজাৰত লাভজনকভাৱে বিক্ৰী কৰিব পাৰি। যদি গাড়ীৰ চাহিদা থাকে, গাড়ী উৎপাদন কৰা হয় আৰু যদি চাইকেলৰ চাহিদা থাকে তেনেহ'লে চাইকেল উৎপাদন কৰা হয়। যদি মূলধনতকৈ শ্ৰম সস্তীয়া হয় তেনেহ'লে অধিক শ্ৰম নিবিড় উৎপাদন পদ্ধতি ব্যৱহাৰ কৰা হয় আৰু মূলধন শ্ৰমতকৈ সস্তীয়া হ'লে মূলধন নিবিড় উৎপাদন ব্যৱস্থা হাতত লোৱা হয়। পুঁজিবাদী সমাজত মানুহৰ প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি নহয়— তেওঁলোকৰ ক্ৰয় ক্ষমতা আৰু ক্ৰয়ৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিহে উৎপাদিত সামগ্ৰীসমূহ বিতৰণ কৰা হয়। অৰ্থাৎ এজন বেমাৰী মানুহে আৱশ্যকীয় ঔষধ ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ব যদিহে তেওঁ সেইটো ক্ৰয় কৰিব পাৰে। যদি ঔষধটো ক্ৰয় কৰিবলৈ সক্ষম নহয় তেতিয়াহ'লে অতি জৰুৰী হ'লেও তেওঁ ইয়াক ব্যৱহাৰ কৰিব নোৱাৰিব। এনে এখন সমাজে আমাৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক আকৰ্ষিত কৰিব নোৱাৰিলে। কিয়নো ইয়াৰ অৰ্থ এয়ে যে দেশখনৰ এক গৰিষ্ঠসংখ্যক লোক তেওঁলোকৰ জীৱনৰ মান উন্নীত কৰাৰ সুবিধাৰ পৰা বঞ্চিত হ'ব।

এখন সমাজবাদী সমাজে এই প্ৰশ্ন তিনিটা সম্পূৰ্ণ ভিন্ন ধৰণে সমাধান কৰে। সমাজবাদী সমাজত দেশৰ জনসাধাৰণৰ প্ৰয়োজন অনুসৰি কোনবোৰ সামগ্ৰী উৎপাদন কৰা হ'ব তাক চৰকাৰে নিৰ্ধাৰণ কৰে। ধৰি লোৱা হয় যে দেশৰ জনসাধাৰণৰ বাবে কোনটো ভাল সেইটো চৰকাৰে জানে আৰু সেয়েহে এনে অৰ্থব্যৱস্থাত ব্যক্তিগত ভোক্তাৰ আকাংক্ষাৰ প্ৰতি অধিক গুৰুত্ব দিয়া নহয়। সামগ্ৰী কিদৰে উৎপাদন আৰু বিতৰণ কৰিব সেই সম্পৰ্কে চৰকাৰে সিদ্ধান্ত লয়। সমাজবাদত নীতিগতভাৱে বিতৰণ জনসাধাৰণৰ ক্ৰয় ক্ষমতাৰ ভিত্তিত নহয়, প্ৰয়োজনৰ ভিত্তিতহে হয় বুলি ধৰা হয়। উদাহৰণ স্বৰূপে পুঁজিবাদৰ বিপৰীতে সমাজবাদী ৰাষ্ট্ৰই প্ৰয়োজনবোধ কৰা নাগৰিকৰ বাবে বিনামূলীয়া স্বাস্থ্য যতন সেৱাৰ ব্যৱস্থা কৰে। এনে অৰ্থব্যৱস্থাত সকলোবোৰ ৰাষ্ট্ৰৰ অধীনত হোৱা হেতুকে কোনো ব্যক্তিগত সম্পত্তি নাথাকে। কুৰি শতিকাৰ শেষ দশকত ছোভিয়েট ব্যৱস্থাৰ পতনৰ ফলত অতীতৰ ছোভিয়েট ইউনিয়ন আৰু পূব-ইউৰোপৰ সমাজবাদী দেশসমূহত এই ব্যৱস্থা বন্ধ হৈ গৈছে।

বৰ্তমান বিশ্বৰ বেছিভাগ অৰ্থব্যৱস্থাই মিশ্ৰ অৰ্থব্যৱস্থা। অৰ্থাৎ কি উৎপাদন কৰিব, কিদৰে উৎপাদন কৰিব আৰু কিদৰে বিতৰণ কৰিব— এই তিনিওটা প্ৰশ্নৰ সমাধান চৰকাৰ আৰু বজাৰ উভয়ে কৰে। মিশ্ৰ অৰ্থব্যৱস্থাত বজাৰে যিবোৰ সামগ্ৰী আৰু সেৱা কাৰ্য ভালদৰে উৎপাদন কৰিব পাৰে, সেইবোৰ বজাৰে সৰবৰাহ কৰে আৰু বজাৰে সৰবৰাহ কৰাত ব্যৰ্থ হোৱা অত্যাৱশ্যকীয় সামগ্ৰী আৰু সেৱাসমূহ চৰকাৰে সৰবৰাহ কৰে।

**কক্ষ 2.2 ঃ পৰিকল্পনা কি ? (What is a Plan?)**

দেশ এখনৰ সম্পদসমূহ কিদৰে ব্যৱহাৰ কৰা উচিত তাক পৰিকল্পনাই ব্যাখ্যা কৰে। এটা নিৰ্দিষ্ট সময়ত উপনীত হ'বলগীয়া ইয়াৰ কিছুমান সাধাৰণ লক্ষ্য আৰু বিশেষ উদ্দেশ্য আছে। ভাৰতবৰ্ষৰ পৰিকল্পনাৰ কাৰ্যকাল পাঁচ বছৰ আৰু ইয়াক পঞ্চবাৰ্ষিক পৰিকল্পনা বুলি কোৱা হয়। (পৰিকল্পনাৰ ক্ষেত্ৰত অগ্ৰগণী অতীতৰ ছোভিয়েট ৰাছিয়াৰ পৰা আমি এইটো ধাৰ কৰিছোঁ) আমাৰ পৰিকল্পনাৰ তথ্যপাতিত কেৱল মাত্ৰ পৰিকল্পনাৰ পাঁচ বছৰত উপনীত হ'বলগীয়া বিশেষ উদ্দেশ্যসমূহকে নহয়, বৰঞ্চ বিশ বছৰত কিমান সফল হ'ব লাগিব তাকো বিশেষভাৱে দেখুওৱা হয়। এই দীৰ্ঘকালীন পৰিকল্পনাক পৰিপ্ৰেক্ষাত্মক (Perspective) পৰিকল্পনা বুলি কোৱা হয়। পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহে পৰিপ্ৰেক্ষাত্মক পৰিকল্পনাৰ ভেটি ৰচনা কৰে বুলি ধৰা হয়।

আটাইবোৰ পৰিকল্পনাত সকলোবোৰ লক্ষ্যকে সমানে গুৰুত্ব দিব বুলি আশা কৰাটো অবাস্তৱ হ'ব। দৰাচলতে বিভিন্ন লক্ষ্যসমূহ পৰস্পৰ-বিৰোধী হ'ব পাৰে। উদাহৰণস্বৰূপে, যদিহে প্ৰযুক্তিবিদ্যাই শ্ৰমৰ প্ৰয়োজনীয়তা হ্ৰাস কৰে, তেনেহ'লে আধুনিক প্ৰযুক্তিবিদ্যা প্ৰচলনৰ লক্ষ্য আৰু নিয়োগ বৃদ্ধিৰ লক্ষ্যৰ মাজত বিৰোধৰ সৃষ্টি হ'ব পাৰে। পৰিকল্পনা প্ৰস্তুতকৰ্তাসকলে লক্ষ্যসমূহৰ মাজত ভাৰসাম্য ৰক্ষা কৰিব লাগে; কিন্তু বাস্তৱিকতে এইটো অতি কঠিন কাম। ভাৰতবৰ্ষত বিভিন্ন পৰিকল্পনাত বিভিন্ন লক্ষ্যৰ ওপৰত জোৰ দিয়া দেখা যায়।

প্ৰতিবিধ সামগ্ৰীৰ আৰু সেৱা কাৰ্যৰ কিমান পৰিমাণ উৎপাদন কৰিব লাগিব তাক আমাৰ পৰিকল্পনাই নিৰ্দিষ্টকৈ দেখুৱাই দিয়া নাই। এইটো সম্ভৱো নহয় আৰু ইয়াৰ প্ৰয়োজনো নাই। (পূৰ্বৰ ছোভিয়েট গণৰাজ্যই এইটো কৰিবলৈ চেষ্টা কৰিছিল যদিও অকৃতকাৰ্য হৈছিল) অইনবোৰক বজাৰৰ হাতত এৰি দি শক্তি উৎপাদন আৰু জলসিঞ্চন আদিৰ দৰে যিবোৰ খণ্ডত পৰিকল্পনাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেইবোৰৰ সম্পৰ্কে সুস্পষ্টতা থাকিলেই যথেষ্ট।

চৰকাৰে অৰ্থব্যৱস্থাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰিব আৰু পৰিকল্পনাৰ প্ৰয়াসত ব্যক্তিগত খণ্ডক অংশ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হ'ব। 1948 চনৰ ঔদ্যোগিক নীতি আৰু ভাৰতবৰ্ষৰ সংবিধানৰ নিৰ্দেশাত্মক নীতিসমূহত এই দৃষ্টিভংগী প্ৰতিফলিত হৈছে। 1950 চনত ভাৰতৰ প্ৰধানমন্ত্ৰীক অধ্যক্ষ হিচাপে লৈ পৰিকল্পনা আয়োগ গঠন কৰা হৈছিল আৰু তেতিয়াৰ পৰা পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধ্যায়ৰ সূচনা হয়।

## 2.2 পঞ্চবাৰ্ষিক পৰিকল্পনাৰ লক্ষ্যসমূহ (The Goals of Five Year Plans) ঃ

পৰিকল্পনাৰ কিছুমান স্পষ্টকৈ নিৰ্ধাৰিত লক্ষ্য থাকিব লাগে। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ লক্ষ্যসমূহ হ'ল— বৃদ্ধি, আধুনিকীকৰণ, আত্মনিৰ্ভৰশীলতা আৰু সমতা। এইটোৱে ইয়াক নুবুজায় যে সকলোকেইখন পৰিকল্পনাতে এই সকলোবোৰ লক্ষ্যকে সমানে গুৰুত্ব প্ৰদান কৰা হৈছে। সীমিত সম্পদৰ বাবে প্ৰত্যেক পৰিকল্পনাত কোনটো লক্ষ্যক প্ৰাথমিক গুৰুত্ব দিব লাগে সেই সম্বন্ধে পছন্দ কৰিব লাগে। তথাপি পৰিকল্পনা প্ৰস্তুতকাৰীসকলে এইটো নিশ্চিত কৰিব লাগে যে যিমান দূৰ সম্ভৱ পৰিকল্পনাসমূহৰ নীতি আৰু উল্লিখিত লক্ষ্য চাৰিটাৰ মাজত বিৰোধিতা নাথাকে। এতিয়া আমি পৰিকল্পনাৰ লক্ষ্যসমূহ কিছু বহলাই শিকোহঁক।

**বৃদ্ধি (Growth)** ঃ বৃদ্ধিয়ে সামগ্ৰী আৰু সেৱাৰ উৎপাদন কৰিবলৈ দেশখনৰ সামৰ্থ্য বৃদ্ধিক বুজায়। ই উৎপাদনক্ষম মূলধনৰ বৃহৎ ভাণ্ডাৰ বা পৰিবহন আৰু বেংক ব্যৱস্থাৰ দৰে সহায়ক সেৱা নতুবা উৎপাদনক্ষম মূলধন আৰু সেৱাৰ বৃদ্ধিক বুজায়। অৰ্থনীতিৰ ভাষাত অৰ্থনৈতিক বৃদ্ধিৰ এটা ভাল নিৰ্দেশক হ'ল মুঠ ঘৰুৱা উৎপাদনৰ সুস্থিৰ বৃদ্ধি।

**কক্ষ 2.3 ঃ মহলান'বিশ ঃ ভাৰতীয় পৰিকল্পনাৰ নিৰ্মাতা (Mahalanobis the Architect of Indian Planning)**



ভাৰতবৰ্ষৰ পৰিকল্পনা ৰচনাত ভালেকেইজন প্ৰখ্যাত চিন্তাবিদে বৰঙণি আগবঢ়াইছিল। তেওঁলোকৰ ভিতৰত পৰিসংখ্যাবিদ প্ৰশান্ত চন্দ্ৰ মহলান'বিশৰ নাম উল্লেখনীয়।

ভাৰতবৰ্ষত দ্বিতীয় পৰিকল্পনাৰ পৰাহে প্ৰকৃতাৰ্থত পৰিকল্পনা আৰম্ভ হৈছিল। উন্নয়নৰ পৰিকল্পনাৰ ক্ষেত্ৰত সাধাৰণভাৱে এক স্মৰণীয় অৱদান দ্বিতীয় পৰিকল্পনাই ভাৰতীয় পৰিকল্পনাৰ লক্ষ্য সম্পৰ্কে মৌলিক ধাৰণাসমূহৰ অৱতাৰণা কৰিছিল। এই পৰিকল্পনাখন মহলান'বিশৰ চিন্তাৰ ওপৰত আধাৰিত আছিল। সেই ফালৰ পৰা তেওঁক ভাৰতবৰ্ষৰ পৰিকল্পনাৰ নিৰ্মাতা বুলি অভিহিত কৰিব পাৰি।

1893 চনত কলিকতাত মহলান'বিশৰ জন্ম হৈছিল। তেওঁ কলিকতাৰ প্ৰেছিডেন্সি কলেজ আৰু ইংলেণ্ডৰ কেমব্ৰীজ্ বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰিছিল। পৰিসংখ্যা বিষয়লৈ আগবঢ়োৱা বৰঙণিৰ বাবে তেওঁ আন্তঃৰাষ্ট্ৰীয় খ্যাতি লাভ কৰিছিল। 1946 চনত তেওঁক বিজ্ঞানীসকলৰ এক অতি সন্মানীয় সংগঠন— ব্ৰিটিছ ৰয়েল ছ'চাইটিৰ ফেল' (সদস্য) কৰা হৈছিল। উচ্চমানৰ বৈজ্ঞানিকসকলহে এই ছ'চাইটিৰ সদস্য আছিল।

মহলান'বিশে কলিকতাত ভাৰতীয় 'পৰিসংখ্যা প্ৰতিষ্ঠান' (Indian Statistical Institute) স্থাপন কৰিছিল আৰু 'সংখ্যা' নামেৰে এখন মুখপত্ৰ (Journal) প্ৰকাশ কৰি উলিয়াইছিল। এই মুখপত্ৰখনে বৰ্তমানেও পৰিসংখ্যাবিদসকলৰ ধাৰণাসমূহ আলোচনাৰ বাবে এক সন্মানীয় মঞ্চ হিচাপে কাম কৰি আছে। ভাৰতীয় 'পৰিসংখ্যা প্ৰতিষ্ঠান' আৰু 'সংখ্যা' উভয়ে আজিকোপতি বিশ্বৰ পৰিসংখ্যাবিদ আৰু অৰ্থনীতিবিদসকলৰ মাজত সমাদৃত হৈ আছে।

দ্বিতীয় পৰিকল্পনাৰ সময়ত মহলান'বিশে ভাৰতবৰ্ষৰ লগতে বিদেশৰ বিভিন্ন অৰ্থনীতিবিদক ভাৰতবৰ্ষৰ অৰ্থনৈতিক উন্নয়ন সম্পৰ্কে তেওঁক পৰামৰ্শ দিবলৈ আমন্ত্ৰণ কৰিছিল। ইয়াৰে কিছু সংখ্যকে পিছত ন'বেল বঁটা লাভ কৰিছিল। এইটোৱে প্ৰমাণ কৰে যে তেওঁ গুণী ব্যক্তিক চিনাক্ত কৰিব পাৰিছিল। মহলান'বিশে আমন্ত্ৰণ কৰা অৰ্থনীতিবিদসকলৰ কিছু সংখ্যকে দ্বিতীয় পৰিকল্পনাৰ যথেষ্ট সমালোচনা কৰিছিল। আন কথাত, তেওঁ তেওঁৰ সমালোচকসকলৰ বক্তব্য শুনিবলৈ ইচ্ছা কৰিছিল। এইটোৱে মহান পণ্ডিতৰ চানেকি।

বৰ্তমান সময়ৰ বহু সংখ্যক অৰ্থনীতিবিদে মহলানবিশে প্ৰস্তুত কৰা পৰিকল্পনাৰ পন্থা নুই কৰে; কিন্তু ভাৰতবৰ্ষক অৰ্থনৈতিক উন্নয়নৰ পথত আগুৱাই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে তেওঁ চিৰস্মৰণীয় হৈ থাকিব আৰু তত্ত্বসমূহলৈ তেওঁৰ অৱদানৰ পৰা পৰিসংখ্যাবিদসকল উপকৃত হৈ থাকিব।

**উৎস (*Source*) ঃ** *Sukhamoy Chakravarty, 'Mahalanobis, Prasanta Chandra' in John Eatwell et.al (Eds) The New Palgrave Dictionary : Economic Development, W.W. Norton, New York and London.*

**কক্ষ 2.4 ঃ সেৱাখণ্ড (The Service Sector)**

দেশ এখনে উন্নতি লাভ কৰাৰ লগে লগে ইয়াৰ সংগ্ৰথনমূলক পৰিৱৰ্তন ঘটে। ভাৰতবৰ্ষৰ ক্ষেত্ৰত এই পৰিৱৰ্তন সুকীয়া বিধৰ। সাধাৰণতে উন্নয়নৰ লগে লগে কৃষিখণ্ডৰ অংশ কমি যায় আৰু উদ্যোগ খণ্ডৰ অংশ অধিক হয়। উন্নয়নৰ উচ্চ পৰ্যায়ত সেৱাখণ্ডই মুঠ ঘৰুৱা উৎপাদনলৈ আন দুটা খণ্ডতকৈ অধিক বৰঙণি আগবঢ়ায়। ভাৰতবৰ্ষৰ মুঠ ঘৰুৱা উৎপাদনলৈ কৃষিখণ্ডৰ বৰঙণি 50 শতাংশতকৈও অধিক আছিল। এখন দুখীয়া দেশত এইটোৱে আশা কৰা যায়; কিন্তু 1990 চনত সেৱাখণ্ডৰ অৱদান 40.59 শতাংশ আছিল। এইটো উন্নত দেশসমূহত দেখাৰ দৰে কৃষি আৰু উদ্যোগ খণ্ডতকৈ অধিক। সেৱাখণ্ডৰ অংশ বৃদ্ধিৰ এই প্ৰপঞ্চ 1991 চনৰ পিছত ত্বৰান্বিত হয়। (এইটো দেশখনত গোলকীকৰণৰ আৰম্ভণি বুলি চিহ্নিত হৈছে। এই সম্পৰ্কে পিছৰ অধ্যায় এটাত আলোচনা কৰা হ'ব)।

মুঠ ঘৰুৱা উৎপাদন হ'ল এটা বছৰত দেশ এখনত উৎপাদিত হোৱা সামগ্ৰী আৰু সেৱাৰ বজাৰ মূল্য। মুঠ ঘৰুৱা উৎপাদনক এটা কেকৰ লগত তুলনা কৰিব পাৰি। কেকটোৰ আকাৰ বঢ়াটোৱেই হ'ল বৃদ্ধি। যদি কেকটো ডাঙৰ হয় অধিক ব্যক্তিয়ে ইয়াক ভোগ কৰিব পাৰে। ভাৰতবৰ্ষৰ জনসাধাৰণে এটা অধিক সমৃদ্ধ আৰু ভিন্নতাপূৰ্ণ জীৱন উপভোগ কৰিবলৈ হ'লে অধিক পৰিমাণৰ সামগ্ৰী আৰু সেৱাকাৰ্য উৎপাদন কৰিব লাগিব (প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা অনুসৰি)।

দেশ এখনৰ মুঠ ঘৰুৱা উৎপাদন দেশখনৰ বিভিন্ন খণ্ড, যেনে— কৃষি, উদ্যোগ আৰু সেৱাখণ্ডৰ পৰা উদ্ভৱ হয়। এই খণ্ডসমূহৰ প্ৰত্যেকৰে বৰঙণিয়ে অৰ্থব্যৱস্থাৰ গাঁথনিমূলক বিন্যাস ঘটায়। কিছুমান দেশত কৃষিৰ বৃদ্ধিয়ে মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিত অধিক অৰিহণা যোগায়। আনহাতে অইন কিছুমান দেশত মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিত সেৱাখণ্ডৰ বৃদ্ধিয়ে অধিক বৰঙণি যোগায়। (কক্ষ 2.4 চোৱা)

**আধুনিকীকৰণ (Modernisation) ঃ** সামগ্ৰী আৰু সেৱাৰ উৎপাদন বৃদ্ধি কৰিবলৈ হ'লে উৎপাদনকাৰী সকলে নতুন প্ৰযুক্তিবিদ্যা গ্ৰহণ কৰিব লাগিব। উদাহৰণস্বৰূপে, এজন কৃষকে পুৰণি জাতৰ বীজৰ পৰিৱৰ্তে নতুন জাতৰ বীজ ব্যৱহাৰ কৰি কৃষিৰ উৎপাদন বৃদ্ধি কৰিব পাৰে। একেদৰে এটা উদ্যোগে নতুন ধৰণৰ যন্ত্ৰপাতি ব্যৱহাৰ কৰি উৎপাদিত সামগ্ৰীৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে। নতুন প্ৰযুক্তিবিদ্যা গ্ৰহণ কৰাকে আধুনিকীকৰণ বুলি কোৱা হয়।

**কৰি চোৱা ঃ (Work These Out)**

➢ তলত দিয়াসমূহৰ বাবে প্ৰযুক্তি বিদ্যাৰ পৰিৱৰ্তনবোৰ শ্ৰেণীত আলোচনা কৰা—

(a) খাদ্য-শস্যৰ উৎপাদন।

(b) সামগ্ৰীৰ টোপোলা প্ৰস্তুতকৰণ (Packaging)।

(c) জনসংযোগ (Mass Communication)।

➢ 1950-51 আৰু 1990-91 চনৰ ভিতৰত ভাৰতবৰ্ষৰ আমদানি আৰু ৰপ্তানি সামগ্ৰীসমূহৰ এখন তালিকা প্ৰস্তুত কৰি উলিওৱা।

(a) পাৰ্থক্যসমূহলৈ লক্ষ্য কৰা।

(b) আত্মনিৰ্ভৰশীলতাৰ প্ৰভাৱ মন কৰিছানে? আলোচনা কৰা।

সবিশেষ জানিবলৈ শেহতীয়া বছৰৰ Economic Survey চাব পাৰা।

অৱশ্যে কেৱল মাত্ৰ নতুন প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰকে আধুনিকীকৰণ বুলি ক'ব নোৱাৰি। বৰঞ্চ সামাজিক দৃষ্টিভংগীৰো পৰিৱৰ্তন হোৱাটো উচিত। উদাহৰণস্বৰূপে, মহিলাসকলে পুৰুষৰ লগত সমান অধিকাৰ পোৱা উচিত। পৰম্পৰাগত সমাজত পুৰুষসকলেহে কৰ্ম কৰে; মহিলাসকল ঘৰৰ ভিতৰতে সোমাই থাকিব লগা হয়। আধুনিক সমাজে বেংক, স্কুল, কাৰখানা আদি কৰ্মক্ষেত্ৰত মহিলাসকলৰ প্ৰতিভা কামত খটুৱায়। এনে এখন সমাজ অধিক সভ্য আৰু উন্নত।

**আত্মনিৰ্ভৰশীলতা (Self-reliance) ঃ** দেশ এখনে নিজৰ সম্পদৰাজি বা বিদেশৰ পৰা আমদানি কৰা সম্পদ ব্যৱহাৰ কৰি অৰ্থনৈতিক উন্নয়ন আৰু আধুনিকীকৰণৰ পথত আগবাঢ়িব পাৰে। প্ৰথম সাতখন পঞ্চবাৰ্ষিক পৰিকল্পনাই আত্মনিৰ্ভৰশীলতাৰ ওপৰত গুৰুত্ব দিছিল। ইয়াৰ অৰ্থ হ'ল ভাৰতবৰ্ষই নিজে উৎপাদন কৰিব পৰা সামগ্ৰীসমূহৰ আমদানি কৰাৰ পৰা বিৰত থকা। আন দেশৰ ওপৰত ভাৰতবৰ্ষৰ নিৰ্ভৰশীলতা, বিশেষতঃ খাদ্যৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ বাবে এই নীতি অপৰিহাৰ্য বুলি বিবেচিত হৈছিল। বিদেশী শাসনৰ পৰা সদ্যমুক্ত জনসাধাৰণে আত্মনিৰ্ভৰশীলতাৰ ওপৰত অধিক গুৰুত্ব দিয়াটো সহজতে বোধগম্য। তদুপৰি খাদ্য সামগ্ৰীৰ আমদানি, বিদেশী প্ৰযুক্তিবিদ্যা, বিদেশী মূলধনৰ ওপৰত নিৰ্ভৰশীলতাৰ বাবে আমাৰ নীতিত বৈদেশিক হস্তক্ষেপে ভাৰতবৰ্ষৰ সাৰ্বভৌমত্বত আঘাত কৰিব বুলি ভয় হৈছিল।

**সমতা (Equity) ঃ** কেৱল বৃদ্ধি, আধুনিকীকৰণ আৰু আত্মনিৰ্ভৰশীলতাই জনসাধাৰণৰ বৰ্তমানৰ জীৱন নিৰ্বাহৰ মান উন্নত কৰিব বুলি ক'ব নোৱাৰি। দেশ এখনত উচ্চহাৰৰ বৃদ্ধি হ'ব পাৰে, নিজে বিকাশ ঘটোৱা অত্যাধুনিক প্ৰযুক্তিবিদ্যা থাকিব পাৰে, কিন্তু ইয়াৰ প্ৰায়ভাগ মানুহে দৰিদ্ৰ জীৱন যাপন কৰিব পাৰে। অৰ্থনৈতিক প্ৰগতিৰ সুফলসমূহ কেৱল মাত্ৰ চহকীসকলে উপভোগ কৰাৰ পৰিৱৰ্তে দুখীয়াসকলেও পোৱাটো নিশ্চিত কৰাটো গুৰুত্বপূৰ্ণ। সেয়েহে বৃদ্ধি, আধুনিকীকৰণ আৰু আত্মনিৰ্ভৰশীলতাৰ উপৰি সমতাও গুৰুত্বপূৰ্ণ। প্ৰতিজন ভাৰতীয়ই খাদ্য, সু-বাসস্থান, শিক্ষা, স্বাস্থ্য যতন আদি মৌলিক প্ৰয়োজনীয়তা পূৰাবলৈ সক্ষম

হ'ব লাগিব আৰু ধনৰ বিতৰণৰ ক্ষেত্ৰত থকা অসমতা হ্ৰাস কৰিব লাগিব।

আমি এতিয়া 1950 চনৰ পৰা 1990 চনৰ সময়ছোৱাত প্ৰথম সাতখন পৰিকল্পনাত এই চাৰিটা লক্ষ্যত উপনীত হ'বলৈ কেনে প্ৰচেষ্টা চলোৱা হৈছিল আৰু এই ক্ষেত্ৰত কিমানদূৰ সফলতা পোৱা গৈছিল চাওঁহক। 1991 চনৰ পিছৰ পৰা কৃষি, উদ্যোগ আৰু বাণিজ্যৰ প্ৰসংগত নীতি আৰু উন্নয়ন সম্পৰ্কীয় বিষয়সমূহ তৃতীয় অধ্যায়ত পাবা।

## 2.3 কৃষি (Agriculture) ঃ

প্ৰথম অধ্যায়ত পঢ়িছা যে ঔপনিৱেশিক শাসন কালত ভাৰতবৰ্ষৰ কৃষি খণ্ডত বৃদ্ধি আৰু সমতা নাছিল। স্বাধীন ভাৰতৰ নীতি নিৰ্ধাৰকসকলে এই সমস্যাসমূহ সমাধান কৰিবলগীয়া হৈছিল। ভূমি সংস্কাৰ আৰু 'বিস্ময়কৰ বীজ'ৰ জৰিয়তে তেওঁলোকে ইয়াৰ বাবে চেষ্টা চলাইছিল আৰু ই ভাৰতীয় কৃষিত এক বিপ্লৱৰ সূচনা কৰিছিল। স্বাধীনতাৰ সময়ত ভাৰতবৰ্ষৰ ভূমিস্বত্ব ব্যৱস্থাত মধ্যস্বত্ব ভোগী (জমিদাৰ, জায়গীৰদাৰ আদি বিভিন্নভাৱে জনাজাত)ৰ প্ৰাদুৰ্ভাৱ আছিল। এওঁলোকে কৃষি পামসমূহৰ উন্নতিত কোনো অৱিহণা যোগোৱা নাছিল; কেৱল মাত্ৰ প্ৰকৃত কৃষকসকলৰ পৰা খাজনা আদায় কৰিছিল। কৃষিখণ্ডৰ নিম্ন উৎপাদনশীলতাই ভাৰতবৰ্ষক আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা খাদ্য সামগ্ৰী আমদানি কৰিবলৈ বাধ্য কৰাইছিল। কৃষিৰ সমতাৰ বাবে ভূমি সংস্কাৰৰ প্ৰয়োজন হৈছিল। ই মূলতঃ মাটিৰ মালিকীস্বত্বৰ পৰিৱৰ্তনক বুজায়। স্বাধীনতা লাভৰ মাত্ৰ এবছৰ

### কক্ষ 2.5 ঃ মালিকীস্বত্ব আৰু প্ৰোৎসাহন (Ownership and Incentives)

'কৃষকলৈ ভূমি' নীতিৰ ধাৰণাটোৰ ভিত্তি আছিল এয়ে যে কৃষকসকল অধিক আগ্ৰহান্বিত হ'ব— ভূমিৰ মালিক হ'ব পাৰিলে তেওঁলোকে অধিক প্ৰোৎসাহ পাব। কিয়নো ভূমিৰ মালিকীস্বত্বই কৃষকসকলক বৰ্ধিত উৎপাদনৰ যোগেদি লাভ অৰ্জন কৰিবলৈ সক্ষম কৰি তোলে। বৰ্ধিত উৎপাদনৰ পৰা ভূমিৰ মালিকসকলেহে অধিক লাভৱান হয় বাবে ৰায়তসকলে ভূমিৰ উন্নতি সাধিবলৈ কোনো প্ৰেৰণা নাপায়। আগৰ ছোভিয়েট ৰাছিয়াৰ কৃষকসকলে যিধৰণে নিৰুদ্বেগভাৱে ফলৰ পেকিং কৰিছিল তাৰ পৰাই প্ৰোৎসাহনৰ ক্ষেত্ৰত মালিকীস্বত্বৰ গুৰুত্বৰ উদাহৰণ পোৱা যায়। তেওঁলোকে একেটা বাকচতে গেলা আৰু ভাল ফল একেলগে পেক কৰাটো প্ৰায়ে দেখা গৈছিল। সম্প্ৰতি প্ৰতিজন কৃষকে জানে যে একেলগে পেক কৰিলে গেলা ফলসমূহে ভাল ফলসমূহকো নষ্ট কৰে। এইটোৱে কৃষকসকলৰ লোকচান সাধে; কিয়নো ফলসমূহ বিক্ৰী কৰিব নোৱাৰি। তেনেহ'লে ছোভিয়েট কৃষকসকলে নিজৰে লোকচান হোৱা কাম এটা কিয় কৰিছিল? কৃষকসকলৰ বাবে প্ৰোৎসাহনৰ অভাৱেই ইয়াৰ কাৰণ। আগৰ ছোভিয়েট ৰাছিয়াৰ কৃষকসকল ভূমিৰ গৰাকী নাছিল বাবে তেওঁলোকৰ বাবে কোনো লাভ বা লোকচানৰ কথাও নাছিল। মালিকী স্বত্ব নথকা হেতুকে দক্ষতা অৰ্জন কৰাৰ বাবেও কৃষকসকলৰ পক্ষে কোনো প্ৰোৎসাহন নাছিল। বৃহৎ পৰিমাণৰ অতি উৰ্বৰ কৃষিভূমি থকা সত্বেও ছোভিয়েট ৰাছিয়াত কৃষিখণ্ডৰ শোচনীয় প্ৰদৰ্শনৰ ব্যাখ্যাও ই দাঙি ধৰে।

**উৎস** (*Source*) ঃ *Thomas Sowell, Basic Economics : A citizen's Guide to the Economy, Newyork Basic Books, 2004, Second Edition.*

পিছতে মধ্যস্বত্বভোগীৰ বিলোপ ঘটাই প্ৰকৃত কৃষকসকলক ভূমিৰ মালিক কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছিল। ধাৰণা কৰা হৈছিল যে যদিহে কৃষকসকলে পৰ্যাপ্ত পৰিমাণৰ মূলধন পোৱাৰ সুবিধা থাকে, তেনেহ'লে মাটিৰ মালিকীস্বত্বই তেওঁলোকক উন্নতিৰ হকে বিনিয়োগ কৰিবলৈ উৎসাহিত কৰিব। (কক্ষ 2.5 দ্ৰষ্টব্য) কৃষিখণ্ডত সমতা বৃদ্ধিৰ বাবে এক নীতি আছিল ভূমিৰ উচ্চ সীমা নিৰ্ধাৰণ। এজন ব্যক্তিয়ে সৰ্বোচ্চ কিমান পৰিমাণ ভূমি নিজৰ অধীনত ৰাখিব পাৰিব ই তাকে বুজায়। এই ব্যৱস্থাৰ উদ্দেশ্য আছিল ভূমিৰ মাকিলীস্বত্ব অলপ সংখ্যক ব্যক্তিৰ হাতত কেন্দ্ৰীভূত হৈ থকা ব্যৱস্থাৰ অৱসান ঘটোৱা।

মধ্যস্বত্বভোগীৰ অৱসান ঘটোৱাৰ ফলস্বৰূপে প্ৰায় 200 লাখ কৃষক চৰকাৰৰ প্ৰত্যক্ষ সংস্পৰ্শলৈ আহিল আৰু তেনেদৰে তেওঁলোক জমিদাৰৰ শোষণৰ পৰা মুক্ত হ'ল। ভূমিৰ মালিকীস্বত্বই কৃষকসকলক উৎপাদন বৃদ্ধিৰ বাবে উৎসাহিত কৰিলে আৰু ঈ কৃষি উৎপাদন বৃদ্ধিত অৰিহণা যোগাইছে। মধ্যস্বত্বভোগীৰ বিলোপে সম-বিতৰণৰ লক্ষ্যত সম্পূৰ্ণৰূপে উপনীত কৰিব নোৱাৰিলে। কিছুমান অঞ্চলত জমিদাৰসকলে আইনৰ সুৰুঙাৰে বৃহৎ পৰিমাণৰ মাটি অধিকাৰ কৰি আছে। এনে বহুতো ঘটনা আছে য'ত ৰায়তসকলক উচ্ছেদ কৰি ভূস্বামীসকলে নিজকে প্ৰকৃত কৃষক বুলি প্ৰতিপন্ন কৰি মাটিৰ মালিকীস্বত্ব দাবী কৰিছিল। কৃষি বনুৱাসকলৰ একেবাৰে দুখীয়া অংশটো (উদাহৰণস্বৰূপে আধিয়াৰ তথা ভূমিহীন শ্ৰমিকসকল) ভূমি সংস্কাৰ ব্যৱস্থাৰ দ্বাৰা লাভৱান হোৱা নাছিল।

চিলিং আইনো সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। বৃহৎ ভূস্বামীসকলে আইনখনৰ বিৰুদ্ধে আদালতত প্ৰত্যাহ্বান জনোৱাৰ ফলত ইয়াৰ ৰূপায়ণ পলম হয়। তেওঁলোকে আইনৰ হাত সাৰিবলৈ, তেওঁলোকৰ ভূমি নিকটাত্মীয়ৰ নামত পঞ্জীয়ন কৰিবলৈ এনে বিলম্বৰ সৃষ্টি কৰালে। আইনখনৰ নিজৰো বহুত সুৰুঙা আছিল। বৃহৎ ভূস্বামীসকলে নিজৰ মাটিৰ অধিকাৰ ৰক্ষাৰ্থে ইয়াক ব্যৱহাৰ কৰিছিল। কৃষকৰ বাবে ভূমি নীতিৰ প্ৰতি দায়বদ্ধ চৰকাৰ থকা হেতুকে কেৰালা আৰু পশ্চিমবংগত ভূমি সংস্কাৰ ব্যৱস্থা ফলৱতী হৈছিল। দুৰ্ভাগ্যজনকভাৱে অইন ৰাজ্যত একে পৰ্যায়ৰ দায়বদ্ধতা নোহোৱা হেতুকে ভূমিৰ মালিকানাৰ ক্ষেত্ৰত আজিকোপতি বৃহৎ মাত্ৰাৰ অসমতা চলি আছে।

**সেউজ বিপ্লৱ (The Green Revolution) ঃ** স্বাধীনতাৰ সময়ত দেশখনৰ মুঠ জনসংখ্যাৰ প্ৰায় 75 শতাংশ লোকেই কৃষি নিৰ্ভৰশীল আছিল। দেশখনৰ এক বৃহৎ সংখ্যক কৃষকৰ ক্ষেত্ৰত প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱ আৰু পুৰণি প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত কৃষিখণ্ডত উৎপাদনৰ পৰিমাণ বৰ নিম্ন আছিল। ভাৰতবৰ্ষৰ কৃষি মূলতঃ বৰষুণৰ ওপৰত নিৰ্ভৰশীল। বৰষুণৰ পৰিমাণ কম হ'লে জলসিঞ্চন ব্যৱস্থাৰ সুবিধা নথকা কৃষকসকলে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। আকৌ অতি নগণ্য সংখ্যক কৃষকৰ বাবেহে জলসিঞ্চনৰ সুবিধা আছে। সেউজ বিপ্লৱে ঔপনিৱেশিক শাসন কালৰ কৃষিৰ স্থবিৰতাৰ স্থায়ী অৱসান ঘটাইছিল। সেউজ বিপ্লৱে, বিশেষকৈ ধান আৰু ঘেহুঁৰ উচ্চ উৎপাদনক্ষম বীজ ব্যৱহাৰৰ ফলত কৃষি উৎপাদনৰ যথেষ্ট বৃদ্ধি ঘটোৱাক বুজায়। এনে বীজ ব্যৱহাৰৰ

বাবে সঠিক পৰিমাণৰ সাৰ আৰু কীটনাশক দ্ৰব্যৰ লগতে নিয়মিত পানী যোগানৰ প্ৰয়োজন। সঠিক অনুপাতত ইহঁতৰ ব্যৱহাৰ অতি আৱশ্যকীয়। যিসকল কৃষকে এই উচ্চ উৎপাদনক্ষম বীজ (HYV)ৰ পৰা লাভ কৰিব পাৰিছিল তেওঁলোকৰ বাবে নিৰ্ভৰযোগ্য জলসিঞ্চন ব্যৱস্থাৰ লগতে সাৰ, ঔষধ ক্ৰয়ৰ বাবে বিত্তীয় সমলৰ প্ৰয়োজন হৈছিল। ফলস্বৰূপে সেউজ বিপ্লৱৰ প্ৰথম পৰ্যায়ত (প্ৰায় 1960 দশকৰ মাজভাগৰ পৰা 1970 দশকৰ মাজভাগলৈ) অধিক চহকী ৰাজ্য— পঞ্জাব, অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডু আদিত এই উচ্চ উৎপাদনক্ষম বীজৰ প্ৰচলন সীমাবদ্ধ আছিল। উচ্চ উৎপাদনক্ষম বীজৰ ব্যৱহাৰে মূলতঃ ঘেঁহু উৎপাদনকাৰী ৰাজ্যসমূহকহে লাভান্বিত কৰিছিল। সেউজ বিপ্লৱৰ দ্বিতীয় পৰ্যায়ত (1970 দশকৰ মাজভাগৰ পৰা 1980 দশকৰ মাজভাগলৈ) উচ্চ উৎপাদনক্ষম বীজৰ ব্যৱহাৰ অধিক ৰাজ্যলৈ বিস্তাৰিত হৈছিল আৰু ই অধিক বিধৰ শস্য উৎপাদন লাভজনক কৰিছিল। সেউজ বিপ্লৱৰ প্ৰসাৰণে ভাৰতবৰ্ষক খাদ্য-শস্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'বলৈ সক্ষম কৰি তুলিছিল। আমি আমাৰ দেশখনৰ খাদ্যৰ প্ৰয়োজন পূৰণ কৰিবলৈ এতিয়া আৰু আমেৰিকা নাইবা অন্য ৰাষ্ট্ৰৰ দয়াৰ বশৱৰ্তী হ'ব নালাগে।

কৃষি উৎপাদন বৃদ্ধি এক গুৰুত্বপূৰ্ণ বিষয়; কিন্তু এইটোৱে যথেষ্ট নহয়। যদি এই উৎপাদনৰ এটা বৃহৎ অংশ কৃষকসকলে বজাৰত বিক্ৰী কৰাৰ পৰিৱৰ্তে নিজৰ ভোগ কাৰ্যত ব্যৱহাৰ কৰে, তেনেহ'লে উচ্চ উৎপাদনে সামগ্ৰিকভাৱে অৰ্থব্যৱস্থাৰ কোনো পৰিৱৰ্তন সাধন নকৰে। আনহাতে যদি অধিক পৰিমাণৰ কৃষিজাত সামগ্ৰী কৃষকসকলে বজাৰত বিক্ৰী কৰে, তেনেহ'লে অধিক উৎপাদনে অৰ্থনীতিলৈ পৰিৱৰ্তন আনিব পাৰে। কৃষি উৎপাদনৰ যিটো অংশ কৃষকসকলে বজাৰত বিক্ৰী কৰে সেই অংশটোক বজাৰ বিক্ৰীত উদ্বৃত্ত (Marketed Surplus) বুলি কোৱা হয়। প্ৰখ্যাত অৰ্থনীতিবিদ চি. এইচ হনুমন্ত ৰাওৱে দেখুৱাই দিয়াৰ দৰে সৌভাগ্যক্ৰমে সেউজ বিপ্লৱৰ সময়ত উৎপাদিত হোৱা ঘেঁহু আৰু ধানৰ এটা ডাঙৰ অংশ (বিক্ৰীত উদ্বৃত্ত হিচাপে ৰোৱা) কৃষকসকলে বজাৰত বিক্ৰী কৰিছিল। ফলস্বৰূপে, অন্যান্য ভোগ্য সামগ্ৰীৰ তুলনাত খাদ্য সামগ্ৰীৰ দাম হ্ৰাস পাইছিল। আয়ৰ অধিক অংশ খাদ্যত খৰচ কৰা নিম্ন আয়ৰ লোকসকলে এনে আপেক্ষিক দাম হ্ৰাসৰ ফলত লাভান্বিত হৈছিল। সেউজ বিপ্লৱে চৰকাৰক খাদ্য সামগ্ৰীৰ নাটনিৰ সময়ত ব্যৱহাৰ কৰিব পৰাকৈ যথেষ্ট পৰিমাণৰ খাদ্য-শস্য সংগ্ৰহ কৰি ইয়াক মজুত কৰাৰ সমৰ্থ কৰিছিল।

যদিও দেশখনে সেউজ বিপ্লৱৰ পৰা যথেষ্ট পৰিমাণে লাভান্বিত হৈছিল তথাপি ইয়াত ব্যৱহৃত প্ৰযুক্তিবিদ্যা বিপদমুক্ত নাছিল। আন এক বিপদ হ'ল ক্ষুদ্ৰ আৰু বৃহৎ কৃষকসকলৰ মাজত ব্যৱধানৰ সম্ভাৱনা। কিয়নো বৃহৎ কৃষকসকলৰহে প্ৰয়োজনীয় যন্ত্ৰপাতি ক্ৰয়ৰ বাবে সামৰ্থ্য আছিল। সেয়েহে সেউজ বিপ্লৱৰ অধিকাংশ লাভ তেওঁলোকে হস্তগত কৰিছিল। তদুপৰি উচ্চ উৎপাদনক্ষম বীজসমূহ কীট-পতংগৰ দ্বাৰা আক্ৰান্ত হোৱাৰ সম্ভাৱনা অধিক বাবে যিসকল ক্ষুদ্ৰ কৃষকে এই প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰিছিল তেওঁলোকে কীট-




পতংগৰ আক্ৰমণত সৰ্বস্ব হেৰুওৱাৰ ভয় কৰিছিল। সৌভাগ্যক্ৰমে চৰকাৰে গ্ৰহণ কৰা কিছুমান পদক্ষেপৰ বাবে এনে ভয় সত্যত পৰিণত নহ'ল। চৰকাৰে ক্ষুদ্ৰ কৃষকসকলৰ বাবে নিম্ন সুদৰ হাৰত ঋণৰ ব্যৱস্থা কৰিছে আৰু ৰেহাই মূল্যত সাৰৰ যোগান ধৰিছে— যাতে প্ৰয়োজনীয় উপাদানসমূহ তেওঁলোকৰ বাবে সহজলভ্য হয়। ক্ষুদ্ৰ কৃষকসকলে প্ৰয়োজনীয় উপাদানসমূহ লাভ কৰিব পৰা হেতুকে ক্ষুদ্ৰ কৃষিপামৰ উৎপাদিত সামগ্ৰীৰ পৰিমাণে সময়ত বৃহৎ কৃষিপামৰ উৎপাদিত সামগ্ৰীৰ লগত সামঞ্জস্য বজাই ৰাখিব পাৰিছে। ফলস্বৰূপে, সেউজ বিপ্লৱে বৃহৎ কৃষকসকলৰ লগতে ক্ষুদ্ৰ কৃষক সকলকো উপকৃত কৰিছে। চৰকাৰীভাৱে প্ৰতিষ্ঠিত গৱেষণা প্ৰতিষ্ঠানসমূহে আগবঢ়োৱা সেৱাৰ ফলত ক্ষুদ্ৰ কৃষকসকলৰ বাবে কীট-পতংগৰ আক্ৰমণৰ সময়ত সৰ্বস্ব হেৰুওৱাৰ ক্ষতিশংকা ভালেখিনি হ্ৰাস পাইছে। এইটো লক্ষণীয় যে ক্ষুদ্ৰ কৃষকসকলেও এই নতুন প্ৰযুক্তিবিদ্যাৰ পৰা লাভৱান হোৱাটো নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰই এক ব্যাপক ভূমিকা গ্ৰহণ নকৰিলে সেউজ বিপ্লৱৰ পৰা কেৱল মাত্ৰ ধনী কৃষকসকলেহে উপকৃত হ'লহেঁতেন।

**ৰাজসাহায্য সম্পৰ্কে বিতৰ্ক (The Debate Over Subsidies)ঃ** কৃষিৰ ক্ষেত্ৰত ৰাজসাহায্যৰ অৰ্থনৈতিক যুক্তি সম্প্ৰতি এটা উষ্ণ বিতৰ্কমূলক বিষয়। সাধাৰণভাৱে সকলো কৃষক আৰু বিশেষতঃ ক্ষুদ্ৰ কৃষকসকলক অধিক উৎপাদনক্ষম বীজৰ নতুন প্ৰযুক্তিবিদ্যা গ্ৰহণৰ বাবে প্ৰোৎসাহ যোগাবলৈ ৰাজসাহায্যৰ প্ৰয়োজনীয়তাৰ কথা সাৰ্বজনীনভাৱে গ্ৰহণীয়। যিকোনো নতুন প্ৰযুক্তিবিদ্যাকে কৃষকসকলে শংকাবহুল বুলি ভাবে। সেয়েহে নতুন প্ৰযুক্তিবিদ্যাৰ গুণ নিৰীক্ষণ কৰাৰ বাবে কৃষকসকলক

প্ৰোৎসাহিত কৰিবলৈ ৰাজসাহায্যৰ প্ৰয়োজন। কিছুমান অৰ্থনীতিবিদে বিশ্বাস কৰে যে, এবাৰ এটা প্ৰযুক্তিবিদ্যা লাভজনক বুলি পৰিগণিত হৈ বিস্তৃতভাৱে ব্যৱহৃত হোৱাৰ পিছত ৰাজসাহায্যৰ উদ্দেশ্য পূৰণ হয় বাবে পৰ্যায়ক্ৰমে ইয়াৰ অৱসান ঘটাব লাগে। আকৌ ৰাজসাহায্য কৃষকৰ লাভৰ উদ্দেশ্যে চালিত যদিও সাৰৰ ক্ষেত্ৰত আগবঢ়োৱা বুজন পৰিমাণৰ ৰাজসাহায্যই সাৰ উদ্যোগক লাভৱান কৰে। কৃষকসকলৰ ভিতৰত আকৌ অধিক উন্নত অঞ্চলসমূহৰ কৃষকক অধিক লাভৱান কৰে। সেয়েহে সাৰৰ ওপৰত ৰাজসাহায্য দি থকাটো যুক্তিসংগত নহয়। যিসকল লোকৰ উদ্দেশ্য আগত ৰাখি এই ব্যৱস্থা লোৱা হয় তেওঁলোক ইয়াৰ পৰা লাভৱান নহয় আৰু ৰাজকোষৰ বাবে ই এক বৃহৎ বোজা। (কক্ষ 2.6 চোৱা)

আনহাতে কিছুমানে বিশ্বাস কৰে যে চৰকাৰে কৃষিৰ ক্ষেত্ৰত ৰাজসাহায্য দি থকাটো উচিত। কাৰণ ভাৰতবৰ্ষত কৃষিকাৰ্য আজিও শংকাবহুল। ভাৰতবৰ্ষৰ প্ৰায় ভাগ কৃষক অতি দুখীয়া আৰু ৰাজসাহায্য অবিহনে প্ৰয়োজনীয় উপাদানসমূহ ঢুকি পাবলৈ তেওঁলোক সক্ষম নহ'ব। ৰাজসাহায্যৰ বিলোপ সাধনৰ ফলত ধনী আৰু দুখীয়াৰ মাজত প্ৰভেদ বৃদ্ধি পাব আৰু ই সমতাৰ লক্ষ্যৰ পৰিপন্থী হ'ব। এই

**কক্ষ 2.6 ঃ সংকেতৰ ৰূপত দৰ (Prices as Signals)**

বজাৰত সামগ্ৰীৰ দৰ কেনেদৰে নিৰ্ধাৰিত কৰা হয় সেই বিষয়ে হয়তো জানিবলৈ পাইছা। এইটো বুজি পোৱা দৰকাৰ যে দৰ হ'ল সামগ্ৰী উপলব্ধতাৰ এক সংকেত। সামগ্ৰী এটা অপ্ৰচুৰ হ'লে ইয়াৰ দাম বৃদ্ধি পাব আৰু যিসকলে এই সামগ্ৰীবিধ ব্যৱহাৰ কৰে তেওঁলোকে দামৰ ভিত্তিত ইয়াৰ ব্যৱহাৰ সম্পৰ্কে সুদক্ষ সিদ্ধান্ত ল'বলৈ প্ৰোৎসাহিত হ'ব। পানীৰ নিম্ন যোগানৰ বাবে পানীৰ দাম বৃদ্ধি পালে ইয়াক অধিক যত্ন সহকাৰে ব্যৱহাৰ কৰিবলৈ মানুহ প্ৰোৎসাহিত হ'ব। উদাহৰণস্বৰূপে, মানুহে পানী সংৰক্ষণ কৰিবলৈ ফুলনিত পানী দিয়া বন্ধ কৰিব পাৰে। পেট্ৰ'লৰ দাম বৃদ্ধি পালে আমি অভিযোগ উত্থাপন কৰোঁ আৰু তাৰ বাবে চৰকাৰক দোষাৰোপ কৰোঁ; কিন্তু পেট্ৰ'লৰ দাম বৃদ্ধিয়ে ইয়াৰ অধিক নাটনি প্ৰতিফলিত কৰে আৰু দাম বৃদ্ধি হ'ল কম পৰিমাণ পেট্ৰ'ল উপলব্ধ হোৱাৰ সংকেত। এইটোৱে পেট্ৰ'লৰ ব্যৱহাৰ কমাবলৈ আৰু বিকল্প ইন্ধনৰ সন্ধান কৰিবলৈ প্ৰোৎসাহিত কৰে।

কিছুমান অৰ্থনীতিবিদে দেখুৱাই দিছে যে, ৰাজসাহায্যই সামগ্ৰী এবিধৰ দামক তাৰ যোগানৰ নিৰ্দেশক হোৱাত বাধা দিয়ে। বিজুলী আৰু পানী ৰেহাই মূল্যত বা বিনামূলীয়াকৈ সৰবৰাহ কৰিলে অপ্ৰাচুৰ্য সম্পৰ্কে কোনো চিন্তা নকৰাকৈ এইবোৰৰ অপচয়ী ব্যৱহাৰ কৰা হয়। কোনো এটা অঞ্চলত জল সম্পদৰ নাটনি থাকিব পাৰে আৰু জল নিবিড় শস্য উৎপাদনে ইতিমধ্যে অপ্ৰচুৰ সম্পদৰ অধিক অৱক্ষয় ঘটাব পাৰে। তৎসত্ত্বেও বিনামূলীয়াকৈ পানী যোগান ধৰিলে ইয়াৰ কৃষকসকলে জল নিবিড় শস্যৰ খেতি কৰিব। সাৰ আৰু কীটনাশক দ্ৰব্যৰ ক্ষেত্ৰত দেখা দিয়া ৰাজসাহায্যৰ ফলত সম্পদৰ ব্যৱহাৰ অত্যধিক হয় আৰু ই পৰিৱেশ প্ৰতিকূল হ'ব পাৰে। ৰাজসাহায্যই সম্পদৰ অপচয়ী ব্যৱহাৰ প্ৰোৎসাহিত কৰে। প্ৰোৎসাহন হিচাপে ৰাজসাহায্যৰ কথা চিন্তা কৰা আৰু কৃষকসকললৈ বিনামূলীয়া বিজুলীৰ সৰবৰাহ অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা সমীচীন হয় নে নহয় নিজকে প্ৰশ্ন কৰা।

বিশেষজ্ঞসকলে যুক্তি আগবঢ়াই যে, যদি ৰাজসাহায্যই সাৰ উদ্যোগসমূহ আৰু বৃহৎ কৃষকসকলক অধিক লাভান্বিত কৰি আহিছে তেনেহ'লে তাৰ বাবে উপযুক্ত নীতি হ'ব ৰাজসাহায্য উঠাই দিয়াৰ পৰিৱৰ্তে ইয়াৰ জৰিয়তে কেৱল মাত্ৰ দুখীয়া কৃষকসকল লাভৱান হোৱাটো নিশ্চিতকৰণৰ পদক্ষেপ গ্ৰহণ কৰাটো।

1960ৰ দশকৰ শেষৰ পিনে ভাৰতবৰ্ষত কৃষিৰ উৎপাদনশীলতা যথেষ্টভাৱে বৃদ্ধি পাইছে— যাৰ বাবে দেশখন খাদ্য-শস্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'বলৈ সক্ষম হৈছে। ই এটা গৌৰৱপূৰ্ণ সফলতা। আনহাতে 1990 চন পৰ্যন্ত দেশখনৰ মুঠ জনসংখ্যাৰ প্ৰায় 65 শতাংশই কৃষিত নিয়োজিত হৈ আছে। এইটো নেতিবাচক দিশ।

অৰ্থনীতিবিদসকলে লক্ষ্য কৰিছে যে দেশ এখনে যিমানেই উন্নতি লাভ কৰে সিমানেই মুঠ ঘৰুৱা উৎপাদনলৈ (GDP) কৃষিখণ্ডৰ বৰঙণিৰ হাৰ আৰু মুঠ জনসংখ্যাৰ কৃষি নিয়োজিত অংশ হ্ৰাস পায়। ভাৰতবৰ্ষত 1950–1990 সময়ছোৱাত মুঠ ঘৰুৱা উৎপাদনলৈ কৃষিখণ্ডৰ বৰঙণিৰ হাৰ যথেষ্ট পৰিমাণে হ্ৰাস পায় যদিও কৃষি নিৰ্ভৰশীল লোকৰ অনুপাত সিমান হ্ৰাস পোৱা নাই। (1950 চনত 67.5 শতাংশৰ পৰা 1990 চনত 64.9 শতাংশলৈ)। কৃষিজাত দ্ৰব্যৰ যি উৎপাদন হৈছিল সেইটো বহু কম সংখ্যক লোকৰ দ্বাৰাই সম্ভৱপৰ যদিও কৃষিখণ্ডত মুঠ জনসংখ্যাৰ ইমান বৃহৎ অংশ এটা কিয় নিয়োজিত হৈ আছিল? ইয়াৰ উত্তৰত ক'ব পাৰি যে ভাৰতবৰ্ষৰ কৃষিখণ্ডত কৰ্মৰত লোকসকলক ঔদ্যোগিক আৰু সেৱাখণ্ডই নিয়োজিত কৰা নাছিল। বহুতো অৰ্থনীতিবিদে ইয়াক 1950 চনৰ পৰা 1990 চনলৈ অনুসৰণ কৰা আমাৰ নীতিসমূহৰ গুৰুত্বপূৰ্ণ বিফলতা বুলি বিবেচনা কৰে।

## 2.4 উদ্যোগ আৰু বাণিজ্য (Industry and Trade) ঃ

অৰ্থনীতিবিদসকলে দেখুৱাইছে যে এটা ভাল উদ্যোগ খণ্ড থাকিলেহে দুখীয়া দেশসমূহে উন্নতি লাভ কৰিব পাৰে। উদ্যোগে নিয়োগৰ সৃষ্টি কৰে আৰু এনে নিয়োগ কৃষিখণ্ডৰ নিয়োগতকৈ অধিক সুস্থিৰ। ই আধুনিকীকৰণ আৰু সামগ্ৰিক প্ৰগতি আগবঢ়াই নিয়ে। সেয়েহে ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহত উদ্যোগৰ উন্নয়নত অধিক গুৰুত্ব প্ৰদান কৰা হৈছিল। আগৰ অধ্যায়ত পাই আহিছা যে, স্বাধীনতাৰ সময়ত উদ্যোগসমূহৰ ভিন্নতা বৰ কম আছিল আৰু ঔদ্যোগীকৰণ প্ৰধানকৈ কপাহ আৰু মৰাপাটত সীমাবদ্ধ আছিল।

দুটা সু-পৰিকল্পিত লো আৰু তীখাৰ প্ৰকল্প আছিল। এটা জামছেদপুৰত আৰু আনটো কলিকতাত; কিন্তু অৰ্থব্যৱস্থাৰ বিকাশৰ বাবে বিভিন্ন ধৰণৰ উদ্যোগক সামৰি ঔদ্যোগিক ভেটিৰ প্ৰসাৰ সাধন কৰাৰ দৰকাৰ।

**ভাৰতবৰ্ষৰ ঔদ্যোগিক উন্নয়নত বজাৰ আৰু ৰাষ্ট্ৰ (Market and State in Indian Industrial Development) ঃ** নীতি নিৰ্ধাৰকসকলে সন্মুখীন হোৱা ডাঙৰ প্ৰশ্নটো আছিল— ঔদ্যোগিক উন্নয়নত চৰকাৰী খণ্ড আৰু ব্যক্তিগত খণ্ডৰ ভূমিকা কি হোৱা উচিত? স্বাধীনতাৰ সময়ত দেশখনৰ অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰয়োজনীয় উদ্যোগসমূহ স্থাপনৰ বাবে বিনিয়োগ কৰিবলৈ ব্যক্তিগত উদ্যোগপতিসকলৰ মূলধনৰ অভাৱ আছিল আৰু মূলধন থাকিলেও ডাঙৰ প্ৰকল্প হাতত লোৱাৰ বাবে প্ৰোৎসাহ যোগাব পৰাকৈ বজাৰ যথেষ্ট ডাঙৰ নাছিল। মূলতঃ ইয়াৰ বাবেই ঔদ্যোগিক খণ্ডৰ উন্নতি সাধিবলৈ ৰাষ্ট্ৰই এটা

## কৰি চোৱা ঃ (Work These Out)

- একোটাকৈ দল পাতি কৃষিপাম দৰ্শন কৰা আৰু কৃষিকৰ্ম পদ্ধতিৰ অৰ্থাৎ বীজৰ প্ৰকাৰ, সাৰ, যন্ত্ৰপাতি, জলসিঞ্চন ব্যৱস্থা, প্ৰয়োজনীয় ব্যয়, বিক্ৰীযোগ্য উদ্বৃত্ত আৰু উপাৰ্জিত আয় আদি সম্পৰ্কে অধ্যয়ন কৰি এটা প্ৰতিবেদন যুগুত কৰা। কৃষি পদ্ধতিৰ পৰিৱৰ্তনসমূহ কৃষক পৰিয়ালটোৰ বয়োজ্যেষ্ঠ লোক এজনৰ পৰা সংগ্ৰহ কৰিব পাৰিলে বেছি ভাল হয়।

  (a) কি পালা শ্ৰেণীত আলোচনা কৰা।

  (b) উৎপাদন ব্যয়, উৎপাদনশীলতা, বীজৰ ব্যৱহাৰ, সাৰ, জলসিঞ্চন ব্যৱস্থা, প্ৰয়োজনীয় সময়, বিক্ৰীযোগ্য উদ্বৃত্ত আৰু পৰিয়ালৰ আয়ৰ পৰিৱৰ্তন সম্পৰ্কে একোটা দলে এখনকৈ সাৰণি প্ৰস্তুত কৰা।

- বিশ্ববেংক, আন্তৰ্জাতিক মুদ্ৰানিধি, বিশ্ব বাণিজ্য সংস্থা (আৰু G-7, G-8, G-10 দেশসমূহৰ বৈঠকবোৰ) সম্পৰ্কিত কথাবোৰ বাতৰি কাকতৰ পৰা সংগ্ৰহ কৰা। কৃষিৰ ক্ষেত্ৰত ৰাজসাহায্য সম্পৰ্কে উন্নত আৰু উন্নয়নশীল দেশসমূহৰ দৃষ্টিভংগী আলোচনা কৰা।

- তলৰ তালিকাৰ পৰা ভাৰতীয় অৰ্থব্যৱস্থাত বৃত্তিগত গঠনৰ পাই চিত্ৰ (Pie chart) প্ৰস্তুত কৰা।

| খণ্ড | 1950-51 | 1990-91 |
|---|---|---|
| কৃষি | 72.1 | 66.8 |
| উদ্যোগ | 10.7 | 12.7 |
| সেৱা | 17.2 | 20.5 |

- কৃষিৰ ক্ষেত্ৰত ৰাজসাহায্যৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিসমূহ অধ্যয়ন কৰা। এই বিষয়ত তোমাৰ মতামত কি?

- কিছুমান অৰ্থনীতিবিদে যুক্তি আগবঢ়াইছে যে অন্যান্য দেশৰ বিশেষতঃ উন্নত দেশৰ কৃষকসকলক অধিক পৰিমাণৰ ৰাজসাহায্য দি তেওঁলোকৰ উৎপাদিত সামগ্ৰী অইন দেশলৈ ৰপ্তানি কৰিবলৈ উৎসাহিত কৰা হৈছে। উন্নত দেশৰ কৃষকৰ লগত আমাৰ কৃষকে ফেৰ মাৰিব পাৰিব বুলি ভাবানে? আলোচনা কৰা।

ডাঙৰ ভূমিকা পালন কৰিবলগীয়া হৈছিল। তদুপৰি দ্বিতীয় পৰিকল্পনাত উল্লেখ কৰাৰ দৰে ভাৰতীয় অৰ্থব্যৱস্থাক সমাজবাদী পথেৰে বিকশিত কৰাৰ সিদ্ধান্তৰ বাবে গুৰুত্বপূৰ্ণ উদ্যোগসমূহ ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণত ৰখাৰ নীতি প্ৰয়োজনীয় হৈছিল। অৰ্থাৎ যিবোৰ উদ্যোগ অৰ্থনীতিৰ বাবে গুৰুত্বপূৰ্ণ আছিল সেইবোৰ সম্পূৰ্ণ চৰকাৰী নিয়ন্ত্ৰণত আছিল। ব্যক্তিগত খণ্ডৰ নীতিসমূহ ৰাজহুৱা খণ্ডৰ নীতিসমূহৰ পৰিপূৰক হোৱাটো বাঞ্ছনীয় আছিল আৰু ৰাজহুৱা খণ্ডটোৱে নেতৃত্ব বহন কৰিছিল।

**ঔদ্যোগিক নীতি প্ৰস্তাৱ, 1956 (Industrial Policy Resolutions)ঃ** গুৰুত্বপূৰ্ণ উদ্যোগসমূহত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ ৰখাৰ উদ্দেশ্যৰ লগত সংগতি ৰাখি 1956 চনৰ ঔদ্যোগিক নীতি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এই প্ৰস্তাৱে দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ভেটি ৰচনা কৰিছিল— যিখন পৰিকল্পনাই আকৌ এখন সমাজবাদী আৰ্হিৰ সমাজৰ ভেটি ৰচনাৰ প্ৰচেষ্টা চলাইছিল। এই প্ৰস্তাৱে উদ্যোগসমূহক তিনিটা ভাগত বিভক্ত কৰিছিল। সম্পূৰ্ণৰূপে ৰাষ্ট্ৰৰ অধীনস্থ উদ্যোগসমূহক প্ৰথম ভাগত ধৰা হৈছিল। যিবোৰ উদ্যোগৰ ক্ষেত্ৰত নতুন গোট আৰম্ভ কৰাৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰৰ হাতত আছিল আৰু চৰকাৰী খণ্ডৰ প্ৰচেষ্টাত ব্যক্তিগত খণ্ডই পৰিপূৰক হিচাপে কাম কৰিব পাৰিছিল, সেইবোৰ উদ্যোগক দ্বিতীয় খণ্ডৰ অন্তৰ্ভুক্ত কৰা হৈছিল। বাকী সকলোবোৰ উদ্যোগক তৃতীয় ভাগত ধৰা হৈছিল আৰু ইহঁত ব্যক্তিগত খণ্ডৰ অন্তৰ্ভুক্ত আছিল। উদ্যোগসমূহৰ ভিতৰত এটা অংশ ব্যক্তিগত খণ্ডৰ অধীনস্থ আছিল যদিও এই খণ্ডটো লাইচেন্স ব্যৱস্থাৰ জৰিয়তে ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণত ৰখা হৈছিল। চৰকাৰী অনুজ্ঞাপত্ৰ অবিহনে কোনো নতুন উদ্যোগ গঢ়ি উঠিবলৈ অনুমতি দিয়া হোৱা নাছিল। এই নীতি পিছপৰা অঞ্চলসমূহত উদ্যোগৰ বিকাশৰ বাবে ব্যৱহাৰ কৰা হৈছিল। অৰ্থনৈতিকভাৱে পিছপৰা অঞ্চলত স্থাপন কৰিবলৈ যোৱা উদ্যোগৰ বাবে অনুজ্ঞাপত্ৰ পোৱাটো সহজ হৈছিল। তদুপৰি এনে গোটসমূহক কৰ ৰেহাই, নিম্নহাৰত বিজুলী যোগান আদিৰ সুবিধাও দিয়া হৈছিল। আঞ্চলিক সমতা বৃদ্ধি কৰাটো এই নীতিৰ উদ্দেশ্য আছিল।

আনকি চলি থকা উদ্যোগেও উৎপাদন বৃদ্ধি বা উৎপাদিত সামগ্ৰীৰ ভিন্নকৰণৰ বাবে (নতুন বিধৰ সামগ্ৰী উৎপাদন কৰিবলৈ) অনুজ্ঞাপত্ৰ ল'ব লাগিছিল। এটা অৰ্থব্যৱস্থাৰ বাবে প্ৰয়োজনতকৈ অধিক পৰিমাণৰ সামগ্ৰী উৎপাদন নোহোৱাটো নিশ্চিত কৰিবলৈ এনে ব্যৱস্থা লোৱা হৈছিল। অৰ্থব্যৱস্থাৰ বাবে অধিক পৰিমাণৰ সামগ্ৰীৰ প্ৰয়োজন হৈছে বুলি চৰকাৰ পতিয়ন গ'লেহে উৎপাদন বৃদ্ধিৰ বাবে অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছিল।

**ক্ষুদ্ৰ উদ্যোগ (Small Scale Industry) ঃ** 1955 চনত গাঁও আৰু ক্ষুদ্ৰ উদ্যোগ সম্পৰ্কীয় সমিতিয়ে [কাৰ্ভে (Karve) সমিতি নামে জনাজাত] গ্ৰাম্য উন্নয়নৰ অগ্ৰগতিৰ বাবে ক্ষুদ্ৰ উদ্যোগৰ ব্যৱহাৰৰ সম্ভাৱনা লক্ষ্য কৰিছিল। গোট এটাৰ পৰিসম্পদৰ বাবে অনুমতি প্ৰাপ্ত সৰ্বোচ্চ বিনিয়োগৰ প্ৰসংগত ক্ষুদ্ৰ উদ্যোগৰ সংজ্ঞা আগবঢ়োৱা হয়। সময়ৰ লগে লগে এই উচ্চ সীমাৰো পৰিৱৰ্তন ঘটিছে। যি উদ্যোগ গোটে সৰ্বোচ্চ পাঁচ লাখ টকা পৰ্যন্ত বিনিয়োগ কৰিছিল, 1950 চনত তাকে ক্ষুদ্ৰ উদ্যোগ বোলা হৈছিল। বৰ্তমান সময়ত অনুমতিপ্ৰাপ্ত সৰ্বোচ্চ বিনিয়োগৰ পৰিমাণ এক কোটি টকা।

এইটো বিশ্বাস কৰা হৈছিল যে ক্ষুদ্ৰ উদ্যোগসমূহ অধিক শ্ৰম-নিবিড়; অৰ্থাৎ বৃহৎ উদ্যোগসমূহৰ তুলনাত ইহঁতে অধিক শ্ৰম ব্যৱহাৰ কৰে আৰু সেয়েহে অধিক নিয়োগ সৃষ্টি কৰে। কিন্তু এই উদ্যোগসমূহে বৃহৎ উদ্যোগ প্ৰতিষ্ঠানৰ লগত প্ৰতিযোগিতা কৰিব নোৱাৰে। এইটো জল্‌জল্-পট্‌পট্ যে, ক্ষুদ্ৰ উদ্যোগসমূহৰ উন্নয়নৰ বাবে এইবোৰক বৃহৎ প্ৰতিষ্ঠানসমূহৰ পৰা ৰক্ষা কৰিব লাগিব। এই উদ্দেশ্যে বহুবিধ সামগ্ৰীৰ উৎপাদন ক্ষুদ্ৰ উদ্যোগৰ বাবে সংৰক্ষিত কৰি ৰখা হৈছিল।



এনে সংৰক্ষণ নীতিৰ ভিত্তি আছিল এই গোটসমূহৰ সামগ্ৰী উৎপাদনৰ যোগ্যতা। এনে উদ্যোগসমূহক আবকাৰী শুল্ক আৰু বেংকৰ সুদৰ হাৰ আদিৰ ক্ষেত্ৰত ৰেহাইও দিয়া হৈছিল।

## 2.5 বৈদেশিক বাণিজ্য নীতি, আমদানি প্ৰতিকল্পন (Trade Policy, Import Substitution):

আমি গ্ৰহণ কৰা ঔদ্যোগিক নীতি আৰু বৈদেশিক বাণিজ্য নীতি নিবিড়ভাৱে সম্পৰ্কিত। প্ৰথম সাতখন পৰিকল্পনাত আমাৰ বাণিজ্যৰ বৈশিষ্ট্য আছিল অন্তৰ্মুখী বাণিজ্যৰ কৌশল। কাৰিকৰী ভাষাত ইয়াক আমদানি প্ৰতিকল্পন বুলি কোৱা হয়। এই নীতিৰ লক্ষ্য আছিল আমদানিকৃত সামগ্ৰীৰ সলনি ঘৰুৱা সামগ্ৰীৰ সৰবৰাহ। উদাহৰণ স্বৰূপে বিদেশত নিৰ্মিত যান-বাহনৰ পৰিৱৰ্তে দেশৰ উদ্যোগসমূহক যান-বাহন উৎপাদনৰ বাবে উৎসাহিত কৰা হৈছিল। এই নীতিত ঘৰুৱা উদ্যোগসমূহক বিদেশী প্ৰতিযোগিতাৰ পৰা ৰক্ষণাবেক্ষণ দিছিল। সামগ্ৰী আমদানিৰ পৰা দুইপ্ৰকাৰে ৰক্ষণাবেক্ষণ দিয়া হৈছিল— আমদানি শুল্ক আৰু কোটা (Quota)। আমদানি শুল্ক হ'ল আমদানিকৃত সামগ্ৰীৰ ওপৰত লগোৱা এবিধ কৰ। এই কৰে আমদানিকৃত সামগ্ৰীক অধিক ব্যয়বহুল কৰে আৰু সেয়েহে ইয়াৰ ব্যৱহাৰক নিৰুৎসাহিত কৰে। কিমান পৰিমাণৰ সামগ্ৰী আমদানি কৰিব পাৰি তাক কোটাই নিৰ্দেশ কৰে। টেৰিফ আৰু কোটাৰ ফল এয়ে যে এইবোৰে আমদানি সীমিত কৰে আৰু ঘৰুৱা ব্যৱসায়

### কৰি চোৱা ঃ (Work These Out)

➤ তলত দিয়া তালিকাৰ পৰা মুঠ ঘৰুৱা উৎপাদনলৈ বিভিন্ন খণ্ডৰ বৰঙণিৰ পৰা পাইচিত্ৰ অংকন কৰা আৰু 1950–91 সময়ছোৱাৰ উন্নয়ন ফলাফলৰ আলমত এই খণ্ডসমূহৰ বৰঙণিৰ পাৰ্থক্য আলোচনা কৰা।

| খণ্ড | 1950-51 | 1990-91 |
|---|---|---|
| কৃষি  | 59.0 | 34.9 |
| উদ্যোগ  | 13.0 | 24.6 |
| সেৱা  | 28.0 | 40.5 |

➤ তোমাৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক দুটা দলত ভাগ কৰি ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান (PSUS) সমূহৰ উপকাৰিতা সম্পৰ্কে বিতৰ্ক অনুষ্ঠিত কৰা। এটা দলে ৰাজহুৱা খণ্ডৰ সপক্ষে আৰু আনটো দলে বিপক্ষে ক'বা। (যিমান সম্ভৱ অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীক জড়িত কৰা আৰু উদাহৰণ দিবলৈ উৎসাহিত কৰা)

প্ৰতিষ্ঠানসমূহক বিদেশী প্ৰতিযোগিতাৰ পৰা ৰক্ষণাবেক্ষণ দিয়ে। ৰক্ষণাবেক্ষণৰ নীতি এনে ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত যে উন্নয়নশীল দেশৰ উদ্যোগসমূহ উন্নত দেশৰ উদ্যোগৰ উৎপাদিত সামগ্ৰীৰ লগত প্ৰতিযোগিতা কৰিব পৰা অৱস্থাৰ নহয়। এইটো ধৰি লোৱা হয় যে যদি দেশীয় উদ্যোগসমূহক ৰক্ষণাবেক্ষণ দিয়া হয়, তেনেহ'লে এইবোৰে সময়ৰ লগে লগে প্ৰতিযোগিতা কৰিবলৈ শিকিব। আমাৰ পৰিকল্পনাৰ ৰচকসকলে এইটোও ভয় কৰিছিল যে যদি আমদানিৰ ওপৰত কোনো বাধা-নিষেধ নাথাকে, তেতিয়াহ'লে বিলাসী সামগ্ৰীৰ আমদানিত বৈদেশিক মুদ্ৰা খৰচ হোৱাৰ সম্ভাৱনা থাকে। ইপিনে 1980ৰ দশকৰ মাজভাগলৈ ৰপ্তানি বৃদ্ধিৰ বাবে কোনো ধৰণৰ গভীৰ চিন্তা-চৰ্চা কৰা হোৱা নাছিল।

**ঔদ্যোগিক উন্নয়নত নীতিৰ প্ৰভাৱ (Effects of Policies on Industrial Development) ঃ** প্ৰথম সাতখন পৰিকল্পনাৰ সময়ত ভাৰতবৰ্ষৰ ঔদ্যোগিক খণ্ডৰ সফলতা বাস্তৱিকতে চকুত লগা ধৰণৰ আছিল। মুঠ ঘৰুৱা উৎপাদনলৈ উদ্যোগখণ্ডৰ বৰঙণি 1950-51 চনৰ 11.8 শতাংশৰ পৰা 1990-91 চনত 24.6 শতাংশলৈ বৃদ্ধি পাইছিল। মুঠ ঘৰুৱা উৎপাদনলৈ উদ্যোগসমূহৰ অংশ বৃদ্ধি উন্নয়নৰ এটা গুৰুত্বপূৰ্ণ নিৰ্দেশক। এই সময়ছোৱাত উদ্যোগ খণ্ডত বছৰি 6 (ছয়) শতাংশ বৃদ্ধি যথেষ্ট প্ৰশংসনীয়। ভাৰতীয় উদ্যোগ মূলতঃ কপাহী বস্ত্ৰ আৰু মৰাপাটত সীমাবদ্ধ হৈ থাকিবলগীয়া হোৱা নাছিল। প্ৰকৃততে 1990 চনৰ ভিতৰত মূলতঃ ৰাজহুৱা খণ্ডৰ বাবে ভাৰতীয় উদ্যোগ খণ্ড সুভিন্নকৃত হৈছিল।

বৃহৎ ব্যৱসায় প্ৰতিষ্ঠান আৰম্ভ কৰিবলৈ যিসকল লোকৰ মূলধনৰ অভাৱ আছিল ক্ষুদ্ৰ উদ্যোগৰ উন্নতিয়ে তেওঁলোকলৈ ব্যৱসায়ত নামিবলৈ সুযোগ কঢ়িয়াই আনিছিল। বৈদেশিক প্ৰতিযোগিতাৰ পৰা ৰক্ষণাবেক্ষণে ইলেকট্ৰ'নিক্স আৰু অট'ম'বাইল খণ্ডত থলুৱা উদ্যোগসমূহৰ উন্নয়ন সম্ভৱপৰ কৰি তুলিছে। ৰক্ষণাবেক্ষণৰ অবিহনে এইটো সম্ভৱ নহ'লহেঁতেন।

ৰাজহুৱা খণ্ডই ভাৰতবৰ্ষৰ অৰ্থনৈতিক বৃদ্ধিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা সত্ত্বেও কিছুমান অৰ্থনীতিবিদ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ প্ৰদৰ্শন সম্পৰ্কে সমালোচনাত মুখৰ হৈছে। এই অধ্যায়ৰ আৰম্ভণিতে প্ৰস্তাৱনা কৰা হৈছিল যে প্ৰাৰম্ভিক অৱস্থাত বৃহৎ আকাৰৰ ৰাজহুৱা খণ্ডৰ প্ৰয়োজনীয়তা আছিল। সম্প্ৰতি এইটো এটা বহলভিত্তিক মত যে, ৰাজহুৱা খণ্ডই কিছুমান নিৰ্দিষ্ট সামগ্ৰী আৰু সেৱা উৎপাদন কৰিয়েই আছে (প্ৰায়ে একচেটিয়াকৰণ কৰি) যদিওবা এইটো এতিয়া অপ্ৰয়োজনীয়। দূৰসংযোগ (Tele-communication) সেৱা ইয়াৰ এটা উদাহৰণ। আনকি ব্যক্তিগত খণ্ডৰ ব্যৱসায় প্ৰতিষ্ঠানে সৰবৰাহ কৰিব পৰাৰ পিছতো এই সেৱাবিধৰ ওপৰত চৰকাৰৰ একচেটিয়া অধিকাৰ আছিল। আনকি 1990ৰ দশকৰ শেষলৈকে প্ৰতিযোগিতা নথকা হেতুকে এটা টেলিফোন সংযোগ পাবলৈ গ্ৰাহকে দীৰ্ঘদিন অপেক্ষা কৰিব লাগিছিল। আন এটা উদাহৰণ হ'ল ৰুটি প্ৰস্তুতকাৰী ব্যৱসায় প্ৰতিষ্ঠান মডাৰ্ণ ব্ৰেড (Modern Bread)ৰ প্ৰতিষ্ঠা— যেন ব্যক্তিগত খণ্ডই ৰুটিও উৎপাদন কৰিব নোৱাৰে। 2001 চনত এই প্ৰতিষ্ঠানখন ব্যক্তিগত খণ্ডলৈ বিক্ৰী কৰা হয়। আচল কথাটো হ'ল (i) ৰাজহুৱা খণ্ডই অকলে কি কৰিব পাৰে; আৰু (ii) ব্যক্তিগত খণ্ডয়ো কি কৰিব পাৰে—

এই দুয়োটাৰ মাজত কোনো পাৰ্থক্য ৰখা হোৱা নাছিল। উদাহৰণস্বৰূপে, বৰ্তমান সময়তো কেৱল মাত্ৰ ৰাজহুৱা খণ্ডই ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা আৰু দুখীয়া ৰোগীলৈ বিনামূলীয়া চিকিৎসা সেৱা যোগান ধৰিব পাৰে আৰু ব্যক্তিগত খণ্ডয়ো হোটেলসমূহ নিয়াৰিকৈ পৰিচালনা কৰিব পাৰে যদিও চৰকাৰেও হোটেল চলাই আছে। সেয়েহে কিছুমান পণ্ডিতে যুক্তি দৰ্শাই যে ব্যক্তিগত খণ্ডই পৰিচালনা কৰিব পৰা ক্ষেত্ৰসমূহৰ পৰা চৰকাৰ ওলাই আহিব লাগে আৰু যিবোৰ গুৰুত্বপূৰ্ণ সেৱা ব্যক্তিগত খণ্ডই যোগান ধৰিব নোৱাৰে সেইবোৰত চৰকাৰী সম্পদ কেন্দ্ৰীভূত কৰিব লাগে।

বহুত ৰাজহুৱা খণ্ডৰ ব্যৱসায় প্ৰতিষ্ঠানে বৃহৎ পৰিমাণৰ লোকচান ভৰা সত্ত্বেও কাম-কাজ চলাই আছে। কিয়নো দেশৰ সীমিত সম্পদৰ নিৰ্গমন (Drain) ৰূপে পৰিগণিত হ'লেও ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান এটা বন্ধ কৰাটো কঠিনেই নহয়, প্ৰায় অসম্ভৱ। এইটোৱে নুবুজায় যে ব্যক্তিগত ব্যৱসায় প্ৰতিষ্ঠানসমূহ সদায় লাভজনক (দৰাচলতে ৰাজহুৱা খণ্ডৰ যথেষ্ট সংখ্যক ব্যৱসায় প্ৰতিষ্ঠানো পূৰ্বতে ব্যক্তিগত ব্যৱসায় প্ৰতিষ্ঠান আছিল। লোকচানৰ বাবে বন্ধ হোৱাৰ উপক্ৰম হোৱাত শ্ৰমিকসকলৰ চাকৰি ৰক্ষাৰ বাবে এইবোৰ ৰাষ্ট্ৰীয়কৃত কৰা হৈছিল); কিন্তু লোকচান ভৰা ব্যক্তিগত ব্যৱসায় প্ৰতিষ্ঠান এখনে লোকচান ভৰিও ব্যৱসায় চলাই থাকি সম্পদ অপচয় নকৰে।

উদ্যোগসমূহে উদ্যোগ স্থাপনৰ বাবে অনুজ্ঞাপত্ৰৰ প্ৰয়োজনীয়তাৰ অপব্যৱহাৰ ঘটাইছিল। বৃহৎ উদ্যোগপতিয়ে নতুন উৎপাদন প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিবলৈ অনুজ্ঞাপত্ৰ নিবিচাৰি প্ৰতিযোগীসকলক নতুন উৎপাদন প্ৰতিষ্ঠান স্থাপনত বাধা দিবলৈহে অনুজ্ঞাপত্ৰ বিচাৰিছিল। **পাৰ্মিট লাইচেন্স ৰাজ** নামে জনাজাত পদ্ধতিটোৰ অত্যধিক বিধি-ব্যৱস্থাই কিছুমান ব্যৱসায় প্ৰতিষ্ঠানক অধিক দক্ষ হোৱাত বাধা দিছিল। উদ্যোগপতি সকলে তেওঁলোকৰ সামগ্ৰীৰ গুণগত মান কেনেদৰে উন্নত কৰিব পাৰি সেইটো চিন্তা কৰাৰ পৰিৱৰ্তে অনুজ্ঞাপত্ৰৰ লাভৰ প্ৰচেষ্টা নতুবা সংশ্লিষ্ট মন্ত্ৰালয়সমূহত অনুগ্ৰহ লাভৰ বাবে অধিক সময় ব্যয় কৰিছিল।

বিদেশী প্ৰতিযোগিতাৰ পৰা ৰক্ষণাবেক্ষণো এইবাবে সমালোচনাৰ সন্মুখীন হৈছে যে, ইয়াৰ ফলত ভাল হোৱাতকৈ অধিক বেয়া হোৱাটো প্ৰমাণিত হোৱাৰ পিছতো ইয়াক চলাই ৰখা হৈছিল। আমদানিৰ ওপৰত বাধা আৰোপ কৰা হেতুকে ভাৰতীয় উৎপাদনকাৰীসকলে যিহকে উৎপাদন কৰে ভাৰতীয় ভোক্তাসকলে তাকেই ক্ৰয় কৰিবলগীয়া হৈছিল। উৎপাদনকাৰীসকলে ভালদৰে জানিছিল যে তেওঁলোকৰ বাবে এখন বন্ধ বজাৰ বিদ্যমান আৰু সেইবাবে তেওঁলোকৰ সামগ্ৰীৰ গুণ উন্নত কৰাৰ বাবে তেওঁলোক প্ৰোৎসাহিত নহৈছিল। নিম্নমানৰ সামগ্ৰী উচ্চ দামত বিক্ৰী কৰাৰ সুবিধা পাইছে যেতিয়া তেওঁলোকে সামগ্ৰীৰ গুণগত মান উন্নত কৰাৰ বাবে কিয় চিন্তা কৰিব? আমদানিয়ে সৃষ্টি কৰা প্ৰতিযোগিতাই আমাৰ উৎপাদনকাৰীসকলক অধিক দক্ষ হ'বলৈ বাধ্য কৰে।

তথাপি পণ্ডিতসকলে দেখুৱাই দিছে যে উপাৰ্জনৰ বাবে নহয়, দেশখনৰ কল্যাণ বৃদ্ধিৰ বাবেহে ৰাজহুৱা খণ্ডৰ প্ৰয়োজন। এই দৃষ্টিকোণৰ পৰা ৰাজহুৱা খণ্ডৰ ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ মূল্যায়ন কৰিব লাগিব— সেইবোৰে অৰ্জন কৰা লাভৰ ভিত্তিত নহয়, জনসাধাৰণৰ কল্যাণৰ বাবে এইবোৰে কিমান অৰিহণা যোগাইছে তাৰ ভিত্তিতহে।

ৰক্ষণাবেক্ষণ সম্পৰ্কে কিছু সংখ্যক অৰ্থনীতিবিদে মত প্ৰকাশ কৰিছে যে যেতিয়ালৈকে উন্নত দেশসমূহে নিজ দেশৰ উৎপাদনকাৰীক ৰক্ষণাবেক্ষণ দি থাকে তেতিয়ালৈকে আমি আমাৰ উৎপাদনকাৰী সকলক বিদেশী প্ৰতিযোগিতাৰ পৰা ৰক্ষণাবেক্ষণ দিয়া উচিত। এই ধৰণৰ মত বিৰোধৰ বাবে অৰ্থনীতিবিদসকলে আমাৰ নীতিৰ পৰিৱৰ্তনৰ বাবে আহ্বান জনাইছে। ইয়াৰ লগতে অন্যান্য সমস্যাৰ বাবে চৰকাৰে 1991 চনত এক নতুন অৰ্থনৈতিক নীতি প্ৰচলন কৰিবলগীয়া হয়।

## 2.6 সামৰণি (Conclusion) ঃ

প্ৰথম সাতখন পৰিকল্পনাৰ সময়ছোৱাত ভাৰতবৰ্ষৰ অৰ্থব্যৱস্থাৰ প্ৰগতি বাস্তৱিকতে চকুত লগা আছিল। উদ্যোগসমূহ স্বাধীনতা লাভৰ সময়তকৈ অধিক ভিন্নতা সম্পন্ন হৈছিল। সেউজ বিপ্লৱৰ ফলস্বৰূপে খাদ্য সামগ্ৰী উৎপাদনত ভাৰতবৰ্ষই আত্মনিৰ্ভৰশীলতা লাভ কৰিছিল। ভূমি সংস্কাৰৰ ফলত ঘৃণনীয় জমিদাৰী ব্যৱস্থাৰ বিলোপ ঘটে। অৱশ্যে বহুতো অৰ্থনীতিবিদে ৰাজহুৱা খণ্ডৰ অনেক প্ৰতিষ্ঠানৰ প্ৰদৰ্শন সম্পৰ্কে অসন্তুষ্ট হৈছিল। অত্যধিক চৰকাৰী বিধি-ব্যৱস্থাই ব্যক্তিগত উদ্যোগৰ বিকাশত বাধাৰ সৃষ্টি কৰিছিল। আত্মনিৰ্ভৰশীলতাৰ নামত উৎপাদনকাৰীসকলক বিদেশী প্ৰতিযোগিতাৰ পৰা ৰক্ষণাবেক্ষণ দিয়া হৈছিল আৰু এইটোৱে তেওঁলোকক উৎপাদিত সামগ্ৰীৰ গুণগত মান উন্নত কৰিবলৈ প্ৰোৎসাহ যোগোৱা নাছিল। আমাৰ নীতিসমূহ অন্তৰ্মুখীভাৱে চালিত আছিল আৰু সেয়েহে আমি এটা শক্তিশালী ৰপ্তানি ক্ষেত্ৰ গঢ় দিয়াত সমৰ্থ হোৱা নাই। পৰিৱৰ্তিত গোলকীয় অৰ্থনৈতিক পটভূমিত আমাৰ অৰ্থনৈতিক নীতিৰ সংস্কাৰৰ প্ৰয়োজনীয়তা ব্যাপকভাৱে অনুভৱ হৈছিল আৰু আমাৰ অৰ্থব্যৱস্থাক অধিক দক্ষ কৰি তুলিবলৈ 1991 চনত নতুন অৰ্থনৈতিক নীতিৰ সূচনা কৰা হৈছিল। এইটোৱে পিছৰ অধ্যায়ৰ বিষয়বস্তু।

### পুনৰুক্তি (Recap)

- স্বাধীনতাৰ পিছত ভাৰতবৰ্ষই পুঁজিবাদ আৰু সমাজবাদৰ উৎকৃষ্ট বৈশিষ্ট্যসমূহক সামৰা এটা অৰ্থনৈতিক ব্যৱস্থাৰ পট অংকন কৰিছিল। ইয়াৰ ফলতেই গঢ় লৈ উঠিছিল এক মিশ্ৰ অৰ্থব্যৱস্থাৰ আৰ্হি।
- সকলো ধৰণৰ অৰ্থনৈতিক পৰিকল্পনা পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহৰ জৰিয়তে প্ৰস্তুত কৰা হয়।
- পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহৰ সাধাৰণ উদ্দেশ্য আছিল বৃদ্ধি, আধুনিকীকৰণ, আত্মনিৰ্ভৰশীলতা আৰু সমতা।
- কৃষিখণ্ডত মূল নীতি বিষয়ক পদক্ষেপসমূহ আছিল ভূমি সংস্কাৰ আৰু সেউজ বিপ্লৱ। এনে পদক্ষেপে ভাৰতবৰ্ষক খাদ্য-শস্য উৎপাদনত আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰিছিল।

- কৃষি-নিৰ্ভৰশীল লোকৰ অনুপাত আশা কৰা ধৰণে হ্ৰাস পোৱা নাছিল।
- উদ্যোগ খণ্ডত নীতিবিষয়ক পদক্ষেপসমূহে মুঠ ঘৰুৱা উৎপাদনলৈ উদ্যোগৰ বৰঙণি বৃদ্ধি কৰিছিল।
- উদ্যোগ খণ্ডৰ প্ৰধান ত্ৰুটিসমূহৰ ভিতৰত এটা আছিল ৰাজহুৱা খণ্ডটোৱে অদক্ষভাৱে কাম-কাজ চলাই থকাটো। কিয়নো এই খণ্ডটিয়ে লোকচান ভৰিবলৈ আৰম্ভ কৰিছিল যাৰ ফলত দেশৰ সীমিত সম্পদসমূহৰ নিৰ্গমন ঘটিছিল।



## অনুশীলনী (Exercise)

1. পৰিকল্পনাৰ সংজ্ঞা দিয়া।
2. ভাৰতবৰ্ষই কিয় পৰিকল্পনা হাতত লৈছিল?
3. পৰিকল্পনাৰ কিয় লক্ষ্য থকা উচিত?
4. 'বিস্ময়কৰ বীজ' (Miracle seeds) কি?
5. বিক্ৰীযোগ্য উদ্বৃত্ত (Marketable Surplus) কি?
6. কৃষিখণ্ডত প্ৰৱৰ্তন কৰা ভূমি সংস্কাৰ ব্যৱস্থাৱলীৰ প্ৰয়োজনীয়তা আৰু ধৰণ ব্যাখ্যা কৰা।
7. সেউজ বিপ্লৱ কি? ইয়াক কিয় প্ৰৱৰ্তন কৰা হৈছিল আৰু ই কিদৰে কৃষকসকলক লাভান্বিত কৰিছিল? চমুকৈ ব্যাখ্যা কৰা।
8. পৰিকল্পনাৰ উদ্দেশ্য হিচাপে 'সমতাৰ সৈতে বৃদ্ধি' সম্পৰ্কে ব্যাখ্যা কৰা।
9. নিয়োগ সৃষ্টিৰ পৰিপ্ৰেক্ষিতত পৰিকল্পনাৰ উদ্দেশ্য হিচাপে আধুনিকীকৰণে বিৰুদ্ধতাৰ সৃষ্টি কৰেনে? ব্যাখ্যা কৰা।
10. ভাৰতবৰ্ষৰ দৰে এখন উন্নয়নশীল দেশৰ বাবে পৰিকল্পনাৰ এটা উদ্দেশ্য হিচাপে আত্মনিৰ্ভৰশীলতাক অনুসৰণ কৰাটো কিয় প্ৰয়োজনীয় হৈছিল?
11. অৰ্থব্যৱস্থাৰ খণ্ডমূলক গঠন কি? এটা অৰ্থব্যৱস্থাৰ মুঠ ঘৰুৱা উৎপাদনলৈ সেৱাখণ্ডই সৰ্বাধিক বৰঙণি যোগোৱাটো প্ৰয়োজনীয়নে? মন্তব্য আগবঢ়োৱা।
12. পৰিকল্পনাৰ সময়ত ঔদ্যোগিক উন্নয়নৰ বাবে ৰাজহুৱা খণ্ডক কিয় অগ্ৰণী ভূমিকা দিয়া হৈছিল?
13. নাটনিৰ সময়ত ব্যৱহাৰ কৰিব পৰা ভাণ্ডাৰ প্ৰস্তুত কৰাৰ বাবে যথেষ্ট পৰিমাণৰ খাদ্য-শস্য সংগ্ৰহ কৰিবলৈ সেউজ বিপ্লৱে চৰকাৰক সমৰ্থৱান কৰিছে বোলা উক্তিটো ব্যাখ্যা কৰা।
14. ৰাজসাহায্যই কৃষকসকলক নতুন প্ৰযুক্তিবিদ্যা ব্যৱহাৰৰ বাবে প্ৰোৎসাহিত কৰে যদিও চৰকাৰী বিত্ত ব্যৱস্থাত ই এক বৃহৎ বোজা। এই সত্যৰ পৰিপ্ৰেক্ষিতত ৰাজসাহায্যৰ উপকাৰিতা সম্পৰ্কে আলোচনা কৰা।

15. সেউজ বিপ্লৱ প্ৰৱৰ্তিত হোৱা সত্ত্বেও 1990 চনলৈ আমাৰ মুঠ জনসংখ্যাৰ 65 শতাংশ কিয় কৃষিখণ্ডত নিয়োজিত হৈ আছিল?
16. উদ্যোগৰ বাবে ৰাজহুৱা খণ্ড অপৰিহাৰ্য যদিও ৰাজহুৱা খণ্ডৰ বহু প্ৰতিষ্ঠানে বৃহৎ পৰিমাণৰ লোকচান ভৰে আৰু ইহঁত অৰ্থব্যৱস্থাৰ সম্পদৰ নিৰ্গমন। এই সত্যৰ পৰিপ্ৰেক্ষিতত ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানৰ উপকাৰিতা আলোচনা কৰা।
17. আমদানি বিকল্পকৰণে দেশীয় উদ্যোগসমূহক কিদৰে ৰক্ষণাবেক্ষণ দিব পাৰে আলোচনা কৰা।
18. 1956 চনৰ ঔদ্যোগিক নীতি প্ৰস্তাৱৰ অধীনত ব্যক্তিগত খণ্ড কিয় আৰু কেনেদৰে নিয়ন্ত্ৰণ কৰা হৈছিল?
19. সূচীৰ পৰা বাওঁপক্ষ আৰু সোঁপক্ষ পৰস্পৰক মিলোৱা ঃ

| | |
|---|---|
| 1. প্ৰধান মন্ত্ৰী | A. অধিক অনুপাতত উৎপাদন কৰিব পৰা বীজ |
| 2. মুঠ দেশীয় উৎপাদন | B. আমদানি কৰিব পৰা সামগ্ৰীৰ পৰিমাণ |
| 3. কোটা (Quota) | C. পৰিকল্পনা আয়োগৰ অধ্যক্ষ |
| 4. ভূমি সংস্কাৰ ব্যৱস্থাৱলী | D. এটা অৰ্থব্যৱস্থাত এটা নিৰ্দিষ্ট বছৰত উৎপাদিত সকলো অন্তিম ব্যৱহাৰযোগ্য সামগ্ৰী আৰু সেৱাৰ মুদ্ৰা মূল্য। |
| 5. উচ্চ উৎপাদনক্ষম বীজ (HYV) | E. উৎপাদনশীলতা বৃদ্ধিৰ বাবে কৃষিক্ষেত্ৰত সাধন কৰা উন্নতি |
| 6. ৰাজসাহায্য | F. উৎপাদন কাৰ্যৰ বাবে চৰকাৰে দিয়া মুদ্ৰা সাহায্য |



## প্ৰসঙ্গ (References)


BHAGWATI, J. 1993. *India in Transition : Freeing the Economy.* Oxford University Press, Delhi.

DANDEKAR, V.M. 2004. Forty Years After Independence, in Bimal Jalan, (Ed.). *The Indian Economy: Problems and Prospects.* Penguin, Delhi.

JOSHI, VIJAY. and I.M.D. LITTLE. 1996. *India's Economic Reforms 1991-2001.* Oxford University Press, Delhi.

MOHAN, RAKESH. Industrial Policy and Controls, in Bimal Jalan (Ed.). *The Indian Economy: Problems and Prospects.* Penguin, Delhi.

RAO, C.H. HANUMANTHA. 2004. Agriculture : Policy and Performance, in Bimal Jalan, (Ed.). *The Indian Economy : Problems and Prospects.* Penguin, Delhi.

# দ্বিতীয় গোট

## 1991 চনৰ পৰা অৰ্থনৈতিক সংস্কাৰ

পৰিকল্পিত উন্নয়নৰ চল্লিশ বছৰ পিছত, ভাৰতবৰ্ষই এক শক্তিশালী ঔদ্যোগিক ভেটি স্থাপন আৰু খাদ্য-শস্য উৎপাদনত আত্মনিৰ্ভৰশীল হ'ব পাৰিছে। তথাপিও জনসংখ্যাৰ এক বৃহৎ অংশই কৃষিৰ ওপৰত নিৰন্তৰভাৱে জীৱিকা নিৰ্বাহৰ বাবে নিৰ্ভৰ কৰিব লগা হৈছে। 1991 চনত বৈদেশিক লেন-দেনৰ সংকটে দেশত অৰ্থনৈতিক সংস্কাৰৰ সূচনা কৰে। এই গোটত ভাৰতবৰ্ষৰ বাবে সংস্কাৰ প্ৰক্ৰিয়া আৰু ইয়াৰ তাৎপৰ্যসমূহ আলোচনা কৰা হ'ব।

3

# তৃতীয় অধ্যায়

# উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীকৰণ ঃ এক পৰ্যালোচনা

## (An Appraisal)

**এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত, ছাত্ৰ-ছাত্ৰীসকলে—**

- 1991 চনত সূচনা হোৱা অৰ্থনৈতিক সংস্কাৰৰ নীতিসমূহৰ পটভূমি বুজিব পাৰিব।
- কি ব্যৱস্থাৰ জৰিয়তে সংস্কাৰ নীতিৰ সূচনা হৈছিল তাক বুজিব পাৰিব।
- গোলকীকৰণৰ প্ৰক্ৰিয়াত ভাৰতবৰ্ষ কেনেকৈ সাঙোৰ খাইছে তাক বুজিব পাৰিব।
- বিভিন্ন খণ্ডসমূহ সংস্কাৰ প্ৰক্ৰিয়াৰ দ্বাৰা কেনেকৈ প্ৰভাৱিত হৈছে, সেই সম্পৰ্কে অৱগত হ'ব।

অৰ্থনৈতিক উন্নয়নেই যে সকলো নহয় আৰু মুঠ ঘৰুৱা উৎপাদন যে এখন সমাজৰ অগ্ৰগতিৰ যথোচিত মাপকাঠি নহয় সেই বিষয়ে আজি বিশ্বত এক ঐকমত স্থাপিত হৈছে।

**—কে. আৰ নাৰায়ণন**

(There is a consensus in the world today that economic development is not all and the GDP is not necessarily a measure of progress of a society.
– K.R. Narayanan)

## 3.1 সূচনা (Introduction) ঃ

তোমালোকে আগৰ অধ্যায়ত পঢ়ি আহিছা যে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছৰ পৰাই মিশ্ৰ অৰ্থনৈতিক ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থাত বজাৰভিত্তিক অৰ্থব্যৱস্থা আৰু পৰিকল্পিত অৰ্থব্যৱস্থা দুয়োটাৰে সুবিধাসমূহৰ সংমিশ্ৰণ ঘটোৱা হয়। কোনো কোনো পণ্ডিতৰ মতে, এই নীতিৰ ফলত কালক্ৰমত অৰ্থব্যৱস্থা নিয়ন্ত্ৰণ আৰু শৃংখলাবদ্ধ কৰাৰ বাবে বিভিন্ন নিয়ম আৰু আইন প্ৰতিষ্ঠিত হয়; যাৰ ফলত বৃদ্ধি আৰু উন্নয়নৰ প্ৰক্ৰিয়া বাধাগ্ৰস্তহে হয়। আন কিছুমানৰ মতে, স্থবিৰ অৱস্থাৰ পৰা উন্নয়নৰ পথত খোজ দি ভাৰতে সঞ্চয় বৃদ্ধি কৰা, বিভিন্ন বস্তু উৎপাদন কৰা, ভিন্ন ধৰ্মী ঔদ্যোগিক খণ্ড গঢ়া আৰু কৃষি উৎপাদন বৃদ্ধিৰ যোগেদি খাদ্য সুৰক্ষা নিশ্চিতকৰণত সাফল্য লাভ কৰিছে। 1991 চনত ভাৰতবৰ্ষই বাহ্যিক ঋণৰ ক্ষেত্ৰত এক জটিল সমস্যাৰ সন্মুখীন হয়। চৰকাৰে বিদেশৰ পৰা লোৱা ঋণ পৰিশোধ কৰাৰ বাবে অসমৰ্থ হৈ পৰে। সাধাৰণতে চৰকাৰে বিদেশী বিনিময় ভাণ্ডাৰৰ জৰিয়তে পেট্ৰ'ল আৰু অন্য আৱশ্যকীয় সামগ্ৰী আমদানি কৰে। বিদেশী বিনিময়ৰ ভাণ্ডাৰ কমি গৈ এনেকুৱা এটা অৱস্থাত আহিছিল, যিটোৰে নেকি 14 দিন চলিব পৰাও সম্ভৱ নাছিল। বাঢ়ি অহা মূল্য বৃদ্ধিয়ে এই সমস্যাক আৰু অধিক জটিল কৰি তুলিছিল। দেশৰ উন্নয়নৰ গতিধাৰা পৰিৱৰ্তনৰ বাবে চৰকাৰে নতুন অৰ্থনৈতিক নীতি প্ৰৱৰ্তন কৰে। এই অধ্যায়ত আমি সংকটৰ পটভূমিত, চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা আৰু অৰ্থব্যৱস্থাৰ বিভিন্ন খণ্ডত ইয়াৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিম।

## 3.2 পটভূমি (Background) ঃ

আশীৰ দশকত ভাৰতবৰ্ষৰ অৰ্থনৈতিক সংকটৰ মূল কাৰণ আছিল অদক্ষ পৰিচালনা। আমি জানো যে বিভিন্ন নীতিসমূহ আৰু সাধাৰণ প্ৰশাসন চলাই নিয়াৰ কাৰণে চৰকাৰে বিভিন্ন ফালৰ পৰা পুঁজি আহৰণ কৰে, যেনে— কৰ, ৰাজহুৱা খণ্ডৰ অধীনৰ প্ৰতিষ্ঠানসমূহ ইত্যাদি। যেতিয়া আয়তকৈ ব্যয় বেছি হয়, তেতিয়া চৰকাৰে ঘাটি পূৰণ কৰাৰ বাবে বেংক, দেশৰ ভিতৰৰ জনসাধাৰণ আৰু আন্তৰ্জাতিক বিত্তীয় অনুষ্ঠানৰ পৰা ঋণ গ্ৰহণ কৰে। যেতিয়া আমি পেট্ৰ'লিয়াম জাতীয় সামগ্ৰী বিদেশৰ পৰা আমদানি কৰোঁ, তেতিয়া ইয়াৰ মূল্য আমেৰিকান ডলাৰৰ জৰিয়তে আদায় দিওঁ। আকৌ বস্তু ৰপ্তানি কৰি ডলাৰ আহৰণ কৰা হয়।

চৰকাৰী ৰাজহ অতি নিম্ন পৰিমাণৰ আছিল যদিও নিবনুৱা, দৰিদ্ৰতা আৰু জনবিস্ফোৰণৰ সমস্যাসমূহ দূৰীকৰণৰ জৰিয়তে উন্নয়ন সাধনৰ বাবে ৰাজহৰ সীমাবদ্ধতা নেওচি যোৱাৰ প্ৰয়োজন হৈছিল। আঁচনিসমূহত হোৱা নিৰন্তৰ খৰচৰ ফলত অৱশ্যে অতিৰিক্ত ৰাজহ উদ্ভৱ হোৱা নাছিল। আনহাতে চৰকাৰে কৰৰ জৰিয়তেও যাৱতীয় ৰাজহ

সংগ্ৰহ কৰিব পৰা নাছিল। যিহেতু চৰকাৰে ইয়াৰ আয়ৰ এক বৃহৎ অংশ সামাজিক খণ্ড আৰু প্ৰতিৰক্ষাৰ নিচিনা সোনকালে প্ৰতিদান নোপোৱা ক্ষেত্ৰত ব্যয় কৰিছিল, সেয়েহে ৰাজহৰ বাকী অংশ দক্ষভাৱে ব্যৱহাৰ কৰিব লাগিছিল। বৰ্ধিত ব্যয়ৰ মুখামুখি হোৱাৰ বাবে ৰাজহুৱা খণ্ডৰ অধীনৰ প্ৰতিষ্ঠানসমূহৰ আয়ো যথেষ্ট নাছিল। সেই সময়ত অন্য দেশ আৰু আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠানৰ পৰা লোৱা ঋণখিনিও ভোগ্য সামগ্ৰী ক্ৰয়ৰ বাবে ব্যৱহাৰ কৰিবলগীয়া হৈছিল। এনেকুৱা ভয়াৱহ খৰচ কমোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাছিল। আনহাতে ক্ৰমবৰ্ধমান আমদানিৰ বাবে দিবলগীয়া মূল্য অনুসৰি ৰপ্তানিও বৃদ্ধি কৰিব পৰা নাছিল।

আশীৰ দশকৰ শেষৰ ফালে ৰাজহৰ তুলনাত চৰকাৰী ব্যয় ব্যাপক হাৰত বৃদ্ধি পায়; যাক বহন কৰা অসম্ভৱ হৈ পৰিছিল। বহুত অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম তীব্ৰগতিত বৃদ্ধি পাইছিল। ৰপ্তানিৰ তুলনাত আমদানি অধিক হাৰত বৃদ্ধি পাইছিল। আগতে কোৱা হৈছে যে, বৈদেশিক বিনিময়ৰ ভাণ্ডাৰ এনেকৈ কমি আহিছিল, যি নেকি দুই সপ্তাহৰ প্ৰয়োজন পূৰাব পৰা অৱস্থাত নাছিল। বিদেশী ঋণ দাতাৰ ঋণৰ সুত পৰিশোধ কৰিবলৈও বৈদেশিক বিনিময়ৰ ভাণ্ডাৰত জমা নাছিল।

ভাৰতবৰ্ষই বিশ্ব বেংক আৰু আন্তৰ্জাতিক মুদ্ৰানিধিক ঋণ সাহায্যৰ বাবে আবেদন জনাইছিল আৰু সংকটৰ মুখামুখি হোৱাৰ বাবে সাত নিযুত জলাৰ ঋণ লাভ কৰিছিল। এই ঋণ লাভৰ ক্ষেত্ৰত আন্তৰ্জাতিক বিত্তীয় অভিকৰণে ব্যক্তিগত খণ্ডত আৰু আন্তৰ্জাতিক বাণিজ্যৰ ওপৰত থকা প্ৰতিবন্ধক আঁতৰাই উদাৰীকৰণৰ জৰিয়তে মুক্ত অৰ্থনীতি প্ৰৱৰ্তনৰ চৰ্ত ৰাখিছিল।

ভাৰতবৰ্ষই বিশ্ব বেংক আৰু আন্তৰ্জাতিক মুদ্ৰানিধিৰ চৰ্ত মানি নতুন অৰ্থনৈতিক নীতি ঘোষণা কৰিছিল। এই নতুন অৰ্থনৈতিক নীতিত ব্যাপক সংস্কাৰৰ ব্যৱস্থা লোৱা হ'ল। এই নীতিসমূহৰ জৰিয়তে অৰ্থব্যৱস্থাত অধিক প্ৰতিযোগিতামূলক পৰিৱেশৰ সৃষ্টি আৰু ব্যৱসায়-প্ৰতিষ্ঠানৰ বৃদ্ধি তথা প্ৰৱেশৰ বাধাসমূহ আঁতৰোৱা হৈছিল। এই নীতিসমূহক দুটা ভাগত ভাগ কৰিব পাৰি— সুস্থিৰকৰণ ব্যৱস্থা আৰু সংগ্ৰথনমূলক সংস্কাৰ ব্যৱস্থা। সুস্থিৰকৰণ ব্যৱস্থা হৈছে হ্ৰস্বকালীন ব্যৱস্থা যাৰ সহায়ত বৈদেশিক লেন-দেনৰ সমতাৰ দুৰ্বলতাসমূহ আঁতৰাব পাৰি আৰু মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিব পাৰি। সাধাৰণ ভাষাত ইয়াৰ অৰ্থ হ'ল যথেষ্ট পৰিমাণে বিদেশী বিনিময়ৰ ভাণ্ডাৰ মজুত ৰখা আৰু বৰ্ধিত মূল্য বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণ কৰা। আনহাতে সংগ্ৰথনমূলক সংস্কাৰ ব্যৱস্থাসমূহ হৈছে এক দীৰ্ঘম্যাদী ব্যৱস্থা। ইয়াৰ লক্ষ্য হৈছে— অৰ্থব্যৱস্থাটোৰ দক্ষতা বৃদ্ধি কৰা আৰু বিভিন্ন খণ্ডৰ প্ৰতিবন্ধক আঁতৰাই ইয়াক আন্তৰ্জাতিকভাৱে অধিক প্ৰতিযোগিতামূলক কৰি তোলা। চৰকাৰে গ্ৰহণ কৰা নীতিসমূহ তিনিপ্ৰকাৰৰ। সেয়া হৈছে— উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীকৰণ। ইয়াৰ প্ৰথম দুটা হৈছে নীতিগত কৌশল আৰু শেষৰটো আগৰ দুটাৰ ফলস্বৰূপে সৃষ্টি হয়।

## 3.3 উদাৰীকৰণ (Liberalisation) ঃ

আগতেই উল্লেখ কৰা হৈছে যে নিয়ম আৰু বিধিৰ দ্বাৰা অৰ্থনৈতিক কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰিব যাওঁতে অৰ্থনৈতিক বৃদ্ধি আৰু উন্নয়নত এক ডাঙৰ বাধাৰ সৃষ্টি হৈছিল। এই প্ৰতিবন্ধকসমূহৰ অৱসান ঘটোৱাৰ বাবে উদাৰীকৰণ আৰম্ভ কৰা হয়।

অৰ্থনীতিৰ বিভিন্ন খণ্ডসমূহক মুকলি কৰি দিয়া হয়। আশীৰ দশকত কিছু ক্ষেত্ৰত, যেনে— ঔদ্যোগিক অনুজ্ঞাপত্ৰ, আমদানি-ৰপ্তানি নীতি, প্ৰযুক্তি উন্নীতকৰণ, ৰাজস্ব নীতি আৰু বিদেশী বিনিয়োগত উদাৰীকৰণ আৰম্ভ কৰা হৈছিল। কিন্তু 1991 চনত আৰম্ভ কৰা সংস্কাৰ নীতিসমূহ অধিক ব্যাপক আছিল। 1991 চনত আৰু পিছত কিছুমান গুৰুত্বপূৰ্ণ খণ্ডই, যেনে— ঔদ্যোগিক খণ্ড, বিত্তীয় খণ্ড, কৰ সংস্কাৰ, বৈদেশিক বিনিময় বজাৰ আৰু বাণিজ্য, আৰু বিনিয়োগ খণ্ডই অধিক গুৰুত্ব লাভ কৰিছিল।

**ঔদ্যোগিক খণ্ডৰ নিয়ন্ত্ৰণ মুক্তকৰণ ঃ** ভাৰতবৰ্ষত ঔদ্যোগিক বিধি-বিধানসমূহ বিভিন্ন প্ৰকাৰে প্ৰয়োগ কৰা হয় ঃ (1) উৎপাদন প্ৰতিষ্ঠান আৰম্ভ কৰা, বন্ধ কৰা, অথবা কিমান পৰিমাণ উৎপাদন কৰিব, ইত্যাদি সম্বন্ধে চৰকাৰী বিষয়াসকলৰ পৰা ব্যৱসায়ীসকলে অনুজ্ঞাপত্ৰ লাভ কৰিব লাগিব। (2) ব্যক্তিগত খণ্ডক বহুতো উদ্যোগত অনুমতি দিয়া নহয়। (3) কিছুমান বস্তু মাত্ৰ ক্ষুদ্ৰ উদ্যোগেহে উৎপাদন কৰিব পাৰে। (4) নিৰ্বাচিত উদ্যোগজাত উৎপাদনসমূহৰ দৰ নিৰ্ধাৰণ আৰু বিতৰণ নিয়ন্ত্ৰণ কৰা হয়।

1991 চনত আৰু ইয়াৰ পিছত ওপৰত উল্লেখ কৰা বহুতো নিয়ন্ত্ৰণ বাতিল কৰা হৈছে। মদ, ধপাত, ইলেক্ট্ৰ'নিকচ্, স্বাস্থ্য ক্ষতিকাৰক ৰাসায়নিক দ্ৰব্য আৰু ঔষধ জাতীয় সামগ্ৰীৰ বাহিৰে অন্য প্ৰায় সকলো ঔদ্যোগিক খণ্ডত অনুজ্ঞাপত্ৰ বাতিল কৰা হয়। সামৰিক অস্ত্ৰ-শস্ত্ৰ, আণৱিক শক্তি উৎপাদন, আৰু ৰে'ল পৰিবহন উদ্যোগৰ ক্ষেত্ৰতহে মাত্ৰ সংৰক্ষণ ব্যৱস্থা বাহাল ৰখা হৈছে। বহুতো ক্ষুদ্ৰ উদ্যোগে উৎপাদন কৰা বস্তুক সংৰক্ষণৰ বাহিৰত ৰখা হৈছে। বহুতো উদ্যোগক বস্তুৰ বজাৰ দৰ নিৰ্ধাৰণ কৰাৰ অনুমতি দিয়া হৈছে।

**বিত্তীয় খণ্ডৰ সংস্কাৰ ঃ** বিত্তীয় খণ্ডত তলত উল্লেখ কৰা বিত্তীয় অনুষ্ঠানসমূহক সামৰি লোৱা হয়, যেনে— বাণিজ্যিক বেংক, বিনিয়োগ বেংক, ষ্টক বিনিময় কেন্দ্ৰ আৰু বৈদেশিক বিনিময় বজাৰ। ভাৰতবৰ্ষৰ বিত্তীয় খণ্ডক ভাৰতীয় ৰিজাৰ্ভ বেংকে নিয়ন্ত্ৰণ কৰে। তোমালোকে নিশ্চয় জানা যে ভাৰত বৰ্ষৰ সকলো বেংক আৰু অন্যান্য বিত্তীয় অনুষ্ঠানসমূহ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নীতি আৰু বিধিৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়। বেংকসমূহে কিমান পৰিমাণৰ মুদ্ৰা নিজৰ হাতত জমা ৰাখিব, সুতৰ হাৰ নিৰ্ধাৰণ, বিভিন্ন খণ্ডলৈ কেনেকুৱা প্ৰকাৰৰ ঋণ যোগান ধৰিব, সেয়া ভাৰতীয় ৰিজাৰ্ভ বেংকে ঠিক কৰে। বিত্তীয় খণ্ডৰ সংস্কাৰৰ এক প্ৰধান লক্ষ্য হৈছে, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বিত্তীয় খণ্ডৰ ওপৰত বিধি-বিধান নিৰ্ধাৰণৰ ভূমিকা হ্ৰাস কৰা। ইয়াৰ অৰ্থ হৈছে, বহুতো ক্ষেত্ৰত বিত্তীয় খণ্ডই ৰিজাৰ্ভ বেংকৰ লগত আলোচনা নকৰাকৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ অনুমতি প্ৰদান কৰা।

এই সংস্কাৰ নীতিয়ে ভাৰতবৰ্ষৰ লগতে বিদেশী ব্যক্তিগত খণ্ডৰ বেংকসমূহৰ শাখা স্থাপন কৰাৰ পথ মুকলি কৰিলে। বেংকসমূহত বিদেশী বিনিয়োগৰ সীমা প্ৰায় পঞ্চাশ (50) শতাংশলৈ বৃদ্ধি পালে। যিবোৰ বেংকে নিৰ্দিষ্ট চৰ্ত পূৰণ কৰিব পাৰিলে, সেইবোৰ বেংকে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অনুমতি নোলোৱাকৈ নতুন শাখা খোলাৰ আৰু বৰ্তমানে চলি থকা বেংকৰ শাখাসমূহ যুক্তিসন্মত কৰা (Rationalise)ৰ স্বাধীনতা পালে। যদিও বেংকসমূহক ভাৰত আৰু বিদেশৰ পৰা সম্পদ আহৰণ কৰাৰ অনুমতি দিয়া হ'ল তথাপি দেশ আৰু বেংকৰ জমাকাৰীসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে

কিছুমান নিৰ্দিষ্ট বিষয় ভাৰতীয় ৰিজাৰ্ভ বেংকৰ হাতত ৰাখিলে। সংস্থানিক বৈদেশিক বিনিয়োগকাৰী, যেনে— মাৰ্চেণ্ট বেংক, মিউচুৱেল ফাণ্ড আৰু পেন্সন ফাণ্ডে ভাৰতীয় বিত্তীয় বজাৰত বিনিয়োগ কৰাৰ বাবে অনুমোদন পালে।

**কৰ সংস্কাৰ ঃ** কৰ সংস্কাৰ হৈছে, কৰ আৰু চৰকাৰী ব্যয়ৰ নীতিৰ সংস্কাৰ— যাক সামগ্ৰিকভাৱে ৰাজস্ব নীতিৰ সংস্কাৰ হিচাপে জনা যায়। কৰ দুই প্ৰকাৰৰ— প্ৰত্যক্ষ কৰ আৰু পৰোক্ষ কৰ। ব্যক্তিগত আয়, ব্যৱসায় প্ৰতিষ্ঠানৰ লাভ আদিৰ ওপৰত আৰোপ কৰা কৰক প্ৰত্যক্ষ কৰৰ ভিতৰত ধৰা হয়। 1991 চনৰ পৰা ধাৰাবাহিকভাৱে ব্যক্তিগত আয়ৰ ওপৰত বহুওৱা কৰৰ হাৰ কমি আহি আছে। কৰ ফাকি দিয়াৰ গুৰুত্বপূৰ্ণ কাৰণ হৈছে উচ্চ হাৰৰ আয় কৰ। এইটো সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য হৈছে যে মজলীয়া ধৰণৰ আয় কৰে সঞ্চয় বৃদ্ধি আৰু স্বইচ্ছাই নিজৰ আয় ব্যক্ত কৰাৰ বাবে উদগনি যোগায়। নিগম কৰ (Corporation tax) আগতে উচ্চহাৰৰ আছিল। ইয়াক লাহে লাহে কমোৱা হৈছে। সামগ্ৰীৰ ওপৰত আৰোপিত পৰোক্ষ কৰৰ সংস্কাৰৰ বাবেও চেষ্টা চলোৱা হ'ল— যাতে সামগ্ৰীৰ বাবে এখন উমৈহতীয়া ৰাষ্ট্ৰীয় বজাৰৰ সৃষ্টি হয়। কৰদাতাসকলক উদগনি যোগোৱাৰ বাবে কৰ প্ৰদানৰ নিয়ম সৰলীকৰণ কৰা হয় আৰু কৰৰ হাৰ হ্ৰাস কৰা হয়।

**বৈদেশিক বিনিময়ৰ সংস্কাৰ ঃ** বৈদেশিক বিনিময় বজাৰত গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰা হ'ল। 1991 চনত লেন-দেনৰ ভাৰসাম্যৰ সংকট দূৰ কৰাৰ বাবে বিদেশী মুদ্ৰাৰ তুলনাত ভাৰতীয় মুদ্ৰাৰ তৎকালীনভাৱে অৱমূল্যায়ন ঘটোৱা হ'ল। ইয়ে বৈদেশিক বিনিময়ৰ ভাণ্ডাৰৰ আগমন বৃদ্ধি কৰে। এইটোৱে বৈদেশিক বিনিময় বজাৰত টকাৰ মূল্য নিৰ্ধাৰণ কৰাটোও চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰে। এতিয়া কম বেছি পৰিমাণে বৈদেশিক বিনিময়ৰ চাহিদা আৰু যোগানৰ ভিত্তিত বজাৰত বিনিময়ৰ হাৰ নিৰ্ধাৰিত হয়।

**বৈদেশিক বাণিজ্য আৰু বিনিয়োগ নীতিৰ সংস্কাৰ ঃ** বৈদেশিক বাণিজ্য আৰু বিনিয়োগত উদাৰীকৰণ ব্যৱস্থা উদ্যোগজাত উৎপাদনৰ আন্তৰ্জাতিক প্ৰতিযোগিতা আৰু দেশখনলৈ অন্তৰ্গমন হোৱা বিনিয়োগ আৰু প্ৰযুক্তি বৃদ্ধিৰ বাবে আৰম্ভ কৰা হৈছিল। স্থানীয় উদ্যোগৰ দক্ষতা বৃদ্ধি আৰু আধুনিক প্ৰযুক্তিবিদ্যা ব্যৱহাৰৰ লক্ষ্যও আগত ৰখা হৈছিল।

ভাৰত চৰকাৰে দেশীয় উদ্যোগৰ স্বাৰ্থ ৰক্ষাৰ বাবে আমদানিৰ ক্ষেত্ৰত কিছু পৰিমাণগত প্ৰতিবন্ধক আৰোপ কৰি ৰাখিছিল। আমদানিৰ ওপৰত নিয়ন্ত্ৰণ ৰখাৰ বাবে আমদানি শুল্ক অত্যধিক পৰিমাণে আৰোপ কৰিছিল। এনে নীতিসমূহে উদ্যোগৰ দক্ষতা আৰু প্ৰতিযোগিতাৰ পৰিসৰ হ্ৰাস কৰিছিল আৰু নিৰ্মাণ খণ্ডলৈ বৃদ্ধি লেহেমীয়া কৰিছিল।

বৈদেশিক বাণিজ্যৰ সংস্কাৰৰ উদ্দেশ্যসমূহ হ'ল— (1) আমদানি আৰু ৰপ্তানিৰ ক্ষেত্ৰত থকা পৰিমাণগত প্ৰতিবন্ধক আঁতৰ কৰা। (2) শুল্কৰ হাৰ হ্ৰাস কৰা। (3) আমদানিৰ ক্ষেত্ৰত অনুজ্ঞা পত্ৰৰ নিয়ম বাতিল কৰা। বিপদসংকুল আৰু পাৰিৱেশিকভাৱে স্পৰ্শকাতৰ উদ্যোগৰ বাহিৰে অন্য সকলো ক্ষেত্ৰতে আমদানি অনুজ্ঞাপত্ৰ বাতিল কৰা হয়। 2001 চনৰ পৰা ভোগ্য সামগ্ৰী আৰু কৃষিজাত উৎপাদনৰ ক্ষেত্ৰত আমদানিৰ পৰিমাণগত প্ৰতিবন্ধক সম্পূৰ্ণৰূপে আঁতৰোৱা হয়। আন্তৰ্জাতিক বজাৰত ভাৰতীয় সামগ্ৰীক অধিক প্ৰতিযোগী কৰাৰ বাবে ৰপ্তানি শুল্ক আঁতৰোৱা হয়।

## কৰি চোৱা ঃ (Work These Out)

- ৰাষ্ট্ৰীয়কৃত বেংক, ব্যক্তিগত বেংক, ব্যক্তিগত বিদেশী বেংক, সংস্থানিক বৈদেশিক বিনিয়োগকাৰী (FII) আৰু মিউচুৱেল ফাণ্ডৰ একোটাকৈ উদাহৰণ দিয়া।

- তোমাৰ মা-দেউতাৰ লগত তোমালোকৰ ওচৰত থকা বেংক এটা চাবলৈ যোৱা। বেংকে কি কি কাম কৰে তাক পৰ্যবেক্ষণ কৰা। ইয়াৰ এখন তালিকা প্ৰস্তুত কৰা আৰু শ্ৰেণীত সহপাঠীৰ লগত আলোচনা কৰা।

- তলত উল্লেখ কৰা বিলাকক প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ হিচাপে বিভাজন কৰা ঃ

  বিক্ৰী কৰ, আমদানি-ৰপ্তানি শুল্ক, সম্পত্তি কৰ, মৃত্যু কৰ, মূল্য সংযোজিত কৰ, আয় কৰ।

- তোমালোকৰ মা-দেউতাৰ পৰা জানি লোৱা তেওঁলোকে কৰ প্ৰদান কৰেনে? যদি কৰে; কিয় কৰে আৰু কেনেকৈ কৰে?

- তোমালোকে জানানে যে বিদেশী ৰাষ্ট্ৰক দিবলগীয়া আদায়ৰ বাবে, দেশসমূহে অতি দীৰ্ঘ দিনৰ পৰা সোণ, ৰূপ জমা ৰাখে। আমাৰ বৈদেশিক বিনিময়ৰ ভঁৰাল কেনেদৰে কৰা হয় তাক জানি লোৱা। বাতৰিকাকত, আলোচনী আৰু অৰ্থনৈতিক সমীক্ষাৰ পৰা বিচাৰি উলিওৱা— আমাৰ দেশত বৰ্তমান কিমান পৰিমাণৰ বৈদেশিক বিনিময় আছে।

  তলত উল্লেখ কৰা দেশসমূহৰ মুদ্ৰাসমূহ আৰু ভাৰতীয় টকাৰ লগত ইহঁতৰ বিনিময়ৰ হাৰ কিমান উল্লেখ কৰা।

| দেশ | মুদ্ৰা | ভাৰতীয় টকাৰ মানত 1 (এক) গোট বিদেশী মুদ্ৰাৰ মূল্য |
|---|---|---|
| আমেৰিকা | | |
| ইংলেণ্ড | | |
| জাপান | | |
| চীন | | |
| কোৰিয়া | | |
| চিঙ্গাপুৰ | | |
| জাৰ্মানী | | |

### কক্ষ 3.1 ঃ নৱৰত্ন আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ নীতি

তোমালোকে সৰুতে নিশ্চয় ৰজা বিক্ৰমাদিত্যৰ ৰাজসভাৰ বিখ্যাত পণ্ডিতসকলৰ নাম শুনিছা যিসকল কলা, সাহিত্য আৰু জ্ঞানৰ ক্ষেত্ৰত অতি বিখ্যাত আছিল। তেওঁলোকক নৱৰত্ন আখ্যা দিয়া হৈছিল। 1996 চনত চৰকাৰে 9টা ৰাজহুৱা খণ্ডৰ অধীনৰ প্ৰতিষ্ঠানক বাছি লৈ *নৱৰত্ন* হিচাপে ঘোষণা কৰে যাতে এইবিলাক প্ৰতিষ্ঠানে নিজৰ দক্ষতা বৃদ্ধি, পেছাদাৰিতা সঞ্চাৰণ আৰু উদাৰীকৰণৰ বিশ্ব পৰিৱেশত অধিক প্ৰতিযোগিতা কৰিব পাৰে। দক্ষতাৰে পৰিচালনা কৰি লাভ বৃদ্ধি কৰিবলৈ বিভিন্ন সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত এই নৱৰত্নক পৰিচালনা আৰু কাৰ্যকৰণৰ ক্ষেত্ৰত অধিক স্বতন্ত্ৰতা (Autonomy) প্ৰদান কৰা হয়। সৰু ৰত্ন (Mini ratnas) নামেৰে জনাজাত আন 97 টা লাভ অৰ্জনকাৰী প্ৰতিষ্ঠানকো অধিক পৰিমাণে পৰিচালনা কাৰ্যকৰণ আৰু বিত্তীয় স্বতন্ত্ৰতা প্ৰদান কৰা হয়।

প্ৰথমে নিৰূপণ কৰা নৱৰত্ন কোম্পানীসমূহৰ ভিতৰত আছে— ইণ্ডিয়ান অইল কৰ্পোৰেচন লিঃ (I.O.C.L.), ভাৰত পেট্ৰ'লিয়াম কৰ্পোৰেচন লিঃ (B.P.C.L.), হিন্দুস্থান পেট্ৰ'লিয়াম কৰ্পোৰেচন লিঃ (H.P.C.L.), অইল এণ্ড নেচাৰেল গেছ কৰ্পোৰেচন লিঃ (O.N.G.C.), ষ্টীল অথৰিটি অব্ ইণ্ডিয়া লিঃ (SAIL), ইণ্ডিয়ান পেট্ৰ'কেমিকেলচ্ কৰ্পোৰেচন লিঃ (I.P.C.L.), ভাৰত হেভি ইলেকট্ৰিকেলচ্ লিঃ (B.H.E.L.), নেচনেল থাৰ্মেল পাৱাৰ কৰ্পোৰেচন (N.T.P.C.) আৰু বিদেশ সঞ্চাৰ নিগম লিঃ (V.S.N.L.)। পিছত গেছ অথৰিটি অব্ ইণ্ডিয়া লিঃ (GAIL) আৰু মহানগৰ টেলিফোন নিগম লিঃ (M.T.N.L.) নামৰ ৰাজহুৱা খণ্ডৰ অধীনৰ প্ৰতিষ্ঠান দুটাক সম মৰ্যাদা দিয়া হয়।

এই বিলাকৰ বহুতো লাভজনক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান 1950 আৰু 1960ৰ দশকৰ ভিতৰত স্থাপিত হৈছিল— যেতিয়া ৰাজহুৱা নীতিত আত্মনিৰ্ভৰশীলতা এক গুৰুত্বপূৰ্ণ বিষয় আছিল। এই বিলাক স্থাপন কৰাৰ উদ্দেশ্য আছিল ৰাইজক আন্তঃগাঁথনি আৰু প্ৰত্যক্ষ নিযুক্তি প্ৰদান কৰা যাতে সামান্য খৰচত উচ্চ মানৰ উৎপাদিত সামগ্ৰী সৰ্বসাধাৰণ ৰাইজে পাব পাৰে আৰু কোম্পানীসমূহ সকলো দাবীদাৰ (Stake holder)ৰ ওচৰত দায়বদ্ধ থাকে।

*নৱৰত্ন* মৰ্যাদা দিয়াৰ ফলত এই কোম্পানীসমূহে অধিক ভাল ফাল দেখুৱাব পাৰিছিল। পণ্ডিতসকলে মত পোষণ কৰে যে নৱৰত্নৰ প্ৰসাৰতা বৃদ্ধি আৰু ইবিলাকক আন্তৰ্জাতিক পৰ্যায়ত অধিষ্ঠিত হোৱাত সহায় কৰাৰ পৰিৱৰ্তে চৰকাৰে নিৰ্বিনিয়োগৰ জৰিয়তে এইবোৰক আংশিকভাৱে ব্যক্তিগতকৰণ কৰিলে। শেহতীয়াভাৱে চৰকাৰে নৱৰত্নসমূহক ৰাজহুৱা খণ্ডতে ৰাখিছে আৰু সিহঁতক নিজাববীয়াকৈ বিশ্ববজাৰত প্ৰসাৰিত হ'বলৈ আৰু বিত্তীয় বজাৰত নিজাববীয়াকৈ পুঁজি সংগ্ৰহ কৰিবলৈ সক্ষম কৰাৰ সিদ্ধান্ত লৈছে।

## 3.4 ব্যক্তিগতকৰণ (Privatisation) ঃ

ব্যক্তিগতকৰণৰ অৰ্থ হৈছে চৰকাৰৰ মালিকীস্বত্ব বা পৰিচালনাৰ পৰা ব্যৱসায় প্ৰতিষ্ঠানসমূহক উলিয়াই আনি ব্যক্তিগত প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলা। চৰকাৰী কোম্পানীসমূহক ব্যক্তিগত কোম্পানীলৈ দুই প্ৰকাৰে পৰিৱৰ্তন কৰিব পাৰি— (1) ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহৰ মালিকীস্বত্ব আৰু পৰিচালনাৰ পৰা চৰকাৰক আঁতৰাই অনা। (2) ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহ বিক্ৰী কৰা।

ৰাজহুৱা খণ্ডৰ অধীনত থকা উদ্যোগসমূহৰ সমাংশ (Equity) বিক্ৰী কৰাকে নিৰ্বিনিয়োগ বুলি জনা যায়। চৰকাৰৰ মতে এই বিক্ৰীৰ প্ৰধান উদ্দেশ্য হৈছে বিত্তীয় অনুশাসন আৰু আধুনিকীকৰণ। ভবা হৈছিল যে ৰাজহুৱা খণ্ডৰ অধীনত থকা উদ্যোগসমূহত ব্যক্তিগত মূলধন আৰু দক্ষ পৰিচালনাই ইহঁতৰ কাৰ্যদক্ষতা বৃদ্ধি কৰিব পাৰে। চৰকাৰে ভাবে যে ব্যক্তিগতকৰণে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ আগমনক উদ্দীপিত কৰিব পাৰে। স্বাতন্ত্ৰ্য প্ৰদানৰ জৰিয়তেও চৰকাৰে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক কাৰ্যদক্ষ কৰি তোলাৰ প্ৰচেষ্টা হাতত লৈছিল।

ৰাজহুৱা খণ্ডৰ অধীনত থকা উদ্যোগৰ ক্ষমতা বৃদ্ধিৰ বাবে, পৰিচালনাৰ সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত চৰকাৰে এই বিলাকক স্বতন্ত্ৰতা (Autonomy) প্ৰদানৰ প্ৰয়াস কৰিছে। উদাহৰণস্বৰূপে ৰাজহুৱা খণ্ডৰ অধীনত থকা কিছুমান উদ্যোগক বিশেষ স্থান যেনে— নৱৰত্ন আৰু সৰুৰত্নৰ মৰ্যাদা প্ৰদান কৰা হৈছে (কক্ষ 3.1 চোৱা)।

## 3.5 গোলকীকৰণ (Globalisation) ঃ

গোলকীকৰণ হৈছে উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ নীতিসমূহৰ এক পৰিণাম। গোলকীকৰণক সাধাৰণভাৱে এখন দেশৰ অৰ্থব্যৱস্থাক বিশ্ব অৰ্থব্যৱস্থাৰ লগত সাঁঙোৰ খুওৱা বুলি বুজোৱা হয় যদিও ই এক জটিল পৰিঘটনা। ই পৃথিৱীখনক পাৰস্পৰিকভাৱে অধিক নিৰ্ভৰশীল আৰু সংহত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা নীতি সমষ্টিৰ

### এইবোৰ কৰি উলিওৱা (Work These Out)

- কিছুমান পণ্ডিতে ভাবে যে নিৰ্বিনিয়োগ হৈছে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ কাৰ্যদক্ষতা উন্নত কৰাৰ বাবে ব্যক্তিগতকৰণৰ জোঁৱাৰ গোটেই বিশ্বত বিস্তাৰ কৰা। আনফালে অন্য পণ্ডিতসকলে কয় যে ই ৰাজহুৱা সম্পত্তিক ন্যস্ত স্বাৰ্থৰ বাবে সম্পূৰ্ণ ৰূপে বিক্ৰী কৰা। তোমালোকে কি ভাবা?
- বাতৰিকাকতৰ পৰা 10-15 টা বাতৰি সংগ্ৰহ কৰি এখন পোষ্টাৰ তৈয়াৰ কৰা, যিবোৰ আৰশ্যকীয় আৰু নৱৰত্নৰ লগত সম্পৰ্কিত। এই ৰাজহুৱা খণ্ডৰ অধীনৰ উদ্যোগসমূহৰ প্ৰতীক চিহ্ন (Logos) আৰু বিজ্ঞাপন সংগ্ৰহ কৰা। এইবিলাক জাননী ফলকত আৰি দিয়া আৰু শ্ৰেণীকোঠাত আলোচনা কৰা।
- তোমালোকে ভাবা নেকি যে মাত্ৰ লোকচানত চলা কোম্পানীসমূহ ব্যক্তিগতকৰণ কৰিব লাগে? কিয়?
- ৰাজহুৱা খণ্ডৰ অধীনৰ উদ্যোগসমূহৰ লোকচানক চৰকাৰী বাজেটৰ দ্বাৰা পূৰণ কৰিব লাগে— তোমালোক এই মন্তব্যৰ লগত একমত নে? আলোচনা কৰা।

পৰিণাম। ইয়াৰ লগত জড়িত হৈ আছে সামাজিক, অৰ্থনৈতিক আৰু ভৌগোলিক পৰিসীমা অতিক্ৰম কৰা যোগাযোগ আৰু কাৰ্যাৱলী। গোলকীকৰণে এনেদৰে সংযোগ স্থাপন কৰিবলৈ চেষ্টা কৰে যে ভাৰতবৰ্ষত ঘটনা ঘটনা দূৰ-দূৰণিৰ ঘটনাৰ দ্বাৰা প্ৰভাৱিত হয়। ই বিশ্বক এক একত্ৰিত গোটত বা সীমান্তহীন বিশ্বত পৰিণত কৰিছে।

**বহিঃউৎস গ্ৰহণ (Out sourcing) ঃ** গোলকীকৰণৰ ই এক গুৰুত্বপূৰ্ণ অৱদান। এই অৱস্থাত এটা কোম্পানীয়ে নিয়মিতভাৱে বহিঃউৎসৰ পৰা আৰু প্ৰায়েই বিদেশৰ পৰা সেৱা ভাড়ালৈ লয়। (যেনে— আইনগত উপদেশ, কম্পিউটাৰ সেৱা, বিজ্ঞাপন আৰু সুৰক্ষা) এইবিলাক কোম্পানীৰ নিৰ্দিষ্ট বিভাগসমূহৰ পৰা আগেয়ে আভ্যন্তৰীণভাৱে বা দেশীয়ভাৱে লোৱা হৈছিল। ক্ষীপ্ৰ যোগাযোগ ব্যৱস্থা— বিশেষতঃ, তথ্য প্ৰযুক্তিৰ বিকাশৰ বাবে সাম্প্ৰতিক কালত আৰ্থিক কাৰ্য হিচাপে বহিঃউৎস গ্ৰহণ প্ৰবল হৈ উঠিছে। বহুতো সেৱা, যেনে— শব্দভিত্তিক বাণিজ্যিক প্ৰক্ৰিয়া (যাক BPO বা কল চেণ্টাৰ হিচাপে জনা যায়), হিচাপৰ নথিপত্ৰ সংৰক্ষণ, বেংক সেৱা, সংগীত বাণীবন্ধন, কথাছবি সম্পাদনা, কিতাপ সংৰক্ষণ, ৰোগ নিৰ্ণয় সম্পৰ্কীয় উপদেশ; আনকি পাঠদানো উন্নত দেশৰ কোম্পানীসমূহে ভাৰতৰ পৰা লাভ কৰিছে। ইণ্টাৰনেট সমন্বিতে আধুনিক দূৰ সংযোগৰ সহায়ত এই সেৱাসমূহৰ লগত জড়িত ৰচনা, বক্তব্য আৰু দৃশ্য সম্বন্ধীয় তথ্য অংকীয় ৰূপত প্ৰকাশ কৰি নিতান্ত কম সময়ৰ ভিতৰতে দেশ-মহাদেশৰ সীমালৈ প্ৰসাৰিত কৰিব পাৰি। প্ৰায়ভাগ বহুজাতিক নিগমৰ লগতে বহু সৰু সৰু কোম্পানীয়েও ভাৰতবৰ্ষৰ পৰা এনে সেৱা গ্ৰহণ কৰিছে; কিয়নো আমাৰ দেশত কম খৰচ আৰু গ্ৰহণযোগ্য কুশলতা তথা শুদ্ধতাৰে এইবোৰ উপলব্ধ। নিম্ন হাৰৰ মজুৰি আৰু কুশলী মানৰ শক্তিৰ বাবে সংস্কাৰ উত্তৰ কালত, ভাৰতবৰ্ষ, গোলকীয় বহিঃউৎস গ্ৰহণৰ বাবে আকৰ্ষণীয় স্থলী হৈ উঠিছে।

### কক্ষ 3.2 ঃ গোলকীয় পদচিহ্ন

তোমালোকে নিশ্চয় দেখিছা যে গোলকীকৰণৰ ফলত বহুতো ভাৰতীয় কোম্পানীয়ে অন্য দেশসমূহত ইয়াৰ শাখা সম্প্ৰসাৰণ কৰিছে। 2000 চনত বিশ্বক চমক খুওৱাই টাটা চাহ কোম্পানীয়ে 1870 কোটি টকাৰে ইংলেণ্ডৰ চাহ বেগৰ (Tea bag) আৱিষ্কাৰক টেটলী (Tetly) আহৰণ কৰে। 2004 চনত টাটা ষ্টীলে চিঙ্গাপুৰৰ নাট ষ্টীল (Nat Steel)ক 1245 কোটি টকাৰে ক্ৰয় কৰে আৰু টাটা মটৰছে (Tata Motors) ডেউৰ (Daewoos) দক্ষিণ কোৰিয়াস্থিত গধুৰ বাণিজ্যিক যান-বাহন গোটক 448 কোটি টকাৰে ক্ৰয় কৰে। এতিয়া বিদেশ সঞ্চাৰ নিগম লিঃ (BSNL) য়ে টাইকোৰ (Tyco's) সাগৰৰ তলৰ কেবল নেটৱৰ্ক (Cable Network) 572 কোটি টকাৰে আহৰণ কৰিছে। ই তিনিখন মহাদেশৰ 60,000 কিলো মিটাৰ সাগৰৰ তলৰ কেবল নেটৱৰ্ক নিয়ন্ত্ৰণ কৰিব। টাটা কোম্পানীয়ে বাংলাদেশত সাৰ কাৰখানা, ষ্টীল আৰু শক্তিৰ ক্ষেত্ৰত 8,800 কোটি টকা বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে।

**বিশ্ব বাণিজ্য সংগঠন (WTO) ঃ**

গেট (GATT) চুক্তিৰ উত্তৰাধিকাৰী সংগঠন হিচাপে বিশ্ব বাণিজ্য সংগঠন (WTO) 1995 চনত গঠিত হয়। 1948 চনত 23 খন ৰাষ্ট্ৰক লৈ বহুপাক্ষিক বাণিজ্যিক চুক্তি সম্পাদনৰ বাবে এক গোলকীয় সংস্থা হিচাপে গেট প্ৰতিষ্ঠিত হৈছিল। আন্তৰ্জাতিক বজাৰত সকলো ৰাষ্ট্ৰক সমান সুবিধা দিয়াৰ উদ্দেশ্যৰেই এই চুক্তি সম্পাদন কৰিছিল। বিশ্ব বাণিজ্য সংগঠনে নিয়ম ভিত্তিক বাণিজ্যিক ব্যৱস্থা স্থাপন কৰিব বুলি আশা কৰা হৈছে য'ত কোনো দেশে নিজৰ ইচ্ছামতে বাণিজ্যৰ ক্ষেত্ৰত প্ৰতিবন্ধক আৰোপ কৰিব নোৱাৰে। ইয়াৰ উপৰি, ইয়াৰ উদ্দেশ্য হৈছে উৎপাদন আৰু বাণিজ্যিক সেৱাৰ পৰিসৰ বৃদ্ধি, বিশ্বৰ সম্পদসমূহৰ উপযুক্ত ব্যৱহাৰ আৰু পৰিৱেশৰ সুৰক্ষা প্ৰদান কৰা। বিশ্ব বাণিজ্য সংগঠন চুক্তিয়ে বস্তু আৰু সেৱাৰ আন্তৰ্জাতিক বাণিজ্যত (দ্বিপক্ষীয় আৰু বহুপক্ষীয়) শুল্কৰ লগতে অনা-শুল্ক প্ৰতিবন্ধক আঁতৰাই সকলো সদস্য দেশক অধিক বজাৰৰ সুবিধা প্ৰদান কৰে।

বিশ্ব বাণিজ্য সংগঠনৰ গুৰুত্বপূৰ্ণ সদস্য হিচাপে ভাৰতবৰ্ষই ন্যায়সংগত গোলকীয় নিয়ম আৰু আইনসমূহ প্ৰস্তুত কৰোঁতে আগভাগ লৈছে আৰু বিশ্বৰ উন্নয়নশীল দেশসমূহৰ সুৰক্ষা আৰু স্বাৰ্থৰ হকে মাত মাতি আহিছে। ভাৰতবৰ্ষই বিশ্ব বাণিজ্য সংগঠনক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰি বাণিজ্যিক উদাৰীকৰণৰ ফালে আগবাঢ়ি আমদানিৰ ওপৰত থকা পৰিমাণগত প্ৰতিবন্ধক আঁতৰাইছে আৰু শুল্কৰ হাৰসমূহ কমাইছে।

ভাৰতবৰ্ষ বিশ্ব বাণিজ্য সংগঠনৰ সদস্য হোৱাৰ উপযোগিতা সম্বন্ধে কিছুমান পণ্ডিতে প্ৰশ্নৰ অৱতাৰণা কৰিছে। কাৰণ এক বৃহৎ পৰিমাণৰ আন্তৰ্জাতিক বাণিজ্য উন্নত দেশসমূহৰ মাজত চলে। এই পণ্ডিতসকলে আৰু কয় যে উন্নত দেশসমূহে নিজ দেশৰ কৃষিৰ ৰাজ সাহায্যৰ ক্ষেত্ৰত আপত্তি কৰে যদিও উন্নয়নশীল দেশসমূহক ঠগোৱা বুলি অনুভৱ কৰিব পাৰি। কিয়নো উন্নয়নশীল দেশসমূহৰ বজাৰ উন্নত দেশৰ বাবে মুকলি কৰি দিবলৈ বাধ্য কৰোৱা হৈছে যদিও উন্নয়নশীল দেশৰ বাবে উন্নত দেশৰ বজাৰসমূহ মুকলি হোৱা নাই। তোমালোকে এই ক্ষেত্ৰত কি ভাবা?



চিত্ৰ 3.1 ঃ বহিঃ উৎস গ্ৰহণ ঃ ডাঙৰ মহানগৰসমূহত নিয়োগৰ এক নতুন সুযোগ।

### কৰি চোৱা ঃ (Work These Out)

- বহুতো পণ্ডিতে যুক্তি প্ৰদৰ্শন কৰে যে গোলকীকৰণৰ বাবে অৰ্থব্যৱস্থাৰ বহু খণ্ডত চৰকাৰৰ প্ৰভাৱ কমিছে। সেয়েহে ই অৰ্থব্যৱস্থাৰ বাবে এক ভাবুকি। আন কিছুমানে ইয়াৰ বিপৰীতে যুক্তি দি কয় যে গোলকীকৰণে বজাৰ মুকলি কৰি প্ৰতিযোগিতা আৰু বজাৰ দখল কৰাৰ সুবিধা দিয়ে। সেয়েহে ই এক সুযোগ, শ্ৰেণীকোঠাত এই সম্পৰ্কে বিতৰ্ক কৰা।
- ভাৰতবৰ্ষত BPO সেৱা প্ৰদান কৰা পাঁচটা কোম্পানীৰ নাম লিখা আৰু ইহঁতৰ মুঠ ধনৰ মানত ব্যৱসায়ৰ পৰিমাণৰ এখন সাৰণি প্ৰস্তুত কৰা।
- আজিকালি সাধাৰণতে ঘটি থকা ঘটনা সম্পৰ্কে এখন দৈনিক কাকতত ছপা হোৱা তলৰ অংশটো পঢ়া—

  "এদিন ৰাতিপুৱা 7 বজাৰ কেই মিনিট আগতে গ্ৰীচমাই তাইৰ কম্পিউটাৰৰ আগত বহি হেডছেট মুকলি কৰিলে আৰু বিশিষ্ট শৈলীৰ ইংৰাজীত ক'লে, "হেল্লো, ডেনিল্লা"। কেই ছেকেণ্ডমান পিছত তাই উত্তৰ পালে— "হেল্লো গ্ৰীচমা"। দুয়ো উৎফুল্ল আলোচনা কৰিলে আৰু গ্ৰীচমাই ক'লে "আজি আমি সৰ্বনাম সম্পৰ্কে আলোচনা কৰিম।" এই আলোচনা কোনো অসাধাৰণ কথা নাছিল, কিন্তু 22 বছৰীয়া গ্ৰীচমা কোচিত আৰু তাইৰ ছাত্ৰী 13 বছৰীয়া ডেনিল্লা আছিল কেলিফৰ্ণিয়াৰ মালিবুৰ তাইৰ ঘৰত। সিহঁতৰ কম্পিউটাৰৰ ষ্টীমুলেটেট হোৱাইট বোৰ্ডৰ (ইনটাৰনেটৰ সহায়ত কম্পিউটাৰৰ লগত সংযোজিত) সহায়ত ডেনিল্লাৰ পাঠ্যপুথি আগত লৈ বিশেষ্য, বিশেষণ আৰু ক্ৰিয়াৰ জটিলতা সমূহ সহজে ভাঙি-পাতি ডেনিল্লাক গ্ৰীচমাই শিকালে। মালায়ালম ভাষা কৈ ডাঙৰ হোৱা গ্ৰীচমাই ডেনিল্লাক ইংৰাজী ব্যাকৰণ, পঠন তথা লিখন শিকাইছিল।

- এইটো কেনেকৈ সম্ভৱ হ'ল? ডেনিল্লাই কিয় নিজৰ দেশত তাইৰ পাঠ শিকিব পৰা নাছিল? কিয় ডেনিল্লাই ইংৰাজী পাঠ ভাতবৰ্ষৰ পৰা শিকিলে, য'ত মাতৃভাষা ইংৰাজী নহয়?
- ভাৰতবৰ্ষই উদাৰীকৰণ আৰু বিশ্বৰ বজাৰ সংহতকৰণৰ পৰা উপকৃত হৈ আছে। তোমালোক এক মতনে?
- কল চেণ্টাৰসমূহৰ নিযুক্তি বৰ্তাই ৰখাটো সম্ভৱনে? কল চেণ্টাৰত কাম কৰি থকা লোকসকলে নিয়মিত আয় পাই থকাৰ বাবে কি ধৰণৰ জ্ঞান আহৰণ কৰিব লাগে?
- বহুজাতিক কোম্পানীসমূহে যদি সস্তীয়া মানৱ সম্পদৰ বাবে ভাৰতবৰ্ষৰ পৰা সেৱাৰ বহিঃউৎস গ্ৰহণ কৰে তেনেহ'লে যি দেশসমূহত এই কোম্পানীসমূহ স্থাপিত হৈছে, সেই দেশসমূহৰ লোকৰ জীৱিকাৰ ওপৰত কি প্ৰভাৱ পৰিব? আলোচনা কৰা।

**তালিকা ঃ 3.1**

**মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধি আৰু প্ৰধান খণ্ডসমূহ (শতাংশত)**

| খণ্ড | 1980–1991 | 1992–2001 | 2002–2009 (দশম পৰিকল্পনাত প্ৰক্ষেপিত) |
|---|---|---|---|
| কৃষি | 3.6 | 3.3 | 4.00 |
| উদ্যোগ | 7.1 | 6.5 | 9.5 |
| সেৱা | 6.7 | 4.2 | 9.10 |
| মুঠ ঘৰুৱা উৎপাদন (GDP) | 5.6 | 6.4 | 8.00 |

উৎস ঃ দশম পাঁচবছৰীয়া পৰিকল্পনা

## 3.6 সংস্কাৰকালীন ভাৰতীয় অৰ্থব্যৱস্থা ঃ এক খতিয়ান (Indian Economy During Reforms : An Assessment) ঃ

সংস্কাৰ প্ৰক্ৰিয়া আৰম্ভ হ'বৰ প্ৰায় দুটা দশক পাৰ হ'বলগীয়া হৈছে। এই সময়ৰ ভিতৰত ভাৰতীয় অৰ্থব্যৱস্থাৰ প্ৰদৰ্শনত আমি ভুমুকি মাৰি চাওঁহক। অৰ্থব্যৱস্থাৰ বৃদ্ধি, ইয়াৰ মুঠ ঘৰুৱা উৎপাদনৰ (GDP) দ্বাৰা জোখা হয়। তালিকা 3.1 লৈ চোৱা। ওপৰৰ তালিকাই মুঠ ঘৰুৱা উৎপাদনৰ বিভিন্ন সময়ত বৃদ্ধি দেখুৱাইছে। মুঠ ঘৰুৱা উৎপাদন 1980–1991 সময়ছোৱাৰ 5.6 শতাংশৰ পৰা 1992–2001 সময়ছোৱাত 6.4 শতাংশলৈ বৃদ্ধি পাইছে। এইটোৱে ইয়াকে সূচাইছে যে সংস্কাৰৰ সময়ছোৱাত সামগ্ৰিকভাৱে মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ বাঢ়িছে। সংস্কাৰৰ কালছোৱাৰ ভিতৰত কৃষি আৰু উদ্যোগ খণ্ডৰ বৃদ্ধিৰ হাৰ কমিছে যদিও সেৱাখণ্ডত ই বৃদ্ধি পাইছে। এইটোৱে সূচায় যে সেৱাখণ্ডৰ বৃদ্ধিয়ে অৰ্থনৈতিক বৃদ্ধিক ত্বৰান্বিত কৰিছে। দশম পাঁচবছৰীয়া পৰিকল্পনাত (2002–2007) মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ 8 শতাংশ ধাৰ্য কৰা হৈছে। এই উচ্চ হাৰত উপনীত হ'বলৈ হ'লে কৃষি,



চিত্ৰ 3.2 ভাৰতবৰ্ষৰ ৰপ্তানিত তথ্য প্ৰযুক্তিবিদ্যাৰ প্ৰধান অৱদান দেখা যায়।

উদ্যোগ আৰু সেৱাখণ্ডত যথাক্ৰমে 4, 9.5 আৰু 9.1 শতাংশ বৃদ্ধিৰ হাৰত উপনীত হ'ব লাগিব। কিছুমান পণ্ডিতে আশংকা প্ৰকাশ কৰিছে যে এনে উচ্চ হাৰৰ বৃদ্ধি বজাই ৰখাটো সম্ভৱ নহ'ব।

অৰ্থব্যৱস্থাৰ উন্মুক্তকৰণে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ আৰু বৈদেশিক বিনিময়ৰ ভঁৰাল দ্ৰুতভাৱে বৃদ্ধি কৰিছে। প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ আৰু সংস্থানিক বৈদেশিক বিনিয়োগ 1990-91 চনত 100 বিলিয়ন আমেৰিকান ডলাৰৰ পৰা 2003-04 চনত 150 বিলিয়ন ডলাৰলৈ বৃদ্ধি হয়। বিদেশী বিনিময়ৰ ভাণ্ডাৰ 1990-91 চনৰ 6 বিলিয়ন ডলাৰৰ পৰা 2004-05 চনত 125 বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে। পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষ বৰ্তমান বৈদেশিক বিনিময়ৰ ভাণ্ডাৰৰ ক্ষেত্ৰত ষষ্ঠ স্থানত আছে। সংস্কাৰৰ সময়ত ভাৰতবৰ্ষ যান-বাহনৰ অংশ, কাৰিকৰী সামগ্ৰী, তথ্য প্ৰযুক্তি ছফ্‌টৱেৰ আৰু বস্ত্ৰ সামগ্ৰীৰ সফল ৰপ্তানিকাৰী দেশ হিচাপে পৰিগণিত হৈছে। দৰ বৃদ্ধিও নিয়ন্ত্ৰণত আছে। আনহাতে নিয়োগ, কৃষি, উদ্যোগ, আন্তঃগাঁথনিৰ উন্নতি আৰু ৰাজস্ব পৰিচালনাৰ ক্ষেত্ৰত দেশখনে সন্মুখীন হোৱা কিছুমান মৌলিক সমস্যাৰ মোকাবিলা কৰাত অসমৰ্থ হোৱা বাবে সংস্কাৰ প্ৰক্ৰিয়া ব্যাপক সমালোচনাৰ সন্মুখীন হৈছে।

**কৰি চোৱা ঃ (Work These Out)**

- আগৰ অধ্যায়ত তোমালোকে নিশ্চয় বিভিন্ন খণ্ডৰ লগতে কৃষিৰ ৰাজসাহায্য সম্পৰ্কে অধ্যয়ন কৰিছা। কিছুমান পণ্ডিতে যুক্তি আগবঢ়াইছে যে আন্তৰ্জাতিকভাৱে প্ৰতিযোগিতাক্ষম কৰি তোলাৰ বাবে কৃষিৰ ৰাজসাহায্য উঠাই দিব লাগে। তোমালোকে ইয়াক মানি ল'বানে? যদি লোৱা, তেনেহ'লে এইটো কেনেকৈ কৰিব পৰা যায়? শ্ৰেণীত আলোচনা কৰা।
- তলত দিয়া কথাখিনি পঢ়া আৰু শ্ৰেণীত আলোচনা কৰা।

  বাদাম অন্ধ্ৰপ্ৰদেশৰ এক প্ৰধান তৈলজাতীয় শস্য। মহাদেৱ অন্ধ্ৰপ্ৰদেশৰ অনন্তপুৰ জিলাৰ এজন খেতিয়ক আছিল। তেওঁ আধা একৰ মাটিত বাদাম উৎপাদন কৰিবলৈ 1500 টকা খৰচ কৰিছিল। এই খৰচৰ ভিতৰত আছিল— কেঁচা সামগ্ৰী (বীজ, সাৰ), শ্ৰম, গৰু আৰু যন্ত্ৰপাতি। গড় হিচাপে মহাদেৱে দুই কুইণ্টল বাদাম পাইছিল আৰু প্ৰতি কুইণ্টল 1000 টকাত বিক্ৰী কৰিছিল। এইদৰে মহাদেৱে খৰচ কৰিছিল 1500 টকা আৰু আয় কৰিছিল 2000 টকা। অনন্তপুৰ জিলা খৰাং পীড়িত এলেকা। অৰ্থনৈতিক সংস্কাৰ সত্ত্বেও এই এলেকাত চৰকাৰে কোনো ধৰণৰ জলসিঞ্চনৰ ব্যৱস্থা গ্ৰহণ কৰা নাছিল। বেমাৰৰ বাবে অনন্তপুৰ জিলাৰ বাদাম শস্যই সমস্যাৰ সন্মুখীন হৈছিল। চৰকাৰৰ নিম্ন ব্যয়ৰ বাবে গৱেষণা আৰু সম্প্ৰসাৰণৰ কামো নিম্নগামী হৈছিল। মহাদেৱ আৰু তেওঁৰ বন্ধুসকলে সমস্যাবোৰ বাৰে বাৰে বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰায়ো ব্যৰ্থ হৈছিল। বীজ আৰু সাৰৰ ওপৰত থকা ৰাজসাহায্য কম কৰাৰ ফলত মহাদেৱৰ কৃষি কাৰ্যৰ খৰচ বাঢ়ি গ'ল। আমদানিৰ প্ৰতিবন্ধক আঁতৰোৱাৰ ফলত স্থানীয় বজাৰ কম দামৰ খোৱা তেলেৰে ভৰি পৰিছিল। মহাদেৱে তেওঁৰ উৎপাদন কৰা বাদাম বজাৰত বিক্ৰী কৰিব নোৱাৰা হৈছিল। কাৰণ তেওঁ বাদাম বিক্ৰী কৰি উৎপাদনৰ খৰচখিনিও গোটাব পৰা নাছিল।

  সংস্কাৰৰ পিছত মহাদেৱৰ নিচিনা খেতিয়কৰ উন্নতি হৈছেনে? শ্ৰেণীত আলোচনা কৰা।

**বৃদ্ধি আৰু নিয়োগ ঃ** সংস্কাৰৰ সময়ছোৱাত যদিও মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি পাইছে। পণ্ডিতসকলে আঙুলিয়াই দিছে যে সংস্কাৰৰ ফলত GDP বৃদ্ধি পালেও দেশত পৰ্যাপ্ত পৰিমাণে নিযুক্তিৰ সুবিধা সৃষ্টি হোৱা নাই। তোমালোকে ইয়াৰ পিছৰ গোটত নিয়োগ আৰু বৃদ্ধিৰ বিভিন্ন দিশৰ মাজৰ সম্পৰ্ক অধ্যয়ন কৰিব পাৰিবা।

**কৃষিত সংস্কাৰ ঃ** সংস্কাৰে কৃষিৰ কোনো হিত সাধন কৰিব নোৱৰাৰ বাবে ইয়াৰ বৃদ্ধিৰ হাৰ কমি আহিল।

সংস্কাৰৰ সময়ছোৱাত কৃষিক্ষেত্ৰত ৰাজহুৱা বিনিয়োগ; বিশেষকৈ আন্তঃগাঁথনি যাৰ ভিতৰত জলসিঞ্চন, শক্তি, ৰাস্তা, বজাৰ সংযোগ আৰু গৱেষণা (যিয়ে নেকি সেউজ বিপ্লৱত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল) কমোৱা হ'ল। আনহাতে সাৰৰ ৰাজসাহায্য উঠাই দিয়াৰ বাবে উৎপাদন ব্যয় বৃদ্ধি পালে। ইয়াৰ ফলত ক্ষুদ্ৰ আৰু প্ৰান্তিক (Marginal) খেতিয়কসকল বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ল। ইয়াৰ উপৰি বিশ্ব বাণিজ্য সংগঠনৰ কাৰ্য আৰম্ভ হোৱাৰে পৰা কৃষিখণ্ডত কেইবাটাও নীতিগত পৰিৱৰ্তন হ'ল। যেনে— কৃষিজাত সামগ্ৰীৰ আমদানি শুল্ক হ্ৰাস, ন্যূনতম সমৰ্থন মূল্য উঠাই দিয়া আৰু কৃষিজাত সামগ্ৰীসমূহৰ ওপৰত থকা পৰিমাণগত প্ৰতিবন্ধক উঠাই লোৱা। ইয়াৰ ফলত ভাৰতীয় খেতিয়কসকল বৰ্ধিত আন্তৰ্জাতিক প্ৰতিযোগিতাৰ সন্মুখীন হ'বলগীয়া হোৱাৰ বাবে বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ল।

ইয়াৰ উপৰি কৃষিত ৰপ্তানিমুখী নীতিয়ে উৎপাদনৰ ক্ষেত্ৰত ঘৰুৱা বজাৰৰ পৰা ৰপ্তানি বজাৰলৈ কৃষকসকলক আকৰ্ষণ কৰিলে। ফলত খাদ্য-শস্য উৎপাদনৰ পৰিৱৰ্তে মুদ্ৰা অৰ্জনকাৰী শস্য উৎপাদনত কৃষকসকলে মনোনিৱেশ কৰিলে। ই খাদ্য-শস্যৰ দামৰ ওপৰত এক হেঁচাৰ সৃষ্টি কৰিলে।

**উদ্যোগত সংস্কাৰ ঃ** উদ্যোগৰ বৃদ্ধিও নিম্নগামী হ'ল। ইয়াৰ কাৰণ বহুতো। উদাহৰণস্বৰূপে, আমদানিকৃত সামগ্ৰীৰ মূল্য কম হোৱা আৰু আন্তঃগাঁথনিত উপযুক্ত বিনিয়োগ নোহোৱাৰ বাবে উদ্যোগজাত সামগ্ৰীৰ চাহিদা হ্ৰাস পাই আহিছে। গোলকীকৃত বিশ্বত উন্নত দেশৰ পৰা বৃহৎ পৰিমাণে বস্তু আৰু মূলধন অনাৰ বাবে উন্নয়নশীল দেশসমূহৰ অৰ্থব্যৱস্থা মুকলি কৰি দিয়াৰ বাবে বাধ্য হয়। ফলত উন্নয়নশীল দেশসমূহৰ উদ্যোগবোৰ আমদানিকৃত সামগ্ৰীৰ আক্ৰমণত পৰে। ঘৰুৱা উৎপাদনে আমদানিকৃত সামগ্ৰীৰ লগত প্ৰতিযোগিতা কৰিবলগীয়া হৈছে। বিনিয়োগৰ অভাৱত আন্তঃগাঁথনি ব্যৱস্থা, যেনে শক্তি যোগানৰ নিচিনা ব্যৱস্থা অযথোপযুক্ত হৈ আছে। এইদৰে দেখা যায় যে গোলকীকৰণে এনেকুৱা কিছুমান অৱস্থাৰ সৃষ্টি কৰিছে যাৰ ফলত বিদেশৰ সামগ্ৰী আৰু সেৱাই মুক্ত চলাচলৰ সুবিধা লাভ কৰিছে। ইয়াৰ ফলস্বৰূপে উন্নয়নশীল দেশসমূহৰ স্থানীয় উদ্যোগ আৰু নিযুক্তিৰ সুবিধাৰ ওপৰত এক কু-প্ৰভাৱ পৰিছে।

ইয়াৰ উপৰি ভাৰতবৰ্ষৰ নিচিনা উন্নয়নশীল দেশে উন্নত দেশসমূহৰ বজাৰত উচ্চ অনা-শুল্ক (Non Tarrif) বাধাৰ বাবে প্ৰৱেশ কৰিব পৰা নাই। উদাহৰণস্বৰূপে, যদিও আমাৰ দেশৰ ফালৰ পৰা কাপোৰ বোৱা সূতা আৰু বস্ত্ৰৰ পৰা কোটা আঁতৰোৱা হ'ল, আমেৰিকাই কিন্তু ভাৰত আৰু চীন দেশৰ পৰা যোৱা সূতাৰ আমদানি কোটা আঁতৰ কৰা নাই।

**নিৰ্বিনিয়োগকৰণ (Disinvestment) ঃ**

চৰকাৰে প্ৰত্যেক বছৰে ৰাজহুৱা খণ্ডৰ অধীনত থকা উদ্যোগসমূহৰ নিৰ্বিনিয়োগৰ লক্ষ্য নিৰ্ধাৰণ কৰে। উদাহৰণস্বৰূপে 1991-92 চনত চৰকাৰে নিৰ্বিনিয়োগৰ জৰিয়তে 2500 কোটি টকা সংগ্ৰহৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল। চৰকাৰে সেইবছৰত 3040 কোটি টকা সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। 1998-99 চনত লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল 5000 কোটি টকা; কিন্তু সংগ্ৰহ হৈছিল 5400 কোটি টকা। সমালোচকসকলে আঙুলিয়াই দিছে যে ৰাজহুৱা খণ্ডৰ অধীনত থকা উদ্যোগসমূহৰ পৰিসম্পদৰ মূল্য কমকৈ নিৰ্ধাৰণ কৰি ব্যক্তিগত খণ্ডক বিক্ৰী কৰা হৈছিল। এইটোৱে ইয়াকে বুজাইছে যে চৰকাৰৰ এই ক্ষেত্ৰত যথেষ্ট পৰিমাণে লোকচান হৈছে। ইয়াৰ উপৰি চৰকাৰে নিৰ্বিনিয়োগৰ পৰা অৰ্জন কৰা ৰাজহ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ উন্নতি আৰু সামাজিক আন্তঃগাঁথনি সৃষ্টিৰ বাবে ব্যৱহাৰ নকৰি চৰকাৰী ৰাজহৰ ঘাটিৰ জোৰা মাৰিবলৈহে ব্যৱহাৰ কৰিছে।

**সংস্কাৰ আৰু ৰাজস্বনীতি ঃ** অৰ্থনৈতিক সংস্কাৰে বিশেষকৈ সামাজিক খণ্ডসমূহত ৰাজহুৱা ব্যয় সীমিত কৰিলে। সংস্কাৰৰ সময়ছোৱাত কৰৰ হাৰ কমাই চৰকাৰী ৰাজহ বৃদ্ধি আৰু কৰ ফাকিৰ পৰিমাণ কমোৱাৰ লক্ষ্য লোৱা হৈছিল; কিন্তু ইয়াৰ ফলত চৰকাৰী কৰ ৰাজহ বৃদ্ধি নাপালে। আকৌ সংস্কাৰৰ নীতি হিচাপে আমদানি শুল্ক হ্ৰাস কৰা বাবে ইয়াৰ জৰিয়তে সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণো কমি গ'ল। বিদেশী বিনিয়োগকাৰীসকলক আকৰ্ষণ কৰাৰ বাবে কৰৰ ক্ষেত্ৰত প্ৰোৎসাহ দিয়াৰ ফলত কৰ ৰাজহৰ পৰিমাণ আৰু কমি গ'ল। এইটোৱে উন্নয়নমূলক আৰু কল্যাণমূলক ব্যয়সমূহৰ ক্ষেত্ৰত এক নেতিবাচক প্ৰভাৱ পেলালে।

## 3.7 সামৰণি (Conclusion) ঃ

উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ জৰিয়তে কৰা গোলকীকৰণ প্ৰক্ৰিয়াই ভাৰতবৰ্ষ আৰু অন্যান্য দেশসমূহত ইতিবাচক ফলাফলৰ লগতে নেতিবাচক

### কক্ষ 3.3 ঃ ছিৰিছিল্লাৰ শোকাৰহ ঘটনা

উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীকৰণৰ অংশ হিচাপে চৰকাৰে শক্তি খণ্ডত সংস্কাৰ আৰম্ভ কৰিছিল। এই সংস্কাৰৰ এক গুৰুত্বপূৰ্ণ প্ৰভাৱ এয়ে যে শক্তিখণ্ডৰ শুল্ক তীব্ৰভাৱে বৃদ্ধি পাইছিল। কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগত নিয়োজিত এক বৃহৎ অংশ শ্ৰমিক বিজুলী চালিত তাঁতৰ ওপৰত নিৰ্ভৰশীল। গতিকে এনে শুল্ক বৃদ্ধিয়ে এইচাম শ্ৰমিকৰ ওপৰত সংকটজনক প্ৰভাৱ পেলাইছিল। আনফালে সংস্কাৰৰ ফলত শক্তি শুল্ক বৃদ্ধি পাইছিল যদিও উৎপাদকসকলে বিজুলী চালিত তাঁতশাল উদ্যোগত উচ্চমানৰ শক্তিৰ যোগান ধৰাত ব্যৰ্থ হৈছিল। বিজুলী চালিত তাঁতশালৰ কৰ্মীসকলৰ মজুৰি নিৰ্ভৰ কৰে বস্ত্ৰ উৎপাদনৰ ওপৰত। শক্তিৰ যোগান কৰ্তন মানেই বোৱনীসকলৰ মজুৰি কৰ্তন। এইটোৱেও বোৱনীসকলৰ জীৱিকাত সমস্যাৰ সৃষ্টি কৰিছিল। এই সমস্যাৰ ফলত অন্ধ্ৰপ্ৰদেশৰ ছিৰিছিল্লা নামৰ সৰু চহৰৰ 50 জন বিজুলী চালিত তাঁতশালৰ কৰ্মীয়ে আত্মহত্যা কৰিছিল।

- শক্তি শুল্ক বঢ়াব নালাগে বুলি ভাবানে?
- বিজুলী উৎপাদন কৰা কোম্পানীসমূহৰ লাভৰ পৰিমাণ বঢ়োৱাৰ ক্ষেত্ৰত তোমালোকৰ পৰামৰ্শ কি?

ফলাফলৰো সৃষ্টি কৰিলে। পণ্ডিত কিছুমানে মত পোষণ কৰে যে গোলকীকৰণে উন্নয়নশীল দেশসমূহক বিশ্বৰ বজাৰত বৰ্ধিত প্ৰৱেশ, উচ্চ প্ৰযুক্তিবিদ্যা আহৰণ আৰু বৃহৎ উদ্যোগ স্থাপনৰ সম্ভাৱনাৰ জৰিয়তে আন্তৰ্জাতিক পৰ্যায়ত এক গুৰুত্বপূৰ্ণ স্থান গ্ৰহণৰ সুবিধা প্ৰদান কৰিলে।

আনহাতে, সমালোচকসকলে যুক্তি প্ৰদৰ্শন কৰে যে গোলকীকৰণ উন্নত দেশসমূহে অন্য দেশসমূহত তেওঁলোকৰ বজাৰ বিস্তাৰ কৰাৰ এক কৌশলহে মাথোন। তেওঁলোকৰ মতে দুখীয়া দেশসমূহৰ জনসাধাৰণৰ কল্যাণ আৰু অস্তিত্বৰ ক্ষেত্ৰত ই আপোচ কৰিছে। লগতে আঙুলিয়াই দিয়া হৈছে যে বজাৰৰ দ্বাৰা পৰিচালিত গোলকীকৰণে দেশসমূহ আৰু মানুহৰ মাজত আৰ্থিক বৈষম্য বৃদ্ধি কৰিছে।

ভাৰতীয় প্ৰেক্ষাপটত কৰা কিছুমান অধ্যয়নত দেখা যায় যে নব্বৈৰ দশকৰ আৰম্ভণিত সৃষ্টি হোৱা সংকট আছিল ভাৰতীয় সমাজত শিপাই থকা অসমতা। এনে সংকটৰ প্ৰতি সঁহাৰি স্বৰূপে বাহ্যিকভাৱে দিয়া উপদেশাৱলীৰ ভিত্তিত চৰকাৰে আৰম্ভ কৰা গোলকীকৰণৰ প্ৰক্ৰিয়াই অসমতা বৃদ্ধিহে কৰিলে। তদুপৰি এই ব্যৱস্থাই উচ্চ শ্ৰেণীৰ লোকসকলৰ আয় আৰু মান সম্পন্ন ভোগ্যসামগ্ৰী বৃদ্ধি কৰিলে। বৃদ্ধি মাত্ৰ কিছুমান নিৰ্বাচিত খণ্ডত যেনে— দূৰসংযোগ, বিত্ত, তথ্য প্ৰযুক্তিবিদ্যা, আমোদ-প্ৰমোদ, ভ্ৰমণ আৰু অতিথি সেৱা, ভূ-সম্পত্তি আৰু বাণিজ্যতহে কেন্দ্ৰীভূত হ'ল। আনফালে ভাৰতীয় অৰ্থব্যৱস্থাৰ অতি গুৰুত্বপূৰ্ণ খণ্ডসমূহ যেনে— কৃষি আৰু উদ্যোগে সিমান সমাদৰ নাপালে। অথচ এই খণ্ডসমূহে হাজাৰ হাজাৰ লোকৰ জীৱিকাৰ পথ মুকলি কৰে।

## পুনৰুক্তি (Recap)

- ভাৰতবৰ্ষত আমদানিৰ তুলনাত ৰপ্তানি বৃদ্ধি নোপোৱাত বৈদেশিক বিনিময়ৰ ভঁৰাল কমি আহিছিল আৰু দেশখনে উচ্চহাৰৰ মুদ্ৰাস্ফীতিৰ সমস্যাৰ সন্মুখীন হৈছিল। ভাৰতবৰ্ষই 1991 চনত বিত্তীয় সংকট আৰু বিশ্ব বেংক আৰু আন্তৰ্জাতিক মুদ্ৰা নিধিৰ হেঁচাৰ বাবে ইয়াৰ অৰ্থনৈতিক নীতিসমূহ পৰিৱৰ্তন কৰিলে।
- দেশীয় অৰ্থব্যৱস্থাত সংস্কাৰ আঁচনি ঘাইকৈ লোৱা হৈছিল— উদ্যোগ আৰু বিত্তীয় খণ্ডসমূহত। বহিঃখণ্ডৰ মূল সংস্কাৰৰ ভিতৰত আছিল বৈদেশিক বিনিময়ৰ অনিয়ন্ত্ৰণকৰণ আৰু আমদানিৰ উদাৰীকৰণ।
- ৰাজহুৱা খণ্ডৰ কাৰ্যদক্ষতা উন্নত কৰাৰ বাবে ইহঁতৰ প্ৰভাৱ কমাই, ইহঁতক ব্যক্তিগত খণ্ডলৈ মুকলি কৰি দিয়াৰ সপক্ষে জনমত হৈছিল। এইটো নিৰ্বিনিয়োগ আৰু উদাৰীকৰণ ব্যৱস্থাৰ জৰিয়তে কৰা হ'ল।
- গোলকীকৰণ হৈছে উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ নীতিসমূহৰ ফলশ্ৰুতি। ইয়াৰ অৰ্থ হৈছে— দেশৰ অৰ্থব্যৱস্থাক বিশ্ব অৰ্থব্যৱস্থাৰ সৈতে ঐক্যবদ্ধ কৰা।
- বহিঃউৎস গ্ৰহণ এক উদীয়মান আৰ্থিক কাৰ্য।

- বিশ্ব বাণিজ্য সংগঠনৰ উদ্দেশ্য হৈছে— বিশ্বৰ সম্পদসমূহৰ সৰ্বাধিক ব্যৱহাৰ নিশ্চিত কৰিবলৈ নিয়মভিত্তিক বাণিজ্য পদ্ধতি গঢ়ি তোলা।
- গোলকীকৰণৰ সময়ছোৱাত কৃষি আৰু উদ্যোগৰ বৃদ্ধি কমি আহিছে। কিন্তু সেৱাখণ্ডৰ বিকাশ ঘটিছে।
- গোলকীকৰণে কৃষিখণ্ডত কোনোধৰণৰ উপকাৰ সাধন কৰিব পৰা নাই। ইয়াৰ উপৰি এই খণ্ডত চৰকাৰী বিনিয়োগ কমি আহিছে।
- কম মূল্যৰ আমদানিকৃত বস্তুৰ উপস্থিতি আৰু বিনিয়োগ কমি যোৱাৰ বাবে উদ্যোগখণ্ডৰ বৃদ্ধি লেহেমীয়া হৈছে।



## অনুশীলনী (Exercise)

1. ভাৰতবৰ্ষত কিয় সংস্কাৰ আৰম্ভ কৰা হৈছিল?
2. কিমান দেশ বিশ্ব বাণিজ্য সংগঠনৰ সদস্য?
3. ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অতি গুৰুত্বপূৰ্ণ কাৰ্য কি?
4. ভাৰতীয় ৰিজাৰ্ভ বেংকে কেনেকৈ বাণিজ্যিক বেংকসমূহক নিয়ন্ত্ৰণ কৰি আছিল?
5. টকাৰ অৱমূল্যায়ন বুলিলে তুমি কি বুজা?
6. পাৰ্থক্য নিৰ্ণয় কৰা—
   (ক) কৌশল সম্বন্ধীয় আৰু লঘু বিক্ৰী (Strategic and Minority sale)
   (খ) দ্বিপাক্ষিক আৰু বহুপক্ষীয় বাণিজ্য।
   (গ) শুল্ক আৰু অনা-শুল্ক প্ৰতিবন্ধকসমূহ।
7. শুল্ক কিয় আৰোপ কৰা হয়?

8. পৰিমাণগত প্ৰতিবন্ধকৰ অৰ্থ কি?

9. ৰাজহুৱা খণ্ডৰ অধীনৰ যিবোৰ উদ্যোগে লাভ অৰ্জন কৰি আছে সেইবোৰক ব্যক্তিগতকৰণ কৰিব লাগে। এই মত সমৰ্থন কৰানে? কিয়?

10. বহিঃউৎস গ্ৰহণ (Outsourcing) ভাৰতবৰ্ষৰ বাবে ভাল বুলি ভাবানে? উন্নত দেশসমূহে ইয়াৰ বিৰোধিতা কৰিছে কিয়?

11. ভাৰতবৰ্ষত বহিঃউৎস গ্ৰহণৰ উদ্দেশ্য পূৰণৰ বাবে কিছুমান লাগতিয়াল সুবিধা আছে। এই সুবিধাসমূহ কি কি?

12. তোমালোকে ভাবানে যে চৰকাৰৰ নৱৰত্ন কৌশল ভাৰতৰ ৰাজহুৱা খণ্ডৰ অধীনত থকা উদ্যোগৰ উন্নয়নত সহায়ক হৈছে? কেনেকৈ?

13. কি কি প্ৰধান কাৰণৰ বাবে সেৱাখণ্ডৰ উচ্চ বৃদ্ধি ঘটিছে?

14. সংস্কাৰ প্ৰক্ৰিয়াৰ দ্বাৰা কৃষিখণ্ডই প্ৰতিকূল প্ৰভাৱৰ সন্মুখীন হ'ব লগা হৈছে। কিয়?

15. সংস্কাৰৰ সময়ছোৱাত উদ্যোগখণ্ডৰ কাৰ্যক্ষমতা কিয় দুৰ্বল হৈছে?

16. সামাজিক ন্যায় আৰু কল্যাণৰ প্ৰেক্ষাপটত ভাৰতবৰ্ষৰ অৰ্থনৈতিক সংস্কাৰ সম্পৰ্কে আলোচনা কৰা।

## ওপৰঞ্চি কাৰ্যৰ পৰামৰ্শ (Suggested Additional Activities)

1. সিপিঠিৰ তালিকাত 1993-94 চনৰ দৰৰ ভিত্তিত মুঠ ঘৰুৱা উৎপাদনৰ হাৰ দেখুওৱা হৈছে। তোমালোকৰ অৰ্থনীতিৰ পাঠ্যক্ৰমত পৰিসাংখ্যিক তথ্য উপস্থাপনৰ কৌশল সম্পৰ্কে অধ্যয়ন কৰিছা। তালিকাত দিয়া তথ্যৰ ভিত্তিত সময় ধাৰাবাহিক (Time Series) ৰেখা লেখ অংকন কৰা আৰু ব্যাখ্যা কৰা।

| বছৰ | মুঠ ঘৰুৱা উৎপাদনৰ হাৰ (%) |
|---|---|
| 1991-92 | 1.3 |
| 1992-93 | 5.1 |
| 1993-94 | 5.9 |
| 1994-95 | 7.3 |
| 1996-97 | 7.8 |
| 1997-98 | 4.8 |
| 1998-99 | 6.5 |
| 2000-01 | 4.4 |
| 2001-02 | 5.8 |
| 2002-03 | 4.0 |

2. তোমালোকৰ চাৰিওফালে যদি লক্ষ্য কৰা তেতিয়া দেখিবলৈ পাবা যে ৰাজ্যিক বিদ্যুৎ পৰিষদসমূহ, বি. এছ. ই. এছ (BSES) আৰু বহুতো ৰাজহুৱা আৰু ব্যক্তিগত সংগঠনে চহৰ আৰু ৰাজ্যসমূহত বিদ্যুতৰ যোগান ধৰি আছে। ব্যক্তিগত আৰু চৰকাৰী যাত্ৰীবাহী গাড়ীৰ সেৱা একেলগে ৰাস্তাসমূহত চলি আছে। এনেকুৱা উদাহৰণ অলেখ।
   (ক) ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডসমূহৰ সহাৱস্থানৰ দ্বৈত পদ্ধতি সম্পৰ্কে কি ভাবা?
   (খ) এই দ্বৈত পদ্ধতিৰ সুবিধা আৰু অসুবিধাসমূহ কি কি? আলোচনা কৰা।
3. তোমালোকৰ মা-দেউতা আৰু ককা-দেউতা-আইতাৰ সহায়ত স্বাধীনতাৰ সময়ত ভাৰতবৰ্ষত থকা বহুজাতিক কোম্পানীসমূহৰ এখন সূচী প্ৰস্তুত কৰা। যিবিলাক এতিয়াও চলি আছে, সেইবোৰৰ বিপৰীতে (√) এই চিন দিয়া আৰু যি বিলাকৰ বৰ্তমান অস্তিত্ব নাই, সেইবোৰৰ বিপৰীতে (×) এই চিন দিয়া। এনেকুৱা কোনো কোম্পানী আছে নে যাৰ নাম পৰিৱৰ্তন হৈছে? নতুন নাম সমূহ, দেশৰ নাম, উৎপাদনৰ প্ৰকৃতি, প্ৰতীক চিহ্ন (Logo) বিচাৰি উলিওৱা আৰু তোমালোকৰ শ্ৰেণীৰ বাবে এখন সাৰণি প্ৰস্তুত কৰা।
4. তলত উল্লেখ কৰা সমূহৰ উপযুক্ত উদাহৰণ দিয়া।

| উৎপাদনৰ প্ৰকৃতি | বিদেশী কোম্পানীৰ নাম |
|---|---|
| বিস্কুট | |
| জোতা | |
| কম্পিউটাৰ | |
| গাড়ী | |
| টেলিভিছন আৰু প্ৰশীতক (Refrigerator) | |
| মনোহাৰী | |

উল্লিখিত কোম্পানীসমূহ ভাৰতবৰ্ষত 1991 চনৰ আগত আছিল নে নতুন অৰ্থনৈতিক নীতি গ্ৰহণৰ পিছত আহিছে বিচাৰ কৰা। ইয়াৰ বাবে তোমালোকৰ শিক্ষক, মা-দেউতা, ককাদেউতা-আইতা আৰু দোকানীৰ সহায় লোৱা।

5. বিশ্ব বাণিজ্য সংগঠনে পতা সভাসমূহৰ কিছু বাতৰি, বাতৰি কাকতসমূহৰ পৰা সংগ্ৰহ কৰা। এই সভাত হোৱা বিতৰ্কসমূহ আলোচনা কৰা আৰু এই সংগঠনে কেনেকৈ বিশ্ব বাণিজ্য সুচল কৰিছে বিচাৰ কৰা।

6. ভাৰতবৰ্ষই বিশ্ববেংক আৰু আন্তৰ্জাতিক মুদ্ৰানিধিৰ আজ্ঞামতে অৰ্থনৈতিক সংস্কাৰ হাতত লোৱাটো প্ৰয়োজনীয় আছিলনে? বহিৰ্বাণিজ্যৰ পৰিশোধৰ হিচাপৰ সংকট দূৰ কৰাৰ বাবে চৰকাৰৰ হাতত কোনো বিকল্প নাছিলনে? শ্ৰেণীকোঠাত আলোচনা কৰা।



## প্ৰসংগ (References)

### গ্ৰন্থ


ACHARYA, S. 2003. *India's Economy: Some Issues and Answers.* Academic Foundation, New Delhi.

ALTERNATIVE SURVEY GROUP. 2005. *Alternative Economic Survey, India 2004-05, Disequalising Growth.* Daanish Books, Delhi.

AHLUWALIA, I.J. and I.M.D. LITTLE. 1998. *India's Economic Reforms and Development.* Oxford University Press, New Delhi.

BARDHAN, PRANAB. 1998. *The Political Economy of Development in India.* Oxford University Press, Delhi.

BHADURI, AMIT and DEEPAK NAYYAR. 1996. *The Intelligent Person's Guide to Liberalisation.* Penguin, Delhi.

BHAGWATI, JAGDISH. 1992. *India in Transition: Freeing the Economy.* Oxford University Press, Delhi.

BYRES, TERENCE J. 1997. *The State, Development Planning and Liberalisation in India.* Oxford University Press, Delhi.

CHADHA, G.K. 1994. *Policy Perspectives in Indian Economic Development.* Har-Anand, Delhi.

CHELLIAH, RAJA J. 1996. *Towards Sustainable Growth : Essays in Fiscal and Financial Sector Reforms in India.* Oxford University Press, Delhi.

DEBROY, B. and RAHUL MUKHERJI (Eds.). 2004. *The Political Economy of Reforms.* Bookwell Publication, New Delhi.

DREZE, JEAN and AMARTYA SEN. 1996. *India : Economic Development and Social Opportunity.* Oxford University Press, Delhi.

DUTT, RUDDAR AND K.P.M. SUNDARAM. 2005. *Indian Economy. S.* Chand and Company, New Delhi.

GUHA, ASHOK (Ed.) 1990. *Economic Liberalisation, Industrial Structure and Growth in India.* Oxford University Press, Delhi.

JALAN, BIMAL. 1993. *India's Economic Crisis* : *The Way Ahead.* Oxford University Press, Delhi.

JALAN, BIMAL. 1996. *India's Economic Policy: Preparing for the Twenty First Century.* Viking, Delhi.

JOSHI,VIJAY and I.M.D. LITTLE. 1996. *India's Economic Reforms 1991-2001.* Oxford University Press, Delhi,

KAPILA, UMA. 2005. *Understanding the Problems of Indian Economy.* Academic Foundation, New Delhi.

MAHAJAN, V.S. 1994. *Indian Economy Towards 2000 A.D.* Deep & Deep, Delhi.

PAREKH, KIRIT and RADHAKRISHNA, *2002, India Development Report* 2001-02. Oxford University Press, New Delhi.

RAO, C.H. HANUMANTHA. and HANS LINNEMANN. 1996. *Economic Reforms and Poverty Alleviation in India*, Sage Publication, Delhi.

SACHS, JEFFREY D., ASHUTOSH VARSHNEY and NIRUPAM BAJPAI.1999. *India in the Era of Economic Reforms.* Oxford University Press, New Delhi.

### চৰকাৰী প্ৰতিবেদন

*Economic Survey 2005–06.* Ministry of Finance, Government of India.

*Tenth Five Year Plan 1997-2002.* Vol. 1. Government of India, Planning Commission, New Delhi.

# তৃতীয় গোট

## ভাৰতীয় অৰ্থব্যৱস্থাই সন্মুখীন হোৱা সাম্প্ৰতিক প্ৰত্যাহ্বানসমূহ

বৰ্তমান ভাৰতবৰ্ষই সন্মুখীন হোৱা অতিশয় প্ৰত্যাহ্বানযুক্ত সমস্যাসমূহ হ'ল দাৰিদ্ৰ্য, গ্ৰাম্য ভাৰতৰ উন্নয়ন আৰু আন্তঃগাঁথনি নিৰ্মাণ। সম্প্ৰতি ভাৰতবৰ্ষ এখন 100 কোটিৰো অধিক লোকৰ জনবসতিৰ সবল দেশ আৰু মানৱ মূলধনেই হৈছে বৃহত্তম পৰিসম্পদ; গতিকে স্বাস্থ্য আৰু শিক্ষাত বিনিয়োগ অপৰিহাৰ্য। আমি নিয়োগৰ ধাৰণা বুজাটো আৰু আমাৰ দেশত অধিক কৰ্মসংস্থান সৃষ্টি কৰাটো প্ৰয়োজনীয়। আমি আমাৰ পৰিৱেশৰ ওপৰত উন্নয়নৰ প্ৰভাৱসমূহো লক্ষ্য কৰিম আৰু বহনক্ষম উন্নয়নৰ আহ্বান জনাম। এই সকলোবোৰ সমস্যাৰ মকামিলা কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উদ্যোগ (initiatives)ৰ সমালোচনামূলক মূল্যায়নৰো আৱশ্যকতা আছে। এই অংশত এই সমস্যাবোৰৰ প্ৰত্যেককে পৃথকভাৱে আলোচনা কৰা হৈছে।

4

# চতুৰ্থ অধ্যায়

## দৰিদ্ৰতা
## (POVERTY)

**এই অধ্যায়টো পঢ়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে—**

- দৰিদ্ৰতাৰ বিভিন্ন বৈশিষ্ট্য সম্বন্ধে বুজি পাব।
- দৰিদ্ৰতাৰ ধাৰণাৰ লগত সম্পৰ্কিত ভিন্নমুখী দিশ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব।
- দৰিদ্ৰতা পৰিমাপণ সম্পৰ্কীয় পদ্ধতিবোৰৰ সমালোচনাত্মক বিচাৰ কৰিবলৈ সক্ষম হ'ব।
- প্ৰচলিত দৰিদ্ৰতা দূৰীকৰণৰ কাৰ্যসূচীবোৰৰ বিচাৰ আৰু মূল্যায়ন কৰিবলৈ সক্ষম হ'ব।

যি সমাজৰ সদস্যসকলৰ অতি বৃহৎ অংশ দৰিদ্ৰ আৰু দুৰ্দশাগ্ৰস্ত তেনে কোনো সমাজ নিশ্চিতভাৱে সমৃদ্ধিশালী আৰু সুখী হ'ব নোৱাৰে।

(No society can surely be flourishing and happy of which the far greater part of the members are poor and miserable.

–Adam Smith)

## 4.1 সূচনা (Introduction) :

আগৰ অধ্যায়সমূহত তোমালোকক বিগত চাৰে পাঁচ দশকত ভাৰতবৰ্ষই গ্ৰহণ কৰা অৰ্থনৈতিক নীতিসমূহৰ আভাস দিয়াৰ লগতে উন্নয়নৰ বিভিন্ন নিৰ্দেশকৰ আধাৰত এই নীতিসমূহৰ ফলাফল সম্পৰ্কেও আলোচনা কৰা হ'ল। জনসাধাৰণৰ নিম্নতম প্ৰয়োজনসমূহ পূৰণ কৰা আৰু দৰিদ্ৰতা হ্ৰাস কৰাই স্বাধীন ভাৰতবৰ্ষৰ প্ৰধান উদ্দেশ্য বুলি পৰিগণিত হৈছে। ক্ৰমাগত পঞ্চবাৰ্ষিক পৰিকল্পনা সমূহত গ্ৰহণ কৰা উন্নয়নৰ আৰ্হি (Pattern)ত দেশৰ দৰিদ্ৰতম জনসাধাৰণৰ (অন্ত্যোদয়) উন্নয়ন, দুখীয়া সকলক মূল সুঁতিত একীকৰণ আৰু সকলোৰে বাবে এক নিম্নতম জীৱন ধাৰণৰ মান নিশ্চিত কৰণত গুৰুত্ব প্ৰদান কৰা হৈছে।

1947 চনত ভাৰতৰ সংবিধান সভাক সম্বোধি দিয়া ভাষণত প্ৰধান মন্ত্ৰী জৱাহৰ লাল নেহৰুৱে কৈছিল, 'আমাৰ এই সফলতা (স্বাধীনতা) হৈছে মাত্ৰ এক পদক্ষেপ সুযোগৰ আৰম্ভণি, আমাৰ বাবে অপেক্ষাৰত এক মহান বিজয়োল্লাস আৰু সিদ্ধি লাভৰ সুযোগৰ আৰম্ভণি... ই হৈছে দৰিদ্ৰতা, অজ্ঞতা, ৰোগ আৰু সুযোগৰ অসমতাৰ অৱসান।'

("This achievement (Independence) is but a step, an opening of opportunity, to the great triumphs and achievements that awaits us..... the ending of poverty and ignorance and disease and inequality of opportunity.")

তথাপি আমি আমাৰ বৰ্তমান স্থিতি সম্পৰ্কে জনাৰ আৱশ্যকতা আছে। বিশ্বৰ দৰিদ্ৰ লোকসকলৰ এক পঞ্চমাংশতকৈও অধিক কেৱল ভাৰতবৰ্ষতে আছে যদিও দৰিদ্ৰতা কেৱল মাত্ৰ ভাৰতবৰ্ষৰ বাবেই প্ৰত্যাহ্বান নহয়, বৰং সমগ্ৰ বিশ্বৰ বাবে ই এক বিৰাট প্ৰত্যাহ্বান। কিয়নো বিশ্বৰ 260 নিযুতকৈ অধিক লোক এতিয়াও তেওঁলোকৰ প্ৰাথমিক প্ৰয়োজনখিনি পূৰণ কৰিবলৈ সক্ষম নহয়।

দৰিদ্ৰতাৰ বিভিন্ন ৰূপ আছে; ই ঠাই আৰু সময় ভেদে পৰিৱৰ্তন হৈ থাকে আৰু ইয়াক বহু ধৰণে ব্যাখ্যা কৰা হয়। দৰিদ্ৰতা এনে এটা পৰিস্থিতি যাৰ পৰা মানুহে প্ৰায়েই পৰিত্ৰাণ বিচাৰে। গতিকে দৰিদ্ৰতা হৈছে দুখীয়া আৰু চহকী উভয়ৰে প্ৰতি কাৰ্য গ্ৰহণৰ বাবে এক আহ্বান— সমগ্ৰ বিশ্বৰ পৰিৱৰ্তনৰ বাবে আহ্বান যাতে বৃহৎ সংখ্যক মানুহে পৰ্যাপ্ত খাদ্য, বাসস্থান, শিক্ষা আৰু স্বাস্থ্যসেৱাৰ সুবিধা তথা হিংস্ৰতাৰ বিৰুদ্ধে সুৰক্ষা লাভ কৰাৰ উপৰিও তেওঁলোকৰ সমাজত ঘটি থকা বিভিন্ন বিষয়ত মতামতৰ অধিকাৰ পাব পাৰে।

দৰিদ্ৰতা হ্ৰাস কৰাত কোনবোৰ কাৰকে সহায়

কৰে, কোনবোৰে নকৰে নাইবা সময়ত কোনবোৰ পৰিৱৰ্তিত হয় সেইবোৰৰ বিষয়ে জানিবলৈ হ'লে দৰিদ্ৰতাৰ সংজ্ঞা আগবঢ়োৱা, ইয়াৰ পৰিমাপ আৰু অধ্যয়ন কৰা আৰু আনকি ইয়াৰ অভিজ্ঞতা আহৰণ কৰাৰ প্ৰয়োজন আছে। দৰিদ্ৰতা এক বহুমাত্ৰিক সমস্যা। গতিকে ইয়াক আয় আৰু ভোগৰ স্তৰ, সামাজিক নিৰ্দেশকসমূহ, আশংকা-বিপদ আদিৰ প্ৰতি স্পৰ্শকাতৰতা তথা সামাজিক, ৰাজনৈতিক ক্ষেত্ৰত অংশগ্ৰহণৰ সুযোগ ইত্যাদি বিভিন্ন নিৰ্দেশকৰ জৰিয়তে লক্ষ্য কৰিব লাগিব।

## 4.2 কোনবোৰ লোক দৰিদ্ৰ? (WHO ARE THE POOR) :

তোমালোকে দেখিছা যে নগৰ আৰু গাঁও উভয়তে স্থানীয় অঞ্চল তথা নিকটৱৰ্তী এলেকাসমূহত আমাৰ মাজতে কিছু সংখ্যক দুখীয়া আৰু কিছু সংখ্যক ধনী ব্যক্তি আছে। এই সন্দৰ্ভত তোমালোকে অণু আৰু সুধাৰ কাহিনীটো পঢ়িব পাৰা। (4.1 নং কক্ষ চোৱা)। তেওঁলোকৰ জীৱন কাহিনী হৈছে এই চৰম বৈপৰীত্যৰ স্পষ্ট উদাহৰণ। এই দুই চৰম অৱস্থাৰ মাজতো বিভিন্ন স্তৰৰ মানুহ আছে।

**কক্ষ নং 4.1 ঃ অণু আৰু সুধা**

অণু আৰু সুধা দুয়ো একেটা দিনতে জন্মগ্ৰহণ কৰিছিল। অণুৰ মাক-দেউতাক দুয়ো আছিল নিৰ্মাণ খণ্ডৰ মজুৰ শ্ৰমিক। আনহাতে সুধাৰ দেউতাক আছিল ব্যৱসায়ী আৰু মাক এগৰাকী নক্সাকাৰ (Designer)।

অণুৰ মাকে কাম কৰি আছিল। প্ৰসৱৰ সময়ত তেওঁ নিৰ্মাণ কাৰ্যস্থলীৰ পিছফালে থকা যন্ত্ৰপাতি ৰখা চালিঘৰৰ তললৈ গৈ অকলশৰীয়া অৱস্থাতে কেঁচুৱা (অণুক) জন্ম দিয়ে। তাতেই তেওঁ কেঁচুৱাক গাখীৰ খুওৱাই এখন পুৰণি শাৰীৰে মেৰিয়াই থৈ, মৰাপাটৰ বস্তাৰে এখন দোলনা সাজিলে আৰু তাতে কেঁচুৱা অণুক ৰাখি এডাল গছত ওলোমাই থলে। নিজৰ কামটো হেৰুওৱাৰ আশংকাত তেওঁ লৰালৰিকৈ কামলৈ উভতি আহিল। অণুই গধূলিলৈকে দোলনাত শুই থকাটোকে মাকে আশা কৰিছিল।

আনহাতে সুধাৰ জন্ম হৈছিল মহানগৰখনৰ উৎকৃষ্ট নাৰ্চিং হোমসমূহৰ এখনত। জন্মৰ পিছতে তাইক চিকিৎসকৰ দ্বাৰা পুংখানুপুংখভাৱে পৰীক্ষা কৰোৱা হৈছিল, গা ধুৱাই দি পৰিষ্কাৰ কোমল পোছাক পিন্ধাই মাকৰ কাষতে থকা শিশু-খাটত থৈ দিয়া হৈছিল। তাইৰ ভোক লাগিলেই মাকে খুৱাইছিল, আঁকোৱালি লৈ চুমা খাইছিল আৰু তাইক শুৱাবলৈ নিচুকনি গীত গাইছিল। তাইৰ পৰিয়াল আৰু বন্ধুবৰ্গই তাইৰ জন্মপৰ্ব ধুমধামেৰে উদ্‌যাপন কৰিছিল।

শৈশৱ কালতো অণু আৰু সুধাৰ জীৱন ভিন্ন আছিল। অণুৱে নিচেই কম বয়সৰে পৰা নিজৰ যত্ন নিজে ল'বলৈ শিকিছিল। ক্ষুধা আৰু বঞ্চনা কি সেয়া তাই গম পাইছিল। ডাষ্টবিনৰ পৰা কেনেকৈ খাদ্য বুটলিব লাগে, শীতকালত কেনেকৈ নিজে উম ল'ব লাগে, বৰ্ষা কালত কেনেকৈ আশ্ৰয়স্থল বিচাৰিব লাগে আৰু সৰু ৰচীৰ টুকুৰা, শিল আৰু গছৰ ঠাল-ঠেঙুলিৰে কেনেকৈ খেলিব পাৰি এই আটাইবিলাক তাই আৱিষ্কাৰ কৰিছিল। অণু স্কুললৈ যাব পৰা নাছিল। কাৰণ তাইৰ মাক-দেউতাক আছিল পৰিব্ৰজী শ্ৰমিক। তেওঁলোকে কামৰ সন্ধানত ইখনৰ পিছত সিখনকৈ মহানগৰত ঘূৰি ফুৰিছিল।

অণুৱে নাচি ভাল পাইছিল। যেতিয়াই তাই গান শুনিবলৈ পাইছিল, মুহূৰ্ততে তাই ইয়াৰ সুৰ অনুধাৱন

কৰিব পাৰিছিল। তাই বৰ ধুনীয়া আছিল আৰু তাইৰ গতি আছিল অতীৱ শুৱনি আৰু আৱেদনপূৰ্ণ। তাইৰ সপোন আছিল এসময়ত মঞ্চত নৃত্য পৰিৱেশন কৰাৰ। অণু এগৰাকী প্ৰখ্যাত নৃত্যপটিয়সী হ'ব পাৰিলেহেঁতেন, কিন্তু মাত্ৰ 12 (বাৰ) বছৰ বয়সতে তাই কামত ধৰিব লগীয়া হ'ল। তায়ো মাক-দেউতাকৰ লগত জীৱিকা অৰ্জন কৰিব লগীয়া হৈছিল। বিত্তৱানসকলৰ বাসগৃহ নিৰ্মাণ কৰি— যি বাসগৃহত তাই কোনোদিনে বাস কৰিবলৈ নাপায়।

সুধাই এখন উৎকৃষ্ট মানৰ ওমলা বিদ্যালয়লৈ গৈ তাত লিখা, পঢ়া আৰু গণনা শিকিলে। তাই তাৰকাগৃহ, যাদুঘৰ আৰু ৰাষ্ট্ৰীয় উদ্যানসমূহলৈ ভ্ৰমণ কৰিবলৈ পাইছিল। পিছত তাই এখন অতি উৎকৃষ্ট বিদ্যালয়লৈ গ'ল। তাই চিত্ৰ অংকন বিদ্যা ভাল পাইছিল আৰু এজন বিখ্যাত শিল্পীৰ পৰা এই বিষয়ত ঘৰুৱা শিক্ষা ল'বলৈ আৰম্ভ কৰিছিল। পিছত তাই এখন অভিকল্পন বিদ্যালয়ত (Designing School) যোগদান কৰি এগৰাকী প্ৰখ্যাত চিত্ৰকৰ হৈ উঠিল।

ফেৰীৱালা, মুচী, মালিনী, পেলনীয়া সামগ্ৰী বুটলি ফুৰা মানুহ, ঠেলাৱালা, মগনীয়া ইত্যাদি হৈছে সাধাৰণতে চহৰ অঞ্চলত দেখা পোৱা এনে দুখীয়া আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীভুক্ত লোকৰ উদাহৰণ। এওঁলোক অতি সামান্য পৰিমাণৰ পৰিসম্পদৰ গৰাকী। খেৰ, বাঁহ বা কাঠেৰে সজা চাল আৰু বোকা মাটিৰে প্ৰস্তুত কৰা বেৰৰ কেঁচা জুপুৰিত এওঁলোকে বাস কৰে। এইসকলৰ মাজৰে দৰিদ্ৰতমসকলৰ আনকি এনেকুৱা নিম্নতম বাসস্থানৰ সুবিধাও নাই। গ্ৰামাঞ্চলত দুখীয়াসকলৰ বেছিভাগেই ভূমিহীন; নিজস্ব কোনো কৃষিভূমি এওঁলোকৰ নাই। আনকি যিসকলৰ নামমাত্ৰ ভূমি আছে সেয়াও হৈছে কেৱল শুকান নাইবা পতিত মাটি। বহুতে আনকি দিনে দুসাঁজ খাবলৈও নাপায়। অনাহাৰ আৰু ক্ষুধাই হৈছে দৰিদ্ৰতম পৰিয়ালবোৰৰ প্ৰধান বৈশিষ্ট্য। দৰিদ্ৰসকলৰ মৌলিক শিক্ষা আৰু কৰ্মকুশলতাৰ অভাৱ। ফলত তেওঁলোকে সীমিত পৰিসৰতহে অৰ্থনৈতিক সুবিধা লাভ কৰিবলৈ পায়। তেওঁলোকৰ নিয়োগো অস্থিৰ (unstable) হয়।

দুখীয়াসকলৰ মাজত পুষ্টিহীনতা উদ্বেগজনক ভাৱে বেছি। ৰুগীয়া স্বাস্থ্য, অক্ষমতা নাইবা গুৰুতৰ অসুস্থতাই এইসকল লোকক শাৰীৰিকভাৱে দুৰ্বল


চিত্ৰ 4.1 ঃ বহু দুখীয়া পৰিয়ালে কেঁচা ঘৰত বাস কৰে

কৰে। তেওঁলোকে সঘনাই উচ্চ হাৰত সুতত ঋণদাতাৰ পৰা ধন ধাৰলৈ ল'ব লগীয়া হয় আৰু ইয়ে এওঁলোকক দীৰ্ঘদিনীয়া ঋণগ্ৰস্ততালৈ ঠেলি দিয়ে। দুখীয়াসকল অতিশয় দুৰ্বল। নিয়োগকৰ্তাৰ পৰা পাবলগীয়া বিধিগত মজুৰি আদায় কৰিবলৈ তেওঁলোক অসমৰ্থ আৰু সেই বাবে এওঁলোক সততে শোষণৰ বলি হয়। প্ৰায়ভাগ দুখীয়া পৰিয়ালতে বিজুলী শক্তিৰ সুবিধা নাই। খৰি আৰু গোবৰৰ শুকান পিঠাই হৈছে তেওঁলোকৰ ৰন্ধন কাৰ্যত ব্যৱহৃত প্ৰধান ইন্ধন। বৃহৎ সংখ্যক দুখীয়া লোকৰ আনকি নিৰাপদ বিশুদ্ধ সুবিধাকণো নাই। লাভজনক কৰ্মসংস্থানত নিয়োগ, শিক্ষা তথা পৰিয়ালৰ গণ্ডীৰ ভিতৰত যিকোনো বিষয়ৰ সিদ্ধান্তত অংশগ্ৰহণৰ ক্ষেত্ৰত তীব্ৰ লিংগ-বৈষম্যৰ যথেষ্ট প্ৰমাণ পোৱা যায়। গৰ্ভাৱস্থাত দুখীয়া মহিলাসকলে প্ৰয়োজনতকৈ যথেষ্ট কম যত্ন পায়। গতিকে তেওঁলোকৰ কেঁচুৱা স্বাস্থ্যৱান হোৱা বা জীয়াই থকাৰ সম্ভাৱনা কম।

ব্যক্তিৰ জীৱিকাৰ উপায় আৰু তেওঁলোকে আহৰণ কৰা পৰিসম্পদৰ পৰিমাণৰ ওপৰত ভিত্তি কৰিয়েই অৰ্থনীতিবিদসকলে দুখীয়া লোকক চিনাক্ত কৰে। তেওঁলোকৰ মতে গ্ৰামীণ দুখীয়া লোকসকলে প্ৰধানকৈ ভূমিহীন কৃষি শ্ৰমিক, ক্ষুদ্ৰ আৰু উপান্ত কৃষক, বিভিন্ন অনা-কৃষি কাৰ্যত নিয়োজিত ভূমিহীন শ্ৰমিক, দিন মজুৰ আৰু ক্ষুদ্ৰ কৃষিভূমিত ৰায়তী কৃষক ৰূপে কাম কৰে।



চিত্ৰ 4.2 ঃ গৰিষ্ঠ সংখ্যক কৃষি শ্ৰমিক দুখীয়া

চহৰ অঞ্চলৰ দুখীয়াসকল হৈছে মূলতঃ চহৰলৈ প্ৰব্ৰজিত গ্ৰাম্য দুখীয়াসকল। বিভিন্ন ধৰণৰ অনিয়মীয়া কামত নিয়োজিত শ্ৰমিকসকল, ৰাস্তাৰ দাঁতিত সামগ্ৰী বিক্ৰী কৰি স্ব-নিয়োজনেৰে জীৱন নিৰ্বাহ কৰাসকল আৰু অন্যান্য বিভিন্ন কাৰ্যত নিয়োজিত-সকল এনে বিধৰ দুখীয়া।

**কক্ষ নং 4.2 ঃ দৰিদ্ৰতা কি? (What is Poverty)**

শ্বাহীন ৰফী খান (Shaheen Rafi Khan) আৰু ডামিয়েন কিলেন (Damian Killen) নামৰ দুগৰাকী পণ্ডিতে দৰিদ্ৰতাৰ চৰ্তসমূহ সংক্ষেপে দাঙি ধৰিছে এনেদৰে ঃ দৰিদ্ৰতা হৈছে ক্ষুধা। দৰিদ্ৰতা হৈছে ৰোগগ্ৰস্ততা আৰু চিকিৎসকক দেখুওৱাৰ অসমৰ্থতা। দৰিদ্ৰতা হ'ল বিদ্যালয়লৈ যোৱাৰ অসমৰ্থতা আৰু পঢ়িব নজনা। দৰিদ্ৰতা হ'ল কৰ্মহীনতা। দৰিদ্ৰতা হ'ল ভৱিষ্যতৰ বাবে ভীতি, দিনে এসাঁজ খাদ্য প্ৰাপ্তি। দৰিদ্ৰতা হ'ল অপৰিষ্কাৰ পানীয়ে সৃষ্টি কৰা বেমাৰত নিজৰ সন্তান হেৰুওৱা। দৰিদ্ৰতা হ'ল ক্ষমতাহীনতা, প্ৰতিনিধিত্ব কৰাৰ সুযোগ আৰু স্বাধীনতাৰ অভাৱ। তোমালোকে কি ভাবা?

## 4.3 দুখীয়া লোকসকলক কেনেদৰে চিনাক্ত কৰা হয় ? (How are the poor People Identified) :

ভাৰতবৰ্ষই দৰিদ্ৰতাৰ সমস্যা সমাধান কৰিবলৈ হ'লে দৰিদ্ৰতাৰ প্ৰধান কাৰণসমূহ নিৰাময় কৰাৰ বাবে এক ৰূপায়ণ সাধ্য আৰু বহনক্ষম কৌশল উলিয়াব লাগিব আৰু দুখীয়াসকলৰ দুৰ্দশাগ্ৰস্ত পৰিস্থিতিৰ অৱসান ঘটাৰ সহায়ক হোৱাকৈ আঁচনি প্ৰস্তুত কৰিব লাগিব। অৱশ্যে এই আঁচনিবোৰৰ ফলপ্ৰসূ কাৰ্যকৰীকৰণৰ বাবে চৰকাৰে প্ৰকৃত দৰিদ্ৰসকলক নিশ্চিতভাৱে চিনাক্ত কৰি উলিয়াব পাৰিব লাগিব। ইয়াৰ বাবে দৰিদ্ৰতাৰ মাত্ৰা জুখিবলৈ এক নিৰ্দিষ্ট পৰিমাপক প্ৰস্তুত কৰাৰ প্ৰয়োজন আছে আৰু এনে পৰিমাপৰ বিচাৰমান সৃষ্টিকাৰী বিভিন্ন কাৰকসমূহ অতি সাৱধানতাৰে বাছি উলিয়াব লাগিব।

প্ৰাক্‌স্বাধীনতাৰ কালছোৱাত ভাৰতবৰ্ষৰ দাৰিদ্ৰ্যৰ সীমাৰেখাৰ ধাৰণাটোৰ বিষয়ে দাদা ভাই নৌৰজীয়ে পোন প্ৰথমবাৰৰ বাবে আলোচনা কৰিছিল। ইয়াৰ বাবে তেখেতে কাৰাগাৰৰ এজন কাৰাবন্দীৰ খাদ্য তালিকাত প্ৰচলিত যথোপযুক্ত দাম ব্যৱহাৰ কৰি জীৱন ধাৰণৰ ব্যয় সম্পৰ্কীয় এক সিদ্ধান্তত উপনীত হৈছিল। তেখেতৰ এই সিদ্ধান্তক 'কাৰাগাৰৰ জীৱন ধাৰণৰ ব্যয়' বুলি কোৱা হয়। অৱশ্যে, কাৰাগাৰত কেৱল প্ৰাপ্ত বয়স্ক লোকহে থাকে। আনহাতে বাস্তৱক্ষেত্ৰত সমাজত প্ৰাপ্ত বয়স্কসকলৰ লগতে শিশুও থাকে। দাৰিদ্ৰ্য সীমাৰেখাত উপনীত হ'বলৈ তেখেতে এই জীৱন ধাৰণৰ ব্যয়ৰ যথোপযুক্ত সমিলকৰণ ঘটাইছিল। এনে সমিলকৰণৰ অৰ্থে তেখেতে ধৰি লৈছিল যে দেশৰ মুঠ জনসংখ্যাৰ এক তৃতীয়াংশ হৈছে শিশু আৰু ইয়াৰে আধা অংশই যথেষ্ট কম পৰিমাণে ভোগ কৰে। আনহাতে অন্য আধা অংশই প্ৰাপ্তবয়স্ক লোকৰ খাদ্যৰ পৰিমাণৰ আধাহে ভোগ কৰে। এই ধৰণে তেখেতে তিনি চতুৰ্থাংশ উৎপাদকত উপনীত হৈছিল। অৰ্থাৎ—

$$\frac{1}{6} \text{ (শূন্য)} + \frac{1}{6} \text{ (আধা)} + \frac{2}{3} \text{ (সম্পূৰ্ণ)} = \frac{3}{4} \text{ (সম্পূৰ্ণ)}$$

— এই তিনিওটা অংশৰ ভোগ ব্যয়ৰ ভাৰযুক্ত গড়েই হৈছে গড় দাৰিদ্ৰ্য সীমাৰেখা। এই গড় দাৰিদ্ৰ্য সীমাৰেখা হৈছে প্ৰাপ্তবয়স্ক লোকৰ কাৰাগাৰ জীৱন ধাৰণৰ ব্যয়ৰ তিনি চতুৰ্থাংশ।

স্বাধীনোত্তৰ ভাৰতবৰ্ষত দেশত থকা প্ৰকৃত দুখীয়াৰ সংখ্যা নিৰূপণৰ বাবে এক শুদ্ধ ব্যৱস্থা নিৰ্ণয় কৰিবলৈ সময়ে সময়ে বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। উদাহৰণস্বৰূপে 1962 চনত পৰিকল্পনা আয়োগে এটা অধ্যয়ন গোট (Study Group) গঠন কৰিছিল। 1979 চনত ''Task Force on Projections of Minimum Need and Effective consumption Demand'' নামৰ আন এটা নিকায় গঠন কৰা হৈছিল। আকৌ 1989 চনতো সেই একেটা উদ্দেশ্যতে এক 'বিশেষজ্ঞ গোট' (Expert Group) গঠন কৰা হয়।

**সাৰণী নং 4.1 ঃ দাৰিদ্ৰ্য সীমাৰেখা**

| পৰম ৰূপৰ দৰিদ্ৰ | অতি দৰিদ্ৰ | দৰিদ্ৰ | কম দৰিদ্ৰ | মধ্যবিত্ত শ্ৰেণী | উচ্চ মধ্যবিত্ত শ্ৰেণী | বিত্তশালী শ্ৰেণী | অতি বিত্তশালী শ্ৰেণী | কোটিপতি শ্ৰেণী.... | সহস্ৰ কোটিপতি শ্ৰেণী |
|---|---|---|---|---|---|---|---|---|---|
| দুখীয়া | | | অ-দুখীয়া | | | | | | |


এইবোৰৰ উপৰিও বুজন সংখ্যক অৰ্থনীতিবিদে ব্যক্তিগতভাৱেও এনে ধৰণৰ ব্যৱস্থা উদ্ভাৱনৰ বাবে প্ৰচেষ্টা চলাইছিল।

দৰিদ্ৰতাৰ এক গ্ৰহণীয় সংজ্ঞা নিৰ্ধাৰণৰ উদ্দেশ্যে দেশৰ জনসংখ্যাক দুখীয়া আৰু অ-দুখীয়া এই দুটা ভাগত ভাগ কৰা হয় আৰু এই দুয়োটা ভাগক পৃথক কৰিছে দাৰিদ্ৰ্য সীমাৰেখাই। অৱশ্যে দুখীয়াসকল কেবা প্ৰকাৰৰ ঃ পৰম ৰূপৰ দৰিদ্ৰ, অতি দৰিদ্ৰ আৰু দৰিদ্ৰ। ঠিক সেইদৰে অ-দুখীয়া শ্ৰেণীও কেবা প্ৰকাৰৰ ঃ মধ্যবিত্ত শ্ৰেণী, উচ্চ মধ্যবিত্ত, ধনী বা বিত্তশালী, অতি ধনী আৰু পৰম ৰূপৰ ধনী শ্ৰেণী ইত্যাদি। পৰম ৰূপৰ দৰিদ্ৰৰ পৰা পৰম ৰূপৰ বিত্তশালী শ্ৰেণীলৈ এডাল ৰেখা বা এক ধাৰাবাহিক শৃংখল বুলি গণ্য কৰিব পাৰি যাক দাৰিদ্ৰ্য সীমাৰেখাই দুখীয়া আৰু অ-দুখীয়া এই দুই ভাগত বিভক্ত কৰিছে।

**দৰিদ্ৰতাৰ শ্ৰেণীবিভাজন (Categorising Poverty) :** দৰিদ্ৰতাৰ শ্ৰেণীবিভাজন বিভিন্ন ধৰণে কৰা হয়। এনে এক ধৰণ অনুসৰি যিসকল চিৰাচৰিতভাৱে দুখীয়া (always poor) আৰু যিসকল সচৰাচৰ দুখীয়া (usually poor) কিন্তু মাজে-সময়ে সামান্য অধিক মুদ্ৰা অৰ্জন কৰে (যেনে— অনিয়মীয়া শ্ৰমিকসকল)— সেইসকলক একত্ৰিত কৰি দীৰ্ঘদিনীয়া দুখীয়া (chronic poor) নামে শ্ৰেণীভুক্ত কৰা হয়। আকৌ ক্ষুদ্ৰ কৃষক আৰু ঋতুজনিত বনুৱা কেতিয়াবা দৰিদ্ৰতাত পতিত হয় আৰু কেতিয়াবা ইয়াৰ পৰা মুক্ত হয়। এই শ্ৰেণীৰ দুখীয়াসকলক ঘূৰ্ণায়মান দৰিদ্ৰ (churning poor) বুলি কোৱা হয়। ইয়াৰ উপৰিও অন্য একাংশ লোক আছে যিসকল অধিকাংশ সময় আৰ্থিকভাৱে স্বচ্ছল হৈ থাকে কিন্তু মাজে-সময়ে দুৰ্দশাত পৰে। সেইবাবে এই শ্ৰেণীৰ দুখীয়াসকলক উপলক্ষজনিত দৰিদ্ৰ (occasionally poor) বোলা হয়। উপৰোক্ত দুয়োটা শ্ৰেণীৰ দুখীয়াক একেলগে সাময়িক দৰিদ্ৰ (Transient poor) বোলা হয়। এই বিভিন্ন প্ৰকাৰৰ দৰিদ্ৰৰ বিপৰীতে অন্য একাংশ লোক আছে যিসকল কোনোদিনে কোনো কাৰণতে দুখীয়া নহয় আৰু সেই কাৰণে এইসকল অ-দুখীয়া বা ধনী। (সাৰণী নং 4.2)

**দাৰিদ্ৰ্য সীমাৰেখা (Poverty Line) :** এতিয়া দাৰিদ্ৰ্য সীমাৰেখা কেনেদৰে নিৰ্ধাৰণ কৰা হয় সেই বিষয়ে আলোচনা কৰোঁহক। দৰিদ্ৰতাৰ মাত্ৰা

**সাৰণী নং 4.2 ঃ দীৰ্ঘদিনীয়া দুখীয়া, সাময়িক দুখীয়া আৰু অ-দুখীয়া**



জুখিবলৈ কেৰাটাও উপায় আছে। এইবোৰৰ ভিতৰত অন্যতম হ'ল ন্যূনতম প্ৰয়োজনীয় কে'লৰিৰ মুদ্ৰামূল্য (জনমূৰি ব্যয়) নিৰ্ধাৰণৰ জৰিয়তে পৰিমাপন। এই সন্দৰ্ভত ন্যূনতম প্ৰয়োজনীয় কে'লৰি গ্ৰামাঞ্চলৰ লোক এজনৰ বাবে 2400 আৰু চহৰৰ এজন লোকৰ বাবে 2100 বুলি নিৰ্ধাৰণ কৰা হয়। ইয়াৰ ভিত্তিতে 1999-2000 চনত গ্ৰামাঞ্চলৰ এজন ব্যক্তিৰ ভোগ-ব্যয় প্ৰতি মাহে 328.00 টকা আৰু চহৰাঞ্চলত এই ভোগ-ব্যয় 454.00 টকাক দাৰিদ্ৰ্য সীমাৰেখা হিচাপে নিৰ্দিষ্ট কৰা হৈছিল।

দুখীয়াসকলক চিনাক্তকৰণৰ বাবে চৰকাৰীভাৱে আয়ৰ সমাৰ্থক হিচাপে মাহিলী জনমূৰি ব্যয় (MPCE)ক ব্যৱহাৰ কৰা হয় যদিও এই ব্যৱস্থাই আমাৰ দেশৰ প্ৰকৃত দুখীয়াসকলক সন্তোষজনকভাৱে চিনাক্ত কৰি উলিয়াব পাৰে বুলি তুমি ভাবানে?



চিত্ৰ নং 4.3 ঃ নিৰাপদ খোৱাপানী আৰু অনাময় ব্যৱস্থা সকলোৰে বাবে অত্যাৱশ্যকীয়

পণ্ডিতসকলে ভাবে যে এই ব্যৱস্থাৰ প্ৰধান অসুবিধা এয়ে যে ইয়াৰ জৰিয়তে কৰা গণনাত সকলো দুখীয়া লোককে একে শ্ৰেণীভুক্ত কৰি গণনা কৰা হয়। অতিশয় দুখীয়া আৰু অন্যান্য দুখীয়াৰ মাজত থকা পাৰ্থক্য ইয়াত গণ্য কৰা নহয়। এই পদ্ধতিত আয়ৰ পৰিমাণৰ সমাৰ্থক হিচাপে খাদ্য সামগ্ৰী আৰু কিছু সংখ্যক অন্যান্য নিৰ্বাচিত সামগ্ৰীৰ ওপৰত কৰা ভোগ ব্যয়ৰ পৰিমাণক ব্যৱহাৰ কৰাটো যুক্তি সন্মত নহয় বুলি অৰ্থনীতিবিদসকলে মত পোষণ কৰিছে। চৰকাৰীভাৱে যত্ন ল'বলগীয়া দুখীয়া সকলক সামগ্ৰিকভাৱে চিনাক্তকৰণত এই ব্যৱস্থা সহায়ক হ'ব যদিও দুখীয়া সকলৰ মাজৰ অধিক যত্নৰ প্ৰয়োজন থকা দৰিদ্ৰসকলক চিনাক্ত কৰাটো যথেষ্ট জটিল হ'ব।

আয় আৰু পৰিসম্পদৰ পৰিমাণৰ উপৰিও অন্যান্য বহুতো উপাদান দৰিদ্ৰতাৰ লগত জড়িত হৈ আছে। উদাহৰণস্বৰূপে প্ৰাথমিক শিক্ষা, স্বাস্থ্যসেৱাৰ সুবিধা, খোৱা পানী আৰু অনাময় ব্যৱস্থাৰ সুবিধা ইত্যাদি। দাৰিদ্ৰ্যৰ সীমাৰেখা নিৰ্ধাৰণৰ পদ্ধতিটোত দাৰিদ্ৰ্য দীৰ্ঘস্থায়ী কৰা নিৰক্ষৰতা, স্বাস্থ্যহীনতা, সম্পদৰ প্ৰাপ্তিহীনতা, বৈষম্য বা সামাজিক আৰু ৰাজনৈতিক স্বাধীনতাৰ অভাৱ আদি সামাজিক কাৰকসমূহৰ কথা বিবেচনা কৰা হোৱা নাই। এজন লোকে নিজে হ'ব আৰু কৰিব বিচৰা ধৰণে পোৱাকৈ কাৰ্য আৰু সুযোগ লাভৰ সুবিধাসমূহ সম্প্ৰসাৰিত কৰি মানৱ জীৱনৰ উন্নতি সাধন কৰিব পৰাটোৱেই দাৰিদ্ৰ্য দূৰীকৰণৰ আঁচনিসমূহৰ লক্ষ্য হোৱা উচিত। উদাহৰণস্বৰূপে মানুহ হ'ব লাগিব স্বাস্থ্যৱান, সুপৰিপুষ্ট, জ্ঞান সমৃদ্ধ আৰু সামাজিক জীৱনত অংশ গ্ৰহণত সমৰ্থ। এই

দৃষ্টিকোণৰ পৰা চালে উন্নয়ন মানে হৈছে এজন ব্যক্তিয়ে জীৱন কালত কৰিব পৰা কাৰ্যসমূহক বাধাগ্ৰস্ত কৰা নিৰক্ষৰতা, স্বাস্থ্যহীনতা, সম্পদৰ প্ৰাপ্তিহীনতা তথা সামাজিক আৰু ৰাজনৈতিক স্বাধীনতাৰ অভাৱ ইত্যাদি কাৰকসমূহ দূৰ কৰা।

যদিও চৰকাৰীভাৱে দাবী কৰা হৈছে যে উচ্চ হাৰৰ অৰ্থনৈতিক বৃদ্ধি, কৃষি উৎপাদন বৃদ্ধি, গ্ৰামাঞ্চলত নিয়োগৰ সুবিধা প্ৰদান আৰু 1990ৰ দশকত আৰম্ভ কৰা অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচীৰ ফলত দেশত দৰিদ্ৰতা হ্ৰাস পাইছে, অৰ্থনীতিবিদ-সকলে চৰকাৰৰ এই সফলতাৰ দাবীত সন্দেহ প্ৰকাশ কৰিছে। তেওঁলোকে আঙুলিয়াই দিছে যে দেশত দৰিদ্ৰলোকৰ সংখ্যাৰ নিম্নগামী চিত্ৰ দেখুওৱাৰ স্বাৰ্থত তথ্য সংগ্ৰহ প্ৰণালী, জনসাধাৰণৰ ভোগৰ সমষ্টিত সন্নিৱিষ্ট খাদ্য সামগ্ৰী, দৰিদ্ৰতাৰ সীমাৰেখা পৰিমাপৰ বাবে গ্ৰহণ কৰা পদ্ধতি আৰু দৰিদ্ৰ লোকৰ সংখ্যা ইত্যাদি সকলোবোৰতে ইচ্ছাকৃত কাৰচাজি কৰা হৈছে।

দৰিদ্ৰতা গণনাত চৰকাৰীভাৱে কৰা গণনা প্ৰক্ৰিয়াত থকা বিভিন্ন সীমাবদ্ধতাৰ বাবে পণ্ডিতসকলে ইয়াৰ বিকল্প পদ্ধতি উদ্ভাৱনৰ প্ৰচেষ্টা চলাইছে। উদাহৰণস্বৰূপে, প্ৰখ্যাত অৰ্থনীতিবিদ ন'বেল বঁটা বিজয়ী অমৰ্ত্য সেনে এনে এক সূচক উদ্ভাৱন কৰিছে আৰু চমুকৈ এই সূচকক সেন সূচক (Sen Index) বুলি জনা যায়। দৰিদ্ৰতা ব্যৱধান সূচক (Poverty Gap Index) আৰু সৰ্বমুঠ দৰিদ্ৰতা ব্যৱধান (Squared Poverty Gap) আদি অন্যান্য প্ৰণালীও আছে। তোমালোকে এইবোৰৰ বিষয়ে ওপৰৰ শ্ৰেণীত শিকিব পাৰিবা।

**কৰি চোৱা (Work These Out)**


- 4.2 আৰু 4.3 দফাত তোমালোকে মন কৰিছা যে দুখীয়াসকলক কেৱল মাত্ৰ আয় আৰু ভোগ ব্যয় সম্পৰ্কীয় সূচকৰ জৰিয়তে চিনাক্ত কৰা নহয়। বৰঞ্চ অন্যান্য বহুত বিষয়, যেনে—ভূমি, বাসগৃহ, শিক্ষা, স্বাস্থ্য আৰু অনাময় ব্যৱস্থাৰ সুবিধা ইত্যাদিও গুৰুত্বপূৰ্ণ। বৈষম্যমূলক আচৰণকো বিবেচনা কৰাৰ প্ৰয়োজন আছে। অন্যান্য সকলো নিৰ্দেশকক সামৰি ল'ব পৰাকৈ এক বিকল্প দাৰিদ্ৰ্য সীমাৰেখা কেনেদৰে প্ৰস্তুত কৰিব পাৰি সেই বিষয়ে আলোচনা কৰা।
- ওপৰত দিয়া দাৰিদ্ৰ্য সীমাৰেখাৰ সংজ্ঞাৰ ভিত্তিত তোমালোকৰ নিজৰ অঞ্চলৰ/নিকটৱৰ্তী অঞ্চলৰ ঘৰুৱা সহায়ক, ধোবী, বাতৰি কাকত যোগনীয়াৰ হিচাপে কাম কৰা লোকসকল দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰত আছে নে নাই বিচাৰ কৰা।

## 4.4 ভাৰতবৰ্ষত দুখীয়া মানুহৰ সংখ্যা (THE NUMBER OF POOR IN INDIA) :

দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা লোকৰ অনুপাতক দুখীয়াৰ সংখ্যা হিচাপে গণনা কৰিলে ইয়াক মূৰ গণনা অনুপাত (Head Count Ratio) বোলা হয়। ভাৰতবৰ্ষত বাস কৰা দুখীয়া লোকৰ সংখ্যা জানিবলৈ তোমালোকে নিশ্চয় আগ্ৰহী। এই দুখীয়া লোকসকল ক'ত বাস কৰে আৰু সুদীৰ্ঘকাল ধৰি তেওঁলোকৰ সংখ্যা বা অনুপাত হ্ৰাস পাইছে নে নাই? অনুপাত আৰু শতাংশৰ হিচাপত দুখীয়া লোকৰ এনে এটা তুলনামূলক বিশ্লেষণ কৰিলে আমি জনসাধাৰণৰ দাৰিদ্ৰ্যৰ বিভিন্ন স্তৰ আৰু বিভিন্ন ৰাজ্য আৰু বিভিন্ন সময়ত তেওঁলোকৰ বিতৰণ সম্পৰ্কে আভাস পাম।

পৰিকল্পনা আয়োগে দৰিদ্ৰতা সম্পৰ্কীয় চৰকাৰী তথ্যসমূহ জনসাধাৰণৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰে। ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠনে (National Sample Survey Organisation) সংগ্ৰহ কৰা জনসাধাৰণৰ ভোগ ব্যয় সম্পৰ্কীয় তথ্যৰ ওপৰত ভিত্তি কৰি ইয়াক যুগুত কৰা হয়। 4.3 নং সাৰণীত 1979 চনৰ পৰা 2000 চনলৈ ভাৰতবৰ্ষত থকা দুখীয়া লোকৰ সংখ্যা আৰু মুঠ জনসংখ্যাত তেওঁলোকৰ অনুপাত দেখুওৱা হৈছে। 1973-74 চনত দেশৰ 321 নিযুতৰো অধিক লোক দাৰিদ্ৰ্য সীমাৰেখাৰ তলত আছিল। 1999-2000 চনত এই সংখ্যা প্ৰায় 260 নিযুতলৈ হ্ৰাস পায়। অনুপাত হিচাপত 1973-74 চনত মুঠ জনসংখ্যাৰ 55 শতাংশই আছিল দাৰিদ্ৰ্য সীমাৰেখাৰ তলত। 1999-2000 চনত এই সংখ্যা 26 শতাংশলৈ হ্ৰাস পাইছে। আকৌ 1973-74 চনত দুখীয়া লোকৰ 80 শতাংশতকৈয়ো অধিকে গ্ৰামাঞ্চলত বাস কৰিছিল আৰু 1999-2000 চনত এই অনুপাত প্ৰায় 75 শতাংশলৈ হ্ৰাস পাইছে। অৰ্থাৎ


**সাৰণী নং 4.3 ঃ ভাৰতবৰ্ষত দৰিদ্ৰতাৰ গতিধাৰা, 1973-2000**



দেশৰ মুঠ দুখীয়া লোকৰ তিনি চতুৰ্থাংশই গাঁৱত বাস কৰে। আকৌ দৰিদ্ৰতাৰ সমস্যা, যিটোৰ মাত্ৰাধিক্য মূলতঃ গ্ৰামাঞ্চলতে আছিল, তাৰো নগৰ অঞ্চললৈ স্থানান্তৰ ঘটিছে। 1990ৰ দশকত গ্ৰামাঞ্চলত পৰম দৰিদ্ৰ লোকৰ সংখ্যা হ্ৰাস পাইছে, আনহাতে নগৰ অঞ্চলত ই সামান্য পৰিমাণে বৃদ্ধি পাইছে। নগৰ আৰু গাঁও উভয়তে দৰিদ্ৰতাৰ অনুপাত একেৰাহে হ্ৰাস পাইছে। সাৰণী নং 4.3ত তোমালোকে দেখা পাবা যে 1973-2000 চনৰ সময়ছোৱাত দেশত সংখ্যা আৰু অনুপাত দুয়োটা হিচাপত দুখীয়া লোকৰ লোকসংখ্যা হ্ৰাস পাইছে। কিন্তু দুয়োটা হিচাপত এই নিম্নগামিতাৰ প্ৰকৃতি উৎসাহজনক নহয়। দুখীয়া লোকৰ পৰম সংখ্যাৰ তুলনাত ইয়াৰ আনুপাতিক হ্ৰাসৰ হাৰ যথেষ্ট মন্থৰ। মন কৰিবা যে 1990ৰ দশকৰ আৰম্ভণি কালত নগৰ আৰু গ্ৰামাঞ্চলত দুখীয়া লোকৰ পৰম সংখ্যাসমূহৰ ব্যৱধান হ্ৰাস পোৱা নাছিল। আনহাতে অনুপাত হিচাপত এই ব্যৱধান 1999-2000 চনলৈ প্ৰায় স্থিতাৱস্থাতে আছিল।

4.4 নং সাৰণীত ৰাজ্যিক পৰ্যায়ত দৰিদ্ৰতাৰ গতি ধাৰা দেখুওৱা হৈছে। সাৰণীত দেখা গৈছে যে ভাৰতবৰ্ষৰ সৰ্বমুঠ দুখীয়া লোকৰ প্ৰায় 70 শতাংশই আছে উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ, পশ্চিমবংগ আৰু উৰিষ্যাত। তোমালোকে এইটোও দেখিবা যে

**সাৰণী নং 4.4 ঃ কিছু সংখ্যক ডাঙৰ ৰাজ্যত দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ জনসংখ্যা, 1973-2000 (%)**




**দ্ৰষ্টব্য ঃ** উত্তৰ প্ৰদেশত বৰ্তমানৰ উত্তৰাঞ্চল, মধ্য প্ৰদেশত ছত্তীশগড়
আৰু বিহাৰত ঝাৰখণ্ড অন্তৰ্ভুক্ত কৰা হৈছে।

1973-74 চনত এই বৃহৎ ৰাজ্য কেইখনৰ অধিকাংশতে মুঠ জনসংখ্যাৰ প্ৰায় আধা অংশই দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰিছিল। 1999-2000 চনত দুখন ৰাজ্য ক্ৰমে বিহাৰ আৰু উৰিষ্যা প্ৰায় সেই একে পৰ্যায়তে আছিল। এই দুয়োখন ৰাজ্যয়ো দাৰিদ্ৰ্য কিছু পৰিমাণে হ্ৰাস কৰিব পাৰিছে। তথাপি অন্য ৰাজ্যসমূহৰ তুলনাত তেওঁলোকৰ এই সাফল্য তেনেই সামান্য। যদি আমি গুজৰাটলৈ লক্ষ্য কৰো তেনেহ'লে দেখা পাওঁ যে 1973–2000ৰ সময়ছোৱাত ৰাজ্যখনত দাৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকৰ সংখ্যা 48 শতাংশৰ পৰা 15 শতাংশলৈ হ্ৰাস পাইছে। সেই একে সময়ছোৱাত পশ্চিমবংগই দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ লোকৰ সংখ্যা প্ৰায় দুই তৃতীয়াংশ অৰ্থাৎ 63 শতাংশৰ পৰা প্ৰায় 27 শতাংশলৈ হ্ৰাস কৰাত সফল হৈছে।

### 4.5 দৰিদ্ৰতাৰ কাৰণসমূহ কি ? (What Causes Poverty) :

দুখীয়া লোকৰ গাইগুটীয়া পৰিস্থিতি আৰু বৈশিষ্ট, এই দুটাৰ এটা নাইবা দুয়োটাৰ ভিত্তিত দৰিদ্ৰতাৰ ব্যাখ্যা কৰা হয়। ইয়াৰ কিছুমান উদাহৰণ হ'ল— (1) নিম্ন স্তৰৰ শিক্ষা আৰু পাৰদৰ্শিতা (2) দুৰ্বলতা, স্বাস্থ্যহীনতা আৰু ৰোগগ্ৰস্ততা (3) বৈষম্য ইত্যাদি। এইবোৰৰ কাৰণ হ'ল— (1) সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অসমতা (3) সামাজিক নিলগীকৰণ (Social Exclusion) (4) নিয়োগহীনতা (5) ঋণগ্ৰস্ততা (6) আয় আৰু সম্পদ বিতৰণৰ অসমতা। মুঠ বা সামগ্ৰিক দৰিদ্ৰতা (aggregate poverty) হৈছে গাইগুটীয়া দৰিদ্ৰতাৰ যোগফল। সাধাৰণভাৱে অৰ্থব্যৱস্থা ব্যাপি থকা বিভিন্ন সমস্যা, যেনে— (1) নিম্ন মূলধন গঠন (2) প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱ (3) চাহিদাৰ অভাৱ (4) জনসংখ্যাৰ হেঁচা (5) সামাজিক কল্যাণমূলক ব্যৱস্থাৰ (nets) সীমাবদ্ধতা ইত্যাদিৰ দ্বাৰাও দৰিদ্ৰতাৰ বিশ্লেষণ কৰা হয়।

প্ৰথম অধ্যায়ত তোমালোকে ভাৰতবৰ্ষত ইংৰাজ শাসনৰ বিষয়ে পঢ়ি আহিছা। যদিওবা ভাৰতীয় জীৱন ধাৰণৰ মানৰ ওপৰত ইংৰাজ শাসনৰ চূড়ান্ত প্ৰভাৱৰ বিষয়টো এতিয়াও বিতৰ্কিত হৈ আছে, কিন্তু এই বিষয়ত কোনো সন্দেহ নাই যে ভাৰতীয় অৰ্থব্যৱস্থা আৰু জনসাধাৰণৰ জীৱন ধাৰণৰ মানৰ ওপৰত ইয়াৰ যথেষ্ট নেতিবাচক প্ৰভাৱ আছিল। ইংৰাজ শাসনৰ অধীনত ভাৰতবৰ্ষত যথেষ্ট পৰিমাণে নিঃ উদ্যোগীকৰণ (deindustrialisation) ঘটিছিল। ইংলণ্ডৰ লাংকাশ্বায়াৰ (Lancashire)ৰ পৰা উদ্যোগত উৎপাদিত কপাহী কাপোৰৰ আমদানিয়ে স্থানীয় বহুতো উৎপাদনক উচ্ছেদ কৰিছিল আৰু ভাৰতবৰ্ষ বস্ত্ৰ ৰপ্তানিৰ পৰিৱৰ্তে কপাহীসূতা ৰপ্তানিকাৰী দেশৰ পৰ্যায়লৈ পৰ্যবসিত হৈছিল।

ইংৰাজ ৰাজত্বৰ সমগ্ৰ কালছোৱাত 70 শতাংশৰো অধিক ভাৰতীয় লোক কৃষিখণ্ডত নিয়োজিত হৈ আছিল বাবে এই খণ্ডত পৰা প্ৰভাৱে জীৱনধাৰণৰ মানৰ ওপৰত অইন সকলোতকৈ অধিক প্ৰভাৱ পেলাইছিল। ইংৰাজৰ নীতিসমূহত অন্তৰ্ভুক্ত খৰতকীয়া গতিৰ উচ্চ হাৰত গ্ৰাম্যকৰ আৰোপনৰ ব্যৱস্থাই মহাজন আৰু ঋণদাতাসকলক বৃহৎ ভূমিপতি হোৱাত সহায় কৰিছিল। ইংৰাজৰ অধীনত ভাৰতবৰ্ষই খাদ্যশস্য ৰপ্তানি কৰিবলৈ আৰম্ভ কৰিছিল আৰু ফলস্বৰূপে 1875 আৰু 1900 চনৰ ভিতৰত 26 নিযুত লোকে দুৰ্ভিক্ষত মৃত্যু বৰণ কৰিবলগীয়া হৈছিল।

ব্ৰিটিছ ৰাজত্বৰ প্ৰধান লক্ষ্য আছিল ইংলণ্ডৰ ৰপ্তানিৰ বাবে বজাৰৰ সুবিধা প্ৰদান কৰা, ইংলণ্ডলৈ

ভাৰতবৰ্ষক ঋণ পৰিশোধ কৰোৱা আৰু ইংৰাজৰ সাম্ৰাজ্যবাদী সেনাদলৰ বাবে ভাৰতবৰ্ষৰ পৰা মানৰ শক্তি সৰবৰাহৰ ব্যৱস্থা কৰা।

ইংৰাজ ৰাজত্বই ভাৰতবৰ্ষৰ কেবা নিযুত লোকক দাৰিদ্ৰ্যৰ কবলত পেলাইছিল। আমাৰ প্ৰাকৃতিক সম্পদসমূহ লুট কৰি নিয়া হৈছিল, আমাৰ উদ্যোগসমূহক ইংৰাজসকলৰ বাবে সুলভ মূল্যতে সামগ্ৰী উৎপাদনৰ কাম কৰিবলৈ বাধ্য কৰোৱা হৈছিল আৰু আমাৰ খাদ্য শস্যবোৰ ৰপ্তানি কৰা হৈছিল। দুৰ্ভিক্ষ আৰু ক্ষুধাত বহু মানুহৰ মৃত্যু হৈছিল। 1857–58 চনত বহু সংখ্যক স্থানীয় নেতাক ক্ষমতাচ্যুতকৰণ, কৃষকসকলৰ ওপৰত অতিমাত্ৰা উচ্চ হাৰত কৰ আৰোপকৰণ আৰু অন্যান্য অসন্তুষ্টিৰ বাবে ইংৰাজৰ আদেশাধীন ভাৰতীয় সেনাবাহিনীৰ চিপাহীসকলে ইংৰাজ শাসনৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল।



চিত্ৰ নং 4.4 ঃ নিম্নমানৰ স্ব-নিয়োজনে দাৰিদ্ৰ্য অব্যাহত ৰাখে

আনকি আজিও গ্ৰামাঞ্চলৰ জনসাধাৰণৰ জীৱিকাৰ প্ৰধান উপায় হৈছে কৃষি আৰু ভূমিয়ে হৈছে এওঁলোকৰ প্ৰাথমিক পৰিসম্পদ; ভূমিৰ স্বত্বাধিকাৰ হৈছে ভৌতিক কল্যাণৰ এক নিৰ্ধাৰক আৰু যিসকলৰ কিছু পৰিমাণে নিজা ভূমি আছে, তেওঁলোকৰ জীৱন ধাৰণৰ অৱস্থাৰ উন্নতকৰণৰ বাবে সুবিধা অধিক।

স্বাধীনতাৰ সময়ৰ পৰাই দেশৰ চৰকাৰে ভূমিৰ পুনৰবিতৰণৰ বাবে প্ৰচেষ্টা চলাইছে আৰু বৃহৎ ভূমিপতিসকলৰ পৰা ভূমি অধিগ্ৰহণ কৰি এইবোৰ ভূমিহীন কিন্তু কৃষিভূমিত কাম কৰা দিন মজুৰসকলৰ মাজত বিতৰণৰ ব্যৱস্থা কৰিছে। অৱশ্যে এই ব্যৱস্থাই সীমিত পৰিসৰতহে সফলতা লাভ কৰিছে। বৃহৎ অংশৰ কৃষি শ্ৰমিকে তেওঁলোকে লাভ কৰা ক্ষুদ্ৰ ভূমি খণ্ডত কৃষি কাৰ্য কৰিবলৈ সক্ষম হোৱা নাই। কিয়নো কৃষি ভূমিৰ উৎপাদনশীলতা বৃদ্ধি কৰিব পৰাকৈ তেওঁলোকৰ টকা-পইচা (পৰিসম্পদ) আৰু পাৰদৰ্শিতাৰ অভাৱ। তদুপৰি এই ভূমিখণ্ডসমূহ আকাৰত যথেষ্ট সৰু বাবে ইবিলাকত সফল কৃষি কাৰ্য ৰূপায়ণ অসাধ্য।

ভাৰতবৰ্ষৰ গ্ৰামীণ দুখীয়া লোকসকলৰ এক বৃহৎ অংশই ক্ষুদ্ৰ কৃষক। তেওঁলোকৰ কৃষি ভূমিবোৰ সাধাৰণতে কম উৰ্বৰ আৰু বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকে জীৱন ধাৰণৰ বাবে উৎপাদিত শস্য আৰু মাজে-সময়ে কিছু পশুধনৰ ওপৰত নিৰ্ভৰ কৰে। দ্ৰুতহাৰত জনসংখ্যা বৃদ্ধি আৰু কৰ্ম সংস্থানৰ বিকল্প উৎসৰ অভাৱত জনমূৰি কৃষি ভূমিৰ পৰিমাণ ক্ৰমাগতভাৱে হ্ৰাস পাই আহিছে আৰু ফলস্বৰূপে কৃষি ভূমি ক্ষুদ্ৰ ক্ষুদ্ৰ খণ্ডত বিভাজিত হৈছে। এই ক্ষুদ্ৰ কৃষি ভূমিখণ্ডবোৰৰ পৰা হোৱা আয় পৰিয়ালৰ নিম্নতম প্ৰয়োজনসমূহ পূৰণ কৰিব পৰাকৈ যথেষ্ট নহয়।

কৃষি আৰু অন্যান্য ঘৰুৱা প্ৰয়োজনৰ বাবে ঋণ লৈ পিছত খৰাং বতৰ আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ বাবে কৃষিখণ্ডৰ উৎপাদন ব্যৰ্থ হোৱাৰ ফলত সময় মতে ঋণ পৰিশোধ কৰিব নোৱাৰি বহুতো কৃষকে আত্মহত্যা কৰাৰ কথা তোমালোকে নিশ্চয় শুনিছা। (কক্ষ 4.3 দ্ৰষ্টব্য)।

অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকসকলে নগৰ আৰু গ্ৰামীণ অৰ্থ ব্যৱস্থাৰ বিভিন্ন খণ্ডত ওলোৱা নিয়োগৰ সুবিধা গ্ৰহণ কৰিবলৈ এতিয়াও সক্ষম হোৱা নাই। কাৰণ এইবোৰৰ বাবে প্ৰয়োজনীয় জ্ঞান আৰু পাৰদৰ্শিতা তেওঁলোকৰ নাই।

ভাৰতবৰ্ষৰ নগৰীয়া দুখীয়াসকল হৈছে মূলতঃ গ্ৰাম্য দুখীয়াৰ আধিক্যই সৃষ্টি কৰা উদ্বৃত্ত লোকৰ বহিঃপ্ৰবাহৰ ফল। গ্ৰামাঞ্চলৰ এই অতিৰিক্ত লোকসকলে নিয়োগ আৰু জীৱিকাৰ উপায়ৰ সন্ধানত নগৰ অঞ্চললৈ প্ৰব্ৰজন কৰে। কিন্তু নগৰৰ ঔদ্যোগীকৰণ প্ৰক্ৰিয়াই এই আটাইবোৰ লোককে সংস্থান দিব পৰা নাই। গতিকে নগৰীয়া দুখীয়াসকলৰ সৰহ সংখ্যকেই হয় নিবনুৱা নাইবা নৈমিত্তিক শ্ৰমিক (Casual Labourer) হিচাপে অনিয়মীয়াভাৱে নিয়োজিত। এই অনিয়মীয়া নৈমিত্তিক শ্ৰমিকসকল সমাজৰ আটাইকৈ দুৰ্বল অংশৰ ভিতৰত পৰে। কাৰণ তেওঁলোকৰ কামৰ নিৰাপত্তা নাই, নিজস্ব কোনো পৰিসম্পদ নাই, পাৰদৰ্শিতাও সীমিত, সুযোগ সুবিধাও তাকৰ আৰু দৈনন্দিন জীৱন চলাই নিব পৰাকৈ এওঁলোকৰ কোনো উদ্বৃত্তও নাই।



চিত্ৰ নং 4.5 ঃ মান সম্পন্ন নিয়োগ দুখীয়াসকলৰ বাবে এতিয়াও এক সপোন

সেই বাবে ক'ব পাৰি যে নিয়োগ আৰু কৰ্মসংস্থান ব্যৱস্থাৰ প্ৰকৃতিৰ লগত দৰিদ্ৰতাৰ ঘনিষ্ঠ সম্পৰ্ক আছে। গাঁও আৰু নগৰ এলেকা উভয়তে নিয়োগহীনতা নাইবা অৰ্ধনিয়োগ (under employment) তথা কামৰ নৈমিত্তিক আৰু অনিয়মীয়া প্ৰকৃতিয়ে দুখীয়াসকলক ঋণগ্ৰস্ততাত নিমজ্জিত কৰায়; আৰু ই পুনৰাই দৰিদ্ৰতাৰ সমস্যা প্ৰবল কৰে। ঋণগ্ৰস্ততা হৈছে দৰিদ্ৰতাৰ গুৰুত্বপূৰ্ণ কাৰণসমূহৰ অন্যতম।

বিলাসী সামগ্ৰীৰ দামৰ তুলনাত খাদ্য-শস্য আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ ক্ষেত্ৰত হোৱা অতিশয় উচ্চ হাৰৰ দাম বৃদ্ধিয়ে নিম্ন আয়ৰ স্তৰৰ জনসাধাৰণৰ কষ্ট আৰু বঞ্চনাৰ মাত্ৰা বৃদ্ধি কৰে। আয় আৰু সম্পদৰ বিতৰণৰ অসমতাই ভাৰতবৰ্ষত দৰিদ্ৰতাৰ সমস্যাটো অবিৰতভাৱে চলি থকাত সহায় কৰিছে।

ওপৰত আলোচনা কৰা এই আটাইবোৰে সমাজত দুটা সুস্পষ্ট শ্ৰেণীৰ সৃষ্টি কৰিছে। ইয়াৰে এটা শ্ৰেণী হৈছে সেইসকলৰ যিসকলৰ হাতত উৎপাদনৰ উপাদানসমূহ আছে তথা যিসকলে বুজন পৰিমাণৰ আয় উপাৰ্জন কৰে। আনটো শ্ৰেণীত আছে সেইসকল যিসকলৰ বাবে নিজস্ব শ্ৰম শক্তিয়ে হৈছে জীয়াই থকাৰ একমাত্ৰ অৱলম্বন। বছৰৰ পিছত বছৰ ধৰি ভাৰতবৰ্ষত ধনী আৰু দুখীয়াৰ ব্যৱধান যথেষ্ট বৃদ্ধি পাইছে। ভাৰতবৰ্ষৰ বাবে দৰিদ্ৰতা হৈছে এক

**কৰি চোৱা (Work These Out)**

- তুমি কোনো বজাৰলৈ বা ধৰ্মস্থান আৰু ঐতিহাসিক কীৰ্তিস্তম্ভ আদি দৰ্শনলৈ গ'লে, তাত লগত ল'ৰা-ছোৱালীক লৈ ভিক্ষা মাগি ফুৰা মহিলাসকলক দেখিবা। কিছু সময় উলিয়াই তেওঁলোকৰ কিছুমানৰ লগত কথা পাতা। তেওঁলোকে এই বৃত্তি গ্ৰহণ কৰিবলৈ কিয় বাধ্য হ'ল; পৰিয়ালসহ তেওঁলোক ক'ত থাকে, দিনত তেওঁলোকে কেইসাঁজ খাবলৈ পায় নাইবা তেওঁলোকৰ কোনো স্থাৱৰ পৰিসম্পদ আছে নে আৰু কিয় তেওঁলোকে নিৰ্দিষ্ট কাম যোগাৰ কৰি ল'ব পৰা নাই, এইবোৰৰ সম্পৰ্কে বিস্তাৰিত তথ্য সংগ্ৰহ কৰা। তুমি সংগ্ৰহ কৰা তথ্যসমূহ শ্ৰেণীকোঠাত বহলাই আলোচনা কৰা।
- মন কৰিলে ওপৰত উল্লিখিত ধৰণৰ দুখীয়া পৰিয়াল তোমালোকৰ নিজৰ এলেকা বা নিকটৱৰ্তী এলেকাত দেখা পাবা। এনেকুৱা দুটা বা তিনিটা পৰিয়াল বাছি উলিয়াই তেওঁলোকৰ বৃত্তি, সাক্ষৰতাৰ স্তৰ, পৰিসম্পদৰ স্বত্বাধিকাৰ আৰু অন্যান্য তথ্য সামৰি তেওঁলোকৰ জীৱন বৃত্ত ফহিয়াই চোৱা। শ্ৰেণীত সেইবোৰ আলোচনা কৰা।
- গাঁও আৰু নগৰ এলেকাৰ লোকৰ কাম-কাজবোৰৰ পৃথকভাৱে সূচী প্ৰস্তুত কৰা। অ-দুখীয়াসকলৰ কাম-কাজৰ সূচীয় প্ৰস্তুত কৰিব পাৰা। এই দুয়োখন সূচী তুলনা কৰা আৰু দুখীয়াসকলক এনেবোৰ কাম কৰিবলৈ কিয় সক্ষম নহয় সেই বিষয়ে তোমালোকৰ শ্ৰেণীত আলোচনা কৰা।

**কক্ষ নং 4.3 ঃ কপাহ খেতিয়ক সকলৰ দুৰ্দশা**

**Distress Among Cotton Farmers**

ভাৰতবৰ্ষৰ তুলনামূলকভাৱে ভাল আৰু স্বচ্ছল কেবাখনো ৰাজ্যত বহুসংখ্যক ক্ষুদ্ৰ কৃষক আৰু কৃষিজীৱী পৰিয়াল তথা তাঁতীসকল গোলকীকৰণৰ আঘাত আৰু উপাৰ্জনৰ সুযোগৰ অভাৱত দৰিদ্ৰতাত পৰ্যবসিত হ'বলগীয়া হৈছে। যিবোৰ ক্ষেত্ৰত পৰিয়ালবিলাক পৰিসম্পদ বিক্ৰী কৰিবলৈ সক্ষম হৈছে নাইবা বিকল্প কৰ্মসংস্থানৰ সুযোগ গ্ৰহণ কৰি উপাৰ্জন কৰিবলৈ সক্ষম হৈছে, তেনেবোৰ ক্ষেত্ৰত গোলকীকৰণৰ এই আঘাত সাময়িক হ'ব পাৰে। যদিহে এনে পৰিয়ালবোৰৰ বিক্ৰীৰ বাবে কোনো পৰিসম্পদ বা ঋণ গ্ৰহণৰ সুবিধা নাথাকে নতুবা শোষণমূলক উচ্চ সুতৰ হাৰত ঋণ গ্ৰহণ কৰি গুৰুতৰ 'ঋণ-ফান্দ' (Debt Trap)ত নিমজ্জিত হৈ পৰে, তেনেহ'লে এই আঘাতে এনে পৰিয়ালবোৰক দাৰিদ্ৰ্য সীমাৰেখাৰ বহু তললৈ নিক্ষেপ কৰি সুদূৰপ্ৰসাৰী জটিলতাৰ সৃষ্টি কৰে। এনে সংকটৰ শোচনীয় ৰূপেই হৈছে আত্মহত্যা। কেৱল মাত্ৰ অন্ধ্ৰপ্ৰদেশতে ইতিমধ্যে প্ৰায় 3000টা এনে ঘটনা সংঘটিত হৈছে আৰু ই ক্ৰমে বৃদ্ধি পাই গৈ আছে।

2005 চনৰ ডিচেম্বৰ মাহত মহাৰাষ্ট্ৰ চৰকাৰেও স্বীকাৰ কৰিছে যে 2001 চনৰ পৰা ৰাজ্যখনত 1000 জনতকৈয়ো অধিক কৃষকে আত্মহত্যা কৰিছে।

2002-03 চনত পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষতে সৰ্ববৃহৎ এলেকা (4,300 হেক্টৰ মাটি)ত কপাহ খেতি কৰা হয়। কিন্তু হেক্টৰে প্ৰতি অতি নিম্ন পৰিমাণ— 300 কে.জি. কপাহ উৎপাদনে উৎপাদনৰ দিশৰ পৰা ভাৰতক তৃতীয় স্থানলৈ অৱনমিত কৰে। অধিক উৎপাদন ব্যয়, নিম্ন আৰু অস্থিৰ উৎপাদন, বিশ্ব বজাৰত দামৰ নিম্নগামিতা, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অন্যান্য ৰাষ্ট্ৰৰ ৰাজসাহায্য প্ৰদানৰ ব্যৱস্থাই উৎপাদন খণ্ডত সৃষ্টি কৰা গোলকীয় উৎপাদনৰ আধিক্য আৰু দেশীয় বজাৰক গোলকীকৰণৰ বাবে মুকলিকৰণে কৃষকসকলক অধিক সংৰক্ষণহীন কৰি তুলিছে। ফলত গ্ৰামাঞ্চলীয় দুৰ্দশা আৰু আত্মহত্যাৰ ঘটনা বৃদ্ধি পাইছে। এইটো কেৱল লাভ অৰ্জন বা উচ্চ উৎপাদন লাভৰ বিষয় নহয়, বৰং কৃষিৰ ওপৰত নিৰ্ভৰশীল ভাৰতবৰ্ষৰ কেবা নিযুত ক্ষুদ্ৰ আৰু উপান্ত কৃষকৰ জীৱিকা আৰু ভৱিষ্যৎ অস্তিত্ব ৰক্ষণৰ বিষয়।



শান্তাবাই ঃ মহাৰাষ্ট্ৰৰ যাভাত্মত আত্মহত্যা কৰা কৃষক নীলকান্ত সীতাৰাম খোকেৰ পত্নী

গৱেষকসকলে কৃষকসকলৰ ক্ৰমবৰ্ধমান আত্মহত্যাৰ কেবাটাও কাৰক চিহ্নিত কৰি উলিয়াইছে—

(1) পৰ্যাপ্ত কাৰিকৰী সমৰ্থন অবিহনে পৰম্পৰাগত কৃষি ব্যৱস্থাৰ পৰা উচ্চ উৎপাদনক্ষম ব্যৱসায়িক শস্য উৎপাদন ব্যৱস্থালৈ গতি তথা কৃষি প্ৰযুক্তি সম্পৰ্কীয় পৰামৰ্শ দান, কৃষকে সন্মুখীন হোৱা সমস্যা, সমাধানৰ তাৎকালীন ব্যৱস্থা আৰু পৰামৰ্শ ইত্যাদি কৃষি সম্প্ৰসাৰণমূলক সেৱাৰ ক্ষেত্ৰৰ পৰা ৰাষ্ট্ৰৰ অব্যাহতি গ্ৰহণ।

(2) বিগত দুই দশক ধৰি কৃষিখণ্ডত ৰাজহুৱা বিনিয়োগৰ সংকোচন।

(3) বৃহৎ গোলকীয় প্ৰতিষ্ঠানবোৰে যোগান ধৰা বীজৰ নিম্ন হাৰৰ গজন ক্ষমতা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান আৰু অভিকৰ্তা (Agent) ই যোগান ধৰা ভেজাল বীজ আৰু কীটনাশক দ্ৰব্য।

(4) শস্য উৎপাদনৰ ব্যৰ্থতা, কীট-পতংগৰ আক্ৰমণ আৰু খৰাং বতৰ।

(5) ব্যক্তিগত ব্যৱসায়িক ঋণদাতাৰ পৰা 36 শতাংশৰ পৰা 120 শতাংশ পৰ্যন্ত অতি উচ্চ হাৰৰ সুতত গ্ৰহণ কৰা ঋণৰ বোজা।

(6) সুলভ মূল্যত আমদানি বৃদ্ধিৰ ফলত হোৱা দাম আৰু লাভৰ নিম্নগামিতা।

(7) কৃষি কাৰ্যৰ বাবে উপযুক্ত জলসিঞ্চনৰ অভাৱৰ ফলত কৃষকসকলে বাধ্য হৈ উচ্চ সুতত ঋণ গ্ৰহণ কৰি গভীৰ নলীনাদ বহুৱাবৰ বাবে কৰা বৃথা চেষ্টা।

উৎস ঃ A.K. Mehta আৰু Sourabh Ghose সংকলিত আৰু Ritu Elwadhi য়ে সহায় কৰা ''Globalisation, Loss of Livelihood and Entry into Poverty'', Alternative Economic Survey, India 2004-05. Alternative Survey Group, Daanish Books, Delhi 2005 আৰু P. Sainath, ''The Swelling 'Register of Deaths', The Hindu, 29 December 2005.

বহুমাত্ৰিক প্ৰত্যাহ্বান আৰু ইয়াক সমাধান কৰাৰ বাবে যুদ্ধকালিন তৎপৰতাৰে পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন হৈছে।

## 4.6 দৰিদ্ৰতা দূৰীকৰণৰ বাবে নীতি আৰু কাৰ্যসূচী (Policies and Programmes Towards Poverty Alleviation) :

ভাৰতীয় সংবিধান আৰু পঞ্চবাৰ্ষিক পৰিকল্পনা সমূহত কোৱা হৈছে যে দেশত সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাই হৈছে চৰকাৰে গ্ৰহণ কৰা উন্নয়নমূলক কৌশলসমূহৰ প্ৰাথমিক উদ্দেশ্য। দেশৰ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা (1951–1956)ত এনেদৰে কোৱা হৈছে যে 'দৰিদ্ৰতা আৰু আয়, সম্পদ তথা সুযোগৰ বৈষম্যৰ ঘটনাই বৰ্তমান পৰিস্থিতিত অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তন প্ৰণোদিত কৰিছে।' (The urge to bring economic and social change under present conditions comes from the fact of poverty and inequalities in income, wealth and opportunity). সেইদৰে দ্বিতীয় পৰিকল্পনাতো আঙুলিয়াই দিয়া হৈছে যে— 'উন্নয়নৰ সুফলসমূহ সমাজৰ আপেক্ষিকভাৱে কম সুবিধা প্ৰাপ্ত শ্ৰেণীসমূহে নিশ্চয়কৈ অধিকৰ পৰা অধিকতৰ পাব লাগিব।' (The benefits of economic development must accrue more and more to the relatively less privileged classes of the Society.)

এইটো লক্ষণীয় যে চৰকাৰী নীতি সম্পৰ্কীয় সকলো নথি-পত্ৰত দৰিদ্ৰতা দূৰীকৰণত গুৰুত্ব দিয়া হৈছে আৰু ইয়াৰ বাবে চৰকাৰে বিভিন্ন কৌশল গ্ৰহণ কৰিবলগীয়া হৈছে।

দৰিদ্ৰতা হ্ৰাসকৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ ত্ৰি-মাত্ৰিক। ইয়াৰে প্ৰথমটো হৈছে বৃদ্ধিমুখী পদক্ষেপ। এই পদক্ষেপত আশা কৰা হৈছে যে অৰ্থনৈতিক বৃদ্ধিৰ ফলসমূহ, অৰ্থাৎ মুঠ ঘৰুৱা উৎপাদন আৰু জনমূৰি আয়ৰ খৰতকীয়া বৃদ্ধিৰ সুফলবোৰ সমাজৰ সকলো অংশলৈ প্ৰসাৰিত হ'ব আৰু এইবোৰ সমাজৰ দুখীয়া অংশলৈ নিগৰি যাব। এইটোৱে আছিল 1950ৰ দশকৰ পৰা 1960ৰ দশকৰ আৰম্ভণিলৈ পৰিকল্পনাসমূহৰ প্ৰধান কেন্দ্ৰবিন্দু। দ্ৰুত ঔদ্যোগিক উন্নয়ন আৰু নিৰ্বাচিত অঞ্চলসমূহত সেউজ বিপ্লৱৰ জৰিয়তে কৃষি খণ্ডলৈ অনা পৰিৱৰ্তনে অনুন্নত অঞ্চল তথা সমাজৰ অধিক পিছপৰা শ্ৰেণীক নিশ্চিতভাৱে উপকৃত কৰিব বুলি ভবা হৈছিল। দ্বিতীয় আৰু তৃতীয় অধ্যায়ত তোমালোকে নিশ্চয় পঢ়িছা যে দেশৰ সামগ্ৰিক বৃদ্ধি তথা কৃষি আৰু উদ্যোগ খণ্ডৰ বৃদ্ধি সন্তোষজনক নহয়। জনসংখ্যা বৃদ্ধিয়ে দেশৰ জনমূৰি আয় বৃদ্ধিৰ হাৰ যথেষ্ট নিম্ন কৰিছে। দুখীয়া আৰু ধনীৰ মাজৰ ব্যৱধান প্ৰকৃতাৰ্থত বৃদ্ধি পাইছে। সেউজ বিপ্লৱে আঞ্চলিক বৈষম্য তথা বৃহৎ আৰু ক্ষুদ্ৰ কৃষকসকলৰ মাজৰ বৈষম্য অধিক কৰিছে। ভূমি পুনৰবিতৰণৰ ক্ষেত্ৰতো অনীহা আৰু অসমৰ্থতা দেখা গৈছিল। অৰ্থনীতিবিদসকলৰ মতে অৰ্থনৈতিক বৃদ্ধিৰ সুফলসমূহ দুখীয়া সকললৈ নিগৰি যোৱা নাই।

দুখীয়াসকলৰ সমস্যা বিশেষভাৱে সমাধান কৰিবলৈ বিকল্প উপায় বিচাৰি নীতি নিৰ্ধাৰকসকলে ভাবিলে যে ক্ৰমবৰ্ধমান পৰিসম্পদ আৰু কৰ্ম সৃষ্টিৰ জৰিয়তে দুখীয়াসকলৰ বাবে আয় আৰু কৰ্ম সংস্থানৰ সুবিধা বৃদ্ধি কৰিব পৰা যায়। কেৱল দৰিদ্ৰতা দূৰীকৰণৰ বিশেষ কাৰ্যসূচীৰ জৰিয়তেহে এয়া সম্ভৱ হ'ব পাৰে। দ্বিতীয়টো পদক্ষেপ তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনা (1961–66)ৰ সময়ত আৰম্ভ কৰি পৰৱৰ্তী সময়ছোৱাত অধিক হাৰত ইয়াৰ




চিত্ৰ নং 4.6 ঃ কামৰ বাবে খাদ্য আঁচনিৰ অধীনত মজুৰি ভিত্তিক নিয়োগ

সম্প্ৰসাৰণ ঘটোৱা হৈছে। 'কামৰ বাবে খাদ্য' আঁচনি (Food for Work Programme)খন হৈছে 1970ৰ দশকত আৰম্ভ কৰা এনে এখন গুৰুত্বপূৰ্ণ কাৰ্যসূচী।

বৰ্তমান যিবোৰ কাৰ্যসূচী দেশত ৰূপায়িত হৈ আছে সেইবোৰ দশম পঞ্চবাৰ্ষিক পৰিকল্পনা (2002–2007)ৰ আদৰ্শ আৰু দৃষ্টিভংগী আধাৰিত। দৰিদ্ৰতাৰ সমস্যা সমাধানৰ ক্ষেত্ৰত স্ব-নিয়োজনৰ আঁচনিসমূহ আৰু মজুৰি ভিত্তিক নিয়োগ আঁচনিসমূহৰ সম্প্ৰসাৰণক প্ৰধান উপায় হিচাপে গণ্য কৰা হৈছে। গ্ৰামীণ নিয়োগ সৃষ্টি আঁচনি (REGP), প্ৰধানমন্ত্ৰীৰ ৰোজগাৰ যোজনা (PMRY) আৰু স্বৰ্ণজয়ন্তী চহৰী ৰোজগাৰ যোজনা (SJSRY) ইত্যাদি হৈছে স্ব-নিয়োজনমুখী কাৰ্যসূচীৰ উদাহৰণ। প্ৰথম আঁচনিখনৰ উদ্দেশ্য হৈছে গ্ৰাম্যঞ্চল আৰু সৰু চহৰবোৰত স্ব-নিয়োজনৰ সুযোগ সৃষ্টি কৰা। খাদী আৰু গ্ৰামোদ্যোগ আয়োগে ইয়াক ৰূপায়ণ কৰি আছে। এই আঁচনিৰ অধীনত কোনো ব্যক্তিয়ে ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বাবে বেংকৰ ঋণৰ ৰূপত বিত্তীয় সাহায্য লাভ কৰিব পাৰে। প্ৰধানমন্ত্ৰীৰ ৰোজগাৰ যোজনাৰ অধীনত গাঁও আৰু চহৰৰ নিম্ন আয়ৰ পৰিয়ালৰ শিক্ষিত নিবনুৱাসকলে নিয়োগৰ সুবিধা সৃষ্টি কৰিব পৰা যিকোনো উদ্যোগ স্থাপনৰ বাবে বিত্তীয় সাহায্য পাব পাৰে। স্বৰ্ণজয়ন্তী চহৰী ৰোজগাৰ যোজনাৰ প্ৰধান লক্ষ্য হৈছে নগৰ অঞ্চলত স্ব-নিয়োগ আৰু মজুৰি ভিত্তিক নিয়োগ এই দুয়ো ধৰণৰ নিয়োগৰ সুবিধা সৃষ্টি কৰা।

পূৰ্বতে স্ব-নিয়োগ আঁচনিসমূহৰ অধীনত পৰিয়াল বা ব্যক্তিক পোনপটীয়াকৈ বিত্তীয় সাহায্য দিয়া হৈছিল। কিন্তু 1900ৰ দশকৰ পৰা এই পদ্ধতিৰ

পৰিৱৰ্তন কৰা হৈছে। বৰ্তমান এনেবোৰ আঁচনিৰে উপকৃত হ'ব বিচৰা লোকসকলক প্ৰথমতে আত্মসহায়ক গোট গঠন কৰিবলৈ উৎসাহ দিয়া হয়। আৰম্ভণিতে তেওঁলোকক কিছু মুদ্ৰা সঞ্চয় কৰি নিজৰ গোটৰ সদস্যসকলৰ মাজতে ক্ষুদ্ৰ ঋণ আদান-প্ৰদান কৰিবলৈ কোৱা হয়। পিছত চৰকাৰে বেংকৰ জৰিয়তে এনে গোটসমূহক আংশিক বিত্তীয় সাহায্য প্ৰদান কৰে আৰু এই সাহায্য স্ব-নিয়োজন কামৰ বাবে কোন লোকক ঋণ হিচাপে দিয়া হ'ব সেই সিদ্ধান্ত আত্মসহায়ক গোটে গ্ৰহণ কৰে। স্বৰ্ণজয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনা হৈছে গ্ৰামাঞ্চলৰ বাবে এনে এখন আঁচনি।

সেইদৰে গাঁও অঞ্চলত বাস কৰা দুখীয়া পাৰদৰ্শিতাহীন লোকসকলৰ বাবে মজুৰি ভিত্তিক নিয়োগৰ সুবিধা সৃষ্টি কৰিবলৈ চৰকাৰৰ বিভিন্ন ধৰণৰ আঁচনি আছে। এইবোৰৰ ভিতৰত কেইখনমান হৈছে— 'ৰাষ্ট্ৰীয় কামৰ বাবে খাদ্য আঁচনি' (NFWP) আৰু 'সম্পূৰ্ণ গ্ৰামীণ ৰোজগাৰ যোজনা' (SGRY)। প্ৰতিটো দুখীয়া পৰিয়ালৰ শাৰীৰিক শ্ৰমজড়িত কামত কমেও 100 (এশ) দিনৰ বাবে নিশ্চিতভাৱে মজুৰি ভিত্তিক নিয়োগৰ সুবিধা দিয়াৰ উদ্দেশ্যে 2005 চনৰ আগষ্ট মাহত সংসদত এখন নতুন আইন প্ৰণয়ন কৰা হৈছে। এই আইনখনক ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আইন, 2005 (National Rural Employment Guarantee Act 2005, ENREGA) বুলি জনা যায়। এই আইনৰ অধীনত দুখীয়াসকলৰ ভিতৰত যিসকলে নিৰ্ধাৰিত নিম্নতম মজুৰিত শ্ৰমযুক্ত কাম কৰিবলৈ ইচ্ছুক তেওঁলোকে আঁচনি ৰূপায়িত হৈ থকা ক্ষেত্ৰত হাজিৰ হ'বগৈ পাৰে।

দৰিদ্ৰতা নিৰাময়ৰ তৃতীয়টো পদক্ষেপ হৈছে জীৱন ধাৰণৰ বাবে জনসাধাৰণক নিম্নতম মৌলিক সুবিধাসমূহ প্ৰদান কৰা। সামাজিক ভোগ কাৰ্যৰ প্ৰয়োজনসমূহ, যেনে— ৰেহাই মূল্যত খাদ্য-শস্য যোগানৰ ব্যৱস্থা, শিক্ষা, স্বাস্থ্য, পানী যোগান আৰু অনাময় ব্যৱস্থাত কৰা চৰকাৰী ব্যয়ৰ জৰিয়তে মানুহৰ জীৱন ধাৰণৰ মান উন্নীত কৰিব পাৰি বুলি পূৰ্বালোকন কৰাৰ ক্ষেত্ৰত বিশ্বৰ অগ্ৰণী দেশসমূহৰ ভিতৰত ভাৰতবৰ্ষ অন্যতম। এই পদক্ষেপৰ অধীনৰ আঁচনিসমূহ দুখীয়াসকলৰ ভোগ কাৰ্যৰ পৰিপূৰক, নিয়োগৰ সুযোগ সৃষ্টিকাৰী তথা স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ উন্নতিত সহায়ক হ'ব বুলি আশা কৰা হৈছে। পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাত এই পদক্ষেপ সমূহৰ বিষয়ে এনেধৰণে বৰ্ণনা কৰা হৈছে— 'নিয়োগৰ সম্প্ৰসাৰিত সুবিধা থকা সত্ত্বেও দুখীয়াসকলে সকলো অত্যাৱশ্যকীয় সামগ্ৰী আৰু সেৱা ক্ৰয় কৰিবলৈ সক্ষম নহ'ব। গতিকে সামাজিক ভোগ তথা অত্যাৱশ্যকীয় খাদ্য শস্য, শিক্ষা, স্বাস্থ্য, পুষ্টি, খোৱাপানী, বাসগৃহ, যোগাযোগ আৰু বিদ্যুৎ যোগানৰ ৰূপত সামাজিক ভোগ আৰু বিনিয়োগৰ দ্বাৰা তেওঁলোকক অতি কমেও এক নিৰ্দিষ্ট নিম্নতম মানলৈ সহায় আগবঢ়াব লাগিব। (even with expanded employment opportunities the poor will not be able to buy for themselves all the essential goods and services. They have to be supplemented up to at least certain minimum standards by social consumption and investment in the form of essential food grains, education, health, nutrition, drinking water, housing, communications and electricity)। দুখীয়াসকলৰ খাদ্য আৰু পৰিপুষ্টি সম্পৰ্কীয় অৱস্থাৰ উন্নয়নৰ উদ্দেশ্যে গ্ৰহণ কৰা তিনিখন প্ৰধান

কাৰ্যসূচী হৈছে ক্ৰমে ৰাজহুৱা বিতৰণ ব্যৱস্থা, সংহত শিশু উন্নয়ন আঁচনি আৰু মধ্যাহ্ন ভোজন আঁচনি। প্ৰধানমন্ত্ৰীৰ গ্ৰাম চড়ক যোজনা, প্ৰধানমন্ত্ৰীৰ গ্ৰামোদয় যোজনা, বাল্মীকি আম্বেদকাৰ আৱাস যোজনা আদিও এনে ধৰণৰ প্ৰচেষ্টা। উল্লেখযোগ্য যে ভাৰতবৰ্ষই বহু বিষয়ত সন্তোষজনক প্ৰগতি লাভ কৰিছে।

কিছু সংখ্যক বিশেষ শ্ৰেণীৰ লোকক সহায় কৰাৰ বাবে অন্যান্য বিভিন্ন ধৰণৰ সামাজিক সুৰক্ষা আঁচনিৰো চৰকাৰ আছে। কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা এনে কাৰ্যসূচীসমূহৰ অন্যতম হ'ল ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি (National Social Assistance Programme)। এই আঁচনিৰ অধীনত বৃদ্ধকালত চোৱাচিতা কৰিবলৈ কেওকিছু নথকা বয়োজ্যেষ্ঠ লোকসকলক নিজে চলিব পৰাকৈ পেন্সন প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

**কৰি চোৱা (Work These Out)**

- (1) কামৰ বাবে খাদ্য আঁচনি আৰু (2) স্ব-নিয়োজন কাৰ্যসূচীৰ অধীনত উপকূলীয় অঞ্চল, মৰুভূমি, পাহাৰীয়া জনজাতীয় অঞ্চল, জনজাতীয় অঞ্চলত প্ৰযোজ্য হোৱাকৈ আলোচনাৰ জৰিয়তে তিনিটা নিয়োগমুখী সুবিধাৰ ক্ষেত্ৰ উলিয়াই দেখুওৱা।
- নীতি সম্পৰ্কীয় বহুতো নথি, পঞ্চবাৰ্ষিক পৰিকল্পনাৰ নথি আৰু অৰ্থনৈতিক জৰীপ পৰিকল্পনা আয়োগৰ ৱেব চাইট (www.planningcommission.nic.in)ত পোৱা যায়। এইবোৰৰ কিছুমান তোমালোকৰ বিদ্যালয় বা ৰাজহুৱা পুথি ভঁৰালতো হয়তো পোৱা যায়। এই নথি-পত্ৰসমূহত চৰকাৰে গ্ৰহণ কৰা উদ্যোগসমূহ আৰু এইবোৰৰ মূল্যায়ন পোৱা যায়। ইয়াৰে কিছু অধ্যয়ন কৰা আৰু শ্ৰেণী কোঠাত আলোচনা কৰা।
- তোমালোকৰ নিজৰ বা নিকটৱৰ্তী অঞ্চলত পথ নিৰ্মাণ, চৰকাৰী চিকিৎসালয় গৃহ নিৰ্মাণ, চৰকাৰী বিদ্যালয় নিৰ্মাণ আদিৰ নিচিনা উন্নয়নমূলক কাৰ্যসমূহ দেখিছা। এনে স্থানসমূহ পৰিদৰ্শন কৰি কামৰ প্ৰকৃতি, নিয়োজিত লোকৰ সংখ্যা, শ্ৰমিকে পোৱা মজুৰি ইত্যাদিৰ ওপৰত দুই বা তিনি পৃষ্ঠাজোৰা এটি প্ৰতিবেদন প্ৰস্তুত কৰা।
- তোমালোকে মন কৰিলে দেখিবা যে কিছু সংখ্যক দুখীয়া বিধৱা, নিঠৰুৱা মহিলা আৰু বয়োজ্যেষ্ঠ লোকে কিছুমান সামাজিক নিৰাপত্তামূলক সাহায্য লাভ কৰে। ইয়াৰে কিছু সংখ্যকৰ এটা বিৱৰণ প্ৰস্তুত কৰা। এই বিৱৰণত সন্নিৱিষ্ট হ'বলগীয়া বিষয় হ'ল— তেওঁলোকৰ ব্যক্তিগত তথ্য, তেওঁলোকে কেনেকৈ সাহায্য লাভ কৰিছে, সাহায্যৰ প্ৰকৃতি, এনে সাহায্য তেওঁলোকৰ বাবে যথেষ্ট হয় নে নহয় আৰু তেওঁলোকে কি কি কাম কৰে।

## 4.7 দৰিদ্ৰতা দূৰীকৰণ আঁচনিসমূহ— এক সমালোচনাত্মক মূল্যায়ন (Poverty Allev-iation Programmes– A Critical Assessment) :

কিছুমান ৰাজ্যত সম্প্ৰতি পৰম দুখীয়া লোকৰ সংখ্যা ৰাষ্ট্ৰীয় গড়তকৈ কম হোৱাটোৱেই সূচায় যে স্বাধীনতাৰ পিছত দৰিদ্ৰতা দূৰীকৰণৰ প্ৰচেষ্টা পোন প্ৰথমবাৰৰ বাবে ফলৱতী হৈছে। দৰিদ্ৰতা দূৰীকৰণৰ বাবে বিভিন্ন আঁচনি আৰু কাৰ্যসূচী থকা সত্ত্বেও ক্ষুধা, পুষ্টিহীনতা, নিৰক্ষৰতা আৰু মৌলিক সা-সুবিধাবোৰৰ অভাৱ এতিয়াও ভাৰতবৰ্ষৰ সৰহ সংখ্যক ৰাজ্যৰে সাধাৰণ বৈশিষ্ট্য হৈ আছে। দৰিদ্ৰতা দূৰীকৰণৰ নীতিসমূহ ক্ষীপ্ৰতাৰে ক্ৰমবিকশিত হৈছে যদিও যোৱা চাৰে পাঁচটা দশকত ইয়াৰ কোনো মৌলিক পৰিৱৰ্তন ঘটা নাই। সময়ে সময়ে আঁচনিবোৰৰ শিৰোনামা পৰিৱৰ্তন, একত্ৰীকৰণ আৰু উৎপৰিৱৰ্তন দেখা যায়। তথাপি সম্পদৰ স্বত্বাধিকাৰ, উৎপাদন-পদ্ধতি আৰু অভাৱীসকলৰ বাবে মৌলিক সা-সুবিধাবোৰৰ উন্নতিৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন একোৱেই সাধিব পৰা নাই। এই কাৰ্যসূচীবোৰৰ মূল্যায়ন কৰি পণ্ডিতসকলে এইবোৰৰ সফল কাৰ্যকৰীকৰণত বাধা প্ৰদান কৰা তিনিটা প্ৰধান উদ্বিগ্নতাৰ ক্ষেত্ৰ আঙুলিয়াই দিছে। ভূমি আৰু অন্যান্য পৰিসম্পদৰ অসমতাপূৰ্ণ বিতৰণৰ বাবে দৰিদ্ৰতা দূৰীকৰণ কাৰ্যসূচীবোৰৰ প্ৰত্যক্ষ সুবিধাসমূহ আৰ্থিকভাৱে স্বচ্ছল লোকে আত্মসাৎ কৰাৰ সুযোগ পাইছে। দৰিদ্ৰতাৰ মাত্ৰাৰ তুলনাত এনে কাৰ্যসূচী বা আঁচনিবোৰত ধাৰ্য কৰা পৰিমাণ যথেষ্ট নহয়। তদুপৰি এই আঁচনিবোৰৰ কাৰ্যকৰীকৰণ প্ৰধানতঃ চৰকাৰী আৰু বেংক বিষয়াসকলৰ ওপৰত নিৰ্ভৰ কৰে। এই বিষয়াসকল প্ৰায়ে কু-অভিপ্ৰায় প্ৰৱণ (ill motivated), কম প্ৰশিক্ষণপ্ৰাপ্ত, শোষণমুখী আৰু স্থানীয় সবল শ্ৰেণীৰ বিভিন্ন চাপৰ প্ৰতি আনুগত্য প্ৰৱণ হোৱা হেতুকে সম্পদবোৰৰ অদক্ষ ব্যৱহাৰ আৰু অপচয় ঘটে। আঁচনিবোৰৰ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত স্থানীয় পৰ্যায়ৰ অনুষ্ঠানবোৰৰ অংশগ্ৰহণ বিমুখতাও দেখা যায়।

দাৰিদ্ৰ্য সীমাৰেখাত নাইবা এই সীমাৰেখাৰ নামমাত্ৰ উৰ্দ্ধত থকা বৃহৎ সংখ্যক আৰ্থিকভাৱে দুৰ্বল লোকক সামৰি লোৱাত চৰকাৰী আঁচনিসমূহো ব্যৰ্থ হৈছে। ইয়াৰ পৰা এইটোও প্ৰমাণিত হয় যে



চিত্ৰ নং 4.7 ঃ পেলনীয়া বস্তু বোটলা লোক; নিয়োগ পৰিকল্পনাৰ অপপৰিচালনাই মানুহক অত্যন্ত নিম্ন আয় অৰ্জন কৰিব পৰা কামৰ বাবে বাধ্য কৰে।

দৰিদ্ৰতা হ্ৰাসকৰণৰ ক্ষেত্ৰত কেৱল মাত্ৰ উচ্চহাৰৰ অৰ্থনৈতিক বৃদ্ধিয়ে যথেষ্ট নহয়। দুখীয়াসকলৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে কোনো আঁচনিৰে সফল ৰূপায়ণ সম্ভৱ নহয়। যেতিয়া সমাজৰ দুখীয়া শ্ৰেণীয়ে সক্ৰিয়ভাৱে জড়িত হৈ অৰ্থনৈতিক বৃদ্ধিৰ প্ৰক্ৰিয়াত অৰিহণা যোগাবলৈ আৰম্ভ কৰিব তেতিয়াহে দৰিদ্ৰতাৰ সমস্যাক ফলপ্ৰসূভাৱে নিৰ্মূল কৰিব পৰা যাব। সামাজিক সমবেতকৰণ, দুখীয়াসকলক অংশগ্ৰহণৰ উৎসাহ প্ৰদান আৰু তেওঁলোকৰ সৱলীকৰণৰ জৰিয়তেহে এইটো সম্ভৱপৰ হ'ব। নিয়োগৰ সুবিধা সৃষ্টিৰ জৰিয়তে আয় বৃদ্ধি, অৰ্হতা তথা স্বাস্থ্য আৰু শিক্ষাৰ বিকাশতো ই সহায়ক হ'ব।

**কক্ষ নং 4.4 ঃ ৰামদাস ক'ৰৱাৰ ক'লৈকো নোযোৱা পথ**
**(Ramdas Korwa's Road to Nowhere)**

চৰকাৰৰ বাবে ৰাচকেথা (Rachketha) গাঁৱৰ ৰামদাস ক'ৰৱাৰ মূল্য 17.44 লাখ টকা হোৱা বুলি জানিও তেওঁ নিজে কোনো প্ৰকাৰে উৎফুল্লিত হ'ব পৰা নাছিল। 1993 চনতে কৰ্তৃপক্ষই জনজাতি উন্নয়নৰ নামত 17.44 লাখ টকা ধাৰ্য কৰি ৰাচকেথা গাঁও সংযোগী তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ প্ৰকল্পৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

ভাৰতবৰ্ষৰ দৰিদ্ৰতম জিলাবোৰৰ অন্যতম 'চাৰগুজা' (Surguja) নামৰ জিলাখনৰ জনসংখ্যাৰ গৰিষ্ঠ 55 শতাংশ (%)ই আছিল জনজাতি সম্প্ৰদায়ৰ। আৰু ইয়াৰে ভিতৰত চৰকাৰীভাৱে আদিম জনজাতিৰ সূচীভুক্ত পাহাৰী ক'ৰৱা সম্প্ৰদায়ৰ লোকসকল হৈছে দৰিদ্ৰ সীমাৰেখাৰ তলৰ নিম্নতম 5 শতাংশ (%)ৰ অন্তৰ্ভুক্ত। এওঁলোকৰ উন্নয়নৰ বাবে প্ৰায়ে বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন হোৱা কিছুমান বিশেষ প্ৰচেষ্টা চলাই থকা হৈছে। পাহাৰী ক'ৰৱা প্ৰকল্প নামৰ কেন্দ্ৰীয় পুঁজিৰে চালিত একমাত্ৰ আঁচনিৰ পাঁচ বছৰৰ বাবে ধাৰ্য কৰা ধনৰ পৰিমাণ হ'ল 42 কোটি টকা। চাৰগুজা জিলাতেই পাহাৰী ক'ৰৱা জনজাতিৰ লোকৰ সংখ্যা সৰ্বাধিক প্ৰায় 15000 জন। অৱশ্যে বিভিন্ন ৰাজনৈতিক কাৰণত এই পথ প্ৰকল্পৰ মূল ঘাঁটি হৈছে ৰায়গড় জিলাত। কিন্তু ৰাচকেথা গাঁৱলৈ পাহাৰী ক'ৰৱা পথ নিৰ্মাণৰ ক্ষেত্ৰত দেখা দিয়া এটা সমস্যা হৈছিল এয়ে যে গাঁওখনত একমাত্ৰ ৰামদাস ক'ৰৱাৰ পৰিয়ালৰ বাহিৰে আন কোনো পাহাৰী ক'ৰৱা জনজাতিৰ পৰিয়াল নাছিল। এই সম্পৰ্কে এটা অনা-চৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ এগৰাকী কৰ্মীয়ে কয় যে— 'এইবোৰে পাহাৰী ক'ৰৱাসকলক সামান্যতমো উপকৃত নকৰিলেও আৰু সম্পূৰ্ণৰূপে অৰ্থহীন হ'লেও একো কথা নাই। কিয়নো ইয়াত যদি আনকি এটা চুইমিং পুল আৰু এটা বঙলা সাজা, তাকো জনজাতি উন্নয়নৰ নামত কৰা।" (It does not matter if these don't benefit the Pahadi Korwas in the least and are completely useless. Out of here if you put up a swiming pool and a bunglow, you do it in the name of tribal development.) ৰামদাস ক'ৰৱাৰ পুত্ৰ ৰাম অৱতাৰ ক'ৰৱাই কয়— "ৰাচকেথা গাঁৱত প্ৰকৃতাৰ্থত কোনো পাহাৰী ক'ৰৱা জনজাতিৰ লোকৰ বসতি আছে নে নাই তাৰ বিচাৰৰ বাবে কাৰো উদ্বেগ নাছিল আৰু ইয়াত ইতিমধ্যে এটা কেঁচা পথ আছেই।" তেওঁলোকে তাত মাত্ৰ কিছু ৰঙা মাটি দিলে। 17.44 লাখ টকা খৰচ কৰাৰ পিছত আনকি আজিও এইটো এটা পকী পথ নহয়।

রামদাস ক'ৰৱাৰ চাহিদা অতিশয় সৰল। তেওঁ কয়— "মোক যি লাগে সি হ'ল অলপ পানী। পানীৰ অবিহনে আমি কেনেকৈ কৃষি কাৰ্য কৰিব পাৰো?" আমি বাৰাম্বাৰ সোধাত তেওঁ আকৌ ক'লে— "17.44 লাখ টকা সেই পথটোত ব্যয় কৰাৰ পৰিৱৰ্তে যদি তেওঁলোকে কেইহাজাৰমান টকা মোৰ মাটিৰ ভঁগা কুৰাটো ভাল কৰিবলৈ ব্যয় কৰিলেহেঁতেন সেইটো ভাল নহ'লহেঁতেন জানো? ভূমিৰ কিছু উন্নতি সাধনো প্ৰয়োজনীয়, কিন্তু তেওঁলোকে আমাক অলপ পানী দি আৰম্ভ কৰক।"

ৰামদাসৰ সমস্যাসমূহক আওকাণ কৰা হৈছিল। এটা "নিৰ্দিষ্ট লক্ষ্য পূৰণ" কৰাটোৱে আছিল চৰকাৰৰ সমস্যা। এগৰাকী চৰকাৰী বিষয়াই ব্যংগাত্মক মন্তব্য কৰিছে এনেদৰে ঃ যদিহে মুদ্ৰা মাথোন বেংকত স্থায়ী জমা হিচাপত ৰখা হ'লহেঁতেন, পাহাৰী ক'ৰৱা পৰিয়াল বিলাকৰ কোনোৱেই ভৱিষ্যতে কেতিয়াও কাম কৰাৰ প্ৰয়োজন নহ'লহেঁতেন। কেৱল মাত্ৰ সুতৰ পৰিমাণে চাৰগুজাৰ হিচাপত তেওঁলোকৰ অৱস্থা উন্নত কৰিলেহেঁতেন।"

ৰামদাসৰ প্ৰকৃত প্ৰয়োজনীয়তা কি, তেওঁৰ সমস্যাবোৰ কি সেই সম্পৰ্কে তেওঁক সোধাৰ বা সেইবোৰ সমাধানৰ ক্ষেত্ৰত তেওঁক জড়িত কৰাৰ কথা কোনেও ভবা নাছিল। ইয়াৰ পৰিৱৰ্তে তেওঁৰ নামত মুঠ 17.44 লাখ টকা ব্যয় কৰি এটা পথ নিৰ্মাণ কৰিলে যিটো তেওঁ কোনোদিনে ব্যৱহাৰ নকৰে। তেওঁৰ ক'লৈকো নোযোৱা পথ অভিমুখে সমভূমিৰ মাজৰ যাত্ৰাত দুই কিলোমিটাৰ ভ্ৰমণ কৰোঁতে ৰামদাসে কৈছিল— "মহাশয়, অনুগ্ৰহ কৰি মোৰ পানীৰ সমস্যাটো সম্পৰ্কে কিবা এটা কৰক।"


উৎস ঃ P. Sainath, 1996, Everybody Loves a Good Drought : Stories from India's Poorest Districts, Penguin Books, New Delhi ৰ পৰা উদ্ধৃত।

তদুপৰি দাৰিদ্ৰ্য পীড়িত অঞ্চলবোৰ চিনাক্ত কৰি সেইবোৰত বিভিন্ন আন্তঃগাঁথনি, যেনে— শিক্ষানুষ্ঠান ৰাস্তা-ঘাট, শক্তি যোগান, দূৰ-সংযোগ, তথ্য প্ৰযুক্তি সেৱা, প্ৰশিক্ষণ প্ৰতিষ্ঠান আদিৰ সুবিধা প্ৰদান কৰাটো প্ৰয়োজনীয়।

## 4.8 সামৰণি (Conclusion) :

স্বাধীনতা লাভৰ পৰা এতিয়ালৈ আমি প্ৰায় ছয়টা দশক অতিক্ৰম কৰিলোঁ। সমতা আৰু সামাজিক ন্যায়ৰ ভিত্তিত দ্ৰুত আৰু সন্তুলিত অৰ্থনৈতিক উন্নয়ন সাধন কৰাটোৱেই আমাৰ সকলো নীতিৰ উদ্দেশ্য বুলি কোৱা হৈছে। ক্ষমতাত যি চৰকাৰে নাথাকক কিয়, নীতি নিৰ্ধাৰকসকলে দৰিদ্ৰতা দূৰীকৰণৰ বিষয়টোক ভাৰতবৰ্ষৰ প্ৰধান প্ৰত্যাহ্বানবোৰৰ অন্যতম বুলি গণ্য কৰি আহিছে। দেশত পৰম দৰিদ্ৰ লোকৰ সংখ্যা সামগ্ৰিকভাৱে হ্ৰাস পাইছে আৰু কিছুমান ৰাজ্যত দৰিদ্ৰৰ অনুপাত ৰাষ্ট্ৰীয় গড়তকৈ তলত আছে। তথাপি সমালোচকসকলে আঙুলিয়াই দিছে যে এনে আঁচনিবোৰত বৃহৎ পৰিমাণৰ সম্পদ ধাৰ্য আৰু ব্যয় কৰা সত্ত্বেও আমি এতিয়াও উপনীত হ'ব লগা মূল লক্ষ্যৰ পৰা বহু পিছ পৰি আছোঁ। অৱশ্যে,

জনমূৰি আয় আৰু জীৱন ধাৰণৰ মান হিচাপত কিছু পৰিমাণে উন্নতি হৈছে। প্ৰাথমিক প্ৰয়োজনীয়তাসমূহ পূৰণৰ ক্ষেত্ৰতো কিছু প্ৰগতি লাভ কৰা হৈছে। তথাপি অন্যান্য দেশৰ অগ্ৰগতিৰ তুলনাত আমাৰ এই সাফল্য উৎসাহজনক নহয়। তদুপৰি উন্নয়নৰ সুফলসমূহে সমাজৰ সকলো স্তৰৰ জনসাধাৰণক এতিয়াও সমানে স্পৰ্শ কৰিব পৰা নাই। সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত আমাৰ দেশৰ জনসাধাৰণৰ কিছু অংশ, অৰ্থ ব্যৱস্থাৰ কিছু খণ্ড আৰু কিছু অঞ্চলে আনকি উন্নত দেশসমূহৰ লগত ফেৰ মাৰিব পৰা হৈছে; তথাপি, এতিয়াও দাৰিদ্ৰ্যৰ কুটিল পাকচক্ৰৰ পৰা ওলাই আহিবলৈ সক্ষম নোহোৱা অন্য বহু লোক আছে।



**পুনৰুক্তি (Recap)**

- দৰিদ্ৰতা দূৰীকৰণ ভাৰতবৰ্ষৰ উন্নয়ন কৌশলসমূহৰ প্ৰধান উদ্দেশ্যবোৰৰ অন্যতম।
- এটা নিম্নতম অনা খাদ্য ব্যয়ৰ সৈতে গড় হিচাপত গ্ৰাম্যাঞ্চলত জনমূৰি 2400 কেলৰি আৰু চহৰ অঞ্চলত 2100 কেলৰি দৈনিক খাদ্যৰ প্ৰয়োজনীয়তাৰ ব্যয়ক পৰম দাৰিদ্ৰ্য বা দাৰিদ্ৰ্য ৰেখা বোলা হয়।
- সৰ্বমুঠ দুখীয়া লোকৰ সংখ্যা আৰু এওঁলোকৰ অনুপাত তুলনা কৰি আমি দৰিদ্ৰতাৰ বিভিন্ন স্তৰৰ তথা বিভিন্ন ৰাজ্য আৰু বিভিন্ন সময়ত ইয়াৰ বিতৰণৰ আভাস পাব পাৰো।
- ভাৰতত দুখীয়া লোকৰ সংখ্যা আৰু মুঠ জনসংখ্যাত এওঁলোকৰ অনুপাত উল্লেখযোগ্য পৰিমাণে হ্ৰাস পাইছে। 1990ৰ দশকত পোন প্ৰথমবাৰৰ বাবে চৰম দৰিদ্ৰতাত ভোগা লোকৰ সংখ্যা হ্ৰাস পাইছে।
- গৰিষ্ঠ সংখক দৰিদ্ৰ লোক গাঁও অঞ্চলত বাস কৰে আৰু তেওঁলোক নৈমিত্তিক আৰু পাৰদৰ্শিতাৰহিত কৰ্মত নিয়োজিত।
- দৰিদ্ৰতা নিৰ্দ্ধাৰণৰ বাবে গ্ৰহণ কৰা আয় আৰু ব্যয় ভিত্তিক ব্যৱস্থাবোৰে দুখীয়াসকলৰ অন্যান্য বহু গুৰুত্বপূৰ্ণ বৈশিষ্ট্যক গণ্য নকৰে।
- ভাৰতবৰ্ষত দৰিদ্ৰতা দূৰীকৰণ আৰু নিম্নতম প্ৰয়োজন পূৰণৰ বাবে বহু বছৰ ধৰি চৰকাৰে তিনিটা উপায় অৱলম্বন কৰি আহিছে ঃ বৃদ্ধিমুখী উন্নয়ন, বিশেষ দৰিদ্ৰতা দূৰীকৰণ আঁচনি আৰু দুখীয়াসকলৰ নিম্নতম প্ৰয়োজনসমূহ পূৰণ।
- চৰকাৰী উদ্যোগসমূহ পৰিসম্পদৰ স্বত্বাধিকাৰ আৰু উৎপাদন পদ্ধতিত পৰিৱৰ্তন অনাত আৰু দুখীয়া সকলৰ মৌলিক সা-সুবিধাসমূহ প্ৰদান কৰাত এতিয়াও পিছ পৰি আছে।



## অনুশীলনী (Exercise)

1) দৰিদ্ৰতাৰ সংজ্ঞা দিয়া।

2) ‘কামৰ বাবে খাদ্য’ কাৰ্যসূচীয়ে কি বুজায়?

3) গাঁও আৰু নগৰ অঞ্চল প্ৰত্যেকৰে স্ব-নিয়োগৰ সুবিধাৰ এটাকৈ উদাহৰণ দিয়া।

4) আয় উপাৰ্জনকাৰী পৰিসম্পদৰ সৃষ্টিয়ে কেনেদৰে দৰিদ্ৰতাৰ সমস্যা সমাধান কৰিব পাৰে?

5) দৰিদ্ৰতা দূৰীকৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা ত্ৰি-মাত্ৰিক (three diamensional) ব্যৱস্থা সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰা।

6) বয়োজ্যেষ্ঠ লোক, দৰিদ্ৰ আৰু নিঠৰুৱা মহিলাসকলৰ সহায়ৰ বাবে চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে?

7) নিয়োগহীনতা আৰু দৰিদ্ৰতাৰ মাজত কিবা সম্পৰ্ক আছে বুলি তুমি ভাবানে? ব্যাখ্যা কৰা।

8) আপেক্ষিক দৰিদ্ৰতা আৰু পৰম দৰিদ্ৰতাৰ মাজত পাৰ্থক্য কি?

9) ধৰি লোৱা হ’ল তুমি এটা দুখীয়া পৰিয়ালৰ সদস্য আৰু তুমি চৰকাৰী সাহায্যৰে এখন সৰু দোকান আৰম্ভ কৰিবলৈ ইচ্ছা কৰিছা। এই ক্ষেত্ৰত সাহায্যৰ বাবে তুমি কোনখন আঁচনিৰ অধীনত আবেদন কৰিবা আৰু কিয় কৰিবা?

10) গ্ৰাম্য দৰিদ্ৰতা আৰু নগৰীয়া দৰিদ্ৰতাৰ মাজৰ পাৰ্থক্য বুজাই দিয়া। গাঁৱৰ পৰা নগৰ অঞ্চললৈ দৰিদ্ৰতাই স্থান সলনি কৰিছে বুলি কোৱা কথাষাৰ সঁচানে? দৰিদ্ৰতাৰ অনুপাতৰ গতিধাৰাৰ ভিত্তিত তোমাৰ উত্তৰ প্ৰতিপন্ন কৰা।

11) ভাৰতবৰ্ষৰ কিছুমান ৰাজ্যৰ দাৰিদ্ৰ্যৰ সীমা ৰেখাৰ তলত থকা জনসংখ্যাৰ তথ্যৰ সহায়ত আপেক্ষিক দৰিদ্ৰতাৰ ধাৰণাটো ব্যাখ্যা কৰা।

12) ধৰি লোৱা হ’ল, তুমি এখন গাঁৱৰ বাসিন্দা। ইয়াৰ দৰিদ্ৰতাৰ সমস্যা নিয়ন্ত্ৰণৰ বাবে কেইটামান ব্যৱস্থাৰ পৰামৰ্শ দিয়া।

## ওপৰঞ্চি কাৰ্যৰ পৰামৰ্শ (Suggested Additional Activities)

1) তোমালোকৰ এলেকাৰ 30 গৰাকী ব্যক্তিৰ পৰা তেওঁলোকৰ বিভিন্ন সামগ্ৰীৰ দৈনিক ভোগ সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰা। তাৰ পিছত আপেক্ষিক আৰ্থিক স্বচ্ছলতা আৰু দুৰৱস্থাৰ ভিত্তিত ব্যক্তিসকলৰ স্থান নিৰূপণ কৰা আৰু ইয়াৰ দ্বাৰা আপেক্ষিক দৰিদ্ৰতাৰ মাত্ৰা নিৰ্ণয় কৰা।

2) চাৰিটা নিম্ন আয়ৰ পৰিয়ালে তলৰ তালিকাভুক্ত বিভিন্ন সামগ্ৰীৰ বাবে কৰা খৰচসমূহৰ টকাৰ মানত তথ্য সংগ্ৰহ কৰি তালিকাখন পূৰ্ণ কৰা। তোমাৰ এই অনুসন্ধানৰ বিশ্লেষণ আগবঢ়োৱা আৰু আন পৰিয়ালৰ তুলনাত আপেক্ষিকভাৱে দুখীয়া পৰিয়ালটো বাছি উলিওৱা। প্ৰতিমাহে জনমূৰি 500 টকা ব্যয়ত দাৰিদ্ৰ্য সীমাৰেখা ধৰি লৈ, পৰম দৰিদ্ৰ লোকৰ সংখ্যা নিৰ্ধাৰণ কৰা।

| সামগ্ৰীসমূহ | পৰিয়াল-ক | পৰিয়াল-খ | পৰিয়াল-গ | পৰিয়াল-ঘ |
|---|---|---|---|---|
| ঘেঁহু/চাউল | | | | |
| খোৱা তেল | | | | |
| চেনি | | | | |
| বিদ্যুৎ/প্ৰজ্বলক | | | | |
| ঘিউ | | | | |
| বস্ত্ৰ | | | | |
| ঘৰভাৰা | | | | |

3) তলৰ তালিকাখনত সামগ্ৰিকভাৱে ভাৰতবৰ্ষ আৰু দিল্লীৰ বস্তি অঞ্চলত ভোগৰ বিভিন্ন সামগ্ৰীত কৰা জনমূৰি মাহিলী গড় ব্যয়ক শতাংশ হিচাপে দেখুওৱা হৈছে। গ্ৰাম্যঞ্চলত চাউল আৰু ঘেঁহুত 25% ব্যয় কৰা হৈছে মানে ইয়াকে বুজাইছে যে ব্যয় কৰা প্ৰতি 100.00 টকাৰ 25.00 টকা খৰচ কৰা হৈছে কেৱল মাত্ৰ চাউল আৰু ঘেঁহু ক্ৰয় কৰা কাৰ্যত। তালিকাখন পঢ়া আৰু তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ কৰা।

| সামগ্ৰীসমূহ | ভাৰতবৰ্ষ | | দিল্লীৰ বস্তি অঞ্চল |
|---|---|---|---|
| | গ্ৰামাঞ্চল | নগৰাঞ্চল | |
| চাউল আৰু ঘেঁহু | 25.0 | 35.9 | 28.7 |
| মাহ জাতীয় শস্য আৰু ইয়াৰ প্ৰস্তুত সামগ্ৰী | 5.7 | 6.1 | 9.9 |
| গাখীৰ আৰু গাখীৰৰ পৰা তৈয়াৰী সামগ্ৰী | 17.4 | 14.1 | 10.3 |
| শাক-পাচলি আৰু ফলমূল | 15.1 | 12.7 | 19.6 |
| মাংস, মাছ আৰু কণী | 6.3 | 5.3 | 13.1 |
| চেনি | 3.3 | 3.8 | 4.0 |
| নিমখ আৰু মছলা | 10.8 | 10.8 | 8.1 |
| অন্যান্য খাদ্য সামগ্ৰী | 16.5 | 11.3 | 6.4 |
| মুঠ ঃ সকলো খাদ্য সামগ্ৰী | 100.0 | 100.0 | 100.0 |
| সকলো সামগ্ৰীৰ শতাংশ (%) হিচাপত খাদ্য সামগ্ৰীৰ ওপৰত কৰা ব্যয় | 62.9 | 72.2 | 72.8 |

- উল্লিখিত বিভিন্ন শ্ৰেণীৰ লোকে খাদ্য সামগ্ৰীত শতকৰা হিচাপে কৰা ব্যয় আৰু ইবিলাকৰ অগ্ৰাধিকাৰৰ মাজত তুলনা কৰা।
- বস্তি অঞ্চলৰ পৰিয়ালসমূহ চাউল আৰু ঘেঁহু তথা মাহ জাতীয় শস্যৰ ওপৰত অধিক নিৰ্ভৰশীল বুলি তুমি ভাবানে?
- বিভিন্ন অঞ্চলত বাস কৰা লোকসকলে কোনবিধ সামগ্ৰীত আটাইতকৈ কম খৰচ কৰে? এই ক্ষেত্ৰত তেওঁলোকৰ তুলনা কৰা।
- বস্তিবাসীসকলে মাংস, মাছ আৰু কণীত অধিক গুৰুত্ব প্ৰদান কৰে বুলি ভাবানে?



## প্ৰসঙ্গ (References)


### গ্ৰন্থ

DANDEKAR V.M. & NILAKANTHA RATH. 1971. Poverty in India, Indian School of Political Economy, Pune.

DREZE JEAN, AMARTYA SEN & AKHTAR HUSAIN (Eds.) 1995. The Political Economy of Hunger, Clarendon Press, Oxford.

NAOROJI DADABHAI, 1906 Poverty and Un-British Rule in India, Publication Division, Ministry of Information and Broadcasting, GOI, 2nd Edition, New Delhi.

SAINATH P. 1996, Everybody Loves a Good Drought : Stories from India's Poorest Districts, Penguin Books, New Delhi.

SEN AMARTYA 1999, Poverty and Famines : An Essay on Entitlement and Deprivation, Oxford University Press, New Delhi.

SUBRAMANIAM S (Ed.) 2001, India's Development Experience : Selected writings of S. Guhan, Oxford University Press, New Delhi.

### প্ৰবন্ধ

KUMAR NAVEEN & S.C. AGGARWAL, 2003, ''Pattern of Consumption and Poverty in Delhi Slums''; Economic and Political Weekly, December 13, PP 5294-5300.

MINHAS B.S., L.R. JAIN AND S.D. TENDULKAR 1991 'Declining Incidence of Poverty in the 1980s–Evidence versus Artefacts, Economic and Political Weekly, July 6-13.'

### চৰকাৰী প্ৰতিবেদন

Report of the Expert Group of the Estimation of Proportion and Number of poor, Perspective Planning Division, Planning Commission, GOI, New Delhi.

Economic Survey, 2004–05 Ministry of Finance, GOI.

Tenth Five Year Plan 2002–2007, Vol.II Sectoral Policies and Programmes, Planning Commission, GOI, New Delhi.

# 5

## পঞ্চম অধ্যায়

# ভাৰতত মানৱ মূলধন গঠন

## (HUMAN CAPITAL FORMATION IN INDIA)

**এই অধ্যায়টো পঢ়াৰ পিছত, ছাত্ৰ-ছাত্ৰীসকলে—**

- মানৱ সম্পদ, মানৱ মূলধন গঠন আৰু মানৱ উন্নয়নৰ ধাৰণাসমূহ জানিব পাৰিব।
- মানৱ মূলধনত বিনিয়োগ, অৰ্থনৈতিক বৃদ্ধি আৰু মানৱ উন্নয়নৰ মাজৰ সম্পৰ্ক বুজি পাব।
- শিক্ষা আৰু স্বাস্থ্যত চৰকাৰী ব্যয়ৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজি পাব।
- ভাৰতত শৈক্ষিক সাফল্যৰ অৱস্থা সম্পৰ্কে জানিব।

"..... শিক্ষাৰ নামত কৰা ব্যক্তিগত আৰু চৰকাৰী ব্যয়ৰ সুবিধা-অসুবিধা (Wisdom) ইয়াৰ পৰা পোৱা পোনপটীয়া সুফলৰ জৰিয়তে মাত্ৰ হিচাপ কৰিব পৰা নাযায়। জনসাধাৰণে সাধাৰণতে নিজাববীয়াকৈ লাভ কৰা সুযোগতকৈ অধিক সুযোগ দিব পাৰিলেহে মাথোন বিনিয়োগ হিচাপে ই লাভজনক হ'ব। কাৰণ এই উপায়েৰে অজ্ঞানী হৈয়ে মৰিবলগীয়া বহুতে তেওঁলোকৰ সুপ্ত সামৰ্থ্য বিকশিত কৰিবলৈ সক্ষম হৈছে।"

—আলফ্ৰেড মাৰ্চাল

("... the wisdom of expending public and private funds on education is not to be measured by its direct fruits alone. It will be profitable as a mere investment, to give the masses of people much greater opportunities than they can generally avail themselves of. For by this means, who would have died unknown, are enabled to get the start needed for bringing out their latent abilities".)

–Alfred Marshall

## 5.1 সূচনা (Introduction) :

মানৱ জাতিৰ বিকাশত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধন কৰা এক উপাদানৰ বিষয়ে ভাবাচোন। বোধহয় এইটো হ'ব কথোপকথন, গীতমাত আৰু বিতং বক্তৃতাৰ জৰিয়তে আহৰণ কৰা জ্ঞানক সাঁচি ৰখা আৰু প্ৰেৰণ কৰিব পৰা মানুহৰ ক্ষমতা। কিন্তু মানুহে অচিৰেই বুজি পাইছিল যে দক্ষভাৱে কাৰ্য সম্পাদন কৰিবলৈ আমাক যথেষ্ট পৰিমাণৰ নিপুণতা আৰু প্ৰশিক্ষণৰ প্ৰয়োজন। আমি জানো যে এজন শিক্ষিত ব্যক্তিৰ শ্ৰম নিপুণতা অশিক্ষিত ব্যক্তি এজনৰ তুলনাত বেছি; সেয়েহে তেওঁ বেছি আয় উপাৰ্জন কৰিবলৈ সক্ষম আৰু অৰ্থনৈতিক বৃদ্ধিত তেওঁৰ অৱদানো




চিত্ৰ 5.1 ঃ কৃষকৰ উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণে কৃষিক্ষেত্ৰৰ উৎপাদন বৃদ্ধি কৰে।

বেছি। শিক্ষা আহৰণ কৰিব খোজাৰ এইটোৱে কাৰণ নহয় যে ই মানুহক বেছি আয় উপাৰ্জন কৰিব পৰা ক্ষমতা প্ৰদান কৰে; ইয়াৰ আন গুৰুত্বপূৰ্ণ লাভালাভো আছে। শিক্ষাই এজন ব্যক্তিক উচ্চতৰ সামাজিক অৱস্থান আৰু গৰ্ব দিয়ে; জীৱনত নিৰ্বাচন কৰাৰ ক্ষমতা প্ৰদান কৰে, সমাজত হোৱা পৰিৱৰ্তনবোৰ বুজি পাবলৈ জ্ঞান দিয়ে আৰু ই উদ্ভাৱনী শক্তি বৃদ্ধি কৰে। তদুপৰি শিক্ষিত শ্ৰমিকৰ প্ৰাচুৰ্যই নতুন কৌশল প্ৰয়োগ সহজসাধ্য কৰে। শিক্ষাই অৰ্থনৈতিক উন্নয়ন প্ৰক্ৰিয়া দ্ৰুততৰ কৰে কাৰণে অৰ্থনীতিবিদসকলে শিক্ষাৰ সম্প্ৰসাৰণত গুৰুত্ব প্ৰদান কৰি আহিছে।

## 5.2 মানৱ মূলধন কি ? (What is Human Capita?) :

এখন দেশে ভূমিৰ দৰে ভৌতিক সম্পদক কাৰখানাৰ দৰে মূলধনলৈ যেনেকৈ ৰূপান্তৰিত কৰিব পাৰে, ঠিক তেনেকৈ ছাত্ৰ বা ছাত্ৰীৰ দৰে মানৱ সম্পদক ডাক্তৰ বা ইঞ্জিনীয়াৰৰ দৰে মানৱ মূলধনলৈ পৰিৱৰ্তন কৰিব পাৰে। প্ৰথমতে, সমাজত পৰ্যাপ্ত পৰিমাণে পাৰদৰ্শী ব্যক্তিৰ ৰূপত মানৱ মূলধন লাগে যিয়ে অধ্যাপক বা অন্য পদাধিকাৰী হিচাপে নিজকে শিক্ষিত আৰু প্ৰশিক্ষিত কৰি গঢ়ি তুলিছে। আন কথাত ক'বলৈ হ'লে অন্য মানৱ মূলধন (যেনে ডাক্তৰ, ইঞ্জিনীয়াৰ ........) উৎপাদন কৰিবলৈ আমাক ভাল মানৱ মূলধনৰ প্ৰয়োজন। এইটোৱে বুজায় যে মানৱ সম্পদৰ পৰা আৰু বেছি মানৱ মূলধন তৈয়াৰ কৰিবলৈ হ'লে মানৱ মূলধন গঠনৰ বাবে আমাক বিনিয়োগৰ প্ৰয়োজন।

তলৰ প্ৰশ্নকেইটি উপস্থাপনৰ জৰিয়তে মানৱ মূলধননো কি তাক আৰু ভালকৈ বুজা যাওক ঃ

i) মানৱ মূলধনৰ উৎসসমূহ কি কি ?

ii) এখন দেশৰ অৰ্থনৈতিক বৃদ্ধিৰ লগত মানৱ মূলধনৰ সম্পৰ্ক আছে নে ?

iii) মানৱ মূলধন গঠনৰ সৈতে মানুহৰ সৰ্বদিশৰ উন্নয়ন, যাক আজিকালি মানৱ উন্নয়ন বুলি কোৱা হয়, তাৰ সম্পৰ্ক আছেনে ?

iv) ভাৰতত মানৱ মূলধন গঠনত চৰকাৰে কি ভূমিকা গ্ৰহণ কৰিব পাৰে ?

## 5.3 মানৱ মূলধনৰ উৎস (Sources of Human Capital) :

শিক্ষাত কৰা বিনিয়োগক মানৱ মূলধনৰ অন্যতম উৎস হিচাপে বিবেচনা কৰা হয়। ইয়াৰ অন্যান্য বহুতো উৎসও আছে। স্বাস্থ্য, বৃত্তিত প্ৰশিক্ষণ, প্ৰব্ৰজন আৰু তথ্য সৰবৰাহৰ বাবে কৰা বিনিয়োগ আদি হ'ল মানৱ মূলধনৰ অন্যান্য উৎস।

তোমাৰ পিতৃ-মাতৃয়ে শিক্ষাত কিয় খৰচ কৰে ? এজন ব্যক্তিয়ে শিক্ষাৰ নামত খৰচ কৰা কথাটো এটা কোম্পানীয়ে নিৰ্দিষ্ট সময়ৰ ভিতৰত ভৱিষ্যৎ লাভ অৰ্জনৰ উদ্দেশ্য আগত ৰাখি মূলধন জাতীয় সম্পদত বিনিয়োগ কৰাৰ দৰেই কথা। ব্যক্তিয়ে শিক্ষাত খৰচ কৰে ভৱিষ্যতে তেওঁলোকৰ আয় বৃদ্ধিৰ উদ্দেশ্য আগত ৰাখি।

**কৰি চোৱা ঃ**

- বিভিন্ন অৱস্থাৰ তিনিটা পৰিয়াল বাছি লোৱা (i) অতি দুখীয়া (ii) মধ্য বিত্ত আৰু (iii) ঐশ্বৰ্যশালী। এতিয়া এই পৰিয়ালকেইটিয়ে ল'ৰা আৰু ছোৱালী শিশুৰ শিক্ষাৰ নামত কৰা বিনিয়োগৰ ধৰণ সম্পৰ্কে অধ্যয়ন কৰা।



শিক্ষাৰ দৰে স্বাস্থ্যকো এটা জাতিৰ উন্নয়নৰ এক গুৰুত্বপূৰ্ণ উপাদান হিচাপে বিবেচনা কৰা হয়। ব্যক্তিৰ উন্নয়নত স্বাস্থ্য যেনেকৈ দৰকাৰী, জাতিৰ উন্নয়নৰ বেলিকাও ই দৰকাৰী।

কোনে ভালকৈ কাম কৰিব পাৰে— এজন ৰুগ্ন ব্যক্তিয়ে নে সুস্থ সবল ব্যক্তিয়ে? স্বাস্থ্য সেৱাৰ সুবিধাৰ পৰা বঞ্চিত এজন ৰুগ্ন শ্ৰমিক কামত অনুপস্থিত থাকিবলৈ বাধ্য। যাৰ ফলত উৎপাদন হ্ৰাস পায়। সেই কাৰণে স্বাস্থ্যত ব্যয় কৰা মানে মানৱ মূলধন গঠনত ব্যয় কৰা আৰু এই ব্যয় অতি প্ৰয়োজনীয়। প্ৰতিষেধক ঔষধ (যেনে— টীকাকৰণ), আৰোগ্যকাৰী ঔষধ (বেমাৰৰ সময়ত প্ৰয়োগ কৰা ঔষধ আৰু চিকিৎসা বিধান), সামাজিক ঔষধ (স্বাস্থ্য সম্বন্ধীয় সাক্ষৰতাৰ প্ৰসাৰ), বিশুদ্ধ খোৱা পানীৰ যোগান, ভাল অনাময় ব্যৱস্থা (Sanitation) আদিয়ে হ'ল বিভিন্ন প্ৰকাৰৰ স্বাস্থ্য ক্ষেত্ৰৰ ব্যয়। স্বাস্থ্যত কৰা ব্যয়ে স্বাস্থ্যৱান শ্ৰমশক্তিৰ যোগান বৃদ্ধি কৰে আৰু মানৱ মূলধন গঠনৰ উৎস হৈ পৰে।



ব্যৱসায়িক প্ৰতিষ্ঠান বিলাকে তেওঁলোকৰ কৰ্মচাৰী সকলক বৃত্তিত প্ৰশিক্ষণ দিয়াৰ বাবদ খৰচ কৰে। এইবোৰ বিভিন্ন ধৰণৰ হ'ব পাৰে। 1) প্ৰতিষ্ঠানটোৰ ভিতৰতে এজন কুশলী শ্ৰমিকৰ দ্বাৰা অইন শ্ৰমিকসকলক প্ৰশিক্ষণ দিব পাৰে। 2) শ্ৰমিকসকলক কোনো ঠাইলৈ



প্ৰশিক্ষণৰ বাবে পঠিয়াব পাৰে। দুয়োটা ক্ষেত্ৰতে প্ৰতিষ্ঠান এটিয়ে খৰচ বহন কৰিব লাগে। প্ৰতিষ্ঠানবিলাকে প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মীসকলক নিৰ্ধাৰিত সময়ৰ বাবে কাম কৰাটো বিচাৰিব যাতে এই সময়ছোৱাত প্ৰশিক্ষণৰ ফলশ্ৰুতিত হোৱা উৎপাদনশীলতা বৃদ্ধিৰ জৰিয়তে লাভালাভ আদায় কৰিব পাৰে। বৃত্তিত প্ৰশিক্ষণৰ বাবে কৰা খৰচক মানৱ মূলধন গঠনৰ উৎস বুলি ধৰিব পাৰি। কিয়নো এনে প্ৰশিক্ষণে শ্ৰমিকৰ দক্ষতা বৃদ্ধি কৰে আৰু ইয়াৰ ফলত উৎপাদন বাঢ়ে। এই বৃদ্ধিৰ পৰিমাণ প্ৰশিক্ষণত হোৱা ব্যয়তকৈ বেছি।

মানুহে প্ৰব্ৰজন কৰে নিজৰ ঠাইতকৈ বেছি আয়ৰ কাম পোৱাৰ আশাত। ভাৰতত গাঁৱৰ পৰা চহৰলৈ হোৱা প্ৰব্ৰজনৰ অন্যতম কাৰণ হ'ল নিবনুৱা সমস্যা। কাৰিকৰীভাৱে শিক্ষিত লোক যেনে— ডাক্তৰ, ইঞ্জিনীয়াৰসকলে অন্য দেশলৈ প্ৰব্ৰজন কৰাৰ উদ্দেশ্যও বেছি দৰমহাৰ সুযোগ। দুয়োবিধ প্ৰব্ৰজনতে নিহিত আছে যাতায়াতৰ ব্যয়, নতুন ঠাইত বসবাসৰ উচ্চ ব্যয় আৰু জটিল সামাজিক সাংস্কৃতিক অৱস্থাত জীৱন যাপন কৰাৰ মানসিক কষ্ট। নতুন ঠাইত অৰ্জন কৰা উচ্চ আয়ৰ গুৰুত্ব এনে খৰচৰ তুলনাত অধিক। সেয়েহে প্ৰব্ৰজনৰ বাবে হোৱা খৰচো মানৱ মূলধন গঠনৰ উৎস।

## কক্ষ 5.1 ঃ ভৌতিক আৰু মানৱ মূলধন (Physical and Human Capital)

দুয়োবিধ মূলধনে সচেতন বিনিয়োগৰ ফলশ্ৰুতি। ভৌতিক মূলধনৰ সম্পৰ্কে বিনিয়োগৰ সিদ্ধান্ত লোৱা হয় এই বিষয়ে জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি। এজন উদ্যোগীৰ বিভিন্ন বিনিয়োগৰ পৰা হ'ব পৰা প্ৰত্যাশিত প্ৰতিদানৰ গণনা সম্পৰ্কে জ্ঞান আছে আৰু ইয়াৰ ভিতৰত ক'ত বিনিয়োগ কৰিলে ভাল হ'ব সেই সম্বন্ধে যুক্তিসন্মতভাৱে সিদ্ধান্ত লয়। ভৌতিক মূলধনৰ গৰাকীস্বত্ব নিৰ্ভৰ কৰে গৰাকীজনৰ সচেতন সিদ্ধান্তৰ ওপৰত আৰু ভৌতিক মূলধন গঠন প্ৰক্ৰিয়াটো মূলতঃ এক অৰ্থনৈতিক আৰু কাৰিকৰী প্ৰক্ৰিয়া। মানৱ মূলধনৰ বেছি অংশই গঠন হয় ইয়াৰ গৰাকীজনে ভৱিষ্যতে ইয়াৰ পৰা আৰ্জিত হ'ব লগা আয় সম্পৰ্কে সিদ্ধান্ত ল'ব নোৱৰা অৱস্থাতে। সমাজ আৰু পিতৃ-মাতৃয়ে শিশুসকলক শিক্ষা আৰু স্বাস্থ্য যতনৰ সুবিধা দিয়ে। শিক্ষক, সমাজ আৰু অভিভাৱকসকলে আনকি তৃতীয় পৰ্যায় অৰ্থাৎ কলেজীয়া শিক্ষাৰ পৰ্যায়লৈ মানৱ মূলধন গঠনৰ বিষয়ে সিদ্ধান্তক প্ৰভাৱিত কৰে। এই স্তৰত মানৱ মূলধন গঠন নিৰ্ভৰ কৰে ইতিমধ্যে স্কুলীয়া স্তৰত গঠন হোৱা মূলধনৰ ওপৰত। মানৱ মূলধন গঠন আংশিকভাৱে এটা সামাজিক প্ৰক্ৰিয়া আৰু আংশিকভাৱে এই মানৱ মূলধনৰ গৰাকীৰ এটা সচেতন সিদ্ধান্ত।

তোমালোকে জানা যে ভৌতিক মূলধনৰ, যেনে এখন বাছগাড়ীৰ, মালিক ইয়াৰ ব্যৱহাৰৰ স্থানত উপস্থিত নাথাকিলেও হয়। কিন্তু এই বাছখনে যাত্ৰী বা সামগ্ৰী কঢ়িয়াই নিয়াৰ সময়ত বাছখনৰ চালকজন যাৰ গাড়ী চালনাৰ জ্ঞান থাকে, উপস্থিত থাকিব লাগিব। ভৌতিক মূলধন চকুৰে মনিব পৰা বিধৰ আৰু চুই চাব পৰা। ইয়াক অন্য সামগ্ৰীৰ দৰে বজাৰত বিক্ৰী কৰিব পাৰি। মানৱ মূলধন মানৱৰ শৰীৰ আৰু মনৰ ভিতৰত গঠিত হয় যাক চুই চাব নোৱাৰি। মানৱ মূলধন বজাৰত বিক্ৰী কৰা নহয়। মানৱ মূলধনৰ সেৱাহে (Service) বিক্ৰী কৰা হয়। সেয়েহে এই মূলধনৰ গৰাকী নিজে উৎপাদন স্থলত উপস্থিত থাকিব লাগে। ভৌতিক মূলধন ইয়াৰ গৰাকীৰ পৰা পৃথক কৰিব পাৰি; মানৱ মূলধনক কিন্তু নোৱাৰি।

এই দুয়োবিধ মূলধন বিভিন্ন স্থানত চলনশীলতাৰ ক্ষেত্ৰতো পৃথক। বিশেষ কিছুমান বাণিজ্যিক বাধ্যবাধকতাৰ বাহিৰে দুখন ঠাই বা দেশৰ মাজত ভৌতিক মূলধন সম্পূৰ্ণ চলমান; কিন্তু মানৱ মূলধন বিভিন্ন দেশৰ মাজত সম্পূৰ্ণ চলমান নহয়; কিয়নো জাতি আৰু সংস্কৃতিৰ ভিন্নতাৰ বাবে ইয়াৰ চলমানতাত বাধ্যবাধকতা থাকে। আমদানিৰ জৰিয়তেও ভৌতিক মূলধন গঠন কৰিব পৰা যায়। আনহাতে মানৱ মূলধন গঠন হয় সমাজ আৰু অৰ্থব্যৱস্থাৰ প্ৰকৃতিৰ লগত সামঞ্জস্য থকা সচেতন নীতি নিৰ্ধাৰণৰ জৰিয়তে আৰু চৰকাৰী আৰু ব্যক্তিগত ব্যয়ৰ দ্বাৰা।


দুয়োবিধ মূলধনৰে সময়ৰ লগত ক্ষয়-ক্ষতি (Depreciation) হয়; কিন্তু এনে ক্ষয়ক্ষতিৰ প্ৰকৃতি বেলেগ বেলেগ। একেৰাহে ব্যৱহাৰ কৰাৰ ফলত এটি যন্ত্ৰৰ অৱক্ষয় আৰু নতুন কৌশল আৱিষ্কাৰৰ লগে লগে এটি যন্ত্ৰ আওপুৰণি হয়। মানৱ মূলধনৰ বয়স বৃদ্ধিৰ ফলত ক্ষয়-ক্ষতি ঘটে; কিন্তু শিক্ষা আৰু স্বাস্থ্যত বিনিয়োগৰ জৰিয়তে এই ক্ষয়-ক্ষতি বহু পৰিমাণে ৰোধ কৰিব পাৰি। এনে বিনিয়োগে মানৱ মূলধনক প্ৰযুক্তি বিদ্যাৰ পৰিৱৰ্তনৰ লগত খাপ খাব পৰাও কৰি তোলে। ভৌতিক মূলধনৰ ক্ষেত্ৰত এই কথা নাখাটে।

মানৱ মূলধনৰ পৰা পোৱা সুফল ভৌতিক মূলধনৰ পৰা পোৱা সুফলতকৈ পৃথক। মানৱ মূলধনে কেৱল ইয়াৰ গৰাকীকেই নহয়— গোটেই সমাজকে উপকৃত কৰে। ইয়াকেই বাহ্যিক সুফল বোলা হয়। এজন শিক্ষিত ব্যক্তিয়ে ফলপ্ৰসূভাৱে গণতান্ত্ৰিক ব্যৱস্থাত অংশগ্ৰহণ কৰিব পাৰে আৰু জাতিৰ সামাজিক-অৰ্থনৈতিক প্ৰগতিত অৰিহণা যোগাব পাৰে। এজন সুস্থ শৰীৰৰ গৰাকীয়ে ব্যক্তিগত স্বাস্থ্য বিধি আৰু অনাময় বৰ্তাই ৰাখি সংক্ৰামক ৰোগ আৰু মহামাৰী ৰোধ কৰিব পাৰে। মানৱ মূলধনে ব্যক্তিগত আৰু সামাজিক দুয়োবিধ সুফলৰ সৃষ্টি কৰে; আনহাতে ভৌতিক মূলধনে অকল ব্যক্তিগত সুফলহে সৃষ্টি কৰে। অৰ্থাৎ মূলধন জাতীয় সামগ্ৰীৰ সুফলসমূহ এনে সামগ্ৰীৰ উৎপাদন কৰা বস্তুৰ দাম দিয়া সকলেহে লাভ কৰে।

মানুহে শ্ৰমৰ বজাৰ আৰু শিক্ষা তথা স্বাস্থ্য আদি অন্যান্য বজাৰৰ বিষয়ে তথ্য লাভ কৰিবলৈও ব্যয় কৰে। উদাহৰণস্বৰূপে মানুহে বিভিন্ন ধৰণৰ কৰ্মসংস্থানত পাব পৰা দৰমহাৰ বিষয়ে জানিব খোজে। ঠিক তেনেদৰে, শিক্ষা প্ৰতিষ্ঠানসমূহে কাম পাব পৰা প্ৰকৃত শিক্ষা দিছেনে নতুবা সেই শিক্ষা কিমান খৰচী জানিব খোজে। মানৱ মূলধনত বিনিয়োগ আৰু আহৰণ কৰা মানৱ মূলধনৰ সঠিক প্ৰয়োগৰ বিষয়ে সিদ্ধান্ত ল'বলৈ এনেবিলাক তথ্যৰ প্ৰয়োজন। শ্ৰমৰ বজাৰ আৰু অন্যান্য বজাৰৰ বিষয়ে তথ্য আহৰণ কৰিবলৈ কৰা ব্যয়ো মানৱ মূলধন গঠনৰ উৎস।

মানৱ মূলধনৰ ধাৰণা গঢ়াৰ ভেটি হ'ল ভৌতিক মূলধনৰ ধাৰণা। দুয়োবিধ মূলধনৰ মাজত কিছুমান সাদৃশ্য আছে। ইহঁতৰ মাজত কিছুমান লক্ষণীয় বৈসাদৃশ্যও আছে। (5.1 নং কক্ষ চোৱা)

**মানৱ মূলধন আৰু অৰ্থনৈতিক বৃদ্ধি (Human Capital and Economic Growth) :** জাতীয় আয়লৈ কোনে বেছি বৰঙণি যোগায়— এজন কাৰখানাৰ শ্ৰমিকে, নে কম্পিউটাৰ বৃত্তিধাৰীয়ে? আমি জানো যে এজন শিক্ষিত ব্যক্তিৰ শ্ৰম দক্ষতা অশিক্ষিত ব্যক্তি এজনৰ তুলনাত বেছি আৰু প্ৰথম গৰাকী ব্যক্তিয়ে পিছৰজনতকৈ বেছি আয় সৃষ্টি কৰে। অৰ্থনৈতিক বৃদ্ধিয়ে দেশ এখনৰ প্ৰকৃত আয়ৰ বৃদ্ধিকে বুজায়। স্বাভাৱিকতে অৰ্থনৈতিক বৃদ্ধিলৈ শিক্ষিত ব্যক্তিজনৰ বৰঙণি অশিক্ষিত এজনৰ তুলনাত বেছি। এজন স্বাস্থ্যবান ব্যক্তিয়ে বিৰামহীনভাৱে দীঘলীয়া সময়ৰ বাবে শ্ৰমৰ যোগান ধৰিব পাৰে। সেয়েহে স্বাস্থ্যও অৰ্থনৈতিক বৃদ্ধিৰ এক দৰকাৰী উপাদান। এনেদৰে শিক্ষা আৰু স্বাস্থ্য দুয়োবিধ আৰু অন্যান্য বহু উপাদান, যেনে বৃত্তিত প্ৰশিক্ষণ নিয়োগ বজাৰ সম্পৰ্কে তথ্য আৰু



চিত্ৰ 5.2 ঃ মানৱ মূলধন সৃষ্টি ঃ এখন গাঁৱত চালিৰ তলত পৰিচালিত স্কুল।

**কৰি চোৱা ঃ**

- এজন শিক্ষিত ব্যক্তিয়ে আয়ৰ উৎসলৈ বেছি অৰিহণা যোগায়— মাহে কোনে কিমান আয় আহৰণ কৰে লক্ষ্য কৰা
  - তোমাৰ ঘৰ/বিদ্যালয়ৰ চকীদাৰে
  - ঘৰুৱা সহায়ক/ধোবীয়ে
  - শিক্ষক/কাৰ্যালয় সহায়কে
  - অধ্যাপকে
  - চিকিৎসক/অভিযন্তা/কাৰ্যবাহী বিষয়াই

প্ৰব্ৰজনে, ব্যক্তি এজনৰ আয় সৃষ্টিৰ ক্ষমতা বৃদ্ধি কৰে।

মানুহৰ এই বৰ্ধিত উৎপাদনশীলতা অথবা মানৱ মূলধনে অকল শ্ৰমিকৰ দক্ষতাই বৃদ্ধি নকৰে; ই উদ্ভাৱন শক্তি বৃদ্ধি কৰাৰ লগতে নতুন প্ৰযুক্তি গ্ৰহণত সহায় কৰে। শিক্ষাই সমাজত হোৱা পৰিৱৰ্তন আৰু বৈজ্ঞানিক প্ৰগতিৰ বিষয়ে জ্ঞান দিয়ে, আৱিষ্কাৰ আৰু উদ্ভাৱন সম্ভৱ কৰে। ঠিক তেনেদৰে শিক্ষিত শ্ৰমিক থাকিলে নতুন প্ৰযুক্তি প্ৰয়োগ নিশ্চিত কৰে।

মানৱ মূলধন বৃদ্ধিয়ে অৰ্থনৈতিক বৃদ্ধি ঘটাই বুলি প্ৰমাণ কৰিবলৈ অভিজ্ঞতালব্ধ সাক্ষ্যবিলাক অৱশ্যেই নিৰ্ভৰযোগ্য নহয়। হিচাপ কৰাৰ সমস্যাৰ বাবেও এনে হ'ব পাৰে। উদাহৰণস্বৰূপে শিক্ষাদানৰ বছৰ, শিক্ষক ছাত্ৰৰ অনুপাত বা ছাত্ৰ-ছাত্ৰীৰ ভৰ্তিৰ সংখ্যাই শিক্ষাৰ মান নিৰ্ণয় নকৰিবও পাৰে। ঠিক তেনেদৰে মুদ্ৰাৰ মানত স্বাস্থ্যসেৱা, জীৱনকালৰ প্ৰত্যাশা, মৃত্যু হাৰৰ ওপৰত নিৰ্ভৰ কৰি হিচাপ কৰা স্বাস্থ্যৰ মানে এখন দেশৰ জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰকৃত স্বৰূপ নিৰ্ণয় নকৰিবও পাৰে। ওপৰত উল্লিখিত নিৰ্দেশকসমূহ ব্যৱহাৰ কৰি উন্নত আৰু উন্নয়নশীল দেশত শিক্ষা আৰু স্বাস্থ্যৰ বাবে কৰা ব্যয় আৰু প্ৰকৃত জনমূৰি আয়ৰ বৃদ্ধিৰ মাজত থকা সম্পৰ্কৰ বিশ্লেষণে দেখুৱাই দিয়ে যে মানৱ মূলধনৰ হিচাপসমূহৰ একেমুখিতা (Convergence) আছে, কিন্তু প্ৰকৃত জনমূৰি আয়ৰ ক্ষেত্ৰত এনে একেমুখিতা নাই। অৰ্থাৎ, উন্নয়নশীল দেশসমূহত মানৱ মূলধনৰ বৃদ্ধিৰ হাৰ দ্ৰুততৰ হোৱাৰ বিপৰীতে প্ৰকৃত জনমূৰি আয়ৰ বৃদ্ধি সিমান দ্ৰুততৰ হোৱা নাই। মানৱ মূলধন আৰু অৰ্থনৈতিক বৃদ্ধি একেদিশত সম্পৰ্কিত বুলি বিশ্বাস কৰিবলৈ বহুত কাৰণ আছে। উচ্চ আয়ে উচ্চমানৰ মানৱ মূলধন গঠন কৰে আৰু উচ্চমানৰ মানৱ মূলধনে আয়ৰ বৃদ্ধি ঘটায়।



চিত্ৰ 5.3 ঃ বিজ্ঞান সন্মত আৰু কাৰিকৰী জনশক্তি ঃ মানৱ মূলধনৰ এক চহকী উপাদান

বহুবছৰ আগতেই ভাৰতবৰ্যত অৰ্থনৈতিক বৃদ্ধিৰ ক্ষেত্ৰত মানৱ মূলধনৰ গুৰুত্ব স্বীকাৰ কৰা হৈছিল। সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাত কোৱা হৈছে যে মানৱ সম্পদৰ উন্নয়নক (মানৱ মূলধনৰ সমাৰ্থক) যিকোনো উন্নয়ন কৌশলতে, বিশেষকৈ জনবহুল

**তালিকা ঃ 5.1**

**শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ উন্নয়নৰ গোটাদিয়েক নিৰ্দেশক**

| বিষয় | | 1951 | 1981 | 1991 | 2001 |
|---|---|---|---|---|---|
| প্ৰকৃত জনমূৰি আয় (টকা হিচাপে) | | 3,687 | 5,353 | 7,321 | 10,306 |
| অশোধিত মৃত্যু হাৰ (প্ৰতি হাজাৰ জনসংখ্যাত) | | 25.1 | 12.5 | 9.8 | 8.1 |
| শিশুৰ মৃত্যুৰ হাৰ | | 146 | 110 | 80 | 63 |
| জন্মকালীন জীৱন প্ৰত্যাশা (বছৰ হিচাপে) | পু ঃ | 37.2 | 54.1 | 59.7 | 63.9 |
| | ম ঃ | 36.2 | 54.7 | 60.9 | 66.9 |
| সাক্ষৰতাৰ হাৰ (শতাংশ) | | 16.67 | 43.57 | 52.21 | 65.20 |

দেশ এখনত, মূল ভূমিকা দিব লাগিব। প্ৰকৃত দিশত শিক্ষিত আৰু প্ৰশিক্ষিত হ'লে বৃহৎ জনসংখ্যা এখন দেশৰ অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰাৰ বাবে আৰু সঠিক দিশত সামাজিক পৰিৱৰ্তন সাধনৰ বাবে সম্পদ হ'ব পাৰে।

মানৱ মূলধন (শিক্ষা আৰু স্বাস্থ্য)ৰ বৃদ্ধি আৰু অৰ্থনৈতিক বৃদ্ধিৰ মাজত কাৰ্যকাৰণৰ সম্পৰ্ক এটি স্থাপনত জটিলতা আছে যদিও 5.1 নং তালিকাৰ পৰা দেখা যায় দুয়োটা খণ্ড একেলগে বৃদ্ধি পাইছে। এই খণ্ডৰ উন্নয়নে সম্ভৱতঃ আন সকলো খণ্ডৰ বৃদ্ধিৰ বাবে সমল যোগায়।

অতি সম্প্ৰতি ভাৰতীয় অৰ্থব্যৱস্থাত দাখিল হোৱা দুখন সুকীয়া প্ৰতিবেদনত চিনাক্ত কৰা হৈছে যে মানৱ মূলধনৰ শক্তিৰ বলতে ভাৰতবৰ্ষৰ উন্নয়ন দ্ৰুততৰ হ'ব। এটা জাৰ্মান বেংক, Deutsche Bank-এ 01-07-2005 তাৰিখে বিশ্বৰ বৃদ্ধিৰ কেন্দ্ৰ সমূহৰ ওপৰত প্ৰকাশিত প্ৰতিবেদনত চিনাক্ত কৰিছে যে 2020 চনত ভাৰতবৰ্ষ বিশ্বৰ চাৰি বৃহৎ বৃদ্ধিৰ কেন্দ্ৰৰ অন্যতম হৈ উঠিব। ইয়াত আৰু উল্লেখ কৰা হৈছে যে আমাৰ অভিজ্ঞতালব্ধ অনুসন্ধানে এই মতামত সমৰ্থন কৰে যে বৰ্তমান



চিত্ৰ 5.4 ঃ হাততে কৰ্ম সংস্থান ঃ ভাৰতবৰ্ষ জ্ঞান অৰ্থব্যৱস্থালৈ ৰূপান্তৰিত

**কক্ষ 5.2**

**জ্ঞান অৰ্থব্যৱস্থা হিচাপে ভাৰতবৰ্ষ (India as a knowledge economy)**

যোৱাটো দশকত ভাৰতবৰ্ষৰ চফ্‌টৱেৰ উদ্যোগে উল্লেখনীয় অভিলেখৰ সৃষ্টি কৰিছে। উদ্যোগপতি, আমোলা আৰু ৰাজনীতিবিদসকলে এতিয়া তথ্য প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে ভাৰত কেনেকৈ জ্ঞান অৰ্থব্যৱস্থালৈ পৰিৱৰ্তিত হ'ব পাৰে সেই সম্পৰ্কে মতামত দিছে। কিছুমান গাঁওবাসীয়ে ই-মেইল আদিৰ ব্যৱহাৰ কৰাৰ কথা উল্লেখ কৰি এই ধাৰণা প্ৰচাৰ কৰা হৈছে। তেনেদৰে 'ই-শাসন' (e-governmance)ক ভৱিষ্যৎ পন্থা বুলি মতামত দিয়া হৈছে। তথ্য প্ৰযুক্তিৰ মূল্য নিৰ্ভৰ কৰে বৰ্তমান অৰ্থনৈতিক উন্নয়নৰ পৰ্যায়ৰ ওপৰত। তথ্য প্ৰযুক্তিয়ে বৰ্তমান পৰিসম্পদক অধিক কাৰ্যক্ষম কৰি তুলিব পাৰে। ইয়াৰ বাবে সৰ্বপ্ৰথমে এক মৌলিক আন্তঃগাঁথনিৰ উন্নতিৰ প্ৰয়োজন।

অৰ্থব্যৱস্থাসমূহত উৎপাদনৰ উপাদান হিচাপে মানৱ মূলধনে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মুঠ ঘৰুৱা উৎপাদন (GDP) বৃদ্ধিৰ বাবে মানৱ মূলধনৰ বৃদ্ধি অতি গুৰুত্বপূৰ্ণ। ভাৰতৰ প্ৰসঙ্গত কোৱা হৈছে যে 2005ৰ পৰা 2020 চনৰ ভিতৰত ভাৰতবৰ্ষৰ 7 বছৰৰ ওপৰত গড় শিক্ষা বছৰ 40 শতাংশ বৃদ্ধি হ'ব।

ভাৰতবৰ্ষ আৰু জ্ঞান অৰ্থব্যৱস্থা— প্ৰভাৱবিস্তাৰী শক্তি আৰু সম্ভাৱনা (India and knowledge economy– Leveraging Strengths and opportunities) শীৰ্ষক বিশ্ব বেংকৰ প্ৰতিবেদনত কোৱা হৈছে যে ভাৰতবৰ্ষই অ্যায়াৰলেণ্ডৰ দৰে জ্ঞানৰ ব্যৱহাৰ কৰিব পাৰিলে, ই জ্ঞান অৰ্থব্যৱস্থালৈ পৰিৱৰ্তিত হ'ব আৰু জনমূৰি আয় 2002 চনৰ এক হাজাৰ আমেৰিকান ডলাৰৰ পৰা 2020 চনত হ'ব গৈ তিনি হাজাৰ আমেৰিকান ডলাৰ। ইয়াত আকৌ উল্লেখ কৰা হৈছে যে এনে পৰিৱৰ্তন সাধনৰ বাবে ভাৰতবৰ্ষত সকলো প্ৰধান উপাদান; যেনে বৃহৎ সংখ্যক দক্ষ শ্ৰমিক, সঠিকভাৱে কাৰ্যকৰী গণতন্ত্ৰ আৰু ভিন্নকৃত বিজ্ঞান তথা প্ৰযুক্তিৰ আন্তঃগাঁথনি আছে। এনেদৰে দুয়োখন প্ৰতিবেদনতে আঙুলিয়াই দিয়া হৈছে যে অধিক মূলধনৰ গঠনে ভাৰতৰ অৰ্থব্যৱস্থাক অধিক বৃদ্ধিৰ স্তৰলৈ গতি কৰাব।

### 5.4 মানৱ মূলধন আৰু মানৱ উন্নয়ন (Human Capital and Human Development) :

এই দুয়োটা ধাৰণা আপাততঃ সদৃশ যেন লাগিলেও সিহঁতৰ মাজত স্পষ্ট পাৰ্থক্য আছে। মানৱ মূলধনে শিক্ষা আৰু স্বাস্থ্যক শ্ৰমৰ উৎপাদনশীলতা বৃদ্ধিৰ উপায় বুলি বিবেচনা কৰে। মানৱ উন্নয়নৰ ধাৰণাটোৰ ভিত্তি হ'ল শিক্ষা আৰু স্বাস্থ্য মানৱ কল্যাণৰ বাবে অপৰিহাৰ্য, কিয়নো মানুহে যেতিয়া লিখিব পঢ়িব জনাৰ লগতে সুস্বাস্থ্য আৰু দীৰ্ঘায়ু লভিব পাৰে, তেতিয়া তেওঁলোকে মূল্য আৰোপিত কৰা অন্যান্য পছন্দসমূহ কৰিবলৈ সমৰ্থ হয়।

মানৱ মূলধনে মানুহক এটা লক্ষ্যত উপনীত হোৱাৰ উপায় বুলি বিবেচনা কৰে আৰু এই লক্ষ্য হ'ল উৎপাদনশীলতা বৃদ্ধি। এনে অৰ্থত, শিক্ষা আৰু স্বাস্থ্যত কৰা যিকোনো বিনিয়োগেই অনা উৎপাদনমূলক হ'ব যদিহে ই দ্ৰব্য আৰু সেৱাৰ পৰিমাণ বৃদ্ধি নকৰে। মানৱ উন্নয়নৰ পৰিপ্ৰেক্ষিতত

মানুহৰ লক্ষ্য মানুহ নিজেই। শিক্ষা আৰু স্বাস্থ্যত কৰা বিনিয়োগে শ্ৰমৰ উৎপাদনশীলতা বৃদ্ধি নকৰিলেও ইয়াৰ জৰিয়তেহে মানৱ কল্যাণ সাধিত হ'ব। সেয়েহে, বুনিয়াদী শিক্ষা আৰু প্ৰাথমিক স্বাস্থ্যই শ্ৰমৰ উৎপাদনশীলতা বৃদ্ধি কৰক বা নকৰক, ইহঁত অপৰিহাৰ্য। এনে দৃষ্টিত প্ৰত্যেক ব্যক্তিৰে বুনিয়াদী শিক্ষা আৰু প্ৰাথমিক স্বাস্থ্য যতনৰ অধিকাৰ আছে। অৰ্থাৎ সকলো ব্যক্তিৰে শিক্ষিত আৰু সুস্বাস্থ্যৱান জীৱনৰ গৰাকী হোৱাৰ অধিকাৰ আছে।

**কৰি চোৱা ঃ**

- যদি এজন নিৰ্মাণকাৰী, ঘৰুৱা সহায়ক, ধোবা নতুবা বিদ্যালয়ৰ পিয়নে স্বাস্থ্যজনিত সমস্যাৰ বাবে দীৰ্ঘদিন ধৰি কৰ্মক্ষেত্ৰত অনুপস্থিত থাকে তেনেহ'লে ই কেনেকৈ তেওঁক

  (i) কৰ্মক্ষেত্ৰৰ নিৰাপত্তা

  (ii) মজুৰী বা দৰমহাত ক্ষতি কৰিব।

  সম্ভাৱনীয় কাৰণ কি কি হ'ব পাৰে?

## 5.5 ভাৰতবৰ্ষত মানৱ মূলধন গঠন— বিৰাট সম্ভাৱনা (Human Capital Formation in India : Great Prospects) :

এই খণ্ডটিত আমি ভাৰতবৰ্ষত মানৱ মূলধন গঠন সম্পৰ্কে বিশ্লেষণ কৰিম। আমি ইতিমধ্যে জানিছো যে মানৱ মূলধন হ'ল প্ৰব্ৰজন তথা ব্যক্তিৰ প্ৰশিক্ষণ, স্বাস্থ্য আৰু শিক্ষা শিতানত কৰা বিনিয়োগৰ ফলশ্ৰুতি। ইয়াৰ ভিতৰত শিক্ষা আৰু স্বাস্থ্যই হ'ল মানৱ মূলধনৰ অধিক গুৰুত্বপূৰ্ণ উৎস। আমি জানো যে আমাৰ দেশখন কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু স্থানীয় চৰকাৰ (পৌৰ নিগম, পৌৰসভা আৰু গাঁও পঞ্চায়ত) সমন্বিতে এখন দেশ। ভাৰতবৰ্ষৰ সংবিধানত প্ৰতিটো স্তৰৰ চৰকাৰে সম্পাদন কৰিবলগীয়া কাৰ্যসমূহ উল্লেখ আছে। সেইমতে শিক্ষা আৰু স্বাস্থ্য উভয় ক্ষেত্ৰতে উল্লিখিত তিনি তৰপৰ সকলো চৰকাৰৰ দ্বাৰা একেলগে বিনিয়োগ কৰা হ'ব। স্বাস্থ্য খণ্ড সম্পৰ্কে অষ্টম অধ্যায়ত ব্যাখ্যা কৰা হৈছে। সেয়েহে ইয়াত অকল শিক্ষা খণ্ড সম্পৰ্কেহে আলোচনা কৰা হ'ব।

ভাৰতত শিক্ষা আৰু স্বাস্থ্যৰ ব্যৱস্থা কোনে কৰে জানানে? ভাৰতত শিক্ষা খণ্ড সম্পৰ্কে বিশ্লেষণ কৰাৰ আগতে শিক্ষা আৰু স্বাস্থ্য খণ্ড দুটাত চৰকাৰৰ হস্তক্ষেপৰ প্ৰয়োজনীয়তা সম্পৰ্কে পৰ্যালোচনা কৰিম। আমি জানো যে শিক্ষা আৰু স্বাস্থ্য যতন সেৱাই ব্যক্তিগত আৰু ৰাজহুৱা উভয়বিধ লাভালাভৰ সৃষ্টি কৰে। সেয়েহে শিক্ষা আৰু স্বাস্থ্য সেৱাৰ বজাৰত ব্যক্তিগত আৰু ৰাজহুৱা দুয়োবিধৰে অনুষ্ঠান থাকে। শিক্ষা আৰু স্বাস্থ্যৰ ওপৰত কৰা ব্যয়ৰ যথেষ্ট দীৰ্ঘম্যাদী প্ৰভাৱ আছে আৰু ইয়াক সহজে আওকাণ কৰিব নোৱাৰি। সেয়েহে চৰকাৰী হস্তক্ষেপ প্ৰয়োজনীয়। উদাহৰণস্বৰূপে, এবাৰ শিশু এজনক বিদ্যালয়ত বা স্বাস্থ্যানুষ্ঠানত ভৰ্তি কৰাৰ পিছত প্ৰয়োজনীয় সেৱাৰ অভাৱত অন্য প্ৰতিষ্ঠানলৈ পুনৰ ভৰ্তিৰ বাবে নিবলগীয়া হ'লে বহুত ক্ষতি হ'ব। তদুপৰি এনে সেৱাৰ ব্যক্তিগত ভোক্তাই ইবিলাক প্ৰতিষ্ঠানৰ গুণগত মান আৰু খৰচৰ সম্পূৰ্ণ তথ্য নাজানে। এনে পৰিস্থিতিত

শিক্ষা বা স্বাস্থ্য সৰবৰাহ কৰা অনুষ্ঠানটোৱে একচেটীয়া ক্ষমতাৰ অধিকাৰী হয় আৰু ভোক্তাসকলক শোষণ কৰে। এনে অৱস্থাত চৰকাৰৰ ভূমিকা হ'ব ব্যক্তিগত প্ৰতিষ্ঠানসমূহত চৰকাৰে ধাৰ্য কৰা প্ৰয়োজনীয় মান বৰ্তাই ৰখা আৰু প্ৰকৃত দাম নিৰূপণৰ ওপৰত নজৰ ৰখা।

ভাৰতবৰ্ষত, ৰাজ্যিক আৰু কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়, শিক্ষা বিভাগ আৰু ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT), বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) তথা সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা (AICTE) আদি বিভিন্ন সংস্থাই শিক্ষা খণ্ডক নিয়ন্ত্ৰণ কৰে। তেনেদৰে, ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্যায়ৰ স্বাস্থ্য মন্ত্ৰালয়, স্বাস্থ্য বিভাগ আৰু ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ (ICMR) আদিয়ে স্বাস্থ্য খণ্ডক নিয়ন্ত্ৰণ কৰে।

আমাৰ দৰে উন্নয়নশীল দেশ এখনত, য'ত বৃহৎ সংখ্যক জনতাই দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰে, বহুতেই শিক্ষা আৰু স্বাস্থ্যসেৱা লাভৰ বাবে সমৰ্থ নহয়। তদুপৰি বৃহৎ সংখ্যকেই উচ্চ শিক্ষা আৰু বিশেষীকৃত স্বাস্থ্য যতন লাভৰ বাবে সমৰ্থ নহয়। আকৌ যিহেতু স্বাস্থ্য যতন আৰু বুনিয়াদী শিক্ষা লাভ নাগৰিকৰ অধিকাৰ বুলি বিবেচিত হৈছে সেয়েহে এইটো প্ৰয়োজনীয় যে চৰকাৰে যিসকল নাগৰিকৰ বাবে প্ৰয়োজনীয় তেওঁলোকৰ বাবে আৰু সামাজিক ভাৱে পিছপৰা শ্ৰেণীৰ লোকৰ বাবে বিনামূলীয়া স্বাস্থ্যসেৱা আৰু শিক্ষা আগবঢ়াব লাগে। ৰাজ্যিক আৰু কেন্দ্ৰীয় উভয় চৰকাৰে বহু বছৰ ধৰি শিক্ষা খণ্ডত ব্যয় বৃদ্ধি কৰি আছে যাতে এশ শতাংশ ব্যক্তিয়েই সাক্ষৰ হয় আৰু ভাৰতীয়সকলৰ গড় শিক্ষা আহৰণ বৃদ্ধি পায়।

**কৰি চোৱা ঃ**

- ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT), বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC), সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ (AICTE) আৰু ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ (ICMR)ৰ উদ্দেশ্য আৰু কাৰ্যসমূহ চিনাক্ত কৰা।

## 5.6 ভাৰতৰ শিক্ষা খণ্ড (Education Sector in India) :

**শিক্ষাৰ শিতানত চৰকাৰৰ ব্যয় বৃদ্ধি (Growth in Government Expenditure on Education) :**

চৰকাৰে শিক্ষাৰ নামত কিমান ব্যয় কৰে জানানে? এই শিক্ষা ব্যয় দুই প্ৰকাৰে প্ৰকাশ কৰা হয়— (i) চৰকাৰৰ মুঠ ব্যয়ৰ শতাংশ হিচাপে (ii) মুঠ ঘৰুৱা উৎপাদন (GDP)ৰ শতাংশ হিচাপে।

চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ ভিতৰত শিক্ষাৰ গুৰুত্ব কিমান তাক চৰকাৰৰ মুঠ ব্যয়ৰ কিমান শতাংশ শিক্ষাত ব্যয় কৰা হয় সিয়ে সূচায়। মুঠ ঘৰুৱা উৎপাদনৰ শিক্ষাত ধাৰ্য কৰা ব্যয়ে আমাৰ দেশৰ আয়ৰ কিমান অংশ শিক্ষা উন্নয়নৰ বাবে খৰচ হয় তাক নিৰ্দেশ কৰে।

1952–2002 সময়ৰ ভিতৰত মুঠ ব্যয়ৰ ভিতৰত শিক্ষাৰ শিতানৰ 7.92 শতাংশৰ পৰা 13.17 শতাংশলৈ বৃদ্ধি হৈছে। এই সময়ছোৱাত মুঠ ঘৰুৱা উৎপাদনৰ অংশ হিচাপে শিক্ষাত ব্যয় 0.64 শতাংশৰ পৰা বৃদ্ধি হৈ 4.02 শতাংশ হৈছে। অৱশ্যে গোটেই সময়ছোৱাত এই বৃদ্ধি সমভাৱে

হোৱা নাই আৰু এই ক্ষেত্ৰত অনিয়মীয়া হ্ৰাস-বৃদ্ধি দেখা গৈছে। এই হিচাপৰ লগত ব্যক্তিগত ব্যয় আৰু লোকহিতকৰ প্ৰতিষ্ঠানসমূহৰ ব্যয় যোগ কৰিলে শিক্ষাত ব্যয় বহু বেছি হ'ব।

শিক্ষা শিতানত কৰা মুঠ ব্যয়ৰ বৃহৎ অংশই লাভ কৰে প্ৰাথমিক শিক্ষা খণ্ডই; বিশ্ববিদ্যালয়, কলেজ আৰু পলিটেক্‌নিক আদি শিক্ষানুষ্ঠানক সামৰি উচ্চ শিক্ষা খণ্ডই লাভ কৰা অংশ অতি কম। গড় হিচাপত উচ্চ শিক্ষাত চৰকাৰে ব্যয় কম কৰে যদিও ছাত্ৰই প্ৰতি কৰা এনে ব্যয় প্ৰাথমিক শিক্ষাৰ তুলনাত বেছি। ইয়াৰ দ্বাৰা এইটো নুবুজায় যে বিত্তীয় সম্পদ উচ্চ শিক্ষা খণ্ডৰ পৰা প্ৰাথমিক শিক্ষা খণ্ডলৈ চালিত কৰিব লাগে। বিদ্যালয় শিক্ষা সম্প্ৰসাৰণ কৰাৰ লগে লগে আমাক বহুত শিক্ষক লাগিব যিসকলক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান বিলাকেহে প্ৰশিক্ষিত কৰে। সেয়েহে শিক্ষাৰ সকলো খণ্ডতে ব্যয় বৃদ্ধি কৰাটো উচিত।

ৰাজ্যসমূহৰ মাজত শিক্ষাৰ ক্ষেত্ৰত জনমূৰি ব্যয়ৰ যথেষ্ট পাৰ্থক্য দেখা যায়। লাক্ষাদ্বীপত এনে জনমূৰি ব্যয় সৰ্বোচ্চ (3440 টকা) হোৱাৰ বিপৰীতে বিহাৰত ই সৰ্বনিম্ন— 386 টকা মাত্ৰ। ইয়াৰ ফলতে ৰাজ্যসমূহৰ মাজত শিক্ষাৰ সুবিধা উপলব্ধ হোৱাৰ ক্ষেত্ৰত যথেষ্ট পাৰ্থক্য দেখা যায়। শিক্ষাৰ বাবে কৰা ব্যয়ৰ অযথোপযুক্ততা বুজিব পৰা যাব বিভিন্ন শিক্ষা আয়োগে অনুমোদন কৰা শিক্ষাত কৰিবলগীয়া আকাংক্ষিত ব্যয়ৰ পৰিমাণৰ উদাহৰণৰ পৰা। 40 বছৰৰো অধিক আগতে 1964–66 চনত শিক্ষা আয়োগে কৈ গৈছে যে মুঠ ঘৰুৱা উৎপাদনৰ অতি কমেও 6 শতাংশ শিক্ষাত ব্যয় কৰিব লাগে যাতে শিক্ষাক্ষেত্ৰৰ সফলতাৰ ক্ষেত্ৰত চকুত পৰা বিধৰ বৃদ্ধি লাভ কৰিব পাৰি। 2002 চনৰ ডিচেম্বৰ মাহত ভাৰতীয় সংবিধানৰ 86তম সংশোধনীৰ জৰিয়তে 14 বছৰৰ তলৰ সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা (Free and Compulsory Education)ক মৌলিক অধিকাৰ হিচাপে ঘোষণা কৰা হৈছে। 1998 চনত ভাৰত চৰকাৰে নিযুক্তি দিয়া তাপস মজুমদাৰ সমিতিয়ে 14 বছৰৰ সকলো শিশুক বিদ্যালয় শিক্ষাৰ আওতালৈ আনিবলৈ হ'লে 1998-99 চনৰ পৰা 2006 চনলৈ দহ বছৰৰ সময়ছোৱাত শিক্ষাত 1.37 লাখ কোটি টকা ব্যয় কৰিব লাগিব বুলি গণনা কৰিছিল। শিক্ষা আয়োগে মুঠ ঘৰুৱা উৎপাদনৰ 6 শতাংশক শিক্ষাৰ বাবে আকাংক্ষিত ব্যয় বুলি চিহ্নিত কৰাৰ বিপৰীতে বৰ্তমানৰ 4 শতাংশৰ সামান্য ঊৰ্দ্ধৰহে শিক্ষা ব্যয় যথেষ্ট কম। নীতিগতভাৱে 6 শতাংশৰ লক্ষ্যত উপনীত হ'ব লাগিব আৰু আগন্তুক বছৰসমূহত এইটো নিতান্তই প্ৰয়োজনীয় বুলি জ্ঞান কৰা হৈছে।



চিত্ৰ 5.5 ঃ শিক্ষাক্ষেত্ৰৰ আন্তঃগাঁথনি নিৰ্মাণত বিনিয়োগ

2004–2005 চনৰ কেন্দ্ৰীয় বাজেটত সকলো কেন্দ্ৰীয় কৰৰ ওপৰত 2 শতাংশ

**কৰি চোৱা ঃ**

➢ স্কুলীয়া শিক্ষা বিভিন্ন স্তৰত অৰ্ধসমাপ্ত কৰি ওলাই অহাসকলৰ সম্পৰ্কে সমীক্ষা কৰা—
 (i) প্ৰাথমিক শিক্ষা অসমাপ্ত কৰা
 (ii) অষ্টম শ্ৰেণীত অসমাপ্ত কৰা
 (iii) দশম শ্ৰেণীত অসমাপ্ত কৰা
 কাৰণসমূহ ফহিয়াই চোৱা আৰু শ্ৰেণীত আলোচনা কৰা।
- স্কুলীয়া শিক্ষা অসমাপ্ত কৰাসকলে শিশু শ্ৰমিকৰ সৃষ্টি কৰে। ই কেনেকৈ মানৱ মূলধনৰ অপচয় কৰে আলোচনা কৰা।

**তালিকা ঃ 5.2**

**ভাৰতত শিক্ষা আহৰণৰ পৰ্যায় (Educational Attainment in India)**

| ক্ৰমিক নং | বিৱৰণ | 1990 | 2000 |
|---|---|---|---|
| 1. | প্ৰাপ্তবয়স্ক সাক্ষৰতাৰ হাৰ (15.. বছৰৰ ওপৰৰ ব্যক্তিৰ শতাংশ হিচাপত) | | |
| | 1.1 পুৰুষ | 61.9 | 68.4 |
| | 1.2 মহিলা | 37.9 | 45.4 |
| 2. | প্ৰাথমিক সমাপ্তিৰ হাৰ (প্ৰাসংগিক বয়সৰ শ্ৰেণীত শতাংশ হিচাপে) | | |
| | 2.1 পুৰুষ | 78 | 85 |
| | 2.2 মহিলা | 61 | 69 |
| 3. | যুৱ সাক্ষৰতাৰ হাৰ (15 বছৰৰ পৰা 24 বছৰ বয়সৰ ভিতৰত শতাংশ হিচাপে) | | |
| | 3.1 পুৰুষ | 76.6 | 79.7 |
| | 3.2 মহিলা | 54.2 | 64.8 |

শিক্ষা উপ-কৰ (Educationcess) নিৰ্ধাৰণ কৰিছে। ইয়াৰ জৰিয়তে চৰকাৰে 4000–5000 কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল আৰু এই সমগ্ৰ সংগৃহীত পৰিমাণ বুনিয়াদী শিক্ষাত ব্যয়ৰ সিদ্ধান্ত লোৱা হৈছিল। ইয়াৰ লগতে উচ্চ শিক্ষাৰ বিকাশৰ বাবে বৃহৎ পৰিমাণৰ ব্যয়ৰ অনুমোদন কৰাৰ লগতে উচ্চ শিক্ষা লাভৰ বাবে ছাত্ৰক ঋণ দিয়াৰ আঁচনি গ্ৰহণ কৰা হৈছিল।

**ভাৰতবৰ্ষত শৈক্ষিক সফলতা (Educational Achievements in India):**

সাধাৰণতে এখন দেশৰ শৈক্ষিক সফলতা নিৰ্ধাৰণ কৰা হয় প্ৰাপ্তবয়স্কৰ সাক্ষৰতাৰ হাৰ, প্ৰাথমিক শিক্ষা সমাপ্তিৰ হাৰ, যুৱ সাক্ষৰতাৰ হাৰৰ জৰিয়তে। তালিকা নং 5.2 ত 1999 আৰু 2000 চনৰ বাবে এইবোৰৰ পৰিসংখ্যা দেখুওৱা হৈছে।

## 5.7 ভৱিষ্যতৰ সম্ভাৱনা (Future Prospects) সকলোৰে বাবে শিক্ষা এতিয়াও এক সুদূৰ স্বপ্ন (Education for All – Still a Distant Dream) :

প্ৰাপ্তবয়স্ক আৰু যুৱ উভয় শ্ৰেণীৰে সাক্ষৰতাৰ হাৰ বৃদ্ধি হৈছে যদিও অশিক্ষিত ব্যক্তিৰ সংখ্যা স্বাধীনতাৰ সময়ৰ মুঠ জনসংখ্যাৰ সমানেই আছে। 1950 চনত সংবিধান সভাই সংবিধান গ্ৰহণ কৰা সময়ত ইয়াৰ নিৰ্দেশাত্মক নীতিসমূহত উল্লেখ কৰা হৈছিল যে সংবিধান প্ৰযোজ্য হোৱাৰ দহ বছৰৰ ভিতৰত 14 বছৰৰ তলৰ সকলো শিশুক চৰকাৰে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব লাগিব। এইটো কৰা হ'লে বৰ্তমানে এশ শতাংশ সাক্ষৰতাৰ লক্ষ্যত উপনীত হ'ব পৰা গ'লহেঁতেন।

**লিংগ সমতা—আগতকৈ ভাল অৱস্থা (Gender Equity–Better than Before) ঃ** পুৰুষ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰৰ মাজত থকা পাৰ্থক্য লাহে লাহে হ্ৰাস পাই অহা কথাটোৱে লিংগ সমতাৰ দিশত উন্নয়নকে সূচায়। তথাপিও ভাৰতবৰ্ষত মহিলাৰ বাবে শিক্ষাৰ উন্নয়নৰ প্ৰয়োজনীয়তা বিভিন্ন কাৰণত অতি গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে শিক্ষাই মহিলাৰ অৰ্থনৈতিক স্বাৱলম্বিতা আৰু সামাজিক অৱস্থান উন্নত কৰে আৰু স্ত্ৰী শিক্ষাই জন্মৰ হাৰ তথা মহিলা আৰু শিশুৰ স্বাস্থ্য যতনৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলায়। গতিকে স্বাক্ষৰতাৰ হাৰ বৃদ্ধি দেখি আমি সন্তুষ্ট হোৱাৰ বিশেষ কাৰণ নাই,



চিত্ৰ 5.6 ঃ স্কুল আধৰুৱা কৰাসকলে শিশু শ্ৰমিকৰ সৃষ্টি কৰে ঃ মানৱ মূলধনৰ এক অপচয়



চিত্ৰ 5.7 ঃ উচ্চ শিক্ষা ঃ অলপ সংখ্যক অংশগ্ৰহণকাৰী


কিয়নো প্ৰাপ্তবয়স্কৰ সাক্ষৰতাৰ হাৰ এশ শতাংশ হোৱা অৱস্থা পাবলৈ আমি এতিয়াও বহুদূৰ বাকী।

**উচ্চশিক্ষা— অলপ সংখ্যক অংশগ্ৰহণকাৰী (Higher Education– A few takers)**

ভাৰতীয় শিক্ষাৰ পিৰামিডটোৰ ঢাল অতি কম অৰ্থাৎ ক্ৰমান্বয়ে হ্ৰাসপ্ৰাপ্ত সংখ্যক ব্যক্তিয়েহে উচ্চ শিক্ষাৰ পৰ্যায় লাভ কৰে। শিক্ষিত যুৱকসকলৰ মাজত কৰ্মসংস্থানহীনতা আটাইতকৈ বেছি। ৰাষ্ট্ৰীয় নমুনা পিয়ল সংগঠন (National Sample Survey Organisation)ৰ তথ্য অনুসৰি 2000 চনত শিক্ষিত নিবনুৱা (উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ আৰু উৰ্দ্ধৰ) হাৰ আছিল 7.1 শতাংশ আৰু প্ৰাথমিক পৰ্যন্ত শিক্ষা লাভ কৰা লোকৰ ক্ষেত্ৰত এই হাৰ আছিল মাত্ৰ 1.2 শতাংশ। সেই কাৰণে চৰকাৰে উচ্চ শিক্ষাৰ বাবে আবণ্টন বৃদ্ধি কৰিব লাগে আৰু উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহত শিক্ষাৰ মান (Standard) উন্নত কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলক এনে প্ৰতিষ্ঠানবিলাকে নিয়োগৰ বাবে সক্ষমতা প্ৰদান কৰিব পাৰে।

## 5.8 সামৰণি (Conclusion) :

মানৱ মূলধন গঠন আৰু মানৱ উন্নয়নৰ সামাজিক সুফল আৰু অৰ্থনৈতিক লাভালাভসমূহ যথেষ্ট জনাজাত আৰু ৰাজ্যিক চৰকাৰসমূহে শিক্ষা আৰু স্বাস্থ্য খণ্ডত উন্নয়নৰ বাবে যথেষ্ট পৰিমাণৰ বিত্তীয় ব্যয় নিৰ্ধাৰণ কৰিছে। সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ শিক্ষা আৰু স্বাস্থ্যখণ্ডৰ প্ৰসাৰ নিশ্চিত হ'ব লাগে যাতে একে সময়তে আৰ্থিক বৃদ্ধি আৰু সমতা আহৰণ কৰিব পৰা যায়। ভাৰতবৰ্ষত বিশ্বৰ বৈজ্ঞানিক আৰু কাৰিকৰী মানৱশক্তিৰ এক চহকী ভাণ্ডাৰ আছে। সাম্প্ৰতিক সময়ে বিচাৰে যে গুণগতভাৱে ইয়াৰ উন্নতি সাধন কৰিব লাগে আৰু লগতে এনে পৰিবেশৰ সৃষ্টি কৰিব লাগে যাতে আমাৰ নিজ দেশতে ই ব্যৱহৃত হয়।



**পুনৰুক্তি (Recap)**

- শিক্ষাত কৰা ব্যয়ে মানৱক মানৱ মূলধনলৈ ৰূপান্তৰিত কৰে। মানৱ মূলধনে শ্ৰমৰ বৰ্ধিত উৎপাদনশীলতাক বুজায় যি এক আচৰিত দক্ষতা আৰু ভৱিষ্যতৰ আয়ৰ উৎস বৃদ্ধিৰ প্ৰত্যাশাৰে কৰা চিন্তাপ্ৰসূ বিনিয়োগ সিদ্ধান্তৰ ফলাফল।
- শিক্ষা, বৃত্তিত প্ৰশিক্ষণ, স্বাস্থ্য, প্ৰব্ৰজন আৰু তথ্যত বিনিয়োগ মানৱ মূলধন গঠনৰ উৎস।

> মানৱ মূলধন নিৰ্মাণৰ ভেটি হ'ল ভৌতিক মূলধনৰ ধাৰণা। এই দুয়োবিধ মূলধন গঠনৰ কিছুমান সাদৃশ্য আৰু বৈসাদৃশ্য দেখা যায়।
> মানৱ মূলধন গঠনত কৰা বিনিয়োগক সুদক্ষ আৰু বৃদ্ধিবৰ্ধক বুলি বিবেচনা কৰা হয়।
> মানৱ উন্নয়ন এই ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত যে শিক্ষা আৰু স্বাস্থ্য মানৱ কল্যাণৰ বাবে অপৰিহাৰ্য। কাৰণ যেতিয়া মানুহে লিখিব পঢ়িব পাৰে, সুদীৰ্ঘ আৰু স্বাস্থ্যৱান জীৱন লাভ কৰিব পাৰে, তেতিয়াহে তেওঁলোকে গুৰুত্ব প্ৰদান কৰা অইন পছন্দসমূহ কৰিব পাৰিব।
> মুঠ চৰকাৰী ব্যয়ৰ কিমান শতাংশ শিক্ষাত নিৰ্ধাৰণ কৰা হয় সেইটোৱে চৰকাৰ এখনৰ কাৰ্যকলাপৰ ভিতৰত শিক্ষাই কিমান গুৰুত্ব পায় তাক নিৰ্দেশ কৰে।




## অনুশীলনী (Exercise)

1. দেশ এখনত মানৱ মূলধনৰ মূল উৎস দুটা কি কি?
2. দেশ এখনৰ শৈক্ষিক সাফল্যৰ নিৰ্দেশকসমূহ কি কি?
3. ভাৰতবৰ্ষত শিক্ষা আহৰণৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্য কিয় দেখা যায়?
4. মানৱ মূলধন আৰু মানৱ উন্নয়নৰ মাজৰ পাৰ্থক্যসমূহ দেখুওৱা।
5. মানৱ মূলধনৰ তুলনাত মানৱ উন্নয়নৰ ধাৰণা ব্যাপক বুলি কিয় ধৰা হয়?
6. মানৱ মূলধন গঠনত কোনবোৰ উপাদানে অৰিহণা যোগায়?
7. শিক্ষা আৰু স্বাস্থ্য খণ্ডক নিয়ন্ত্ৰণ কৰা দুটাকৈ চৰকাৰী প্ৰতিষ্ঠানৰ নাম উল্লেখ কৰা।
8. এটা জাতিৰ উন্নয়নৰ বাবে শিক্ষা কেনেকৈ এক গুৰুত্বপূৰ্ণ সমল তাক ব্যাখ্যা কৰা।
9. তলত উল্লেখ কৰাবোৰক মানৱ মূলধন গঠনৰ উৎস হিচাপে আলোচনা কৰা।
   (i) স্বাস্থ্য আন্তঃগাঁথনি
   (ii) প্ৰব্ৰজনত কৰা ব্যয়।
10. মানৱ সম্পদৰ কাৰ্যকৰী ব্যৱহাৰৰ বাবে শিক্ষা আৰু স্বাস্থ্য বিষয়ত কৰা ব্যয়ৰ তথ্য আহৰণ কৰাৰ প্ৰয়োজনীয়তা প্ৰতিপন্ন কৰা।
11. মানৱ মূলধনত কৰা বিনিয়োগে বৃদ্ধিত কিদৰে অৰিহণা যোগায়?

12. 'গড় পৰ্যায়ৰ শিক্ষাৰ স্তৰৰ বৃদ্ধিৰ ফলত বিশ্বজুৰি অসমতাৰ নিম্নগামী গতিধাৰা দেখা যায়।' —মন্তব্য আগবঢ়োৱা।
13. এটা জাতিৰ অৰ্থনৈতিক উন্নয়নত শিক্ষাৰ ভূমিকা আলোচনা কৰা।
14. শিক্ষাত কৰা বিনিয়োগে কেনেদৰে অৰ্থনৈতিক বৃদ্ধি তৰান্বিত কৰে আলোচনা কৰা।
15. এজন ব্যক্তিৰ বাবে বৃত্তিত প্ৰশিক্ষণৰ আৱশ্যকতা কি আলোচনা কৰা।
16. মানৱ মূলধন আৰু অৰ্থনৈতিক বৃদ্ধিৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।
17. ভাৰতত স্ত্ৰী শিক্ষা প্ৰসাৰৰ আৱশ্যকতা ব্যাখ্যা কৰা।
18. শিক্ষা আৰু স্বাস্থ্য বিষয়ত বিভিন্ন প্ৰকাৰৰ চৰকাৰী হস্তক্ষেপৰ প্ৰয়োজনীয়তাৰ সপক্ষে যুক্তি আগবঢ়োৱা।
19. ভাৰতত মানৱ মূলধন গঠনৰ প্ৰধান সমস্যাবোৰ কি কি?
20. তোমাৰ মতে, শিক্ষা আৰু স্বাস্থ্য প্ৰতিষ্ঠানসমূহত মাচুলৰ গাঁথনি চৰকাৰে নিয়ন্ত্ৰণ কৰাটো অত্যাৱশ্যকীয় নে? যদি হয়, কিয়?

## ওপৰঞ্চি কাৰ্যৰ পৰামৰ্শ (Suggested Additional Activities)

1. মানৱ উন্নয়ন সূচকাংক কেনেকৈ হিচাপ কৰা হয়? বিশ্ব মানৱ উন্নয়ন সূচাংকত ভাৰতৰ স্থান কি?
2. অদূৰ ভৱিষ্যতত ভাৰতবৰ্ষ জ্ঞান ভিত্তিক অৰ্থব্যৱস্থালৈ পৰিৱৰ্তিত হ'ব নেকি? শ্ৰেণীকোঠাত আলোচনা কৰা।
3. 5.2 নং তালিকাত দিয়া তথ্যৰাশি ব্যাখ্যা কৰা।
4. এজন শিক্ষিত ব্যক্তি হিচাপে শিক্ষাৰ অৰ্থে তোমাৰ বৰঙণি কি হ'ব? (উদাহৰণ Each one teach one)
5. শিক্ষা, স্বাস্থ্য, আৰু শ্ৰমৰ বিষয়ে তথ্য সৰবৰাহ কৰা উৎসসমূহ কি কি?
6. কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন আৰু স্বাস্থ্য মন্ত্ৰণালয়ৰ বছৰেকীয়া প্ৰতিবেদনসমূহ পঢ়ি সাৰাংশ প্ৰস্তুত কৰা। অৰ্থনৈতিক সমীক্ষা (Economic Survey)ৰ সামাজিক খণ্ডৰ অধ্যায়টো পঢ়া।



## প্ৰসঙ্গ (References)


### গ্ৰন্থ

Becker Gary S. 1964. Human Capital, 2nd Edition, Columbia University Press, New York. Freeman, Richard 1976. The Overeducated American, Academic, New York.

### চৰকাৰী প্ৰতিবেদন

Education in India, Ministry of Human Resource Development, Government of India (for recent years) for various years.

Annual Reports, Ministry of Human Resource Development, Government of India.

### ৱেবচাইট (Websites)

www.education.nic.in

www.cbse.nic.in

www.ugc.ac.in

www.aicte.ernet.in

www.finmin.nic.in

www.ncert.nic.in

6

# ষষ্ঠ অধ্যায়

# গ্ৰাম্য উন্নয়ন
## (RURAL DEVELOPMENT)

**এই অধ্যায়টো পঢ়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে**

- গ্ৰাম্য উন্নয়ন আৰু ইয়াৰ লগত জড়িত প্ৰধান বিষয়সমূহ বুজি পাব।
- ভাৰতবৰ্ষৰ সামগ্ৰিক উন্নয়নৰ বাবে গ্ৰাম্য অঞ্চলৰ উন্নয়ন কিমান গুৰুত্বপূৰ্ণ তাক উপলব্ধি কৰিব পাৰিব।
- গ্ৰাম্য উন্নয়নৰ বাবে ঋণ আৰু বিপণন ব্যৱস্থাসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে বুজি পাব।
- জীৱিকা বৰ্তাই (অব্যাহত) ৰাখিবলৈ উৎপাদনক্ষম কাৰ্যসমূহ ভিন্নকৰণৰ গুৰুত্ব সম্পৰ্কে শিকিব পাৰিব।
- বহনক্ষম উন্নয়নত জৈৱিক কৃষি পদ্ধতিৰ তাৎপৰ্য বুজি পাব।

'একমাত্ৰ ভূমিৰ কৰ্যক সকলেহে অধিকাৰ সিদ্ধভাৱে জীৱন নিৰ্বাহ কৰে। অৱশিষ্টসকলে তেওঁলোকৰ দীঘলীয়া শাৰী গঢ়ে আৰু কেৱলমাত্ৰ নিৰ্ভৰশীলতাৰ জীৱিকা গ্ৰহণ কৰে —থিৰুৱাল্লুআৰ

"Only the tillers of the soil live by the right. The rest form their train and eat only the bread of dependence".

–Thiruvalluvar

## 6.1 সূচনা (Introduction) :

চতুৰ্থ অধ্যায়ত আমি ভাৰতবৰ্ষৰ বাবে দৰিদ্ৰতা কেনেকৈ এটা প্ৰত্যাহ্বান সেই বিষয়ে অধ্যয়ন কৰিছোঁ। আমি এইটোও জানিব পাৰিছো যে দুখীয়াসকলৰ গৰিষ্ঠ সংখ্যকেই গাঁৱত বাস কৰে য'ত তেওঁলোকে জীৱনৰ মৌলিক প্ৰয়োজনসমূহৰ সুবিধাখিনি নাপায়।

গ্ৰাম্যখণ্ডত কৃষিয়ে হৈছে জীৱিকাৰ প্ৰধান উৎস। মহাত্মা গান্ধীয়ে এবাৰ কৈছিল যে ভাৰতবৰ্ষৰ প্ৰকৃত প্ৰগতি মানে কেৱল ঔদ্যোগিক নগৰীয়া কেন্দ্ৰসমূহ গঢ়ি উঠা আৰু ইবিলাকৰ সম্প্ৰসাৰণক নুবুজায়, বৰঞ্চ ই প্ৰধানত ঃ গাঁওবিলাকৰ উন্নয়নকে বুজায়। গ্ৰাম্য উন্নয়নৰ এই ধাৰণাটো দেশখনৰ সামগ্ৰিক উন্নয়নৰ কেন্দ্ৰীয় বিষয় হিচাপে আজিও প্ৰাসংগিক হৈ আছে। প্ৰশ্ন হয়, এইটো কিয়? আমাৰ চাৰিওফালে বৃহৎ উদ্যোগ আৰু আধুনিক তথ্য প্ৰযুক্তিৰ কেন্দ্ৰ সমৃদ্ধ দ্ৰুত গতিত বৃদ্ধি পোৱা মহানগৰসমূহ প্ৰত্যক্ষ কৰিও আমি কিয় গ্ৰাম্য উন্নয়নত ইমান গুৰুত্ব দি আছো? এইটো এই কাৰণেই কৰা হৈছে যে ভাৰতবৰ্ষৰ জনসংখ্যাৰ দুই তৃতীয়াংশতকৈও অধিকে কৃষিখণ্ডৰ ওপৰত নিৰ্ভৰ কৰে যদিও এই খণ্ড তেওঁলোকৰ ভৰণ-পোষণ যোগাব পৰাকৈ উৎপাদনক্ষম নহয়। গ্ৰাম্য ভাৰতবৰ্ষৰ এক তৃতীয়াংশ লোক এতিয়াও শোচনীয় দাৰিদ্ৰ্যত বাস কৰে। সেই কাৰণে আমাৰ ৰাষ্ট্ৰই প্ৰকৃত প্ৰগতি লাভ কৰিবলৈ হ'লে আমি এখন উন্নত গ্ৰাম্য ভাৰতবৰ্ষলৈ মন দিব লাগিব। তেনেহ'লে চাওচোন, গ্ৰাম্য উন্নয়নে কি সূচায়।

## 6.2 গ্ৰাম্য উন্নয়ন কি? (What is Rural Development?) :

গ্ৰাম্য উন্নয়নৰ ধাৰণাটো ব্যাপক অৰ্থত ব্যৱহৃত হয়। অনিবাৰ্যভাৱে ই গ্ৰামীণ অৰ্থ-ব্যৱস্থাৰ সামগ্ৰিক উন্নয়নৰ লগত জড়িত ক্ষেত্ৰসমূহৰ ভিতৰত যিবোৰ পিছ পৰি আছে সেইবোৰৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় কাৰ্যসমূহত দৃষ্টি নিক্ষেপ কৰে। গ্ৰামীণ ভাৰতবৰ্ষৰ উন্নয়নৰ বাবে নতুন উদ্যোগৰ আৱশ্যকতা থকা কিছুমান প্ৰত্যাহ্বানযুক্ত ক্ষেত্ৰ হৈছে—

* মানৱ সম্পদসমূহৰ উন্নয়ন— য'ত সামৰি লোৱা হৈছে
— সাক্ষৰতা, বিশেষতঃ মহিলাৰ সাক্ষৰতা, শিক্ষা আৰু অৰ্হতাৰ বিকাশ;
— অনাময় ব্যৱস্থা আৰু জনস্বাস্থ্য উভয়কে সামৰি লোৱা স্বাস্থ্য সেৱা;
* ভূমি সংস্কাৰ;
* প্ৰত্যেক অঞ্চলৰে উৎপাদনক্ষম সম্পদসমূহৰ উন্নয়ন;
* বিদ্যুৎ, জলসিঞ্চন, ঋণ, বিপণন, গ্ৰাম্য পথ আৰু ৰাষ্ট্ৰীয় ঘাই পথ সংযোগী পথৰ নিৰ্মাণকে ধৰি পৰিবহণ ব্যৱস্থা, কৃষি গৱেষণা আৰু

সম্প্ৰসাৰণৰ সুবিধাসমূহ আৰু তথ্যৰ বহুল প্ৰচাৰকৰণ ইত্যাদি আন্তঃগাঁথনিৰ উন্নয়ন;

* দৰিদ্ৰতা দূৰীকৰণ আৰু উৎপাদনমুখী নিয়োগৰ সুযোগত গুৰুত্ব প্ৰদানৰ জৰিয়তে জনসাধাৰণৰ দুৰ্বল অংশৰ জীৱন ধাৰণৰ অৱস্থাৰ উল্লেখযোগ্য পৰিৱৰ্তন সাধন কৰিবলৈ প্ৰয়োজনীয় বিশেষ ব্যৱস্থাৱলী।

এই সকলোবোৰৰ অৰ্থ এয়ে যে কৃষিজীৱী সম্প্ৰদায়ক বিভিন্ন খাদ্য-শস্য, শাক-পাচলি আৰু ফলমূলৰ উৎপাদনশীলতা বৃদ্ধিৰ সহায়ক হোৱাকৈ বিভিন্ন উপায় আগবঢ়াব লাগিব। তেওঁলোকক খাদ্য প্ৰক্ৰিয়াকৰণ আদিৰ দৰে বিভিন্ন অনা-কৃষি উৎপাদনমুখী কাৰ্যৰ যোগেদি লাভৰ বাবে বিভিন্ন সুযোগ দিয়াৰো প্ৰয়োজনীয়তা আছে। দ্ৰুত গ্ৰাম্য উন্নয়ন সাধিবলৈ হ'লে তেওঁলোকৰ বাবে সু আৰু সামৰ্থ্যলভ্য স্বাস্থ্য সেৱা, কৰ্মক্ষেত্ৰ আৰু বাসস্থানত অনাময় আৰু সকলোৰে বাবে শিক্ষাৰ ব্যৱস্থা কৰাটোত অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজন আছে।

পূৰ্বৰ এটা অধ্যায়ত লক্ষ্য কৰা হৈছে যে যদিও সৰ্বমুঠ ঘৰুৱা উৎপাদনত কৃষি খণ্ডৰ বৰঙণি নিম্নগামী হৈছে, এই খণ্ডত নিৰ্ভৰশীল জনসাধাৰণৰ কোনো উল্লেখযোগ্য পৰিৱৰ্তন হোৱা নাই। তদুপৰি অৰ্থনৈতিক সংস্কাৰ প্ৰণয়নৰ পিছত 1990ৰ দশকত কৃষি খণ্ডৰ বৃদ্ধিৰ হাৰ বাৰ্ষিক 2.3 শতাংশলৈ হ্ৰাস পায়। এই হাৰ পূৰ্বৰ বছৰসমূহৰ বৃদ্ধিৰ হাৰতকৈ কম। অৰ্থনীতিবিদসকলে 1991 চনৰ পৰা হোৱা ৰাজহুৱা বিনিয়োগ সংকোচনকে ইয়াৰ প্ৰধান কাৰণ হিচাপে চিনাক্ত কৰিছে। তেওঁলোকে আকৌ কৈছে যে অকুলন আন্তঃগাঁথনি, উদ্যোগ বা সেৱা খণ্ডত বিকল্প নিয়োগৰ সুযোগৰ অভাৱ, নিয়োগৰ ক্ৰমবৰ্ধমান নৈমিত্তিকীকৰণ ইত্যাদিয়ে গ্ৰাম্য উন্নয়ন অধিক বাধাগ্ৰস্ত কৰিছে। ভাৰতবৰ্ষৰ বিভিন্ন অংশত কৃষকসকলৰ মাজত দেখা পোৱা ক্ৰমবৰ্ধমান দুৰ্দশাই এই প্ৰপঞ্চটোৰ প্ৰভাৱ প্ৰতিফলিত কৰিছে এই পটভূমিত ঋণ আৰু বিপণন ব্যৱস্থা, কৃষ্টি সম্পৰ্কীয় বৈচিত্ৰ্যকৰণ আৰু বহুনক্ষম উন্নয়নৰ উত্তৰণত জৈৱিক কৃষি কাৰ্যৰ ভূমিকা আদি গ্ৰাম্য ভাৰতৰ কেইটামান নিৰ্ণায়কৰ কিছু দিশত আমি সমালোচনাত্মকভাৱে দৃষ্টিপাত কৰিম।

**কৰি চোৱা**
**(Work these out)**

➢ মাহিলী ভিত্তিত তোমাৰ অঞ্চলৰ বাতৰিকাকতসমূহ পৰীক্ষা কৰা আৰু এইবোৰে গ্ৰাম্য অঞ্চল সম্বন্ধে উত্থাপন কৰা সমস্যাবোৰ আৰু ইবিলাকৰ সমাধানৰ উপায়সমূহ চিনাক্ত কৰা। ওচৰৰ গাঁও এখন পৰিদৰ্শন কৰিও তাত জনসাধাৰণে সন্মুখীন হোৱা সমস্যাবোৰ চিনাক্ত কৰিব পাৰা।

➢ চৰকাৰী ওৱেবচাইট http://www.rural.nic.inৰ পৰা শেহতীয়া আঁচনিসমূহ আৰু এইবোৰৰ উদ্দেশ্যসমূহৰ এখন সূচী প্ৰস্তুত কৰা।

## 6.3 গ্ৰাম্য অঞ্চলত ঋণ আৰু বিপণন (Credit and Marketing in Rural Areas) :

**ঋণ (Credit)** ঃ গ্ৰামীণ অৰ্থব্যৱস্থাৰ বৃদ্ধি মূলতঃ নিৰ্ভৰ কৰে কৃষি আৰু অনা কৃষি খণ্ডসমূহত উচ্চ হাৰত উৎপাদনশীলতা পাবলৈ সময়ে সময়ে কৰা মূলধনৰ প্ৰয়োগৰ ওপৰত। বীজ সিঞ্চনৰ পৰা উৎপাদনৰ জৰিয়তে আয় উপাৰ্জনৰ মাজত সময়ৰ

**কক্ষ নং 6.1 ঃ দুখীয়া মহিলাসকলৰ বেংক (The Poor Women's Bank)**

কুদুম্বশ্ৰী (Kudumbashree) হৈছে কেৰালাত সামূহিক ভিত্তিত ৰূপায়িত কৰা এখন মহিলামুখী দৰিদ্ৰতা হ্ৰাসকৰণৰ কাৰ্যসূচী। সঞ্চয়ত উৎসাহ প্ৰদানৰ উদ্দেশ্য আগত লৈ দুখীয়া মহিলাসকলৰ বাবে ক্ষুদ্ৰ সঞ্চয় বেংক হিচাপে 1995 চনত এক মিতব্যয়িতা আৰু ঋণদান সমিতি (Thrift and Credit Society) আৰম্ভ কৰা হৈছিল। মিতব্যয়িতা আৰু ঋণদান সমিতিয়ে মিতব্যয়সম্ভুত সঞ্চয় হিচাপে 1 কোটি টকা গোটাইছিল। অংশগ্ৰহণ আৰু সঞ্চয় সংগ্ৰহৰ ক্ষেত্ৰত এই সমিতিবোৰ এছিয়াৰ ভিতৰতে সৰ্ববৃহৎ অনানুষ্ঠানিক বেংক হিচাপে প্ৰশংসিত হৈছে।

**উৎস ঃ** www.kudumbashree.com এই ওৱেবচাইটটো চোৱা আৰু সংগঠনটোৱে গ্ৰহণ কৰা অন্য বিভিন্ন কাৰ্যতৎপৰতাসমূহ উদঘাটন কৰা। তেওঁলোকৰ সফলতাত বৰঙণি যোগোৱা কিছুমান উপাদান চিনাক্ত কৰিব পাৰিবানে?

ব্যৱধান যথেষ্ট দীঘলীয়া হোৱা হেতুকে কৃষকসকলে বীজ, সাৰ, সা-সঁজুলি আদিত কৰিবলগীয়া প্ৰাৰম্ভিক বিনিয়োগ আৰু বিয়া, মৃত্যু, ধৰ্মীয় উৎসৱ-পাৰ্বণ ইত্যাদিৰ বাবদ অন্যান্য পাৰিবাৰিক খৰচৰ বাবে ঋণ ল'বলগীয়া হয়।

স্বাধীনতাৰ সময়ত ঋণদাতা আৰু ব্যৱসায়ীসকলে উচ্চ সুতৰ হাৰত ঋণৰ যোগান ধৰি আৰু 'ঋণ ফান্দ'ত নিমজ্জিত কৰি ৰখাৰ উদ্দেশ্যে ঋণ সম্পৰ্কীয় হিচাপ-নিকাচত ইচ্ছাকৃত কাৰচাজি কৰি ক্ষুদ্ৰ, উপান্ত আৰু ভূমিহীন কৃষকসকলক শোষণ কৰিছিল। 1969 চনত ভাৰতবৰ্ষই গ্ৰাম্য ঋণৰ চাহিদা পৰ্যাপ্তভাৱে পূৰণ কৰিবলৈ সামাজিক বেংকিং আৰু বহুঅভিকৰণৰ পদক্ষেপ (Multiagency Approach) গ্ৰহণ কৰাৰ পিছত এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ঘটে। পিছলৈ গ্ৰাম্য বিত্তীয় ব্যৱস্থাত জড়িত আটাইবোৰ প্ৰতিষ্ঠানৰ কাৰ্যসমূহৰ মাজত সমন্বয় সাধনৰ উদ্দেশ্যে 1982 চনত এক সৰ্বোচ্চ নিকায়— ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক (National Bank for Agriculture and Rural Development, NABARD) গঠন কৰা হয়।

সেউজ বিপ্লৱ হৈছে ঋণ ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ আগজাননী। কিয়নো, ই গ্ৰাম্য ঋণ সম্ভাৰ (rural credit portfolio)ক ভিন্নতা প্ৰদান কৰি ইয়াক উৎপাদনশীল ঋণমুখী কৰি তুলিছে।

বাণিজ্যিক বেংক, আঞ্চলিক গ্ৰামীণ বেংক, সমবায় আৰু ভূমি উন্নয়ন বেংক ইত্যাদি বহুঅভিকৰণ অনুষ্ঠানৰ সমষ্টিৰে সাম্প্ৰতিক গ্ৰাম্য বেংক ব্যৱস্থাৰ আনুষ্ঠানিক গাঁথনি গঠিত হৈছে। এই বহু অভিকৰণ ব্যৱস্থা আৰ্হিকৰণৰ প্ৰধান লক্ষ্য হৈছে সুলভ হাৰত পৰ্যাপ্ত পৰিমাণৰ ঋণ বিতৰণ কৰা। শেহতীয়াভাৱে আনুষ্ঠানিক ঋণ ব্যৱস্থাত থকা অন্তৰাল দূৰ কৰিবলৈ আত্মসহায়ক গোটসমূহ (SHGS) আগবাঢ়ি আহিছে। কিয়নো, আনুষ্ঠানিক ঋণ বিতৰণৰ ব্যৱস্থাটো যে কেৱল যথোপযুক্ত নহয় বুলিয়েই প্ৰমাণিত হৈছে তেনে নহয়; বৰঞ্চ ই সামগ্ৰিক গ্ৰাম্য, সামাজিক আৰু সামূহিক উন্নয়নক সম্পূৰ্ণৰূপে

**কৰি চোৱা (Work these out)**

- তোমাৰ স্থানীয়/নিকটৱৰ্তী অঞ্চলত আত্মসহায়ক গোটসমূহে ঋণ প্ৰদান কৰা দেখিবলৈ পাবা। এনে আত্মসহায়ক গোটসমূহৰ কিছু সংখ্যক সভাত উপস্থিত থাকা। আত্মসহায়ক গোটবোৰৰ জীৱনবৃত্তৰ ওপৰত এক প্ৰতিবেদন প্ৰস্তুত কৰা। এনে জীৱনবৃত্তত নিম্নলিখিত বিষয়সমূহ সন্নিৱিষ্ট হ'ব পাৰে— গোটটো কেতিয়া আৰম্ভ হৈছিল, সদস্যৰ সংখ্যা, সঞ্চয়ৰ পৰিমাণ আৰু তেওঁলোকে প্ৰদান কৰা ঋণৰ ধৰণ তথা ঋণ গ্ৰহীতাসকলে ইয়াক কেনেদৰে ব্যৱহাৰ কৰে ইত্যাদি।
- এইটো লক্ষ্য কৰিব পাৰা যে ঋণগ্ৰহীতাই স্ব-নিয়োজনৰ বাবে গ্ৰহণ কৰা ঋণ অন্যান্য উদ্দেশ্যত ব্যৱহাৰ কৰিছে। কিছু সংখ্যক ঋণগ্ৰহীতাৰ লগত মত বিনিময় কৰা আৰু স্ব-নিয়োজনৰ কাৰ্য আৰম্ভ কৰিবলৈ তেওঁলোকক উৎসাহিত কৰাৰ সম্ভাৱনা উদঘাটন কৰা।

সংহত কৰিব পৰা নাই। ঋণৰ বাবে যিহেতু বন্ধকীৰ প্ৰয়োজন, দুখীয়া গ্ৰাম্য পৰিয়ালবোৰৰ এক বৃহৎ অংশ স্বাভাৱিকভাৱে ঋণৰ পৰিসৰৰ পৰা বাদ পৰি আছিল। আত্মসহায়ক গোটবোৰে ইয়াৰ প্ৰত্যেক সদস্যৰ পৰা নিম্নতম বৰঙণিৰে ক্ষুদ্ৰ অনুপাতত সঞ্চয় গঠন কৰে। উমৈহতীয়া সঞ্চিত পুঁজিৰ পৰা ঋণৰ প্ৰয়োজন হোৱা সদস্যসকলক কম সুতৰ হাৰত আৰু সৰু কিস্তিত পৰিশোধযোগ্য ঋণ আগবঢ়োৱা হয়। জানিব পৰা মতে 2003 চনৰ মাৰ্চ মাহৰ শেষলৈ 7 লাখতকৈও অধিক আত্মসহায়ক গোটক ঋণৰ লগত সংযুক্ত কৰা হৈছে। এনে ঋণ ব্যৱস্থাক সাধাৰণতে ক্ষুদ্ৰ ঋণ কাৰ্যসূচী (micro-credit programme) বোলা হয়। আত্মসহায়ক গোটসমূহে মহিলাসকলৰ সৱলীকৰণতো সহায় কৰিছে, কিন্তু ঋণসমূহ প্ৰধানতঃ ভোগকাৰ্যৰ উদ্দেশ্যতে সীমাবদ্ধ হৈ আছে আৰু এইবোৰৰ নগণ্য অংশহে কৃষি সংক্ৰান্তত লোৱা হৈছে।

**গ্ৰামীণ বেংক সেৱা— এক সমালোচনাত্মক মূল্যায়ন (Rural Banking– A Critical Appraisal):**

বেংক সেৱাৰ দ্ৰুত সম্প্ৰসাৰণে গ্ৰাম্য কৃষি আৰু অনাকৃষি উৎপাদন, আয় আৰু নিয়োগৰ ওপৰত ইতিবাচক প্ৰভাৱ পেলাইছে। বিশেষকৈ সেউজ বিপ্লৱৰ পিছত ই কৃষকসকলক বিভিন্ন সেৱা আৰু ঋণৰ সুবিধাসমূহ তথা তেওঁলোকৰ উৎপাদনজনিত প্ৰয়োজন পূৰণৰ বাবে বিভিন্ন প্ৰকাৰৰ ঋণৰ সুযোগ গ্ৰহণ কৰাত সহায় কৰিছে। দুৰ্ভিক্ষ এতিয়া অতীতৰ ঘটনা। আমি সম্প্ৰতি খাদ্য নিৰাপত্তা অৰ্জন কৰিছো। খাদ্য-শস্যৰ আপদকালিন ভাণ্ডাৰৰ প্ৰাচুৰ্যত ইয়াৰ প্ৰতিফলন ঘটিছে। তথাপিও আমাৰ বেংক ব্যৱস্থা সম্পূৰ্ণ সুচাৰুৰূপে চলা নাই। এইটো প্ৰধানতঃ আনুষ্ঠানিক ঋণদান অনুষ্ঠানসমূহৰ দীৰ্ঘদিনীয়া নিম্ন কাৰ্য সম্পন্নতা আৰু কৃষকসকলৰ পক্ষত ঘটা খিলাপী ঋণৰ (overdue instalmentৰ ঘটনাৰ আধিক্যৰ বাবে হৈছে। সম্ভৱতঃ বাণিজ্যিক বেংকসমূহৰ বাহিৰে অইন নিয়মিত অনুষ্ঠানসমূহ

**কৰি চোৱা (Work these out)**

➢ তোমালোক যদি গ্ৰাম্যঞ্চলত বাস কৰা তেনেহ'লে তোমালোকৰ নিকটৱৰ্তী অঞ্চলত নিজেই দেখিছা অন্যথা বাতৰিকাকতত পঢ়িছা বা দূৰদৰ্শনত দেখিছা যে বিগত কেইবছৰমানত বহুসংখ্যক কৃষকে আত্মহত্যা কৰিছে। এনে বহু কৃষকে কৃষি আৰু অন্যান্য উদ্দেশ্যত মুদ্ৰা ধাৰলৈ লৈছিল। দেখা গৈছিল যে শস্য-ব্যৰ্থতা, আয় আৰু নিয়োগৰ অকুলনতাৰ কাৰণে ঋণ পৰিশোধত অসমৰ্থ হৈ তেওঁলোকে এনে পদক্ষেপ লৈছিল। এনে ধৰণৰ ঘটনা সম্পৰ্কিত তথ্য সংগ্ৰহ কৰা আৰু শ্ৰেণী কোঠাত আলোচনা কৰা।

➢ গ্ৰাম্যঞ্চলৰ প্ৰয়োজন পূৰণৰ বাবে বেংকসমূহ চাবলৈ যোৱা। এইবোৰ প্ৰাথমিক কৃষি সমবায় বেংক, ভূমি উন্নয়ন বেংক, আঞ্চলিক গ্ৰামীণ বেংক নাইবা জিলা সমবায় বেংক আদি হ'ব পাৰে। ইবিলাকৰ পৰা কিমান সংখ্যক গ্ৰামীণ পৰিয়ালে ঋণ লৈছে, সচৰাচৰ গ্ৰহণ কৰা ঋণৰ পৰিমাণ, ব্যৱহাৰ কৰা বন্ধকীৰ প্ৰকাৰ, সুতৰ হাৰ আৰু দেয় পৰিমাণ আদিৰ বিতং তথ্য সংগ্ৰহ কৰা।

➢ সমবায় বেংকৰ পৰা ঋণ গ্ৰহণকাৰী কৃষকে শস্য-ব্যৰ্থতা আৰু অন্যান্য কাৰণত ঋণ পৰিশোধ কৰিব নোৱাৰিলে তেওঁলোকৰ ঋণবোৰ মাফ দিয়া (মকুব কৰা) উচিত। অন্যথাই তেওঁলোকে আত্মহত্যাৰ নিচিনা কঠোৰ সিদ্ধান্ত ল'ব পাৰে। তোমালোকে এইটো সমৰ্থন কৰানে?

সঞ্চয় সংগ্ৰহ অৰ্থাৎ উপযুক্ত ঋণ গ্ৰহীতালৈ ঋণ প্ৰদান আৰু ফলপ্ৰসূভাৱে ঋণ ঘূৰাই অনা সংস্কৃতি গঢ়াত ব্যৰ্থ হৈছে। দীৰ্ঘকাল ধৰি কৃষি ঋণৰ অ-পৰিশোধৰ হাৰ উচ্চ হৈ আছে আৰু কেবাটাও অধ্যয়নে দেখুৱাইছে যে প্ৰায় 50 শতাংশ অ-পৰিশোধকাৰী ঋণীয়েই ইচ্ছাকৃত অ-পৰিশোধকাৰী (wilful defaulter)ৰ শ্ৰেণীভুক্ত। এইটো বেংক ব্যৱস্থাৰ নিয়াৰি কাৰ্য সম্পাদনৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছে আৰু ইয়াৰ নিয়ন্ত্ৰণৰ প্ৰয়োজন হৈছে।

এনেদৰে অৰ্থনৈতিক সংস্কাৰৰ পিছত গ্ৰাম্য বেংক খণ্ডৰ সম্প্ৰসাৰণ আৰু উন্নয়ন পিছ হুহকি গৈছে। এই পৰিস্থিতিৰ উন্নতি কৰিবলৈ হ'লে বেংকসমূহে কেৱল মাত্ৰ ঋণদাতা হৈ থকাৰ পৰিৱৰ্তে ঋণগ্ৰহীতাসকলৰ সৈতে সম্পৰ্কৰ বেংক ব্যৱস্থা গঢ়ি তোলাৰ প্ৰচেষ্টা হাতত ল'ব লাগিব। কৃষকসকলৰ মাজত সঞ্চয়ৰ অভ্যাস গঢ়ি তোলা আৰু বিত্তীয় সম্পদসমূহৰ দক্ষতাপূৰ্ণ ব্যৱহাৰ ত্বৰান্বিত কৰাৰো প্ৰয়োজন আছে।

## 6.4 কৃষি সংক্ৰান্তীয় বজাৰ ব্যৱস্থা (Agricultural Market System) :

আমি সদায় ভোগ কৰা খাদ্য-শস্য, শাক-পাচলি আৰু ফলমূল আদি ভাৰতবৰ্ষৰ বিভিন্ন অংশৰ পৰা কেনেকৈ আহে সেইটো কেতিয়াবা নিজকে সুধি চাইছানে? যি ব্যৱস্থাৰ জৰিয়তে এই সামগ্ৰীসমূহ বিভিন্ন ঠাই পায়গৈ সেয়া নিৰ্ভৰ কৰে বজাৰৰ সংবাহক (channel) সমূহৰ ওপৰত। কৃষি বিপণন হৈছে এক প্ৰক্ৰিয়া যিয়ে একত্ৰকৰণ (assembling),

মজুতকৰণ, প্ৰক্ৰিয়াকৰণ (processing), পৰিবহন, টোপোলাকৰণ (packaging), মান অনুযায়ী ক্ৰমাংকন (grading) আৰু সমগ্ৰ দেশত বিভিন্ন কৃষিজাত সামগ্ৰী বিতৰণক জড়িত কৰে।

স্বাধীনতাৰ পূৰ্বে কৃষকসকলে তেওঁলোকৰ উৎপাদনসমূহ ব্যৱসায়ীসকলক বিক্ৰী কৰাৰ সময়ত ত্ৰুটিপূৰ্ণ জোখমাপ আৰু হিচাপ-নিকাচত চলা কাৰচাজিৰ সমস্যাত ভুগিছিল। যিসকল কৃষকে বজাৰত প্ৰচলিত দাম সম্পৰ্কীয় প্ৰয়োজনীয় তথ্য নাজানিছিল তেওঁলোকে প্ৰায়ে নিম্ন দামতে বিক্ৰী কৰিবলৈ বাধ্য হৈছিল। পিছলৈ ভাল দামত বিক্ৰীৰ বাবে উৎপাদনসমূহ সাঁচি ৰাখিব পৰাকৈ তেওঁলোকৰ উপযুক্ত সঞ্চয়াগাৰৰ ব্যৱস্থাও নাছিল। তোমালোকে জানানে যে আনকি আজিও কৃষি পামত উৎপাদিত সামগ্ৰীৰ 10 শতাংশৰো অধিক সঞ্চয়াগাৰৰ অভাৱত নষ্ট হয়? সেই বাবে ব্যক্তিগত ব্যৱসায়ীসকলৰ কাৰ্যকলাপক নিয়ন্ত্ৰণ কৰিবলৈ ৰাষ্ট্ৰৰ হস্তক্ষেপ প্ৰয়োজনীয় হৈ উঠিছিল।

এতিয়া আমি, বিপণনৰ দিশটো উন্নীতকৰণৰ বাবে আৰম্ভ কৰা চাৰিটা এনে ব্যৱস্থা আলোচনা কৰোহঁক। প্ৰথম পদক্ষেপ আছিল, শৃংখলাৱদ্ধ আৰু স্বচ্ছ বিপণনৰ প্ৰয়োজনীয় পৰিৱেশ সৃষ্টিৰ উদ্দেশ্যে বজাৰ ব্যৱস্থাৰ নিয়ন্ত্ৰণ। এই নীতিয়ে কৃষক আৰু ভোক্তা উভয়কে বহুলাংশে উপকৃত কৰিছে। অৱশ্যে গ্ৰাম্য বজাৰসমূহৰ পূৰ্ণ সম্ভাৱনাক উচল কৰিবলৈ হ'লে প্ৰায় 27000 খন নিৰ্দিষ্ট সময় ভিত্তিক গ্ৰামীণ বজাৰক নিয়ন্ত্ৰিত বজাৰলৈ উন্নীতকৰণৰ এতিয়াও প্ৰয়োজন আছে। দ্বিতীয়টো উপাদান হৈছে ৰাস্তা, ৰে'লপথ, পণ্যাগাৰ, গুদামঘৰ, শীতল সঞ্চয়াগাৰ আৰু প্ৰক্ৰিয়াকৰণ গোট ইত্যাদি বস্তুগত আন্তঃগাঁথনিৰ সুবিধাৰ ব্যৱস্থা। বৰ্তমানৰ আন্তঃগাঁথনিমূলক সা-সুবিধাসমূহ ক্ৰমবৰ্ধমান চাহিদা পূৰণৰ বাবে সমূলি পৰ্যাপ্ত নহয় আৰু এইবোৰ উন্নত কৰা দৰকাৰ। কৃষকে উৎপাদিত সামগ্ৰীৰ ন্যায্য দাম পাবৰ কাৰণে সমবায় বিপণন ব্যৱস্থা হৈছে চৰকাৰে গ্ৰহণ কৰা উদ্যোগৰ তৃতীয়টো দিশ। গুজৰাট আৰু দেশৰ আন কিছুমান অংশত সামাজিক আৰু অৰ্থনৈতিক দৃশ্যপট সলনি কৰাৰ ক্ষেত্ৰত দুগ্ধ সমবায়



চিত্ৰ নং 6.1 ঃ নিয়ন্ত্ৰিত বজাৰ প্ৰাংগণে কৃষকৰ লগতে ভোক্তাসকলকো লাভৱান কৰে।

### কৰি চোৱা (Work these out)

- ওচৰৰ এখন শাক-পাচলি আৰু ফলমূলৰ বজাৰলৈ যোৱা। বজাৰখনৰ বিভিন্ন বৈশিষ্ট্য পৰ্যবেক্ষণ আৰু চিনাক্ত কৰা। অতি কমেও দহ বিধ বিভিন্ন শাক-পাচলি আৰু ফলমূলৰ উৎপাদনৰ মূলস্থান চিনাক্ত কৰা আৰু তাৰ পৰা বজাৰৰ দূৰত্ব কিমান চোৱা। তদুপৰি পৰিবহণৰ ধৰণ আৰু দামৰ লগত ইয়াৰ সম্পৰ্ক লক্ষ্য কৰা।
- বেছিভাগ সৰু চহৰত নিয়ন্ত্ৰিত বজাৰ প্ৰাংগণ আছে। কৃষকসকলে এই বজাৰসমূহলৈ গৈ তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰিব পাৰে। বজাৰ প্ৰাংগণতে তেওঁলোকৰ সামগ্ৰীসমূহ মজুত কৰিবও পাৰি। এখন নিয়ন্ত্ৰিত বজাৰলৈ যোৱা। ইয়াৰ কাম-কাজসমূহ, প্ৰাংগণলৈ অহা সামগ্ৰীৰ প্ৰকাৰ আৰু দাম নিৰ্ধাৰণ পদ্ধতিৰ সবিশেষ তথ্য সংগ্ৰহ কৰা।

সমূহে লাভ কৰা সফলতা হৈছে সমবায় সমূহৰ ভূমিকাৰ নিশ্চিত প্ৰমাণ স্বৰূপ। তথাপি কৃষক সদস্যৰ অকুলন অন্তৰ্ভুক্তিকৰণ, বিপণন আৰু প্ৰক্ৰিয়াকৰণ সমবায়সমূহৰ মাজত যথোপযুক্ত সংযোগৰ অভাৱ আৰু দক্ষতাহীন বিত্তীয় ব্যৱস্থাপনা আদিৰ কাৰণে শেহতীয়াকৈ সমবায়সমূহ বাধাগ্ৰস্ত হৈছে। চতুৰ্থটো উপাদান হৈছে নীতি সম্পৰ্কীয় আহিলাসমূহ। যেনে— (1) কৃষিজাত উৎপাদনৰ বাবে নিম্নতম সমৰ্থন মূল্যৰ আশ্বাস (MSP), (2) ভাৰতীয় খাদ্য নিগমৰ দ্বাৰা ঘেঁহু আৰু চাউলৰ আপদকালিন ভঁৰাল অব্যাহত ৰখা; আৰু (3) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে খাদ্য-শস্য আৰু চেনিৰ বিতৰণ। এই আহিলাসমূহৰ নিৰ্দিষ্ট লক্ষ্য হৈছে কৃষকসকলক আয় সুৰক্ষা প্ৰদান কৰা আৰু ৰেহাই মূল্যত দুখীয়াসকলক খাদ্য-শস্য যোগান ধৰা। তথাপি চৰকাৰী হস্তক্ষেপ সত্বেও ব্যক্তিগত ব্যৱসায়ে (ব্যক্তিগত ঋণদাতাসকল, ৰাজনৈতিকভাৱে গ্ৰাম্য প্ৰভুত্বশালী লোক, বৃহৎ মহাজন আৰু ধনী কৃষক) কৃষি বজাৰত আধিপত্য বিস্তাৰ কৰি আছে। চৰকাৰী অভিকৰণ আৰু ভোক্তা সমবায়সমূহে নিয়ন্ত্ৰণ কৰা কৃষিজাত উৎপাদনৰ পৰিমাণ হৈছে মাত্ৰ 10 শতাংশ। অৱশিষ্ট অংশ ব্যক্তিগত খণ্ডৰ দ্বাৰা পৰিচালিত হয়। বিভিন্ন ৰূপত চলা চৰকাৰী হস্তক্ষেপত কৃষি বিপণন ব্যৱস্থা বহুদূৰ আগবাঢ়িছে। গোলকীকৰণৰ যুগত কৃষিৰ দ্ৰুত বাণিজ্যিকীকৰণে প্ৰক্ৰিয়াকৰণৰ (processing) জৰিয়তে কৃষি ভিত্তিক উৎপাদনসমূহত মূল্য সংযোজনৰ ব্যাপক সুযোগ প্ৰদান কৰিছে। কৃষকসকলৰ বিপণন সমৰ্থতা উন্নত কৰিবলৈ সজাগতা আৰু প্ৰশিক্ষণ ব্যৱস্থাৰ উপৰিও এই দিশতো তেওঁলোকক উৎসাহিত কৰা আৱশ্যক।

**বিপণন মাধ্যমৰ উত্থিত বিকল্প (Emerging Alternate Marketing Channels) :**

যদিহে কৃষকসকলে তেওঁলোকৰ উৎপাদনসমূহ পোনপটীয়াকৈ ভোক্তাসকলক বিক্ৰী কৰে তেন্তে ই প্ৰাপ্ত দামত তেওঁলোকৰ প্ৰাপ্য অংশ বৃদ্ধি কৰে বুলি অনুমান কৰা হৈছে। এনে মাধ্যমৰ কিছুমান উদাহৰণ হ'ল— অপ্‌নী মণ্ডী (Apni Mandi– পঞ্জাৱ, হাৰিয়ানা আৰু ৰাজস্থান); হাডাচ্‌পাৰ মণ্ডী (Hadaspar Mandi– পুনে); ৰিথু বাজাৰচ্‌ (Rythu Bazars– অন্ধ্ৰ প্ৰদেশৰ শাক-পাচলি আৰু

ফলমূলৰ বজাৰসমূহ) আৰু উঝাৱৰ চাণ্ডিজ (Uzhavar Sandies– তামিলনাডুৰ কৃষকৰ বজাৰসমূহ)। তদুপৰি বিভিন্ন ৰাষ্ট্ৰীয় আৰু বহুজাতিক দ্ৰুত খাদ্য শৃংখল (fast food chain) বৰ্ধিত ৰূপত কৃষকসকলৰ লগত চুক্তিবদ্ধ/জোঁটবদ্ধ হৈছে। ইয়াৰ উদ্দেশ্য হ'ল— কেৱল মাত্ৰ বীজ আৰু অন্যান্য উৎপাদনৰ আহিলাৰ সৰবৰাহৰ যোগেদিয়েই নহয়— বৰঞ্চ পূৰ্ব নিৰ্ধাৰিত দামত সংগ্ৰহৰ (procurement) নিশ্চিত আশ্বাসৰ জৰিয়তে কৃষকসকলক ইপ্সিত গুণাগুণৰ কৃষি সামগ্ৰী (শাক-পাচলি, ফলমূল ইত্যাদি) উৎপাদন কৰিবলৈ উৎসাহ যোগোৱা। এনে ব্যৱস্থাপনা সমূহে কৃষকসকলৰ দাম সংক্ৰান্তীয় ক্ষতি শংকা লাঘৱ কৰাত সহায় কৰাৰ লগতে কৃষিজাত সামগ্ৰীৰ বজাৰৰ প্ৰসাৰণ ঘটাব।

**কৰি চোৱা (Work these out)**

➤ তোমাৰ স্থানীয় অঞ্চল বা নিকটৱৰ্তী গ্ৰামাঞ্চলৰ কৃষকসকলে ব্যৱহাৰ কৰা এখন এনেধৰণৰ বিকল্প বিপণন ব্যৱস্থা চোৱা। নিয়ন্ত্ৰিত বজাৰ প্ৰাংগণৰ লগত এইবোৰৰ পাৰ্থক্য কি? চৰকাৰে এইবোৰক উৎসাহিত আৰু সহায় কৰা উচিত নে? কিয় আৰু কেনেকৈ? আলোচনা কৰা।

## 6.5 উৎপাদনশীল কাৰ্যসমূহৰ বহুমুখীকৰণ (Diversification Into Productive Activities) :

বহুমুখীকৰণে দুটা দিশ সামৰি লয়। ইয়াৰে এটা শস্য উৎপাদনৰ বহুমুখীকৰণ সম্পৰ্কীয় আৰু আনটো কৃষিৰ পৰা অন্যান্য আনুসংগিক কাৰ্য (পশুধন, কুকুৰা পালন, মীন পালন ইত্যাদি) আৰু অনা কৃষি খণ্ডলৈ শ্ৰমশক্তিক চালিত কৰাৰ লগত সম্পৰ্কিত। বহুমুখীকৰণৰ প্ৰয়োজন এই বাবেই যে জীৱিকাৰ বাবে অইন একো নকৰি কেৱল মাত্ৰ কৃষি কৰ্মৰ ওপৰতে নিৰ্ভৰ কৰাত ক্ষতি শংকা অধিক। কেৱল মাত্ৰ কৃষি খণ্ডৰ পৰা ক্ষতি শংকা হ্ৰাস কৰিবলৈকে নহয় বৰঞ্চ গ্ৰামীণ জনসাধাৰণক উৎপাদনমুখী আৰু বহনক্ষম জীৱিকাৰ অন্য উপায়ৰ সুবিধা দিয়াৰ বাবেও নতুন ক্ষেত্ৰলৈ বহুমুখীকৰণৰ আৱশ্যক। বেছিভাগ কৃষিভিত্তিক নিয়োগ কাৰ্যই খাৰিফ শস্যকাল (বাৰিষা)ত জলসিঞ্চনৰ যথোচিত সুবিধা নথকা অঞ্চলসমূহত লাভজনক নিয়োগ পোৱাটো কষ্ট সাধ্য হয়। সেইবাবে দাৰিদ্ৰ্য আৰু অন্যান্য যাতনা অতিক্ৰম কৰিবলৈ গাঁওবাসীক পৰিপূৰক লাভজনক নিয়োগৰ সুবিধা দিবলৈ আৰু উচ্চ স্তৰৰ আয় অৰ্জন সম্ভৱ কৰি তুলিবলৈ অন্যান্য খণ্ডসমূহ সম্প্ৰসাৰণ কৰাটো অপৰিহাৰ্য। যদিওবা গ্ৰামাঞ্চলত বহনক্ষম জীৱিকাৰ সুবিধা দিব পৰা



চিত্ৰ নং 6.2 ঃ গুড় প্ৰস্তুতকৰণ হৈছে কৃষি খণ্ডৰ আনুসংগিক কাৰ্য

**কক্ষ নং 6.2 ঃ কৃষি কাৰ্যত তামিলনাডুৰ মহিলাসকল**
**[Tamilnadu Women in Agriculture (TANWA)]**

"কৃষি কাৰ্যত তামিলনাডুৰ মহিলাসকল" (TANWA) হৈছে শেহতীয়া কৃষি কৌশল সম্বন্ধে মহিলাসকলক প্ৰশিক্ষণ দিবলৈ তামিলনাডুত আৰম্ভ কৰা এক প্ৰকল্প। কৃষি উৎপাদনশীলতা আৰু পৰিয়ালৰ আয় বৃদ্ধি কৰাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ ই মহিলাসকলক উদ্বুদ্ধ কৰে। তিৰুচিৰাপল্লীত এণ্ঠনীয়াম্মল (Anthoniammal)য়ে পৰিচালনা কৰা এখন কৃষি পামৰ মহিলাসকলৰ গোটত প্ৰশিক্ষণ প্ৰাপ্ত মহিলাসকলে সফলতাৰে কেঁচুসাৰ প্ৰস্তুত আৰু বিক্ৰী কৰি আছে আৰু এই কাৰ্যৰ পৰা মুদ্ৰা অৰ্জন কৰি আছে। অন্য বহুত কৃষি পামৰ মহিলা গোটে ক্ষুদ্ৰ ঋণ ব্যৱস্থাৰ জৰিয়তে মিনি বেংকৰ নিচিনা কাৰ্য কৰি তেওঁলোকৰ গোটত সঞ্চয় সৃষ্টি কৰি আছে। এনেদৰে পুঞ্জীভূত সঞ্চয়ৰ জৰিয়তে তেওঁলোকে ক্ষুদ্ৰ মাত্ৰাৰ পাৰিবাৰিক কাৰ্যসমূহ, যেনে— কাঠফুলা উৎপাদন, চাবোন প্ৰস্তুতকৰণ, পুতলা তৈয়াৰ কৰা আৰু অন্যান্য আয় সৃষ্টিকাৰী কাৰ্যসমূহক আগুৱাই নিয়ে।

বহুতো উপায় আছে, ইয়াত মাত্ৰ আনুসংগিক কাৰ্যসমূহ, অনা কৃষিভিত্তিক নিয়োগ আৰু জীৱিকাৰ অন্যান্য উত্থিত বিকল্পৰ ওপৰতহে দৃষ্টিপাত কৰা হ'ব।


কৃষি খণ্ডত ইতিমধ্যে লোকাধিক্য হোৱা হেতুকে শ্ৰম শক্তিৰ গৰিষ্ঠ অংশৰ বাবে অনা কৃষিখণ্ডত বিকল্প নিয়োগৰ সুযোগৰ প্ৰয়োজন হৈছে। অনা কৃষি অৰ্থ ব্যৱস্থাৰ বিভিন্ন অংশ আছে। সুস্থ সৰল বৃদ্ধি ঘটাব পৰাকৈ ইয়াৰ কিছুমানৰ গতিশীল যোগসূত্ৰ আছে। আনহাতে আনবোৰ জীৱনধাৰণৰ নিম্নতম পৰ্যায় আৰু নিম্ন উৎপাদনশীলতাৰ অৱস্থাতে আৱদ্ধ। গতিশীল উপখণ্ডসমূহ হ'ল ঃ কৃষিভিত্তিক পক্ৰিয়াকৰণ উদ্যোগসমূহ (agro-processing industries), খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগসমূহ (food processing industries), চামৰা উদ্যোগ, পৰ্যটন ইত্যাদি। মৃৎ উদ্যোগ, হস্ত শিল্প আৰু হস্ততাঁত বয়ন ইত্যাদি পৰম্পৰাগত পৰিয়াল ভিত্তিক উদ্যোগসমূহ অন্তৰ্ভুক্ত খণ্ডবোৰ সম্ভাৱনাপূৰ্ণ হোৱা সত্ত্বেও এইবোৰে আন্তঃগাঁথনি আৰু অন্যান্য প্ৰয়োজনীয় সহায়ৰ ক্ষেত্ৰত শোচনীয়ভাৱে অভাৱ ভুগি আছে। গ্ৰামীণ মহিলাসকলৰ গৰিষ্ঠ সংখ্যকে কৃষি খণ্ডত নিয়োগ বিচাৰে। আনহাতে পুৰুষসকলে সাধাৰণতে অনা কৃষি কৰ্মসংস্থান বিচাৰে। সাম্প্ৰতিক সময়ত মহিলাসকলেও অনা কৃষি খণ্ডত কাম বিচাৰিবলৈ আৰম্ভ কৰিছে। (কক্ষ নং 6.2 দ্ৰষ্টব্য)

**পশুপালন (Animal Husbandry) :**

ভাৰতবৰ্ষত কৃষিজীৱী সম্প্ৰদায়ে কৃষি আৰু পশু পালন দুয়োটা একেলগে কৰে। গৰু-ম'হ, ছাগলী, কুকুৰা আদি বহুলভাৱে পালন কৰা প্ৰজাতি। পশুধন উৎপাদনে অন্য খাদ্য উৎপাদন কাৰ্যত ব্যাঘাত নঘটোৱাকৈ আয়, খাদ্য নিৰাপত্তা, পৰিবহণ, ইন্ধন আৰু পৰিয়ালৰ পৰিপুষ্টিৰ ক্ষেত্ৰত বৰ্ধিত সুস্থিৰতা প্ৰদান কৰে। বৰ্তমান কেৱলমাত্ৰ পশুধন খণ্ডই ভূমিহীন শ্ৰমিককে ধৰি 70 নিযুতৰো অধিক ক্ষুদ্ৰ আৰু উপান্ত কৃষকক বিকল্প জীৱিকাৰ

সুবিধা দিছে। এক উল্লেখনীয় সংখ্যক মহিলায়ো পশুধন খণ্ডত নিয়োগ পাইছে।

সাৰণী নং 6.1 ঃ ভাৰতবৰ্ষত পশুধনৰ বিতৰণ, 1997




সাৰণী 6.1 ত ভাৰতবৰ্ষত পশুধনৰ বিতৰণ সম্পৰ্কে দেখুওৱা হৈছে। 42 শতাংশৰে কুকুৰা প্ৰথম স্থানত আছে। উট, গাধ, ঘোঁৰা, সৰুঘোঁৰা, খচ্চৰ আদি পশুধন সমূহ নিম্নতম খলপত আছে। 1997 চনত ভাৰতবৰ্ষত 70 নিযুত ম'হক ধৰি প্ৰায় 287 নিযুত গো-ধন আছিল। যোৱা তিনি দশকত ভাৰতীয় দুগ্ধ খণ্ডৰ সাফল্য সম্পূৰ্ণ উৎসাহজনক আছিল। 1960–2000 চনৰ সময়ছোৱাত দেশখনত দুগ্ধ উৎপাদন চাৰিগুণতকৈয়ো অধিক বৃদ্ধি পাইছে। প্ৰধানতঃ 1966 চনৰ পৰা আৰম্ভ কৰা 'প্লাৱন অভিযান' (Operation Flood)ৰ সফল ৰূপায়ণৰ বাবে এইটো সম্ভৱ হোৱা বুলি ক'ব পাৰি। ই হৈছে এটা ব্যৱস্থা যাৰ দ্বাৰা সকলো কৃষকে বিভিন্ন ক্ৰমাংকন (গুণগত মানৰ ভিত্তিত) অনুযায়ী তেওঁলোকৰ উৎপাদিত গাখীৰ উমৈহতীয়াভাৱে জমা কৰিব পাৰে আৰু সেইবোৰৰ প্ৰক্ৰিয়াকৰণ তথা সমবায়ৰ জৰিয়তে নগৰৰ কেন্দ্ৰসমূহত বিপণন কৰা হয়। এই ব্যৱস্থাত নগৰৰ বজাৰসমূহত গাখীৰ যোগানৰ জৰিয়তে কৃষকসকলে এক ন্যায্য দাম আৰু আয় নিশ্চিতি লাভ কৰে। পূৰ্বতে আঙুলিয়াই দিয়াৰ দৰে দুগ্ধ সমবায় ব্যৱস্থাৰ দক্ষতাপূৰ্ণ ৰূপায়ণৰ সফল কাহিনীৰ উদাহৰণ হৈছে গুজৰাট। অন্য বহুকেইখন ৰাজ্য এই ক্ষেত্ৰত প্ৰতিযোগিতাত নামিছে। মাংস, কণী, ঊন আৰু অন্যান্য উপজাত দ্ৰব্য সমূহো বহুমুখীকৰণৰ বাবে উৎপাদনশীল খণ্ড হিচাপে পৰিগণিত হ'ব ধৰিছে।

**মীন পালন (Fisheries) :**

মাছমৰীয়া সম্প্ৰদায়ে জলাধাৰসমূহক "মাতৃ" বা "প্ৰদাত্ৰী" জ্ঞান কৰে। সাগৰ, মহাসাগৰ, নদী, হ্ৰদ, প্ৰাকৃতিকভাৱে জলপুষ্ট পুখুৰী, জুৰি ইত্যাদি জলাধাৰসমূহ সেইবাবে মাছমৰীয়া সম্প্ৰদায়ৰ কাৰণে অবিচ্ছেদ্য আৰু জীৱনদায়িনী উৎস। ভাৰতবৰ্ষত



চিত্ৰ নং 6.3 ঃ ভেৰা ছাগলী পালন গ্ৰামাঞ্চলসমূহত এক গুৰুত্বপূৰ্ণ উপাৰ্জন বৃদ্ধিকাৰী কাৰ্য

মীন পালন আৰু জলকৰ্ষণৰ ক্ষেত্ৰত বাজেট আৱণ্টনৰ ক্ৰমবৰ্ধমান বৃদ্ধি আৰু নতুন প্ৰযুক্তি প্ৰয়োগৰ ফলত মীন পালনৰ উন্নতিয়ে এক দীৰ্ঘপথ অতিক্ৰম কৰিছে। বৰ্তমান দেশৰ আভ্যন্তৰীণ উৎসসমূহৰ পৰা হোৱা মাছৰ উৎপাদনে মুঠ মীন উৎপাদনলৈ 49 শতাংশ বৰঙণি আগবঢ়ায় আৰু বাকী 51 শতাংশ আহে সামুদ্ৰিক খণ্ড (সাগৰ আৰু মহাসাগৰ)ৰ পৰা। বৰ্তমান মুঠ মাছ উৎপাদন সৰ্বমুঠ ঘৰুৱা উৎপাদনৰ 1.4 শতাংশ। ৰাজ্যসমূহৰ ভিতৰত কেৰালা, গুজৰাট, মহাৰাষ্ট্ৰ আৰু তামিলনাডু হৈছে সামুদ্ৰিক মাছৰ প্ৰধান উৎপাদনকাৰী। মাছমৰীয়া সকলৰ সামগ্ৰিক আৰ্থ-সামাজিক অৱস্থা আমাৰ দেশৰ অন্য পিছ পৰা অংশতকৈ তুলনামূলকভাৱে নিম্ন। ব্যাপক অৰ্ধনিয়োগ, নিম্ন জনমূৰি উপাৰ্জন, অন্যান্য খণ্ডসমূহলৈ শ্ৰমৰ গতিশীলতাৰ অভাৱ আৰু নিৰক্ষৰতাৰ উচ্চ হাৰ তথা ঋণগ্ৰস্ততা হৈছে এই সম্প্ৰদায়সমূহে সন্মুখীন হোৱা কিছুমান প্ৰধান সমস্যা। মহিলাসকল সক্ৰিয়ভাৱে মাছ ধৰা কাৰ্যত জড়িত নহয় যদিও ৰপ্তানি বিপণনৰ ক্ষেত্ৰত মুঠ শ্ৰম শক্তিৰ 60 শতাংশ আৰু আভ্যন্তৰীণ বিপণনৰ ক্ষেত্ৰত 40 শতাংশই হৈছে মহিলা। বিপণনৰ বাবে কাৰ্যকৰী মূলধন (working capital)ৰ প্ৰয়োজন পূৰণ কৰিবলৈ মাছমৰীয়া মহিলাসকলৰ বাবে সমবায় আৰু আত্মসহায়ক গোটসমূহৰ জৰিয়তে ঋণৰ সুবিধা বৃদ্ধিৰ প্ৰয়োজন আছে।

**উদ্যানকৃষি (Horticulture) :**

জলবায়ু আৰু ভূমিৰ অৱস্থাৰ বিচিত্ৰতাৰে আশীৰ্বাদপুষ্ট ভাৰতবৰ্ষই ফলমূল, শাক-পাচলি, কন্দ শস্য, ফুল, ঔষধি আৰু সুগন্ধি উদ্ভিদ, মছলা তথা ৰোপণ শস্য আদিৰ নিচিনা ভিন্নমুখী উদ্যান শস্য উৎপাদনৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই শস্যসমূহে নিয়োগৰ ক্ষেত্ৰত উদ্বেগ নিৰাময় কৰাৰ উপৰিও খাদ্য আৰু পৰিপুষ্টি প্ৰদানত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। 1991 আৰু 2000 চনৰ মাজৰ সময়ছোৱাক 'স্বৰ্ণ বিপ্লৱ'ৰ বাৰ্তাবহনকাৰী প্ৰচেষ্টা বুলি অভিহিত কৰা হয়। কাৰণ এই সময়ছোৱাত উদ্যান কৃষিত কৰা পৰিকল্পিত বিনিয়োগ অত্যন্ত উৎপাদনশীল হৈছিল আৰু এই খণ্ডটো এক বহনক্ষম জীৱিকাৰ উপায় হৈ উঠিছিল। ভাৰতবৰ্ষই আম, কল, নাৰিকল, কাজু বাদাম আৰু কিছু সংখ্যক মছলা উৎপাদনত সমগ্ৰ বিশ্বত নেতৃস্থান দখল কৰাৰ লগতে ফলমূল আৰু শাক-পাচলিৰ ক্ষেত্ৰত দ্বিতীয় সৰ্ববৃহৎ উৎপাদনকাৰী দেশ ৰূপে আত্মপ্ৰকাশ কৰিছে। উদ্যান কৃষিত নিয়োজিত বহু কৃষকৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি হৈছে আৰু এই খণ্ডটো বহু অৱহেলিত শ্ৰেণীৰ বাবে জীৱিকাৰ উন্নতিৰো উপায় হিচাপে পৰিগণিত হৈছে। ফুলৰ



চিত্ৰ নং 6.4 ঃ ভাৰতবৰ্ষৰ মুঠ পশুধনত কুকুৰাৰ অংশই হৈছে সৰ্বাধিক



চিত্ৰ নং 6.5 ঃ গ্ৰামীণ গৃহস্থী সমূহত মহিলাসকলে মৌ পালনক এক উদ্যমী কাৰ্য ৰূপে গ্ৰহণ কৰিছে

খেতি, পুলি বাগান (নাৰ্চাৰী)ৰ প্ৰতিপালন, উচ্চ উৎপাদনক্ষম বীজ উৎপাদন তথা কলাকৰ্ষণ (Tissue Culture), ফলমূল আৰু ফুলৰ সঁচৰ উৎপাদন আৰু খাদ্য প্ৰক্ৰিয়াকৰণ (Food Processing) আদি গ্ৰামাঞ্চলৰ মহিলাসকলৰ বাবে অত্যন্ত লাভজনক নিয়োগৰ উপায় হৈ উঠিছে। সমীক্ষামতে এই খণ্ডই মুঠ শ্ৰম শক্তিৰ প্ৰায় 19 শতাংশলৈ নিয়োগৰ সুবিধা প্ৰদান কৰিছে।

হিচাপত আমাৰ পশুধনৰ সংখ্যা সম্পূৰ্ণ সন্তোষজনক যদিও অন্য দেশৰ তুলনাত ইয়াৰ উৎপাদনশীলতা তেনেই নিম্ন। উৎপাদনশীলতা বৃদ্ধিৰ নিমিত্তে উন্নত প্ৰযুক্তি কৌশল আৰু পশুৰ উন্নত সঁচৰ প্ৰসাৰ ঘটোৱাৰ প্ৰয়োজন। উন্নত পশু, চিকিৎসামূলক যত্ন, আৰু ক্ষুদ্ৰ আৰু উপান্ত কৃষক তথা ভূমিহীন শ্ৰমিক সকললৈ ঋণৰ সুবিধাই পশুধনৰ উৎপাদনৰ জৰিয়তে বহনক্ষম জীৱিকাৰ বিকল্প সুবিধা বৃদ্ধি কৰিব। মীন পালন খণ্ডৰ উৎপাদন ইতিমধ্যে যথেষ্ট বৃদ্ধি পাইছে।

তথাপিও অতিমাত্ৰা মাছ ধৰা কাৰ্য আৰু প্ৰদূষণ সম্পৰ্কিত সমস্যাসমূহৰ নিয়মাধিকৰণ আৰু নিয়ন্ত্ৰণৰ আৱশ্যকতা আছে। মাছমৰীয়া সম্প্ৰদায়ৰ বাবে গ্ৰহণ কৰা কল্যাণমূলক কাৰ্যসূচীসমূহক এনেদৰে নতুন ৰূপত সজাব লাগিব যাতে ইহঁতে দীৰ্ঘকালীন সুবিধা আৰু জীৱিকাৰ অৱলম্বন প্ৰদান কৰিব পাৰে। উদ্যান কৃষি কাৰ্য এক সফল বহনক্ষম জীৱিকাৰ বিকল্প উপায়ৰূপে বিকশিত হৈছে আৰু ইয়াক গুৰুত্ব সহকাৰে উৎসাহিত কৰাৰ প্ৰয়োজন। ইয়াৰ ভূমিকা বৃদ্ধি কৰিবলৈ বিদ্যুৎ, শীতল সঞ্চয়াগাৰৰ ব্যৱস্থা, বিপণন যোগসূত্ৰ, ক্ষুদ্ৰ মাত্ৰাৰ প্ৰক্ৰিয়াকৰণ গোট আৰু প্ৰযুক্তিৰ উন্নীতকৰণ তথা এইবোৰৰ বহুল প্ৰসাৰ আদি আন্তঃগাঁথনিত বিনিয়োগ প্ৰয়োজনীয়।

**জীৱিকাৰ অন্যান্য বিকল্প উপায়সমূহ (Other Alternate Livelihood Options) :**

আমি জানো যে তথ্য প্ৰযুক্তিয়ে ভাৰতীয় অৰ্থ ব্যৱস্থাৰ বহুতো খণ্ডত বিপ্লৱৰ সূচনা কৰিছে। ইয়াত দ্বিমত নাই যে একৈশ শতিকাত বহনক্ষম উন্নয়ন আৰু খাদ্য সুৰক্ষাত উপনীত হোৱাত তথ্য প্ৰযুক্তিয়ে এক নিৰ্ণায়ক ভূমিকা পালন কৰিব। বহু উদাহৰণে ইয়াৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰে। কোনো জৰুৰীকালীন পৰিস্থিতি প্ৰতিহত বা ইয়াৰ সম্ভাৱনীয়তা হ্ৰাস কৰাৰ ব্যৱস্থা গ্ৰহণৰ বাবে যথোপযুক্ত তথ্য আৰু চফ্টৱেৰৰ আহিলা ব্যৱহাৰ কৰি খাদ্য সুৰক্ষাহীন আৰু স্পৰ্শকাতৰ অঞ্চলসমূহ সম্পৰ্কে পূৰ্বানুমান কৰিব পৰাকৈ চৰকাৰৰ সামৰ্থ্য হৈছে এনে এক উদাহৰণ। কৃষিখণ্ডৰ ওপৰতো ইয়াৰ এক ইতিবাচক প্ৰভাৱ আছে। কিয়নো, ই নতুনকৈ গঢ়ি উঠা প্ৰযুক্তি আৰু ইয়াৰ প্ৰয়োগ, মূল্যস্তৰ, বিভিন্ন

শস্য উৎপাদনৰ বাবে বতৰ আৰু ভূমিৰ অৱস্থা আদিৰ সম্পৰ্কে তথ্যৰ বহুল প্ৰচাৰ কৰে। অতি তাৎপৰ্যপূৰ্ণ এয়ে যে ই ঔদ্যোগিক বিপ্লৱতকৈয়ো হাজাৰ গুণে শক্তিশালী এক জ্ঞান অৰ্থব্যৱস্থাক আগবঢ়াই আনিছে। যদিওবা তথ্য প্ৰযুক্তি নিজে পৰিৱৰ্তনৰ অনুঘটক নহয় তথাপি ই আমাৰ জনসাধাৰণৰ মাজত সুপ্ত হৈ থকা সৃষ্টিশীল সম্ভাৱনা আৰু জ্ঞান উন্মুক্ত কৰাৰ আহিলা হিচাপে কাম কৰিব পাৰে। ইয়াৰ গ্ৰামাঞ্চলত নিয়োগ সৃষ্টি কৰিব পৰা সম্ভাৱনাও আছে। গ্ৰাম্য উন্নয়নৰ বাবে তথ্য প্ৰযুক্তি আৰু ইয়াৰ প্ৰয়োগ সম্বন্ধে ভাৰতবৰ্ষৰ বিভিন্ন অংশত সম্পৰীক্ষা চলোৱা হৈছে। (কক্ষ নং 6.3 দ্ৰষ্টব্য)

## 6.6 বহনক্ষম উন্নয়ন আৰু জৈৱিক কৃষি পদ্ধতি (Sustainable Development and Organic Farming) :

সম্প্ৰতি কিছু বছৰ ধৰি আমাৰ স্বাস্থ্যৰ ওপৰত ৰাসায়নিক দ্ৰব্য ভিত্তিক সাৰ আৰু কীটনাশক দ্ৰব্যৰ ক্ষতিকাৰক প্ৰভাৱৰ বিষয়ে সজাগতা বৃদ্ধি পাই আহিছে। পৰম্পৰাগত কৃষিকাৰ্য ৰাসায়নিক সাৰ আৰু বিষাক্ত কীটনাশক দ্ৰব্যৰ ওপৰত অত্যন্ত নিৰ্ভৰশীল। ই খাদ্য দ্ৰব্যত প্ৰৱেশ কৰে, পানীৰ উৎসসমূহৰ গভীৰতালৈ সোমায়, পশুধনৰ ক্ষতি সাধন কৰে, ভূমি অৱক্ষয় কৰে আৰু প্ৰাকৃতিক পৰিৱেশতন্ত্ৰ ধ্বংস কৰে। বহনক্ষম উন্নয়নৰ নিমিত্তে পৰিৱেশ অনুকূল

**কক্ষ নং 6.3 ঃ প্ৰতিখন গাঁও— একোটা জ্ঞান কেন্দ্ৰ (Every Village– a Knowledge Centre)**

তামিলনাডুৰ চেন্নাইস্থিত এম এছ স্বামীনাথন গৱেষণা প্ৰতিষ্ঠান (M. S. Swaminathan Research Foundation) নামৰ এক অনুষ্ঠানে মুম্বাইৰ শ্ৰী ৰতন টাটা ট্ৰাষ্টৰ সহযোগত জামছেদজী টাটা নেশ্বনেল ভাৰ্চুৱেল একাডেমী ফ'ৰ ৰুৰেল্ প্ৰস্পেৰিটী (Jamsedji Tata National Virtual Academy for Rural Prosperity) স্থাপন কৰিছে। এই একাডেমীয়ে ইয়াৰ অধিসদস্য হিচাপে সূচীভুক্ত কৰিবলৈ এক নিযুত তৃণমূল পৰ্যায়ৰ জ্ঞান কৰ্মী চিনাক্ত কৰি উলিয়াবলৈ মন কৰিছে। এই কাৰ্যসূচীত কম খৰচতে এটা সৰু তথ্য বিপণী (info-kiosk) [ইণ্টাৰনেট্ আৰু দৃশ্যমান অধিৱেশনৰ সুবিধা, বৈদ্যুতিক চিত্ৰ বিশ্লেষণ যন্ত্ৰ (Scanner), আলোকচিত্ৰ প্ৰতিলিপি কৰণ যন্ত্ৰ (Photo copier)ৰ সৈতে এটা ব্যক্তিগত কম্পিউটাৰ]ৰ সুবিধা আৰু এই বিপণীৰ স্বত্বাধিকাৰক প্ৰশিক্ষণ দিয়া হয়; পিছত স্বত্বাধিকাৰে বিভিন্ন সেৱা আগবঢ়াই যুক্তিসংগত আয় অৰ্জনৰ চেষ্টা কৰে। ভাৰত চৰকাৰে 100 কোটি টকা বিত্তীয় সমৰ্থন আগবঢ়াই এই মৰ্চাত যোগদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

**কক্ষ নং 6.4 ঃ জৈৱ খাদ্য (Organic Food)**

সমগ্ৰ বিশ্বতে জৈৱ খাদ্যৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। বহুতো দেশত মুঠ খাদ্য ব্যৱস্থাৰ প্ৰায় 10 শতাংশ উৎপাদন জৈৱিক কৃষি পদ্ধতিৰ অধীনস্থ। জৈৱ খাদ্য বিপণন কৰিবলৈ "সেউজ মৰ্যাদা" (Green Status) প্ৰাপ্ত বহুতো খুচুৰা ব্যৱসায়িক শৃংখল আৰু চুপাৰ মাৰ্কেট আছে। তদুপৰি জৈৱ খাদ্যসমূহে পৰম্পৰাগত খাদ্যতকৈ 10 ৰ পৰা 100 শতাংশ পৰ্যন্ত অধিক দাম লাভ কৰে।

প্ৰযুক্তি কৌশল বিকশিত কৰাৰ প্ৰচেষ্টাৰ প্ৰয়োজন আৰু এনে এক পৰিৱেশ অনুকূল প্ৰযুক্তি হৈছে জৈৱিক কৃষি পদ্ধতি। চমুকৈ, পৰিৱেশতন্ত্ৰৰ সন্তুলনক পুনৰ প্ৰতিষ্ঠা কৰা, অব্যাহত ৰখা আৰু ইয়াৰ উত্তৰণ ঘটোৱা সমগ্ৰ কৃষি কৰ্মক জৈৱিক কৃষি ব্যৱস্থা বোলা হয়। সমগ্ৰ বিশ্বতে খাদ্য সুৰক্ষা বৃদ্ধি কৰিবলৈ জৈৱিকভাৱে উৎপাদিত খাদ্যৰ চাহিদা বৃদ্ধি পাইছে। (কক্ষ নং 6.4 দ্ৰষ্টব্য)

**জৈৱিক কৃষি পদ্ধতিৰ সুফলসমূহ (Benefits of Organic Farming) :**

জৈৱিক কৃষিয়ে স্থানীয়ভাৱে উৎপাদিত জৈৱ উপাদানেৰে ব্যয়বহুল কৃষি সম্পৰ্কীয় উপাদানসমূহ (যেনে— উচ্চ উৎপাদনক্ষম বীজ, ৰাসায়নিক সাৰ, কীট নাশক দ্ৰব্য)ৰ প্ৰতিকল্প উপায় আগবঢ়ায়। এই জৈৱ উপাদানসমূহ সুলভ হোৱা হেতুকে এইবোৰে বিনিয়োগৰ ভাল প্ৰতিদান সৃষ্টি কৰে। জৈৱিক কৃষিয়ে আন্তঃৰাষ্ট্ৰীয় ৰপ্তানিৰ জৰিয়তেও আয় উপাৰ্জন কৰায়। কিয়নো জৈৱিকভাৱে উৎপাদিত শস্যৰ চাহিদা বৃদ্ধি পাই আছে। বিভিন্ন দেশজুৰি কৰা অধ্যয়নত দেখা গৈছে যে জৈৱিকভাৱে উৎপাদিত খাদ্যৰ পুষ্টিগত মূল্য ৰাসায়নিক কৃষি পদ্ধতিৰে উৎপাদিত খাদ্যৰ তুলনাত যথেষ্ট বেছি আৰু সেয়েহে ইয়াৰ পৰা আমি স্বাস্থ্য সন্মত খাদ্য পাওঁ। যিহেতু পৰম্পৰাগত কৃষি কাৰ্যতকৈ জৈৱিক কৃষি কাৰ্যত অধিক শ্ৰমৰ প্ৰয়োজন, ভাৰতবৰ্ষৰ বাবে জৈৱিক কৃষি এক আকৰ্ষণীয় পৰামৰ্শ। আকৌ, উৎপাদিত সামগ্ৰী কীটনাশক দ্ৰব্যমুক্ত আৰু পাৰিবেশিকভাৱে বহনক্ষম উপায়েৰে উৎপাদিত। (কক্ষ নং 6.5 দ্ৰষ্টব্য)

**কক্ষ নং 6.5 ঃ মহাৰাষ্ট্ৰত জৈৱিকভাৱে উৎপাদিত কপাহ**
**(Organically Produced Cotton in Maharastra)**

প্ৰক্ৰুক্তি (Prakruti) নামৰ অনা চৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ কিষাণ মেহতাই যেতিয়া 1995 চনত প্ৰথমে সৰ্ববৃহৎ ৰাসায়নিক সাৰ ব্যৱহাৰকাৰী কপাহ জৈৱিকভাৱে উৎপাদন কৰিব পাৰি বুলি পৰামৰ্শ আগবঢ়াইছিল তেতিয়া নাগপুৰৰ কপাহ গৱেষণাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠান (Central Institute of Cotton Research)ৰ সেই সময়ৰ সঞ্চালক গৰাকীয়ে কৰা প্ৰখ্যাত মন্তব্যটো আছিল— ‘ভাৰতবৰ্ষ নগ্ন হোৱাটো আপুনি বিচাৰে নেকি?’ বৰ্তমান 130 জন কৃষক জৈৱিক কৃষি আন্দোলনৰ আন্তঃৰাষ্ট্ৰীয় ফেডাৰেশ্বন (International Fedaration of Organic Agricultural Movement)ৰ মানত 1200 হেক্টৰ মাটিত জৈৱিকভাৱে কপাহ উৎপাদন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছে। ইয়াত উৎপাদিত সামগ্ৰী পিছত জাৰ্মান মান নিৰ্ণায়ক অভিকৰণ AGRECOৰ দ্বাৰা কৰোৱা পৰীক্ষাত উচ্চ মানৰ বুলি প্ৰমাণিত হৈছে। কিষাণ মেহতাই অনুভৱ কৰে যে ভাৰতীয় কৃষকসকলৰ প্ৰায় 70 শতাংশই হৈছে 0.8 হেক্টৰতকৈ কম আৰু মুঠ কৃষি উপযোগী ভূমিৰ 20 শতাংশৰ স্বত্বাধিকাৰী উপান্ত কৃষক। এনে কৃষকসকলৰ বাবে মুদ্ৰাৰ হিচাপত আৰু দীৰ্ঘকালীন ভূমি সংৰক্ষণৰ দিশৰ পৰা জৈৱিক কৃষি অধিক লাভজনক।

উৎস ঃ *Lyla Bavadam, A Green Alternative, Frontline, 29 July 2005.*

জৈৱিক কৃষিক জনপ্ৰিয় কৰি তুলিবলৈ নতুন প্ৰযুক্তি কৌশল গ্ৰহণ কৰাৰ বাবে কৃষকসকলৰ সজাগতা আৰু আগ্ৰহৰ প্ৰয়োজন। জৈৱিক কৃষিৰ বৃদ্ধিৰ ক্ষেত্ৰত অ-যথোপযুক্ত আন্তঃগাঁথনি আৰু উৎপাদিত সামগ্ৰীৰ বিপণনৰ সমস্যা প্ৰধান উদ্বেগৰ বিষয় আৰু যথোপযুক্ত কৃষিনীতি গ্ৰহণৰ উপৰিও এইবোৰৰ সমাধান কৰা আৱশ্যক। জৈৱিক কৃষিৰ আৰম্ভণিৰ বছৰসমূহত লাভ কৰা উৎপন্ন আধুনিক কৃষি কাৰ্যৰ তুলনাত কম হোৱা দেখা গৈছে। সেইবাবে ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলে বৃহৎ মাত্ৰাৰ উৎপাদনৰ লগত খাপ খুওৱাত অসুবিধা পাব পাৰে। জৈৱিক উৎপন্ন সমূহত অধিক খুঁত থাকিব পাৰে আৰু জনপ্ৰিয় সংৰক্ষক ছটিয়াই ৰখা উৎপন্নতকৈ এইবোৰক মজুত ৰাখিব পৰা সময়ৰ দৈৰ্ঘ্যও চুটি। তদুপৰি জৈৱিক কৃষি পদ্ধতিত আবতৰীয়া শস্য উৎপাদনৰ সুযোগ তেনেই সীমিত। তৎসত্ত্বেও জৈৱিক কৃষি পদ্ধতিয়ে কৃষিৰ বহনক্ষম উন্নয়নত সহায় কৰে আৰু দেশীয় তথা আন্তঃৰাষ্ট্ৰীয় বজাৰৰ উভয়ৰ বাবে জৈৱিক ফচল উৎপাদনৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ বাবে নিঃসন্দেহে সুবিধা আছে।

## 6.7 সামৰণি (Conclusion) :

এইটো স্পষ্ট হৈ পৰিছে যে যেতিয়ালৈ আৰু যদিহে কোনো লক্ষ্যণীয় পৰিৱৰ্তন নঘটে তেতিয়ালৈকে গ্ৰাম্য খণ্ড পিছ পৰি থকাটোৱে সম্ভাৱনা আছে। আজি দুগ্ধ উৎপাদন, কুকুৰা পালন, মৎস পালন, শাক-পাচলি আৰু ফলমূল আদিৰ বিভিন্নতাৰ জৰিয়তে আৰু গ্ৰাম্য উৎপাদন কেন্দ্ৰসমূহক চহৰ আৰু বিদেশী বজাৰ (ৰপ্তানি)ৰ লগত সংযোগ ঘটাই গ্ৰামাঞ্চলসমূহলৈ অধিক উদ্দীপনা অনাৰ অধিকতৰ প্ৰয়োজন হৈছে যাতে উৎপাদনৰ বাবে কৰা বিনিয়োগৰ অধিক প্ৰতিদান লাভ কৰিব পৰা যায়। তদুপৰি এই খণ্ডৰ সম্পূৰ্ণ সম্ভাৱনা উচল কৰিবলৈ ঋণ, বিপণন আদি আন্তঃগাঁথনিমূলক উপাদানসমূহ; কৃষক অনুকূল কৃষি নীতি, অবিৰত পৰ্যালোচনা তথা কৃষক গোটসমূহ আৰু ৰাজ্যিক কৃষি বিভাগসমূহৰ মাজত আলোচনা অতি প্ৰয়োজনীয়।

আজি আমি পৰিৱেশ আৰু গ্ৰাম্য উন্নয়নক দুটা পৃথক বিষয় হিচাপে গণ্য কৰিব নোৱাৰো। বিভিন্ন পৰিস্থিতিত বহনক্ষম উন্নয়ন সাধিব পৰা

### কৰি চোৱা (Work these out)

- ভাৰতবৰ্ষত জৈৱিকভাৱে উৎপাদিত পাঁচবিধ জনপ্ৰিয় সামগ্ৰীৰ সূচী প্ৰস্তুত কৰা।
- নিকটৱৰ্তী চুপাৰ মাৰ্কেট, শাক-পাচলিৰ বিপণী আৰু / নাইবা এখন ভাৰতীয় বিপণীলৈ গৈ কেইবিধমান উৎপন্ন চিনাক্ত কৰা। জৈৱিকভাৱে উৎপাদিত আৰু সাধাৰণ উপায়েৰে উৎপাদিত কিছুসংখ্যক সামগ্ৰীক দাম, মজুত ৰখা সময়ৰ দৈৰ্ঘ্য, গুণগত মান আৰু জনপ্ৰিয়কৰণৰ বিজ্ঞাপনৰ পদ্ধতিৰ ভিত্তিত তুলনা কৰি এখন সাৰণী প্ৰস্তুত কৰা।
- নিকটৱৰ্তী অঞ্চলৰ এখন উদ্যান কৃষি পামলৈ যোৱা। এই পামত কৃষকসকলে খেতি কৰা সামগ্ৰীসমূহৰ সবিশেষ সংগ্ৰহ কৰা। তেওঁলোকে শস্য প্ৰণালী ভিন্নমুখীকৰণ কৰিব পাৰে। তেওঁলোকৰ সৈতে ভিন্নমুখীকৰণৰ সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰা।

পৰিৱেশ অনুকূল প্ৰযুক্তি কৌশলৰ বিকল্প সংহতি উদ্ভাৱন বা আয়ত্ত কৰাৰ প্ৰয়োজন হৈছে। এইবোৰৰ পৰা প্ৰতিটো গ্ৰাম্য সম্প্ৰদায়ে উদ্দেশ্যৰ লগত খাপ খোৱা বিধ বাছি ল'ব পাৰিব। তেনেহ'লে আমি পোন প্ৰথমে বিভিন্ন প্ৰথাসমূহ শিকিব লাগে আৰু 'কামৰ জৰিয়তে শিক্ষণ' প্ৰক্ৰিয়াক ত্বৰান্বিত কৰবিলৈ প্ৰাপ্ত 'সৰ্বোৎকৃষ্ট প্ৰথা'ৰ উদাহৰণসমূহৰ পৰা প্ৰাসংগিক প্ৰথাসমূহ প্ৰয়োগৰ চেষ্টা কৰিব লাগে। ('সৰ্বোৎকৃষ্ট প্ৰথা'ৰ উদাহৰণ মানে হ'ল ভাৰতবৰ্ষৰ বিভিন্ন অংশত সদৃশ অৱস্থাত ইতিমধ্যে চলোৱা গ্ৰাম্য উন্নয়নৰ সম্পৰীক্ষা (experiments) সমূহৰ সফলতাৰ কাহিনী)

### পুনৰুক্তি

- গ্ৰাম্য উন্নয়ন হৈছে সম্পূৰ্ণৰূপে এটা সম্যক ধাৰণা, কিন্তু ই অনিবাৰ্যভাৱে আৰ্থ-সামাজিক উন্নয়নত পিছ পৰি থকা গ্ৰাম্য অঞ্চলসমূহৰ বাবে কাৰ্যৰ পৰিকল্পনাকে বুজায়।
- গ্ৰামাঞ্চলৰ পূৰ্ণ সম্ভাৱনাক উচল কৰিবলৈ বেংক ব্যৱস্থা, বিপণন ব্যৱস্থা, সঞ্চয়াগাৰ, পৰিবহণ আৰু যোগাযোগ আদি আন্তঃগাঁথনিৰ পৰিমাণ বৃদ্ধি আৰু গুণগত মান উন্নত কৰাটো প্ৰয়োজনীয়।
- পশুধন আৰু মীন পালন তথা অনা কৃষিকাৰ্যসমূহৰ ক্ষেত্ৰমুখী ভিন্নকৰণ কেৱল মাত্ৰ কৃষি খণ্ডৰ পৰা ক্ষতি শংকা হ্ৰাস কৰাৰ নিমিত্তেই নহয়, আমাৰ গ্ৰামীণ জনসাধাৰণলৈ বিভিন্ন উৎপাদনমুখী বহনক্ষম জীৱিকাৰ বিকল্পৰ বাবেও প্ৰয়োজনীয়।
- পৰিবেশৰ দিশৰ পৰা বহনক্ষম উৎপাদন প্ৰক্ৰিয়া হিচাপে জৈৱিক কৃষি পদ্ধতিৰ গুৰুত্ব বৃদ্ধি পাই আছে আৰু ইয়াক আগবঢ়াই নিয়াটো প্ৰয়োজনীয়।



## অনুশীলনী (Exercise)

1. গ্ৰাম্য উন্নয়ন মানে কি বুজা? গ্ৰাম্য উন্নয়নৰ প্ৰধান বিষয়সমূহ দেখুওৱা।
2. গ্ৰাম্য উন্নয়নত ঋণৰ গুৰুত্ব আলোচনা কৰা।
3. দুখীয়াসকলৰ ঋণৰ প্ৰয়োজনীয়তা পূৰণৰ ক্ষেত্ৰত ক্ষুদ্ৰ ঋণ (micro-credit)ৰ ভূমিকা ব্যাখ্যা কৰা।
4. গ্ৰাম্য বজাৰসমূহৰ উন্নয়নৰ বাবে চৰকাৰে লোৱা পদক্ষেপসমূহ ব্যাখ্যা কৰা।
5. বহনক্ষম জীৱিকাৰ বাবে কৃষিত ভিন্নমুখীকৰণ কিয় অত্যাৱশ্যকীয়?
6. ভাৰতবৰ্ষত গ্ৰাম্য উন্নয়ন প্ৰক্ৰিয়াত গ্ৰামীণ বেংক ব্যৱস্থাৰ ভূমিকাৰ সমালোচনাত্মক মূল্যায়ন কৰা।

7. কৃষি বিপণন মানে কি বুজা?
8. কৃষি বিপণন ব্যৱস্থাক বাধাগ্ৰস্ত কৰা কিছুমান প্ৰতিবন্ধক উল্লেখ কৰা।
9. কৃষি বিপণনৰ বাবে থকা বিকল্প সংবাহকসমূহ কি কি? কেইটামান উদাহৰণ দিয়া।
10. 'স্বৰ্ণ বিপ্লৱ'ৰ ধাৰণাটো ব্যাখ্যা কৰা।
11. কৃষি বিপণনৰ উন্নতিৰ বাবে চৰকাৰে গ্ৰহণ কৰা চাৰিটা ব্যৱস্থা ব্যাখ্যা কৰা।
12. গ্ৰাম্য ভিন্নমুখীকৰণক অগ্ৰগামী কৰাৰ ক্ষেত্ৰত অনা কৃষি পাম নিয়োগৰ ভূমিকা ব্যাখ্যা কৰা।
13. ভিন্নমুখীকৰণৰ উৎস হিচাপে পশু পালন, মীন পালন আৰু উদ্যান কৃষিৰ গুৰুত্ব ফঁহিয়াই দেখুওৱা।
14. 'বহনক্ষম উন্নয়ন আৰু খাদ্য সুৰক্ষাত উপনীত হোৱাত তথ্য প্ৰযুক্তিয়ে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে'— মতামত দিয়া।
15. জৈৱিক কৃষি পদ্ধতি কি? বহনক্ষম উন্নয়নক ই কেনেদৰে অগ্ৰগতি প্ৰদান কৰে?
16. জৈৱিক কৃষি পদ্ধতিৰ সুফল আৰু সীমাবদ্ধতাবোৰ চিনাক্ত কৰা।
17. জৈৱিক কৃষিৰ প্ৰাৰম্ভিক বছৰসমূহত কৃষকে সন্মুখীন হোৱা কিছুমান সমস্যা সূচীভুক্ত কৰা।



## প্ৰসঙ্গ (References)


Acharya S.S. 2004 Agricultural Marketing, State of the Indian Farmer, a Millennium Study. Academic Foundation, New Delhi.

Alagh Y.K. 2004 State of the Indian Farmer, a Millennium Study– an Overview Academic Foundation, New Delhi.

Chawla N.K., M.P.G. Kurup and V.P. Sharma 2004, Animal Husbandry, State of the Indian Farmer, a Millennium Study, Academic Foundation, New Delhi.

Dehadrai P.V. and Y.S. Yadav 2004 Fisheries Development, State of the Indian Farmer, a Millennium Study, Academic Foundation, New Delhi.

Jalan, Bimal. (Edt.). 1992. The Indian Economy : Problems and Perspectives, Penguine Publication, New Delhi.

Narayanan, S. 2005, Organic Farming in India, NABARD Occasional Paper No. 38 Department of Agriculture and Rural Development, Mumbai.

Singh, H.P., P.P. Dutta and M. Sudha, 2004. Horticulture Development, State of the Indian Farmer, a Millennium Study, Academic Foundation, New Delhi.

Singh Surjit and Vidya Sagar, 2004, Agricultural credit in India : State of the Indian Farmer, a Millennium Study, Academic Foundation, New Delhi.

Sinha, V.K. 1998, Challenges in Rural Development, Discovery Publishing House, New Delhi.

Todaro, Michael P. 1987, Economic Development in the Third World. Orient Longman Ltd. Hyderabad.

Toppo, E. 2004, Organic Vegetable Gardening : Grow Your own Vegetables. Unit for Labour Studies, Tata Institute of Social Sciences, Mumbai.

## চৰকাৰী প্ৰতিবেদন (Government Reports)

Successful Governance Initiatives and Best Practices : Experiences from Indian States, Government of India in Coordination with Human Resource Development Centre and UNDP, Planning Commission, Delhi, 2002.

Annual Reports, Ministry of Rural Development, Government of India, New Delhi.

7

# সপ্তম অধ্যায়

## নিয়োগ ঃ বৃদ্ধি, অনানুষ্ঠানিকীকৰণ আৰু অন্যান্য বিষয়

## (EMPLOYMENT : GROWTH, INFORMATION AND OTHER ISSUES)

**এই অধ্যায়টো পঢ়াৰ পিছত, ছাত্ৰ-ছাত্ৰীসকলে—**

- নিয়োগ সম্পৰ্কীয় কিছুমান প্ৰাথমিক ধাৰণা যেনে— আৰ্থিক কাম-কাজ, শ্ৰমিক, শ্ৰম বাহিনী, কৰ্মহীনতা, ইত্যাদিবোৰ বুজি পাব।
- বিভিন্ন ক্ষেত্ৰত ভিন্ন প্ৰকাৰৰ আৰ্থিক কাম-কাজত পুৰুষ আৰু মহিলাৰ অংশ গ্ৰহণৰ প্ৰকৃতি বুজি পাব।
- কৰ্মহীনতাৰ প্ৰকৃতি আৰু পৰিসৰৰ বিষয়ে জানিব।
- চৰকাৰে দেশৰ বিভিন্ন খণ্ড আৰু বিভিন্ন অঞ্চলত কিদৰে নিয়োগ সৃষ্টিৰ সুবিধা আগবঢ়াইছে, সেই সম্বন্ধে বুজ ল'ব পাৰিব।

মই যন্ত্ৰপাতিৰ বিৰোধিতা নকৰোঁ, কিন্তু যন্ত্ৰপাতিৰ প্ৰতি থকা মানুহৰ দুৰ্বলতাৰ বিৰোধিতা কৰোঁ। তেওঁলোকৰ শ্ৰম-সঞ্চয়কাৰী যন্ত্ৰপাতিৰ প্ৰতি থকা দুৰ্বলতাৰ বিৰোধিতা কৰো। হেজাৰ হেজাৰ জনক কৰ্মহীন কৰি মুক্ত ৰাজপথত ভোকত মৃত্যুবৰণ কৰিবলৈ এৰি দিয়ালৈকে মানুহে শ্ৰম সঞ্চয় কৰিব.....

—মহাত্মা গান্ধী

(What I object to, is the 'craze' for machinery, not machinery as such. The craze is for what they call labour-saving machinery. Men go on 'saving labour' till thousands are without work and thrown on the open streets to die of starvation...

–Mahatma Gandhi)

## 7.1 সূচনা (Introduction) :

মানুহে বিভিন্ন প্ৰকাৰৰ কাম কৰে। খেতিপথাৰ, কাৰখানা, বেংক, দোকান আৰু অন্যান্য বিভিন্ন ক্ষেত্ৰত মানুহে কাম কৰে। আকৌ, কিছুমান মানুহে ঘৰতো কাম কৰে। নিজৰ ঘৰত বহি মানুহে বোৱা-কটা, ফিটা চিলোৱা অথবা অন্যান্য হস্তশিল্প জাতীয় পৰম্পৰাগত কামবোৰেই যে কৰে এনে নহয়। এইবোৰৰ উপৰিও বিভিন্ন আধুনিক কাম যেনে, তথ্য-প্ৰযুক্তি উদ্যোগত প্ৰগ্ৰেমিং (Programming) প্ৰস্তুত কৰা ইত্যাদিবোৰো কৰিব পাৰে। অতীতত নগৰত অৱস্থিত কাৰখানাবোৰৰ কাম তাত গৈহে কৰিব পৰা গৈছিল। সম্প্ৰতি, আধুনিক প্ৰযুক্তিৰ উন্নতি হোৱাত মানুহে গাঁৱৰ ঘৰত বহিও এনেবোৰ কাম কৰিব পৰা হৈছে। অৰ্থাৎ, কাৰখানালৈ নোযোৱাকৈয়ে কাৰখানা জাত সামগ্ৰী ঘৰতেই তৈয়াৰ কৰিব পৰা হৈছে।



চিত্ৰ নং 7.1 ঃ বহুজাতিক নিগমে বিক্ৰী কৰা ফুটবল পঞ্জাবৰ জলন্ধৰত মহিলাই ঘৰতে বহি তৈয়াৰ কৰি থকা দৃশ্য।

প্ৰশ্ন হয়, মানুহে কিয় কাম কৰে? ব্যক্তি তথা সমাজৰ এজন সদস্য হিচাপে আমাৰ জীৱনত কৰ্মই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। জীয়াই থকাৰ বাবে 'উপাৰ্জন' কৰিবলৈ মানুহে কাম কৰিব লাগে। অৱশ্যে, কিছুমান মানুহে কোনো কাম নকৰাকৈয়ো উত্তৰাধিকাৰ সূত্ৰে মুদ্ৰাৰ অধিকাৰী হ'ব পাৰে। ইয়াৰ দ্বাৰা মানুহ সম্পূৰ্ণ সন্তুষ্ট হ'ব নোৱাৰে। কোনো কাম কৰিব পাৰিলে মানুহে স্ব-গুৰুত্ব অনুভৱ কৰিব পাৰে আৰু ইয়াৰ দ্বাৰাই নিজকে অৰ্থপূৰ্ণভাৱে আনৰ

সৈতে জড়িত কৰিব পাৰে। দেশৰ প্ৰতিজন কৰ্মৰত মানুহেই নিজৰ কামৰ জৰিয়তে জাতীয় আয় আৰু দেশৰ বিকাশলৈ অৰিহণা আগবঢ়ায়। এইটোৱেই জীৱিকা 'উপাৰ্জন'ৰ প্ৰকৃত অৰ্থ। আমি কেৱল নিজৰ বাবেই কাম নকৰোঁ। যিসকল আমাৰ ওপৰত নিৰ্ভৰশীল তেওঁলোকৰ অভাৱ দূৰ কৰাৰ বাবে কাম কৰি আমি কৃতিত্ব অনুভৱ কৰোঁ। আমাৰ জীৱনত কৰ্মৰ গুৰুত্ব উপলব্ধি কৰিয়েই মহাত্মা গান্ধীয়ে শিক্ষা আৰু শিল্পকে ধৰি বিভিন্ন কৰ্মৰ মাজেৰে প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব দিছিল।

বিভিন্ন ক্ষেত্ৰত নিয়োজিত হৈ থকা মানুহৰ বিষয়ে অধ্যয়ন কৰিলে তেওঁলোকৰ কামসমূহৰ গুণাগুণ আৰু প্ৰকৃতি সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰি। তেতিয়া আমাৰ দেশৰ মানৱ সম্পদৰ গুৰুত্ব বুজাৰ লগতে এনে সম্পদৰ পৰিকল্পনাৰ প্ৰয়োজনীয়তাও বুজিব পৰা যায়। ইয়ে দেশৰ জাতীয় আয়লৈ বিভিন্ন খণ্ড তথা উদ্যোগে আগবঢ়োৱা অৰিহণাৰ কথা বুজাতো সহায় কৰে। তদুপৰি, দেশৰ উপান্ত শ্ৰেণী, (marginalised section) শিশু-শ্ৰমিক, ইত্যাদিৰ ওপৰত চলি থকা শোষণৰ দৰে সামাজিক সমস্যাবোৰ বিশ্লেষণ কৰাৰ ক্ষেত্ৰতো ই আমাক সহায় কৰে।

## 7.2 শ্ৰমিক আৰু নিয়োগ (Workers and Employment) :

নিয়োগ বা কৰ্মসংস্থান মানে কি? শ্ৰমিক বুলিলে কি বুজা যায়? যেতিয়া শ্ৰমিক এজনে পথাৰত কাম কৰে, তেতিয়া তেওঁ খাদ্য-শস্য অথবা উদ্যোগৰ বাবে কেঁচা মাল (raw-materials) উৎপাদন কৰে। খেতি পথাৰত উৎপাদিত কপাহ বস্ত্ৰ-উদ্যোগৰ শক্তি চালিত তাঁতৰ যোগেদি কাপোৰলৈ ৰূপান্তৰিত হয়। মাল কঢ়িওৱা গাড়ীসমূহৰ দ্বাৰা দ্ৰব্য-সামগ্ৰীবোৰ এঠাইৰ পৰা আন ঠাইলৈ যায়। আমি সকলোৱে জানো যে এখন দেশত এবছৰত উৎপাদিত সকলোবোৰ বস্তু আৰু সেৱাৰ মুদ্ৰা-মূল্যই হৈছে দেশখনৰ মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product)। আকৌ, দেশৰ ৰপ্তানিৰ (Export) পৰা হোৱা আয় আৰু আমদানিৰ (Import) বাবদ দিবলগীয়া ধনৰ হিচাপ-নিকাচ কৰিলে আমি এক শুদ্ধ উপাৰ্জনৰ (Net earning) তথ্য পাওঁ। এই উপাৰ্জন যোগাত্মক, (যদিহে আমদানি মূল্যতকৈ ৰপ্তানি মূল্য অধিক হয়) অথবা বিয়োগাত্মক, (যদিহে আমদানি মূল্য ৰপ্তানি মূল্যতকৈ বেছি হয়) অথবা শূন্যৰ সমানো (যদিহে আমদানি মূল্য আৰু ৰপ্তানি মূল্য পৰস্পৰ সমান হয়) হ'ব পাৰে। যেতিয়া বৈদেশিক লেনদেনৰ (foreign transactions) সৈতে এই মূল্য একেলগ (যোগ অথবা বিয়োগ) কৰা হয়, তেতিয়া আমি দেশৰ মুঠ জাতীয় উৎপাদন (Gross National Product) পাওঁ।

এতিয়া কথা হ'ল, যিবোৰ কৰ্মই মুঠ জাতীয় উৎপাদনলৈ অৰিহণা যোগায়, সেইবোৰকে আৰ্থিক কাম-কাজ বোলা হয়। আৰ্থিক কাম-কাজৰ লগত জড়িত উচ্চ বা নিম্ন যিকোনো অৱস্থানত নিয়োজিত হৈ থকা লোকসকলক শ্ৰমিক (workers) বোলা হয়। কেতিয়াবা শাৰীৰিক দুৰ্বলতা, আঘাত প্ৰাপ্তি, অথবা অন্যান্য দুৰ্ঘটনা, বেয়া বতৰ, উৎসৱ-পাৰ্বণ, সামাজিক বা ধৰ্মীয় উৎসৱ, ইত্যাদি কাৰণত সাময়িকভাৱে কাম নকৰিলেও এনে লোকক শ্ৰমিক

বোলা হয়। বিভিন্ন কামত প্ৰধান শ্ৰমিক (Main workers) সকলক সহায় কৰোঁতাসকলকো শ্ৰমিক বোলা হয়। সাধাৰণতে, নিয়োগ কৰ্তাৰ (employer) পৰা দৰমহা পোৱা সকলকহে আমি শ্ৰমিক বুলি বুজোঁ। কিন্তু, ই সত্য নহয়। শ্ৰমিকসকল স্ব-নিয়োজিতও (self employed) হ'ব পাৰে।

ভাৰতত নিয়োগৰ প্ৰকৃতি বহু দিশ যুক্ত। কিছুমান শ্ৰমিক গোটেই বছৰজুৰি আৰু কিছুমান কেৱল কেইটামান মাহৰ বাবেহে নিয়োজিত হৈ থাকে। বহুতো শ্ৰমিকে নিজৰ কৰ্মৰ বিনিময়ত উচিত মজুৰি নাপায়। শ্ৰমিকৰ সংখ্যা নিৰূপণৰ ক্ষেত্ৰত আৰ্থিক কাম-কাজত নিয়োজিত সকলকহে দেশ এখনৰ শ্ৰমিক বুলি বিবেচনা কৰা হয়। আমাৰ দেশৰ বিভিন্ন ক্ষেত্ৰৰ কাম-কাজত, সক্ৰিয়ভাৱে নিয়োজিত লোকৰ সংখ্যা জানিবলৈ তোমালোক নিশ্চয় আগ্ৰহী। 1999-2000 চনৰ তথ্যমতে, ভাৰতত প্ৰায় 400 নিযুত শ্ৰমিকৰ এটা বিশাল শ্ৰমিক বাহিনী আছে। যিহেতু আমাৰ দেশৰ সৰহভাগ লোকেই গাঁৱত বাস কৰে, সেইবাবে তুলনামূলকভাৱে নগৰতকৈ গাঁৱত শ্ৰমিকৰ অনুপাত বহুত বেছি। দেশৰ 400 নিযুত শ্ৰমিকৰ চাৰিভাগৰ তিনিভাগেই গ্ৰামীণ শ্ৰমিক। আকৌ, শ্ৰমিকসকলৰ সৰহভাগেই পুৰুষ। মুঠ শ্ৰমিকৰ 70 শতাংশ পুৰুষ আৰু বাকী অংশ হৈছে মহিলা। (লিঙ্গ ভেদে পুৰুষ আৰু মহিলা শ্ৰমিকসকলৰ লগত শিশু শ্ৰমিকো একেলগ হৈ আছে)। গাঁও অঞ্চলৰ মুঠ শ্ৰমিকসকলৰ ভিতৰত মহিলা শ্ৰমিক এক তৃতীয়াংশ যদিও নগৰ অঞ্চলৰ মুঠ শ্ৰমিকৰ এক পঞ্চমাংশহে মহিলা। মহিলাসকলে ৰন্ধাবঢ়া কৰা, পানী অনা, খৰি সংগ্ৰহ কৰা আৰু খেতি পথাৰৰ কামত অংশ গ্ৰহণ কৰে। এইবোৰ কামৰ বাবে তেওঁলোকক শস্য অথবা মুদ্ৰাৰ ৰূপত মজুৰি দিয়া নহয়; কোনো কোনো সময়ত তেওঁলোকক একোৱেই দিয়া নহয়। সেইবাবে এনে মহিলাসকলক শ্ৰমিক বুলি কোৱা নহয়। সম্প্ৰতি অৰ্থনীতিবিদসকলে এনে কাম কৰা মহিলাসকলকো শ্ৰমিক বুলি বিবেচনা কৰিবলৈ যুক্তি দৰ্শাইছে।

**নিজে কৰি চোৱা**
**(Work This Out)**

- তোমাৰ নিজৰ ঘৰত অথবা প্ৰতিবেশীসকলৰ মাজত নিশ্চয় কাৰিকৰী ডিগ্ৰী বা ডিপ্ল'মা থকা আৰু কাম কৰিবলৈ সময় থকা সত্ত্বেও কাম নকৰা বহুতো মহিলাক লগ পাইছা। তেওঁলোকে কাম নকৰাৰ কাৰণসমূহ সোধা। সেইবোৰৰ তালিকা প্ৰস্তুত কৰা আৰু তেওঁলোক কামলৈ যোৱা উচিতনে, কিয় যোৱা উচিত আৰু কেনেদৰে তেওঁলোকক কামলৈ পঠিয়াব পাৰি সেই সম্বন্ধে শ্ৰেণীত আলোচনা কৰা। কিছুমান সমাজবিজ্ঞানীৰ মতে মহিলাসকলে ঘৰুৱাভাৱে কৰা অথচ বিনিময়ত উপাৰ্জন নকৰা কাম কাজবোৰকো মুঠ জাতীয় উৎপাদনলৈ অৰিহণা যোগোৱা কাম বুলি গণ্য কৰিব লাগে। আৰু সেয়েহে এইবোৰো আৰ্থিক কাম কাজৰ অন্তৰ্ভুক্ত হ'ব লাগে। তোমাৰ মতামত কি?

## 7.3 নিয়োগ ক্ষেত্রত জনসাধাৰণৰ অংশগ্ৰহণ (Participation of People in Employment):

শ্ৰমিক-জনসংখ্যাৰ অনুপাত (worker-population ratio) হৈছে দেশৰ নিয়োগ পৰিস্থিতি বিশ্লেষণৰ বাবে ব্যৱহাৰ কৰা এক গুৰুত্বপূৰ্ণ নিৰ্দেশক। এই অনুপাতৰ দ্বাৰা দেশৰ মুঠ বস্তু আৰু সেৱা উৎপাদনত সক্ৰিয়ভাৱে অৰিহণা আগবঢ়োৱা জনসংখ্যাৰ হিচাপ পোৱা যায়। যদিহে এই অনুপাতৰ সংখ্যাটো ডাঙৰ হয়, তেতিয়া বুজিব লাগিব যে দেশৰ উৎপাদনত জড়িত লোকৰ সংখ্যা বেছি। যদিহে এই অনুপাত মধ্যমীয়া অথবা সৰু হয়, তেতিয়া বুজিব লাগিব যে দেশৰ এক বৃহৎ সংখ্যক লোক আৰ্থিক কাৰ্যত প্ৰত্যক্ষভাৱে জড়িত নহয়।

'জনসংখ্যা' (population) শব্দটোৰ অৰ্থ নিশ্চয় তোমালোকে নিম্ন শ্ৰেণীতেই শিকি আহিছা। এক নিৰ্দিষ্ট সময়ত কোনো নিৰ্দিষ্ট স্থানত বসবাস কৰা মানুহৰ সংখ্যাই হৈছে জনসংখ্যা। যদিহে তোমালোক ভাৰতৰ শ্ৰমিক-জনসংখ্যাৰ অনুপাত জানিবলৈ ইচ্ছুক, তেন্তে মুঠ জনসংখ্যাৰে মুঠ শ্ৰমিকৰ সংখ্যাটোক হৰণ কৰা আৰু 100 ৰে পূৰণ কৰা।

7.1 নং তালিকাত আৰ্থিক কাম-কাজত বিভিন্ন স্তৰৰ লোকৰ অংশগ্ৰহণ দেখুওৱা হৈছে। তালিকা মতে, ভাৰতত প্ৰতি 100 জন মানুহৰ মাজত 40 গৰাকীহে (39.5 ক পূৰ্ণসংখ্যালৈ ৰূপান্তৰ কৰি) শ্ৰমিক। নগৰ অঞ্চলত এই অনুপাত হৈছে 34, আনহাতে গাঁও অঞ্চলত এই সংখ্যা হৈছে 42। এনেধৰণৰ বৈষম্য কিয় হয়? গাঁও অঞ্চলৰ মানুহৰ নিয়োগ বজাৰত অংশগ্ৰহণ কৰি উচ্চ উপাৰ্জন কৰিব পৰাকৈ সম্পদ অতি সীমিত। বেছিভাগ লোকেই স্কুল-কলেজ অথবা প্ৰশিক্ষণ অনুষ্ঠান আদিলৈ নাযায়। যিসকল এনেবোৰ অনুষ্ঠানলৈ যায়, তেওঁলোকেও আধৰুৱা কৈ এৰি আহি শ্ৰমিক-বাহিনীত যোগ দিয়েহি। তাৰ বিপৰীতে, নগৰ অঞ্চলত এক বুজন সংখ্যক লোকে বিভিন্ন শিক্ষানুষ্ঠানত পঢ়িবলৈ সক্ষম হয়। নগৰৰ মানুহৰ নিয়োগৰ বাবেও বহুতো সুবিধা থাকে। নিজৰ অৰ্হতা আৰু কৰ্মকুশলতা (skill) অনুসৰি তেওঁলোকে উপযুক্ত কামৰ অনুসন্ধান কৰে। আৰ্থিক অৱস্থা দুৰ্বল হোৱা বাবে গাঁৱৰ মানুহে কাম নকৰি ঘৰতে বহি থাকিব নোৱাৰে।

তালিকা 7.1
ভাৰতৰ শ্ৰমিক-জনসংখ্যাৰ অনুপাত
1999-2000 চন

| লিংগ | শ্ৰমিক-জনসংখ্যাৰ অনুপাত | | |
|---|---|---|---|
| | মুঠ | গাঁও | নগৰ |
| পুৰুষ | 52.7 | 53.1 | 51.8 |
| মহিলা | 25.4 | 29.9 | 13.9 |
| **মুঠ** | **39.5** | **41.7** | **33.7** |

মহিলাৰ তুলনাত পুৰুষ শ্ৰমিকৰ সংখ্যা অধিক। নগৰ অঞ্চলত পুৰুষ আৰু মহিলা শ্ৰমিকৰ সংখ্যাৰ পাৰ্থক্য অধিক। প্ৰতি 100 গৰাকী নগৰীয়া মহিলাৰ মাথোন 14 গৰাকীহে আৰ্থিক কাম-কাজত নিয়োজিত হৈ আছে। গাঁও অঞ্চলত প্ৰতি 100 গৰাকী মহিলাৰ ভিতৰত প্ৰায় 30 গৰাকীয়েই নিয়োগ বজাৰত অংশ লোৱা দেখা যায়। প্ৰশ্ন হয়,

মহিলাসকলে, বিশেষকৈ, নগৰীয়া মহিলাসকলে কিয় কাম নকৰে? এনে প্ৰশ্নৰ উত্তৰত দেখা গৈছে যে উচ্চ হাৰত উপাৰ্জন কৰা পুৰুষসকলৰ পৰিয়ালত মহিলাসকলক আৰ্থিক কাম কৰিবলৈ নিৰুৎসাহিত কৰা হয়।

**কৰি চোৱা**
**(Work These Out)**

- নিয়োগ সম্পৰ্কীয় যিকোনো অধ্যয়নেই শ্ৰমিক-জনসংখ্যাৰ অনুপাত পৰ্যালোচনাৰে আৰম্ভ হয়। কিয়?
- কোনো কোনো সম্প্ৰদায়ৰ ক্ষেত্ৰত পুৰুষ সদস্যসকলে উচ্চ হাৰত উপাৰ্জন নকৰিলেও মহিলাসকলক কামলৈ যাবলৈ দিয়া নহয়। কিয়?

ইতিমধ্যে উল্লেখ কৰি অহাৰ দৰে মহিলাসকলে ঘৰুৱাভাৱে দৈনন্দিন কৰি থকা কামবোৰৰ বেছি অংশই উৎপাদনশীল কাম (productive work) বুলি ধৰা নহয়। আৰ্থিক কাৰ্যৰ এনে ঠেক সংজ্ঞাৰ বাবেই মহিলাসকলে কৰা কামবোৰ বিবেচনা কৰা নহয়। ফলস্বৰূপে, দেশত মহিলা শ্ৰমিকৰ সংখ্যা প্ৰকৃত সংখ্যাতকৈ কম হয়। ঘৰখনত অথবা খেতি পথাৰত সক্ৰিয়ভাৱে অথচ উপাৰ্জনহীন ভাৱে কৰি থকা মহিলাসকলৰ কামৰ বিষয়ে চিন্তা কৰাচোন। যিহেতু তেওঁলোকে ঘৰখন সুচাৰুৰূপে ৰখাত আৰু খেতি পথাৰতো শ্ৰম দান কৰে, তেনে মহিলাসকলৰ সংখ্যা দেশৰ মুঠ শ্ৰমিকৰ সংখ্যাৰ সৈতে যোগ দিয়াটো উচিত বুলি নাভাবানে?

## 7.4 স্ব-নিয়োজিত আৰু ভাৰাতীয়া শ্ৰমিক (Self-Employed and Hired Workers):


শ্ৰমিক-জনসংখ্যা অনুপাতৰ দ্বাৰা দেশত শ্ৰমিকসকলৰ সামাজিক মৰ্যাদা অথবা কৰ্মস্থানৰ পৰিৱেশৰ বিষয়ে কিবা জানিব পাৰিনে? কোনো এটা প্ৰতিষ্ঠানত শ্ৰমিক সকলে কেনে মৰ্যাদাৰে কাম কৰে সেইটো জানিলে এটা দিশ উন্মোচিত হয়— দেশ এখনৰ নিয়োগৰ গুণাগুণ। লগতে কোনো এজন শ্ৰমিকৰ নিজৰ কৰ্ম, প্ৰতিষ্ঠানটোৰ কৰ্তৃপক্ষ আৰু সহকৰ্মীসকলৰ সৈতে থকা সম্পৰ্কৰ বিষয়েও জানিব পৰা যায়।

নিৰ্মাণ উদ্যোগৰ তিনিজন শ্ৰমিকলৈ লক্ষ্য কৰোঁহক— এজন চিমেণ্টৰ দোকানী, এজন নিৰ্মাণ কাৰ্যত জড়িত কৰ্মী আৰু তৃতীয়জন এটা কোম্পানীৰ নিৰ্মাণ বিষয়ক অভিযন্তা। যিহেতু,




চিত্ৰ নং 7.2 ঃ ইটা প্ৰস্তুতকৰণ, এক নৈমিত্তিক কৰ্মসংস্থান
(Brick-making : a form of casual work)

সাৰণী নং 7.1 ঃ লিংগ অনুসৰি নিয়োগৰ বিভাজন
(Distribution of employment by Gender)




তেওঁলোকৰ কৰ্মমৰ্যাদা পৃথক পৃথক, সেইবাবে তেওঁলোকৰ পদবীৰ নামো পৃথক। যিসকল শ্ৰমিক কোনো উদ্যোগ বা প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী বা এনে প্ৰতিষ্ঠান চলায়, সেইসকলক স্ব-নিয়োজিত শ্ৰমিক বুলি কোৱা হয়। ওপৰৰ উদাহৰণটোত উল্লেখ কৰা চিমেণ্টৰ দোকানীজন স্ব-নিয়োজিত। ভাৰতৰ শ্ৰমিকসকলৰ আধাতকৈও বেছি এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। নিৰ্মাণ কাৰ্যত কাম কৰা লোকসকল নৈমিত্তিক শ্ৰমিক (casual wage labourer)। ভাৰতৰ শ্ৰমিকসকলৰ 33 শতাংশই এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। এনে শ্ৰমিকসকলে সাময়িকভাৱে আনৰ মালিকানাধীন প্ৰতিষ্ঠানত কাম কৰে আৰু তাৰ বাবে পাৰিশ্ৰমিক বা মজুৰি পায়। ওপৰত উল্লেখ কৰা নিৰ্মাণ কোম্পানীৰ অভিযন্তা গৰাকীৰ দৰে কৰ্মীৰ সংখ্যা হৈছে ভাৰতৰ মুঠ শ্ৰমিকৰ 15 শতাংশ। যেতিয়া কোনো শ্ৰমিকে যিকোনো উদ্যোগ বা প্ৰতিষ্ঠানত নিয়মিত ৰূপত নিযুক্তি আৰু দৰমহা বা মজুৰি পায়, তেনে শ্ৰমিকক নিয়মীয়া বেতনভোগী কৰ্মী (regular salaried employers) বোলা হয়।

সাৰণী নং 7.2 ঃ অঞ্চল অনুসৰি নিয়োগৰ বিভাজন
(Distribution of employment by Region)




7.1 নং সাৰণীলৈ চোৱা। ইয়াত দেখুওৱাৰ দৰে পুৰুষ আৰু মহিলা উভয় কৰ্মীয়েই 50 শতাংশতকৈও অধিক লোকৰ জীৱিকাৰ প্ৰধান উৎস হৈছে স্ব-নিয়োজন। ইয়াৰ পিছতেই সাময়িক মজুৰি প্ৰাপ্ত নিয়োজন ক্ষেত্ৰখন আছে (31 শতাংশ

## নিজে কৰি চোৱা (Work These Out)

- সাধাৰণতে নিয়মীয়াকৈ বা সাময়িকভাৱে দৰমহা পোৱা কৃষি বনুৱা, কাৰখানাৰ শ্ৰমিক, বেংক বা অন্যান্য কাৰ্যালয়ৰ সহায়ক আদিবোৰকেই আমি শ্ৰমিক বুলি ভাবোঁ। ওপৰৰ আলোচনাৰ পৰা তোমালোকে নিশ্চয় বুজি পাইছা যে যিসকলে নিজকে বিভিন্ন কামত নিয়োজিত কৰিছে, যেনে, ৰাস্তাৰ দাঁতিৰ পাচলি বিক্ৰেতা, ডাক্তৰ-উকীল-ইঞ্জিনিয়াৰ আদি পেছাদাৰী লোকসকলো শ্ৰমিক। এতিয়া তলত উল্লেখ কৰা বিভিন্ন পদৰ কৰ্মীসকলৰ শ্ৰেণী বাছি উলিওৱা আৰু (i) স্ব-নিয়োজিত, (ii) নিয়মীয়া বেতনভোগী আৰু (iii) নৈমিত্তিক শ্ৰমিকৰ শ্ৰেণীত চিনাক্ত কৰা—

1) চেলুনৰ স্বত্বাধিকাৰী

2) দৈনিক ভিত্তিক মজুৰি দিয়া অথচ নিয়মীয়াকৈ নিয়োজিত ধান বনা কলৰ শ্ৰমিক

3) ভাৰতীয় ষ্টেট বেংকৰ হিচাপ ৰক্ষক

4) ৰাজ্যিক চৰকাৰৰ কাৰ্যালয়ৰ টাইপিষ্ট, যাক দৈনিক ভিত্তিত মাহিলি দৰমহা দিয়া হয়

5) এজন হস্ততাঁত শিপিনী

6) শাক-পাচলিৰ পাইকাৰী বিক্ৰীকেন্দ্ৰত দ্ৰব্য-সামগ্ৰী উঠোৱা-নমোৱা কৰা শ্ৰমিক

7) পেপ্‌চি, কোকাকোলা, মিৰিণ্ডা আদি ঠাণ্ডা পানীয় বিক্ৰী কৰা দোকানৰ স্বত্বাধিকাৰী

8) ব্যক্তিগত চিকিৎসালয়ত বিগত পাঁচবছৰে নিয়মিতভাৱে কাম কৰি মাহিলি দৰমহা পোৱা নাৰ্ছ।

- অৰ্থনীতিবিদসকলৰ মতে এই তিনিওটা শ্ৰেণীৰ ভিতৰত সাময়িক মজুৰি শ্ৰমিকসকল আটাইতকৈ অসুৰক্ষিত। এইসকলক চিনাক্ত কৰা। তেওঁলোক ক'ত আৰু কিয় থাকে চোৱা।
- সাময়িক মজুৰি শ্ৰমিক অথবা নিয়মিত বেতনভোগী কৰ্মীতকৈ স্ব-নিয়োজিত লোকৰ উপাৰ্জন বেছি নে? নিয়োগৰ গুণাগুণৰ কেইটামান অন্যান্য নিৰ্দেশক বিচাৰি উলিওৱা।

পুৰুষ, 37 শতাংশ মহিলা)। নিয়মীয়া দৰমহা পোৱা কামৰ ক্ষেত্ৰত মহিলাসকলৰ তুলনাত পুৰুষৰ সংখ্যা অধিক। পুৰুষ শ্ৰমিকসকলৰ 18 শতাংশৰ বিপৰীতে মহিলা শ্ৰমিকসকলৰ 8 শতাংশহে এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। এনে কামত পুৰুষৰ সংখ্যা বেছি হোৱাৰ অন্যতম কাৰণ হ'ব পাৰে ইয়াৰ বাবে প্ৰয়োজনীয় কৰ্ম কুশলতা। নিয়মিত দৰমহা থকা কামবোৰত বিচৰা ধৰণে কৰ্মকুশলতা আৰু উচ্চ পৰ্যায়ৰ শিক্ষা নথকা বাবে মহিলাসকলৰ অধিকাংশই এনে কামত নিয়োজিত নহয়।

7.2 নম্বৰ সাৰণীত দেখুওৱাৰ দৰে গাঁও আৰু নগৰৰ ভিত্তিত শ্ৰমিকৰ বিভাজন কৰিলে পোৱা যায় যে নগৰ অঞ্চলৰ তুলনাত গাঁও অঞ্চলত স্ব-নিয়োজিত আৰু নৈমিত্তিক শ্ৰমিকৰ সংখ্যা অধিক। নগৰত স্ব-নিয়োজিত আৰু নিয়মীয়া বেতনভোগী লোকৰ সংখ্যা অধিক। গাঁওবোৰত নিজা মাটিত স্বাধীনভাৱে খেতি কৰা লোকৰ সংখ্যা অধিক হোৱা বাবে স্ব-নিয়োজিত শ্ৰমিকৰ অংশ ডাঙৰ হোৱা দেখা যায়। নগৰ অঞ্চলত কামৰ প্ৰকৃতি ভিন্ন ধৰণৰ। এইটো নিশ্চিত যে প্ৰত্যেকেই বিভিন্ন ধৰণৰ কাৰখানা, দোকান আৰু অফিচ চলাব নোৱাৰে। তদুপৰি নগৰ অঞ্চলৰ প্ৰতিষ্ঠানসমূহত নিয়মীয়া ভিত্তিত শ্ৰমিকৰ প্ৰয়োজন।

### 7.5 ব্যৱসায় প্ৰতিষ্ঠান, কাৰখানা আৰু কাৰ্যালয়ত নিয়োগ (Employment in Firms, Factories and Offices) :

দেশ এখনৰ আৰ্থিক উন্নয়ন চলি থকা সময়ত কৃষি আৰু অন্যান্য ক্ষেত্ৰৰ শ্ৰমিকসকলৰ উদ্যোগ আৰু সেৱা খণ্ডলৈ প্ৰব্ৰজন ঘটে। এই প্ৰক্ৰিয়াত শ্ৰমিকসকলৰ গাঁৱৰ পৰা নগৰলৈ প্ৰব্ৰজন ঘটে। পৰিণাম স্বৰূপে অৱশেষত উদ্যোগ খণ্ডতো শ্ৰমিকৰ সংখ্যা হ্ৰাস পায় আৰু সেৱা খণ্ডৰ দ্ৰুত সম্প্ৰসাৰণ হয়। উদ্যোগখণ্ডত শ্ৰমিকসকলৰ বিতৰণৰ দিশলৈ লক্ষ্য কৰি এই পৰিৱৰ্তনৰ কথাটো বুজি পাব পাৰি। সাধাৰণতে মুঠ 8 টা ঔদ্যোগিক ভাগত সকলো আৰ্থিক কাম-কাজ ভগোৱা হয়। সেইবোৰ হৈছে— (1) কৃষি (2) খনি আৰু শিল খনন (3) প্ৰস্তুতকৰণ (4) বিদ্যুৎ, গেছ আৰু পানী যোগান (5) নিৰ্মাণ (6) ব্যৱসায় (7) পৰিবহণ আৰু সংৰক্ষণ (8) সেৱা। এই আটাইবোৰকে সৰলীকৃত কৰি পুনৰ তিনিটা বহল ভাগত ভগোৱা হৈছে— (ক) প্ৰাথমিক খণ্ড (Primary Sector), য'ত (1) আৰু (2) অন্তৰ্ভুক্ত, (খ) গৌণ খণ্ড (Secondary Sector), য'ত (3), (4) আৰু (5) অন্তৰ্ভুক্ত; (গ) সেৱাখণ্ড (Service), য'ত (6), (7) আৰু (8) অন্তৰ্ভুক্ত। 7.2 নং তালিকাত ভাৰতত 1999-2000 চনৰ বিভিন্ন খণ্ডত কৰ্মৰত জনসংখ্যাৰ তথ্য দেখুওৱা হৈছে। ভাৰতৰ বৃদাংশ শ্ৰমিকৰ বাবে প্ৰাথমিক খণ্ডই হ'ল নিয়োগৰ প্ৰধান উৎস। গৌণ খণ্ডই কেৱলমাত্ৰ 16 শতাংশ শ্ৰমিককহে নিয়োগৰ সুবিধা আগবঢ়ায়। প্ৰায় 24 শতাংশ শ্ৰমিক সেৱাখণ্ডত নিয়োজিত। 7.2 নং তালিকাত দেখুওৱা মতে চাৰি ভাগৰ তিনি ভাগতকৈও অধিক গাঁও অঞ্চলৰ শ্ৰমিক কৃষি, খনি আৰু শিল খনন ক্ষেত্ৰৰ ওপৰত নিৰ্ভৰশীল। প্ৰায় 10 শতাংশ গ্ৰামীণ শ্ৰমিক প্ৰস্তুতকৰণ, নিৰ্মাণ আৰু



চিত্ৰ নং 7.3 ঃ সাজ-পোছাকৰ উদ্যোগ ঃ
মহিলাসকলৰ নিয়োগৰ বাবে উত্থিত কাৰখানা
(Garment workers : upcoming factory employment for women)

**তালিকা 7.2**

শ্ৰমিকৰ ক্ষেত্ৰীয় বিভাজন 1999-2000 (% হিচাপত)

| ঔদ্যোগিক শ্ৰেণী | বাসস্থলী | | লিঙ্গ | | মুঠ |
|---|---|---|---|---|---|
| | গাঁও | নগৰ | পুৰুষ | মহিলা | |
| প্ৰাথমিক খণ্ড | 76.7 | 9.6 | 53.8 | 75.1 | 60.4 |
| গৌণ খণ্ড | 10.8 | 31.3 | 17.6 | 11.8 | 15.8 |
| সেৱা খণ্ড | 12.5 | 59.1 | 28.6 | 13.1 | 23.8 |
| মুঠ | 100.0 | 100.0 | 100.0 | 100.0 | 100.0 |

অন্যান্য খণ্ডসমূহত নিয়োজিত। দেশৰ গাঁও অঞ্চলৰ প্ৰায় 13 শতাংশ শ্ৰমিকক সেৱাখণ্ডই নিযুক্তি আগবঢ়ায়। নগৰ অঞ্চলত মানুহ প্ৰধানকৈ সেৱাখণ্ডত নিয়োজিত আৰু এই অঞ্চলত কৃষি আৰু খনি নিয়োগৰ প্ৰধান উৎস নহয়। প্ৰায় 60 শতাংশ নগৰীয়া শ্ৰমিকৰ নিয়োগৰ উৎস হৈছে সেৱাখণ্ড। গৌণ খণ্ডই এই শ্ৰমিকসকলৰ প্ৰায় 30 শতাংশক কৰ্মসংস্থানৰ সুবিধা দিছে।

যদিও প্ৰাথমিক খণ্ডত পুৰুষ-মহিলা উভয়েই নিয়োজিত হৈ আছে, তথাপিও দেখা গৈছে এই খণ্ডত মহিলা শ্ৰমিকৰ সংখ্যা অত্যন্ত বেছি। মহিলা শ্ৰমিকসকলৰ তিনি-চতুৰ্থাংশতকৈও অধিক এই খণ্ডত নিয়োজিত, আনহাতে পুৰুষ শ্ৰমিকসকলৰ আধাহে এই খণ্ডত আছে। পুৰুষসকলে প্ৰকৃততে গৌণ আৰু সেৱা উভয় খণ্ডতেই নিয়োগৰ সুবিধা পায়।

**কৰি চোৱা (Work This Out)**

- বাতৰি কাকতসমূহত নিয়োগ-সুবিধাৰ বাৰ্তা প্ৰকাশৰ বাবে এটা বিশেষ অংশ থাকে। কিছুমান বাতৰি কাকতত সম্পূৰ্ণ একোটা পৰিপূৰিকা প্ৰতি সপ্তাহৰ একোদিনত দিয়া হয়, যেনে— 'দি হিন্দু' কাকতৰ 'Opportunities' আৰু 'দি টাইমছ অব্ ইণ্ডিয়া' কাকতৰ 'Ascent'। এইবোৰত বিভিন্ন কোম্পানীয়ে খালী থকা পদৰ বাবে বিজ্ঞাপন দিয়ে। এইবোৰ কাটি উলিওৱা। এতিয়া এখন তালিকা প্ৰস্তুত কৰা, য'ত চাৰিটা স্তম্ভ (column) থাকিব— (1) কোম্পানীটো ব্যক্তিগত খণ্ডৰ নে চৰকাৰী খণ্ডৰ, (2) পদৰ নাম আৰু পদৰ সংখ্যা, (3) খণ্ড প্ৰাথমিক, গৌণ সেৱা (4) প্ৰয়োজনীয় অৰ্হতা। এই তালিকাৰ ভিত্তিত শ্ৰেণীকোঠাত বাতৰি কাকতৰ বিজ্ঞাপনৰ পদসমূহ সম্পৰ্কে আলোচনা কৰা।

### 7.6 বৃদ্ধি আৰু নিয়োগৰ পৰিৱৰ্তিত সংগঠন (Growth and Changing Structure of Employment) :

ইতিমধ্যে দ্বিতীয় আৰু তৃতীয় অধ্যায়ত তোমালোকে পৰিকল্পনাৰ কৌশলৰ বিষয়ে বিতংকৈ অধ্যয়ন কৰিছা। এতিয়া আমি বিকাশৰ দুটা নিৰ্দেশকৰ বিষয়ে চৰ্চা কৰিম— নিয়োগ বৃদ্ধি আৰু মুঠ ঘৰুৱা উৎপাদন (GDP)। আমাৰ দেশৰ 50 বছৰীয়া পৰিকল্পিত উন্নয়নৰ উদ্দেশ্য হৈছে জাতীয় উৎপাদন আৰু নিয়োগৰ বৃদ্ধিৰ যোগেদি অৰ্থ ব্যৱস্থাৰ সম্প্ৰসাৰণ কৰা।

1960 চনৰ পৰা 2000 চন পৰ্যন্ত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ ধনাত্মক বৃদ্ধি পৰিলক্ষিত হয়। ই নিয়োগৰ বৃদ্ধিতকৈ অধিক। অৱশ্যে, মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰৰ তাৰতম্য ঘটা দেখা গৈছে। উক্ত সময়ছোৱাত নিয়োগ সুস্থিৰভাৱে 2 শতাংশ বৃদ্ধি পাই আছে।


7.3 নং সাৰণীত দেখা গৈছে যে 1990 চনৰ শেষৰ ফালে নিয়োগৰ স্থিতি আৰু অধিক শোচনীয় হৈছে। দেখা গৈছে যে নিয়োগ বৃদ্ধিৰ হাৰ ক্ৰমান্বয়ে কমি গৈছে আৰু পৰিকল্পনাৰ আৰম্ভণি কালৰ সমান হৈছেগৈ। এই সময়ছোৱাত আমি ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি আৰু নিয়োগ বৃদ্ধিৰ মাজত অধিক পাৰ্থক্য দেখিবলৈ পাইছো। অৰ্থাৎ, আমি ভাৰতীয় অৰ্থব্যৱস্থাত নিয়োগ সৃষ্টি নকৰাকৈয়ে অধিক দ্ৰব্য আৰু সেৱা উৎপাদন কৰিবলৈ সক্ষম হৈছোঁ। বিজ্ঞসকলে এই অৱস্থাটোক নিয়োগহীন বৃদ্ধি (Jobless growth) আখ্যা দিছে।

এতিয়ালৈকে আমি ভাৰতত মুঠ ঘৰুৱা উৎপাদনৰ লগত তুলনামূলকভাৱে নিয়োগৰ বৃদ্ধিৰ বিষয়ে আলোচনা কৰিলোঁ। এতিয়া ঘৰুৱা উৎপাদন আৰু নিয়োগ বৃদ্ধিৰ এই ধাৰাটোৱে বিভিন্ন শ্ৰেণীৰ শ্ৰমিকক কিদৰে প্ৰভাৱিত কৰিছে সেইটো চোৱা যাওক। ইয়াৰ দ্বাৰা আমাৰ দেশত কি ধৰণৰ নিয়োগ সৃষ্টি হৈছে, সেইটোও আমি জানিব পাৰিম।

আগৰ অংশত উল্লেখ কৰা দুটা নিৰ্দেশক বিভিন্ন উদ্যোগত জনসাধাৰণৰ নিয়োগ আৰু তেওঁলোকৰ মৰ্যাদাৰ (status)ৰ বিষয়ে চোৱা যাওক। আমি সকলোৱে জানো যে ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ; এক বুজন সংখ্যক লোকে গাঁৱত বাস কৰে আৰু কৃষিয়েই হৈছে তেওঁলোকৰ মুখ্য অৱলম্বন। আনহাতে, ভাৰতকে ধৰি বিশ্বৰ বিভিন্ন দেশৰ উন্নয়নৰ কৌশলৰ অন্যতম লক্ষ্য হৈছে কৃষিখণ্ডৰ ওপৰত নিৰ্ভৰশীল জনসংখ্যাৰ হাৰ হ্ৰাস কৰা।

ভাৰতত ঔদ্যোগিক ক্ষেত্ৰীয় ভিত্তিত শ্ৰমিকৰ বিভাজনৰ দিশলৈ লক্ষ্য কৰিলে কৃষি খণ্ডৰ পৰা অ-কৃষি খণ্ডলৈ হোৱা গুৰুত্বপূৰ্ণ স্থানান্তৰকৰণ পৰিলক্ষিত হয়। (7.3 নং তালিকা চোৱা)। 1972-73 চনত 74 শতাংশ শ্ৰমিক প্ৰাথমিক খণ্ডত নিয়োজিত হৈ আছিল, 1999-2000 চনত ই 60 শতাংশলৈ হ্ৰাস পাইছে। গৌণ আৰু সেৱা খণ্ডই ভাৰতীয় শ্ৰমিকসকলৰ বাবে প্ৰতিশ্ৰুতিপূৰ্ণ ভৱিষ্যতৰ ইঙ্গিত বহন কৰিছে। তালিকাখনলৈ লক্ষ্য কৰিলে দেখিবা যে এই দুই খণ্ডত নিয়োজিত শ্ৰমিকৰ সংখ্যা ক্ৰমে 11 ৰ পৰা 16 শতাংশ আৰু 15 ৰ পৰা 24 শতাংশলৈ বৃদ্ধি পাইছে।

সাৰণী 7.3 ঃ নিয়োগ আৰু মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধি, 1951–2000




বিভিন্ন পদমৰ্যাদাত শ্ৰমিকৰ বিভাজনৰ দিশলৈ চালে দেখা যায় যে বিগত তিনিটা দশকত (1972–2000) স্ব-নিয়োজিত আৰু নিয়মিত বেতনভোগী শ্ৰেণীৰ শ্ৰমিকসকল নৈমিত্তিক কৰ্মলৈ ধাবিত হৈছে। তথাপিও স্ব-নিয়োজন সবাতোকৈ অধিক নিয়োগৰ উৎস ৰূপেই পৰিগণিত হৈ আছে। স্ব-নিয়োজিত আৰু স্থায়ী বেতনভোগী শ্ৰেণীৰ শ্ৰমিকসকলৰ সাময়িক মজুৰি শ্ৰমিকলৈ পৰিৱৰ্তনৰ এই প্ৰক্ৰিয়াটোক বিজ্ঞসকলে শ্ৰমবাহিনীৰ নৈমিত্তিকীকৰণ (casualisation of workforce) বুলি অভিহিত কৰিছে। এই প্ৰক্ৰিয়াটোৱে শ্ৰমিকসকলক অধিক অসুৰক্ষিত কৰিছে। কেনেকৈ? পূৰ্বতেই উল্লেখ কৰা আহমেদাবাদৰ ঘটনাৰ অধ্যয়নলৈ (case study) লক্ষ্য কৰা।

**তালিকা** 7.3

নিয়োগৰ ধৰণৰ গতিধাৰা (খণ্ডভিত্তিক আৰু পদমৰ্যাদা ভিত্তিক), 1972–2000 (% হিচাপত)

| বিষয় | 1972-73 | 1983 | 1993-94 | 1999-2000 |
|---|---|---|---|---|
| খণ্ড | | | | |
| প্ৰাথমিক | 74.3 | 68.6 | 64 | 60.4 |
| গৌণ | 10.9 | 11.5 | 16 | 15.8 |
| সেৱা | 14.8 | 16.9 | 20 | 23.8 |
| মুঠ | 100.0 | 100.0 | 100.0 | 100.0 |
| পদমৰ্যাদা | | | | |
| স্ব-নিয়োজিত | 61.4 | 57.3 | 54.6 | 52.6 |
| নিয়মীয়া বেতনভোগী | 15.4 | 13.8 | 13.6 | 14.6 |
| নৈমিত্তিক মজুৰি শ্ৰমিক | 23.2 | 28.9 | 31.8 | 32.8 |
| মুঠ | 100.0 | 100.0 | 100.0 | 100.0 |

**কৰি চোৱা (Work These Out)**

- ভাৰতৰ দৰে দেশ এখনত বছৰি 2 শতাংশ হাৰত নিয়োগ বৃদ্ধি কৰি থকাটো সহজ কাম নহয়।
- অৰ্থব্যৱস্থাত বস্তু আৰু সেৱা উৎপাদনৰ পিছতো যদিহে অতিৰিক্ত নিয়োগ সৃষ্টি নহয়, তেতিয়া কি হ'ব? নিয়োগহীন বৃদ্ধি কেনেকৈ ঘটে?
- অৰ্থনীতিবিদসকলে কয় যে যদিহে শ্ৰমিকৰ নৈমিত্তিকীকৰণে মানুহৰ উপাৰ্জন বৃদ্ধি কৰে, তেন্তে এনে প্ৰপঞ্চ আদৰণীয়। ধৰি লোৱা, এজন উপান্ত কৃষক পূৰ্ণ পৰ্যায়ৰ কৃষি শ্ৰমিকলৈ উন্নীত হ'ল, তেওঁ দিন হাজিৰা ভিত্তিত অধিক উপাৰ্জন কৰিব পাৰিলেও সুখী হ'ব বুলি ভাবানে? নতুবা এজন স্থায়ী তথা নিয়মিত দৰমহা পোৱা ঔষধ উদ্যোগৰ শ্ৰমিক যদি দিন-হাজিৰা ভিত্তিক শ্ৰমিকলৈ ৰূপান্তৰিত হয় আৰু তেওঁৰ আয় পূৰ্বতকৈ বাঢ়ে, তেওঁ সুখী হ'বনে? শ্ৰেণীকোঠাত আলোচনা কৰা।

## 7.7 ভাৰতীয় শ্ৰমিক বাহিনীৰ অনানুষ্ঠানিকীকৰণ (Informalition of Indian workforce):

আগৰ আলোচনাত আমি পালোঁ যে ভাৰতত নৈমিত্তিক শ্ৰমিকৰ সংখ্যা বাঢ়িব লাগিছে। ভাৰতৰ স্বৰাজোত্তৰ কালত গ্ৰহণ কৰা উন্নয়নৰ পৰিকল্পনাৰ অন্যতম প্ৰধান উদ্দেশ্য হৈছে জনসাধাৰণক এক মৰ্যাদাপূৰ্ণ জীৱনধাৰণৰ উপায় প্ৰদান কৰা। অনুমান কৰা হৈছিল যে ভাৰতত গ্ৰহণ কৰা কৌশলে উন্নত দেশসমূহৰ দৰে ঔদ্যোগীকৰণৰ কৃষি খণ্ডৰ উদ্বৃত্ত শ্ৰমিকসকলক উদ্যোগ খণ্ডলৈ স্থানান্তৰিত কৰিব আৰু তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত হ'ব। কিন্তু, পূৰ্বৱৰ্তী আলোচনাত আমি দেখিলোঁ যে পৰিকল্পিত উন্নয়নৰ 55 বছৰৰ পিছতো তিনি পঞ্চমাংশ ভাৰতীয় শ্ৰমিকে কৃষিকেই জীৱিকাৰ প্ৰধান অৱলম্বন ৰূপে গ্ৰহণ কৰি আছে। অৰ্থনীতিবিদসকলৰ মতে বিগত সময়ছোৱাত নিয়োগৰ গুণাগুণ হ্ৰাস পাইছে। 10-20 বছৰৰ অধিক কাম কৰি থকাৰ পিছতো বহুতেই প্ৰসূতিকালীন সুবিধা, ভৱিষ্যনিধি, পাৰিতোষিক (gratuity) অথবা অৱসৰকালীন ভাট্টা কিয় পোৱা নাই? ৰাজহুৱা খণ্ডত চাকৰি কৰা শ্ৰমিকতকৈ ব্যক্তিগত খণ্ডৰ চাকৰি কৰাসকলে একে ধৰণৰ কামৰ বাবে কিয় কমকৈ দৰমহা পায়?

তোমালোকে দেখিবা যে ভাৰতৰ শ্ৰমিকসকলৰ এক ক্ষুদ্ৰ অংশইহে নিয়মিতভাৱে উপাৰ্জন কৰে। চৰকাৰে শ্ৰমিক আইনৰ (Labour Laws) জৰিয়তে এওঁলোকক বিভিন্ন ধৰণে সুৰক্ষা দিছে। এই অংশটোৱে শ্ৰমিক সংঘ (Trade Unions) গঢ়ি তুলি অধিক দৰমহা আৰু অন্যান্য সামাজিক সুৰক্ষাৰ (Social Security) বাবে নিয়োগকৰ্তাৰ লগত দৰাদৰি (Bargaining) কৰে। এওঁলোক কোন?

এইটো প্ৰশ্নৰ উত্তৰৰ বাবে আমি শ্ৰমিকসকলক দুটা ভাগত ভাগ কৰিব পাৰো। আনুষ্ঠানিক খণ্ডৰ (Formal Sector) শ্ৰমিক আৰু অনানুষ্ঠানিক খণ্ডৰ (Informal Sector) শ্ৰমিক। এওঁলোকক ক্ৰমে সংগঠিত (Organised) আৰু অসংগঠিত (Unorganised) খণ্ডৰ শ্ৰমিক বুলিও কোৱা হয়। চৰকাৰী (ৰাজহুৱা) খণ্ডৰ সকলোবোৰ আৰু বেচৰকাৰী (ব্যক্তিগত) খণ্ডত 10 জন বা ততোধিক শ্ৰমিক মকৰল কৰা প্ৰতিষ্ঠানক আনুষ্ঠানিক খণ্ড বোলা হয়। এইবোৰত কাম কৰাসকলক আনুষ্ঠানিক

**কক্ষ নং 7.1 ঃ আনুষ্ঠানিক খণ্ডৰ নিয়োগ**

দেশৰ বিভিন্ন প্ৰান্তত থকা নিয়োগ বিনিময় কেন্দ্ৰসমূহৰ যোগেদি ভাৰতৰ কেন্দ্ৰীয় শ্ৰম মন্ত্ৰালয়ে আনুষ্ঠানিক খণ্ডৰ নিয়োগ সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰে। তোমালোকে জানানে ভাৰতৰ আনুষ্ঠানিক খণ্ডত আটাইতকৈ বেছি নিয়োগৰ সুবিধা প্ৰদান কোনে কৰে? 2001 চনত মুঠ 28 নিযুত আনুষ্ঠানিক শ্ৰমিকৰ 20 নিযুত শ্ৰমিককেই চৰকাৰী খণ্ডই নিযুক্তি দিছিল। ইয়াতো পুৰুষ শ্ৰমিকৰ সংখ্যা অধিক। মুঠ শ্ৰমিকৰ এক ষষ্ঠাংশহে মহিলা শ্ৰমিক আছিল। অৰ্থনীতিবিদসকলৰ মতে 1990 দশকৰ আগভাগত গ্ৰহণ কৰা অৰ্থনৈতিক সংস্কাৰৰ ফলস্বৰূপে দেশত আনুষ্ঠানিক খণ্ডৰ শ্ৰমিকৰ সংখ্যা কমিবলৈ লৈছে। এইক্ষেত্ৰত তোমাৰ মতামত কি?



চিত্ৰ নং 7.4 ঃ পথৰ দাঁতিৰ বিক্ৰীকাৰ্য ঃ ভাৰতত ক্ৰমান্বয়ে বাঢ়ি অহা অনানুষ্ঠানিক খণ্ডৰ কৰ্মসংস্থান

খণ্ডৰ শ্ৰমিক বোলা হয়। ইয়াৰ বাহিৰে আনবোৰ খণ্ড আৰু শ্ৰমিকক ক্ৰমে অনানুষ্ঠানিক খণ্ড আৰু অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিক বুলি কোৱা হয়। গতিকে, অনানুষ্ঠানিক খণ্ডত নিযুত-নিযুত কৃষক, কৃষি বনুৱা, ক্ষুদ্ৰ প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰ আৰু সেইবোৰত কৰ্মৰত শ্ৰমিকসকলক পোৱা যায়। ভাৰাতীয়া শ্ৰমিককো নিযুক্তি নিদিয়া ব্যক্তিসকলো এই শ্ৰেণীৰেই অন্তৰ্ভুক্ত।

যিসকল শ্ৰমিকে আনুষ্ঠানিক খণ্ডত নিযুক্তি পাইছে, তেওঁলোকে সামাজিক সুৰক্ষাৰ সুবিধা লাভ কৰিব পাৰিছে। অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিকসকলতকৈ তেওঁলোকে বেছিকৈ উপাৰ্জন কৰিব পাৰে। উন্নয়নৰ পৰিকল্পনাত আশা কৰা হয় যে অৰ্থনৈতিক বৃদ্ধিৰ লগে লগে অধিক সংখ্যক শ্ৰমিক আনুষ্ঠানিক শ্ৰমিকত পৰিণত হয় আৰু অনানুষ্ঠানিক শ্ৰমিকৰ অনুপাত ক্ৰমান্বয়ে হ্ৰাস পায়। কিন্তু, ভাৰতৰ ক্ষেত্ৰত কি ঘটিছে? 7.4 নং সাৰণীলৈ চালে ভাৰতৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিকৰ বিভাজনৰ আভাস পোৱা যাব।

পূৰ্বৰ 7.2 দফাটোত আমি পাইছোঁ যে ভাৰতত প্ৰায় 400 নিযুত শ্ৰমিক আছে। এতিয়া 7.4 নং সাৰণীলৈ চোৱা। দেখিবা যে আনুষ্ঠানিক খণ্ডত মাথোন 28 নিযুতমান শ্ৰমিকহে আছে। ভাৰতৰ আনুষ্ঠানিক খণ্ডত মুঠ শ্ৰমিকৰ শতকৰা হিচাপ উলিয়াব পাৰিবানে? প্ৰায় 7 শতাংশ $\left(\frac{28}{400}\times 100\right)$। বাকী 93 শতাংশই অনানুষ্ঠানিক

**কক্ষ নং 7.2 ঃ আহমেদাবাদত অনানুষ্ঠানিকীকৰণ**

আহমেদাবাদ এখন সমৃদ্ধিশালী নগৰ। এই সমৃদ্ধিৰ ভিত্তি হৈছে 60 টাতকৈও অধিক বস্ত্ৰ কল য'ত 1,50,000 শ্ৰমিক নিয়োজিত হৈ আছে। শতিকাজোৰা দীৰ্ঘদিনীয়া শ্ৰমৰ জৰিয়তে এই শ্ৰমিকসকলে এক নিৰ্দিষ্ট স্তৰৰ আয় সুৰক্ষা লাভ কৰিছিল। জীৱন ধাৰণৰ বাবে নিৰ্দিষ্ট হাৰত মজুৰি, সামাজিক সুৰক্ষাৰ চিন স্বৰূপে স্বাস্থ্য ৰক্ষা আৰু বৃদ্ধাৱস্থাৰ নিৰাপত্তা তেওঁলোকে আহৰণ কৰিছিল। তেওঁলোকৰ শক্তিশালী শ্ৰমিক সংঘও আছিল, যিয়ে তেওঁলোকৰ বিবাদত প্ৰতিনিধিত্ব কৰাৰ উপৰিও শ্ৰমিকসকলৰ আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ অৰ্থে কামো কৰিছিল। 1980 দশকৰ প্ৰথমাৰ্দ্ধত দেশৰ প্ৰায়বোৰ কাপোৰৰ মিল বন্ধ হ'বলৈ আৰম্ভ কৰিলে। মুম্বাইকে ধৰি কেতবোৰ ঠাইত দ্ৰুতভাৱে মিলবোৰ বন্ধ হৈছিল। আহমেদাবাদত এই প্ৰক্ৰিয়াটো দীঘলীয়া হৈছিল আৰু প্ৰায় 10 বছৰ জুৰি চলিছিল। এই সময়ছোৱাত প্ৰায় 80,000 স্থায়ী আৰু 50,000 তকৈও অধিক অস্থায়ী শ্ৰমিক কৰ্মহীন হৈছিল আৰু অনানুষ্ঠানিক খণ্ডলৈ যাবলগীয়া হৈছিল। নগৰখনত আৰ্থিক পতন (Recession) আৰু ৰাজহুৱা অশান্তি যেনে সাম্প্ৰদায়িক সংঘৰ্ষ আদি হৈছিল। সম্পূৰ্ণ এক শ্ৰেণীৰ শ্ৰমিক মধ্যবিত্ত অৱস্থাৰ পৰা অনানুষ্ঠানিক খণ্ডৰ মাজত সোমাই দৰিদ্ৰতাৰ কবলত পৰিছিল। সুৰাপান আৰু আত্মহত্যাৰ ঘটনা বৃদ্ধি পাইছিল। শিশুসকলক স্কুলৰ পৰা এৰুৱাই আনি কামলৈ পঠিওৱা হৈছিল।




এঘৰ মানুহৰ ক্ষমতাৰ ভাৰসাম্যৰ পৰিৱৰ্তন ঃ কৰ্মহীন হোৱা পুৰুষ গৰাকীয়ে নহৰুৰ বাকলি এৰুৱাইছে আৰু মহিলাগৰাকীয়ে বিড়ি তৈয়াৰ কৰাৰ নতুন কামত নিয়োজিত হৈছে।

**উৎস ঃ** Renana Jhabvala, Ratna M. Sudarshan and Jeemal Unni (সম্পাদিত) Informal Economy at Centre State : New Structures of Employment, Sage Publication, New Delhi, 2003, pp. 265.

খণ্ডৰ শ্ৰমিক। মুঠ প্ৰায় 28 নিযুত আনুষ্ঠানিক শ্ৰমিকৰ মাথোন 4.8 নিযুতহে মহিলা শ্ৰমিক, অৰ্থাৎ, মাথোন 17 শতাংশ ($4.8/28 \times 100$)। আনহাতে, অনানুষ্ঠানিক খণ্ডত, মুঠ শ্ৰমিকৰ 69 শতাংশ পুৰুষ শ্ৰমিক।

সাৰণী 7.4 ঃ আনুষ্ঠানিক-অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিক 1999-2000




1970 চনৰ শেষভাগৰ পৰা ভাৰতকে ধৰি বহু উন্নয়নশীল দেশত (developing country) অনানুষ্ঠানিক খণ্ডৰ প্ৰতিষ্ঠান আৰু শ্ৰমিকসকলৰ প্ৰতি মনোযোগ দিবলৈ ধৰা হৈছে। কিয়নো আনুষ্ঠানিক খণ্ডত শ্ৰমিকৰ সংখ্যা বঢ়া নাই। অনানুষ্ঠানিক খণ্ডৰ প্ৰতিষ্ঠান বা শ্ৰমিক কাৰোৰেই নিয়মিত উপাৰ্জন নাই; তেওঁলোকে চৰকাৰৰ পৰা কোনো সুৰক্ষা নাপায় আৰু কোনো বিনিয়মো নাই। এই খণ্ডত কোনো ক্ষতিপূৰণ নিদিয়াকৈয়ে শ্ৰমিকক কামৰ পৰা

### কৰি চোৱা (Work These Out)

অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিকসকল চিহ্নিত কৰি (√) চিন দিয়া—

- পৰিয়ালৰ তিনিজন সদস্য আৰু সাতজন ভাড়াতীয়া শ্ৰমিকযুক্ত হোটেল এখনৰ কৰ্মীসকল
- 25 জন শিক্ষক থকা এখন ব্যক্তিগত খণ্ডৰ স্কুলৰ শিক্ষক
- এজন পুলিচ কনিষ্টবল
- চৰকাৰী চিকিৎসালয়ৰ নাৰ্ছ
- এজন ৰিক্সাচালক
- 9 জন শ্ৰমিকক নিযুক্তি দিয়া এখন কাপোৰৰ দোকানৰ মালিক
- 10 খন বাছ, 20 জন চালক, পৰিচালক আৰু অন্যান্য শ্ৰমিক থকা এটা বাছ কোম্পানীৰ ড্ৰাইভাৰ
- 10 জন কৰ্মী থকা নিৰ্মাণ কোম্পানী এটাৰ অভিযন্তা
- অস্থায়ী ভিত্তিত চৰকাৰী কাৰ্যালয় এটাত কম্পিউটাৰত কাম কৰা শ্ৰমিক
- বিদ্যুৎ বিভাগৰ কাৰ্যালয়ৰ কেৰাণী এজন

বৰ্খাস্ত কৰা হয়। অনানুষ্ঠানিক খণ্ডৰ প্ৰযুক্তি আওপুৰণি। ই বিলাকত কোনো ধৰণৰ হিচাপো ৰখা নহয়। এই খণ্ডৰ শ্ৰমিকসকল বস্তি অঞ্চলত বেদখলকাৰী হৈ বাস কৰে। শেহতীয়াকৈ, আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাৰ (ILO) নিৰ্দেশ ক্ৰমে ভাৰত চৰকাৰে অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিকৰ সামাজিক সুৰক্ষাৰ ব্যৱস্থাৰ লগতে সমগ্ৰ কাৰ্যপন্থা গ্ৰহণ কৰিছে।

## 7.8 কৰ্মসংস্থানহীনতা (Unemployment) :

বাতৰি কাকতত কোনো কোনোৱে কামৰ সন্ধান কৰা বোধহয় দেখিছা। কোনোৱে বন্ধু-বান্ধৱ বা আত্মীয় স্বজনৰ যোগেদিও কাম বিচাৰে। বিভিন্ন নগৰত, কোনো নিৰ্দিষ্ট ঠাইত বহুতো মানুহ একেলগ হৈ দিনটোৰ বাবে কামৰ সন্ধানত ৰৈ থকাও নিশ্চয় দেখিছা। কিছুমানে আকৌ কাৰখানা বা কাৰ্যালয়লৈ নিজৰ নিজৰ যোগ্যতা তথ্যাৱলীৰ (Biodata) সৈতে গৈও খালী হৈ থকা পদৰ সন্ধান কৰে। গাঁওবোৰত কিন্তু বেছিভাগেই বাহিৰলৈ নাযায়, বৰঞ্চ কাম নাথাকিলে ঘৰতে বহি থাকে। কিছুমানে নিয়োগ বিনিময় কেন্দ্ৰলৈ গৈ এই কেন্দ্ৰৰ যোগেদি জাননী দিয়া খালী পদৰ বাবে নিজৰ নাম পঞ্জীয়নভুক্ত কৰে।

ৰাষ্ট্ৰীয় নমুনা সমীক্ষা সংস্থা (NSSO)ৰ সংজ্ঞামতে কৰ্মহীনতা হৈছে এনে এক অৱস্থা, য'ত কৰ্মৰ অভাৱ হেতুকে কাম কৰি নথকা সকলোৱে নিয়োগ বিনিময় কেন্দ্ৰ, মধ্যস্থতাকাৰী, বন্ধু বা আত্মীয় স্বজনৰ জৰিয়তে নতুবা সম্ভাব্য নিয়োগকৰ্তালৈ আবেদন কৰি কাম বিচাৰে বা প্ৰচলিত কৰ্মপৰিৱেশ তথা মজুৰিত কাম কৰিবলৈ নিজৰ ইচ্ছা বা উপলব্ধতা প্ৰকাশ কৰে। এজন নিবনুৱা লোকক চিনাক্ত কৰাৰ বহুতো উপায় আছে।




চিত্ৰ নং 7.5 ঃ নিবনুৱা হোৱা মিল শ্ৰমিকে নৈমিত্তিক কামৰ বাবে অপেক্ষা কৰিছে

অৰ্থনীতিবিদ সকলৰ সংজ্ঞা মতে দিনটোৰ এবেলাৰ ভিতৰত আনকি এঘণ্টাও কাম নোপোৱাজনেই নিবনুৱা।

কৰ্মসংস্থানহীনতা সম্পৰ্কে তথ্যৰ তিনিটা উৎস আছে ঃ ভাৰতৰ লোক পিয়লৰ (Census) প্ৰতিবেদন, ৰাষ্ট্ৰীয় নমুনা সমীক্ষা (Sample Survey) সংস্থাৰ নিয়োগ আৰু কৰ্মসংস্থানহীনতাৰ প্ৰতিবেদন, আৰু নিয়োগ তথা প্ৰশিক্ষণ প্ৰধান সঞ্চালকালয়ৰ নিয়োগ বিনিময় কেন্দ্ৰসমূহত থকা পঞ্জীয়নৰ পৰিসংখ্যা। এই উৎসবোৰে যদিও কৰ্মহীনতাৰ ভিন্ন-ভিন্ন হিচাপ দেখুৱায়, তথাপি এইবোৰে আমাৰ দেশৰ নিবনুৱাসকলৰ প্ৰকৃতি আৰু



চিত্ৰ নং 7.6 ঃ কুঁহিয়াৰ কাটোতা; কৃষিকৰ্মত ছদ্মবেশী নিবনুৱা এক সাধাৰণ অৱস্থা

বিভিন্ন প্ৰকাৰৰ নিবনুৱা সম্পৰ্কে অৱগত কৰে।

প্ৰশ্ন হয়, আমাৰ দেশত বিভিন্ন প্ৰকাৰৰ নিবনুৱা আছে নেকি? এই আলোচনাৰ প্ৰথম ছেদত (Paragraph) বৰ্ণনা কৰা নিবনুৱাক মুক্ত নিবনুৱা (Open Unemployment) বোলা হয়। ভাৰতৰ কৃষিখণ্ডত দেখিবলৈ পোৱা নিবনুৱাক অৰ্থনীতিবিদসকলে ছদ্মবেশী (Disguished) নিবনুৱা বুলি অভিহিত কৰিছে। ছদ্মবেশী নিবনুৱানো কি? ধৰি লোৱা, এজন কৃষকৰ 4 একৰ মাটি আছে; বছৰটোত কৰা কৃষিকৰ্মৰ বাবে কৃষকজনক তেওঁৰ সৈতে আৰু দুজন শ্ৰমিক লাগে; কিন্তু সেইখিনি মাটিতেই তেওঁ যদি 5 জন শ্ৰমিক তথা তেওঁৰ পত্নী, সন্তান আদিকো কামত নিয়োজিত কৰে তেনেহ'লে পৰিস্থিতিটোক ছদ্মবেশী কৰ্মহীনতাৰ অৱস্থা বোলা হয়। 1950 চনত কৰা এক অধ্যয়নমতে ভাৰতৰ কৃষি শ্ৰমিকসকলৰ এক তৃতীয়াংশই ছদ্মবেশী নিবনুৱা।

তোমালোকে নিশ্চয় মন কৰিছা যে বহুতো মানুহে গাঁৱৰ পৰা নগৰলৈ আহি যিকোনো কাম বিচাৰি লয় আৰু কিছুদিন কাম কৰি বাৰিষা কালত পুনৰ গাঁৱলৈ উভতি যায়। তেওঁলোকে কিয় সেইটো কৰে? কাৰণ, কৃষিখণ্ডৰ কামসমূহ ঋতুজনিত। বছৰটোৰ বাৰ মাহে কৰিবলৈ গাঁওবোৰত কোনো কৰ্মসংস্থানৰ সুবিধা নাথাকে। যেতিয়া গাঁৱত কৰিবলৈ একো কাম নাথাকে, তেতিয়া মানুহবোৰে নগৰলৈ গৈ কাম বিচাৰি লয়। এনেধৰণৰ নিবনুৱাকে ঋতুজনিত নিবনুৱা (seasonal unemployment) বুলি কোৱা হয়। ভাৰতৰ কৰ্মসংস্থানহীনতাৰ প্ৰায়ে চকুত পৰা ই এক অন্যতম ৰূপ।

যদিও নিয়োগ বৃদ্ধিৰ হাৰ লেহেমীয়া, দেশখনত মানুহবোৰক দীৰ্ঘদিন ধৰি নিবনুৱা হৈ থকা দেখিছানে? বিজ্ঞসকলৰ মতে ভাৰতত কোনো মানুহেই দীৰ্ঘদিনলৈ সম্পূৰ্ণভাৱে কৰ্মহীন হৈ থাকিব নোৱাৰে, কিয়নো তেওঁলোক আৰ্থিকভাৱে দুৰৱস্থাত থাকে। বৰঞ্চ, সাধাৰণতে মানুহে কৰিবলৈ নিবিচৰা অস্বাস্থ্যকৰ, অপৰিষ্কাৰ, সন্তুষ্টিহীন তথা বিপদজনক পৰিৱেশত এই মানুহবোৰক কাম কৰিবলৈ বাধ্য হোৱাটোহে দেখিবলৈ পাবা। অৱশ্যে, আমাৰ চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি ন্যূনতম নিৰাপত্তা আৰু কৰ্ম-সন্তুষ্টিৰ নিশ্চিতিসহ গ্ৰহণযোগ্য নিয়োগ সৃষ্টিৰ পদক্ষেপ লৈছে। পৰৱৰ্তী অংশত এইবোৰ বিশ্লেষণ কৰা হ'ব।



চিত্ৰ নং 7.7 ঃ বান্ধ নিৰ্মাণ কাৰ্যৰ দ্বাৰা চৰকাৰে প্ৰত্যক্ষভাৱে নিয়োগ সৃষ্টি কৰিছে

## 7.9 চৰকাৰ আৰু নিয়োগ সৃষ্টি (Government and Employment Generation) :

শেহতীয়াকৈ চৰকাৰে সংসদত এখন আইন প্ৰণয়ন কৰিছে। সেইখন হৈছে ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ প্ৰতিভূতি আইন, 2005 (National Rural Employment Guarantee Act, 2005)। গাঁও অঞ্চলৰ প্ৰতিটো পৰিয়ালৰ কুশলতাৰ প্ৰয়োজন নথকা কায়িক শ্ৰম কৰিবলৈ ইচ্ছুক প্ৰতিগৰাকী প্ৰাপ্তবয়স্কক বছৰটোৰ 100 দিনৰ মজুৰিসহ কৰ্মসংস্থান দিয়াৰ প্ৰতিশ্ৰুতি এই আইনযোগে দিয়া হৈছে। যিসকল লোক দাৰিদ্ৰ্য সীমাৰেখাৰ তলত আছে, সেইসকলক এই আইনৰ দ্বাৰা সামৰি লোৱা হৈছে। গাঁও অঞ্চলৰ কৰ্ম সংস্থানৰ প্ৰয়োজন থকাসকলৰ বাবে চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন ব্যৱস্থাৰ ভিতৰত এই আঁচনিখন অন্যতম।


স্বাধীনতা লাভৰ পিছৰে পৰাই কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়েই কৰ্মসংস্থান সৃষ্টি আৰু কৰ্মসংস্থান দিব পৰা সুবিধা সৃষ্টি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। এনে প্ৰচেষ্টাসমূহক মূলতঃ প্ৰত্যক্ষ আৰু পৰোক্ষ এই দুই ভাগত ভগাব পাৰি। পূৰ্বৰ আলোচনাত উল্লেখ কৰাৰ দৰে চৰকাৰে প্ৰশাসনীয় উদ্দেশ্যৰে বিভিন্ন বিভাগত প্ৰত্যক্ষভাৱে দিয়া কৰ্মসংস্থান প্ৰথম ভাগৰ অন্তৰ্ভুক্ত। চৰকাৰে উদ্যোগ, হোটেল, পৰিবহণ কোম্পানী আদিও চলায় আৰু সেইবোৰত প্ৰত্যক্ষভাৱে শ্ৰমিক নিযুক্তি দিয়ে। যেতিয়া চৰকাৰী উদ্যোগসমূহত বস্তু আৰু সেৱাৰ উৎপাদন বৃদ্ধি হয়, তেতিয়া বেচৰকাৰী খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানসমূহে চৰকাৰী প্ৰতিষ্ঠানৰ পৰা কেঁচামাল পায়, ফলত এনেবোৰ উদ্যোগতো উৎপাদন বাঢ়ে আৰু অৰ্থব্যৱস্থাত কৰ্ম সংস্থানৰ সুবিধা সম্প্ৰসাৰিত হয়। উদাহৰণস্বৰূপে, চৰকাৰী খণ্ডৰ তীখা কোম্পানী এটাৰ যেতিয়া উৎপাদন বাঢ়িব, তেতিয়া তাত নিয়োগ প্ৰত্যক্ষভাৱে বৃদ্ধি পাব। লগে-লগে, যিবোৰ বেচৰকাৰী কোম্পানীয়ে চৰকাৰী

কোম্পানীটোৰ পৰা তীখা ক্রয় কৰে সেইটোৱো উৎপাদন বাঢ়িব আৰু ইয়ে নিয়োগ বৃদ্ধি কৰিব। এয়াই হৈছে অৰ্থনীতিত পৰোক্ষভাৱে কৰা কৰ্মসংস্থানৰ সুযোগ সৃষ্টি।

চতুৰ্থ অধ্যায়ত নিশ্চয় মন কৰিছাহঁক যে চৰকাৰে যিবোৰ আঁচনিত দৰিদ্ৰতা দূৰীকৰণৰ উদ্দেশ্য আগত ৰাখিছে, সেইবোৰৰ অধিকাংশতেই এই উদ্দেশ্য পূৰণ কৰাৰ বাবে কৰ্মসংস্থান সৃষ্টিক মাধ্যম হিচাপে লোৱা হৈছে। আঁচনিসমূহক নিয়োগ সৃষ্টি আঁচনি বুলিও কোৱা হয়। এই আটাইবোৰ আঁচনিৰ উদ্দেশ্য কেৱলমাত্র কৰ্মসংস্থান সৃষ্টিয়েই নহয়, বিভিন্ন সেৱা যেনে, প্ৰাথমিক স্বাস্থ্য, প্ৰাথমিক শিক্ষা, গ্ৰামাঞ্চলৰ আবাসগৃহ, খোৱাপানী, পৰিপুষ্টি, আয় তথা সংস্থান আহৰণ কৰিব পৰা পৰিসম্পদ ক্রয় কৰাৰ বাবে সাহায্য, মজুৰি ভিত্তিক নিয়োগ সৃষ্টিৰ জৰিয়তে সামূহিক পৰিসম্পদৰ উন্নয়ন, গৃহ আৰু অনাময় ব্যৱস্থা, গ্ৰাম্যপথ নিৰ্মাণ, পতিত/অৱক্ষয়প্ৰাপ্ত ভূমিৰ উন্নয়ন, ইত্যাদিও ইহঁতৰ উদ্দেশ্য।

## 7.10 সামৰণি (Conclusion) :

ভাৰতবৰ্ষৰ শ্ৰমবাহিনীৰ গাঁথনিত এক পৰিৱৰ্তন দেখিবলৈ পোৱা গৈছে। প্ৰধানকৈ সেৱাখণ্ডত নতুন নতুন কৰ্মসংস্থানৰ সৃষ্টি হৈছে। সেৱাখণ্ডৰ সম্প্ৰসাৰণ আৰু উচ্চ প্ৰযুক্তিৰ আগমনে বহুজাতিক কোম্পানীবোৰৰ (Multinationals) লগে লগে দক্ষ ক্ষুদ্ৰ উদ্যোগ, ব্যক্তিগত প্ৰতিষ্ঠান তথা বিশেষীকৃত শ্ৰমিকসকলৰ বাবে তীব্ৰ প্ৰতিযোগিতামূলক অস্তিত্বৰ সুযোগ দিছে। কৰ্মৰ বহিঃউৎসগ্ৰহণ (outsourcing) এক সাধাৰণ প্ৰথাত পৰিণত হৈছে। অৰ্থাৎ, বৃহৎ প্ৰতিষ্ঠানসমূহে নিজৰ কেতবোৰ বিশেষতাপূৰ্ণ বিভাগ (যেনে, ন্যায়িক বিভাগ, কম্পিউটাৰ প্ৰগ্ৰেমিং বিভাগ বা গ্ৰাহক সেৱা বিভাগ) বন্ধ কৰি দিয়াটোকেই অধিক লাভজনক বুলি বিবেচনা কৰিছে আৰু বৃহৎসংখ্যক সৰু সৰু কাম ক্ষুদ্ৰ প্ৰতিষ্ঠানক অথবা বিশেষজ্ঞ ব্যক্তি একোজনলৈ হস্তান্তৰিত কৰিছে। কেতিয়াবা আনকি এনে ক্ষুদ্ৰ প্ৰতিষ্ঠান বা ব্যক্তিসকল অন্য দেশৰো হ'ব পাৰে। ফলত, আধুনিক কাৰ্যালয় বা কাৰখানা সম্পৰ্কীয় পৰম্পৰাগত ধাৰণাটিৰ এনে পৰিৱৰ্তন দেখা গৈছে যে বহুতৰ বাবে ঘৰখনেই কৰ্মক্ষেত্ৰ হৈ পৰিছে। পিছে, এই পৰিৱৰ্তনসমূহৰ আটাইবোৰ ব্যক্তিগতভাৱে শ্ৰমিকসকলৰ অনুকূলে নহয়। নিয়োগৰ প্ৰকৃতি ক্ৰমশঃ অনানুষ্ঠানিক হৈ গৈছে আৰু শ্ৰমিকৰ সামাজিক নিৰাপত্তাও সীমিত হৈ পৰিছে। তদুপৰি, বিগত দুটা দশকত আমাৰ মুঠ ঘৰুৱা উৎপাদন দ্ৰুতভাৱে বৃদ্ধি হৈছে যদিও ইয়াৰ লগে লগে নিয়োগৰ সুবিধা বৃদ্ধি হোৱা নাই। সেইবাবেই, বিশেষকৈ গ্ৰামাঞ্চলত কৰ্মসংস্থানৰ সুবিধা সৃষ্টিৰ বাবে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ বাধ্য হৈছে।



## পুনৰুক্তি (Recap)

- বিভিন্ন আৰ্থিক কাম-কাজত নিয়োজিত হৈ মুঠ জাতীয় উৎপাদনলৈ অৰিহণা আগবঢ়োৱা লোকসকলেই শ্ৰমিক।
- দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় দুই পঞ্চমাংশ লোক বিভিন্ন আৰ্থিক কাম-কাজত নিয়োজিত হৈ আছে।
- ভাৰতত পুৰুষসকল, বিশেষকৈ গ্ৰামীণ পুৰুষসকলেই শ্ৰমিক বাহিনীৰ প্ৰধান অংশ।
- ভাৰতৰ কৰ্মৰত শ্ৰমিকসকলৰ অধিকাংশই স্ব-নিয়োজিত। ভাৰতৰ নৈমিত্তিক মজুৰি শ্ৰমিক আৰু নিয়মিত বেতনভোগী শ্ৰমিকৰ সংখ্যা একেলগ কৰিলে মুঠ শ্ৰমিকৰ আধাতকৈও কম হ'ব।
- ভাৰতৰ শ্ৰমিকসকলৰ তিনি পঞ্চমাংশই জীৱন নিৰ্বাহৰ প্ৰধান অৱলম্বন হিচাপে কৃষি আৰু আনুষঙ্গিক খণ্ডৰ ওপৰত নিৰ্ভৰশীল।
- শেহতীয়াভাৱে কৰ্মসংস্থান বৃদ্ধি হ্ৰাস পাইছে।
- সংস্কাৰোত্তৰ কালত ভাৰতত সেৱাখণ্ডত নিয়োগৰ সুযোগ দেখা গৈছে। এই নতুন কামসমূহৰ বেছিভাগেই অনানুষ্ঠানিক খণ্ডত। তদুপৰি, এই কামবোৰো নৈমিত্তিক প্ৰকৃতিৰ।
- আনুষ্ঠানিক খণ্ডত আটাইতকৈ বেছি নিয়োগ সৃষ্টি কৰোঁতা হৈছে চৰকাৰ।
- গ্ৰাম্য ভাৰতৰ নিবনুৱা প্ৰায়েই ছদ্মবেশী নিবনুৱা।
- ভাৰতৰ শ্ৰমিক বাহিনীৰ গাঁথনিমূলক পৰিৱৰ্তন ঘটিছে।
- চৰকাৰে বিভিন্ন নীতি আৰু আঁচনিৰ জৰিয়তে প্ৰত্যক্ষ তথা পৰোক্ষভাৱে নিয়োগৰ সুবিধা সৃষ্টিৰ ব্যৱস্থা লৈছে।



## অনুশীলনী (Exercise)

1. শ্ৰমিক কাক বোলে?
2. শ্ৰমিক-জনসংখ্যা অনুপাতৰ সংজ্ঞা দিয়া।

3. ভিক্ষাৰী, চোৰ, চোৰাং কাৰবাৰী, জুৱাৰী— এইসকল শ্ৰমিক হয়নে? কাৰণ দেখুওৱা।

4. তলত উল্লেখ কৰাসকলৰ কোনজন সংগতিবিহীন?

(i) এজন চেলুন স্বত্বাধিকাৰী (ii) এজন মুচী (iii) 'মাদাৰ ডায়েৰী'ৰ হিচাপ ৰক্ষক (iv) টিউচন কৰা শিক্ষক (v) পৰিবহণৰ চালক (vi) নিৰ্মাণ কাৰ্যৰ শ্ৰমিক

5. নতুনকৈ সৃষ্টি হোৱা কামবোৰ প্ৰধানতঃ— খণ্ডত দেখা যায় (সেৱা/প্ৰস্তুতকৰণ উদ্যোগ)।

6. 4 জন ভাৰাতীয়া শ্ৰমিক থকা প্ৰতিষ্ঠানক— (আনুষ্ঠানিক/অনানুষ্ঠানিক) খণ্ডৰ প্ৰতিষ্ঠান বোলে।

7. ৰাজ স্কুললৈ যায়। যেতিয়া তেওঁ স্কুললৈ নাযায়, তেতিয়া পথাৰত কাম কৰে। তেওঁক শ্ৰমিক বুলিব পাৰিনে? যুক্তি দিয়া।

8. নগৰৰ মহিলাৰ তুলনাত গাঁৱৰ অধিক মহিলাই শ্ৰম কৰে। কিয়?

9. মীনা এগৰাকী গৃহিণী। দৈনন্দিন ঘৰুৱা অথচ প্ৰয়োজনীয় ঘৰুৱা কামবোৰ কৰাৰ উপৰিও তেওঁ স্বামীয়ে চলোৱা নিজস্ব কাপোৰৰ দোকানত কাম কৰে। তেওঁক শ্ৰমিক বুলিব পাৰিনে? যুক্তি দৰ্শোৱা।

10. সংগতিবিহীন লোকজন বিচাৰি উলিওৱা— (i) আনৰ মালিকানাধীন ৰিক্সা চলোৱা ৰিক্সাচালক (ii) ৰাজমিস্ত্ৰী (iii) কাৰিকৰৰ দোকানৰ শ্ৰমিক (iv) জোতা পলিচ কৰা ল'ৰা

11. তলৰ তালিকাখনত 1972-73 চনত ভাৰতৰ শ্ৰম বাহিনীৰ বিভাজন দেখুওৱা হৈছে। তালিকাখন বিশ্লেষণ কৰা আৰু শ্ৰম বাহিনীৰ বিভাজনৰ প্ৰকৃতিৰ কাৰণ লিখা। মন কৰিবা যে এই তথ্যসমূহ 30 বছৰৰ পূৰ্বৰ ভাৰতৰ।

$\frac{71.88}{100} \times 41.9 = 30.12$

| থকা ঠাই | শ্ৰমবাহিনী (নিযুত হিচাপত) | | |
|---|---|---|---|
| | পুৰুষ | মহিলা | মুঠ |
| গাঁও | 125 | 69 | 195 |
| নগৰ | 32 | 7 | 39 |

12. তলৰ তালিকাত 1999-2000 চনৰ ভাৰতবৰ্ষৰ জনসংখ্যা-শ্ৰমিকৰ অনুপাত দেখুওৱা হৈছে। এতিয়া ভাৰতৰ শ্ৰমিক বাহিনীৰ সংখ্যা (নগৰৰ আৰু সৰ্বমুঠ) গণনা কৰি উলিয়াব পাৰিবানে?

| অঞ্চল | জনসংখ্যা | শ্ৰমিক-জনসংখ্যা অনুপাত | নিৰূপিত শ্ৰমিকৰ সংখ্যা (কোটি) |
|---|---|---|---|
| গাঁও | 71.88 | 41.9 | |
| নগৰ | 28.52 | 33.7 | ? |
| সৰ্বমুঠ | 100.40 | 39.5 | ? |

13. নিয়মিত বেতনভোগী শ্ৰমিকৰ সংখ্যা গাঁৱতকৈ নগৰত কিয় বেছি?

14. নিয়মিত বেতনভোগী শ্ৰমিকৰ মাজত মহিলাৰ সংখ্যা কিয় কম?

15. ভাৰতত শ্ৰমবাহিনীৰ খণ্ড ভিত্তিক বিভাজনৰ শেহতীয়া গতিধাৰা বিশ্লেষণ কৰা।

16. 1970 দশকৰ লগত তুলনা কৰিলে দেখা যাব যে বিভিন্ন উদ্যোগত শ্ৰম বাহিনীৰ বিভাজনৰ বিশেষ পৰিৱৰ্তন হোৱা নাই। মন্তব্য দিয়া।

17. বিগত 50 বছৰত ভাৰতত মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ অনুপাতত নিয়োগ সৃষ্টিও বৃদ্ধি পাইছেনে? আলোচনা কৰা।

18. আনুষ্ঠানিক খণ্ডত অনানুষ্ঠানিক খণ্ডতকৈ কিয় অধিক নিয়োগ সৃষ্টিৰ প্ৰয়োজন?

19. ভিক্টৰে দিনত মাথোন 2 ঘণ্টাহে কাম পাবলৈ সক্ষম হৈছে। বাকী সময়ত তেওঁ কামৰ অনুসন্ধানত থকাহে দেখা যায়। তেওঁক নিবনুৱা বুলিব পাৰিনে? কিয়? ভিক্টৰৰ দৰে মানুহে কি ধৰণৰ কাম কৰে?

20. তুমি এখন গাঁৱত বাস কৰা। তোমাক যদি গাঁওখনৰ উন্নয়নৰ বাবে গাঁও পঞ্চায়তক পৰামৰ্শ দিবলৈ কোৱা হয়, তেন্তে তুমি গাঁওখনৰ উন্নতিৰ বাবে, কৰ্মসংস্থানৰো সৃষ্টি কৰিব পৰা কেনে ধৰণৰ কামৰ পৰামৰ্শ দিবা?

21. নৈমিত্তিক মজুৰি শ্ৰমিক কাক বোলা হয়?

22. এজন শ্ৰমিকে কাম কৰা খণ্ডটো যে অনানুষ্ঠানিক সেইটো কিদৰে জানিবা?

## ওপৰঞ্চি কাৰ্যৰ পৰামৰ্শ (Suggested Additional Activities)

1. এটা অঞ্চল বাছি লোৱা; ধৰি লোৱা, এটা পথ বা এটা চুবুৰী আৰু অঞ্চলটোক 3/4 টা উপ-ভাগত ভাগ কৰি লোৱা হৈছে। এতিয়া সেই অঞ্চলৰ মানুহবোৰ কি কি কামত নিয়োজিত তাৰ এক সমীক্ষা চলোৱা। সমগ্ৰ অঞ্চলটোৰ শ্ৰমিক জনসংখ্যাৰ অনুপাত উলিওৱা। এতিয়া অঞ্চলটোৰ বিভিন্ন উপ-ভাগৰ শ্ৰমিক-জনসংখ্যাৰ অনুপাত বেলেগ বেলেগ হোৱা কথাটো বিশ্লেষণ কৰা।

2. ছাত্ৰ-ছাত্ৰীৰ তিনি/চাৰিটা দলক ৰাজ্য এখনৰ বেলেগ বেলেগ অঞ্চল দিয়া হওক। এটা অঞ্চলত যদি প্ৰধানতঃ ধান খেতি কৰা হয়, তেন্তে, আনটোত প্ৰধানতঃ নাৰিকলৰ বাগান কৰা হয়। আকৌ ধৰা হওক, তৃতীয়টো অঞ্চল উপকূলীয় আৰু সেইবাবে তাৰ প্ৰধান কাম হৈছে মাছ ধৰা। চতুৰ্থটো অঞ্চলত নদী আছে আৰু তাৰ পাৰত প্ৰচুৰ পৰিমাণে পশুপালন কৰা হয়। অঞ্চল কেইটাত কেনেধৰণৰ কৰ্মসংস্থান সৃষ্টি কৰিব পৰা যায়, ছাত্ৰ-ছাত্ৰীসকলৰ দল কেইটাক তাৰ ওপৰত প্ৰতিবেদন প্ৰস্তুত কৰিব দিয়া হওক।

3. স্থানীয় পুথিভঁৰালৈ গৈ ভাৰত চৰকাৰৰ দ্বাৰা প্ৰকাশিত ‘Employment News’ নামৰ সাপ্তাহিক বাতৰি কাকতখন চোৱা। যোৱা দুমাহৰ প্ৰত্যেকটো সংখ্যা পঢ়া। দুমাহত সাতটা সংখ্যা পাবা। 25 টা বিজ্ঞাপন বাছি লোৱা আৰু তলত দেখুওৱাৰ দৰে এখন তালিকা প্ৰস্তুত কৰি খালী ঠাইবোৰ পূৰণ কৰা (তালিকাখন প্ৰয়োজন সাপেক্ষে সম্প্ৰসাৰিত কৰি লোৱা)। শ্ৰেণীকোঠাত কামসমূহৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।

| বিষয় | বিজ্ঞাপন-1 | বিজ্ঞাপন-2 |
|---|---|---|
| 1) কাৰ্যালয়ৰ নাম | | |
| 2) বিভাগ/কোম্পানী | | |
| 3) ব্যক্তিগত/চৰকাৰী/যৌথখণ্ড | | |
| 4) পদবীৰ নাম | | |
| 5) খণ্ড-প্ৰাথমিক/গৌণ/সেৱা | | |
| 6) খালীপদৰ সংখ্যা | | |
| 7) প্ৰয়োজনীয় অৰ্হতা | | |

4. তোমালোকে নিশ্চয় মন কৰিছা যে তোমালোক থকা ঠাইত চৰকাৰে বিভিন্ন প্ৰকাৰৰ কাম কৰিছে; উদাহৰণ স্বৰূপে, পথ নিৰ্মাণ, পুখুৰী চাফাই, স্কুলঘৰ, চিকিৎসালয় আৰু অন্যান্য চৰকাৰী কাৰ্যালয় নিৰ্মাণ, জলৰোধক বান্ধ নিৰ্মাণ, দুখীয়াৰ বাবে আবাস গৃহ নিৰ্মাণ ইত্যাদি। এনেধৰণৰ যিকোনো এটা কামৰ সমালোচনাত্মক প্ৰতিবেদন প্ৰস্তুত কৰা। প্ৰতিবেদনত সামৰি লোৱা বিষয়বোৰ এনেধৰণৰ হ’ব পাৰে— (i) কি ধৰণে কামটো চিনাক্ত কৰা হৈছিল (ii) মঞ্জুৰ কৰা ধনৰ পৰিমাণ (iii) স্থানীয় লোকৰ অৰিহণা, যদিহে আছে (iv) শ্ৰমিকৰ সংখ্যা— পুৰুষ আৰু মহিলা (v) মজুৰি (vi) অঞ্চলটোত কামটো প্ৰকৃততে প্ৰয়োজনীয় আছিলনে আৰু যি আঁচনিৰ অধীনত কামটো কৰা হৈছে তাৰ ৰূপায়ণৰ সম্পৰ্কে অন্যান্য সমালোচনাত্মক মন্তব্য।

6. সম্প্ৰতি তোমালোকে নিশ্চয় মন কৰিছা যে পাহাৰীয়া আৰু শুকান অঞ্চলসমূহত বিভিন্ন স্বেচ্ছাসেৱী সংগঠনেও কৰ্মসংস্থান সৃষ্টি কৰাত আগভাগ লৈছে। যদিহে তোমালোক থকা ঠাইত এনে প্ৰচেষ্টা দেখিছা, তেন্তে কামবোৰ চোৱা আৰু তাৰ এখন প্ৰতিবেদন প্ৰস্তুত কৰা।



## প্ৰসঙ্গ (References)


CHADHA, G.K. and P.P. SAHU, 2002. ‘Post-reform Setbacks in Rural Employment : Issues that need further scrutiny’. Economic and Political Weekly, May 25, pp. 1998-2026.

DESAI, S and M.B. Das, 2004. 'Is Employment Driving India's Growth Surge', Economic and Political Weekly, July 3, pp 3045-3051.

GHOSE, AJIT K. 1999, 'Current Issues of Employment Policy in India'. Economic and Political Weekly, September, 4 pp. 2592-2608.

HIRWAY, INDIRA, 2002. 'Employment and Unemployment Situation in 1990s : How Good are NSS Data; Economic and Political Weekly, May, 25, pp. 2027-2036.

JACOB, PAUL, 1986, 'Concept of work' and estimates of 'workforce'– An appraisal of the treatment of activities relating to non-marketed output', Sarvekshana, Vol. IX, No. 4 April.

KULSHRESHTHA, A.C., GULAB SINGH, ALOK KAR and R.L. MISHRA, 2000, 'Workforce in the Indian National Accounts Statistics', The Journal of Income and Wealth, Vol. 22, No. 2, July, pp. 3-39.

PRADHAN B.K. and M.R. SALUJA, 1996, 'Labour Statistics in India : A Review' Margin, July, September, Vol. 28, Number 4, pp. 319-347.

RATH, NILAKANTA, 2001, 'Data on Employment, Unemployment and Education : Where to go from here?' Economic and Political weekly, June, 9, pp. 2081-2087.

SUNDARAM, K. 2001, 'Employment-Unemployment Situation in the Nineties : Some Results from NSS 55th Round Survey'. Economic and Political Weekly, March 17, pp. 931-940.

SUNDARAM, K. 2001, 'Employment and Poverty in 1990's : Further Results from NSS 55th Round Employment-Unemployment Survey, 1999-2000'. Economic and Political Weekly, August II, pp. 3039-3049.

VISARIA, PRAVIN, 1996, 'Structure of the Indian Workforce, 1961-1994' The Indian Journal of Labour Economics, Vol. 39, o. 4, pp. 725-740.

### চৰকাৰী প্ৰতিবেদন (Government Reports)

Annual Reports, 32mary Census Abstract, Registar General of Census Operations, Ministry of Home Affairs, Government of India, Delhi.

Economic Survey, Ministry of Finance, Government of India.

Reports of Employment and Unemployment Situation in India, Ministry of Statistics and Planning, Government of India.

### ৱেবচাইট (Websites)

www.censusofindia.nic.in

www.mspi.nic.in

8

# অষ্টম অধ্যায়

# আন্তঃগাঁথনি
## (INFRASTRUCTURE)

**এই অধ্যায়টিৰ অধ্যয়নৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে—**

- ভাৰতবৰ্ষৰ সামাজিক আৰু অৰ্থনৈতিক আন্তঃগাঁথনিয়ে সন্মুখীন হোৱা মুখ্য প্ৰত্যাহ্বানসমূহ বুজি পাব।
- অৰ্থনৈতিক উন্নয়নত আন্তঃগাঁথনিৰ ভূমিকা সম্পৰ্কে জানিব পাৰিব।
- আন্তঃগাঁথনিৰ এক গুৰুত্বপূৰ্ণ উপাদান হিচাপে শক্তিৰ ভূমিকা বুজি পাব।
- শক্তি আৰু স্বাস্থ্যখণ্ডৰ সমস্যা আৰু সম্ভাৱনা বুজি পাব।
- স্বাস্থ্য আন্তঃগাঁথনি সম্বন্ধে জানিব পাৰিব।

“আমাৰ প্ৰয়োজনীয় বহু বিষয়ে প্ৰতীক্ষা কৰিব পাৰে; শিশুটিয়ে নোৱাৰে। তাক আমি ‘কাইলৈ’ বুলি ক’ব নোৱাৰো। তাৰ নাম আজি।”

গেব্ৰিয়েল্লা মিষ্ট্ৰেল —চিলিৰ কবি

আন্তঃগাঁথনিও তেনেকুৱাই।

*“Many things we need can wait, the child cannot. To him, we cannot say, ‘tomorrow’. His name is today.”*

Gabrriella Mistral–Chilean Poet

*So is the Infrastructure.*

## 8.1 সূচনা (Introduction) :

ভাৰতবৰ্ষৰ কিছুমান ৰাজ্যই কিছুমান নিৰ্দিষ্ট ক্ষেত্ৰত আন ৰাজ্যসমূহতকৈ কিয় ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে সেইটো তোমালোকে কেতিয়াবা ভাবি চাইছানে? পঞ্জাৱ, হাৰিয়ানা, আৰু হিমাচল প্ৰদেশে কৃষি আৰু উদ্যান শস্য (Horticulture)ৰ ক্ষেত্ৰত কিয় যথেষ্ট অগ্ৰগতি লাভ কৰিছে? মহাৰাষ্ট্ৰ আৰু গুজৰাট অন্য ৰাজ্যতকৈ ঔদ্যোগিকভাৱে বেছি আগবঢ়া কিয়? God’s own Country বুলি সাধাৰণতে খ্যাত, ‘ভগৱানৰ স্বদেশ’ কেৰালাই কেনেকৈনো বাৰু সাক্ষৰতা, স্বাস্থ্য যতন, অনাময় ব্যৱস্থা (Sanitation) তথা ইমান বৃহৎসংখ্যক পৰ্যটকক আকৰ্ষণ কৰাৰ ক্ষেত্ৰত উত্তম ফলাফল দেখুৱাবলৈ সক্ষম হৈছে? কৰ্ণাটকৰ তথ্য প্ৰযুক্তি উদ্যোগে কেনেকৈ সমগ্ৰ পৃথিৱীৰেই দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে?



চিত্ৰ নং 8.1 ঃ পথসমূহ অৰ্থনৈতিক বৃদ্ধিৰ আৱশ্যকীয় অঙ্গ


এই সকলোবোৰৰ কাৰণ হৈছে এয়ে যে যিবোৰ ক্ষেত্ৰত এই ৰাজ্যসমূহে উন্নতমানৰ ফল প্ৰদৰ্শন কৰিছে সেইবোৰ ক্ষেত্ৰত অন্য ৰাজ্যৰ তুলনাত সংশ্লিষ্ট ৰাজ্যকেই খনৰ আন্তঃগাঁথনি উন্নত। কিছুমান ৰাজ্যত জলসিঞ্চনৰ ব্যৱস্থা আছে। আনহাতেদি কিছুমান ৰাজ্য বন্দৰৰ সু-পৰিবহন

ব্যৱস্থাৰ অধিকাৰী বা বন্দৰৰ সমীপৱৰ্তী হোৱা হেতুকে বিভিন্ন নিৰ্মাণ উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচামাল ইবিলাকত সহজলভ্য হয়। কৰ্ণাটক ৰাজ্যৰ বাংগালোৰৰ দৰে মহানগৰীসমূহে বিশ্বমানৰ যোগাযোগ ব্যৱস্থাৰ সৰবৰাহ কৰিব পাৰিছে বাবেই বহুজাতিক কোম্পানীসমূহক আকৰ্ষণ কৰাত সফল হৈছে। যিবোৰ প্ৰয়োজনীয় সংগ্ৰথনক (Structure) অৱলম্বন কৰি এখন দেশৰ অৰ্থনৈতিক উন্নয়ন সহজসাধ্য হয় সেইবোৰেই হ'ল ইয়াৰ আন্তঃগাঁথনি। এতিয়া প্ৰশ্ন হ'ল আন্তঃগাঁথনিয়ে দেশ এখনৰ অৰ্থনৈতিক উন্নয়ন কেনেকৈ সহজসাধ্য কৰি তোলে?

## 8.2 আন্তঃগাঁথনি কি? (What is Infrastructure) :

আন্তঃগাঁথনিয়ে ঔদ্যোগিক আৰু কৃষিজ উৎপাদন তথা ঘৰুৱা আৰু বৈদেশিক বেপাৰ-বাণিজ্যৰ মূল ক্ষেত্ৰসমূহলৈ সহায়কাৰী সেৱা আগবঢ়ায়। এই সেৱাসমূহ হ'ল— ৰাস্তা-ঘাট, ৰে'লপথ, বন্দৰ, বিমান বন্দৰ, বান্ধ, শক্তিকেন্দ্ৰ, তেল আৰু গেছৰ পৰিবাহী নল, দূৰসংযোগ সুবিধাসমূহ, স্কুল-কলেজকে ধৰি দেশৰ শিক্ষা ব্যৱস্থা, চিকিৎসালয় সমন্বিতে স্বাস্থ্য ব্যৱস্থা, বিশুদ্ধ খোৱা পানী যোগানৰ সুবিধাকে আদি কৰি অনাময় ব্যৱস্থা আৰু বেংক, বীমা আৰু অন্যান্য বিত্তীয় অনুষ্ঠানসমূহেৰে গঠিত দেশৰ মুদ্ৰা ব্যৱস্থা।

উল্লিখিত সেৱাবোৰৰ কিছুমানে উৎপাদন কাৰ্যপ্ৰণালীক প্ৰত্যক্ষভাৱে প্ৰভাৱান্বিত কৰে। আনহাতে, আনবোৰে দেশৰ সামাজিক খণ্ড নিৰ্মাণৰ জৰিয়তে পৰোক্ষভাৱে সহায় কৰে। কিছুমানৰ মতে আন্তঃগাঁথনিক দুটা ভাগত বিভক্ত কৰিব পাৰি— অৰ্থনৈতিক আৰু সামাজিক। শক্তি, পৰিবহণ আৰু যোগাযোগৰ লগত জড়িত আন্তঃগাঁথনি প্ৰথমবিধৰ অন্তৰ্ভুক্ত। আনহাতে শিক্ষা, স্বাস্থ্য আৰু বাসস্থানৰ লগত জড়িত আন্তঃগাঁথনিবোৰ হৈছে দ্বিতীয় বিধৰ।



চিত্ৰ নং 8.2 ঃ বিদ্যালয়সমূহ ঃ এটা জাতিৰ গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি

**কৰি চোৱা**
**(Work These Out)**

- তুমি বাস কৰা এলেকা বা চুবুৰীয়া এলেকাসমূহত হয়তো বিভিন্ন ধৰণৰ আন্তঃগাঁথনি ব্যৱহাৰ কৰিছা। সেইসমূহ ব্যৱহৃত আন্তঃগাঁথনিৰ এখন সূচী প্ৰস্তুত কৰা।
- তুমি বাস কৰা এলেকাত আৰু অধিক আন্তঃগাঁথনিৰ প্ৰয়োজন থাকিব পাৰে। সেইসমূহৰ এখন পৃথক সূচী প্ৰস্তুত কৰা।


## 8.3 আন্তঃগাঁথনিৰ প্ৰাসংগিকতা (Relevance of Infrastructure) :

আধুনিক পথ পৰিবহন, ৰে'ল পৰিবহন আৰু নাও-জাহাজৰ সুবিধা ব্যৱহাৰ কৰি বীজ, কীটনাশক দ্ৰব্য আৰু উৎপাদিত সামগ্ৰীক বৃহৎ মাত্ৰাত খৰতকীয়াভাৱে অনা-নিয়াৰ বাবে আধুনিক কৃষিও আন্তঃগাঁথনিৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল। আধুনিক কৃষিকাৰ্য যথেষ্ট বৃহৎ মাত্ৰাত কৰিবলগীয়া হয় হেতুকে ই-বীমা আৰু বেংকিং সুবিধাৰ ওপৰত নিৰ্ভৰ কৰিবলগা হয়।

আন্তঃগাঁথনিয়ে উৎপাদনৰ উপাদানসমূহৰ উৎপাদনশীলতা বৃদ্ধি কৰি আৰু মানৱ জীৱনৰ গুণগত মানৰ উন্নতি ঘটাই দেশ এখনৰ অৰ্থনৈতিক উন্নয়নত অৰিহণা যোগায়। অপৰ্যাপ্ত আন্তঃগাঁথনিয়ে মানৱ স্বাস্থ্যৰ ওপৰতো অনেক প্ৰতিকূল প্ৰভাৱ পেলাব পাৰে। পানী যোগান আৰু অনাময় ব্যৱস্থাৰ উন্নতিয়ে দূষিত পানীৰ যোগেদি হ'ব পৰা প্ৰধান ৰোগসমূহৰ দ্বাৰা আক্ৰান্ত হোৱাৰ প্ৰৱণতা হ্ৰাস কৰাত আৰু আক্ৰান্ত হ'লেও ইয়াৰ তীব্ৰতা হ্ৰাস কৰাত যথেষ্ট প্ৰভাৱ পেলায়। পানী, অনাময় আৰু স্বাস্থ্যৰ মাজত থকা এই স্পষ্ট সম্বন্দৰ উপৰিও পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ গুণগত মানে স্বাস্থ্যসেৱাক সহজলভ্য কৰাত সহায় কৰে। অৱশ্যে, পৰিবহণ ব্যৱস্থাৰ লগত জড়িত বায়ু প্ৰদূষণ আৰু সুৰক্ষণৰ প্ৰতিবন্ধকবোৰে (Safety Hazards) ৰোগত আক্ৰান্ত হোৱাৰ প্ৰৱণতা, বিশেষকৈ ঘন বসতিপূৰ্ণ এলেকাত) বৃদ্ধিও কৰে।

## 8.4 ভাৰতবৰ্ষৰ আন্তঃগাঁথনিৰ অৱস্থা (The State of Infrastructure in India) :

পৰম্পৰাগতভাৱে, দেশৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে একমাত্ৰ চৰকাৰেই দায়িত্ব লৈ আহিছে। কিন্তু দেখা গৈছে যে এইক্ষেত্ৰত বিনিয়োগৰ পৰিমাণ যথোপযুক্ত নহয়। অৱশ্যে, সম্প্ৰতি ব্যক্তিগত খণ্ডই নিজাববীয়াকৈ আৰু



চিত্ৰ নং 8.3 ঃ বান্ধ ঃ উন্নয়নৰ মন্দিৰ

চৰকাৰী খণ্ডৰ লগত যুটীয়া অংশীদাৰী হিচাপে (Joint Partnership) আন্তঃগাঁথনিৰ উন্নতিৰ হকে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে।

ভাৰতৰ অধিকাংশ লোকেই এতিয়াও গ্ৰামাঞ্চলত বাস কৰে। বিশ্বত প্ৰযুক্তিগত উন্নয়ন যথেষ্ট হোৱা সত্বেও গ্ৰামাঞ্চলৰ মহিলাই শক্তিৰ প্ৰয়োজনীয়তা পূৰাবৰ বাবে এতিয়াও শস্যৰ অৱশিষ্ট, গোবৰ আৰু কাঠ খৰি আদি জৈৱ-ইন্ধন ব্যৱহাৰ কৰি আছে। তেওঁলোকে খৰি, পানী আৰু অন্যান্য মৌলিক প্ৰয়োজনীয়সমূহ সংগ্ৰহ কৰিবলৈ বহুদূৰ বাটকুৰি বাব লাগে। 2001 চনৰ লোকপিয়ল অনুসৰি গ্ৰামীণ ভাৰতবৰ্ষৰ মাত্ৰ 56 শতাংশ পৰিয়ালতহে বিদ্যুৎ সংযোগ আছে আৰু 43 শতাংশ পৰিয়ালে এতিয়াও কেৰাচিন তেল ব্যৱহাৰ কৰে। গ্ৰামাঞ্চলৰ প্ৰায় 70 শতাংশ পৰিয়ালেই ৰন্ধনৰ বাবে জৈৱ ইন্ধন ব্যৱহাৰ কৰে। নলৰ পানীৰ সুবিধা মাত্ৰ 24 শতাংশ গ্ৰাম্য পৰিয়ালৰ মাজতে সীমাবদ্ধ। মুঠ জনসংখ্যাৰ প্ৰায় 76 শতাংশ লোকেই খোৱাপানী বিভিন্ন মুকলি উৎস, যেনে— কুঁৱা, পুখুৰী, খাল, হ্ৰদ, নদী আদিৰ পৰা সংগ্ৰহ কৰে। ৰাষ্ট্ৰীয় প্ৰতিদৰ্শ সমীক্ষা সংগঠন (NSSO : National Sample Survey Organisation)-এ কৰা আন এটা অধ্যয়নে লক্ষ্য কৰিছিল যে 1996 চনত গ্ৰামাঞ্চলত উন্নতমানৰ অনাময় ব্যৱস্থাৰ সুবিধা আছিল মাত্ৰ 6 শতাংশ।

8.1 নং তালিকালৈ মন কৰা। এই তালিকাই অইন কিছুমান দেশৰ তুলনাত ভাৰতবৰ্ষৰ আন্তঃগাঁথনিৰ অৱস্থা দৰ্শাইছে। আন্তঃগাঁথনি উন্নয়নৰ ভেটি বুলি সহজে বোধগম্য যদিও ভাৰতবৰ্ষত এই সন্দৰ্ভত এতিয়ালৈ জাগৰণৰ সৃষ্টি হোৱা নাই। ভাৰতবৰ্ষই মুঠ ঘৰুৱা উৎপাদনৰ (GDP) মাত্ৰ 5% আন্তঃগাঁথনিত বিনিয়োগ কৰে। এই পৰিমাণ চীন আৰু ইণ্ডোনেচিয়াৰ তুলনাত বহু কম।



চিত্ৰ নং 8.4 ঃ পকীঘৰৰ সৈতে বিশুদ্ধ খোৱা পানী এতিয়াও এক সপোন

**তালিকা ঃ 8.1**

| ভাৰত আৰু অন্যান্য দেশৰ কিছু আন্তঃগাঁথনি, 2003 | | | | | | |
|---|---|---|---|---|---|---|
| দেশ | মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ হিচাপে আন্তঃগাঁথনিত বিনিয়োগ | বিশুদ্ধ খোৱাপানীৰ সুবিধাপ্ৰাপ্ত লোক (%) | উন্নত অনাময় ব্যৱস্থাৰ সুবিধাপ্ৰাপ্ত লোক (%) | প্ৰতি হাজাৰজনত ম'বাইল ফোন ব্যৱহাৰকাৰীৰ সংখ্যা | প্ৰতি হাজাৰজনত ফোনলাইন ব্যৱহাৰকাৰী | শক্তি উৎপাদন (1000 KW) |
| চীন | 20 | 75 | 38 | 66 | 113 | 230 |
| হংকং | 4 | 100 | 100 | 817 | 560 | 1630 |
| ভাৰত | 5 | 84 | 28 | 4 | 33 | 107 |
| কোৰিয়া | 7 | 92 | 63 | 583 | 449 | 1067 |
| পাকিস্তান | 2 | 90 | 62 | 2 | 20 | 109 |
| ছিংগাপুৰ | 5 | 100 | 100 | 684 | 528 | 1887 |
| ইণ্ডোনেচিয়া | 14 | 76 | 66 | 18 | 28 | 97 |

উৎস ঃ World Development Report, 2005, The World Bank, *Washington D.C., 2004*

**কৰি চোৱা**
**(Work These Out)**

- বাতৰি কাকত পঢ়োঁতে তোমালোকে ভাৰত নিৰ্মাণ, বিশেষ উদ্দেশ্যৰ বাহন (Special Purpose Vehicle), বিশেষ অৰ্থনৈতিক মণ্ডল (Special Economic Zone), নিৰ্মাণ কাৰ্যকাৰিতা হস্তান্তৰকৰণ (Build Operate Transfer : BOT), চৰকাৰী বে-চৰকাৰী অংশীদাৰী (Private-Public Partnership) আদি শব্দ পুঞ্জ পাইছাহঁক। এইধৰণৰ শব্দপুঞ্জ সম্বলিত বাতৰিৰ এখন টোকাবহী প্ৰস্তুত কৰা। আন্তঃগাঁথনিৰ লগত ইহঁত কেনেদৰে সম্পৰ্কিত?
- অধ্যায়টোৰ শেষৰ ফালে থকা প্ৰসংগবোৰৰ সহায়ত অন্যান্য আন্তঃগাঁথনিসমূহৰ সবিশেষ সংগ্ৰহ কৰা।

কিছুমান অৰ্থনীতিবিদে অহা কেই দশকমানৰ ভিতৰত ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰতে তৃতীয় বৃহৎ অৰ্থব্যৱস্থা হৈ উঠিব বুলি পূৰ্বানুমান কৰিছে। এইটো হ'বলৈ হ'লে ভাৰতবৰ্ষই আন্তঃগাঁথনিত বিনিয়োগ বৃদ্ধি কৰিব লাগিব। যিকোনো দেশতেই আয় বৃদ্ধিৰ লগে লগে বিভিন্ন আন্তঃগাঁথনিমূলক প্ৰয়োজনীয়তাৰ গঠনত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ঘটে। নিম্ন আয়ৰ দেশসমূহৰ বাবে জলসিঞ্চন, পৰিবহণ আৰু শক্তি আদি মৌলিক আন্তঃগাঁথনিমূলক সেৱাসমূহ অধিক গুৰুত্বপূৰ্ণ। যেতিয়া কোনো দেশৰ অৰ্থনীতিয়ে পৰিপক্কতা লাভ কৰে আৰু দেশৰ মৌলিক ভোগ চাহিদাৰ সৰহখিনি পূৰণ হয়, তেতিয়া অৰ্থনৈতিক ব্যৱস্থাত কৃষিৰ অংশ হ্ৰাস পায় আৰু সেৱা সম্পৰ্কিত আন্তঃগাঁথনিৰ অধিক প্ৰয়োজন হয়। সেইবাবেই উচ্চ আয়ৰ দেশবোৰত শক্তি আৰু টেলিসংযোগৰ আন্তঃগাঁথনিসমূহৰ অংশ অধিক। এনেদৰে আন্তঃগাঁথনিৰ উন্নতি আৰু অৰ্থনৈতিক উন্নয়নে হাতত হাত ধৰি আগবাঢ়ে। কৃষিকাৰ্য যথেষ্ট পৰিমাণে জলসিঞ্চন ব্যৱস্থাৰ যথোপযুক্ত সম্প্ৰসাৰণ আৰু বিকাশৰ ওপৰত নিৰ্ভৰ কৰে। ঔদ্যোগিক প্ৰগতি নিৰ্ভৰ কৰে শক্তি আৰু বিদ্যুৎ উৎপাদন, পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন আদিৰ ওপৰত। আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত যথোচিত মনোযোগ নিদিলে অৰ্থনৈতিক উন্নয়নৰ পথত এক প্ৰৱল বাধাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা ধুৰূপ। এই অধ্যায়ত শক্তি আৰু স্বাস্থ্যৰ লগত জড়িত মাত্ৰ দুই ধৰণৰ আন্তঃগাঁথনিৰ ওপৰত আলোকপাত কৰা হ'ব।

## 8.5 শক্তি (Energy) :

আমাক শক্তিৰ প্ৰয়োজন কিয়? কি কি ৰূপত বাৰু ইয়াক পোৱা যায়? শক্তি এটা জাতিৰ উন্নয়ন প্ৰক্ৰিয়াৰ এটা অতি গুৰুত্বপূৰ্ণ দিশ। ই উদ্যোগৰ বাবে অত্যাৱশ্যকীয়। বৰ্তমানে কৃষি আৰু ইয়াৰ লগত সম্পৰ্কিত কাৰ্য যেনে— সাৰ, কীটনাশক দ্ৰব্য আৰু খেতিৰ সঁজুলি আদিৰ উৎপাদন আৰু পৰিবহনত ইয়াক বৃহৎ মাত্ৰাত ব্যৱহাৰ কৰা হয়। পৰিয়ালসমূহে ৰন্ধা-বঢ়াৰ লগতে পোহৰ আৰু তাপৰ বাবে ইয়াক ব্যৱহাৰ কৰে। শক্তি অবিহনে এটা সামগ্ৰী বা সেৱা কাৰ্যৰ উৎপাদনৰ কথা চিন্তা কৰিব পাৰিবানে?

**শক্তিৰ উৎস (Sources of Energy) :**

শক্তিৰ বাণিজ্যিক আৰু অ-বাণিজ্যিক উৎস আছে। কয়লা, পেট্ৰ'লিয়াম আৰু বিদ্যুৎ কিনা-বেচা হয় বাবে ইবোৰক শক্তিৰ বাণিজ্যিক উৎস হিচাপে ধৰা হয়। ভাৰতবৰ্ষত ব্যৱহৃত সকলোবোৰ শক্তি উৎসৰ ভিতৰত এই উৎস তিনিটাৰ অংশ 50% ৰো অধিক। অ-বাণিজ্যিক শক্তিৰ উৎসবোৰ হ'ল— খৰি, কৃষিৰ অৱশিষ্ট আৰু শুকান গোবৰ। এইবোৰ প্ৰকৃতি বা বনাঞ্চলত পোৱা যায় বাবে ইহঁত অ-বাণিজ্যিক। বাণিজ্যিক উৎসবোৰ সাধাৰণতে নবীকৰণযোগ্য নহয় যদিও (অৱশ্যে জলশক্তি ইয়াৰ ব্যতিক্ৰম) অ-বাণিজ্যিক উৎসবোৰ সাধাৰণতে নবীকৰণৰ যোগ্য। ভাৰতীয় পৰিয়ালৰ শতকৰা 60তকৈয়ো অধিকে নৈমিত্তিক ৰন্ধন আৰু তাপৰ প্ৰয়োজনীয়তাৰ বাবে পৰম্পৰাগত শক্তিৰ উৎসৰ ওপৰতে নিৰ্ভৰ কৰে।



চিত্ৰ নং 8.6 ঃ গ্ৰাম্য যাতায়াত বজাৰত গৰুগাড়ীয়ে এতিয়াও এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**শক্তিৰ অ-পৰম্পৰাগত উৎসসমূহ (Non Conventional Sources of Energy) :**

শক্তিৰ বাণিজ্যিক আৰু অ-বাণিজ্যিক উভয় উৎসকে পৰম্পৰাগত উৎস বুলি কোৱা হয়। শক্তিৰ আন তিনিটা উৎস ক্ৰমে— সৌৰশক্তি, বায়ুশক্তি আৰু জোৱাৰশক্তিক সাধাৰণতে অ-পৰম্পৰাগত উৎস বুলি ধৰা হয়। ইতিমধ্যে লব্ধ আৰু ব্যৱহৃত এক উপযুক্ত মিতব্যয়ী প্ৰযুক্তি ব্যৱহাৰ কৰি গ্ৰীষ্মপ্ৰধান দেশ ভাৰতবৰ্ষত উপৰোক্ত তিনিওটা উৎসৰ পৰা শক্তি আহৰণ কৰাৰ এক অপৰিসীম সম্ভাৱনা আছে। আনকি আৰু অধিক কম খৰচী প্ৰযুক্তিৰো বিকাশ সাধিব পাৰি।



চিত্ৰ নং 8.5 ঃ শক্তিৰ প্ৰধান উৎস কাঠ খৰি

**বাণিজ্যিক শক্তিৰ ভোগৰ ধৰণ (Consumption Pattern of Commercial Energy) :**

বৰ্তমান ভাৰতবৰ্ষত ব্যৱহৃত মুঠ শক্তিৰ শতকৰা প্ৰায় 65% অংশই হৈছে বাণিজ্যিক শক্তি।



চিত্ৰ নং 8.8 ঃ প্ৰচুৰ সম্ভাৱনাপূৰ্ণ সৌৰশক্তি



চিত্ৰ নং 8.7 ঃ বতাহ মিল ঃ শক্তি উৎপাদনৰ আন এক উৎস

ইয়াৰ ভিতৰত শতকৰা 55 অংশেৰে কয়লাৰ স্থান প্ৰথম। ইয়াৰ পিছতে আছে ক্ৰমে— তেল যাৰ অংশ 31%, প্ৰাকৃতিক গেছ 11% আৰু জলশক্তি 3%। মুঠ ব্যৱহৃত শক্তিৰ 30% তকৈয়ো অধিক আহে অ-বাণিজ্যিক উৎসৰ পৰা। অ-বাণিজ্যিক শক্তিৰ উৎসবোৰ হৈছে খৰি, শুকান গোবৰ আৰু কৃষিৰ অৱশিষ্ট। ভাৰতৰ শক্তিখণ্ড আৰু অৰ্থব্যৱস্থাৰ লগত ইয়াৰ সম্পৰ্কৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে— অপৰিশোধিত খনিজ তেল আৰু পেট্ৰ’লজাত সামগ্ৰীৰ ক্ষেত্ৰত দেশখনৰ আমদানি নিৰ্ভৰশীলতা। অদূৰ ভৱিষ্যতত এই নিৰ্ভৰশীলতা 100 শতাংশৰো অধিক বৃদ্ধি পাব পাৰে। বিভিন্ন খণ্ডত বাণিজ্যিক শক্তি ব্যৱহাৰৰ ধৰণ 8.2 নং তালিকাত সন্নিৱিষ্ট কৰা হৈছে।

তালিকা ঃ **8.2**

| বাণিজ্যিক শক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত বিভিন্ন খণ্ডৰ অংশৰ গতিধাৰা (শতকৰা হিচাপত) | | | | |
|---|---|---|---|---|
| **খণ্ড** | **1953-54** | **1970-71** | **1990-91** | **1996-97** |
| গৃহস্থী | 10 | 12 | 12 | 12 |
| কৃষি | 1 | 3 | 8 | 9 |
| উদ্যোগ | 40 | 50 | 45 | 42 |
| পৰিবহণ | 28 | 22 | 22 | 22 |
| অন্যান্য | 5 | 7 | 13 | 15 |
| **মুঠ** | **100** | **100** | **100** | **100** |

**উৎস ঃ** Ninth Five Year Plan, Vol. II Chapter 6, Planning Commission, Government of India, New Delhi.


1953-54 চনত পৰিবহণেই আছিল বাণিজ্যিক শক্তিৰ সৰ্ববৃহৎ ব্যৱহাৰকাৰী। অৱশ্যে এই ক্ষেত্ৰত পৰিবহণ খণ্ডৰ অংশ ক্ৰমাগতভাৱে হ্ৰাস পাইছে আৰু উদ্যোগৰ অংশ বৃদ্ধি পাইছে। বাণিজ্যিক শক্তিসমূহৰ ভিতৰত তেল আৰু গেছৰ ব্যৱহাৰ সৰ্বাধিক। দ্ৰুতহাৰত হোৱা অৰ্থনৈতিক বৃদ্ধিৰ লগে লগে শক্তিৰ ব্যৱহাৰো বৃদ্ধি পাইছে।

**শক্তি/বিদ্যুৎ শক্তি (Power/Electricity) :**

সৰ্বাধিক দৃষ্টিগোচৰ হোৱা শক্তিৰ ৰূপটোৱেই হ'ল বিদ্যুৎ শক্তি যাক আধুনিক সভ্যতাৰ প্ৰগতিৰ লগত প্ৰায়ে সমজ্ঞান কৰা হয়। সাধাৰণতে শক্তি বুলিলে বিদ্যুৎ শক্তিৰ কথাকে কোৱা হয়। দেশ এখনৰ অৰ্থনৈতিক উন্নয়ন নিৰ্ণয় কৰা আন্তঃগাঁথনিৰ ই এক গুৰুত্বপূৰ্ণ উপাদান। আমাৰ দেশত শক্তিৰ চাহিদাৰ বৃদ্ধিৰ হাৰ সাধাৰণতে মুঠ ঘৰুৱা উৎপাদন (GDP)ৰ বৃদ্ধিৰ হাৰতকৈ অধিক। বিভিন্ন অধ্যয়নৰ পৰা জনা গৈছে যে মুঠ ঘৰুৱা উৎপাদনৰ বছৰি 8% বৃদ্ধিৰ বাবে শক্তিৰ যোগান বছৰি প্ৰায় 12% বৃদ্ধি পাব লাগিব।

সাৰণী 8.1 ঃ শক্তিৰ বিভিন্ন উৎস

(পাৰমাণৱিক 2%, তাপশক্তি 70%, জল আৰু বতাহ শক্তি 28%)




বিদ্যুৎ শক্তি হৈছে— কয়লা, হাইড্ৰ'কাৰ্বন, জলশক্তি, পাৰমাণৱিক শক্তি, নবীকৰণযোগ্য শক্তি প্ৰমুখ্যে বিভিন্ন প্ৰাথমিক শক্তি সম্পদৰ পৰা আহৰিত এক গৌণ ৰূপৰ শক্তি। প্ৰাথমিক শক্তি ব্যৱহাৰে ইন্ধনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োটা ব্যৱহাৰকেই সামৰি লয়। ই গ্ৰাহকসকলৰ শক্তিৰ চূড়ান্ত ব্যৱহাৰ সম্পৰ্কত এখন সম্পূৰ্ণ ছবি দাঙি ধৰিব নোৱাৰে। ভাৰতবৰ্ষত শক্তিৰ গৌণ উৎসসমূহ হ'ল কয়লা, তেল, বিদ্যুৎ আৰু প্ৰাকৃতিক গেছ।

2003-04 চনত ভাৰতবৰ্ষৰ মুঠ শক্তি উৎপাদন ক্ষমতাৰ 70% ই আছিল তাপ উৎস (Thermal Sources) ভিত্তিক। জল, বায়ু আৰু আণৱিক উৎসৰ অংশ আছিল ক্ৰমে 28% আৰু 2.4%। ভাৰতবৰ্ষৰ শক্তি নীতিয়ে শক্তিৰ দুই উৎস ক্ৰমে জল আৰু বায়ুক উৎসাহিত কৰি আহিছে। কিয়নো জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীল নোহোৱা হেতুকে ইহঁতৰ পৰা কাৰ্বন নিৰ্গমন নহয়। গতিকে এই দুয়োটা উৎসৰ পৰা আহৰিত বিদ্যুৎ শক্তিৰ উৎপাদন দ্ৰুত গতিত বৃদ্ধি পাইছে।

আণৱিক শক্তি হৈছে বিদ্যুৎ শক্তিৰ এক গুৰুত্বপূৰ্ণ উৎস। ইয়াৰ পৰিৱেশগত সুবিধা আছে আৰু দীৰ্ঘকালত মিতব্যয়ী হোৱাৰ সম্ভাৱনা আছে। বৰ্তমানে মুঠ প্ৰাথমিক শক্তি ব্যৱহাৰৰ ভিতৰত আণৱিক শক্তিৰ অংশ হৈছে মাত্ৰ 2.4%। এই ক্ষেত্ৰত বিশ্বৰ গড় হিচাপ 13%। এইক্ষেত্ৰত ভাৰতৰ স্থান অতি নিম্ন।

**কৰি চোৱা**
**(Work These Out)**

- তুমি এটা কথা লক্ষ্য কৰিছা যে শক্তিৰ বিভিন্ন উৎসবোৰৰ ভিতৰত পাৰমাণৱিক উৎস সম্ভূত শক্তিৰ পৰিমাণ অতি নগণ্য কিয়? পণ্ডিতসকলৰ মতে তেল আৰু কয়লাৰ ক্ষেত্ৰত হৈ থকা ব্যয় বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত পাৰমাণৱিক শক্তিয়েই উত্তম বিকল্প। শ্ৰেণীত আলোচনা বা বিতৰ্ক কৰা।
- সৌৰশক্তি, বতাহশক্তি আৰু জোৱাৰৰ পৰা উৎপাদিত শক্তি ভৱিষ্যতে শক্তিৰ উৎস হোৱাৰ পথত। এইসমূহৰ তুলনামূলক সুবিধা আৰু অসুবিধাসমূহ কি কি? শ্ৰেণীত আলোচনা কৰা।

**শক্তি খণ্ডৰ কিছুমান প্ৰত্যাহ্বান (Some Challanges in the Power Sector) :**

বিভিন্ন শক্তিকেন্দ্ৰত উৎপাদিত বিদ্যুৎশক্তি শেষ পৰ্যায়ৰ উপভোক্তাই সম্পূৰ্ণৰূপে ব্যৱহাৰ নকৰে। ইয়াৰ এটা অংশ শক্তিকেন্দ্ৰৰ আনুসংগিক

গোটসমূহত খৰচ হয়। আকৌ এটা অংশ বিদ্যুৎ প্ৰেৰণত বিনষ্ট হয়। আমি ঘৰত, কাৰ্যালয়ত আৰু কাৰখানাত যিখিনি বিদ্যুৎশক্তি পাওঁ, সেইখিনি হ'ল শুদ্ধ (net)ভাৱে লভ্য পৰিমাণ।

**ভাৰতবৰ্ষৰ শক্তি খণ্ডই সন্মুখীন হোৱা কিছুমান প্ৰত্যাহ্বান তলত উল্লেখ কৰা ধৰণৰ—**

(i) অৰ্থনৈতিক বৃদ্ধি বছৰি 7% হাৰত উপনীত হ'বৰ বাবে ভাৰতত থকা বিদ্যুৎ শক্তি উৎপাদনৰ ক্ষমতা যথেষ্ট নহয়। 2000–2012 চনৰ ভিতৰত বিদ্যুৎ শক্তিৰ বৰ্ধিত চাহিদা পূৰাবৰ বাবে ভাৰতে নতুনকৈ 1,00,000 মেগাৱাট ক্ষমতা বৃদ্ধি কৰিব লাগিব। কিন্তু বৰ্তমান দেশখনে বছৰি মাত্ৰ 20,000 মেগাৱাট পৰিমাণৰ ক্ষমতাহে বৃদ্ধি কৰিব পাৰে। আনকি পূৰ্বতে স্থাপিত ক্ষমতাও অৰ্ধব্যৱহৃত হৈ আছে। কিয়নো বিদ্যুৎ প্ৰকল্পসমূহ সঠিকভাৱে চলি থকা নাই।

(ii) বিদ্যুৎ শক্তি বিতৰণৰ দায়িত্বত থকা ৰাজ্যিক বিদ্যুৎ পৰিষদসমূহ (State Electricity Boards : SEB) এ যথেষ্ট লোকচানৰ সন্মুখীন হৈছে। এই লোকচানৰ পৰিমাণ 500 বিলিয়ন টকাতকৈও অধিক।

ইয়াৰ কাৰণ হৈছে বিদ্যুৎ প্ৰেৰণ আৰু বিতৰণৰ ক্ষেত্ৰত হোৱা লোকচান, বিদ্যুতৰ ভুল দৰ নীতি আৰু অন্যান্য অদক্ষতা। কিছুমান পণ্ডিতৰ মতে এই লোকচানৰ প্ৰধান কাৰণ হ'ল কৃষকসকলক বিদ্যুৎ বিতৰণ কৰাটো। বিভিন্ন অঞ্চলত ঘটি থকা বিদ্যুৎ চুৰি কাৰ্যবোৰেও ৰাজ্যিক বিদ্যুৎ পৰিষদবোৰক অধিক ভাৰাক্ৰান্ত কৰি তুলিছে।

(iii) ব্যক্তিগত খণ্ডৰ বিদ্যুৎ উৎপাদনকাৰী গোটসমূহে এতিয়াও গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পৰা নাই; বিদেশী বিনিয়োগৰাকীৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য।

(iv) বিদ্যুতৰ উচ্চ হাৰৰ নিৰিখ আৰু দেশৰ বিভিন্ন প্ৰান্তত সঘনাই ঘটি থকা দীৰ্ঘকাল জোৰা বিদ্যুৎ যোগান ব্যাহতৰ ঘটনাই জনসাধাৰণক অতিষ্ঠ কৰি তুলিছে।

(v) ভাৰতবৰ্ষৰ শক্তি খণ্ডৰ মূল ভেঁটি তাপ বিদ্যুৎ কেন্দ্ৰসমূহে প্ৰয়োজনীয় কেঁচামাল আৰু কয়লাৰ নাটনিত ভুগি আছে।

**কক্ষ নং 8.1 ঃ পাৰ্থক্য সৃষ্টি (Making a Difference)**

থানে মহানগৰে এটা একেবাৰে নতুন ভাৱমূৰ্তি আহৰণ কৰিছে— এক পৰিৱেশ অনুকূল নৱৰূপ। সুদূৰৰ ধাৰণা হিচাপে পৰিগণিত হৈ অহা সৌৰশক্তিৰ বহুল ব্যৱহাৰে প্ৰকৃতাৰ্থত লাভালাভ আৰু ফলাফলৰ সৃষ্টি কৰিছে আৰু লগতে ব্যয় আৰু শক্তিৰ মিতব্যয় ঘটাইছে। পানী তপতোৱা, ট্ৰেফিক লাইট (Traffic Light) জ্বলোৱা, বিজ্ঞাপনৰ ফলক আদিতো ইয়াক ব্যৱহাৰ কৰা হৈছে। এই একক সম্পৰীক্ষাৰ নেতৃত্ব বহন কৰিছে থানে পৌৰ নিগমে। নতুনকৈ স্থাপিত হোৱা সকলো গৃহতে সৌৰশক্তিচালিত পানী তপতোৱাৰ ব্যৱস্থা বাধ্যতামূলক কৰা হৈছে।

(2005 চনৰ পহিলা আগষ্টৰ Outlookৰ Making a Difference স্তম্ভত প্ৰকাশিত)। এনেকুৱা ধৰণৰ অপৰম্পৰাগত শক্তি ব্যৱহাৰৰ অন্য ভাল আঁচনিৰ পৰামৰ্শ দিব পাৰিবানে?

**কক্ষ নং 8.2 ঃ**
**শক্তি বিতৰণ ঃ ৰাজধানী দিল্লীৰ**

স্বাধীনতাৰ পিছৰে পৰা ৰাজধানীত বিদ্যুৎ পৰিচালনাৰ দায়িত্ব চাৰিবাৰকৈ সলনি হৈছে। 1951 চনত দিল্লী ৰাজ্যিক ব'ৰ্ড (Delhi State Electricity Board) গঠন হয়। ইয়াৰ পিছত 1958 চনত গঠন হয় দিল্লী বিদ্যুৎ যোগান প্ৰতিষ্ঠান (Delhi Electric Supply Undertaking)। 1997 চনত দিল্লী বিদ্যুৎ ব'ৰ্ড (Delhi Vidyut Board)য়ে ৰাজ্যিক বিদ্যুৎ ব'ৰ্ড (State Electricity Board) হিচাপে আত্মপ্ৰকাশ কৰে। দিল্লী বিদ্যুৎ ব'ৰ্ডৰ ব্যক্তিগতকৰণৰ পিছত সম্প্ৰতি এই দায়িত্ব ন্যস্ত হৈছে দেশৰ দুটা অগ্ৰণী বিদ্যুৎ কোম্পানীৰ ওপৰত। ৰিলায়েন্স শক্তি লিমিটেডৰ (Reliance Energy Limited) মালিকীস্বত্বৰ BSES-এ ইয়াৰ দুটা কোম্পানীৰ জৰিয়তে দিল্লীৰ দুই-তৃতীয়াংশ অঞ্চলত বিদ্যুৎ বিতৰণৰ পৰিচালনা কৰে। ইহঁতক DISCOMS বুলি জনা যায়। দক্ষিণ আৰু পশ্চিম এলেকাৰ দায়িত্বত আছে BSES ৰাজধানী পাৱাৰ লিমিটেড (BSES Rajdhani Power Limited)। আনহাতে, BSES যমুনা পাৱাৰ লিমিটেড (BSES Yamuna Power Limited)- এ কেন্দ্ৰীয় আৰু পূব এলেকাৰ দায়িত্বত আছে। দ্য টাটা পাৱাৰ (The Tata Power)-ৰ মালিকীস্বত্বৰ NDPL-এ ৰাজধানী চহৰখনৰ উত্তৰ আৰু উত্তৰ পশ্চিম এলেকাত বিদ্যুতৰ যোগান ধৰে। ৰাজধানী অঞ্চলৰ প্ৰায় 28 লাখ ভোক্তাক বিদ্যুৎ যোগান ধৰাৰ বাবে আকৌ দুয়োটা DISCOMSৰ মাজত আছে 220 KV-ৰ 23 গ্ৰিড। নিৰিখ গাঁথনি আৰু অন্যান্য নিয়ামক (Regulatory) বিষয়সমূহ নিৰীক্ষণ কৰে দিল্লী বিদ্যুৎ নিয়ামক আয়োগে (Delhi Electricity Regulatory Commission)। দিল্লী চহৰত শক্তি বিতৰণ যথেষ্ট উন্নত হ'ব আৰু ভোক্তাসকল যথেষ্ট লাভৱান হ'ব বুলি আশা কৰা হৈছিল যদিও অভিজ্ঞতাৰ পৰা ক'ব পাৰি যে ফলাফল সন্তোষজনক হোৱা নাই।

এনেদৰে নীৰৱচ্ছিন্ন আৰ্থিক উন্নয়ন তথা জনসংখ্যাৰ বৃদ্ধিয়ে ভাৰতবৰ্ষই বৰ্তমান উৎপাদন কৰা শক্তিৰ তুলনাত অধিক হাৰত ইয়াৰ চাহিদাৰ বৃদ্ধি ঘটাইছে।

বৰ্ধিত চৰকাৰী বিনিয়োগ, উন্নতমানৰ গৱেষণা তথা উন্নয়নৰ প্ৰয়াস, উদঘাটন, প্ৰযুক্তিগত উদ্ভাৱন আৰু নবীকৰণযোগ্য শক্তি উৎস ব্যৱহাৰে বিদ্যুতৰ অতিৰিক্ত যোগান নিশ্চিত কৰিব পাৰে। ব্যক্তিগত খণ্ডই এইক্ষেত্ৰত কিঞ্চিৎ অগ্ৰগতি লাভ কৰিছে যদিও এই খণ্ডটিয়ে বৃহৎ মাত্ৰাত শক্তি উৎপাদনৰ বাবে আগবাঢ়ি আহিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৱশ্যে, এই ক্ষেত্ৰত হৈ থকা প্ৰচেষ্টাসমূহ নিশ্চয় শলাগিবলগীয়া। উদাহৰণ স্বৰূপে, বায়ু শক্তিৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰত ভাৰত পঞ্চম বৃহৎ উৎপাদনকাৰী

**কক্ষ নং 8.3 ঃ**

**শক্তিৰ মিতব্যয় ঃ Compact Fluorescent Lamp (CFL)ৰ দৃষ্টান্তৰ পোষকতা**

শক্তি কাৰ্যদক্ষতা ব্যুৰ' (Bureau of Energy Efficiency)ৰ মতে সাধাৰণ বাল্বতকৈ CFL সমূহত তুলনামূলকভাৱে 80% কম শক্তিৰ প্ৰয়োজন হয়। Indo-Asian নামৰ এটা CFL প্ৰস্তুতকাৰী প্ৰতিষ্ঠানৰ মতে 1 নিযুত 100 ৱাটৰ সাধাৰণ বাল্বৰ সলনি 20 ৱাটৰ CFL ব্যৱহাৰ কৰিলে 80 মেগাৱাট বিদ্যুৎ শক্তি ৰাহি হয়। প্ৰতি মেগাৱাট বিদ্যুতৰ বাবদ হোৱা স্থাপন ব্যয় 5 কোটি টকা বুলি ধৰিলে ইয়াৰ ফলত 400 কোটি টকা ৰাহি হয়।

উৎস ঃ Use Commonsense to solve power crisis, by Naresh Minocha in Tehelka, 1st October, 2005.

আৰু ইয়াত ব্যক্তিগত খণ্ডৰ বিনিয়োগ 95% বো অধিক। নবীকৰণযোগ্য শক্তি সম্পদৰ ওপৰত অধিক নিৰ্ভৰশীলতাই প্ৰচুৰ আৰ্থিক, সামাজিক আৰু পাৰিৱেশিক লাভালাভৰ সৃষ্টি কৰে।

## 8.6 স্বাস্থ্য (Health) :

স্বাস্থ্যই মাথোন ৰোগহীনতাকে নুবুজায়। ই এজন ব্যক্তিৰ কাৰ্যক্ষমতা প্ৰাপ্তিৰ যোগ্যতাকো সূচায়। স্বাস্থ্য হৈছে এজন ব্যক্তিৰ কল্যাণৰ মাপকাঠি। স্বাস্থ্য হৈছে এখন ৰাষ্ট্ৰৰ সামগ্ৰিক বৃদ্ধি আৰু উন্নয়নৰ লগত সম্পৰ্কিত এক পূৰ্ণাংগ প্ৰক্ৰিয়া। মানৱ স্বাস্থ্যৰ ক্ষেত্ৰত কুৰি শতিকাই ইতিহাসত তুলনাবিহীন এক গোলকীয় উত্তৰণ প্ৰত্যক্ষ কৰিছে যদিও ব্যৱস্থাৱলীৰ মাত্ৰ এটা সংযুতিৰ হিচাপত এখন ৰাষ্ট্ৰৰ স্বাস্থ্যৰ অৱস্থাৰ সংজ্ঞা দিয়াটো কঠিন। মানুহৰ স্বাস্থ্য অৱস্থা মূল্যায়নৰ বাবে পণ্ডিতসকলে সাধাৰণতে বিবেচনা কৰা নিৰ্দেশকবোৰ হ'ল— শিশুৰ মৃত্যুৰ হাৰ (Infant Mortality Rate), প্ৰসূতি মৃত্যুৰ হাৰ (Maternal Mortality Rate), জীৱন প্ৰত্যাশা (Life expectancy), পুষ্টিকাৰিতাৰ স্তৰ (Nutrition level) আৰু লগতে সংক্ৰামক আৰু অ-সংক্ৰামক ৰোগৰ ঘটনা।

স্বাস্থ্য আন্তঃগাঁথনিৰ উন্নয়নে এখন দেশত সামগ্ৰী আৰু সেৱাকাৰ্য উৎপাদনৰ বাবে প্ৰয়োজন হোৱা স্বাস্থ্যৱান মানৱ শক্তি নিশ্চিত কৰে। বৰ্তমান সময়ৰ পণ্ডিতসকলৰ মতে জনসাধাৰণৰ স্বাস্থ্য সেৱাৰ সুবিধা পোৱাৰ অধিকাৰ আছে। স্বাস্থ্যৱান জীৱন-যাপনৰ অধিকাৰ নিশ্চিত কৰাটো চৰকাৰৰ দায়িত্ব। স্বাস্থ্য আন্তঃগাঁথনিয়ে চিকিৎসালয়, ডাক্তৰ, নাৰ্ছ, অৰ্ধ চিকিৎসীয় বৃত্তিধাৰী (Paramedical proffessionals), বিছনা, চিকিৎসালয়ত প্ৰয়োজন হোৱা সা-সৰঞ্জাম আৰু সু-বিকশিত দৰৱ উদ্যোগক সামৰি লয়। অৱশ্যে, স্বাস্থ্যৱানলোক পোৱাৰ বাবে অকল স্বাস্থ্য আন্তঃগাঁথনিৰ সুবিধাই যথেষ্ট নহয়। সকলোৰে বাবে তেনে সুবিধা সহজলভ্য হ'ব লাগিব। আমাৰ পৰিকল্পিত উন্নয়নৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা নীতি-নিৰ্ধাৰকসকলৰ কল্পনা আছিল যে প্ৰয়োজনীয় ব্যয় বহনৰ অসমৰ্থতাৰ বাবে কোনো ব্যক্তিয়েই আৰোগ্যমূলক আৰু প্ৰতিষেধক স্বাস্থ্যসেৱাৰ

**কৰি চোৱা (Work These Out)**

- তোমালোকৰ ঘৰত কোন প্ৰকাৰৰ শক্তি ব্যৱহাৰ কৰা? বিভিন্ন প্ৰকাৰৰ শক্তি ব্যৱহাৰৰ বাবদ প্ৰতিমাহত তোমাৰ মা-দেউতাই কিমান খৰচ কৰে তাক জানি লোৱা।
- তোমাৰ ঘৰত কোনে শক্তিৰ যোগান ধৰে? এই শক্তি ক'ত উৎপাদিত হয়? ঘৰত পোহৰৰ বাবে, ৰন্ধা-বঢ়াৰ বাবে, দূৰ ভ্ৰমণৰ বাবে তুমি বাৰু কম খৰচী বিকল্প শক্তিৰ উৎসৰ কথা ভাবি উলিয়াব পাৰিবানে?
- **তলৰ তালিকাখনলৈ মন কৰা। শক্তিৰ ব্যৱহাৰ আৰ্থিক উন্নয়নৰ এক সাৰ্থক নিৰ্দেশক বুলি ভাবানে?**

| দেশ | 2003 চনত জনমূৰি আয় (ডলাৰ হিচাপে) (ক্ৰয় শক্তি সমতা অনুসৰি) | 2001 চনত জনমূৰি শক্তিৰ ব্যৱহাৰ (প্ৰতি কেজি তেলৰ সমতুল্য) |
|---|---|---|
| ভাৰত | 2,880 | 515 |
| ইণ্ডোনেচিয়া | 3,210 | 729 |
| ইজিপ্ত | 3,940 | 737 |
| ইংলেণ্ড | 27,650 | 3,982 |
| জাপান | 28,620 | 4,099 |
| মাৰ্কিন যুক্তৰাষ্ট্ৰ | 37,500 | 7,996 |

**উৎস ঃ** World Development Report 2005 and World Development Indicators, 2004.

তোমাৰ অঞ্চল বা ৰাজ্যত কেনেকৈ শক্তিৰ বিতৰণ হয় চোৱা। তুমি বাস কৰা চহৰখনৰ মুঠ বিদ্যুৎশক্তিৰ চাহিদা কিমান আৰু কেনেকৈ এই চাহিদা পূৰণ কৰা হয় তাৰো সন্ধেদ লোৱা।

মানুহে বিদ্যুৎ আৰু অন্যান্য শক্তি ৰাহি কৰিবলৈ লোৱা ব্যৱস্থাসমূহ তুমি হয়তো মন কৰিছা। উদাহৰণ স্বৰূপে গেছ এজেন্সীসমূহে গেছৰ মিতব্যয়ী আৰু সুদক্ষ ব্যৱহাৰৰ ওপৰত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। এইসমূহ তোমাৰ মা-দেউতা বা আন কোনো জ্যেষ্ঠ ব্যক্তিৰ লগত আলোচনা কৰা। ইয়াৰ মূল কথাবোৰ টোকাবহীত টুকি লোৱা আৰু সেইবোৰ শ্ৰেণীত আলোচনা কৰা।

পৰা বঞ্চিত হ'ব নালাগে। কিন্তু আমি সপোন বাস্তৱায়িত কৰিব পাৰিছোনে? বিভিন্ন স্বাস্থ্য আন্তঃগাঁথনিসমূহৰ সম্পৰ্কে আলোচনা কৰাৰ আগতে ভাৰতবৰ্ষৰ স্বাস্থ্যসেৱাৰ অৱস্থা চাওঁহক।

**স্বাস্থ্য আন্তঃগাঁথনিৰ অৱস্থা (State of Health Infrastructure) :**

চিকিৎসা শিক্ষা, খাদ্যৰ ভেজালকৰণ, ঔষধ আৰু বিহ, চিকিৎসা বৃত্তি, জনসাংখ্যিকীয় পৰিসংখ্যা (Vital Statistics), মানসিক অক্ষমতা আৰু উন্মাদ ৰোগ আদি স্বাস্থ্যৰ লগত জড়িত সকলো বিষয়ৰে পথ-প্ৰদৰ্শক আৰু নিয়ন্ত্ৰণকাৰীৰ ভূমিকা লোৱাটো চৰকাৰৰ সাংবিধানিক দায়িত্ব।

কেন্দ্ৰীয় চৰকাৰে 'কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ পৰিষদ' (Central Council for Health and Family Welfare)ৰ জৰিয়তে বিস্তৃত নীতি আৰু পৰিকল্পনাৰ বিকাশ ঘটাইছে। এই সংস্থাই তথ্য সংগ্ৰহ কৰাৰ লগতে ৰাজ্যিক চৰকাৰ, কেন্দ্ৰীয়শাসিত অঞ্চল আৰু অন্যান্য নিকায়সমূহক দেশৰ গুৰুত্বপূৰ্ণ স্বাস্থ্য আঁচনিসমূহ ৰূপায়ণৰ বিত্তীয় আৰু প্ৰযুক্তিগত সহায়ৰ হাত আগবঢ়ায়।

বিগত বছৰসমূহত ভাৰতবৰ্ষই বিভিন্ন স্তৰত এক বিশাল স্বাস্থ্য আন্তঃগাঁথনি আৰু জনশক্তি গঠন কৰিছে। গাঁও পৰ্যায়ত চৰকাৰে বিভিন্ন ধৰণৰ চিকিৎসালয় স্থাপন কৰিছে। ভাৰতবৰ্ষত স্বেচ্ছাসেৱী সংস্থা আৰু ব্যক্তিগত খণ্ডৰ অধীনত বহুসংখ্যক চিকিৎসালয় চলি আছে। এই চিকিৎসালয়সমূহ মেডিকেল, ফাৰ্মাচী আৰু নাৰ্ছিং কলেজত প্ৰশিক্ষণপ্ৰাপ্ত বহু সংখ্যক বৃত্তিধাৰী আৰু অৰ্ধ চিকিৎসীয় (Para Medical) বৃত্তিধাৰীৰ দ্বাৰা পৰিচালিত।



চিত্ৰ নং 8.9 ঃ আমাৰ দেশৰ এক বৃহৎ অংশত এতিয়াও স্বাস্থ্য আন্তঃগাঁথনিৰ সুবিধা নাই।

স্বাধীনতাৰ পিছৰে পৰা ভাৰতবৰ্ষত স্বাস্থ্য সেৱাৰ ভৌতিক ব্যৱস্থাসমূহৰ এক লেখত ল'বলগীয়া সম্প্ৰসাৰণ ঘটিছে। 1951–2000 চনৰ ভিতৰত চিকিৎসালয় (Hospital) আৰু ডাক্তৰখানাৰ (Dispensary)ৰ সংখ্যা 9,300ৰ পৰা 43,300 লৈ বৃদ্ধি পাইছে আৰু চিকিৎসালয়ৰ বিছনাৰ সংখ্যা 1.2 নিযুতৰ পৰা 7.2 নিযুতলৈ বৃদ্ধি পাইছে (তালিকা 8.3 চোৱা)। 1951–1999 চনৰ সময়ছোৱাত নাৰ্ছৰ সংখ্যা 0.18 লাখৰ পৰা 8.7 লাখলৈ বৃদ্ধি পাইছে। এই সময়ছোৱাত আধুনিক (Allopathic) চিকিৎসকৰ সংখ্যা বৃদ্ধি পাইছে 0.62 লাখৰ পৰা 5.0 লাখলৈ। স্বাস্থ্য আন্তঃগাঁথনিৰ সম্প্ৰসাৰণে সৰু আই, গিণি পেলুৰ দৰে ৰোগ নিৰ্মূল কৰিবলৈ সক্ষম হৈছে। লগতে কুষ্ঠ আৰু পলিঅ'ৰ দৰে ৰোগো প্ৰায় নিৰ্মূলৰ পথত।

**ব্যক্তিগত খণ্ডৰ স্বাস্থ্য আন্তঃগাঁথনি (Private Sector Health Infrastructure) :**

বিগত সময়ছোৱাত জনস্বাস্থ্য খণ্ডই সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰিব পৰা নাই। এই সম্পৰ্কে পৰৱৰ্তী অংশত অধিক আলোচনা আগবঢ়োৱা হ'ব। এইক্ষেত্ৰত ব্যক্তিগত খণ্ড ক্ষীপ্ৰ গতিৰে আগবাঢ়িছে। ভাৰতবৰ্ষৰ 70%ৰো অধিক চিকিৎসালয় ব্যক্তিগত খণ্ডৰ অধীনত। এই সমূহে চিকিৎসালয়ৰ মুঠ বিছনাৰ দুই-পঞ্চমাংশ নিয়ন্ত্ৰণ কৰে। প্ৰায় 60% ডাক্তৰখানা (Dispensary) ব্যক্তিগত খণ্ডই চলাই আছে। এই খণ্ডই মুঠ বহিঃৰোগীৰ 80% আৰু আন্তঃৰাষ্ট্ৰীয় 46% লৈ সেৱা আগবঢ়ায়।

বৰ্ত্তমান সময়ত চিকিৎসা শিক্ষা আৰু প্ৰশিক্ষণ, চিকিৎসা প্ৰযুক্তি আৰু ৰোগ নিৰ্ণয়, দৰৱজাতিৰ

**তালিকা ঃ 8.3**

**ভাৰতবৰ্ষৰ জনস্বাস্থ্যৰ আন্তঃগাঁথনি, 1951-2000**

| **বিষয়** | **1951** | **1981** | **2000** |
|---|---|---|---|
| চিকিৎসালয় | 2,694 | 6,805 | 15,888 |
| চিকিৎসালয়/ডাক্তৰখানাৰ বিছনা | 11,7000 | 50,4538 | 71,9861 |
| ডাক্তৰখানা | 6,600 | 16,745 | 23,065 |
| প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ (PHC) | 725 | 9,115 | 22,842 |
| উপকেন্দ্ৰ (Sub-Centre) | – | 84,736 | 13,7311 |
| সামূহিক স্বাস্থ্যকেন্দ্ৰ (CHC) | – | 761 | 3,043 |

**উৎস ঃ** National Commission on Macroeconomics and Health, Ministry of Health and Family Welfare, Government of India, New Delhi, 2005.

উৎপাদন আৰু বিক্ৰী, চিকিৎসালয় নিৰ্মাণ আৰু চিকিৎসা সেৱাৰ সুবিধা প্ৰদান আদি প্ৰায় সকলো ক্ষেত্ৰতে ব্যক্তিগত খণ্ডই মুখ্য ভূমিকা পালন কৰিছে। 2001–02 চনত 13 লাখতকৈও অধিক চিকিৎসা প্ৰতিষ্ঠান (Medical Enterprise) আছিল আৰু এইবোৰত 22 লাখতকৈও অধিক লোক নিয়োজিত আছিল। ইয়াৰ ভিতৰত 80% ৰো অধিক লোক এজন ব্যক্তিৰ মালিকাধীন আছিল যিয়ে সময়ে সময়ে ভাৰাতীয়া কৰ্মীও নিযুক্তি দিছিল। পণ্ডিত সকলৰ মতে ভাৰতবৰ্ষত ব্যক্তিগত খণ্ডই বিশেষ বিধি-ব্যৱস্থাৰ সন্মুখীন নোহোৱাকৈ স্বাধীনভাৱে অগ্ৰসৰ হৈছে। কিছুমান ব্যক্তিগত চিকিৎসক আনকি পঞ্জীয়নভুক্ত ডাক্তৰেই নহয়; এওঁলোক বেজ (Quack) বুলিহে জনাজাত। 1990ৰ দশকৰ পৰা, বিশেষকৈ উদাৰীকৰণ (Liberalisation)ৰ ব্যৱস্থাৱলী গ্ৰহণ কৰাৰ পৰা ভাৰতবৰ্ষলৈ চহকী পৰ্যটকক আকৰ্ষিত কৰিবলৈ প্ৰবাসী ভাৰতীয় আৰু ঔদ্যোগিক তথা দৰৱ জাতিৰ কোম্পানীয়ে দেশখনত আধুনিকতম প্ৰযুক্তিবিদ্যাৰ অতি বিশেষীকৃত হাস্পতাল (Super Speciality Hospital) গঢ়ি তুলিছে। কক্ষ 8.6 চোৱা। কিন্তু দুখীয়া জনসাধাৰণে কেৱল মাত্ৰ চৰকাৰী হাস্পতালসমূহৰ

**কক্ষ নং 8.5**

**ভাৰতবৰ্ষৰ স্বাস্থ্য ব্যৱস্থা (Health System in India)**



কাৰ্যসূচী চলি থকা এখন স্বাস্থ্য সজাগতা সভা

ভাৰতবৰ্ষৰ স্বাস্থ্য আন্তঃগাঁথনি আৰু স্বাস্থ্য যতন তিনিতৰপীয়া ব্যৱস্থাৰে গঠিত— প্ৰাথমিক (Primary), দ্বিতীয়ক (Secondary) আৰু তৃতীয়ক (Tertiary)। প্ৰাথমিক স্বাস্থ্য সেৱাই সামৰি লোৱা বিষয়সমূহ হ'ল— প্ৰচলিত স্বাস্থ্য সম্পৰ্কীয় সমস্যাৰাজিৰ শিক্ষা আৰু এইবোৰৰ চিনাক্তকৰণ, প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণকৰণ, খাদ্য যোগান আৰু উপযুক্ত পৰিপুষ্টতা, জল তথা প্ৰাথমিক অনাময়ৰ (Sanitation) পৰ্যাপ্ত যোগান, প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য যতন, প্ৰধান সংক্ৰামক ৰোগসমূহ আৰু আঘাতৰ বিৰুদ্ধে টীকাকৰণ, মানসিক স্বাস্থ্যৰ বিকাশ আৰু অত্যাৱশ্যকীয় ঔষধৰ ব্যৱস্থা।

গ্ৰামাঞ্চলত প্ৰাথমিক স্বাস্থ্য যত্ন আগবঢ়োৱা প্ৰথম ব্যক্তিগৰাকী হৈছে অগ্‌জিলিয়াৰী নাৰ্ছিং মিড্‌ৱাইফ (Auxiliary Nursing Midwife : ANM) গৰাকী। স্বাস্থ্যৰ প্ৰাথমিক যত্ন আগবঢ়োৱাৰ বাবে গাঁও আৰু সৰু চহৰবোৰত হাস্পতাল খোলা হৈছে। এই হাস্পতালসমূহ সাধাৰণতে এজন ডাক্তৰ, এগৰাকী নাৰ্চ আৰু সীমিত পৰিমাণৰ ঔষধেৰে চলোৱা হয়। এই হাস্পতালসমূহক প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ (PHC : Primary Health Centre) আৰু সমূহীয়া স্বাস্থ্য কেন্দ্ৰ (CHC : Community Health Centre) আৰু উপকেন্দ্ৰ (Sub-Centre) বুলি জনা যায়। কোনো ৰোগীৰ অৱস্থা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত উন্নত কৰিব নোৱাৰিলে তেওঁক দ্বিতীয়ক (Secondary) বা তৃতীয়ক (Tertiary) স্তৰৰ হাস্পতাললৈ পঠিওৱা হয়। শল্য চিকিৎসা, এক্সৰে (X-Ray), হৃদস্পন্দনৰ লেখ অংকনৰ কৌশল (Electocardigram : ECG) আদি উন্নত সুবিধা থকা হাস্পতালবোৰক দ্বিতীয়ক স্তৰৰ স্বাস্থ্য যত্নৰ প্ৰতিষ্ঠান বুলি কোৱা হয়। এইবোৰে প্ৰাথমিক স্বাস্থ্য যত্নৰ সুবিধা আগবঢ়োৱাৰ লগতে কিছু পৰিমাণে উচ্চখাপৰ চিকিৎসাৰ সুবিধাও প্ৰদান কৰে। দ্বিতীয়ক স্তৰৰ স্বাস্থ্যকেন্দ্ৰসমূহৰ বেছিভাগেই জিলা সদৰ বা ডাঙৰ চহৰত অৱস্থিত। যিবোৰ হাস্পতালত উচ্চ স্তৰৰ সা-সৰঞ্জাম তথা ঔষধৰ ব্যৱস্থা আছে আৰু প্ৰাথমিক তথা দ্বিতীয়ক স্তৰৰ স্বাস্থ্যকেন্দ্ৰই নোৱৰা সকলো ধৰণৰ জটিল স্বাস্থ্য বিষয়ক সমস্যা হাতত লোৱাৰ সুবিধা আছে সেইবোৰ হাস্পতাল তৃতীয়ক স্তৰৰ স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্ভুক্ত।



এটা শিশুক পলিঅ' প্ৰতিষেধক খুওৱা হৈছে

তৃতীয়ক খণ্ডই ভাৰতবৰ্ষৰ কেইবাখনো আগশাৰীৰ এনে প্ৰতিষ্ঠানক সামৰি লৈছে যিবোৰে উন্নত গুণমান বিশিষ্ট চিকিৎসা বিষয়ক শিক্ষা প্ৰদান আৰু গৱেষণা চলোৱাই নহয়, বিশেষীকৃত (Specialised) স্বাস্থ্য যতনো আগবঢ়াই আহিছে। এনে প্ৰতিষ্ঠান কিছুমান হ'ল— All India Institute of Medical Science, New Delhi, Post Graduate Institute, Chandigarh, Jawaharlal Institute of Post Graduate Medical Education and Research, Pondicherry, National Institute of Mental Health and Neuro Sciences, Bangalore and All India Institute of Hygiene and Public Health, Kolkata.

**উৎস ঃ** Report of the National Commission on Macro economics and Health 2005.

**কক্ষ নং 8.6**

**চিকিৎসা পৰ্যটন ঃ এক ডাঙৰ সুযোগ**

**(Medical Tourism : A Great Opportunity)**

দূৰদৰ্শন আৰু বাতৰিকাকতৰ যোগেদি তোমালোকে খুব সম্ভৱ জানিব পাৰিছা যে দলে দলে বিদেশী পৰ্যটক চিকিৎসা সেৱাৰ সুবিধা ল'বলৈ ভাৰতলৈ আহে। বিশেষকৈ শল্য চিকিৎসা, যকৃত সংৰোপণ (Liver Transplantation), দন্ত চিকিৎসা আৰু সৌন্দৰ্য বৰ্ধক যত্নৰ বাবে তেওঁলোক ভাৰতলৈ আহে। ইয়াৰ কাৰণ এয়ে যে আমাৰ দেশৰ চিকিৎসা সেৱাই শেহতীয়া চিকিৎসা প্ৰযুক্তি বিদ্যা আৰু অৰ্হতাসম্পন্ন বিশেষজ্ঞৰ সংমিশ্ৰণ ঘটাইছে আৰু একেধৰণৰ চিকিৎসা সেৱা তেওঁলোকৰ নিজ নিজ দেশৰ তুলনাত ভাৰতবৰ্ষত কম খৰচী। 2004-05 চনত প্ৰায় 1,50,000 বিদেশী ভাৰতলৈ চিকিৎসাৰ বাবে আহে। প্ৰতিবছৰে এই সংখ্যা 15% কৈ বাঢ়িব বুলি ঠাৰৰ কৰা হৈছে। বিশেষজ্ঞসকলে ধাৰণা কৰা মতে 2012 চনত ভাৰতবৰ্ষই স্বাস্থ্য পৰ্যটনৰ পৰা প্ৰায় 100 বিলিয়নতকৈও অধিক ধন উপাৰ্জন কৰিবলৈ সক্ষম হ'ব। অধিক সংখ্যক বিদেশী পৰ্যটকক আকৰ্ষণ কৰিবলৈ আমাৰ স্বাস্থ্য আন্তঃগাঁথনি উন্নত কৰিব পাৰি।

ওপৰতে নিৰ্ভৰ কৰিব পাৰে বাবে স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰী হাস্পতালসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ।

### ভাৰতীয় চিকিৎসা প্ৰণালী (Indian System of Medicine) :

ভাৰতবৰ্ষত মুঠতে ছয়টা চিকিৎসা প্ৰণালী প্ৰচলিত। এইবোৰ হ'ল আয়ুৰ্বেদ (Ayurveda), যোগ (Yoga), ইউনানী (Unani), সিদ্ধ (Siddha), প্ৰাকৃতিক চিকিৎসা (Naturopathy) আৰু হোমিঅ'প্যাথি (Homeopathy) যাক চমুকৈ AYUSH বুলি জনা যায়। সম্প্ৰতি ভাৰতীয় চিকিৎসা প্ৰণালীৰ 3004 খন হাস্পতাল, 23,028 খন ডাক্তৰখানা আৰু 6,11,431 জন পঞ্জীয়নভুক্ত চিকিৎসক আছে। কিন্তু শিক্ষাক মান বিশিষ্ট কৰিবলৈ বা গৱেষণা আগবঢ়াই নিয়াৰ বাবে প্ৰয়োজনীয় আধাৰ সৃষ্টিৰ ক্ষেত্ৰত বিশেষ একো হোৱা নাই। ভাৰতীয় চিকিৎসা প্ৰণালীৰ প্ৰচুৰ সম্ভাৱনা আছে আৰু ই আমাৰ স্বাস্থ্য বহুলাংশে সমাধান কৰিব পাৰে। কিয়নো এই পদ্ধতি ফলপ্ৰসু, নিৰাপদ আৰু কম খৰচী।

### স্বাস্থ্য আৰু স্বাস্থ্য আন্তঃগাঁথনিৰ নিৰ্দেশকসমূহ ঃ এক সমালোচনাত্মক মূল্যায়ন (Indicators of Health and Health Infrastructure : A Critical Appraisal) :

আগত উল্লেখ কৰাৰ দৰে এখন দেশৰ স্বাস্থ্য সম্পৰ্কীয় অৱস্থাৰ মূল্যায়ন সেই দেশত শিশুৰ মৃত্যু

**কক্ষ নং 8.7**

**স্বাস্থ্য যতনৰ সমূহীয়া আৰু অ-মুনাফামুখী সংস্থাসমূহ**

**(Community and Non-Profit Organisations in Health Care)**

উন্নতমানৰ স্বাস্থ্য যতন ব্যৱস্থাৰ অন্যতম দিশ হ'ল সামূহিক অংশগ্ৰহণ। জনসাধাৰণক প্ৰশিক্ষণ দি প্ৰাথমিক স্বাস্থ্যযতন ব্যৱস্থাৰ লগত জড়িত কৰিব পৰাৰ ধাৰণাৰে ই পৰিচালিত। ভাৰতবৰ্ষৰ বহু অঞ্চলত ইতিমধ্যে এই ব্যৱস্থাক কামত লগোৱা হৈছে। আহমেদাবাদৰ SEWA আৰু নিলগিৰীৰ ACCORD আদি অনা-চৰকাৰী সংস্থা (NGO)সমূহ এইক্ষেত্ৰত উদাহৰণ হ'ব পাৰে। শ্ৰমিক সংস্থাবোৰেও তেওঁলোকৰ সদস্যসকলৰবাবে এক বিকল্প স্বাস্থ্য যতন ব্যৱস্থা গঢ়ি তুলিছে। এনে ব্যৱস্থাৰ যোগেদি ওচৰ-পাজৰৰ গাঁৱৰ লোকসকলেও কম খৰচী আৰু যথোচিত চিকিৎসাৰ সুবিধা পায়। মধ্য প্ৰদেশৰ দুৰ্গ (Durg)ত 1983 চনত স্থাপিত SHAHID হাস্পতাল এইক্ষেত্ৰত বিখ্যাত আৰু অগ্ৰণী প্ৰচেষ্টা। এই হাস্পতালখন বহনক্ষম কৰি তুলিছে ছট্টিশগড় খনি শ্ৰমিক সংঘ (CMSS : Chattisgarh Mines Sramik Sangh)ই। গ্ৰামাঞ্চলৰ কিছুসংখ্যক সংগঠনেও বিকল্প স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত অলপ আগভাগ লোৱাৰ প্ৰচেষ্টা দেখা গৈছে। উদাহৰণ স্বৰূপে মহাৰাষ্ট্ৰৰ থানেত জনজাতীয় লোকসকলৰ Kashtakari Sangathan নামৰ এটা অনুষ্ঠান আছে। ইয়াত গাঁও পৰ্যায়ৰ মহিলা স্বাস্থ্য কৰ্মীসকলক সামান্য খৰচতে সাধাৰণ অসুখ-বিসুখৰ চিকিৎসাৰ প্ৰশিক্ষণ দিয়া হয়।

**তালিকা ঃ 8.4**

**অন্যান্য দেশৰ তুলনাত ভাৰতৰ স্বাস্থ্য নিৰ্দেশক**

| নিৰ্দেশক | ভাৰত | চীন | আমেৰিকা যুক্তৰাষ্ট্ৰ | শ্ৰীলংকা |
|---|---|---|---|---|
| শিশুৰ মৃত্যু-হাৰ (প্ৰতি হাজাৰ নৱজাত শিশুৰ হিচাপত) | 68 | 30 | 2 | 8 |
| পাঁচ বছৰৰ অনূৰ্ধ্ব শিশুৰ মৃত্যু হাৰ (প্ৰতি হাজাৰ শিশুৰ হিচাপত) | 87 | 37 | 8 | 15 |
| কুশলী পৰিচাৰিকাৰ দ্বাৰা জন্ম | 43 | 97 | 99 | 97 |
| সম্পূৰ্ণ ৰূপে টীকাকৰণ হোৱা | 67 | 84 | 93 | 99 |
| মুঠ ঘৰুৱা উৎপাদনৰ শতকৰা হিচাপত স্বাস্থ্য খণ্ডত হোৱা খৰচ | 4.8 | 5.8 | 14.6 | 3.7 |
| মুঠ খৰচত চৰকাৰৰ অংশ (শতকৰা) | 21.3 | 33.7 | 44.9 | 48.7 |
| মুঠ চৰকাৰী ব্যয়ত স্বাস্থ্য ব্যয়ৰ অংশ (শতকৰা) | 4.4 | 10 | 23.1 | 6 |
| আন্তৰ্জাতিক ডলাৰৰ হিচাপত স্বাস্থ্যত জনমূৰি ব্যয় | 96 | 261 | 5274 | 131 |

হাৰ (Infant Mortality Rate), প্ৰসূতি মৃত্যুৰ হাৰ (Maternal Mortality Rate), জীৱন প্ৰত্যাশা (Life Expectancy) আৰু পৰিপুষ্টিৰ স্তৰ (Nutrition Level)ৰ লগতে সংক্ৰমিত আৰু অসংক্ৰমিত ৰোগৰ ঘটনা আদি নিৰ্দেশকৰ দ্বাৰা কৰা হয়। কেতবোৰ স্বাস্থ্য নিৰ্দেশক আৰু ইহঁতৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ স্থান তালিকা নং 8.4ত দেখুওৱা হৈছে।

পণ্ডিতসকলৰ মতে আমাৰ দেশৰ স্বাস্থ্য খণ্ডত অধিক পৰিসৰৰ চৰকাৰী ভূমিকাৰ প্ৰয়োজন আছে। উদাহৰণ স্বৰূপে তালিকাখনৰ পৰা জানিব পাৰি যে ভাৰতবৰ্ষত মুঠ ঘৰুৱা উৎপাদনৰ (GDP) মাত্ৰ 5 শতাংশহে স্বাস্থ্যখণ্ডত ব্যয় কৰা হয়। এই হিচাপ উন্নত আৰু উন্নয়নশীল উভয়বিধ দেশৰ তুলনাত অতি নিম্ন।

এটি অধ্যয়নৰ পৰা পোৱা গৈছে যে পৃথিৱীৰ মুঠ জনসংখ্যাৰ প্ৰায় 17% ভাৰতত বাস কৰে; কিন্তু মুঠ গোলকীয় বেমাৰৰ বোজা (Global Burden of Disease : GBD)ৰ ভয়াবহ 20% ভাৰতে বহন কৰি আছে। GBD হ'ল বিশেষজ্ঞসকলে ব্যৱহাৰ কৰা এক নিৰ্দেশক যাৰ সহায়ত কোনো এটা নিৰ্দিষ্ট ৰোগত অকালতে প্ৰাণ হেৰুওৱা লোকৰ সংখ্যাৰ জোখ ল'ব পাৰি। লগতে এনে ৰোগীসকলে অক্ষম হৈ কটাবলগীয়া হোৱা বছৰৰ সংখ্যাও GBDৰ সহায়ত জানিব পৰা যায়।

ভাৰতবৰ্ষই মূৰপাতি লোৱা বিশ্ব বেমাৰৰ বোজাৰ আধাতকৈ বেছি অংশৰ কাৰণ হৈছে ডায়েৰিয়া, মেলেৰিয়া আৰু যক্ষ্মা আদি সংক্ৰিমত ৰোগ। প্ৰতি বছৰে প্ৰায় পাঁচ লাখ শিশু পানীৰ পৰা হোৱা বিভিন্ন ৰোগত মৃত্যু মুখত পৰে। (AIDS) এইড্‌ছ ৰোগৰ ভয়াবহতায়ো বৃহৎ আকাৰত ছানি ধৰিছে। পুষ্টিহীনতা আৰু প্ৰতিষেধকৰ অযথোপযুক্ত যোগানৰ বাবে দেশত প্ৰতিবছৰে 2.2 নিযুত শিশু মৃত্যু মুখত পৰে। বৰ্তমান ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ 20% তকৈও কমেহে জনস্বাস্থ্য সেৱাৰ সুবিধা গ্ৰহণ কৰে। এক অধ্যয়ন অনুসৰি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰসমূহ (PHC)ৰ 38%-অত হে প্ৰয়োজনীয় সংখ্যক ডাক্তৰ আছে আৰু মাত্ৰ 30% প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰতহে পৰ্যাপ্ত পৰিমাণে ঔষধ মজুত আছে।

### নগৰীয়া-গ্ৰামীণ আৰু ধনী-দুখীয়াৰ বিভাজন (Rural-Urban & Poor-Rich Divide) :

যদিও ভাৰতৰ মুঠ জনসংখ্যাৰ 70% গ্ৰামাঞ্চলত বাস কৰে, দেশখনৰ মুঠ হাস্পতালৰ মাত্ৰ $\frac{1}{5}$ অংশহে গ্ৰামাঞ্চলত অৱস্থিত। আকৌ মুঠ ডাক্তৰখানা (Dipensary)ৰ আধাসংখ্যকহে গ্ৰামীণ ভাৰতত অৱস্থিত। প্ৰায় সাত লাখ বিছনাৰ ভিতৰত প্ৰায় 11% হে গ্ৰামাঞ্চলত উপলব্ধ। গতিকে দেখা গৈছে যে গ্ৰামাঞ্চলৰ লোকসকল যথোচিত স্বাস্থ্য আন্তঃগাঁথনিৰ পৰা বঞ্চিত হৈছে। ইয়াৰ ফলত স্বাস্থ্য অৱস্থাৰ ক্ষেত্ৰত মানুহৰ মাজত প্ৰভেদৰ সৃষ্টি হৈছে।

গাঁও অঞ্চলত প্ৰতি লাখ জনসংখ্যাৰ বাবে 0.36 খন হাস্পতাল আছে। অথচ চহৰ অঞ্চলত এই হিচাপ হৈছে 3.6 খন। গ্ৰামাঞ্চলৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত আনকি এক্স-ৰে (X-Ray) বা ৰক্ত পৰীক্ষা আদিৰ সুবিধাও নাই। চহৰাঞ্চলৰ

## কৰি চোৱা (Work These Out)

- তোমাৰ অঞ্চল বা চুবুৰীয়া অঞ্চলত থকা প্ৰাথমিক হাস্পতালসমূহ ভ্ৰমণ কৰা। তোমাৰ এলেকাৰ ব্যক্তিগত চিকিৎসালয়ৰ সংখ্যা চিকিৎসা বিষয়ক পৰীক্ষাগাৰ, স্কেন কেন্দ্ৰ (Scan Centre), চিকিৎসা বিষয়ক দোকান আৰু অন্যান্য এনেধৰণৰ সা-সুবিধা সম্পৰ্কে বিস্তাৰিতভাৱে তথ্য সংগ্ৰহ কৰা।
- তলৰ বিষয়টোৰ ওপৰত শ্ৰেণীত বিতৰ্ক অনুষ্ঠিত কৰা।
- "প্ৰতি বছৰে আমাৰ চিকিৎসা মহাবিদ্যালয়সমূহৰ পৰা উত্তীৰ্ণ হোৱা হাজাৰ হাজাৰ চিকিৎসা স্নাতকসকলে আগবঢ়োৱা স্বাস্থ্যসেৱা পাবলৈ সক্ষম নোহোৱা দুখীয়া লোকসকলৰ যত্ন ল'বলৈ আমি ধাই (Midwives)ৰ এটা বাহিনী গঢ়ি তোলা উচিতনে?"
- এটি অধ্যয়ন অনুসৰি কেৱল মাত্ৰ স্বাস্থ্য সেৱাৰ খৰচে প্ৰতি বছৰে মুঠ জনসংখ্যাৰ 2.2%-অক দাৰিদ্ৰ্য সীমাৰেখাৰ তললৈ ঠেলি পঠিয়ায়। এইটো কেনেকৈ হয় আলোচনা কৰা।
- তোমাৰ অঞ্চলৰ দুই-এখন হাস্পতাললৈ যোৱা। এই হাস্পতালসমূহৰ পৰা কিমান সংখ্যক শিশুৱে টীকাকৰণৰ সুবিধা লাভ কৰিছে তাৰ হিচাপ লোৱা। হাস্পতালৰ কৰ্মচাৰীক সুধি পাঁচ বছৰৰ আগতে কিমান শিশুৰ টীকাকৰণ হৈছিল তাৰ হিচাপ লোৱা। তুমি লাভ কৰা সৰিশেষ তথ্য শ্ৰেণীত আলোচনা কৰা।
- অসমৰ দুজন বিদ্যাৰ্থী ক্ৰমে লীনা তালুকদাৰ (16) আৰু সুশান্ত মহন্ত (16) ই এটা মহখেদা জাগ (Jag)ৰ উদ্ভাৱন কৰিছিল। তেওঁলোকে এইটো স্থানীয়ভাৱে পোৱা কিছুমান ভেষজ উদ্ভিদ, ধানখেৰ, তুঁহ আৰু শুকান জাৱৰ-জোঁথৰেৰে প্ৰস্তুত কৰিছিল। তেওঁলোকৰ সম্পৰীক্ষাটো সফলকাম হৈছিল। [Shodh Yatra (Innovation), Yojana, 2005]

  নিজৰ উদ্ভাৱনী প্ৰক্ৰিয়াৰ দ্বাৰা মানুহৰ স্বাস্থ্যৰ উন্নতি কৰাত সফল হোৱা নতুবা ভেষজ উদ্ভিদৰ জ্ঞানৰ জৰিয়তে মানুহৰ ৰোগ নিৰাময় কৰা কোনো লোকক জানা যদি তেওঁৰ লগত কথা পাতা। এনে ব্যক্তিয়ে কিয় আৰু কেনেকৈ ৰোগৰ চিকিৎসা কৰে সেই সম্পৰ্কে তথ্য আহৰণ কৰা বা তেনেলোকক বিদ্যালয়লৈ নিমন্ত্ৰণ কৰি আনা। সংগৃহীত তথ্যসমূহ শ্ৰেণীৰ আনসকলৰ লগত আদান-প্ৰদান কৰা। এই সম্পৰ্কত তুমি স্থানীয় বাতৰি কাকত আৰু আলোচনীতো লিখিব পাৰা।
- চিকিৎসা-পৰ্যটকক অধিক আকৰ্ষণ কৰিব পৰাকৈ ভাৰতৰ মহানগৰসমূহত বিশ্বমানৰ স্বাস্থ্য আন্তঃগাঁথনি উপলব্ধ কৰা উচিত বুলি ভাবানে? অথবা তুমি ভাবা নেকি যে চৰকাৰে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ বাবেহে স্বাস্থ্য আন্তঃগাঁথনি গঢ়ি তোলাত মনোনিৱেশ কৰা উচিত? চৰকাৰে কোনটো বিষয়ক অগ্ৰাধিকাৰ দিয়া উচিত? বিতৰ্ক আগবঢ়োৱা।
- তোমাৰ অঞ্চলত স্বাস্থ্য সেৱা বিষয়ত কাম কৰি থকা অনা চৰকাৰী সংস্থা (NGO)সমূহ বিচাৰি উলিওৱা। এইসমূহ সংস্থাৰ কাম-কাজৰ ওপৰত তথ্য সংগ্ৰহ কৰা আৰু এই তথ্যসমূহ শ্ৰেণীত আলোচনা কৰা।

**কৰি চোৱা (Work These Out)**

- যোৱা কেইবা বছৰো ধৰি ভাৰতবৰ্ষৰ স্বাস্থ্য সম্পৰ্কীয় সামগ্ৰিক অৱস্থাৰ নিশ্চিতভাৱে উন্নতি ঘটিছে। জীৱন প্ৰত্যাশা বৃদ্ধি পাইছে, শিশুৰ মৃত্যু হাৰ নিম্নগামী হৈছে, বৰ আই নিৰ্মূল হৈছে আৰু কুষ্ঠ তথা পলিঅ' নিৰ্মূলকৰণৰ লক্ষ্যত উপনীত হ'ব পাৰিব যেন লাগিছে। আছুতীয়াভাৱে চালে এই পৰিসংখ্যাবোৰ উৎসাহজনক, কিন্তু ইহঁতক পৃথিৱীৰ অন্য দেশসমূহৰ অনুৰূপ তথ্যৰ লগত তুলনা কৰাচোন। কি মন কৰিছা ?
- তোমাৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক এমাহ ধৰি পৰ্যবেক্ষণ কৰা আৰু তেওঁলোকৰ কিছুমান শ্ৰেণীত অনুপস্থিত থকাৰ কাৰণ বিচাৰি উলিওৱা। স্বাস্থ্যজনিত সমস্যা এনে অনুপস্থিতিৰ কাৰণ হ'লে তেওঁলোকৰ এনেধৰণৰ সমস্যাসমূহ কি কি বিচাৰি উলিওৱা। ৰোগ সমস্যা, হাতত লোৱা চিকিৎসাৰ প্ৰকৃতি আৰু চিকিৎসাৰ বাবদ অভিভাৱকসকলে কৰা ব্যয় সম্পৰ্কত সবিশেষ তথ্য সংগ্ৰহ কৰা। তথ্যসমূহ শ্ৰেণীত আলোচনা কৰা।

লোকসকলে এইবোৰক প্ৰাথমিক স্বাস্থ্য যতন ব্যৱস্থা বুলি বিবেচনা কৰে। স্বাস্থ্য সেৱাৰ সুবিধাৰ ক্ষেত্ৰত ৰাজস্থান, বিহাৰ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ আদি ৰাজ্যসমূহ তুলনামূলকভাৱে পিছপৰি আছে। 1986 চনত গাঁও অঞ্চলত উপযুক্ত স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত লোকৰ হিচাপ আছিল 15%। 2003 চনত এই হিচাপ 24% লৈ বৃদ্ধি পাইছে।

গাঁওবাসীয়ে শিশুৰোগ (Paediatrics), স্ত্ৰীৰোগ (Gynaecology) আৰু বন্ধ্যাত্ব (Obstetrics), এনাস্থেছিয়া (Anaesthesia) আদি বিশেষীকৃত চিকিৎসাসমূহৰ সুবিধা নাপায়। 165



চিত্ৰ নং 8.10 ঃ বিভিন্ন স্বাস্থ্য যতন সুবিধা গ্ৰহণ কৰা সত্ত্বেও মাতৃ স্বাস্থ্য এতিয়াও এক উদ্বেগৰ কাৰণ।

খন স্বীকৃতিপ্ৰাপ্ত চিকিৎসা মহাবিদ্যালয়ৰ পৰা বছৰি 12 হাজাৰ চিকিৎসা স্নাতক সৃষ্টি হয় যদিও গ্ৰামাঞ্চলত এতিয়াও ডাক্তৰৰ অভাৱ চলি আছে। স্নাতক ডাক্তৰসকলৰ এক পঞ্চমাংশই অধিক মুদ্ৰাৰ আশাত স্বদেশ এৰি গুছি যায় আৰু বৈ যোৱাসকলৰ বেছিভাগেই কাৰ্যক্ষেত্ৰ হিচাপে ব্যক্তিগত চিকিৎসালয়সমূহ বাছি লয়, যিবোৰৰ প্ৰায়ভাগেই নগৰাঞ্চলত অৱস্থিত।

ভাৰতবৰ্ষৰ চহৰ আৰু গ্ৰামাঞ্চলৰ আটাইতকৈ দুখীয়া 20% লোকে তেওঁলোকৰ আয়ৰ 12% চিকিৎসাসেৱাৰ বাবদ ব্যয় কৰে। আনহাতে ধনী লোকসকলে এই ক্ষেত্ৰত কৰা ব্যয় হ'ল তেওঁলোকৰ আয়ৰ মাত্ৰ 2%। গতিকে প্ৰশ্ন হয় দুখীয়া লোকে বেমাৰত পৰিলে কি অৱস্থা হয়? চিকিৎসাৰ বাবে বহুতে মাটি-বাৰী বিক্ৰী কৰিবলগীয়া হয় অথবা ল'ৰা-ছোৱালীকো আনৰ ঘৰত চাকৰ থ'বলগীয়া হয়। যিহেতু চৰকাৰী হাস্পতালসমূহে পৰ্যাপ্ত চিকিৎসা সুবিধা প্ৰদান কৰিব নোৱাৰে, দুখীয়া লোকসকলে ব্যক্তিগত চিকিৎসালয়লৈ যাবলগীয়া হয়। গতিকে চিকিৎসা ব্যয়ৰ বোজাৰ বাবে এই লোকসকল চিৰজীৱনৰ বাবে ঋণগ্ৰস্ত হয়। অন্যথাই তেওঁলোক মৃত্যুমুখত পৰিব।

**মহিলাৰ স্বাস্থ্য ঃ**

ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ প্ৰায় আধা মহিলা। কিন্তু পুৰুষৰ তুলনাত তেওঁলোকে শিক্ষা, আৰ্থিক কাৰ্যত অংশগ্ৰহণ আৰু স্বাস্থ্য যতনৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। দেশখনত শিশু লিঙ্গৰ অনুপাত 1991 চনত আছিল 945। 2001 চনৰ লোকপিয়লত ই 927 লৈ হ্ৰাস পাইছে। এইটোৱে দেশখনত ঘটি থকা কন্যা ভ্ৰূণ হত্যাৰ কথাকে বুজাইছে। 15 বছৰ বয়সৰ তলত প্ৰায় 3,00,000 জনী ছোৱালী কেৱল বিবাহিতাই নহয় তেওঁলোকৰ প্ৰত্যেকে অতি কমেও এটিকৈ সন্তানৰ মাতৃ। 15ৰ পৰা 49 বছৰ বয়সৰ ভিতৰৰ 50%ৰো অধিক বিবাহিতা মহিলাই পুষ্টিহীনতা আৰু লৌহৰ অভাৱত হোৱা ৰক্তহীনতাত ভোগে। ইয়েই মুঠ প্ৰসূতি মৃত্যুৰ 19% কাৰণ। গৰ্ভপাতো ভাৰতবৰ্ষৰ মাতৃ মৃত্যু আৰু ৰোগ প্ৰৱণতাৰ অন্যতম প্ৰধান কাৰণ।

স্বাস্থ্য হৈছে এটা গুৰুত্বপূৰ্ণ ৰাজহুৱা দ্ৰব্য আৰু মৌলিক মানৱ অধিকাৰ। চৰকাৰী স্বাস্থ্যসেৱাৰ বিকেন্দ্ৰীকৰণ হ'লে সকলো নাগৰিকেই উন্নত স্বাস্থ্যসেৱাৰ সুবিধা ল'ব পাৰিব। ৰোগৰ সৈতে দীৰ্ঘকালীন সংগ্ৰামৰ সফলতা নিৰ্ভৰ কৰে শিক্ষা আৰু সুদক্ষ স্বাস্থ্য আন্তঃগাঁথনিৰ ওপৰত। গতিকে স্বাস্থ্য আৰু স্বাস্থ্যবিধি সম্পৰ্কে সজাগতাৰ সৃষ্টি কৰা আৰু দক্ষ ব্যৱস্থা উপলব্ধ কৰোৱাটো অতি গুৰুত্বপূৰ্ণ। এনে প্ৰক্ৰিয়াত টেলি সংযোগ আৰু তথ্য-প্ৰযুক্তি খণ্ডৰ ভূমিকাক অৱহেলা কৰিব নোৱাৰি। বিভিন্ন ধৰণৰ স্বাস্থ্য আঁচনি সমূহৰ ফলপ্ৰসূতা নিৰ্ভৰ কৰে প্ৰাথমিক স্বাস্থ্য যতন সমূহৰ ওপৰত। জনসাধাৰণক এক উন্নত জীৱনৰ মান বৈশিষ্ট্যলৈ আগুৱাই যোৱাত সহায় কৰাটোৱে স্বাস্থ্য আঁচনিসমূহৰ চূড়ান্ত লক্ষ্য হোৱা উচিত। চৰকাৰী-বেচৰকাৰী যুটীয়া অংশীদাৰে (Public Private Partnership) ঔষধ আৰু চিকিৎসা সেৱা উভয় ক্ষেত্ৰতে বিশ্বাসযোগ্যতা, গুণগতমান আৰু সহজলভ্যতাৰ ফলপ্ৰসূ নিশ্চিতি প্ৰদান কৰিব পাৰে। ভাৰতবৰ্ষত গাঁও আৰু চহৰৰ স্বাস্থ্যসেৱাৰ মাজত সুস্পষ্ট পাৰ্থক্য চকুত পৰে। ক্ৰমান্বয়ে তীব্ৰতৰ হোৱা এই বিভাজন যদি আমি অস্বীকাৰ কৰি গৈ থাকো তেনেহ'লে আমাৰ দেশৰ আৰ্থ সামাজিক

গাঁথনি অস্থিৰ হোৱাৰ শংকা চলি থাকিব। সকলোলৈকে মৌলিক স্বাস্থ্য যতন উপলব্ধ কৰাবলৈ হ'লে আমাৰ মৌলিক স্বাস্থ্য আন্তঃগাঁথনিত সুলভতা আৰু সক্ষমতাৰ সমন্বয় ঘটাব লাগিব।

## সামৰণি ঃ

এখন দেশৰ উন্নয়নৰ বাবে সামাজিক আৰু অৰ্থনৈতিক এই উভয়বিধ আন্তঃগাঁথনিয়ে অতিশয় জৰুৰী। এক সহায়কাৰী ব্যৱস্থা হিচাপে ই উপাদানসমূহৰ উৎপাদনশীলতা বৃদ্ধি আৰু জীৱনৰ মান বৈশিষ্ট্য উন্নত কৰি সকলো আৰ্থিক কাম কাজক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে।

স্বাধীনতাৰ পিছত যোৱা দুটা দশক জুৰি ভাৰতবৰ্ষই আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰসৰ হৈছে যদিও ইয়াৰ বিতৰণ অসমতাপূৰ্ণ। গ্ৰামীণ ভাৰতৰ বহু অংশত এতিয়াও ৰাস্তা-ঘাট, টেলিসংযোগ ব্যৱস্থা, বিদ্যুৎ, স্কুল, হাস্পতাল আদিৰ সু-ব্যৱস্থা নাই। আধুনিকীকৰণৰ দিশত আগবাঢ়ি যোৱাৰ লগে লগে দেশখনৰ মান বিশিষ্ট আন্তঃগাঁথনিৰ বৰ্ধিত চাহিদা ই বিলাকৰ পাৰিৱেশিক প্ৰভাৱৰ প্ৰতি মনযোগ ৰাখি পূৰণ কৰিব লাগিব। অৰ্থনৈতিক সংস্কাৰ নীতিত থকা বিভিন্ন ৰেহাই আৰু উদগনিমূলক ব্যৱস্থাৱলীৰ জৰিয়তে সাধাৰণভাৱে বেচৰকাৰী খণ্ড আৰু বিশেষতঃ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ লক্ষ্য লোৱা হৈছে। শক্তি আৰু স্বাস্থ্য এই দুই আন্তঃগাঁথনিৰ মূল্যায়ন কৰিলে এইটো স্পষ্ট হৈ উঠে যে সকলোৰে বাবে সমভাৱে আন্তঃগাঁথনিত প্ৰৱেশাধিকাৰৰ সুযোগ আছে।

### পুনৰুক্তি (Recap)

- আন্তঃগাঁথনি হৈছে ভৌতিক সা-সুবিধা আৰু ৰাজহুৱা সেৱাৰ এক নেটৱৰ্ক (Network)। লগতে ইয়াক সহায় কৰাৰ বাবে সামাজিক আন্তঃগাঁথনিও সমানে গুৰুত্বপূৰ্ণ। আন্তঃগাঁথনি হৈছে এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ এটা গুৰুত্বপূৰ্ণ ভেঁটি।
- উচ্চ অৰ্থনৈতিক বৃদ্ধিৰ হাৰ বজাই ৰাখিবলৈ সময়ে সময়ে আন্তঃগাঁথনিৰ উত্তৰণ ঘটোৱাৰ প্ৰয়োজন। শেহতীয়াভাৱে উন্নত আন্তঃগাঁথনিমূলক সা-সুবিধাই ভাৰতবৰ্ষলৈ অধিক বৈদেশিক বিনিয়োগ আৰু পৰ্যটকক আকৰ্ষিত কৰিছে।
- গ্ৰাম্য আন্তঃগাঁথনিমূলক সা-সুবিধাৰ উন্নতি ঘটোৱাটো প্ৰয়োজনীয়।
- আন্তঃগাঁথনিমূলক উন্নয়নৰ বাবে প্ৰয়োজন হোৱা শকত পুঁজিৰ বাবে চৰকাৰী-বেচৰকাৰী অংশীদাৰী আৱশ্যক।
- ক্ষিপ্ৰ অৰ্থনৈতিক বৃদ্ধিৰ বাবে শক্তি যথেষ্ট গুৰুত্বপূৰ্ণ। ভাৰতবৰ্ষত বিদ্যুতৰ চাহিদা আৰু যোগানৰ মাজত এক বিৰাট ব্যৱধান পৰিলক্ষিত হয়।
- শক্তিৰ নাটনি পূৰোৱাৰ ক্ষেত্ৰত অ-পৰম্পৰাগত শক্তিৰ উৎসসমূহে যথেষ্ট সহায় কৰিব পাৰে।

- উৎপাদন, প্ৰেৰণ আৰু বিতৰণ ক্ষেত্ৰত শক্তিখণ্ডই নানা সমস্যাৰ সন্মুখীন হৈ আছে।
- স্বাস্থ্য হৈছে মানুহৰ শাৰীৰিক আৰু মানসিক মংগলৰ জোখমাৰি।
- স্বাধীনতাৰ পাছৰে পৰা ভাৰতবৰ্ষৰ স্বাস্থ্য সেৱাৰ ভৌতিক ব্যৱস্থাৱলীৰ লক্ষণীয় সম্প্ৰসাৰণ ঘটিছে আৰু স্বাস্থ্য নিৰ্দেশকসমূহৰ উত্তৰণ ঘটিছে।
- জনসংখ্যাৰ বৃহদাংশৰ বাবেই জনস্বাস্থ্য ব্যৱস্থা আৰু সা-সুবিধাসমূহ যথোপযুক্ত নহয়।
- স্বাস্থ্য যতনৰ সা-সুবিধাসমূহ ব্যৱহাৰৰ ক্ষেত্ৰত ধনী আৰু দুখীয়া লোকৰ মাজত আৰু লগতে গাঁও আৰু চহৰাঞ্চলৰ মাজত এক বৃহৎ ব্যৱধান দৃষ্টিগোচৰ হয়।
- কন্যাভ্ৰূণ হত্যা আৰু কন্যা শিশুৰ মৃত্যুৰ বৰ্ধিত ঘটনাৰ বাবে সমগ্ৰ দেশজুৰি মহিলা স্বাস্থ্য এক গভীৰ উদ্বেগৰ বিষয় হৈ উঠিছে।
- ব্যক্তিগত খণ্ডৰ নিয়ন্ত্ৰিত স্বাস্থ্য সেৱাই অৱস্থাৰ উত্তৰণ ঘটাব পাৰে; আৰু লগতে স্বাস্থ্য যতনৰ সা-সুবিধা প্ৰদান তথা স্বাস্থ্য সজাগতা বৃদ্ধিৰ বাবে অনা-চৰকাৰী সংস্থাসমূহ (NGOs)ৰ ভূমিকা আৰু সমূহীয়া অংশগ্ৰহণ যথেষ্ট গুৰুত্বপূৰ্ণ।
- চিকিৎসাৰ প্ৰাকৃতিক ব্যৱস্থাৱলীৰ অনুসন্ধান কৰি সেইবোৰক জনস্বাস্থ্যৰ সহায়ক হিচাপে ব্যৱহাৰ কৰিব লাগিব। ভাৰতবৰ্ষত স্বাস্থ্য পৰ্যটন বিকশিত কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে।



## অনুশীলনী (Exercise)

1. আন্তঃগাঁথনি কি ব্যাখ্যা কৰা।
2. আন্তঃগাঁথনিক বিভক্ত কৰা ভাগ দুটা ব্যাখ্যা কৰা। ইহঁত দুটা কেনেধৰণে পৰস্পৰ নিৰ্ভৰশীল?
3. আন্তঃগাঁথনিৰ সুবিধাই উৎপাদন বৃদ্ধিত কেনেকৈ অৰিহণা যোগায়?
4. "আন্তঃগাঁথনিয়ে এখন দেশৰ অৰ্থনৈতিক উন্নয়নত অৰিহণা যোগায়"। মন্তব্যটিত তুমি একমতনে? ব্যাখ্যা কৰা।
5. ভাৰতবৰ্ষৰ গ্ৰাম্য আন্তঃগাঁথনিৰ অৱস্থা কেনেকুৱা?
6. শক্তিৰ গুৰুত্ব কি? বাণিজ্যিক আৰু অ-বাণিজ্যিক শক্তি উৎসৰ মাজত পাৰ্থক্য দেখুওৱা।
7. শক্তি উৎপাদনৰ প্ৰাথমিক উৎস তিনিটা কি কি?
8. শক্তিৰ প্ৰেৰণ আৰু বিতৰণৰ ক্ষেত্ৰত হোৱা লোকচান বুলিলে তুমি কি বুজা? এই লোকচানৰ পৰিমাণ কেনেকৈ হ্ৰাস কৰিব পাৰি?

9. শক্তিৰ বিভিন্ন ধৰণৰ অ-বাণিজ্যিক উৎসবোৰ কি কি?
10. নবীকৰণ যোগ্য শক্তি উৎসৰ ব্যৱহাৰেৰে শক্তিৰ সংকট দূৰ কৰিব পৰা যায়। কথাষাৰ যুক্তিৰে প্ৰতিপন্ন কৰা।
11. যোৱা কেইটামান বছৰত কিদৰে শক্তি ব্যৱহাৰৰ ধৰণৰ পৰিৱৰ্তন হৈ আহিছে?
12. শক্তিৰ ব্যৱহাৰৰ হাৰ আৰু অৰ্থনৈতিক বৃদ্ধিৰ হাৰ কি দৰে সম্পৰ্কিত?
13. ভাৰতবৰ্ষৰ শক্তিখণ্ডই কি কি সমস্যাত ভুগি আছে?
14. ভাৰতবৰ্ষৰ শক্তি সংকট দূৰ কৰাৰ বাবে সম্প্ৰতি গ্ৰহণ কৰা সংস্কাৰসমূহৰ বিষয়ে আলোচনা কৰা।
15. আমাৰ দেশৰ জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি?
16. গোলকীয় বেমাৰৰ বোজা (Global Burden of Disease) বুলিলে কি বুজা?
17. আমাৰ দেশৰ স্বাস্থ্য যতন ব্যৱস্থাৰ প্ৰধান দুৰ্বলতাসমূহ আলোচনা কৰা।
18. আমাৰ দেশত মহিলাৰ স্বাস্থ্য এক গভীৰ চিন্তাৰ বিষয়। কিয়?
19. জনস্বাস্থ্যৰ অৰ্থ বুজাই লিখা। ৰোগ নিয়ন্ত্ৰণৰ বাবে শেহতীয়াভাৱে চৰকাৰে হাতত লোৱা জনস্বাস্থ্যৰ প্ৰধান ব্যৱস্থাৱলীৰ ওপৰত আলোচনা কৰা।
20. ভাৰতীয় চিকিৎসা শাস্ত্ৰৰ ছয়টা পদ্ধতি কি কি?
21. স্বাস্থ্য যতনৰ আঁচনিসমূহৰ ফলপ্ৰসূতা আমি কিদৰে বৃদ্ধি কৰিব পাৰোঁ?

## ওপৰঞ্চি কাৰ্যৰ পৰামৰ্শ (Suggested Additional Activities)

1. তুমি বাৰু এটা কথা জানানে যে তোমাৰ ঘৰত প্ৰতি মেগাৱাট বিদ্যুৎ শক্তি যোগান ধৰাৰ বাবদ 30-40 নিযুত টকা খৰচ কৰিব লগা হয়? এটা নতুন শক্তি প্ৰকল্প নিৰ্মাণ কৰাৰ বাবে বহু কোটি টকাৰ প্ৰয়োজন হয়। তোমাৰ ঘৰত শক্তিৰ ৰাহি কৰাৰ বাবে ই এটা যথোপযুক্ত কাৰণ নহয়নে? বিদ্যুৎ শক্তিৰ ৰাহি কৰা মানে মুদ্ৰা সঞ্চয় কৰা। দৰাচলতে বিদ্যুৎ শক্তিৰ উৎপাদনতকৈও ইয়াৰ ৰাহিৰ কথাটো বেছি গুৰুত্বপূৰ্ণ। প্ৰতিবাৰেই যেতিয়া বিদ্যুতৰ বিলখন তোমাৰ ঘৰত আহে, তোমাৰ নিশ্চয় অনুভৱ হয় যে তুমি চলাই থকা ইমানবোৰ বিজুলীবাতি (Lights) আৰু পাংখা (Fans)ৰ প্ৰয়োজন আচলতে নাই। সেয়েহে তোমাৰ সচেতনতা আৰু সাৱধানতাৰ প্ৰয়োজন। এই মুহূৰ্তৰ পৰাই ইয়াৰ আৰম্ভণি হোৱাটো উত্তম। তোমাৰ পৰিয়ালৰ অন্যান্যসকলকো এই প্ৰচেষ্টাত জড়িত কৰা আৰু সংঘটিত পাৰ্থক্য মন কৰা। তোমাৰ ঘৰত প্ৰতি মাহত ব্যৱহাৰ হোৱা বিদ্যুৎ শক্তিৰ পৰিমাণ লিপিবদ্ধ কৰা। শক্তি ৰাহিকাৰী কৌশল প্ৰয়োগ কৰাৰ পাছৰ বিলৰ পৰিমাণৰ পাৰ্থক্য লক্ষ্য কৰা।

2. তোমাৰ অঞ্চলত আন্তঃগাঁথনিৰ কি কি আঁচনিৰ অগ্ৰগতি চলি আছে চোৱা। তাৰ পিছত জানিবলৈ চেষ্টা কৰা—

   i) প্ৰতিখন আঁচনিত ধাৰ্য কৰা টকাৰ পৰিমাণ।
   ii) ইয়াৰ বাবে প্ৰয়োজনীয় বিত্তৰ যোগান ধৰা উৎস।
   iii) ই কিমান নিয়োগৰ সৃষ্টি কৰিব?
   iv) ই সম্পূৰ্ণ হৈ উঠিলে সামগ্ৰিকভাৱে লাভালাভ কি হ'ব?
   v) ইয়াৰ কাম সম্পূৰ্ণ হ'বলৈ কিমান সময় লাগিব?
   vi) ইয়াত নিয়োজিত কোম্পানী (সমূহ)।

3. ওচৰতে থকা তাপ শক্তি গোট/জল শক্তি গোট/আণৱিক শক্তি গোট ভ্ৰমণ কৰা। এই প্ৰকল্পসমূহে কিদৰে কাৰ্য সম্পাদন কৰে তাক জানি লোৱা।

4. শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন দলত ভাগ হৈ প্ৰতিটো দলে নিকটৱৰ্তী স্থানত শক্তিৰ ব্যৱহাৰ সম্পৰ্কে একোটা সমীক্ষা চলাব পাৰে। সমীক্ষাটোৰ উদ্দেশ্য হ'ল নিকটৱৰ্তী স্থানৰ লোকসকলে কি নিৰ্দিষ্ট ইন্ধন আটাইতকৈ বেছি ব্যৱহাৰ কৰে আৰু কিমান পৰিমাণত ইয়াক ব্যৱহাৰ কৰা হয় তাক জনাটো। ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দল সমূহে সংগৃহীত তথ্যৰ ওপৰত ভিত্তি কৰি লেখ অংকন কৰিব আৰু এই লেখসমূহ তুলনা কৰি কোনো বিশেষ ইন্ধনক প্ৰাধান্য দিয়াৰ সম্ভাব্য কাৰণ বিচাৰি উলিয়াব।

5. আধুনিক ভাৰতৰ শক্তি প্ৰতিষ্ঠান সমূহৰ কাৰিকৰ ডঃ হ'মি ভাবা (Dr. Homi Bhaba)ৰ জীৱন আৰু কৃতী অধ্যয়ন কৰা।

6. তলৰ বিষয়টিৰ ওপৰত শ্ৰেণীত এটি আলোচনা অনুষ্ঠান বা তৰ্কসভাৰ আয়োজন কৰা—

   "যুদ্ধৰত দেশসমূহে এখন অস্বাস্থ্যকৰ পৃথিৱীৰ সৃষ্টি কৰে, তেনেদৰে বিকৃত মানসিকতা আৰু ৰুদ্ধ মনে ৰুগ্ন মানসিক স্বাস্থ্যৰ সৃষ্টি কৰে।"



## প্ৰসঙ্গ (References)

**গ্ৰন্থ**

1. Jalan, Bimal (Ed). *The Indian Economy–Problems and Prospects.* Penguin Books, Delhi, 1993.
2. Kalam, A.P.J. Abdul with Y.S. Rajan, *2002. India 2020 : A vision for the New Millenium*, Penguin Books, Delhi.
3. Parikh, Kirit S. and Radhakrishna (Eds.) 2005. *India Development Report 2004–05.* Oxford University Press, Delhi.

### চৰকাৰী প্ৰতিবেদন (Government Reports)


i. The World Health Report, 2002. Reducing Risks, Promoting Healthy Life. World Health Organisation, Geneva.

ii. Report of the National Commission on Macro Economics and Health, Ministry of Health and Family Welfare, Government of India, New Delhi, 2005.

iii. Tenth Five Year Plan, Vol-2, Planning Commission, Government of India, New Delhi, 2005.

iv. The India Infrastructure Report : Policy Imperatives for Growth and Welfare 1996. Expert group on the commercialization of Infrastructure Projects. Vols-1, 2 and 3, Ministry of Finance, Govt. of India, New Delhi.

v. World Development Report 2004, The World Bank, Washington D.C.

vi. India Infrastructure Report 2004. Oxford University Press, New Delhi.

vii. Economic Survey 2004-05. Ministry of Finance, Govt. of India.


### ৱেব ছাইট (Websites)

**শক্তি সম্পৰ্কীয় বিষয়ৰ বাবে**


www.pcra.org

www.bee-india.com

www.edugreen.teri.res.in

http://powermin.nic.in


**স্বাস্থ্য সম্পৰ্কীয় বিষয়ৰ বাবে**


http://www.aiims.edu

http://www.whoindia.org

http://mohfw.nic.in

www.apollohospitalsgroup.com

9

# নৱম অধ্যায়

# পৰিৱেশ আৰু বহনক্ষম উন্নয়ন
## (ENVIRONMENT AND SUSTAINABLE DEVELOPMENT)

**এই অধ্যায়টো অধ্যয়নৰ পিছত, ছাত্ৰ-ছাত্ৰীসকলে—**

- পৰিৱেশৰ ধাৰণাটো বুজি পাব।
- 'পৰিৱেশ অৱনমন' (environment degradation) আৰু 'সম্পদৰ অৱক্ষয়' (resourcedepletion) ৰ কাৰণ আৰু ফলাফল বিশ্লেষণ কৰিব পাৰিব।
- ভাৰতবৰ্ষই সন্মুখীন হোৱা পৰিৱেশ সম্পৰ্কীয় প্ৰত্যাহ্বানসমূহ অনুধাৱন কৰিব।
- পৰিৱেশ সম্পৰ্কীয় বিষয়সমূহক বহল ভিত্তিৰ বহনক্ষম উন্নয়নৰ প্ৰসঙ্গৰ লগত সাঁওোৰ খুৱাব পাৰিব।

স্ব-ধৰণেৰে চলি থাকিবলৈ দিলে পৰিৱেশে জীৱনক কৌটিকাললৈ প্ৰতিপালন কৰিব পাৰিব। সামগ্ৰিক ব্যৱস্থাটোত আটাইতকৈ অস্থিৰ আৰু সম্ভাব্য ব্যাঘাত সৃষ্টিকাৰী উপাদান হ'ল মানৱ প্ৰজাতি। আধুনিক প্ৰযুক্তিৰ সহায়ত মানুহে পৰিৱেশৰ অসংশোধনীয় পৰিৱৰ্তন সাধন কৰাৰ ক্ষমতা আহৰণ কৰিছে। এনে কাৰ্য কেতিয়াবা অভিপ্ৰেত আৰু কেতিয়াবা অৱশ্যে তেনে নহয়।

The environment, left to itself, can continue to support life for millions of years. The single most unstable and potentially disruptive elements in the scheme is the human species. Human beings, with modern technology, have the capacity to bring about, intentionally or unintentionally, far-reaching and irreversible changes in the enviornment.

Anonymous

## 9.1 সূচনা (Introduction) :

আগৰ অধ্যায়সমূহত ভাৰতীয় অৰ্থব্যৱস্থাই সন্মুখীন হোৱা মুখ্য অৰ্থনৈতিক বিষয়সমূহ আলোচনা কৰা হৈছে। বৰ্তমানলৈ আমি সাধন কৰা অৰ্থনৈতিক উন্নয়ন পৰিবেশৰ গুণগত মান বিপন্ন কৰিহে অৰ্জন কৰিবলৈ সক্ষম হৈছোঁ। অধিক বিকাশৰ প্ৰতিশ্ৰুতিযুক্ত গোলকীকৰণৰ পৰিস্থিতিত পূৰ্বৰ অৰ্থনৈতিক উন্নয়নৰ পথে পৰিৱেশৰ ওপৰত পেলোৱা বিৰূপ প্ৰভাৱৰ কথা মনত ৰাখি আমি সুচিন্তিতভাৱে এক বহনক্ষম উন্নয়নৰ পথ বাছি ল'ব লাগিব। আমি পূৰ্বতে গ্ৰহণ কৰা অবহনক্ষম উন্নয়নৰ পথ আৰু বহনক্ষম উন্নয়নে আগবঢ়োৱা প্ৰত্যাহ্বানবোৰৰ বিষয়ে জনাৰ বাবে, আমি প্ৰথমে অৰ্থনৈতিক উন্নয়নত পৰিৱেশৰ তাৎপৰ্য আৰু অৱদানৰ বিষয়ে জানিব লাগিব। সেয়েহে, এই অধ্যায়টো তিনিটা খণ্ডত বিভক্ত কৰা হৈছে। প্ৰথম খণ্ডত পৰিৱেশৰ কাৰ্যাৱলী আৰু ভূমিকাৰ বিষয়ে আলোচনা কৰা হৈছে। দ্বিতীয় খণ্ডত ভাৰতবৰ্ষৰ পৰিৱেশৰ অৱস্থা আৰু তৃতীয় খণ্ডত বহনক্ষম উন্নয়নৰ বাবে প্ৰয়োজনীয় পদক্ষেপ আৰু কৌশলৰ বিষয়ে আলোচনা কৰা হৈছে।

## 9.2 পৰিৱেশ-সংজ্ঞা আৰু কাৰ্যাৱলী (Environment-Definition and Functions) :

সমগ্ৰ ভূমণ্ডলীয় উত্তৰাধিকাৰ আৰু সম্পদৰ সামগ্ৰিকতাকে পৰিৱেশ বুলি কোৱা হয়। পৰস্পৰক প্ৰভাৱান্বিত কৰা আটাইবোৰ জৈৱিক আৰু অজৈৱিক (biotic and abiotic) উপাদানক ই সাঙুৰি লয়। সকলো চৰাই, জীৱ-জন্তু, গছ-গছনি, বননি, মীনক্ষেত্ৰ ইত্যাদি জৈৱিক উপাদান আৰু বায়ু, পানী, মাটি আদি অজৈৱিক উপাদানৰ অন্তৰ্ভুক্ত। শিলাখণ্ড আৰু সূৰ্য্যৰ ৰশ্মি আদি সকলোবোৰ পৰিৱেশৰ অজৈৱিক উপাদানৰ উদাহৰণ। সেয়েহে পৰিৱেশৰ অধ্যয়নে এই জৈৱিক আৰু অজৈৱিক উপাদান সমূহৰ মাজৰ সম্বন্ধৰ অধ্যয়নকে সূচায়।

**পৰিৱেশৰ কাৰ্যাৱলী (Functions of the Environment) :**

পৰিৱেশে সম্পাদন কৰা চাৰিটা মূল কাৰ্য তলত দিয়া হ'ল ঃ (i) পৰিৱেশে সম্পদৰ যোগান ধৰে। এই সম্পদসমূহৰ ভিতৰত নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য উভয়বিধ সম্পদেই অন্তৰ্ভুক্ত। অৰক্ষয় বা নিঃশেষ হোৱাৰ সম্ভৱনাক নুই কৰি যিবোৰ সম্পদ ব্যৱহাৰ কৰিব পাৰি সেইবোৰ সম্পদক নবীকৰণযোগ্য সম্পদ বোলে। অৰ্থাৎ ইয়াৰ যোগানৰ প্ৰবাহ অক্ষুণ্ণ থাকে। অৰণ্যৰ গছ-গছনি আৰু সাগৰৰ মাছ আদি নবীকৰণযোগ্য সম্পদৰ উদাহৰণ। আনহাতে যিবোৰ সম্পদ উদঘাটন আৰু ব্যৱহাৰৰ ফলত নিঃশেষ হয় তেনেবোৰ সম্পদক অনবীকৰণযোগ্য সম্পদ বুলি কোৱা হয়।



চিত্ৰ 9.1 ঃ জলাশয় ঃ সৰু তুষাৰ-পুষ্ট হিমালয় উদ্ভূত জুৰি সমূহ প্ৰদূষণমুক্ত হৈ থকা কিছুমান জল উৎস

জীৱাশ্ম ইন্ধন (fossil fuel) ইয়াৰ উদাহৰণ; (ii) পৰিৱেশে আৱৰ্জনা আত্মীকৰণ কৰে; (iii) পৰিৱেশে আনুবংশিক আৰু জীৱ-বৈচিত্ৰ (genetic and

**কৰি চোৱা (Work These Out)**

- পানী কিয় আৰ্থিক সামগ্ৰীৰূপে পৰিগণিত হৈছে? আলোচনা কৰা।
- বায়ু, পানী আৰু শব্দ প্ৰদূষণৰ বাবে হোৱা কিছুমান সাধাৰণ ৰোগৰ নামেৰে তলৰ তালিকাখন পূৰণ কৰা—

| বায়ু প্ৰদূষণ | পানী প্ৰদূষণ | শব্দ প্ৰদূষণ |
|---|---|---|
| হাপানী | কলেৰা | |

biodiversity)ৰ সৃষ্টি কৰি জীৱন ধাৰণৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখে; (iv) ই নান্দনিক সেৱাও আগবঢ়ায়। নানান প্ৰাকৃতিক দৃশ্য আমি পৰিৱেশৰ পৰা লাভ কৰোঁ।

পৰিৱেশে সম্পাদন কৰা এই কাৰ্যসমূহৰ চাহিদা ইয়াৰ বহন ক্ষমতাৰ (carring capacity) ভিতৰত থকালৈকে বিৰামহীনভাৱে চলি থাকিব পাৰে। অৰ্থাৎ সম্পদ উদঘাটনৰ হাৰ ইয়াৰ পুনৰ সৃষ্টিৰ হাৰতকৈ বেছি হ'ব নালাগে আৰু বৰ্জিত আবৰ্জনাসমূহ পৰিৱেশৰ আত্মীকৰণ ক্ষমতা (absorptive capacity)ৰ ভিতৰত থাকিব লাগে। অন্যথা পৰিৱেশে ইয়াৰ তৃতীয় আৰু মুখ্য কাৰ্য জীৱনধাৰণৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ ব্যৰ্থ হ'ব আৰু ইয়াৰ ফলত পৰিৱেশ সম্পৰ্কীয় সংকটে দেখা দিব। সম্প্ৰতি সমগ্ৰ বিশ্বজুৰি

**কক্ষ নং 9.1 ঃ গোলকীয় উষ্ণতা (Global Warming)**

গোলকীয় উষ্ণতা হ'ল ঔদ্যোগিক বিপ্লৱৰ পিছৰ পৰা সেউজ গৃহ গেছৰ বৃদ্ধিৰ বাবে পৃথিৱীৰ নিম্নস্তৰৰ বায়ুমণ্ডলৰ গড় উষ্ণতাৰ ক্ৰমাগত বৃদ্ধি। সাম্প্ৰতিক কালত নিৰীক্ষিত আৰু প্ৰক্ষেপিত গোলকীয় উষ্ণতাৰ অধিকাংশই মানৱ সৃষ্ট। জীৱাশ্ম ইন্ধনৰ দাহন আৰু নিৰ্বনানীকৰণৰ জৰিয়তে মানুহে কাৰ্বন-ডাই-অক্সাইড আৰু আন সেউজ গৃহ গেছৰ বৃদ্ধি ঘটোৱাটোৱেই গোলকীয় উষ্ণতাৰ কাৰণ। বায়ু মণ্ডলত আন একো পৰিৱৰ্তন নঘটাকৈ কাৰ্বন-ডাই-অক্সাইড, মিথেন আৰু এনে ধৰণৰ আন গেছৰ বৃদ্ধিয়ে (যিবোৰৰ উত্তাপ বিশোষণ কৰিব পৰা ক্ষমতা আছে) পৃথিৱীৰ পৃষ্ঠভাগ উত্তপ্ত কৰে। 1970 চনৰ পৰা প্ৰাক্ ঔদ্যোগিক স্তৰলৈকে কাৰ্বন-ডাই-অক্সাইড আৰু মিথেন ($CH_4$)ৰ বায়ুমণ্ডলীয় অভিনিৱেশ (Concentration) যথাক্ৰমে 31 শতাংশ আৰু 149 শতাংশ বৃদ্ধি হৈছে। যোৱা শতিকাত বায়ু মণ্ডলীয় উষ্ণতা $1.1^0$ F ($0.6^0$ C) বৃদ্ধি পাইছে আৰু সমুদ্ৰপৃষ্ঠ কেইবা ইঞ্চিও ওপৰলৈ উঠিছে। গোলকীয় উষ্ণতাৰ দীৰ্ঘকালীন কুফলসমূহৰ কিছুমান হ'ল— মেৰু অঞ্চলৰ বৰফ গলাৰ ফলত সমুদ্ৰ পৃষ্ঠৰ ঊৰ্দ্ধমুখী গতি আৰু উপকূলীয় প্লাৱন; গলিত তুষাৰৰ ওপৰত নিৰ্ভৰশীল খোৱাপানী যোগানত ব্যাঘাত; উপযুক্ত পৰিৱেশগত স্থান নাইকিয়া হোৱাৰ ফলত প্ৰজাতি সমূহৰ বিলুপ্তি; সঘন ক্ৰান্তীয় ধুমুহা; আৰু ক্ৰান্তীয় ৰোগৰ বৃদ্ধি ইত্যাদি।

গোলকীয় উষ্ণতাত অৰিহণা যোগাব পৰা কাৰকসমূহৰ ভিতৰত কিছুমান হ'ল ঃ কয়লা আৰু পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ দাহন (কাৰ্বন-ডাই-অক্সাইড, মিথেন, নাইট্ৰ'চ অক্সাইড, অ'জনৰ উৎস সমূহ); বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধিকাৰী নিৰ্বনানীকৰণ; জন্তুৰ বৰ্জিত দ্ৰব্যই সৃষ্টি কৰা মিথেন গেছ; নিৰ্বনীকৰণ, মিথেন উৎপাদন আৰু জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰত অৰিহণা যোগাব পৰাকৈ গৰু ম'হৰ সংখ্যা বৃদ্ধি। 1997 চনত জাপানৰ কিয়'ট' (Kyoto)ত অনুষ্ঠিত জাতি সংঘৰ জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় সন্মিলন এখনত গোলকীয় উষ্ণতাৰ বিৰুদ্ধে যুঁজিবলৈ আন্তঃৰাষ্ট্ৰীয় চুক্তি গ্ৰহণ কৰা হয়। এই চুক্তি মৰ্মে উদ্যোগ প্ৰধান দেশসমূহক সেউজ গৃহ গেছৰ নিৰ্গমন হ্ৰাস কৰিবলৈ আহ্বান জনোৱা হয়।

www.wikipedia.org

এইটোৱেই পৰিস্থিতি। উন্নয়নশীল দেশসমূহৰ বৰ্ধিত জনসংখ্যা আৰু উন্নত দেশসমূহৰ পয়োভৰপূৰ্ণ উৎপাদন আৰু ভোগমানৰবাবে পৰিৱেশে প্ৰথম দুটা কাৰ্য সম্পাদনাৰ ক্ষেত্ৰত বৃহৎ বাধাৰ সন্মুখীন হৈছে। ইয়াৰ ফলত বহুতো সম্পদ লুপ্তপ্ৰায় হৈছে আৰু বৰ্জিত আৱৰ্জনাৰ পৰিমাণ পৰিৱেশৰ বিশোষণ ক্ষমতাতকৈ (absorptive capacity) অধিক হৈ পৰিছে। বিশোষণ ক্ষমতা মানে হ'ল পৰিৱেশৰ অৱনমন আত্মস্থ কৰাৰ সামৰ্থ্য। ইয়াৰ ফলস্বৰূপে আজি আমি পৰিৱেশৰ সংকটৰ দুৱাৰডলিত উপনীত হৈছোঁ। পূৰ্বৰ উন্নয়ন প্ৰক্ৰিয়াৰ ফলত নদ-নদী আৰু আন জলাশয়সমূহ প্ৰদূষিত হোৱাৰ উপৰিও শুকাই গৈছে আৰু পানী আৰ্থিক বস্তুলৈ ৰূপান্তৰিত হৈছে। ইয়াৰ উপৰিও নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য উভয় সম্পদৰ প্ৰগাঢ় (intensive) আৰু বিস্তৃত (extensive) উদঘাটন কাৰ্যৰ ফলত কিছুমান অতি লাগতিয়াল সম্পদ শেষ হোৱাৰ উপক্ৰম হৈছে। ইয়াৰ ফলত আমি নতুন সম্পদ আৱিষ্কাৰৰ বাবে প্ৰযুক্তি আৰু গৱেষণাত বৃহৎ পৰিমাণৰ ব্যয় কৰিবলৈ বাধ্য হৈছোঁ। তদুপৰি বায়ু আৰু পানী দূষিতকৰণৰ ফলতো পৰিৱেশৰ গুণগত মান অৱনমিত হৈছে (ভাৰতবৰ্ষৰ সত্তৰ শতাংশ পানী দূষিত) যাৰ ফলত শ্বাস-প্ৰশ্বাস জনিত ৰোগ আৰু পানীৰ যোগেদি হোৱা ৰোগ বৃদ্ধি হৈছে। ফলস্বৰূপে স্বাস্থ্যৰ শিতানত হোৱা ব্যয়ৰ পৰিমাণো বৃদ্ধি পাইছে। আকৌ, বিশ্ব পৰিৱেশীয় সমস্যা, যেনে গোলকীয় উষ্ণতা আৰু অ'জন

**কক্ষ নং 9.2 ঃ অ'জন অৱক্ষয় (Ozone Depletion)**

অ'জন অৱক্ষয়ে ষ্ট্ৰেট'স্ফিয়াৰত অ'জনৰ পৰিমাণ হ্ৰাস হোৱা পৰিঘটনাক সূচায়। ষ্ট্ৰেট'স্ফিয়াৰত ক্ল'ৰিন আৰু ব্ৰ'মিন যৌগসমূহৰ উৎস হ'ল শীত-তাপ নিয়ন্ত্ৰণকাৰী যন্ত্ৰ (Air Conditioner) আৰু প্ৰশীতক (Refregarator)ত শীতলীকাৰক হিচাপে ব্যৱহৃত ক্লৰ'ফ্লুৰ'কাৰ্বন (Clorflurocarban, CFC), বায়ু বিয়লী প্ৰণোদনকাৰী (Aerosol Propellants), আৰু অগ্নি নিৰ্বাপক হিচাপে ব্যৱহৃত ব্ৰ'ম'ফ্লুৰ'কাৰ্বন (হেল'ন) (Bromoflurocarbon, Halon)। অ'জন স্তৰৰ অৱক্ষয়ৰ বাবে পৃথিৱীত অতি বেঙুনীয়া বিকিৰণ (Ultra Violet radiation) অধিক হয় আৰু ই জীৱদেহৰ ক্ষতিসাধন কৰে। অতি বেঙুনীয়া বিকিৰণে মানুহৰ চৰ্ম কেন্সাৰৰ সৃষ্টি কৰে। তদুপৰি ই ভাসমান উদ্ভিদ (Phytoplankton)ৰ উৎপাদন হ্ৰাস কৰে আৰু তেনেদৰে আন জলজীৱৰ ওপৰত প্ৰভাৱ পেলায়। ই স্থলজ উদ্ভিদ (Terrestrial)ৰ বৃদ্ধিতো প্ৰভাৱ পেলাব পাৰে। 1979 চনৰ পৰা 1990 চনৰ ভিতৰত অ'জন স্তৰৰ প্ৰায় 5 শতাংশ অৱক্ষয় হোৱা দেখা গৈছে। অ'জনস্তৰে অতি বেঙুনীয়া ৰশ্মিৰ অত্যন্ত ক্ষতিকাৰক তৰঙ্গ দৈৰ্ঘ্য সমূহক সৰকি অহাত বাধা দিয়ে বাবে অ'জনৰ নিৰীক্ষিত আৰু প্ৰক্ষেপিত হ্ৰাস বিশ্বজুৰি দুঃচিন্তাৰ কাৰণ হৈ পৰিছে। ইয়াৰ ফলতেই ক্লৰ'ফ্ল'ৰকাৰ্বন (CFC) যৌগৰ লগতে আন অ'জন অৱক্ষয়কাৰী কাৰ্বনটেট্ৰাক্ল'ৰাইড, ট্ৰাইক্লৰ'ইথেন (মিথাইল ক্লৰ'ফৰ্ম বুলিও জনাজাত), আৰু হেল'ন হিচাপে জ্ঞাত ব্ৰমিন যৌগ আদি ৰাসায়নিক দ্ৰব্যসমূহৰ ব্যৱহাৰ নিষিদ্ধ কৰি মন্ত্ৰিল প্ৰট'ক'ল (Monetral Protocol) গ্ৰহণ কৰা হৈছে।

**উৎস ঃ** www.ceu.hu

অবক্ষয়েও চৰকাৰৰ বিত্তীয় বাধ্যবাধকতা যথেষ্ট বৃদ্ধি কৰিছে। গতিকে এইটো স্পষ্ট যে পৰিবেশৰ নেতিবাচক প্ৰভাবসমূহৰ সুযোগ ব্যয় (opportunity cost) যথেষ্ট বেছি।

আটাইতকৈ ডাঙৰ প্ৰশ্নটো হ'ল— পৰিৱেশ সমস্যা এই শতিকাটোৰ বাবে নতুন নে? যদি হয় কিয়? এই প্ৰশ্নৰ উত্তৰৰ বাবে কিছু পৰিমাণে বহল ব্যাখ্যাৰ প্ৰয়োজন আছে। সভ্যতাৰ আৰম্ভণিতে অথবা এই পৰিঘটনা মূলক জনসংখ্যা বৃদ্ধিৰ পূৰ্বত আৰু দেশসমূহে উদ্যোগীকৰণ আৰম্ভ কৰাৰ আগত পৰিৱেশমূলক সম্পদ আৰু সেৱাসমূহৰ চাহিদা ইয়াৰ যোগানৰ তুলনাত কম আছিল। এইটোৱেই সূচায় যে প্ৰদূষণৰ পৰিমাণ পৰিৱেশৰ বিশোষণ ক্ষমতাতকৈও কম আছিল আৰু সম্পদ সমূহৰ উদঘাটনৰ হাৰ ইয়াৰ পুনৰ সৃষ্টিৰ হাৰতকৈ কম আছিল। গতিকে পৰিৱেশ সম্পৰ্কীয় সমস্যাৰ উদ্ভৱ হোৱা নাছিল। কিন্তু জনসংখ্যা বিস্ফোৰণ আৰু বৰ্ধিত জনসংখ্যাৰ আৱশ্যকতা পূৰণৰ বাবে ঔদ্যোগিক বিপ্লৱৰ সূচনাৰ পিছত সকলো সলনি হ'ল। ইয়াৰ ফলস্বৰূপে উৎপাদন আৰু ভোগৰ বাবে সম্পদৰ চাহিদা পুনৰ সৃষ্টিৰ হাৰে ঢুকি নোপোৱা হ'ল; পৰিৱেশৰ বিশোষণ ক্ষমতাৰ ওপৰত হেঁচা অত্যধিকভাৱে বৃদ্ধি পালে। এই গতিধাৰা আজিও অব্যাহত আছে। গতিকে পৰিৱেশৰ মানৰ ক্ষেত্ৰত যোগান-চাহিদা সমিলমিল ব্যাহত হ'ল। আমি আজি পৰিৱেশমূলক সম্পদ আৰু সেৱাৰ বৰ্ধিত চাহিদাৰ সন্মুখীন হৈছোঁ, কিন্তু মাত্ৰাধিক ব্যৱহাৰ আৰু অপব্যৱহাৰৰ বাবে ইয়াৰ যোগান সীমিত হৈছে। সেয়েহে আৱৰ্জনা সৃষ্টি আৰু প্ৰদূষণৰ দৰে পৰিৱেশ সম্পৰ্কীয় সমস্যাসমূহ বৰ্তমান অতি সংকটজনক অৱস্থাত উপনীত হৈছে।



চিত্ৰ 9.2 ঃ দামোদৰ উপত্যকা ভাৰতবৰ্ষৰ অতি ঔদ্যোগীকৃত অঞ্চলসমূহৰ অন্যতম। দামোদৰ নদীৰ পাৰত অৱস্থিত বৃহৎ উদ্যোগ সমূহৰ প্ৰদূষকবোৰে ইয়াক এক পৰিৱেশ তন্ত্ৰমূলক বিপৰ্যয়লৈ ৰূপান্তৰিত কৰি আছে।

### 9.3 ভাৰতবৰ্ষৰ পৰিৱেশৰ অৱস্থা (State of India's Environment) :

ভাৰতবৰ্ষৰ উন্নতমানৰ ভূমি, কেইবা শও নৈ-উপনৈ, জীপাল সেউজীয়া অৰণ্য, ভূগৰ্ভৰ প্ৰচুৰ খনিজ ভাণ্ডাৰ, ভাৰত মহাসাগৰৰ বিশাল বিস্তৃতি, পৰ্বত মালা ইতাদি প্ৰচুৰ প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ। দাক্ষিণাত্য মালভূমিৰ ক'লামাটি কপাহ খেতিৰ বাবে বিশেষভাৱে উপযোগী, যাৰ বাবে এই অঞ্চলত বস্ত্ৰ উদ্যোগৰ কেন্দ্ৰীভৱন ঘটিছে। আৰব সাগৰৰ পৰা বঙ্গোপসাগৰলৈ বিস্তৃত সিন্ধু-গঙ্গা সমভূমি বিশ্বৰ অতি উৰ্বৰ, প্ৰগাঢ় কৃষিসম্পন্ন আৰু ঘন জনবসতিপূৰ্ণ অঞ্চল সমূহৰ অন্যতম। ভাৰতবৰ্ষৰ অৰণ্যসমূহ যদিও অ-সমভাৱে বিস্তৃত, তথাপিও ইবিলাকৰ সেউজ আৱৰণে অধিকাংশ জনসংখ্যাক আৱৰি লোৱাৰ লগতে প্ৰাকৃতিক আৱৰণে বন্যপ্ৰাণী সমূহক সামৰি

ল'বলৈ সক্ষম হৈছে। ভাৰতবৰ্ষত লোৰ আকৰ, কয়লা আৰু প্ৰাকৃতিক গেছৰ বিশাল ভাণ্ডাৰ আছে। বিশ্বৰ মুঠ লোৰ আকৰ ভাণ্ডাৰৰ 20 শতাংশ ভাৰতবৰ্ষতে আছে। দেশখনৰ বিভিন্ন প্ৰান্তত বক্সাইট, তাম, ক্ৰ'মাইট, হীৰা, সোণ, সীহ, লিগনাইট, মেঙ্গানিজ, দস্তা, ইউৰেনিয়াম আদিও পোৱা যায়। তথাপি ভাৰতবৰ্ষৰ উন্নয়নমূলক কাৰ্যসমূহে ইয়াৰ সীমিত প্ৰাকৃতিক সম্পদৰ ওপৰত হেঁচা সৃষ্টি কৰাৰ লগতে মানৰ স্বাস্থ্য আৰু কল্যাণৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিছে। ভাৰতবৰ্ষৰ পৰিৱেশৰ প্ৰতি ভাবুকিয়ে দ্বিভাজনৰ (dichotomy) সৃষ্টি কৰিছে— দাৰিদ্ৰ্য প্ৰণোদিত পৰিৱেশ অৱনমনৰ ভাবুকি আৰু একে সময়তে সমৃদ্ধি আৰু ক্ষীপ্ৰগতিত বৰ্ধমান ঔদ্যোগিক খণ্ডই সৃষ্টি কৰা প্ৰদূষণৰ ভাবুকি। বায়ু প্ৰদূষণ, জলদূষিতকৰণ, ভূমি খহন, নিৰ্বনানীকৰণ আৰু বন্যপ্ৰাণী বিলুপ্তিকৰণ আদি ভাৰতবৰ্ষৰ বাবে অতি গভীৰ পৰিৱেশ সমস্যা। অগ্ৰাধিকাৰৰ ভিত্তিত চিনাক্ত কৰা পৰিৱেশ সমস্যাসমূহ হ'ল— (i) ভূমিৰ অৱনমন (ii) জীৱ বৈচিত্ৰৰ ক্ষতি (iii) নগৰাঞ্চলৰ যান-বাহনৰ পৰা সৃষ্টি হোৱা প্ৰদূষণৰ বিশেষ প্ৰসঙ্গেৰে বায়ু প্ৰদূষণ (iv) বিশুদ্ধ পানীৰ ব্যাৱস্থাপনা (v) কঠিন আৱৰ্জনাৰ ব্যাৱস্থাপনা। ভাৰতবৰ্ষ মূলতঃ অস্থিৰ আৰু অনুপযুক্ত ব্যাৱস্থাপনাৰ বাবে বিভিন্ন মাত্ৰা আৰু প্ৰকাৰৰ অৱনমনৰ বলি হৈছে। ভূমিৰ অৱনমনৰ বাবে জগৰীয়া কিছু কাৰক হ'ল—



চিত্ৰ 9.3 ঃ নিৰ্বনানীকৰণে ভূমিৰ অৱনমন, জীৱ-বৈশিষ্ট্যৰ ক্ষতিসাধন আৰু বায়ু প্ৰদূষণৰ সৃষ্টি কৰে।

(i) নিৰ্বনানীকৰণৰ ফলত সৃষ্টি হোৱা উদ্ভিদৰ ক্ষতি সাধন (ii) ঘৰচীয়া জীৱ-জন্তু আৰু ইন্ধনৰ বাবে ঘাঁহ-বন আৰু গছ-গছনিৰ অবহনক্ষম উচ্ছেদকৰণ (iii) ঝুম খেতি (iv) অৰণ্যৰ ভূমি বেদখল (v) বনজুই আৰু চৰণীয়া পথাৰৰ মাত্ৰাধিক ব্যৱহাৰ (vi) ভূমি সংৰক্ষণৰ যথোপযুক্ত ব্যৱস্থাৰ অভাৱ (vii) অসঙ্গত শস্যাৱৰ্তন (crop rotation) (viii) যথেমধে কৰা সাৰ কীটনাশক আদি কৃষি ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ (ix) জলসিঞ্চন ব্যৱস্থাৰ অসঙ্গত পৰিকল্পনা আৰু পৰিচালনা (x) ভূগৰ্ভৰ পৰা আহিতকৰণ ক্ষমতা (recharge capacity)তকৈ অধিক জল আহৰণ (xi) মুক্ত প্ৰৱেশাধিকাৰৰ সম্পদ (open acces resource) (xii) কৃষিৰ ওপৰত নিৰ্ভৰশীল লোকৰ দাৰিদ্ৰ্য।

**কক্ষ নং 9.3 ঃ চিপ্‌কো বা আপ্পিকো নামে কি কৰে?**
**(Chipko or Appiko– What's in a name?)**

তোমালোকে নিশ্চয় চিপ্‌কো আন্দোলনৰ বিষয়ে জানাহঁক। ইয়াৰ লক্ষ্য আছিল হিমালয়ৰ অৰণ্যক সুৰক্ষা প্ৰদান কৰা। কৰ্ণাটকত এটি একে ধৰণৰ আন্দোলন অন্য নামেৰে সংঘটিত হৈছিল যাৰ নাম আছিল 'আপ্পিকো', যাৰ অৰ্থ সাৱটি ধৰা। 1983 চনৰ 8 ছেপ্টেম্বৰত যেতিয়া চিৰ্চি জিলাৰ চাল্‌কানি অৰণ্যত গছ কটা আৰম্ভ হৈছিল, তেতিয়া 160 গৰাকী পুৰুষ, মহিলা আৰু শিশুৱে গছবোৰ সাৱটি ধৰি কাঠকটীয়া সকলক উভতি যাবলৈ বাধ্য কৰিছিল। তেওঁলোকে পিছৰ ছয় সপ্তাহলৈ অৰণ্যত পৰ দি আছিল। বনকৰ্তৃপক্ষই বিজ্ঞানসন্মতভাৱে আৰু জিলাখনৰ কৰ্মৰত পৰিকল্পনাৰ ভিত্তিতহে গছ কটা হ'ব বুলি স্বেচ্ছাসেৱক সকলক আশ্বাস দিয়াৰ পিছতহে তেওঁলোক গছৰ ওচৰৰ পৰা আঁতৰি আহিছিল।



ঠিকাদাৰসকলে বাণিজ্যিক ভিত্তিত গছ কাটি যেতিয়া প্ৰাকৃতিক অৰণ্যৰ বহু ক্ষতি কৰিছিল, গছ সাৱটি ধৰা পৰিকল্পনাই জনসাধাৰণক তেওঁলোকে অৰণ্য ৰক্ষা কৰিব পাৰিব বুলি আশা আৰু বিশ্বাস জন্মাইছিল। সেই ঘটনাৰ পিছত গছ কটা ব্যাহত হোৱাৰ লগতে ৰাইজে 12,000 জোপা গছ ৰক্ষা কৰিছিল। কেইমাহ মানৰ ভিতৰতে এই আন্দোলন কেবাখনো দাঁতিকাষৰীয়া জিলালৈ সম্প্ৰসাৰিত হৈছিল।

ইন্ধন আৰু ঔদ্যোগিক ব্যৱহাৰৰ বাবে জধে মধে গছ কটা কাৰ্যই বহু পাৰিৱেশিক সমস্যাৰ সৃষ্টি কৰিছিল। উত্তৰ কানাড়া অঞ্চলত এটা কাগজ স্থাপন কৰাৰ বাৰ বছৰৰ পিছত সেই অঞ্চলৰ বাঁহ বিলুপ্ত হৈছিল। বহল পাতৰ গছ, যিবিলাকে বৰষুণৰ প্ৰবল আঘাতৰ পৰা ভূমিক ৰক্ষা কৰিছিল, নোহোৱা হৈছিল, ভূমি বৰষুণে উটাই নিছিল আৰু উদং অনুৰ্বৰ ভূমি বৈ গৈছিল। বৰ্তমান সেই অঞ্চলত অপতৃণৰ বাহিৰে আন একো নগজে। কৃষকসকলে আৰু অভিযোগ কৰিছে যে নদী আৰু জান-জুৰিবোৰ সোনকালে শুকাই আহিছে আৰু বৰষুণো অনিয়মিত হৈছে। আগে নথকা ৰোগ আৰু পতংগয়ো বৰ্তমান শস্যসমূহ আক্ৰমণ কৰিবলৈ লৈছে।

আপ্পিকো স্বেচ্ছাসেৱক সকলে ঠিকাদাৰ আৰু বন বিষয়াসকলে কিছুমান নিৰ্দিষ্ট নীতি আৰু বিধিবাধকতা পালন কৰাটো বিচাৰিছিল। উদাহৰণস্বৰূপে তেওঁলোকে বিচাৰিছিল যে গছ কটাৰ বাবে চিহ্নিত কৰাৰ পূৰ্বে স্থানীয় বাসিন্দাৰ পৰামৰ্শ লোৱা হওক, আৰু জল উৎসৰ 100 মিটাৰ পৰিসৰৰ ভিতৰত আৰু 30 ডিগ্ৰী অথবা ইয়াতকৈ অধিক ঢালৰ গছ কটা নহওক।

চৰকাৰে উদ্যোগ সমূহক ঔদ্যোগিক কেঁচা মাল হিচাপে বন সামগ্ৰী সমূহ ব্যৱহাৰ কৰিবলৈ বনভূমি আবণ্টন কৰে বুলি তোমালোকে জানানে? এটা কাগজ কলে 10,000 শ্ৰমিকক নিযুক্তি দিয়ে বা এটা প্লাইউদ কাৰখানাই 800 ব্যক্তিক নিযুক্তি দিয়ে যদিও ইহঁতে দহ লক্ষ জনসাধাৰণক দৈনিক প্ৰয়োজনীয়তাৰ পৰা বঞ্চিত কৰাটো গ্ৰহণযোগ্য হ'বনে? কি ভাবা?

পৃথিৱীৰ মুঠ ভৌগোলিক খণ্ডৰ মাত্ৰ 2.5 শতাংশ আৱৰি থকা ভাৰতবৰ্ষই বিশ্বৰ মুঠ জনসংখ্যাৰ 17 শতাংশ আৰু মুঠ পশুধনৰ 20 শতাংশ প্ৰতিপালন কৰে। দেশখনৰ জনসংখ্যা আৰু পশুধনৰ অধিক ঘনত্ব আৰু বননি, কৃষি, চৰণীয়া পথাৰ, মানৱ বসতি আৰু উদ্যোগৰ বাবে ভূমিৰ প্ৰতিযোগিতামূলক ব্যৱহাৰে সীমিত ভূসম্পদৰ ওপৰত প্ৰচুৰ হেঁচা প্ৰয়োগ কৰিছে।

মৌলিক প্ৰয়োজনীয়তা পূৰণৰ বাবে প্ৰয়োজনীয় জনমুৰি 0.47 হেক্টৰ বনাঞ্চলৰ বিপৰীতে ভাৰতবৰ্ষত 0.08 হেক্টৰহে আছে। ফলস্বৰূপে অনুমোদিত সীমাতকৈ 15 নিযুত ঘন মিটাৰ বনাঞ্চল অতিৰিক্তভাৱে ধ্বংস কৰা হৈছে। ভাৰতবৰ্ষৰ ভূমিৰ খহন (erosion)ৰ তথ্যৰ পৰা দেখা যায় যে দেশখনত বছৰি 5.3 লক্ষকোটি ভূমি খহে আৰু ইয়াৰ ফলত দেশখনত প্ৰতি বছৰে 0.8 নিযুত টন নাইট্ৰজেন, 1.8 নিযুত টন ফছ্‌ফৰাছ আৰু 26.3 নিযুত টন পটাছিয়াম হেৰুৱাবলগীয়া হয়। ভাৰত চৰকাৰৰ তথ্য অনুযায়ী ভূমিৰ খহনৰ বাবে দেশখনে বছৰি 5.8 ৰ পৰা 8.4 নিযুত টন পৰ্যন্ত পোষকদ্ৰব্য (nutrients) হেৰুৱাবলগীয়া হয়। ভাৰতবৰ্ষৰ নগৰাঞ্চলত বায়ু প্ৰদূষণে বিস্তৃত ৰূপ ধাৰণ কৰিছে আৰু এই ক্ষেত্ৰত যান-বাহন হৈছে মুখ্য প্ৰদূষক। আকৌ উদ্যোগ আৰু তাপ বিদ্যুৎ প্ৰকল্প ঘনীভূত হৈ থকা কিছু অঞ্চলতো এই প্ৰদূষণ ব্যাপক। যান-বাহনৰ পৰা হোৱা নিৰ্গমন (Emission)

**কৰি চোৱা**
**(Work These Out)**

➢ অৰ্থনৈতিক উন্নয়নত পৰিৱেশৰ অৱদান অনুধাৱন কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তলত উল্লেখ কৰা খেলটো অৱতাৰণা কৰিব পাৰি। এজন ছাত্ৰই যিকোনো এটা উদ্যোগে উৎপাদন কৰা সামগ্ৰী এবিধৰ নাম উল্লেখ কৰিব আৰু আন এজনে প্ৰকৃতি আৰু পৃথিৱীত ইয়াৰ উৎপত্তিৰ মূল নিৰ্ণয় কৰিব।

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ট্ৰাক | ← | তীখা আৰু ৰবৰ | | | | | | |
| তীখা | ← | লো | ← | খনিজ পদাৰ্থ | ← | পৃথিৱী | | |
| ৰবৰ | ← | গছ | ← | অৰণ্য | ← | পৃথিৱী | | |
| কিতাপ | ← | কাগজ | ← | গছ | ← | ফল | ← | পৃথিৱী |
| কাপোৰ | ← | কপাহ | ← | উদ্ভিদ | ← | প্ৰকৃতি | | |
| পেট্ৰ'ল | ← | পৃথিৱী | | | | | | |
| যন্ত্ৰপাতি | ← | লো | ← | খনিজ পদাৰ্থ | ← | পৃথিৱী | | |

➢ এজন ট্ৰাকচালকে তেওঁৰ ট্ৰাকৰ পৰা ক'লা ধোঁৱা নিৰ্গত হোৱা বাবে চালান হিচাপে, 1,000 টকা দিবলগীয়া হৈছিল। তেওঁক কিয় শাস্তি বিহা হৈছিল বুলি ভাবা? এইটো ন্যায্য হৈছিলনে? আলোচনা কৰা।

**কক্ষ নং 9.4 ঃ প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ (Pollution Control Board)**

ভাৰতবৰ্ষত জল আৰু বায়ু প্ৰদূষণ— এই দুই মুখ্য পাৰিৱেশিক উদ্বেগজনক বিষয়ৰ সৈতে মোকাবিলা কৰিবলৈ চৰকাৰে 1974 চনত কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ (Central Pollution Control Board, CPCB) স্থাপন কৰিছিল। ইয়াৰ পিছত ৰাজ্য চৰকাৰসমূহে আটাইবোৰ পাৰিৱেশিক উদ্বেগৰ সৈতে মোকাবিলা কৰিবলৈ ৰাজ্যিক স্তৰৰ পৰিষদ স্থাপন কৰিছিল। এই পৰিষদসমূহে জল, বায়ু আৰু ভূমি প্ৰদূষণ সম্পৰ্কীয় তথ্যৰ অনুসন্ধান, সংগ্ৰহ আৰু প্ৰচাৰ কৰে আৰু বৰ্জিত দ্ৰব্য (Sewage)/ বাণিজ্যিক নিষ্কাশন আৰু নিৰ্গমন সমূহৰ মান নিৰ্ণয় কৰে। এই পৰিষদবোৰে জল প্ৰদূষণ প্ৰতিৰোধ, নিয়ন্ত্ৰণ আৰু হ্ৰাসকৰণৰ বাবে জান-জুৰি আৰু নাদ সমূহৰ পৰিচ্ছন্নতা সাধন কৰিবলৈ; দেশত বায়ুৰ গুণগত মান উন্নতকৰণৰ বাবে আৰু বায়ু প্ৰদূষণ প্ৰতিৰোধ, নিয়ন্ত্ৰণ আৰু হ্ৰাস কৰণৰ বাবে চৰকাৰক কৌশলগত সাহায্য আগবঢ়ায়।

এই পৰিষদসমূহে বায়ু আৰু জল প্ৰদূষণ সম্পৰ্কীয় সমস্যাসমূহ সম্পৰ্কে আৰু ইহঁতৰ প্ৰতিৰোধ, নিয়ন্ত্ৰণ আৰু হ্ৰাসৰ বাবে অনুসন্ধান আৰু গৱেষণা চলায় আৰু এনে গৱেষণাত সহযোগ কৰে। ইয়াৰ বাবে পৰিষদসমূহে গণমাধ্যমৰ জৰিয়তে সৰ্বাত্মক গণ সচেতনতা মূলক কাৰ্যসূচীৰো আয়োজন কৰে। ইহঁতে বৰ্জিত দ্ৰব্যৰ আৰু বাণিজ্যিক নিষ্কাশিতৰ শোধন (Treatment) আৰু বিন্যস্তকৰণ (Disposal) সম্পৰ্কীয় নিৰ্দেশনা, নিয়মাৱলী আৰু নীতিগত নিৰ্দেশিকাও প্ৰস্তুত কৰে।

ইহঁতে উদ্যোগসমূহৰ বিধি অনুযায়ী বায়ুৰ গুণগতমানৰ মূল্যায়ন কৰে। দৰাচলতে, ৰাজ্যিক পৰিষদসমূহে জিলা স্তৰৰ অধিকাৰীৰ জৰিয়তে নিজ ক্ষেত্ৰাধিকাৰৰ ভিতৰৰ প্ৰত্যেকটো উদ্যোগ সময়ে-সময়ে পৰিদৰ্শন কৰি বৰ্জিত দ্ৰব্য আৰু গেছীয় নিৰ্গমন শোধন কৰাৰ বাবে থকা শোধন ব্যৱস্থাৰ যথোপযুক্ততা পৰীক্ষা কৰে। উদ্যোগৰ স্থান নিৰ্ধাৰণ আৰু নগৰ পৰিকল্পনাৰ বাবে প্ৰয়োজনীয় বায়ুৰ গুণগত মান পটভূমিৰ তথ্যও ই সৰবৰাহ কৰে।

প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদসমূহে জল প্ৰদূষণ সম্পৰ্কীয় কৌশলগত আৰু পৰিসাংখ্যিকীয় তথ্যৰ সংগ্ৰহ, বিশ্লেষণ আৰু তুলনা তথা প্ৰচাৰ কৰে। ইহঁতে 125 খন নদী (উপনৈ সমন্বিতে), নাদ, হ্ৰদ, নৈৰ সুঁতি, পুখুৰী, খাল, নলা সমূহৰ গুণগত মান চোৰাচিতা কৰে।

- ওচৰৰ এটা কাৰখানা/জলসিঞ্চন বিভাগ ভ্ৰমণ কৰা আৰু তেওঁলোকে জল আৰু বায়ু প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে অৱলম্বন কৰা বিতং ব্যৱস্থাৰ তথ্য সংগ্ৰহ কৰা।
- তোমালোকে নিশ্চয় বাতৰি কাকত, ৰেডিঅ' আৰু দূৰদৰ্শন অথবা স্থানীয় এলেকাৰ সজাগতা কাৰ্যসূচীৰ প্ৰচাৰ পত্ৰত জল আৰু বায়ু প্ৰদূষণ সম্পৰ্কে বিজ্ঞাপন দেখিবলৈ পাইছা। কিছুমান বাতৰি, পুস্তিকা (Pamphlets) আৰু আন তথ্য সংগ্ৰহ কৰা আৰু শ্ৰেণীকোঠাত সেইবোৰ আলোচনা কৰা।

বিশেষভাৱে মন কৰিবলগীয়া; কিয়নো ই প্ৰদূষণৰ ভূ-পৃষ্ঠৰ উৎস হোৱা হেতুকে ইয়াৰ প্ৰভাৱ জনসাধাৰণৰ ওপৰত সৰ্বাধিক হয়। ভাৰতত যান-বাহনৰ সংখ্যা 1951 চনত 3 লাখৰ পৰা 2003 চনত 67 কোটিলৈ বৃদ্ধি পায়। 2003 চনত মুঠ পঞ্জীয়নভুক্ত বাহনৰ ভিতৰত ব্যক্তিগত যান-বাহন (দুচকীয়া যান আৰু মটৰ গাড়ী)ৰ সংখ্যা আছিল 80 শতাংশ। এনেদৰে ই মুঠ বায়ু প্ৰদূষণৰ বোজা লক্ষণীয়ভাৱে বৃদ্ধি কৰিছে।

বিশ্বৰ দহখন আটাইতকৈ অধিক ঔদ্যোগীকৰণ হোৱা দেশৰ ভিতৰত ভাৰতবৰ্ষ অন্যতম। কিন্তু এই মৰ্যাদাৰ লগে লগে অবাঞ্ছনীয় আৰু অপ্ৰত্যাশিত পৰিণাম, যেনে— অপৰিকল্পিত নগৰীকৰণ, প্ৰদূষণ আৰু দুৰ্ঘটনাৰ শংকাও আহি পৰিছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ (Central Pollution Control Board, CPCB)-এ বিশেষভাৱে প্ৰদূষণৰ সৃষ্টি কৰা সোতৰ শ্ৰেণীৰ উদ্যোগ (বৃহৎ আৰু মজলীয়া) চিনাক্তকৰণ কৰিছে।

**কৰি চোৱা**
**(Work These Out)**

যিকোনো এখন ৰাষ্ট্ৰীয় দৈনিক কাকতত বায়ু প্ৰদূষণৰ জোখ সম্পৰ্কে এটা স্তম্ভ দেখিবলৈ পাবা। দীপান্বিতাৰ এসপ্তাহ আগত, দীপান্বিতাৰ দিনাখন আৰু দীপান্বিতাৰ দুদিন পিছত বাতৰি কাকতৰ পৰা এই স্তম্ভটো কাটি সংগ্ৰহ কৰা। স্তম্ভত উল্লেখ কৰা জোখৰ কিবা লক্ষণীয় পাৰ্থক্য মন কৰিছানে? শ্ৰেণীত আলোচনা কৰা।

ওপৰত উল্লেখ কৰা বিষয়সমূহে পৰিৱেশৰ ক্ষেত্ৰত ভাৰতবৰ্ষই সন্মুখীন হোৱা প্ৰত্যাহ্বান সমূহৰ স্পষ্ট ইঙ্গিত দাঙি ধৰিছে। আমি সচেতনভাৱে এক বহনক্ষম উন্নয়নৰ পন্থা গ্ৰহণ নকৰিলে পৰিৱেশ মন্ত্ৰালয় তথা কেন্দ্ৰীয় আৰু ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ সমূহে গ্ৰহণ কৰা ব্যৱস্থাৱলীয়ে সুফল কঢ়িয়াই আনিব বুলি ক'ব নোৱাৰি। ভৱিষ্যত প্ৰজন্মৰ কথা মনত ৰাখিলেই উন্নয়নৰ পথ চিৰকাললৈ প্ৰশস্ত হ'ব। উত্তৰ পুৰুষৰ কথা নাভাবি বৰ্তমানৰ জীৱন-ধাৰণৰ শৈলী উন্নত কৰাৰ বাবে চলোৱা উন্নয়নৰ প্ৰচেষ্টাই এনেধৰণে সম্পদৰ অৱক্ষয় আৰু পৰিৱেশৰ অৱনমন ঘটাব যে পাৰিৱেশিক আৰু অৰ্থনৈতিক সংকটৰ সৃষ্টি হোৱাটো ধ্ৰুপ।

## 9.4 বহনক্ষম উন্নয়ন (Sustainable Development) :

পৰিৱেশ আৰু অৰ্থব্যৱস্থা পৰস্পৰ নিৰ্ভৰশীল আৰু ইহঁতৰ এটাৰ বাবে আনটোৰ প্ৰয়োজন। গতিকে যি উন্নয়নে পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰতিঘাত সম্বন্ধে আওকাণ কৰে, তেনে উন্নয়নে জীৱৰ ধাৰাবাহিকতা টিকাই ৰখাৰ বাবে প্ৰয়োজনীয় পৰিৱেশ বিনষ্ট কৰে। গতিকে আমাৰ প্ৰয়োজন হ'ল বহনক্ষম উন্নয়ন, যি উন্নয়নে অতি কম পক্ষেও বৰ্তমান প্ৰজন্মই উপভোগ কৰা জীৱন ধাৰণৰ মানৰ স্তৰৰ সমানে গঢ় পৰ্যায়ত ভৱিষ্যতৰ সকলো প্ৰজন্মক জীৱন ধাৰণৰ সম্ভাৱনীয় মান লাভ কৰাৰ কথা বিবেচনা কৰে। জাতি সংঘৰ পৰিৱেশ আৰু উন্নয়ন সম্পৰ্কীয় সন্মিলন (United Nations Conference on Environment and Development, UNCED)-এ বহনক্ষম উন্নয়নৰ ধাৰণাটোত গুৰুত্ব

আৰোপ কৰিছে। UNCED-ৰ সংজ্ঞা মতে— যি উন্নয়নে ভৱিষ্যত প্ৰজন্ম সমূহৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰাৰ সামৰ্থ্যৰ ক্ষেত্ৰত আপোচ নকৰাকৈ বৰ্তমান প্ৰজন্মৰ নিজ নিজ প্ৰয়োজনীয়তা পূৰণ কৰে সেয়াই বহনক্ষম উন্নয়ন। (''Development that meets the need of present generation without compromising the ability of the future generations to meet their own needs'').

এই সংজ্ঞাটোৰ 'প্ৰয়োজনীয়তা' শব্দটো আৰু 'ভৱিষ্যত প্ৰজন্মসমূহ' বাক্যাংশ অতি লক্ষণীয়। সংজ্ঞাটোত 'প্ৰয়োজনীয়তা'ৰ ধাৰণাটোৰ ব্যৱহাৰ সম্পদৰ বিতৰণৰ সৈতে জড়িত কৰা হৈছে। "সকলোৰে মৌলিক প্ৰয়োজনীয়তা সমূহ পূৰণ কৰা আৰু উন্নততৰ জীৱনৰ বাবে তেওঁলোকৰ আকাংক্ষাসমূহ পূৰণ কৰাৰ সুযোগ প্ৰসাৰিত কৰা" টোকে উল্লিখিত সংজ্ঞাটোত বহনক্ষম উন্নয়ন হিচাপে ব্যাখ্যা কৰাৰ মূলতে হ'ল আমাৰ উমৈহতীয়া ভৱিষ্যত (Our Common Future) শীৰ্ষক মৌলিক প্ৰতিবেদনখন। সকলোৰে প্ৰয়োজন পূৰাবৰ বাবে সম্পদৰ পুনৰ বিতৰণৰ আৱশ্যক আৰু সেয়েহে ই এক নৈতিক বিষয়। এড্ৱাৰ্ড বাৰ্বিয়েৰ (Edward Barbier)ৰ সংজ্ঞামতে তৃণমূল পৰ্যায়ৰ দুখীয়া লোকৰ জীৱন ধাৰণৰ বস্তুগত মান বৃদ্ধিত প্ৰত্যক্ষভাৱে জড়িত উন্নয়নেই বহনক্ষম উন্নয়ন। আয়, প্ৰকৃত আয়, শৈক্ষিক সেৱাসমূহ, স্বাস্থ্যৰ যতন, অনাময় ব্যৱস্থা, পানীযোগান ইত্যাদিৰ বৃদ্ধিৰে ইয়াক সাংখ্যিক ৰূপত পৰিমাপ কৰিব পাৰি। অধিক নিৰ্দিষ্টকৈ ক'বলৈ হ'লে জীৱন ধাৰণৰ দীৰ্ঘস্থায়ী আৰু সুনিশ্চিত অৱলম্বনৰ জৰিয়তে পৰম দৰিদ্ৰতা হ্ৰাস কৰাটোৱে বহনক্ষম উন্নয়নৰ উদ্দেশ্য। এনে অৱলম্বনসমূহে আকৌ সম্পদৰ অৱক্ষয়, পৰিৱেশৰ অৱনমন, সাংস্কৃতিক বিশৃংঙ্খলতা আৰু সামাজিক অস্থিৰতা হ্ৰাস কৰে। এই অৰ্থত বহনক্ষম উন্নয়ন হৈছে এনে উন্নয়ন যিয়ে সকলোৰে, বিশেষকৈ, সংখ্যাগৰিষ্ঠ দুখীয়া লোকৰ সংস্থান, খাদ্য, শক্তি, পানী, বাসস্থানৰ প্ৰয়োজনীয়তা পূৰণ কৰে আৰু এই প্ৰয়োজনসমূহ পূৰণৰ বাবে কৃষি, নিৰ্মাণ (manufacturing), শক্তি আৰু সেৱাৰ বিকাশ নিশ্চিত কৰে।

ব্ৰুণ্ডট্‌ল্যাণ্ড আয়োগে (Brundtland Commission)-এ ভৱিষ্যত প্ৰজন্মৰ সুৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ভৱিষ্যত প্ৰজন্মলৈ ভূ-গ্ৰহটো সু-প্ৰকাৰত হস্তান্তৰ কৰাৰ আমাৰ নৈতিক দায়িত্ব থকাটোত গুৰুত্ব আৰোপ কৰি পৰিৱেশবিদ সকলে আগবঢ়োৱা যুক্তিৰ লগত ইয়াৰ মিল আছে। অৰ্থাৎ বৰ্তমান প্ৰজন্মই ভৱিষ্যত প্ৰজন্মলৈ এক উন্নততৰ পৰিৱেশ এৰি যাব লাগিব। ভৱিষ্যত প্ৰজন্মৰ বাবে আমি অন্ততঃ এনে এক "জীৱনৰ মানবিশিষ্ট" (Quality of life)-ৰ ভাণ্ডাৰ এৰি যাব লাগিব— যিটো আমি উত্তৰাধিকাৰী সূত্ৰে পোৱাতকৈ কোনোগুণে কম নহয়।

বৰ্তমান প্ৰজন্মই উন্নয়ন প্ৰক্ৰিয়া এনে ধৰণে আগবঢ়াই নিব লাগিব যাতে ই প্ৰাকৃতিক আৰু নিৰ্মিত পৰিৱেশক কিছুমান নিৰ্দিষ্ট বিষয়ৰ লগত খাপ খুৱাব পৰাকৈ উন্নত কৰে। এই বিষয়সমূহ হ'ল—

(i) প্ৰাকৃতিক পৰিসম্পদৰ সংৰক্ষণ (ii) বিশ্বৰ প্ৰাকৃতিক পাৰিস্থিতিক তন্ত্ৰৰ পুনৰ সৃষ্টিৰ ক্ষমতাক

সুৰক্ষা প্ৰদান (iii) ভৱিষ্যত প্ৰজন্ম সমূহৰ ওপৰত বৰ্ধিত ব্যয় বা শংকাৰ বোজা বৰ্জন।

এগৰাকী আগশাৰীৰ পৰিৱেশ অৰ্থনীতিবিদ হাৰমান দ্যালে (Herman Daly)ৰ মতে বহনক্ষম উন্নয়ন সাধিবলৈ হ'লে তলত উল্লেখ কৰা ব্যৱস্থাসমূহৰ প্ৰয়োজন— (i) পৰিৱেশৰ বহনক্ষমতা (Carrying Capacity)ৰ ভিতৰত জনসংখ্যা সীমিতকৰণ। পৰিৱেশৰ বহনক্ষমতা হৈছে জাহাজৰ অনুমোদিত বোজাৰ সীমা চিহ্নক সূচোৱা ইয়াৰ বৈধ বহনক্ষমতা নিৰ্দেশক ৰেখাডালৰ লেখীয়া। অৰ্থনীতিৰ বাবে এই ৰেখাডালৰ অবিহনে জনসংখ্যা ৰেখাডালে পৃথিৱীৰ বহনক্ষমতাক চেৰাই যাব, যিয়ে বহনক্ষম উন্নয়নক বাধা প্ৰাপ্ত কৰিব, (ii) প্ৰযুক্তিমূলক প্ৰগতি নিয়োজিত আহিলা (input) ব্যয়ী হোৱাৰ পৰিৱৰ্তে নিয়োজিত আহিলা কুশলী (input efficent) হে হ'ব লাগিব, (iii) নবীকৰণযোগ্য সম্পদসমূহ বহনক্ষমতাৰ ভিত্তিত আহৰণ কৰা উচিত, অৰ্থাৎ আহৰণৰ হাৰ পুনৰ সৃষ্টিৰ হাৰতকৈ অধিক হ'ব নালাগে, (iv) অনবীকৰণযোগ্য সম্পদ সমূহৰ অৱক্ষয়ৰ হাৰ নবীকৰণযোগ্য বিকল্প সৃষ্টিৰ হাৰতকৈ অধিক হ'ব নালাগে, (v) প্ৰদুষণৰ উদ্ভৱ হোৱা অদক্ষতা সমূহ শুধৰাব লাগিব।

## 9.5 বহনক্ষম উন্নয়নৰ কৌশলসমূহ (Strategies for Sustainable Development) :

**অপৰম্পৰাগত শক্তিৰ উৎস সমূহৰ ব্যৱহাৰ (Use of Non-conventional Sources of Energy)**

তোমালোকে জানা যে ভাৰতবৰ্ষই দেশখনৰ শক্তিৰ প্ৰয়োজনৰ বাবে বৃহৎভাৱে তাপ আৰু জলশক্তি প্ৰকল্পসমূহৰ ওপৰত নিৰ্ভৰ কৰে। এই দুয়োটাৰে পৰিৱেশৰ ওপৰত প্ৰতিকূল প্ৰভাৱ আছে। তাপ বিদ্যুৎ প্ৰকল্পসমূহৰ পৰা যথেষ্ট পৰিমাণে কাৰ্বন-ডাই-অক্সাইড গেছ নিৰ্গত হয়। এইটো এটা সেউজ গৃহ গেছ। এই প্ৰকল্পসমূহৰ পৰা নিৰ্গত হৈ উৰি ফুৰা ছাঁইবোৰ যদিহে সঠিকভাৱে ব্যৱহাৰ কৰা নাযায়, তেনেহ'লে ই জলাশয়বোৰ, ভূমি আৰু পৰিৱেশৰ আন উপাদানসমূহ দূষিত কৰিব পাৰে। জল বিদ্যুৎ প্ৰকল্পসমূহে অৰণ্য প্লাৱিত কৰে আৰু নদীৰ অৱবাহিকা আৰু নদী উপত্যকাত পানীৰ প্ৰাকৃতিক প্ৰৱাহত বাধা প্ৰদান কৰে। বতাহ শক্তি (Wind Power) আৰু সৌৰ ৰশ্মি (Solar Ray), পৰম্পৰাগত কিন্তু পৰিষ্কাৰ আৰু সেউজ কৌশলৰ উত্তম উদাহৰণ। ইহঁতক তাপ আৰু জলশক্তিৰ সলনি কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰিব পাৰি।

**গ্ৰামাঞ্চল সমূহত এল.পি.জি., গোবৰ গেছ (LPG, Gobar Gas in Rural Areas)**

গ্ৰামাঞ্চলৰ পৰিয়াল সমূহত ইন্ধন হিচাপে সাধাৰণতে খৰি, গোবৰ পিঠা (Dung Cake) বা আন জীৱভৰ (Biomass) ব্যৱহাৰ কৰে। এই অভ্যাসৰ লগত নিৰ্বনানীকৰণ, সেউজ আৱৰণ হ্ৰাস, গৰু-ম'হৰ গোবৰৰ অপচয় আৰু বায়ু প্ৰদূষণ আদি কেতবোৰ নেতিবাচক দিশ সাঁঙোৰ খাই আছে। এই পৰিস্থিতিৰ উপশম ঘটাবলৈ ৰাজ সাহায্যত LPGৰ যোগান ধৰা হৈছে। ইয়াৰ লগতে গোবৰ গেছ প্ৰকল্প সমূহ সহজ ঋণ আৰু ৰাজ সাহায্যৰ জৰিয়তে আগবঢ়োৱা হৈছে। তৰলীকৃত পেট্ৰ'লিয়াম গেছ (Liquefied Petrolium Gas, LPG) এক পৰিষ্কাৰ ইন্ধন আৰু ই ঘৰুৱা প্ৰদূষণৰ যথেষ্ট পৰিমাণে হ্ৰাস কৰে। লগতে শক্তিৰ অপব্যয়ো ন্যূনতম হয়। গোবৰ গেছ প্ৰকল্পত গৰু ম'হৰ গোবৰ ব্যৱহাৰ কৰি গেছ উৎপাদন কৰা হয়

আৰু এই গেছক ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়। তদুপৰি বৈ যোৱা অৱশিষ্টসমূহ উত্তম জৈৱ সাৰ আৰু ভূমি পোষক?

**কৰি চোৱা**
**(Work This Out)**

> ➤ দিল্লীত বাছ আৰু আন ৰাজহুৱা বাহন সমূহত ইন্ধন হিচাপে পেট্ৰ'ল নতুবা ডিজেলৰ সলনি CNG ব্যৱহাৰ কৰা হয়; কিছুমান বাহনত ৰূপান্তৰশীল (Convertible) ইঞ্জিন ব্যৱহাৰ কৰা হয়; পথ পোহৰোৱাৰ বাবে সৌৰশক্তি ব্যৱহাৰ কৰা হয়। এনে পৰিৱৰ্তন সমূহ সম্বন্ধে কি ভাবা? ভাৰতবৰ্ষত বহনক্ষম উন্নয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে শ্ৰেণীত তৰ্কসভাৰ আয়োজন কৰা।

**নগৰাঞ্চল সমূহত চি.এন.জি. (CNG in Urban Areas)**

দিল্লীত ৰাজহুৱা পৰিবহনৰ ক্ষেত্ৰত প্ৰচাপিত প্ৰাকৃতিক গেছ (Compressed Natural Gas, CNG)ৰ ব্যৱহাৰে বায়ু প্ৰদূষণ যথেষ্ট পৰিমাণে হ্ৰাস কৰিছে আৰু যোৱা কিছু বছৰত ইয়াৰ বায়ু যথেষ্ট পৰিষ্কাৰ হৈছে।

**বতাহ শক্তি (Wind Power)**

যিবোৰ অঞ্চলত বতাহৰ গতি সাধাৰণতে বেছি, বতাহ কলে পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ নেপেলোৱাকৈ বিদ্যুৎ আগবঢ়াব পাৰে। বতাহ পাট-চকৰি (Wind Turbines) সমূহ বতাহৰ সৈতে ঘূৰে আৰু বিদ্যুৎ উৎপাদিত হয়। সন্দেহ নাই যে ইয়াৰ প্ৰাৰম্ভিক ব্যয় যথেষ্ট বেছি। কিন্তু ইয়াৰ সুবিধা ইমান বেছি যে এই উচ্চ ব্যয় সহজে উচল হয়।

**আলোক বৈদ্যুতিক কোষৰ জৰিয়তে সৌৰ শক্তি (Solar Power Through Photovoltatic Cells)**

ভাৰতবৰ্ষক সূৰ্যৰ ৰশ্মিয়ে সৌৰ শক্তিৰ বাবে প্ৰাকৃতিকভাৱে যথেষ্ট চহকী কৰিছে। আমি ইয়াক বিভিন্নভাৱে ব্যৱহাৰ কৰোঁ। উদাহৰণ স্বৰূপে আমি ইয়াৰ সহায়ত আমাৰ বস্ত্ৰ, শস্য, অন্যান্য কৃষিজাত সামগ্ৰীৰ লগতে বিভিন্ন দৈনন্দিন ব্যৱহাৰৰ সামগ্ৰী সমূহ শুকুৱাও। তদুপৰি শীতকালত আমি শৰীৰ উষ্ণ কৰি ৰাখিবলৈ সূৰ্যৰ ৰশ্মি ব্যৱহাৰ কৰোঁ। উদ্ভিদসমূহে সালোকসংশ্লেষণৰ বাবে সৌৰ শক্তি ব্যৱহাৰ কৰে। বৰ্তমান আলোক বৈদ্যুতিক কোষৰ সহায়ত সৌৰ শক্তি বিদ্যুতলৈ ৰূপান্তৰ কৰিব পাৰি। এই কোষসমূহে বিশেষ ধৰণৰ পদাৰ্থ ব্যৱহাৰ কৰি সৌৰ শক্তি সংগ্ৰহ কৰে আৰু পিছত এই শক্তি বৈদ্যুতিক শক্তিলৈ পৰিৱৰ্তিত কৰে। ভিতৰুৱা অঞ্চল আৰু গ্ৰীড (Grid) আৰু বৈদ্যুতিক তাঁৰ ব্যৱহাৰ কৰি শক্তি সৰবৰাহ সম্ভৱপৰ নোহোৱা অথবা এনে ব্যৱস্থা ব্যয়বহুল হোৱা অঞ্চলসমূহৰ বাবে এই প্ৰযুক্তি অত্যন্ত উপযোগী। ই প্ৰদূষণ মুক্তও।

**ক্ষুদ্ৰ-জলবিদ্যুৎ প্ৰতিষ্ঠান (Mini-hydel Plants)**

পাৰ্বত্য অঞ্চলসমূহৰ প্ৰায় সকলোতে নিজৰা দেখা যায়। ইহঁতৰ বেছি ভাগতেই বাৰ মাহে পানী থাকে। ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰতিষ্ঠানসমূহে সৰু পাট-চকৰি সমূহ ঘূৰাবৰ বাবে এই নিজৰা সমূহৰ শক্তি



ব্যৱহাৰ কৰে। এই পাট-চকৰি সমূহে বিদ্যুৎ উৎপাদন কৰে আৰু ইয়াক স্থানীয়ভাৱে ব্যৱহাৰ কৰিব পাৰি। এই শক্তি প্ৰতিষ্ঠান সমূহ কম বেছি পৰিমাণে পৰিৱেশ অনুকূল (Environment Friendly) কিয়নো এই প্ৰতিষ্ঠানসমূহে ইয়াৰ অৱস্থিত স্থানত ভূমি ব্যৱহাৰ পদ্ধতিৰ পৰিৱৰ্তন নঘটায়; লগতে ইহঁতে স্থানীয় চাহিদা পূৰণ কৰিব পৰাকৈ যথেষ্ট শক্তি উৎপাদন কৰিব পাৰে। এই প্ৰতিষ্ঠানসমূহে বৃহৎ মাত্ৰাৰ বিদ্যুৎ প্ৰেৰণ স্তম্ভ আৰু তাঁৰৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তা নোহোৱা কৰাৰ লগতে প্ৰেৰণ ব্যৰ্থতাৰো হাত সৰাব পাৰে।

**পৰম্পৰাগত জ্ঞান আৰু ৰীতি সমূহ (Traditional Knowledge & Practices)**

পৰম্পৰাগতভাৱে ভাৰতীয় লোকৰ পৰিৱেশৰ সৈতে নিকট সম্পৰ্ক আছে। তেওঁলোক পৰিৱেশ নিয়ন্ত্ৰক নহয়; ইয়াৰ উপাদানহে। আমি আমাৰ কৃষি ব্যৱস্থা, স্বাস্থ্য যতন ব্যৱস্থা, গৃহ নিৰ্মাণ, যাতায়াত আদিলৈ লক্ষ্য কৰিলে দেখিম যে আমাৰ সকলো ৰীতি পৰিৱেশ অনুকূল। অতি সম্প্ৰতিহে আমি পৰম্পৰাগত ব্যৱস্থাৰ পৰা পথচ্যুত হৈছোঁ আৰু পৰিৱেশ আৰু গ্ৰামীণ ঐতিহ্যৰ ক্ষতি সাধন কৰিছোঁ। এতিয়া পুনৰ উভতি যোৱাৰ সময়। স্বাস্থ্যৰ যতন ইয়াৰ এক উপযুক্ত উদাহৰণ। ভাৰতবৰ্ষই প্ৰায় 15,000 টা প্ৰজাতিৰ ঔষধি গুণ সম্পন্ন উদ্ভিদ থকাৰ বিশেষ সৌভাগ্য লাভ কৰিছে। ইয়াৰে প্ৰায় 8,000 টা প্ৰজাতি লোকপৰম্পৰাকে ধৰি বিভিন্ন চিকিৎসা পদ্ধতিত নিয়মীয়াকৈ ব্যৱহাৰ কৰা হয়। পশ্চিমীয়া চিকিৎসা পদ্ধতিৰ হঠাতে ঘটা আগ্ৰাসনত আমি জনসাধাৰণৰ মাজত প্ৰচলিত আয়ুৰ্বেদ, উনানি, তিব্বতীয় আৰু লোক প্ৰণালী আদি পৰম্পৰাগত পদ্ধতিসমূহক উপেক্ষা কৰিছোঁ।

দীৰ্ঘদিনীয়া ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত এই স্বাস্থ্য যতন পদ্ধতিসমূহৰ চাহিদা পুনৰ বৃদ্ধি পাবলৈ লৈছে। আজিকালি চুলিত ঘঁহা তেল, দন্তমঞ্জন, শৰীৰ আৰু মুখমণ্ডলত সনা ক্ৰীম আদি প্ৰসাধন সামগ্ৰীৰ প্ৰায় সকলোবোৰ বনৌষধিৰ যৌগ। এই সামগ্ৰীসমূহ কেৱল পৰিৱেশ অনুকূলেই নহয়, ইহঁত তুলনামূলকভাৱে পাৰ্শ্বক্ৰিয়াৰ পৰাও মুক্ত। তদুপৰি ইহঁতৰ বাবে বৃহৎ ঔদ্যোগিক আৰু ৰাসায়নিক প্ৰক্ৰিয়াকৰণৰো প্ৰয়োজন নহয়।

### জীৱ বিয়োজন (Biocomposting)

বিগত প্ৰায় পাঁচটা দশকত আমাৰ কৃষিজাত উৎপাদন বৃদ্ধিৰ সন্ধানত আমি পচন সাৰৰ ব্যৱহাৰক সম্পূৰ্ণভাৱে উলাই কৰি ৰাসায়নিক সাৰৰ ব্যৱহাৰক আঁকোৱালি লৈছোঁ। ইয়াৰ ফলস্বৰূপে বহু উৎপাদনক্ষম ভূমিৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পৰিল। ভূগৰ্ভৰ পানীকে ধৰি জলাশয়সমূহ ৰাসায়নিক পদাৰ্থৰ দ্বাৰা দূষিত হ'ল আৰু বছৰে বছৰে জলসিঞ্চনৰ চাহিদা বৃদ্ধি পাবলৈ ধৰিলে।

সমগ্ৰ দেশতে বহু সংখ্যক কৃষকে বৰ্তমান বিভিন্ন প্ৰকাৰৰ জৈৱিক বৰ্জিত দ্ৰব্যৰ পৰা প্ৰস্তুত পচন সাৰ পুনৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। দেশখনৰ কেতবোৰ বিশেষ অঞ্চলত কেৱল মাত্ৰ গোবৰৰ বাবে গৰু-ম'হ পালন কৰিছে। কিয়নো গোবৰ এবিধ গুৰুত্বপূৰ্ণ সাৰ আৰু ই ভূমিৰ পোযক।

সাধাৰণ বিয়োজন প্ৰক্ৰিয়াতকৈ কেঁচুৱে সোনকালে জৈৱিক পদাৰ্থক পচন সাৰলৈ ৰূপান্তৰ কৰিব পাৰে। এই পদ্ধতি বৰ্তমান বিস্তৃতভাৱে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ ফলত পৌৰ কৰ্তৃপক্ষ সমূহো পৰোক্ষভাৱে লাভৱান হৈছে। কিয়নো ইবিলাকৰ বাবে পেলনীয়া আৱৰ্জনাৰ পৰিমাণ হ্ৰাস হৈছে।

### জীৱ কীট নিয়ন্ত্ৰণ (Biopest Control)

সেউজ বিপ্লৱৰ সূচনাৰ পিছত সমগ্ৰ দেশখনেই অধিক উৎপাদনৰ বাবে ৰাসায়নিক কীটনাশক ব্যৱহাৰ কৰিবলৈ উদ্বাউল হৈ উঠিছে। অনতিপলমেই ইয়াৰ বিৰূপ প্ৰভাৱ দেখিবলৈ পোৱা গৈছে; খাদ্য সামগ্ৰী সমূহ দূষিত হৈছে, ভূমি, জলাশয় আৰু আনকি ভূগৰ্ভৰ পানীও কীটনাশক দ্ৰব্যৰ দ্বাৰা প্ৰদূষিত হৈছে। আনকি গাখীৰ, মাংস আৰু মাছো দূষিত হৈছে।

এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ কীট নিয়ন্ত্ৰণৰ বাবে উন্নত পদ্ধতি প্ৰয়োগৰ প্ৰচেষ্টা চলিছে। এনে এক পদক্ষেপ হ'ল উদ্ভিদৰ পৰা উৎপাদিত দ্ৰব্যৰ ওপৰত নিৰ্ভৰ কৰা কীটনাশকৰ ব্যৱহাৰ। এই ক্ষেত্ৰত নিমগছ অতি উপযোগী বুলি প্ৰমাণিত হৈছে। বিভিন্ন ধৰণৰ কীট নিয়ন্ত্ৰণকাৰী ৰাসায়নিক দ্ৰব্য নিমগছৰ পৰা পৃথক কৰি ব্যৱহাৰ কৰা হৈছে। মিশ্ৰ শস্য পদ্ধতি (Mixed Cropping) আৰু একে ডোখৰ ভূমিত ক্ৰমাগতভাৱে বিভিন্ন শস্যৰ খেতিয়েও এই ক্ষেত্ৰত কৃষকসকলক সহায় কৰিছে।

লগতে কীট নিয়ন্ত্ৰণত সহায় কৰা বিভিন্ন জীৱ-জন্তু আৰু চৰাই সম্পৰ্কেও সজাগতাৰ প্ৰসাৰ ঘটি আছে। উদাহৰণ স্বৰূপে এন্দুৰ, নিগনি আৰু আন কীট সমূহ ভক্ষণ কৰা জীৱসমূহৰ এটা প্ৰধান অংশ হ'ল সাপ। একেদৰে ফেঁচা, ময়ূৰপক্ষী আদি বিভিন্ন প্ৰজাতিৰ চৰায়ে ক্ষুদ্ৰ ক্ষতিকাৰক কীট-পতঙ্গ আদি ভক্ষণ কৰি জীয়াই থাকে। ইহঁতক কৃষি ভূমিৰ আশে-পাশে বাস কৰাৰ সুবিধা দিলে ইহঁতে এই অপকাৰী কীট-পতঙ্গ সমূহ নাইকিয়া কৰিব পাৰে। এই ক্ষেত্ৰত জেঠীৰ ভূমিকাও গুৰুত্বপূৰ্ণ। আমি ইহঁতৰ মূল্য বুজি ইহঁতক ৰক্ষণাবেক্ষণ দিয়া উচিত।

বহনক্ষম উন্নয়ন বৰ্তমান এক জনপ্ৰিয় বাক্যাংশ। দৰাচলতে ই উন্নয়ন চিন্তাধাৰাৰ এক

দৃষ্টান্তমূলক পৰিৱৰ্তন। ইয়াৰ ব্যাখ্যা বিভিন্ন ধৰণে দিয়া হৈছে যদিও এই পথৰ প্ৰতি আনুগত্যই সকলোৰে বাবে দীৰ্ঘস্থায়ী উন্নয়ন আৰু অ-নিম্নগামী কল্যাণ নিশ্চিত কৰে।

## 9.6 সামৰণি (Conclusion) :

ঊৰ্ধমুখী জনসংখ্যাৰ আৰশ্যকতা পূৰণৰ বাবে বৰ্ধিত সামগ্ৰী আৰু সেৱা উৎপাদনৰ লক্ষ্যৰে পৰিচালিত অৰ্থনৈতিক উন্নয়নে পৰিৱেশৰ ওপৰত অধিক চাপৰ সৃষ্টি কৰে। উন্নয়নৰ প্ৰাৰম্ভিক স্তৰত, পৰিৱেশমূলক সম্পদসমূহৰ চাহিদা ইবিলাকৰ যোগানতকৈ কম আছিল। বৰ্তমান বিশ্বই এনে সম্পদসমূহৰ বৰ্ধিত চাহিদাৰ সন্মুখীন হৈছে, কিন্তু মাত্ৰাধিক ব্যৱহাৰ আৰু অপব্যৱহাৰৰ বাবে ইহঁতৰ যোগান সীমিত হৈ পৰিছে। বহনক্ষম উন্নয়নৰ উদ্দেশ্য হ'ল এনে এক ধৰণৰ উন্নয়নক আগবঢ়াই নিয়াটো যিয়ে পৰিৱেশ সম্পৰ্কীয় সমস্যা সমূহ নিম্নতম কৰে আৰু ভৱিষ্যত প্ৰজন্ম সমূহৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰাৰ সামৰ্থ্যৰ ক্ষেত্ৰত আপোচ নকৰাকৈ বৰ্তমান প্ৰজন্মৰ নিজ নিজ প্ৰয়োজনীয়তা পূৰণ কৰে।

### পুনৰুক্তি (Recap)

- পৰিৱেশে চাৰি প্ৰকাৰৰ কাৰ্য সম্পাদন কৰে ঃ সম্পদৰ যোগান ধৰে, আৱৰ্জনাসমূহৰ আত্মীকৰণ ঘটায়, আনুবংশিক বৈচিত্ৰ্য আৰু জীৱ-বৈচিত্ৰ্যৰ জৰিয়তে জীৱন টিকাই ৰাখে আৰু নান্দনিক সেৱা আগবঢ়ায়।
- জনসংখ্যা বিস্ফোৰণ, ভোগ আৰু উৎপাদনৰ পয়োভৰে পৰিৱেশৰ ওপৰত প্ৰচুৰ চাপ পেলাইছে।
- ভাৰতবৰ্ষত উন্নয়ন কাৰ্যসমূহে মানৱ স্বাস্থ্য আৰু কল্যাণৰ ওপৰত প্ৰভাৱ পেলোৱাৰ উপৰিও দেশখনৰ সীমিত প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত অসম্ভৱ চাপৰ সৃষ্টি কৰিছে।
- ভাৰতবৰ্ষৰ পৰিৱেশৰ ভাবুকি দ্বি-মাত্ৰিক— দৰিদ্ৰতা প্ৰণোদিত পৰিৱেশ অৱনমনৰ ভাবুকি আৰু সমৃদ্ধি তথা উদ্যোগ খণ্ডৰ দ্ৰুত বৃদ্ধিৰ ফলত হোৱা প্ৰদূষণৰ ভাবুকি।
- চৰকাৰে বিভিন্ন উপায়েৰে পৰিৱেশক ৰক্ষণাবেক্ষণ দিবলৈ প্ৰচেষ্টা চলাইছে যদিও এক বহনক্ষম উন্নয়নৰ পথ গ্ৰহণ কৰাটোও আৱশ্যক।
- বহনক্ষম উন্নয়ন এনে উন্নয়ন যি উন্নয়নে ভৱিষ্যত প্ৰজন্ম সমূহৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰাৰ সামৰ্থ্যৰ ক্ষেত্ৰত আপোচ নকৰাকৈ বৰ্তমান প্ৰজন্মৰ নিজ নিজ প্ৰয়োজনীয়তা পূৰণ কৰে।
- প্ৰাকৃতিক সম্পদৰাজিৰ সংবৰ্ধন, সংৰক্ষণ, পৰিস্থিতি তন্ত্ৰৰ পুনৰ সৃষ্টি ক্ষমতা (Regenerative capacity of ecological system)-ক সুৰক্ষা প্ৰদান আৰু ভৱিষ্যত প্ৰজন্মৰ ওপৰত পাৰিৱেশিক শংকাৰ বোজা আঁতৰাই ৰখাটোৱে বহনক্ষম উন্নয়নৰ পথত অগ্ৰসৰ কৰাব।



## অনুশীলনী (Exercise)

1. পৰিৱেশ মানে কি?
2. সম্পদৰ পুনৰ সৃষ্টিৰ হাৰতকৈ উদঘাটনৰ হাৰ অধিক হ'লে কি হ'ব?
3. তলত দিয়াবোৰক নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদত শ্ৰেণী বিভাজন কৰা।
   (i) গছ (ii) মাছ (iii) পেট্ৰ'লিয়াম (iv) কয়লা (v) লোৰ আকৰ (vi) পানী
4. খালী ঠাই পূৰণ কৰা ঃ
   বৰ্তমান বিশ্বই সন্মুখীন হোৱা দুটা পৰিৱেশ সম্পৰ্কীয় প্ৰধান সমস্যা হ'ল------------- আৰু ---------।
5. তলৰ বিষয় কেইটাই ভাৰতবৰ্ষত পৰিৱেশ সম্পৰ্কীয় সমস্যাত কেনেদৰে অৰিহণা যোগাইছে?
   (i) বৰ্ধিত জনসংখ্যা
   (ii) বায়ু প্ৰদূষণ
   (iii) জল প্ৰদূষণ
   (iv) পয়োভৰপূৰ্ণ ভোগমান (Affluent Consumption Standard)
   (v) নিৰক্ষৰতা
   (vi) উদ্যোগীকৰণ
   (vii) নগৰীকৰণ
   (viii) বনাঞ্চল সংকোচন
   (ix) চোৰাং চিকাৰ
   (x) গোলকীয় উষ্ণতা
   চৰকাৰৰ বাবে ইহঁতে কেনে সমস্যাৰ অৱতাৰণা কৰিছে?
6. পৰিৱেশৰ কাৰ্যাৱলী কি?
7. ভাৰতবৰ্ষত ভূমিৰ অৱনমনৰ ছয়টা কাৰক চিনাক্ত কৰা।
8. নেতিবাচক পাৰিৱেশিক প্ৰভাৱৰ সুযোগব্যয় কেনেকৈ অধিক হয় তাক ব্যাখ্যা কৰা।
9. ভাৰতবৰ্ষত বহনক্ষম উন্নয়নৰ বাবে প্ৰয়োজনীয় পদক্ষেপ সমূহৰ এটি ৰূপৰেখা অংকন কৰা।
10. ভাৰতবৰ্ষত প্ৰচুৰ প্ৰাকৃতিক সম্পদ আছে। উক্তিটো তথ্য সহকাৰে প্ৰতিপন্ন কৰা।
11. পৰিৱেশ সংকট এটা অতি সাম্প্ৰতিক পৰিঘটনা নে? যদি হয়, কিয়?

12. দুটা উদাহৰণ দিয়া ঃ
    (a) পাৰিৱেশিক সম্পদৰ অত্যধিক ব্যৱহাৰ।
    (b) পাৰিৱেশিক সম্পদৰ অপব্যৱহাৰ।
13. ভাৰতবৰ্ষৰ যিকোনো চাৰিটা জৰুৰী পৰিৱেশ সম্পৰ্কীয় উদ্বেগৰ কাৰণ উল্লেখ কৰা। পাৰিৱেশিক ক্ষতি সংশোধনৰ সুযোগ ব্যয় আছে। ব্যাখ্যা কৰা।
14. পাৰিৱেশিক সম্পদৰ যোগান-চাহিদাৰ বিপৰীতমুখী সম্পৰ্ক ব্যাখ্যা কৰা।
15. সাম্প্ৰতিক কালৰ পৰিৱেশ সংকট বৰ্ণনা কৰা।
16. ভাৰতবৰ্ষত উন্নয়নৰ যিকোনো দুটা গভীৰ পৰিৱেশ প্ৰতিকূল পৰিণতি ব্যাখ্যা কৰা। ভাৰতবৰ্ষৰ পৰিৱেশ সমস্যাৰ দুটা পৃথক বিৰোধী ৰূপ আছে— এই সমস্যাসমূহ এহাতে দৰিদ্ৰ প্ৰণোদিত আৰু আনহাতে জীৱন নিৰ্বাহৰ মানৰ সমৃদ্ধিৰ ফলশ্ৰুতি। এইটো সত্যনে?
17. বহনক্ষম উন্নয়ন কি?
18. তোমাৰ স্থানীয় অঞ্চলৰ প্ৰতি দৃষ্টি ৰাখি বহনক্ষম উন্নয়নৰ যিকোনো চাৰিটা কৌশল বৰ্ণনা কৰা।
19. বহনক্ষম উন্নয়নৰ সংজ্ঞাত আন্তঃ প্ৰজন্মগত সমতাৰ প্ৰাসঙ্গিকতা ব্যাখ্যা কৰা।

## ওপৰঞ্চি কাৰ্যৰ পৰামৰ্শ (Suggested Additional Activities)

1. ধৰা হ'ল প্ৰতি বছৰে 70 লাখ গাড়ী মহানগৰী সমূহৰ পথত সংযোজন কৰা হ'ল। কোনবোৰ সম্পদৰ অৱক্ষয় হ'ব বুলি তুমি ভাবা? আলোচনা কৰা।
2. পুনঃ ব্যৱহাৰৰ উপযোগী কৰিব পৰা বস্তুৰ এখন তালিকা প্ৰস্তুত কৰা।
3. ভূমিৰ খহনৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰৰ এখন তালিকা প্ৰস্তুত কৰা।
4. পৰিৱেশ সংকটত জনসংখ্যা বিস্ফোৰণে কেনেদৰে অৰিহণা যোগায়? শ্ৰেণী কোঠাত বিতৰ্ক কৰা।
5. পাৰিৱেশিক ক্ষতি সংশোধনৰ বাবে দেশে যথেষ্ট খৰচ কৰিবলগীয়া হয়। আলোচনা কৰা।
6. তোমাৰ গাঁৱত এটি কাগজ ক'ল স্থাপন কৰা হ'ব। বিষয়বস্তুটো সম্পৰ্কে সমাজকৰ্মী, এজন উদ্যোগপতি আৰু এচাম গাঁওবাসীৰ ভূমিকা সম্বলিত এখন নাটিকা প্ৰস্তুত কৰা।



## প্ৰসঙ্গ (References)


### গ্ৰন্থ

Agarwal, Anil and Sunita Narain. 1996. *Global Warming in an Unequal World,* Centre for Science and Environment, Reprint Edition, New Delhi.

Bharucha, E. 2005. *Textbook of Environmental Studies for Undergraduate Courses,* University Press (India) Pvt. Ltd.

Center for Science and Environment. 1996. State of India's Environment

1. *The First Citizens' Report 1982*. Reprint Edition, New Delhi.

2. *The Second Citizens' Report 1985.* Reprint Edition, New Delhi.

Karpagam, M. 2001. *Environmental Economics : A Textbook,* Sterling Publishers, New Delhi.

Rajagopalan, R. 2005. Environmental Studies : From Crisis to Cure. Oxford University Press, New Delhi.

Schumacher, E.F. *Small is Beautiful*. Abacus Publishers, New York.

### পত্ৰিকা

Scientific American, India, Special Issue, September 2005.

Down to Earth, Centre for Science and Environment, New Delhi.

### ৱেব্‌চাইট

http://envfor.nic.in

http://cpcb.nic.in

http://www.cseindia.org

# চতুৰ্থ গোট

## ভাৰতবৰ্ষৰ উন্নয়নৰ অভিজ্ঞতা ঃ প্ৰতিবেশী দেশসমূহৰ লগত এটি তুলনা

ভৌগোলিক পৰিসীমা লাহে লাহে অৰ্থহীন হৈ পৰা সাম্প্ৰতিক গোলকীকৃত বিশ্বত উন্নয়নশীল দেশসমূহৰ বাবে ইবিলাকৰ প্ৰতিবেশী দেশসমূহে অনুসৰণ কৰা উন্নয়নৰ কৌশলবোৰ বুজি পোৱাটো গুৰুত্বপূৰ্ণ। এই দেশসমূহৰ প্ৰত্যেকে বিশ্ববজাৰৰ তুলনামূলকভাৱে সীমিত অৰ্থনৈতিক ব্যাপ্তিৰ অংশীদাৰ হোৱা হেতুকে ইয়াৰ গুৰুত্ব আৰু অধিক। এই খণ্ডত ভাৰতবৰ্ষৰ উন্নয়নৰ অভিজ্ঞতাসমূহ ইয়াৰ দুখন গুৰুত্বপূৰ্ণ আৰু কৌশলগত কাৰণত বিচাৰযোগ্য চুবুৰীয়া দেশ ক্ৰমে পাকিস্তান আৰু চীনৰ লগত তুলনা কৰি চোৱা হ'ব।

# 10

## দশম অধ্যায়

# ভাৰতবৰ্ষ আৰু ইয়াৰ প্ৰতিবেশী দেশসমূহৰ উন্নয়নৰ তুলনামূলক অভিজ্ঞতা

## (COMPARATIVE : DEVELOPMENT EXPERIENCES OF INDIA AND ITS NEIGHBOURS)

**এই অধ্যায়টো পঢ়াৰ পিছত, ছাত্ৰ-ছাত্ৰীসকলে—**

- ভাৰতবৰ্ষ আৰু ইয়াৰ চুবুৰীয়া দেশ— চীন আৰু পাকিস্তানৰ অৰ্থনৈতিক আৰু মানৱ উন্নয়নৰ বিভিন্ন নিৰ্দেশকসমূহৰ তুলনামূলক গতিধাৰাৰ চিত্ৰ ল'ব পাৰিব।
- বৰ্তমানৰ উন্নয়নৰ অৱস্থাত উপনীত হ'বলৈ এই দেশ কেইখনে গ্ৰহণ কৰা কৌশলসমূহৰ মূল্যায়ন কৰিব পাৰিব।

ভূগোলে আমাক চুবুৰীয়া, ইতিহাসে বন্ধু, অৰ্থবিজ্ঞানে অংশীদাৰ আৰু প্ৰয়োজনে সহযোগী কৰিছে। ঈশ্বৰে গঢ়া এনে বান্ধোন কোনোৱেই নিছিঙক।

জন. এফ. কেনেডী

(Geography has made us neighbours. History has made us friends. Economics has made us partners, and necessity has made us allies. Those whom God has so joined together, let no man put asunder.

John F. Kennedy)

## 10.1 সূচনা (Introduction) :

ইয়াৰ আগৰ অধ্যায়সমূহত ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ অভিজ্ঞতাৰ বিষয়ে আমি বিশদ অধ্যয়ন কৰিছোঁ। এই সন্দৰ্ভত ভাৰতে গ্ৰহণ কৰা নীতিসমূহ আৰু দেশৰ বিভিন্ন খণ্ডত ইবোৰে পেলোৱা প্ৰভাৱৰ বিষয়েও আমি অধ্যয়ন কৰিছোঁ। যোৱা দুটামান দশকত, আংশিকভাৱে গোলকীকৰণৰ প্ৰক্ৰিয়াৰ কাৰণে পৃথিৱীৰ বিভিন্ন দেশসমূহত যি অৰ্থনৈতিক পৰিৱৰ্তন ঘটিছে সিয়ে ভাৰতকে ধৰি প্ৰতিখন দেশৰ বাবে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী দুয়োধৰণৰ তাৎপৰ্য বহন কৰিছে। শীতল যুদ্ধৰ পৰৱৰ্তীকালত বিশ্বৰ দেশসমূহে মূলতঃ নিজ নিজ দেশীয় অৰ্থব্যৱস্থা টনকিয়াল কৰিবৰ কাৰণে নানা ব্যৱস্থা গ্ৰহণ কৰিবলৈ চেষ্টা কৰি আহিছে। এই কাৰণেই দেশসমূহে ছাৰ্ক (SAARC), ইউৰোপীয়ান ইউনিয়ন (EU), আছিয়ান (ASEAN), জি-৮ (G-8), জি- ২০ (G-20) আদি বিভিন্ন আঞ্চলিক আৰু গোলকীয় জোঁট গঠন কৰিছে। তদুপৰি নিজ নিজ উন্নয়ন প্ৰক্ৰিয়াৰ আপেক্ষিক শক্তি তথা দুৰ্বলতাসমূহৰ বিষয়ে ভালকৈ অনুধাৱন কৰাৰ উদ্দেশ্যে চুবুৰীয়া দেশসমূহৰ উন্নয়নত প্ৰক্ৰিয়াৰ প্ৰয়োগৰ প্ৰয়াস আৰু বুজ লোৱাৰ আগ্ৰহ বিশ্বৰ দেশসমূহত ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। বিশ্বায়নৰ প্ৰক্ৰিয়াৰ লগে লগে উন্নয়নশীল দেশসমূহৰ মাজত এনে আগ্ৰহ আৰু প্ৰয়াস বিশেষভাৱে প্ৰয়োজনীয় হৈ পৰিছে। কিয়নো, এই দেশসমূহ অকল যে উন্নত দেশসমূহৰ সৈতেই প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলগীয়া হৈছে তেনে নহয়, বৰঞ্চ এই উন্নয়নশীল দেশসমূহৰ সীমিত অৰ্থনৈতিক ক্ষেত্ৰখনত ইখনে সিখনৰ লগতো পৰস্পৰ প্ৰতিযোগিতাত নামিবলগীয়া হৈছে। চুবুৰীয়া দেশসমূহৰ অৰ্থব্যৱস্থাৰ জ্ঞান আহৰণ কৰাটো এই বাবেও প্ৰয়োজনীয় যে সহভাগী পৰিৱেশত একোটা অঞ্চলৰ সকলো মুখ্য উমৈহতীয়া আৰ্থিক কাৰ্যই সামগ্ৰিক মানৱ উন্নয়নক প্ৰভাৱিত কৰে।

এই অধ্যায়ত আমি ভাৰতবৰ্ষ আৰু ইয়াৰ দুখন ডাঙৰ চুবুৰীয়া দেশ— পাকিস্তান আৰু চীনৰ উন্নয়নৰ কৌশলসমূহৰ মাজত তুলনা কৰিম। এইখিনিতে মন কৰিবলগীয়া যে প্ৰাকৃতিক সা-সমলৰ ফালৰ পৰা এই দেশকেইখনৰ মাজত সামঞ্জস্য থাকিলেও কেউখন দেশৰ ৰাজনৈতিক পৰিৱেশ— যেনে— ভাৰতৰ আধাশতিকা ধৰি

প্ৰচলিত ধৰ্মনিৰপেক্ষ আৰু উদাৰ সংবিধান আধাৰিত বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ, পাকিস্তানৰ সামৰিক একনায়কত্ববাদী ৰাজনৈতিক ব্যৱস্থা আৰু সৌ-সিদিনা মাত্ৰ উদাৰবাদী পুনৰ-গঠন প্ৰক্ৰিয়া হাতত লোৱা কৰ্তৃত্ববাদী অৰ্থব্যৱস্থাৰ চীনৰ-মাজত তেনেই সামান্য সাদৃশ্যহে আছে।

## 10.2 উন্নয়নৰ পথ— এক প্ৰতিচ্ছৱি (Development Path– A Snapshot View) :

ভাৰত, পাকিস্তান আৰু চীনৰ উন্নয়ন-কৌশলৰ মাজত যে ভালেমান সাদৃশ্য আছে জানানে? তিনিওখন দেশেই প্ৰায় একে সময়তেই উন্নয়নৰ পথত খোজ দিছিল। ভাৰত আৰু পাকিস্তান উভয়ে স্বাধীন হৈছিল 1947 চনত। আনহাতে, চীন প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা হৈছিল 1949 চনত। সেই সময়ত দিয়া এটি ভাষণত জৱাহৰলাল নেহৰুৱে কৈছিল, 'বিষয়ৰ ফালৰ পৰা সুকীয়া হ'লেও চীন আৰু ভাৰতৰ এই নতুন আৰু বৈপ্লৱিক পৰিৱৰ্তনসমূহ এছিয়াৰ নতুন উদ্যম আৰু নতুন প্ৰাণশক্তিৰ প্ৰতীক— যি এছিয়াৰ দেশসমূহত অভিব্যক্ত হ'বলৈ ধৰিছে।'

এই তিনিওখন দেশেই উন্নয়নৰ কৌশলৰ পৰিকল্পনা একেধৰণে আৰম্ভ কৰিছিল। ভাৰতে 1951–56 চনৰ বাবে প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা ঘোষণা কৰিছিল, পাকিস্তানে নিজৰ প্ৰথম পাঁচ বছৰীয়া পৰিকল্পনা Medium Term Plan নামেৰে আৰম্ভ কৰিছিল 1956 চনত। চীনে প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা ঘোষণা কৰিছিল 1953 চনত। 1998 চনলৈকে পাকিস্তানে আঠখন পঞ্চবাৰ্ষিক পৰিকল্পনা হাতত লৈছে। আনহাতে, চীনৰ দশম পৰিকল্পনাৰ সময় হ'ল 2001–06 চন। ভাৰতৰ বৰ্তমানৰ পৰিকল্পনাৰ আধাৰ হৈছে দশম পঞ্চবাৰ্ষিক পৰিকল্পনা (2002-07)। ভাৰত আৰু পাকিস্তানে গ্ৰহণ কৰা পৰিকল্পনাৰ কৌশলো আছিল একেধৰণৰ— এক বৃহৎ ৰাজহুৱা খণ্ডৰ সৃষ্টি কৰা আৰু সামাজিক উন্নয়নৰ বাবদ ৰাজহুৱা ব্যয় বঢ়োৱা। 1980ৰ দশকলৈকে তিনিওখন দেশৰে বৃদ্ধিৰ হাৰ আৰু জনমূৰি আয়ো আছিল একেধৰণৰ। এতিয়া তিনিওখন দেশৰ তুলনামূলক স্থিতি কি? এই প্ৰশ্নৰ উত্তৰ দিয়াৰ আগেয়ে আমি চীন আৰু পাকিস্তানৰ উন্নয়নৰ নীতিৰ ঐতিহাসিক পথৰ সন্ধান কৰোঁহক। আগৰ তিনিটা অধ্যায়ৰ পৰা স্বাধীনতাৰ পিছত ভাৰতে গ্ৰহণ কৰা নীতিৰ বিষয়ে ইতিমধ্যেই আমি জানিব পাৰিছোঁ।

**চীন** ঃ চীনত একদলীয় প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাৰ পিছত যিবোৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক খণ্ড, উদ্যোগ আৰু ভূমি গাইগুটিয়া ব্যক্তিয়ে অধিকাৰ কৰি আৰু চলাই আছিল সেইবোৰ চৰকাৰৰ নিয়ন্ত্ৰণলৈ অনা হয়। 1958 চনত আৰম্ভ কৰা Great Leap Forward (GLF) অভিযানৰ লক্ষ্য আছিল গোটেই দেশব্যাপী প্ৰচুৰ পৰিমাণৰ উদ্যোগীকৰণ। জনসাধাৰণক বাৰীৰ চুকতো উদ্যোগ প্ৰতিষ্ঠাৰ বাবে উৎসাহ যোগোৱা হৈছিল। গাঁও অঞ্চলসমূহত ক্ষুদ্ৰ-ক্ষুদ্ৰ প্ৰজা-সংঘসমূহ (communes) আৰম্ভ কৰা হৈছিল। এনে প্ৰজা-সংঘ ব্যৱস্থা (Commune System)ত মানুহে সামূহিকভাৱে খেতি কৰিছিল। 1958 চনত, গোটেই দেশতে মোটা-মুটিকৈ সমগ্ৰ কৃষক সমাজক সামৰি 26000 এনে প্ৰজা-সংঘ আছিল।

এই GLF অভিযান ভালেমান সমস্যাৰ সন্মুখীন হয়। এক প্ৰবল খৰাঙত প্ৰায় 30 নিযুত লোকৰ নিদাৰুণ মৃত্যুৱে দেশখনক গুৰুতৰভাৱে



চিত্ৰ 10.1 ঃ ৱাগাহ সীমান্ত কেৱল এক পৰ্যটন থলীয়েই নহয়, ইয়াক ভাৰত আৰু পাকিস্তানৰ মাজৰ বাণিজ্যৰ বাবেও ব্যৱহাৰ কৰা হয়।

জোকাৰি যায়। চীন-ৰাছিয়াৰ সংঘাতৰ সময়ত, ৰাছিয়াই আগেয়ে চীনৰ উদ্যোগীকৰণত সহায় কৰিবলৈ পঠোৱা নিজৰ দক্ষ লোকসকলক ওভতাই নিয়ে। 1965 চনত মাও চে তুঙে আৰম্ভ কৰা মহান সৰ্বহাৰাৰ সাংস্কৃতিক বিপ্লৱ (Great Proleterian Cultural Revolution, 1966–76)ৰ অংশ হিচাপে ছাত্ৰ আৰু বৃত্তিজীৱীসকলক কাম কৰিবলৈ আৰু শিক্ষা গ্ৰহণ কৰিবলৈ গাঁৱলৈ পঠিওৱা হৈছিল। সাম্প্ৰতিক চীনৰ দ্ৰুত ঔদ্যোগিক বৃদ্ধিৰ গুৰিতে হ'ল 1978 চনত হাতত লোৱা অৰ্থনৈতিক সংস্কাৰসমূহ। চীনত এই সংস্কাৰসমূহ আৰম্ভ হৈছিল পৰ্যায়ক্ৰমে। প্ৰথম পৰ্যায়ত কৃষি, বৈদেশিক বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত সংস্কাৰৰ সূচনা কৰা হৈছিল। উদাহৰণস্বৰূপে, কৃষিৰ ক্ষেত্ৰত প্ৰজা-সংঘৰ সামূহিক অধিকাৰত থকা কৃষিভূমিক সৰু-সৰু অংশত ভাগ কৰি ব্যক্তিগত কৃষি কাৰ্যত ব্যৱহাৰৰ বাবে (মালিকীস্বত্ব হস্তান্তৰ নকৰাত) গাইগুটীয়া পৰিয়ালক আৱণ্টন দিয়া হৈছিল। নিৰ্ধাৰিত কৰ পৰিশোধৰ অন্তত এনে মাটিৰ পৰা আহৰিত সকলো আয় এই পৰিয়ালসকলক ভোগ কৰিবলৈ দিয়া হৈছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত উদ্যোগ খণ্ডত সংস্কাৰ আৰম্ভ কৰা হয়। সাধাৰণভাৱে ব্যক্তিগত খণ্ডৰ ব্যৱসায় প্ৰতিষ্ঠানসমূহ আৰু বিশেষতঃ, নগৰ আৰু গাঁও অঞ্চলৰ উদ্যোগ প্ৰতিষ্ঠানসমূহ, অৰ্থাৎ স্থানীয় সমবায়-চালিত অথবা যৌথ-অংশীদাৰী প্ৰতিষ্ঠানসমূহক নিজাববীয়াকৈ উৎপাদনৰ কৰ্তৃত্ব এৰি দিয়া হয়। এই পৰ্যায়ত, ৰাষ্ট্ৰৰ মালিকীস্বত্বৰ উদ্যোগ-প্ৰতিষ্ঠানসমূহক (State Owned Enterprises— যাক আমি ভাৰতত ৰাজহুৱা উদ্যোগ বুলি কওঁ— প্ৰতিযোগিতাৰ মুখা-মুখি হ'বলৈ এৰি দিয়া হয়।

এই সংস্কাৰমূলক প্ৰক্ৰিয়াত দ্বৈত-দৰ ব্যৱস্থা (dual price) প্ৰচলিত হয়। দ্বৈত-দৰ ব্যৱস্থাত সামগ্ৰী-সমূহৰ দাম দুই ধৰণেৰে নিৰ্ধাৰিত কৰা হয়— কৃষক আৰু উদ্যোগ গোটসমূহক এক নিৰ্দিষ্ট পৰিমাণৰ সমল তথা উৎপাদিত সামগ্ৰীৰ কিনা-বেচা চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত দামত কৰিবলৈ দিয়া হয়। এই নিৰ্দিষ্ট পৰিমাণতকৈ অধিক পৰিমাণৰ কিনা-বেচা কৰিবলৈ হ'লে বজাৰ দৰত কৰিব লাগে। বছৰ বাগৰাৰ লগে লগে উৎপাদিত সামগ্ৰীৰ পৰিমাণ আৰু তাৰ লগে লগে বজাৰ দৰত কিনা-বেচা কৰা সামগ্ৰীৰ পৰিমাণো বৃদ্ধি পাবলৈ ধৰে। বিদেশী বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰিবৰ কাৰণে বিশেষ অৰ্থনৈতিক মণ্ডল (Special Economic Zone)সমূহ গঠন কৰা হয়।

**পাকিস্তান** ঃ পাকিস্তানে গ্ৰহণ কৰা বিভিন্ন অৰ্থনৈতিক নীতিলৈ লক্ষ্য কৰিলে ভাৰতৰ সৈতে ভালেমান মিল চকুত পৰে। পাকিস্তানেও ৰাজহুৱা আৰু ব্যক্তিগত উভয় খণ্ডৰ সহাৰস্থানেৰে মিশ্ৰ-অৰ্থব্যৱস্থাৰ আৰ্হি অনুসৰণ কৰে। পঞ্চাশৰ দশকৰ শেষভাগ আৰু যাঠিৰ দশকত পাকিস্তানে আমদানি প্ৰতিকল্পন উদ্যোগীকৰণ (Import substitution Industrialisation)ৰ বাবে বিভিন্ন প্ৰকাৰৰ নিয়ন্ত্ৰিত বিধি ব্যৱস্থা প্ৰৱৰ্তন কৰে। এনে নীতিত ভোগ্য দ্ৰব্যসমূহৰ উৎপাদনৰ ক্ষেত্ৰত সংৰক্ষণমূলক শুল্ক-ব্যৱস্থা আৰু দেশীয় দ্ৰব্যৰ প্ৰতিযোগী সামগ্ৰীৰ আমদানিৰ ওপৰত প্ৰত্যক্ষ নিয়ন্ত্ৰণমূলক ব্যৱস্থা সন্নিৱিষ্ট কৰা হয়। সেউজ বিপ্লৱে যন্ত্ৰীকৰণ (Mechanisation) আৰু অঞ্চলবিশেষত আন্তঃগাঁথনিমূলক বিনিয়োগৰ পৰিমাণৰ বৃদ্ধি ঘটায় আৰু ইয়াৰ ফলত খাদ্য-শস্যৰ উৎপাদনো বৃদ্ধি পায়। ইয়ে পাকিস্তানৰ কৃষি-ভূমি সংক্ৰান্তীয় সংগ্ৰথনলৈ নাটকীয় পৰিৱৰ্তন আনে। 1970ৰ দশকত মূলধনজাতীয় সামগ্ৰীৰ (capital goods) উদ্যোগসমূহৰ ৰাষ্ট্ৰীয়কৰণ কৰা হয়। ইয়াৰ পিছত 1970ৰ দশকৰ শেহভাগ আৰু 1980ৰ দশকত পাকিস্তানে অৰ্থনৈতিক নীতিৰ দিক্-পৰিৱৰ্তন কৰে। এই সময়ছোৱাত অ-ৰাষ্ট্ৰীয়কৰণ (denationalisation) আৰু ব্যক্তিগত খণ্ডক উৎসাহ যোগোৱাটোত গুৰুত্ব আৰোপ কৰা হয়। এইছোৱা সময়তে পাকিস্তানে পশ্চিমীয়া দেশসমূহৰ পৰা আৰ্থিক সহায় আৰু মধ্য-পূব এছিয়ালৈ ক্ৰমবৰ্ধমানভাৱে বহিৰ্গমন কৰা পাকিস্তানীসকলে পঠোৱা ধনো লাভ কৰে। ইয়ে দেশখনৰ অৰ্থনৈতিক বৃদ্ধি উদ্দীপিত কৰি তোলে। সেই সময়ত চৰকাৰে ব্যক্তিগত খণ্ডলৈ বিশেষ উদগনিমূলক সা-সুবিধা আগবঢ়ায়। এই সকলো মিলি দেশখনত নতুন বিনিয়োগৰ এক অনুকূল পৰিৱেশৰ সৃষ্টি হয়। 1988 চনত দেশখনত অৰ্থনৈতিক সংস্কাৰ আঁচনি হাতত লোৱা হয়।

চীন আৰু পাকিস্তানৰ কৌশলসমূহৰ থুল-মূল আভাস লোৱাৰ পিছত এতিয়া আমি ভাৰত, চীন আৰু পাকিস্তানৰ উন্নয়নৰ কেতবোৰ নিৰ্দেশকৰ বিষয়ে তুলনা কৰোঁহক।

## 10.3 জনসাংখ্যিক নিৰ্দেশসমূহ (Demographic Indicators) :

পৃথিৱীৰ জনসংখ্যালৈ লক্ষ্য কৰিলে আমি দেখিম যে পৃথিৱীত বসবাস কৰা প্ৰতি ছজন লোকৰ এজন ভাৰতীয় আৰু আনজন হ'ল চীনদেশীয়। আমি ভাৰত, চীন আৰু পাকিস্তানৰ কিছু জনসাংখ্যিক নিৰ্দেশকৰ তুলনা কৰিম। পাকিস্তানৰ জনসংখ্যা তেনেই তাকৰ আৰু মোটামুটিভাৱে ই ভাৰত বা চীনৰ জনসংখ্যাৰ দহভাগৰ এভাগ।

যদিওবা ভূখণ্ডৰ পৰিসীমাৰে এই তিনিওখন দেশৰ ভিতৰত চীনেই সবাতোকৈ ডাঙৰ, ইয়াৰ জনবসতিৰ ঘনত্ব আটাইতকৈ কম। তালিকা 10.1ৰ পৰা দেখা যায়, জনসংখ্যা বৃদ্ধিৰ হাৰ পাকিস্তানত আটাইতকৈ বেছি, আৰু এই ক্ষেত্ৰত পাকিস্তানৰ পিছৰ স্থানত আছে ক্ৰমে ভাৰত আৰু চীন। পণ্ডিতসকলৰ মতে 1970ৰ দশকৰ শেহভাগত আৰম্ভ কৰা 'এটি সন্তান'ৰ নীতিয়ে (one-child norm) চীনৰ নিম্ন জনসংখ্যা বৃদ্ধিৰ ঘাই কাৰণ। তেওঁলোকৰ মতে এই ব্যৱস্থাই চীনৰ লিংগ-অনুপাত (sex-ratio) (প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে থকা মহিলাৰ সংখ্যা)ৰ অৱনতি ঘটায়। অৱশ্যে তালিকাখনৰ পৰা এই কথা দেখা যায় যে তিনিওখন দেশতে লিংগ-অনুপাত নিম্ন আৰু ই মহিলা প্ৰতিকূল। ইয়াৰ কাৰণ হিচাপে পণ্ডিতসকলে দেশকেইখনত পুত্ৰ সন্তানৰ প্ৰতি থকা হাবিয়াসকে চিহ্নিত কৰিছে। সম্প্ৰতি এই অৱস্থাৰ উন্নতিৰ কল্পে কেউখন দেশতে ব্যৱস্থাৱলী হাতত লোৱা হৈছে। 'এটি সন্তান'ৰ নীতি আৰু তাৰ ফলত হোৱা লেহেমীয়া জনসংখ্যা বৃদ্ধিৰ আন কেতবোৰ তাৎপৰ্যও আছে। উদাহৰণ স্বৰূপে, আৰু কেই দশকমানৰ পিছতে চীনত যুৱকৰ তুলনাত বৃদ্ধলোকৰ সংখ্যা বৃদ্ধি পাব। ইয়াৰ ফলত কম সংখ্যক শ্ৰমিকেৰে সামাজিক সুৰক্ষা-ব্যৱস্থা গ্ৰহণ কৰিবলৈ দেশখন বাধ্য হ'ব।

প্ৰজনন হাৰো (fertility rate) চীনত কম আৰু পাকিস্তানত যথেষ্ট বেছি। পাকিস্তান আৰু চীন উভয়তে নগৰীকৰণ (Urbanisation) অধিক। আনহাতে, ভাৰতত মুঠ জনসংখ্যাৰ 28 শতাংশ লোকে নগৰত বাস কৰে।

### 10.4 মুঠ ঘৰুৱা উৎপাদন আৰু খণ্ডসমূহ (Gross Domestic Product and Sectors) :

বিশ্বত বহু-চৰ্চিত বিষয়সমূহৰ ভিতৰত চীনৰ মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product)ৰ বৃদ্ধি অন্যতম। চীনৰ 7.2 ট্ৰিলিয়ন ডলাৰৰ মুঠ ঘৰুৱা উৎপাদন (ক্ৰয়শক্তিৰ সমতা অনুসৰি) পৃথিৱীৰ ভিতৰতে দ্বিতীয় বৃহত্তম। ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ পৰিমাণ হ'ল (ক্ৰয়শক্তিৰ সমতা অনুসৰি) 3.3 ট্ৰিলিয়ন ডালৰ আৰু পাকিস্তানৰ মুঠ ঘৰুৱা


**তালিকা 10.1**

**কিছু নিৰ্বাচিত জনসাংখ্যিক নিৰ্দেশক, 2000-01**

| দেশ | আকলিক জনসংখ্যা (নিযুত হিচাপত) | জনসংখ্যা বৃদ্ধিৰ বাৰ্ষিক হাৰ (1990–2003) | জনবসতিৰ ঘনত্ব | লিংগ অনুপাত | প্ৰজনন হাৰ | নগৰীকৰণৰ হাৰ |
|---|---|---|---|---|---|---|
| ভাৰত | 1103.6 | 1.7 | 358 | 933 | 3.0 | 27.8 |
| চীন | 1303.7 | 1.0 | 138(*) | 937 | 1.8 | 36.1 |
| পাকিস্তান | 162.4 | 2.5 | 193 | 922 | 5.1 | 33.4 |

*টোকা ঃ (*) 'হংকং, মাকাও আৰু টাইৱানৰ জনসংখ্যা তথ্যৰ অন্তৰ্ভুক্ত নহয়।*

উৎপাদনৰ পৰিমাণ ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ শতকৰা 10 ভাগ। ভালেকেইখন উন্নত দেশৰ বাবেই 5 শতাংশ বৃদ্ধিৰ হাৰ অক্ষুণ্ণ ৰখাটো কঠিন হৈ পৰাৰ সময়তো চীনে একেৰাহে দুটা দশক ধৰি দুগুণ অংকৰ (double digit) বৃদ্ধি অটুট ৰাখিব পৰাটো তালিকা 10.2ৰ পৰাই পৰিলক্ষিত হয়। লক্ষ্য কৰিলে দেখা যাব, 1980 দশকত বৃদ্ধিৰ হাৰৰ ক্ষেত্ৰত পাকিস্তানৰ স্থান ভাৰতত‌কৈ আগত আছিল; চীনত বৃদ্ধিৰ হাৰ আছিল দুগুণ অংকৰ আৰু ভাৰতৰ স্থান আছিল সৰ্বশেষত। নব্বৈৰ দশকত ভাৰত আৰু চীনত বৃদ্ধিৰ হাৰ সামান্য হ্ৰাস পায়। আনহাতে পাকিস্তানৰ ক্ষেত্ৰত এই হাৰ বাৰুকৈ কমি 3.6 হয়গৈ। এচাম পণ্ডিতে 1988 চনত পাকিস্তানে গ্ৰহণ কৰা সংস্কাৰ ব্যৱস্থাৱলী আৰু দেশখনৰ ৰাজনৈতিক অস্থিৰতাকে এই গতিধাৰাৰ কাৰণ বুলি মতপোষণ কৰে। বৃদ্ধিৰ হাৰৰ এই



চিত্ৰ 10.2 ঃ ভাৰত, চীন আৰু পাকিস্তানত ভূমিৰ ব্যৱহাৰ আৰু কৃষি

**তালিকা 10.2**

**মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি (শতকৰা হিচাপে)**

| দেশ | 1980–90 | 1990–2002/03 |
|---|---|---|
| ভাৰত | 5.7 | 5.8 |
| চীন | 10.3 | 9.7 |
| পাকিস্তান | 6.3 | 3.6 |

**কৰি চোৱা (Work These Out)**

- ভাৰতে জনসংখ্যা সুস্থিৰকৰণৰ বাবে কিবা ব্যৱস্থা লৈছেনে? যদি লৈছে এই বিষয়ে সবিশেষ সংগ্ৰহ কৰা আৰু শ্ৰেণীত আলোচনা কৰা। শেহতীয়া Economic Survey, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ বাৰ্ষিক প্ৰতিবেদন বা ৱেব ছাইট http://mohfw.nic.in আদিৰ সহায় ল'ব পাৰা।
- পণ্ডিতসকলে দেখুৱাইছে যে ভাৰত, পাকিস্তান আৰু চীনকে ধৰি ভালেমান উন্নয়নশীল দেশত পুত্ৰ-সন্তানৰ প্ৰতি হাবিয়াস এটা সাধাৰণ পৰিঘটনা। তোমাৰ পৰিয়াল বা ওচৰ-চুবুৰীয়াৰ মাজতো এনে পৰিঘটনা দেখিছানে? মানুহে পুত্ৰসন্তান আৰু কন্যাসন্তানৰ মাজত কিয় ভেদাভেদ ৰাখে? এই বিষয়ে কি ভাবা শ্ৰেণীত আলোচনা কৰা।




চিত্ৰ 10.3 ঃ ভাৰত, চীন আৰু পাকিস্তানৰ উদ্যোগ

গতিধাৰালৈ অৰিহণা যোগোৱা খণ্ডসমূহৰ বিষয়ে আমি পিছত অধ্যয়ন কৰিম।

প্ৰথমে বিভিন্ন খণ্ডত নিয়োজিত লোকসকলে মুঠ ঘৰুৱা উৎপাদনত কিদৰে অৰিহণা যোগায় তাক চোৱা যাওক। ভূ-প্ৰকৃতিগত কাৰণ আৰু জলবায়ুগত অৱস্থাৰ বাবে চীনত কৃষি-উপযোগী মাটিৰ পৰিমাণ তুলনামূলকভাৱে কম— দেশখনৰ মুঠ ভূ-খণ্ডৰ 10 শতাংশ মাথোন। চীনৰ মুঠ কৃষি-ভূমিৰ পৰিমাণ ভাৰতৰ মুঠ কৃষি-ভূমিৰ শতকৰা 40 ভাগ। আশীৰ দশকলৈকে, জীৱিকাৰ বাবে চীনৰ শতকৰা 80 ভাগ মানুহেই একমাত্ৰ কৃষি-কাৰ্যৰ ওপৰত নিৰ্ভৰশীল আছিল। তাৰ পিছৰ পৰাই চৰকাৰে কৃষি কাৰ্যত ব্ৰতী লোকসকলক কৃষিৰ পৰিৱৰ্তে হস্তশিল্প, বাণিজ্য, আৰু যাতায়াত আদিত অংশ ল'বলৈ উৎসাহ যোগায়। 2000 চনত চীনত কৃষি-কাৰ্যত ব্ৰতী লোকৰ পৰিমাণ আছিল দেশখনৰ মুঠ শ্ৰম শক্তিৰ 54 শতাংশ আৰু দেশখনৰ মুঠ ঘৰুৱা উৎপাদনলৈ ইয়াৰ অৰিহণা আছিল 15 শতাংশ (তালিকা 10.3 চোৱা)।

ভাৰত আৰু পাকিস্তান উভয় দেশতে মুঠ ঘৰুৱা উৎপাদনলৈ কৃষি-খণ্ডৰ অৱদান প্ৰায় সমান— 23 শতাংশ, কিন্তু মুঠ শ্ৰম শক্তি অনুপাতে কৃষিত নিয়োজিত লোক ভাৰতত অধিক। পাকিস্তানত মুঠ জনসংখ্যাৰ প্ৰায় 49 শতাংশ কৃষিত নিয়োজিত হোৱাৰ বিপৰীতে ভাৰতৰ ক্ষেত্ৰত এই হিচাপ হ'ল 60 শতাংশ। তিনিওখন দেশৰে উৎপাদন আৰু নিয়োগৰ খণ্ড-ভিত্তিক অংশসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে উদ্যোগ আৰু সেৱা খণ্ডত নিয়োজিত লোক দেশ কেউখনৰ মুঠ শ্ৰম-শক্তিৰ অনুপাতে কম হ'লেও এই খণ্ড দুটাৰ উৎপাদনৰ পৰিমাণ বেছি। চীনত মুঠ ঘৰুৱা উৎপাদনলৈ নিৰ্মাণ খণ্ডই সৰ্বাধিক বৰঙণি আগবঢ়ায়— 53 শতাংশ। আনহাতে ভাৰত আৰু পাকিস্তানৰ মুঠ ঘৰুৱা উৎপাদনলৈ সেৱা খণ্ডৰ অৰিহণা সৰ্বাধিক। এই দুয়োখন দেশতে মুঠ ঘৰুৱা উৎপাদনৰ শতকৰা 50 ভাগতকৈও অধিক আহে সেৱা-খণ্ডৰ পৰা।

উন্নয়নৰ স্বাভাৱিক প্ৰক্ৰিয়াত দেশ এখনৰ

## তালিকা 10.3

**মুঠ ঘৰুৱা উৎপাদন আৰু নিয়োগত বিভিন্ন খণ্ডসমূহৰ অংশ (শতাংশ হিচাপে)**

| খণ্ডসমূহ | মুঠ ঘৰুৱা উৎপাদন | | | শ্রম শক্তিৰ অংশ | | |
|---|---|---|---|---|---|---|
| | ভাৰত | চীন | পাকিস্তান | ভাৰত (2000) | চীন (1997) | পাকিস্তান (2000) |
| কৃষি | 23 | 15 | 23 | 60 | 54 | 49 |
| উদ্যোগ | 26 | 53 | 23 | 16 | 27 | 18 |
| সেৱা | 51 | 32 | 54 | 24 | 19 | 37 |
| মুঠ | 100 | 100 | 100 | 100 | 100 | 100 |

উৎপাদন আৰু নিয়োগৰ পৰিমাণ প্ৰথমে কৃষিৰ তুলনাত নিৰ্মাণ খণ্ডত আৰু তাৰ পিছত সেৱাখণ্ডত অধিক হয়। তালিকা 10.4 ৰ পৰা চীনত ঘটি থকা এনে প্ৰক্ৰিয়া পৰিলক্ষিত হ'ব। ভাৰত আৰু পাকিস্তানত মুঠ শ্ৰম শক্তিৰ নিৰ্মাণ-খণ্ডত নিয়োজিত অংশ কম— ক্ৰমে 16 আৰু 18 শতাংশ মাথোন। দেশ দুখনৰ মুঠ ঘৰুৱা উৎপাদনলৈ উদ্যোগৰ অৱদানো কৃষিৰ প্ৰায় সমান অথবা তাতকৈ সামান্যহে বেছি। সেয়েহে ভাৰত আৰু পাকিস্তানৰ উন্নয়ন প্ৰক্ৰিয়াত ঘটা পৰিৱৰ্তন পোনপটীয়াকৈ কৃষিৰ পৰা সেৱালৈ স্থানান্তৰিত হৈছে।

এনেদৰে ভাৰত আৰু পাকিস্তান উভয় দেশতে সেৱা খণ্ডই উন্নয়ন প্ৰক্ৰিয়াত মুখ্য ভূমিকা পালন কৰাটো পৰিলক্ষিত হৈছে। দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈ অধিক অৱদান আগবঢ়োৱাৰ লগতে এই খণ্ডটি এক সম্ভাৱনাপূৰ্ণ নিয়োগ ক্ষেত্ৰ হৈ উঠিছে। 1980 ৰ দশকৰ শ্ৰম-শক্তিৰ অনুপাতলৈ লক্ষ্য কৰিলে দেখা যাব যে ভাৰত আৰু চীনৰ তুলনাত পাকিস্তানে অধিক ক্ষিপ্ৰতাৰে শ্ৰম শক্তি সেৱাখণ্ডলৈ চালিত কৰিছিল। আশীৰ দশকত মুঠ শ্ৰম শক্তিৰ ভিতৰত সেৱা খণ্ডত নিয়োজিত লোকৰ সংখ্যা ভাৰত, চীন আৰু পাকিস্তানত ক্ৰমে 17, 12 আৰু 27 শতাংশ আছিল। 2000 চনত ই হ'য়গৈ ক্ৰমে 24, 19 আৰু 37 শতাংশ।

যোৱা দুটা দশকত দেশকেইখনৰ আটাইতকৈ বেছি শ্ৰম নিয়োজিত কৃষি-খণ্ডৰ বৃদ্ধিৰ হাৰ ক্ৰমান্বয়ে হ্ৰাস পাইছে। উদ্যোগৰ ক্ষেত্ৰত চীনে দহকৰ ঘৰত বৃদ্ধিৰ হাৰ অটুট ৰাখিব পাৰিছে যদিও ভাৰত আৰু

**কৰি চোৱা**
**(Work These Out)**

- চীনৰ দৰে ভাৰত আৰু পাকিস্তানেও নিৰ্মাণ খণ্ডত গুৰুত্ব দিয়া উচিত বুলি ভাবানে? কিয়?
- পণ্ডিতসকলৰ মতে বৃদ্ধিৰ বাবে সেৱা-খণ্ড ঘাই চালিকা শক্তি হোৱা অনুচিত। কিন্তু ভাৰত আৰু পাকিস্তানৰ মুঠ উৎপাদনৰ সৰহভাগেই সেৱা-খণ্ডৰ বৰঙণি। তুমি কি ভাবা?

তালিকা 10.4

বিভিন্ন খণ্ডত উৎপাদন বৃদ্ধিৰ গতিধাৰা, 1980–2003

| দেশ | 1980–1990 | | | 1990–2002/03 | | |
|---|---|---|---|---|---|---|
| | কৃষি | উদ্যোগ | সেৱা | কৃষি | উদ্যোগ | সেৱা |
| ভাৰত | 3.1 | 7.4 | 6.9 | 2.7 | 6.6 | 7.9 |
| চীন | 5.9 | 10.8 | 13.5 | 3.9 | 11.8 | 8.8 |
| পাকিস্তান | 4.0 | 7.7 | 6.8 | 3.7 | 3.9 | 4.3 |

পাকিস্তানত এই বৃদ্ধিৰ হাৰ হ্ৰাস পাইছে। সেৱা খণ্ডৰ ক্ষেত্ৰত 1990ৰ দশকত ভাৰতত বৃদ্ধিৰ হাৰ উন্নত কৰিব পাৰিলেও চীন আৰু পাকিস্তানত ই হ্ৰাস পাইছে। গতিকে দেখা যায় যে চীনৰ বৃদ্ধিৰ হাৰৰ বাবে ঘাইকৈ নিৰ্মাণ খণ্ড আৰু ভাৰতৰ বাবে সেৱাখণ্ডৰ অৱদানেই সৰ্বাধিক। এইছোৱা সময়ত পাকিস্তানৰ তিনিওটা খণ্ডৰ বৃদ্ধিয়েই মন্থৰ।

## 10.5 মানৱ উন্নয়নৰ নিৰ্দেশকসমূহ (Indicators of Human Development) :

তোমালোকে চাগে' আগেয়ে মানৱ উন্নয়নৰ নিৰ্দেশকসমূহৰ গুৰুত্ব আৰু বিভিন্ন উন্নত আৰু উন্নয়নশীল দেশৰ স্থিতি সম্পৰ্কে পঢ়িবলৈ পাইছা। মানৱ উন্নয়নৰ কিছু নিৰ্বাচিত নিৰ্দেশকৰ ক্ষেত্ৰত ভাৰত, চীন আৰু পাকিস্তানৰ সাদৃশ্যলৈ লক্ষ্য কৰোঁহক। তালিকা 10.5 লৈ লক্ষ্য কৰা।

তালিকাত উল্লিখিত সূচকাৱলীলৈ লক্ষ্য কৰিলে দেখা যাব যে ভাৰত বা পাকিস্তানৰ তুলনাত চীন যথেষ্ট আগবঢ়া। বিভিন্ন নিৰ্দেশক— যেনে জনমূৰি ঘৰুৱা উৎপাদন বা দৰিদ্ৰ সীমাৰ তলৰ জনসংখ্যাৰ হাৰৰ লেখীয়া আয়ৰ নিৰ্দেশক অথবা মৃত্যু-হাৰ, অনাময়তা তথা শিক্ষাৰ সুবিধা, জন্মকালীন জীৱন-প্ৰত্যাশা (life expectancy at birth) নতুবা পুষ্টিহীনতা আদি স্বাস্থ্য বিষয়ক নিৰ্দেশকসমূহৰ ক্ষেত্ৰতে এইটো দেখা যায়। দৰিদ্ৰতা দূৰীকৰণ, শিক্ষা, অনাময়তা, খোৱাপানীৰ উপলব্ধকৰণৰ ক্ষেত্ৰত পাকিস্তানো ভাৰততকৈ আগবঢ়া। কিন্তু এই দুয়োখন দেশৰ এখনেও মহিলাসকলক প্ৰসৱকালীন মৃত্যু (maternal mortality)ৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ সমৰ্থ হোৱা নাই। চীনত প্ৰতি এক লাখ শিশুৰ জন্মহেতু প্ৰসূতি মৃত্যুৰ ঘটনা মাত্ৰ 50 হোৱাৰ বিপৰীতে ভাৰত আৰু পাকিস্তানত ই 500 তকৈও বেছি। উল্লেখযোগ্য যে, বিশুদ্ধ পানী যোগানৰ ক্ষেত্ৰত ভাৰত আৰু পাকিস্তান চীনতকৈ আগবঢ়া। লক্ষ্য কৰিলে দেখা যাব যে চীন আৰু পাকিস্তানত দৈনিক এক ডলাৰ হিচাপৰ আন্তৰ্জাতিক দৰিদ্ৰ সীমাৰ তলত বাস কৰা জনসংখ্যাৰ অনুপাত একে, কিন্তু ভাৰতৰ ক্ষেত্ৰত ই প্ৰায় দুগুণ। এই পাৰ্থক্যৰ কাৰণ নিজে বিচাৰি উলিয়াবলৈ যত্ন কৰা।

**তালিকা 10.5**

**মানৱ উন্নয়নৰ কিছু নিৰ্বাচিত নিৰ্দেশক, 2003**

| বিচাৰ্য বিষয়সমূহ | ভাৰত | চীন | পাকিস্তান |
|---|---|---|---|
| মানৱ উন্নয়নৰ সূচক (মূল্যমান, value) | 0.602 | 0.755 | 0.527 |
| স্থান (Rank) | 127 | 85 | 135 |
| জন্মকালীন জীৱন প্ৰত্যাশা | 63.3 | 71.6 | 63.0 |
| প্ৰাপ্তবয়স্কৰ সাক্ষৰতাৰ হাৰ (15 বছৰ বা ততোধিক বয়সৰ, %) | 61.0 | 90.9 | 48.7 |
| জনমূৰি ঘৰুৱা উৎপাদন (ক্ৰয়শক্তিৰ সমতা অনুসৰি, $) | 2,892 | 5,003 | 2,097 |
| দৰিদ্ৰসীমাৰ তলত জনসংখ্যা (%) | 34.7 | 16.6 | 13.4 |
| শিশু মৃত্যুৰ হাৰ | 63 | 30 | 81 |
| প্ৰসূতি মৃত্যুৰ হাৰ | 540 | 56 | 500 |
| উন্নত অনাময়ৰ সুবিধা প্ৰাপ্ত জনসংখ্যা (%) | 30 | 44 | 54 |
| উন্নত খোৱাপানীৰ সুবিধা প্ৰাপ্ত জনসংখ্যা (%) | 86 | 77 | 90 |
| পুষ্টিহীন জনসংখ্যা (%) | 21 | 11 | 20 |

**উৎস ঃ** Human Development Report, 2005

পিছে, এনেবোৰ কথাৰ বিচাৰ আৰু সেইবোৰৰ সন্দৰ্ভত মতামত গঠন কৰাৰ পূৰ্বে মানৱ উন্নয়নৰ উল্লিখিত নিৰ্দেশকসমূহ গভীৰ প্ৰত্যয়েৰে ব্যৱহাৰ কৰাৰ এটা সমস্যাও মনত ৰখা উচিত। ইয়াৰ কাৰণ এয়ে যে, যদিওবা এই নিৰ্দেশকসমূহ অত্যন্ত গুৰুত্বপূৰ্ণ তথাপি পৰ্যাপ্ত নহয়। এইবোৰৰ লগতে আমাক আৰু এটা নিৰ্দেশকৰ আৱশ্যক যাক ব্যক্তিস্বাতন্ত্ৰ্যৰ নিৰ্দেশক (liberty indicator) বুলি অভিহিত কৰিব পৰা যায়। সামাজিক আৰু ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত গণতান্ত্ৰিক অংশগ্ৰহণৰ ব্যাপ্তিৰ মাপসূচক এক নিৰ্দেশক ইতিমধ্যেই যোগ কৰা হৈছে, কিন্তু ইয়াৰ ওপৰত কোনো অতিৰিক্ত গুৰুত্ব প্ৰদান কৰা হোৱা নাই। আন কিছুমান জল-জল পট-পট স্বাতন্ত্ৰ্যৰ নিৰ্দেশক এতিয়াও প্ৰচলিত হোৱা নাই। উদাহৰণস্বৰূপে, 'নাগৰিকসকলৰ অধিকাৰৰ সাংবিধানিক সুৰক্ষাৰ ব্যাপ্তি', আদি নিৰ্দেশক এতিয়ালৈ সন্নিৰিষ্ট কৰা হোৱা নাই। এইবোৰ বা ততোধিক নিৰ্দেশকক অধিক গুৰুত্বসহকাৰে অন্তৰ্ভুক্ত নকৰা পৰ্যন্ত মানৱ উন্নয়নৰ সূচক গঠন অসম্পূৰ্ণ হৈ থাকিব আৰু ইয়াৰ কাৰ্যকাৰিতাও সীমিত হৈ ৰ'ব।


## 10.6 উন্নয়নৰ কৌশলসমূহ— এক মূল্যায়ন (Development Strategies– An Appraisal):

সাধাৰণতে, কোনো এখন দেশৰ উন্নয়নৰ কৌশলসমূহ আনদেশৰ উন্নয়নৰ ক্ষেত্ৰত শিক্ষা আৰু আৰ্হি স্বৰূপ। বিশেষকৈ পৃথিৱীৰ বিভিন্ন দেশত অৰ্থনৈতিক সংস্কাৰৰ কাৰ্যসূচী হাতত লোৱাৰ লগে লগে এই কথা পৰিষ্কাৰ হৈ পৰে। আমাৰ চুবুৰীয়া দেশসমূহৰ অৰ্থনৈতিক প্ৰদৰ্শনৰ পৰা শিক্ষা আহৰণ কৰিবলৈ হ'লে সেই দেশবিলাকৰ সফলতা অথবা ব্যৰ্থতাৰ গুৰি অনুধাৱন কৰা অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ বাবে এই দেশসমূহে হাতত লোৱা উন্নয়নৰ কৌশলসমূহৰ বিভিন্ন পৰ্যায়ৰ মাজৰ প্ৰভেদ আৰু বৈপৰীত্যৰ বিষয়েও খৰচি মাৰি জানি লোৱা দৰকাৰ। বিভিন্ন দেশে তেওঁলোকৰ উন্নয়নৰ স্তৰ ভিন ভিন ভাবে অতিক্ৰম কৰিছে যদিও অৰ্থনৈতিক সংস্কাৰ প্ৰক্ৰিয়াকে এক প্ৰাসংগিক স্তৰ বুলি আমি বিবেচনা কৰিম। আমি জানো যে চীনত অৰ্থনৈতিক সংস্কাৰ আৰম্ভ হৈছিল 1978 চনত। আনহাতে, পাকিস্তান আৰু ভাৰতত সংস্কাৰ-আঁচনি হাতত লোৱা হৈছিল ক্ৰমে 1988 আৰু 1991 চনত। আমি এতিয়া এই দেশ কেইখনৰ সংস্কাৰ আঁচনিৰ আগৰ আৰু পাছৰ সফলতা আৰু বিফলতাৰ খতিয়ান ল'ম।

1978 চনত চীনে কিয় সংগ্ৰথনমূলক সংস্কাৰ আঁচনি (Structural reform) হাতত লৈছিল? চীনে ভাৰত নাইবা পাকিস্তানৰ দৰে বিশ্ববেংক আৰু আন্তৰ্জাতিক মুদ্ৰা নিধিৰ নিৰ্দেশত সংস্কাৰ আঁচনি হাতত ল'বলৈ বাধ্য হোৱা নাছিল। চীনৰ সেই সময়ৰ নতুন নেতৃত্ব মাওবাদী শাসনকালৰ লেহেমীয়া বৃদ্ধি আৰু আধুনিকীকৰণৰ অভাৱক লৈ মুঠেও সন্তুষ্ট নাছিল। তেওঁলোকে অনুভৱ কৰিছিল যে বিকেন্দ্ৰীকৰণ আৰু স্ব-নিৰ্ভৰশীলতাৰ আধাৰত প্ৰতিষ্ঠিত আৰু বিদেশী প্ৰযুক্তি, পুঁজি তথা দ্ৰব্য এৰাই চলিবলৈ বিচৰা মানসিকতাপুষ্ট মাওবাদী অৰ্থনৈতিক উন্নয়নৰ স্বপ্নভংগ হৈছে। ব্যাপক ভূমি-সংস্কাৰ, সামূহিকীকৰণ, GLF আৰু অন্যান্য উৎসাহবৰ্ধক পদক্ষেপ লোৱা সত্ত্বেও 1978 চনৰ জনমূৰি শস্য উৎপাদন 1950ৰ দশকৰ লগত একেই আছিল।

দেখা গৈছিল যে, শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত আন্তঃগাঁথনি নিৰ্মাণ, ভূমি-সংস্কাৰ, বিকেন্দ্ৰীকৃত পৰিকল্পনা আৰু ক্ষুদ্ৰ উদ্যোগৰ দীৰ্ঘদিনীয়া স্থিতিয়ে সংস্কাৰ-পৰৱৰ্তী কালৰ চীনৰ সামাজিক আৰু আয়ৰ নিৰ্দেশকসমূহক ইতিবাচকভাৱে প্ৰভাৱিত কৰিছিল। অৰ্থনৈতিক সংস্কাৰ আঁচনি প্ৰৱৰ্তনৰ আগেয়ে চীনৰ গাঁও অঞ্চলসমূহত প্ৰাথমিক স্বাস্থ্যসেৱাৰ সা-সুবিধাসমূহৰ ব্যাপক প্ৰসাৰ ঘটিছিল। প্ৰজা-সংঘ ব্যৱস্থাৰ জৰিয়তে খাদ্য-শস্যৰ অধিক সমতাপূৰ্ণ বিতৰণ নিশ্চিত কৰা হয়। বিশেষজ্ঞসকলে ইয়াকো আঙুলিয়াই দিছে যে প্ৰতিটো সংস্কাৰমূলক আঁচনিক প্ৰথমে ক্ষুদ্ৰ পৰিসৰত আৰম্ভ কৰা হৈছিল। পৰৱৰ্তী সময়তহে ইয়াৰ ব্যাপক প্ৰসাৰ ঘটোৱা হৈছিল। বিকেন্দ্ৰীকৃত চৰকাৰৰ অধীনত পৰীক্ষা-নিৰীক্ষাই সফলতা আৰু বিফলতাৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যয়ৰ মূল্যায়ন সম্ভৱ কৰি তুলিছিল। উদাহৰণস্বৰূপে, আগেয়ে উল্লেখ কৰাৰ দৰে, কৃষি সংস্কাৰৰ অংশ হিচাপে কৃষি-ভূমিক কৃষকসকললৈ কৃষি কাৰ্যৰ বাবে হস্তান্তৰিত কৰাৰ পিছত বুজন সংখ্যক দুখীয়া লোকৰ অৱস্থাৰ উন্নতি হয়। ইয়ে পৰৱৰ্তী কালত গ্ৰাম্য উদ্যোগৰ উল্লেখযোগ্য বৃদ্ধিৰ বাবে এটা পৰিৱেশৰ সৃষ্টি কৰিছিল যি অধিক সংস্কাৰৰ বাবে এক শক্তিশালী

## কৰি চোৱা (Work These Out)




- ভাৰতৰ বজাৰত চীনা বস্তুৰ সৰবৰাহক লৈ মানুহৰ মাজত সাধাৰণ ধাৰণা আছে যে ই আমাৰ থলুৱা উদ্যোগৰ ক্ষতি সাধন কৰিব আৰু ভাৰতে নিজে চুবুৰীয়া দেশৰ সৈতে বেপাৰ নকৰে। তলৰ তালিকাখনৰ তথ্যসমূহ চাই বিশ্লেষণ কৰি শ্ৰেণীত আলোচনা কৰা। বাতৰি কাকত, আলোচনী, ৱেবছাইট আদিৰ পৰা ভাৰত আৰু চুবুৰীয়া দেশৰ মাজত হোৱা বাণিজ্যৰ তথ্য-পাতি সংগ্ৰহ কৰিবলৈ চেষ্টা কৰা। ভাৰতৰ বৈদেশিক বাণিজ্য সম্পৰ্কীয় তথ্যৰ বাবে http://dgft.delhi.nic.in ৱেবছাইটো চাব পাৰা।

| দেশ | ৰপ্তানি (কোটি টকাত) | | | আমদানি (কোটি টকাত) | | |
|---|---|---|---|---|---|---|
| | 2003-2004 | 2004-2005 | বৃদ্ধিৰ হাৰ (%) | 2003-2004 | 2004-2005 | বৃদ্ধিৰ হাৰ (%) |
| পাকিস্তান | 1320 | 2270 | 72 | 265 | 430 | 60 |
| চীন | 13600 | 20600 | 52 | 18600 | 30300 | 60 |

আধাৰ গঢ়ি তুলিছিল। সংস্কাৰ আঁচনিয়ে বৃদ্ধিৰ হাৰত বৰঙণি যোগোৰা এনে বহু উদাহৰণ পণ্ডিতসকলে আগবঢ়াইছে।

পণ্ডিতসকলে যুক্তি আগবঢ়াইছে যে পাকিস্তানত সংস্কাৰমূলক প্ৰক্ৰিয়াৰ ফলত দেশখনৰ সকলোবোৰ অৰ্থনৈতিক নিৰ্দেশকেই নিম্নগামী হৈছে। আমি আগৰ এক অনুচ্ছেদত পাইছো যে 1980ৰ দশকৰ তুলনাত 1990ৰ দশকত মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ আৰু তাৰ খণ্ড-ভিত্তিক অংশসমূহো হ্ৰাস পাইছে।

পাকিস্তান সম্পৰ্কীয় আন্তৰ্জাতিক দাৰিদ্ৰ্যৰ সীমাৰেখাৰ তথ্য সন্তোষজনক হ'লেও পাকিস্তানৰ নিজা চৰকাৰী তথ্যৰ আলমত পণ্ডিতসকলে দেখুৱাইছে যে দেশখনত দাৰিদ্ৰ্য বৃদ্ধি পাইছে। 1960ৰ দশকত পাকিস্তানত দৰিদ্ৰলোক আছিল মুঠ জনসংখ্যাৰ 40 শতাংশ। 1980ৰ দশকত ই 25 শতাংশলৈ হ্ৰাস পায় আৰু 1990ৰ দশকত পুনৰ বাঢ়িবলৈ ধৰে। পণ্ডিতসকলৰ মতে পাকিস্তানৰ বৃদ্ধিৰ হাৰ মন্থৰ হোৱাৰ আৰু দাৰিদ্ৰ্য পুনৰ বৃদ্ধিৰ কাৰণসমূহ হ'ল–1) পাকিস্তানৰ কৃষি খণ্ডৰ বৃদ্ধি আৰু খাদ্য-শস্যৰ যোগানৰ অৱস্থা প্ৰযুক্তিগত পৰিৱৰ্তনৰ আনুষ্ঠানিক প্ৰক্ৰিয়াৰ ওপৰত নহয়; খেতি ভাল হোৱা-নোহোৱাৰ ওপৰতহে বেছি নিৰ্ভৰশীল আছিল। খেতি ভাল হ'লে অৰ্থনৈতিক পৰিস্থিতিও টনকিয়াল হৈছিল আৰু খেতি বেয়া হোৱা সময়ত অৰ্থনৈতিক নিৰ্দেশকসমূহে স্থবিৰতা অথবা অধোমুখী গতিধাৰা দৰ্শাইছিল, 2) মনত ৰখা ভাল যে ভাৰতেও বৈদেশিক লেন-দেনৰ সমতাৰ সংকট আঁতৰাবলৈ বিশ্ববেংক আৰু আন্তৰ্জাতিক সংকট মুদ্ৰা-নিধিৰ পৰা ধাৰ কৰিবলগীয়া হৈছিল। বৈদেশিক মুদ্ৰা যিকোনো দেশৰ বাবেই এক আৱশ্যকীয় উপাদানস্বৰূপ আৰু ইয়াৰ আহৰণৰ উপায় জনাটো অত্যন্ত দৰকাৰী। উৎপাদিত সামগ্ৰীৰ বহনক্ষম ৰপ্তানিৰ জৰিয়তে বৈদেশিক মুদ্ৰা আহৰণ কৰিবলৈ সক্ষম হৈ থকা পৰ্যন্ত দেশ এখনৰ বাবে চিন্তাৰ কোনো কাৰণ নাথাকে। পাকিস্তানৰ বৈদেশিক মুদ্ৰাৰ সৰহভাগেই মধ্য-পূব এছিয়াত থকা প্ৰৱাসী পাকিস্তানী শ্ৰমিকসকলে দেশলৈ পঠোৱা ধন আৰু চূড়ান্ত অনিশ্চিত কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ পৰা আহৰিত। তদুপৰি দেশখনত বৈদেশিক ঋণৰ ওপৰত ক্ৰমবৰ্ধমান নিৰ্ভৰশীলতা থকাৰ বিপৰীতে ঋণ পৰিশোধৰ বৰ্ধিত সমস্যাও আছিল।

2004–05 চনৰ আগষ্ট মাহৰ বাবে 'পাকিস্তান চৰকাৰৰ এবছৰীয়া প্ৰদৰ্শন'ত উল্লেখ কৰাৰ দৰে পাকিস্তানত যোৱা 2002–05ৰ একেৰাহে তিনিটা বছৰত মুঠ ঘৰুৱা আয় 8 শতাংশ বৃদ্ধি হৈছে। কৃষি, নিৰ্মাণ আৰু সেৱা— তিনিওটা খণ্ডই এই বৃদ্ধিত বৰঙণি যোগাইছে। মুদ্ৰাস্ফীতিৰ উচ্চ হাৰ আৰু দ্ৰুত ব্যক্তিগতকৰণ সত্ত্বেও চৰকাৰে দৰিদ্ৰতা দূৰীকৰণৰ বিভিন্ন ক্ষেত্ৰত ব্যয়ৰ পৰিমাণ বৃদ্ধি কৰিছে।

## 10.7 সামৰণি (Conclusion) :

আমাৰ চুবুৰীয়া দেশকেইখনৰ উন্নয়নৰ অভিজ্ঞতাৰ পৰা আমি কি শিকিলো? ভাৰত, পাকিস্তান আৰু চীনে পাঁচ দশকৰো অধিক কাল উন্নয়নৰ পথেৰে আগবাঢ়িছে। এই সময়ছোৱাত দেশকেইখনে মিশ্ৰিত ফলাফল লাভ কৰিছে। 1970ৰ দশকৰ শেহলৈকে তিনিওখন দেশতে উন্নয়ন একে ধৰণৰ নিম্ন আছিল। শেহতীয়া তিনিটা দশকত দেশ তিনিখনৰ উন্নয়নৰ স্তৰ ভিন ভিন হৈছে। গণতন্ত্ৰ প্ৰতিষ্ঠাপনাৰে ভাৰতে মধ্যমীয়া ধৰণে প্ৰদৰ্শন কৰিছে, কিন্তু ভাৰতত এতিয়াও অধিকাংশ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। দেশখনৰ সৰহভাগ অঞ্চলতে আন্তঃগাঁথনিগত সা-সুবিধাৰ অভাৱ। এতিয়াও

দেশখনে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা এক-চতুৰ্থাংশতকৈও অধিক জনসাধাৰণৰ জীৱন-ধাৰণৰ মানৰ উন্নতি সাধিবলৈ বাকী। পণ্ডিতসকলে মত পোষণ কৰে যে ৰাজনৈতিক অস্থিৰতা, বাহিৰৰ পৰা অহা ধন, বৈদেশিক সাহায্যৰ ওপৰত অত্যধিক গুৰুত্ব আৰু কৃষি-খণ্ডৰ অস্থিৰ প্ৰদৰ্শন পাকিস্তানৰ অৰ্থনৈতিক মন্থৰতাৰ ঘাই কাৰণ। তথাপি, শেহতীয়াকৈ উচ্চ হাৰত ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ জৰিয়তে দেশখনে উন্নতিৰ আশা কৰিছে। 2005 চনৰ প্ৰলয়ংকাৰী ভূমিকম্পই সৃষ্টি কৰা বিস্তৰ ক্ষতিৰ পৰা সকাহ পোৱাটোও পাকিস্তানৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান। এই ভূমিকম্পত প্ৰায় 75000 লোকৰ মৃত্যু আৰু বয়-বস্তুৰ প্ৰচুৰ ক্ষতি হয়। ৰাজনৈতিক স্বাধীনতাৰ অভাৱ আৰু মানৱ অধিকাৰত তাৰ প্ৰভাৱ চীনৰ বাবে ডাঙৰ চিন্তাৰ বিষয়। তথাপি, যোৱা তিনি দশকত ৰাজনৈতিক দায়বদ্ধতাৰ হীন-ডেঢ়ি নঘটোৱাকৈ বজাৰ ব্যৱস্থাৰ প্ৰয়োগেৰে দেশখনে দৰিদ্ৰতা দূৰীকৰণৰ লগতে বৃদ্ধিৰ হাৰ ত্বৰান্বিত কৰাত সফল হ'ব পাৰিছে। এইটোও দেখা যায় যে, ভাৰত বা পাকিস্তানৰ দৰে ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ব্যক্তিগতকৰণ নকৰাকৈ চীনে অতিৰিক্ত সামাজিক তথা অৰ্থনৈতিক সা-সুবিধাৰ সৃষ্টিৰ নিমিত্তে বজাৰ ব্যৱস্থা প্ৰয়োগ কৰিছে। ভূমিৰ ওপৰত সামূহিক অধিকাৰ বজাই ৰাখি ব্যক্তিগত ভাৱে কৃষিভূমিৰ ব্যৱহাৰ কৰিবলৈ দি চীনে গ্ৰামাঞ্চলত সামাজিক ন্যায় সুনিশ্চিত কৰিছে। আনকি অৰ্থনৈতিক সংস্কাৰ ব্যৱস্থা হাতত লোৱাৰ আগৰে পৰাই সামাজিক আন্তঃগাঁথনি প্ৰদানত ৰাজহুৱা হস্তক্ষেপেৰে চীনে মানৱ উন্নয়নৰ নিৰ্দেশকসমূহৰ ক্ষেত্ৰত ইতিবাচক ফলাফল দেখুৱাইছে।

**পুনৰুক্তি (Recap)**

- গোলকীকৰণ প্ৰক্ৰিয়াৰ লগে লগে উন্নয়নশীল দেশসমূহে উন্নত দেশসমূহৰ লগতে নিজৰ মাজতেই প্ৰতিযোগিতাৰ সন্মুখীন হোৱা হেতুকে চুবুৰীয়া দেশসমূহৰ উন্নয়নৰ প্ৰক্ৰিয়াসমূহ অনুধাৱনৰ প্ৰতি আগ্ৰহী হৈছে।
- ভাৰত, পাকিস্তান আৰু চীন ভৌতিক সা-সম্পদৰ ফালৰ পৰা একে ধৰণেৰে সমৃদ্ধ হ'লেও ৰাজনৈতিক ব্যৱস্থাৰ পিনৰ পৰা সম্পূৰ্ণ বেলেগ।
- এই তিনিওখন দেশেই পঞ্চবাৰ্ষিক পৰিকল্পনা-ভিত্তিক উন্নয়নৰ আৰ্হি অনুসৰণ কৰে। তথাপি উন্নয়নৰ নীতিসমূহ কাৰ্যকৰীকৰণৰ ব্যৱস্থাসমূহ সম্পূৰ্ণ ভিন ভিন।
- 1980ৰ দশকৰ আৰম্ভণিলৈকে তিনিওখন দেশৰে উন্নয়নৰ নিৰ্দেশকসমূহ, যেনে— বৃদ্ধিৰ হাৰ আৰু জাতীয় আয়লৈ খণ্ডভিত্তিক বৰঙণি, একেধৰণৰ আছিল।

- ➢ অৰ্থনৈতিক সংস্কাৰ চীনত 1978 চনত, পাকিস্তানত 1988 চনত আৰু ভাৰতবৰ্ষত 1991 চনত হাতত লোৱা হয়।
- ➢ চীনে নিজা উদ্যোগত সংগ্ৰথনমূলক সংস্কাৰ হাতত লোৱাৰ বিপৰীতে ভাৰত আৰু পাকিস্তানে আন্তৰ্জাতিক সংস্থাৰ হেঁচাতহে এনে কৰিবলৈ বাধ্য হৈছিল।
- ➢ নীতি-ব্যৱস্থাসমূহে তিনিওখন দেশকে ভিন ভিন ধৰণেৰে প্ৰভাৱিত কৰিছে। উদাহৰণস্বৰূপে, "এটি সন্তানৰ নীতি"য়ে চীনৰ জনসংখ্যা বৃদ্ধি ৰোধ কৰিছে, কিন্তু ভাৰত বা পাকিস্তানৰ এই ক্ষেত্ৰত উল্লেখনীয় পৰিৱৰ্তন হ'বলৈ এতিয়াও বাকী আছে।
- ➢ পৰিকল্পিত উন্নয়নৰ পঞ্চাশ বছৰৰ পিছতো তিনিওখন দেশৰে শ্ৰমশক্তিৰ অধিকাংশই এতিয়াও কৃষিৰ ওপৰত নিৰ্ভৰশীল। ভাৰতৰ ক্ষেত্ৰত এই নিৰ্ভৰশীলতা অধিক।
- ➢ চীনে কৃষিৰ পৰা নিৰ্মাণ আৰু তাৰ পিছত সেৱালৈ ক্ৰমাগতভাৱে গতি কৰা সংস্থাপিক (Classical) উন্নয়নৰ আৰ্হি অনুসৰণ কৰাৰ বিপৰীতে ভাৰত আৰু পাকিস্তানৰ ক্ষেত্ৰত উন্নয়নে কৃষিৰ পৰা পোনেপোনে সেৱাগৈ গতি কৰিছে।
- ➢ চীনৰ উদ্যোগ খণ্ডই উচ্চ বৃদ্ধিৰ হাৰ বজাই ৰাখিব পাৰিছে কিন্তু ভাৰত আৰু পাকিস্তানৰ ক্ষেত্ৰত সেইটো হোৱা নাই।
- ➢ মানৱ-উন্নয়নৰ অনেক নিৰ্দেশকৰ ক্ষেত্ৰত ভাৰত বা পাকিস্তানতকৈ চীন আগবঢ়া। কিন্তু ইয়াৰ কাৰণ চীনে গ্ৰহণ কৰা সংস্কাৰ প্ৰক্ৰিয়া নহয়, বৰঞ্চ প্ৰাক্-সংস্কাৰ কালত চীনে গ্ৰহণ কৰা কৌশলসমূহহে।
- ➢ উন্নয়নৰ নিৰ্দেশকসমূহৰ মূল্যায়নৰ বাবে ব্যক্তি-স্বাত্যন্ত্ৰৰ নিৰ্দেশকসমূহ বিবেচনা কৰা আৱশ্যক।



## অনুশীলনী (Exercise)

1. আঞ্চলিক আৰু অৰ্থনৈতিক জোঁটৰ কেইটামান উদাহৰণ দাঙি ধৰা।
2. দেশসমূহে নিজৰ ঘৰুৱা অৰ্থনীতি টনকিয়াল কৰিবৰ বাবে গ্ৰহণ কৰা বিভিন্ন উপায়সমূহ কি কি?
3. ভাৰত আৰু পাকিস্তানে অৰ্থনৈতিক উন্নয়নৰ নিজ নিজ পথ অনুসৰণ কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা উন্নয়নৰ সদৃশ কৌশলসমূহ কি কি?
4. 1958 চনত চীনত গ্ৰহণ কৰা Great Leap Forward অভিযান ব্যাখ্যা কৰা।

5. চীনৰ দ্ৰুত উদ্যোগীকৰণৰ গুৰি 1978 চনৰ সংস্কাৰ ব্যৱস্থাত বিচাৰি পোৱা যায়। ইয়াৰ লগত তুমি একমতনে? বহলাই আলোচনা কৰা।
6. অৰ্থনৈতিক উন্নয়নৰ বাবে পাকিস্তানে গ্ৰহণ কৰা উন্নয়নৰ পথ সম্পৰ্কে আলোচনা কৰা।
7. চীনত গ্ৰহণ কৰা "এটি সন্তানৰ নীতি"ৰ তাৎপৰ্য কি?
8. ভাৰত, পাকিস্তান আৰু চীনৰ প্ৰধান জনসাংখ্যিক নিৰ্দেশকসমূহ উল্লেখ কৰা।
9. 2009 চনত ভাৰতবৰ্ষ আৰু চীনৰ ঘৰুৱা উৎপাদনলৈ বিভিন্ন খণ্ডসমূহে আগবঢ়োৱা বৰঙণিৰ তুলনা কৰা। ইয়াৰ পৰা কি জানিব পাৰিলা?
10. মানৱ উন্নয়নৰ বিভিন্ন নিৰ্দেশকসমূহ উল্লেখ কৰা।
11. ব্যক্তি-স্বাতন্ত্ৰ্যৰ নিৰ্দেশকৰ সংজ্ঞা দিয়া? ইয়াৰ কেইটামান উদাহৰণ দিয়া।
12. চীনৰ দ্ৰুত অৰ্থনৈতিক উন্নয়ন সাধনৰ কাৰকসমূহৰ মূল্যায়ন আগবঢ়োৱা।
13. তলৰ বৈশিষ্ট্যসমূহ ভাৰত, পাকিস্তান আৰু চীন অনুসৰি তিনিভাগত সজোৱা
    - এটি সন্তানৰ নীতি
    - নিম্ন প্ৰজনন হাৰ
    - অধিক মাত্ৰাৰ নগৰীকৰণ
    - মিশ্ৰ অৰ্থব্যৱস্থা
    - অতি উচ্চ প্ৰজনন হাৰ
    - বৃহৎ জনসংখ্যা
    - জনবসতিৰ অধিক ঘনত্ব
    - নিৰ্মাণখণ্ড-জনিত বৃদ্ধি
    - সেৱাখণ্ড-জনিত বৃদ্ধি
14. পাকিস্তানৰ মন্থৰ অৰ্থনৈতিক বৃদ্ধি আৰু দৰিদ্ৰতাৰ পুনৰ উত্থানৰ কাৰণ দৰ্শোৱা।
15. মানৱ উন্নয়নৰ ঘাই নিৰ্দেশকসমূহৰ পৰিপ্ৰেক্ষিতত ভাৰত, পাকিস্তান আৰু চীনৰ উন্নয়নৰ তুলনামূলক আলোচনা আগবঢ়োৱা।
16. যোৱা দুটা দশকৰ ভাৰত আৰু চীনৰ বৃদ্ধিৰ হাৰৰ গতিধাৰাৰ ওপৰত মতামত আগবঢ়োৱা।
17. খালী ঠাই পূৰ কৰা
    1. ..................... ৰ প্ৰথম পাঁচ বছৰীয়া পৰিকল্পনা আৰম্ভ হৈছিল 1956 চনত। (পাকিস্তান/চীন)
    2. ..................... ত প্ৰসূতি মৃত্যুৰ হাৰ অধিক। (পাকিস্তান/চীন)
    3. ..................... ত দৰিদ্ৰসীমাৰ তলৰ লোকৰ অনুপাত বেছি। (পাকিস্তান/ভাৰত)
    4. ..................... ত 1978 চনত অৰ্থনৈতিক সংস্কাৰ হাতত লোৱা হৈছিল। (পাকিস্তান/চীন)

## ওপৰঞ্চি কাৰ্যৰ পৰামৰ্শ (Suggested Additional Activities)

1. ভাৰত-চীন আৰু ভাৰত-পাকিস্তানৰ মাজত মুক্ত বাণিজ্যৰ ওপৰত শ্ৰেণীত এখন তৰ্ক সভাৰ আয়োজন কৰা।

2. চীনৰ পৰা আমাৰ বজাৰলৈ অহা সস্তীয়া বয়বস্তু যেনে পুতলা, কাপোৰ আদিৰ বিষয়ে তোমালোকে জানা। গুণগত মান আৰু দামৰ পিনৰ পৰা এইবোৰৰ আমাৰ নিজৰ বস্তুৰ লগত তুলনা হয় বুলি তুমি ভাবানে? এই বস্তুবোৰে থলুৱা উৎপাদনকাৰীৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰেনে? আলোচনা কৰা।

3. জনসংখ্যা হ্ৰাস কৰাৰ বাবে ভাৰতেও চীনৰ দৰে "এটি সন্তানৰ নীতি" আৰম্ভ কৰিব পাৰেনে? জনসংখ্যা হ্ৰাস কৰাৰ বাবে ভাৰতে গ্ৰহণ কৰিব পৰা নীতিৰ বিষয়ে তৰ্ক আয়োজন কৰা।

4. চীনৰ অৰ্থনৈতিক বৃদ্ধি ঘাইকৈ নিৰ্মাণখণ্ডজনিত আৰু ভাৰতৰ সেৱাখণ্ডজনিত। যোৱা দশকত দেশ দুখনত সংগ্ৰথনমূলক পৰিৱৰ্তনৰ ক্ষেত্ৰত এই উক্তিৰ যথাৰ্থতা দেখুৱাই এখন সাৰণি (chart) প্ৰস্তুত কৰা।

5. মানৱ উন্নয়নৰ সকলো নিৰ্দেশকৰ ক্ষেত্ৰত চীনে কেনেকৈ আগবাঢ়িবলৈ সক্ষম হৈছে? শ্ৰেণীত আলোচনা কৰা। ইয়াৰ বাবে শেহতীয়া Human Development Report ব্যৱহাৰ কৰা।

## প্ৰসঙ্গ (References)


### গ্ৰন্থ

DREZE, JEAN and AMARTYA SEN, 1996. India : *Economic Development and Social Opportunity*, Oxford University Press, Delhi.

### প্ৰবন্ধ

RAY, ALOK, 2002, 'The Chinese Economic Miracle : Lessons to be Learnt', *Economic and Political Weekly,* September 14, pp. 3835-3848.

ZAIDI, S. AKBAR, 1999. 'Is Poverty now a Permanent Phenomenon in Pakistan'? *Economic and Political Weekly,* October 9, pp. 2943-2951.

## চৰকাৰী প্ৰতিবেদন

*Human Development Report, 2005.* United Nations Development Programme, Oxford University Press, Oxford.

*Pakistan : National Human Development Report, 2003.* United Nations Development Programme, Second Impression 2004.

*World Development Report, 2005.* The World Bank, Published by Oxford University Press, New York.

*Labour Market Indicators, 3rd Edition,* International Labour Organisation, Geneva.

## ৱেব্‌ছাইট

www.stats.gov.cn

www.statpak.gov.pk

www.un.org

www.ilo.org

www.planningcommision.nic.in

www.dgft.delhi.nic.in

## শব্দাৱলী (Glossary)

**অদৃশ্যমান (Invisibles) :** বহিঃবাণিজ্যৰ পৰিশোধৰ হিচাপ (Balance of Payments)ৰ চলিত হিচাপত দৃশ্যমান সামগ্ৰীৰ উপৰিও বহুতো অদৃশ্যমান থাকে। এইবোৰ মূলতঃ পৰ্যটন; জাহাজ, উৰাজাহাজৰ দ্বাৰা পৰিবহণ; বেংক, বীমা আদিৰ বিত্তীয় সেৱা ইত্যাদি ধৰণৰ সেৱাকাৰ্য। বহিঃবিশ্বলৈ প্ৰেৰণ কৰা বা বহিঃবিশ্বৰ পৰা প্ৰাপ্ত উপহাৰ আৰু পুঁজিৰ বেচৰকাৰী হস্তান্তৰ, চৰকাৰী অনুদান আৰু সুত, লাভ আৰু লাভাংশও অদৃশ্যমানৰ অন্তৰ্ভুক্ত।

**অনবীকৰণযোগ্য সম্পদ (Non-Renewable Resources):** যি সম্পদক নবীকৰণ কৰিব নোৱাৰি। এনে সম্পদৰ ভাণ্ডাৰ বৃহৎ হ'লেও সীমিত। ইহঁতৰ কিছুমান উদাহৰণ হ'ল তেল, কয়লা, লো, সীহ, এলুমিনিয়াম, ইউৰেনিয়াম আৰু খনিজ সম্পদসমূহ।

**অনানুষ্ঠানিক খণ্ডৰ প্ৰতিষ্ঠান (Informal Sector Enterprises) :** ব্যক্তিগত খণ্ডৰ যিবোৰ উদ্যোগে নিয়মীয়াভাৱে দহজনতকৈ কম শ্ৰমিক নিয়োগ কৰে।

**অনা-শুল্ক প্ৰতিবন্ধক (Non-tariff Barriers) :** চৰকাৰে আমদানিৰ ওপৰত আৰোপ কৰা কৰৰ বাহিৰে আন সকলো বাধা। এনে বাধা প্ৰধানতঃ আমদানিকৃত সামগ্ৰীৰ পৰিমাণ আৰু গুণাগুণৰ ওপৰত আৰোপ কৰা হয়।

**অ-পৰিশোধ (Default) :** নিৰ্ধাৰিত দিনত ঋণৰ মূলধন আৰু সুত পৰিশোধকৰণত ব্যৰ্থতা— যাৰ ফলত ঋণগ্ৰহীতা হিচাপে বিশ্বাসযোগ্যতা হেৰুৱাবলগীয়া হয়। উদাহৰণস্বৰূপে, আন্তৰ্জাতিক বিত্তীয় অনুষ্ঠানৰ দৰে ঋণদাতাই প্ৰদান কৰা ৰাষ্ট্ৰীয় ঋণ (চৰকাৰে গ্ৰহণ কৰা ঋণ) পৰিশোধ নহ'ব পাৰে।

**অৱমূল্যায়ন (Devaluation) :** বৈদেশিক বিনিময় হাৰৰ হ্ৰাস। ইয়াৰ ফলত অইন দেশৰ মুদ্ৰাৰ মানত এখন দেশৰ মুদ্ৰাৰ মূল্য হ্ৰাস পায়।

**অসংৰক্ষণকৰণ (Dereservation) :** এজন বিশেষ ব্যক্তি বা এখন বিশেষ প্ৰতিষ্ঠানেহে উৎপাদন কৰি অহা বস্তু বা সেৱা উৎপাদন কৰিবলৈ আন ব্যক্তি বা প্ৰতিষ্ঠানক অনুমতি দিয়াটোকে অসংৰক্ষণকৰণ বোলা হয়। ভাৰতবৰ্ষত, ক্ষুদ্ৰ উদ্যোগসমূহে উৎপাদন কৰি অহা সামগ্ৰী আৰু সেৱা বৃহৎ উদ্যোগক উৎপাদন কৰিবলৈ অনুমতি দিয়াটোকে অসংৰক্ষণকৰণ বুলি বুজা যায়।

**আছিয়ান (The Association of South-East Asian Nations (ASEAN)) :** দক্ষিণ-পূব এছিয়াৰ থাইলেণ্ড, ইণ্ডোনেছিয়া, ছিংগাপুৰ, ফিলিপাইন, ব্ৰুনেই, ডাৰেছেলাম, কম্বোদিয়া, লাওচ, ম্যানমাৰ আৰু ভিয়েটনামক সামৰি লোৱা এক অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক সংগঠন।

**আনুষ্ঠানিক খণ্ডৰ প্ৰতিষ্ঠান (Formal Sector Establishments) :** ৰাজহুৱা খণ্ডৰ সকলোবোৰ প্ৰতিষ্ঠান আৰু ব্যক্তিগতখণ্ডৰ যিবোৰ প্ৰতিষ্ঠানে দহজন বা ততোধিক ভাৰাতীয়া শ্ৰমিক নিয়োগ কৰে।

**আন্তৰ্জাতিক লেনদেনৰ সমতা/আন্তৰ্জাতিক বাণিজ্যৰ ভাৰসাম্য/বহিঃবাণিজ্যৰ পৰিশোধৰ হিচাপ (Balance of Payment, BOP) :** এটা নিৰ্দিষ্ট সময়ত (যেনে, এবছৰত) এখন দেশৰ চলিত আৰু মূলধন জাতীয় হিচাপৰ ক্ষেত্ৰত সৃষ্টি হোৱা

সকলোবোৰ লেনদেন (প্ৰাপ্তি আৰু আদায়)ৰ পৰিসাংখ্যিকীয় বিবৃতি। নিৰ্দিষ্ট সময়ছোৱাত মুঠ দেনা আৰু পাওনাৰ পৰিমাণ নিৰ্দেশ কৰে বাবেই ই সদায় সমতাত থাকে।

**আমদানি অনুজ্ঞাপত্ৰ/লাইচেন্স (Import Licensing) :** কোনো এখন দেশলৈ আমদানি কৰাৰ বাবে প্ৰয়োজনীয় চৰকাৰী অনুমতি।

**আমদানি প্ৰতিকল্পন (Import Substitution) :** দেশ এখনৰ উন্নতিৰ কল্পে সামগ্ৰীৰ আমদানিক দেশীয় উৎপাদনেৰে প্ৰতিকল্পন কৰাৰ নীতি। দেশীয় উদ্যোগক উৎসাহিত কৰা এই নীতি স্বনিৰ্ভৰশীলতা আৰু দেশীয় নিয়োগ বৃদ্ধিৰ যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত।

**ইউৰোপীয়ান ইউনিয়ন (European Union) :** ইউৰোপৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক সহযোগিতা বৃদ্ধিৰ বাবে ২৫ খন ইউৰোপীয় দেশ সামৰি আৰম্ভ কৰা এক সংঘ। ইয়াৰ সহযোগী দেশসমূহ হ'ল— অষ্ট্ৰিয়া, বেলজিয়াম, চাইপ্ৰাছ, ছেক গণৰাজ্য, ডেনমাৰ্ক, এষ্টোনিয়া, ফিনলেণ্ড, ফ্ৰান্স, জাৰ্মানী, গ্ৰীছ, হাংগাৰী, আয়াৰলেণ্ড, ইটালী, লাটভিয়া, লিথুৱানিয়া, লুক্সেমবুৰ্গ, নেডাৰলেণ্ড, পৰ্তুগাল, স্পেইন, ছুইডেন, বৃটেইন, মালটা, পোলেণ্ড, শ্লভাকিয়া আৰু শ্লভেনিয়া।

**উপদান/গ্ৰেচুইটি (Gratuity) :** কৰ্মচাৰীয়ে আগবঢ়োৱা সেৱাৰ বাবে অৱসৰৰ সময়ত নিয়োগকৰ্তাই তেওঁক দিয়া মুদ্ৰাৰ পৰিমাণ।

**উপনিবেশবাদ (Colonialism) :** এখন দেশে ইয়াৰ চাৰিসীমাৰ বাহিৰৰ অঞ্চলসমূহৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনৰ ওপৰলৈ ইয়াৰ ক্ষমতা, নিয়ন্ত্ৰণ বা শাসন বিস্তাৰিত কৰি এই অঞ্চলসমূহক তাৰ ওপৰত নিৰ্ভৰশীল কৰিবলৈ যুদ্ধজয় বা আন উপায়েৰে উপনিবেশ দখল কৰা ব্যৱস্থা। উপনিবেশবাদৰ মূল বৈশিষ্ট্য হ'ল শোষণ।

**উৎপাদনশীলতা (Productivity) :** উৎপাদনত ব্যৱহৃত উপাদানৰ গোটে প্ৰতি উৎপাদিত সামগ্ৰীৰ পৰিমাণ। মূলধন বা শ্ৰমৰ দক্ষতা বৃদ্ধিৰ ফলত উৎপাদনশীলতা বৃদ্ধি পায়। উৎপাদনশীলতাৰ ধাৰণাটো সাধাৰণতে শ্ৰমৰ উৎপাদনশীলতা বুজাবলৈ ব্যৱহাৰ কৰা হয়।

**একচেটিয়া আৰু প্ৰতিবন্ধকাৰী বাণিজ্য আচাৰ আইন (Monopoly and Restrictive Trade Pactices Act / MRTP Act) :** ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ একচেটিয়া আৰু জনসাধাৰণৰ স্বাৰ্থৰ পৰিপন্থী আচাৰ আচৰণ নিয়ন্ত্ৰিত কৰিবলৈ এখন আইন।

**কৃষিৰ বাণিজ্যিকীকৰণ (Commercialisation of Agriculture) :** ই নিজৰ অৰ্থাৎ পৰিয়ালৰ ভোগৰ পৰিৱৰ্তে বজাৰত বিক্ৰীৰ বাবে শস্য উৎপাদন কৰাকে বুজায়। ইংৰাজ শাসনৰ সময়ছোৱাত কৃষিৰ বাণিজ্যিকীকৰণে এটা সুকীয়া অৰ্থ লাভ কৰে— ই মূলতঃ শস্যসমূহৰ বাণিজ্যিকীকৰণক বুজাইছিল। ইংৰাজসকলে কৃষকসকলক খাদ্য-শস্যৰ পৰিৱৰ্তে অৰ্থকৰী শস্যৰ বাবেহে অধিক দাম দিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকে এই অৰ্থকৰী শস্যসমূহ বৃটেইনৰ উদ্যোগসমূহৰ বাবে কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিছিল।

**গৃহস্থী/পৰিয়াল (Household) :** (সচৰাচৰ) সাধাৰণতে একেলগে বাস কৰা আৰু একে ৰন্ধনশাল (পাকঘৰ)ৰ পৰা খাদ্য গ্ৰহণ কৰা লোকৰ গোট। ইয়াত 'সাধাৰণতে' শব্দটোত সাময়িক বা অস্থায়ীভাৱে দেখা কৰিবলৈ অহাসকলক বাদ দিয়া হৈছে আৰু ঘৰৰ পৰা সাময়িকভাৱে দূৰত থকাসকলক অন্তৰ্ভুক্ত কৰা হৈছে।

**ঘাটি বিত্তায়ন (Deficit Financing) :** চৰকাৰৰ ব্যয় ইয়াৰ আয়তকৈ অধিক হোৱা অৱস্থা।

**ছাৰ্ক (South Asian Association of Regional Cooperation, SAARC) :** দক্ষিণ এছিয়াৰ আঠখন দেশক সামৰি পাৰস্পৰিক বুজা-পৰা, বন্ধুত্ব আৰু সহযোগিতাৰ আধাৰত সদস্যদেশসমূহৰ আৰ্থ-সামাজিক প্ৰগতি সুনিশ্চিত কৰাৰ উদ্দেশ্যে গঠিত এক সংগঠন। ইয়াৰ সহযোগী সদস্যদেশবোৰ হ'ল বাংলাদেশ, ভূটান, ভাৰত, মালদ্বীপ, নেপাল, পাকিস্তান, শ্ৰীলংকা আৰু আফগানিস্থান।

**জনমূৰি আয় (Per Capita Income) :** এক নিৰ্দিষ্ট সময়ৰ ভিতৰত দেশৰ মুঠ জাতীয় আয়ক মুঠ জনসংখ্যাৰে হৰণ কৰি পোৱা ভাগফল।

**জন্মকালীন জীৱন প্ৰত্যাশা (Life Expectancy at Birth) :** এটা শিশুৰ জন্মৰ সময়ত চলিত বয়স-নিৰ্দিষ্ট মৃত্যু হাৰ তাৰ জীৱন জুৰি একে থাকে বুলি ধৰি ল'লে নৱজাত শিশুটো যিমান বছৰ জীয়াই থাকিব লাগে।

**জনসাংখ্যিকীয় সঞ্চৰণ (Demographic Transition) :** অৰ্থনৈতিক উন্নয়নৰ বাবে হোৱা জীৱনধাৰণৰ উন্নত অৱস্থাৰ ফলত মৃত্যু আৰু জন্মৰ হাৰ হ্ৰাস পোৱাৰ বিশেষধৰণ বুজাবলৈ 1945 চনত জনসংখ্যাবিদ Frank Notenstein-য়ে এই ধাৰণাটো আগবঢ়াইছিল। তেওঁ জনসাংখ্যিকীয় সঞ্চৰণৰ তিনিটা দশা চিনাক্ত কৰিছিল— প্ৰাক্ ঔদ্যোগিক, উন্নয়নশীল আৰু আধুনিক ঔদ্যোগিক সমাজ। পৰৱৰ্তী কালত আৰু এটা দশা— উত্তৰ ঔদ্যোগিক দশাকো, ইয়াৰ— অন্তৰ্ভুক্ত কৰা হৈছিল।

**জাতীয় উৎপাদন/আয় (National Product/ Income) :** এখন দেশত উৎপাদিত মুঠ সামগ্ৰী আৰু সেৱাৰ মুদ্ৰা মূল্য আৰু বহিঃবিশ্বৰ পৰা অৰ্জন কৰা আয়।

**জি-৮ (G-8) :** জি-৮ৰ সদস্যসমূহ হ'ল কানাডা, ফ্ৰান্স, জাৰ্মানী, ইটালী, জাপান, গ্ৰেট ব্ৰিটেইন, আমেৰিকা আৰু ৰাছিয়া। ইয়াৰ মূল বৈশিষ্ট্য হ'ল দেশকেইখনৰ মুৰব্বী আৰু শীৰ্ষবিষয়াসকলৰ বাৰ্ষিক বৈঠক। অৱশ্যে বছৰৰ বিভিন্ন সময়ত ইয়াৰ আন আন বৈঠকসমূহ বহি থাকে।

**জি-২০ (G-20) :** বিশ্ব বাণিজ্য সংস্থাত কৃষি আৰু বাণিজ্য বিষয়ক আলোচনাৰ বাবে প্ৰতিষ্ঠিত উন্নয়নশীল দেশসমূহৰ এক গোট। এই গোটে সামৰি লোৱা দেশসমূহ হ'ল— আৰ্জেণ্টিনা, বলিভিয়া, ব্ৰাজিল, চিলি, চীন, কিউবা, ইজিপ্ত, গুৱাটেমেলা, ভাৰত, ইণ্ডোনেছিয়া, মেক্সিকো, নাইজেৰিয়া, পাকিস্তান, পাৰাগুৱে, ফিলিপাইন, দক্ষিণ আফ্ৰিকা, থাইলেণ্ড, টানজানিয়া, ভেনিজুৱেলা আৰু জিম্বাবুৱে।

**দৰিদ্ৰতাৰ সীমা ৰেখা (Poverty Line) :** এজন লোকৰ বাবে গড় হিচাপে প্ৰতিদিনে প্ৰয়োজনীয় গ্ৰামাঞ্চলৰ ক্ষেত্ৰত ২৪০০ কেলৰি আৰু নগৰাঞ্চলৰ ক্ষেত্ৰত ২১০০ কেলৰিৰ খাদ্যৰ ব্যয়ক সামৰি নিৰ্দিষ্ট নিম্নতম প্ৰয়োজন পূৰণৰ বাবে কৰা জনমূৰি ব্যয়ৰ পৰিমাণ।

**দেশীয় অৰ্থব্যৱস্থাৰ একত্ৰকৰণ (Integration of Domestic Economy) :** এনে এক অৱস্থা য'ত চৰকাৰৰ নীতিয়ে অইন দেশৰ লগত বাণিজ্য আৰু বিনিয়োগ অধিক উন্মুক্ত কৰে যাৰ ফলত দেশীয় অৰ্থব্যৱস্থাই অইন অৰ্থব্যৱস্থাৰ লগত একেলগে দক্ষ আৰু পৰস্পৰ নিৰ্ভৰশীলভাৱে কাম কৰে।

**দ্বি-পাক্ষিক বাণিজ্য চুক্তি (Bilateral Trade Agreement) :** দুখন দেশৰ মাজত সামগ্ৰী আৰু সেৱা বিনিময় সম্পৰ্কীয় চুক্তি।

**নগদ জমা অনুপাত (Cash Reserve Ratio, CRR) :** বাণিজ্যিক বেংক সমূহে ইহঁতৰ মুঠ আমানত আৰু জমাৰ পৰা তৰল ৰূপত কেন্দ্ৰীয় বেংকত ৰাখিবলগীয়া অংশ। বাণিজ্যিক বেংকসমূহৰ ওপৰত কেন্দ্ৰীয় বেংকৰ নিয়ন্ত্ৰণৰ এটা ব্যৱস্থা হিচাপে ইয়াক ব্যৱহাৰ হয়।

**নগৰীকৰণ (Urbanisation) :** মহানগৰীয় পৰিসৰ— মূলতঃ নগৰীয়া অঞ্চলৰ জনসংখ্যা বা কালিৰ অনুপাতৰ প্ৰসাৰ অথবা সময়ৰ লগত এনে অনুপাতৰ বৃদ্ধি। গতিকে ই কোনো অঞ্চলৰ মুঠ জনসংখ্যাৰ তুলনাত নগৰীয়া জনসংখ্যাৰ অনুপাত বা এই অনুপাতৰ বৃদ্ধিক প্ৰতিফলিত কৰে। এই দুয়োটাকে শতাংশৰ ৰূপত প্ৰকাশ কৰিব পাৰি। প্ৰতি বছৰত, প্ৰতি দশকত বা পিয়লসমূহৰ অন্তৰ্বৰ্তী কোনো সময়ত পৰিৱৰ্তনৰ হাৰক শতাংশ হিচাপে দেখুৱাব পৰা যায়।

**নতুন অৰ্থনৈতিক নীতি (New Economic Policy) :** ভাৰতবৰ্ষত 1991 চনৰ পৰা গ্ৰহণ কৰা অৰ্থনৈতিক নীতিসমূহক বুজোৱা বিশেষ শব্দপুঞ্জ।

**নবীকৰণযোগ্য সম্পদ (Renewable Resources) :** বিবেচনাপূৰ্ণভাৱে ব্যৱহাৰ কৰিলে যিবোৰ সম্পদক প্ৰাকৃতিক প্ৰক্ৰিয়াৰে নবীকৰণ কৰিব পাৰি সেইবোৰ সম্পদক নবীকৰণযোগ্য সম্পদ বোলে। অৰণ্য, জন্তু আৰু মাছৰ অত্যধিক ব্যৱহাৰ নকৰিলে এইবোৰ সহজে নবীকৃত হয়।

**নিৰ্বিনিয়োগ (Disinvestment) :** সম্পদ আহৰণৰ বাবে আৰু সমাংশ (equity) আৰু /বা পৰিচালনাৰ গাঁথনিৰ পৰিৱৰ্তন সাধনৰ বাবে ইচ্ছাকৃতভাৱে কোনো কোম্পানীৰ মুঠ মূলধনৰ এটা অংশ ইচ্ছাকৃতভাৱে বিক্ৰী কৰা কাৰ্য।

**নিয়োগকাৰী (Employers) :** যিবোৰ স্বনিয়োজিত লোকে নিজে বা এজন অথবা ততোধিক অংশীদাৰৰ লগত কাম কৰে আৰু প্ৰতিষ্ঠান চলাই থাকিবলৈ প্ৰায়েই শ্ৰমিক ভাড়ালৈ লয়।

**নিয়োগহীনতা/কৰ্মসংস্থানহীনতা (Unemployment):** এনে এক অৱস্থা য'ত ব্যক্তিয়ে প্ৰচলিত হাৰৰ মজুৰিত বা দৰমহাত তথা কামৰ লগত জড়িত চৰ্তত কাম কৰিবলৈ সন্মতি প্ৰকাশ কৰি নিয়োগ

বিনিময়কেন্দ্ৰ, মধ্যস্থতাকাৰী, বন্ধু-বান্ধৱ, আত্মীয়-স্বজন নাইবা সংশ্লিষ্ট নিয়োগকৰ্তাক আবেদন জনাই কাম কৰাৰ ইচ্ছা প্ৰকাশ কৰা সত্ত্বেও কামৰ অভাৱত কাম কৰিব নোৱাৰে।

**নিয়মিত /নিয়মীয়া বেতনভোগী /মজুৰি কৰ্মচাৰী (Regular Salaried /Wage Employee) :** যিবোৰ মানুহে অইনৰ কৃষিপাম বা অন্য প্ৰতিষ্ঠানত কাম কৰে আৰু তাৰ বিনিময়ত নিয়মীয়াভাৱে বেতন বা মজুৰি অৰ্জন কৰে (অৰ্থাৎ দৈনিক বা সময়ে সময়ে নবীকৃত কামৰ চুক্তিৰ ভিত্তিত নহয়)। কৰ্মৰ সময়ৰ ভিত্তিত মজুৰি অৰ্জন কৰা শ্ৰমিক, কামৰ অংশৰ ভিত্তিত মজুৰি অৰ্জন কৰা শ্ৰমিক তথা বেতনপ্ৰাপ্ত শিক্ষানবীচসকল ইয়াৰ অন্তৰ্ভুক্ত। এওঁলোক পূৰ্ণকালীন বা অংশকালীনো হ'ব পাৰে।

**নৈমিত্তিক মজুৰি শ্ৰমিক (Casual Wage Labourer) :** অইনৰ কৃষি পাম বা অনাকৃষি প্ৰতিষ্ঠানত নৈমিত্তিকভাৱে নিয়োজিত হৈ থকা আৰু ইয়াৰ বিনিময়ত দৈনিক বা ব্যৱধান সম্পন্ন সময়ৰ বাবে কৰ্মচুক্তি অনুসৰি মজুৰি লাভ কৰা ব্যক্তি।

**পৰিকল্পনা আয়োগ (Planning Commission):** ভাৰত চৰকাৰে গঠন কৰা পৰিকল্পনাকাৰী সংগঠন। ই দেশৰ সকলো সম্পদৰ মূল্যায়ন কৰা, অপ্ৰচুৰ (অপৰ্যাপ্ত) সম্পদৰ পৰিমাণ বৃদ্ধি কৰা, সম্পদৰ ফলপ্ৰসূ আৰু ভাৰসাম্য ব্যৱহাৰৰ বাবে আঁচনি প্ৰস্তুত কৰা আৰু অগ্ৰাধিকাৰ নিৰ্ধাৰণ কৰা ইত্যাদি কাৰ্য সম্পাদনৰ বাবে দায়বদ্ধ।

**পৰিমাণগত প্ৰতিবন্ধক (Quantitative Restrictions) :** আন্তৰ্জাতিক পৰিশোধৰ হিচাপত ঘাটি হ্ৰাস কৰিবলৈ বা দেশীয় উদ্যোগক ৰক্ষণাবেক্ষণ প্ৰদান কৰিবলৈ আমদানিৰ ওপৰত মুঠ পৰিমাণ হিচাপে আৰোপ কৰা প্ৰতিবন্ধকসমূহ বা কোটা।

**পাৰিবাৰিক শ্ৰমিক (Family Labour / Worker):** নিজ পৰিয়ালৰ সদস্যই চলোৱা কৃষিপাম, উদ্যোগ, ব্যৱসায় বা বাণিজ্যত নগদমুদ্ৰা অথবা বস্তুৰ ৰূপত মজুৰি নোপোৱাকৈ কাম কৰা লোক।

**পাৰ্মিট লাইচেন্স ৰাজ (Permit Licence Raj) :** ভাৰতবৰ্ষত সামগ্ৰী আৰু সেৱা উৎপাদনৰ বাবে ব্যৱসায় প্ৰতিষ্ঠান আৰম্ভ কৰা আৰু চলাই থকাৰ বাবে চৰকাৰী নীতি নিয়মসমূহৰ ব্যৱস্থা।

**পেন্সন (Pension) :** কামৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত কৰ্মচাৰীক প্ৰদান কৰা মাহিলী ভাট্টা/বিত্তীয় সমৰ্থন।

**প্ৰজা-সংঘ (Commune) :** Renmin Gongshe বুলি চীনা ভাষাত জনাজাত এই প্ৰজা-সংঘবোৰ ১৯৫৮ চনৰ পৰা ১৯৮২–৮৫ চনলৈকে তিনিতৰপীয়া প্ৰশাসনিক সংগঠন হিচাপে চীনত কাৰ্যকৰী হৈ আছিল। উৎপাদন সেনা আৰু উৎপাদন দলত বিভাজিত এই প্ৰজা-সংঘসমূহৰ প্ৰশাসনিক, ৰাজনৈতিক আৰু আৰ্থিক কাৰ্য আছিল।

**প্ৰতিষ্ঠান (Enterprise) :** মূলতঃ সম্পূৰ্ণ বা আংশিকভাৱে বিক্ৰীৰ বাবে বস্তু আৰু /বা সেৱা উৎপাদন আৰু /বা বিতৰণ কৰিবলৈ এজন ব্যক্তি বা ব্যক্তি সমষ্টিয়ে চলোৱা ব্যৱসায়।

**প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ (Foreign Direct Investment) :** দেশীয় সংগ্ৰথন, সা-সৰঞ্জাম আৰু

সংগঠনত বৈদেশিক পৰিসম্পদৰ বিনিয়োগ। ষ্টক বজাৰত কৰা বৈদেশিক বিনিয়োগ ইয়াৰ অন্তৰ্গত নহয়। এখন দেশৰ কোম্পানীসমূহৰ সমাংশত কৰা বিনিয়োগৰ তুলনাত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগক ভাল বুলি ধৰা হয়। কিয়নো সমাংশত কৰা বিনিয়োগ অতি অস্থিৰ আৰু কঠিন পৰিৱেশৰ উমান পালেই ই নাইকিয়া হয়। আনহাতে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ দীৰ্ঘস্থায়ী আৰু ভাল-বেয়া উভয় পৰিস্থিতিতে ই সুফল দিয়ে।

**প্ৰৱেশ বাধা (Barriers to Entry) :** কোনো উদ্যোগত ইতিমধ্যে প্ৰতিষ্ঠিত উৎপাদন প্ৰতিষ্ঠানসমূহৰ তুলনাত নতুনকৈ প্ৰবেশ কৰিব খোজা উৎপাদন প্ৰতিষ্ঠানসমূহৰ প্ৰবেশৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰা কাৰকসমূহ।

**প্ৰসূতিৰ মৃত্যু হাৰ (Maternal Mortality Rate, MMR) :**

$$\text{MMR} = \frac{D_p \times 1,00,000}{\text{বিবাহিত মহিলাৰ সংখ্যা (15-49 বছৰ বয়সৰ)}}$$

য'ত MMR = প্ৰসূতিৰ মৃত্যু হাৰ

$D_p$ = প্ৰসৱজনিত কাৰণত মৃত্যুৰ সংখ্যা (গৰ্ভধাৰণ আৰু প্ৰসৱৰ লগত জড়িত কাৰণত শিশু জন্মদানৰ 42 দিনৰ ভিতৰত হোৱা মাতৃৰ মৃত্যুৰ ঘটনা)।

**বহন ক্ষমতা (Carrying Capacity) :** এটা বিশেষ ঘনত্বত জনসংখ্যাক অসীমভাৱে টিকাই ৰাখিব পৰা প্ৰাকৃতিক বাসস্থানৰ এটা জোখ। বহন ক্ষমতাৰ এক অতি কাৰিকৰী সংজ্ঞা হ'ল ঘনত্ব-নিৰ্ভৰশীল জনসংখ্যাৰ বৃহত্তম আকাৰ যাৰ ক্ষেত্ৰত জনসংখ্যা বৃদ্ধিৰ হাৰ শূন্য। গতিকে বহন ক্ষমতাৰ তলত জনসংখ্যা বৃদ্ধি পোৱাৰ প্ৰৱণতা থাকিব আৰু ইয়াৰ ওপৰত জনসংখ্যা হ্ৰাস পাব। বহন ক্ষমতাৰ ওপৰত জনসংখ্যাৰ আকাৰ হ্ৰাস পোৱাৰ কাৰণ হ'ল জীয়াই থকাৰ হ্ৰাসমান অৱলম্বন (উদাহৰণস্বৰূপে স্থান বা খাদ্য অথবা আচৰণগত মিলাপ্ৰীতিৰ অভাৱ হেতুকে) নতুবা প্ৰজননমূলক সাফল্য হ্ৰাস বা ইহঁত উভয়ে। বিভিন্ন প্ৰাকৃতিক বাসস্থানত বিভিন্ন প্ৰজাতিৰ বাবে বহনক্ষমতা ভিন ভিন আৰু খাদ্য প্ৰাপ্তিৰ গতি ধাৰা, পাৰিৱেশিক অৱস্থা তথা স্থান প্ৰমুখ্যে বিভিন্ন কাৰকৰ বাবে সময়ৰ লগত ই পৰিৱৰ্তিত হয়।

**বহুপক্ষীয়/বহুপাক্ষিক বাণিজ্যিক চুক্তি (Multilateral Trade Agreements) :** কোনো এখন দেশে সামগ্ৰী আৰু সেৱা বিনিময়ৰ বাবে দুখন বা ততোধিক দেশৰ লগত কৰা বাণিজ্যিক চুক্তি।

**বাজেট সম্পৰ্কীয় ঘাটি (Budgetary Deficit) :** চৰকাৰৰ আয় আৰু কৰতকৈ ইয়াৰ ব্যয় অধিক হোৱা অৱস্থা।

**বিত্তীয় প্ৰতিষ্ঠান (Financial Institutions) :** সঞ্চয় আহৰণ আৰু আবণ্টনৰ বাবে নিয়োজিত প্ৰতিষ্ঠানসমূহ। বাণিজ্যিক বেংক, সমবায় বেংক, উন্নয়নমূলক বেংক আৰু বিনিয়োগ প্ৰতিষ্ঠানসমূহ ইহঁতৰ অন্তৰ্ভুক্ত।

**বিধিগত তাৰল্য অনুপাত (Statutory Liquidity Ratio, SRL) :** কেন্দ্ৰীয় বেংক (ভাৰতীয় ৰিজাৰ্ভ বেংক)ৰ নিৰ্দেশত বেংকসমূহে তৰল ৰূপত ৰাখিবলগীয়া মুঠ আমানত আৰু জমাৰ নিম্নতম অংশ। নগদ জমা অনুপাত (Cash Reserve Ratio, CRR)ৰ উপৰিও বিধিগত তাৰল্য অনুপাত ৰক্ষা কৰি থকাটো বেংকসমূহৰ দায়িত্ব।

**বিশেষ অৰ্থনৈতিক মণ্ডল (Special Economic Zone) :** ই হৈছে এক ভৌগোলিক অঞ্চল। ইয়াত দেশৰ প্ৰচলিত অৰ্থনৈতিক বিধিতকৈ সুকীয়া অৰ্থনৈতিক বিধি থাকে। সাধাৰণতে এনে অঞ্চলসমূহৰ লক্ষ্য হৈছে বৈদেশিক বিনিয়োগ বৃদ্ধি কৰা। চীনা প্ৰজাতন্ত্ৰ, ভাৰত, জৰ্ডান, পোলেণ্ড, কাজাখ্‌স্থান, ফিলিপাইন্‌ছ আৰু ৰাছিয়া প্ৰমুখ্যে পৃথিৱীৰ বহুতো দেশত বিশেষ অৰ্থনৈতিক মণ্ডল স্থাপন কৰা হৈছে।

**বৈদেশিক বিনিময় (Foreign Exchange) :** অন্য দেশৰ মুদ্ৰা বা বণ্ড/খৎ।

**বৈদেশিক বিনিময় বজাৰ (Foreign Exchange Market) :** ভৱিষ্যতৰ কোনো নিৰ্দিষ্ট দিনত হস্তান্তৰ কৰিবলৈ বৰ্তমানত নিৰ্ধাৰিত হাৰত মুদ্ৰা কিনা-বেচা কৰা বজাৰ।

**বোৰতী/নিগৰিত ফলাফল (Cascading Effect):** কৰ আৰোপনে অধিক অনুপাতত দাম বৃদ্ধি কৰা অৱস্থা; অৰ্থাৎ কৰ যিমান আৰোপণ কৰা হয় দাম তাতকৈ অধিক বৃদ্ধি পোৱাকে ই বুজায়।

**ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান (Private Sector Establishments) :** গাইগুটীয়া ব্যক্তি বা ব্যক্তি সমষ্টিয়ে চলোৱা প্ৰতিষ্ঠান।

**ব্যৱসায় প্ৰণালীত বহিঃউৎস গ্ৰহণ (BPO–Business Process Outsourcing) :** কোনো কোম্পানীয়ে আন কোম্পানীক ব্যৱসায় প্ৰণালীত (সেৱামূলক কাম-কাজত) বহিঃউৎস হিচাপে গ্ৰহণ কৰা। বিদেশী কোম্পানীসমূহে তথ্যপ্ৰযুক্তি সম্বলিত সেৱা ক্ষেত্ৰৰ ভাৰতীয় কোম্পানীক এনেবোৰ কাৰ্য [উদাহৰণস্বৰূপে সাধাৰণতে কল চেণ্টাৰ **(Call Centre)** বুলি যিবোৰ জনাজাত তাত অইন কোম্পানীৰ হৈ বাৰ্তা গ্ৰহণ কৰি প্ৰেৰণ]ৰ বহিঃউৎস হিচাপে গ্ৰহণ কৰাৰ লগত এই কথাটো জড়িত।

**ব্ৰুণ্ডট্‌ল্যাণ্ড আয়োগ (Brundtland Commission) :** বিশ্বৰ পাৰিৱেশিক সমস্যাসমূহ অধ্যয়ন কৰিবলৈ আৰু এইবোৰৰ নিৰাময়ৰ বাবে কাৰ্যসূচীৰ প্ৰস্তাৱ আগবঢ়াবলৈ 1983 চনত সন্মিলিত জাতি সংঘই স্থাপন কৰা এখন আয়োগ। এই আয়োগে এখন প্ৰতিবেদন আগবঢ়াইছিল। বহনক্ষম উন্নয়নৰ ধাৰণা সম্পৰ্কে এই আয়োগে আগবঢ়োৱা সংজ্ঞা অতি জনপ্ৰিয় আৰু গোটেই বিশ্বজুৰি ইয়াক ব্যৱহাৰ কৰা হয়।

**ভৱিষ্য নিধি (Provident Fund) :** কৰ্মচাৰীৰ স্বাৰ্থত নিয়োগকাৰী আৰু কৰ্মচাৰী উভয়ৰে নিয়মিত বৰঙণিৰ দ্বাৰা গঠিত এটা সঞ্চয় পুঁজি। এই পুঁজি চৰকাৰে চলাই থাকে আৰু কৰ্মচাৰী এজনে চাকৰিৰ পৰা ইস্তফা দিলে বা অৱসৰ পালে তেওঁক দিয়া হয়।

**ভূমি / ৰাজহ বন্দৰস্তি (Land / Revenue Settlement) :** ভাৰতবৰ্ষৰ বিভিন্ন অংশৰ ভূভাগীয় ৰাজ্যসমূহৰ শাসনাধিকাৰ লাভ কৰাৰ পিছত ইংৰাজসকলে ভূমিৰ জৰীপৰ ভিত্তিত ইবিলাকৰ প্ৰশাসন ব্যৱস্থা গঢ়ি তুলিছিল। গাইগুটীয়া ৰায়ত (অৰ্থাৎ খেতিয়ক) বা মহল (ৰাজহগ্ৰাম) বা জমিদাৰ (স্বত্বাধিকাৰ সম্পন্ন ভূস্বামী)ৰ অধীনত থকা প্ৰত্যেক ভূখণ্ডৰ পৰা ৰাজহ সংগ্ৰহ কৰাৰ চৰকাৰী স্বাৰ্থতেই এনে সিদ্ধান্ত লোৱা হৈছিল। উক্ত ক্ষেত্ৰসমূহত গ্ৰহণ কৰা সিদ্ধান্তৰ জৰিয়তে ভূমিৰ ওপৰত মালিকী স্বত্ব অথবা কৃষিকৰ্মৰ স্বত্ব সাব্যস্ত হৈছিল। এই প্ৰথাটোৱে ভূমি/ৰাজহ বন্দৰস্তি বুলি

জনাজাত। ভাৰতবৰ্ষত বিভিন্ন ধৰণৰ ভূমি বন্দৱস্তি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এইবোৰ হ'ল ঃ (i) জমিদাৰী প্ৰথা নামেৰে জনাজাত স্থায়ী বন্দৱস্তি ব্যৱস্থা (ii) ৰায়তাৰী প্ৰথা (ব্যক্তিগত কৃষকৰ লগত চৰকাৰে কৰা ৰাজহ বন্দৱস্তি ব্যৱস্থা, আৰু (iii) মহলাৰী প্ৰথা (মহলৰ লগত চৰকাৰে কৰা ৰাজহ বন্দৱস্তি ব্যৱস্থা)।

**ভোগৰ সমষ্টি (Consumption Basket) :** এটা গৃহস্থীয়ে ভোগ কৰা সামগ্ৰী আৰু সেৱাৰ জোঁট। জনসাধাৰণৰ ভোগ প্ৰণালী নিৰ্ণয় কৰিবলৈ পৰিসাংখ্যিক অভিকৰণসমূহে এনে সামগ্ৰীসমূহ চিনাক্ত কৰে। উদাহৰণস্বৰূপে ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠন (NSSO)য়ে ভোগৰ সমষ্টিত সামগ্ৰীৰ সৰ্বমুঠ 19 টা গোট চিনাক্ত কৰিছে। এইবোৰৰ কিছুমান হ'ল— (i) ধান, ঘেঁহু জাতীয় শস্য (ii) মাহজাতীয় শস্য (iii) দুগ্ধ আৰু দুগ্ধজাত সামগ্ৰী (iv) খোৱা তেল (v) শাক-পাচলি (vi) ইন্ধন আৰু প্ৰজ্বলক (vii) বস্ত্ৰ।

**মুঠ ঘৰুৱা উৎপাদন (GDP, Gross Domestic Product) :** মালিকীস্বত্বৰ কথা নধৰাকৈ এখন দেশৰ চাৰিসীমাৰ ভিতৰত এবছৰত উৎপাদিত অন্তিম ব্যৱহাৰ যোগ্য সামগ্ৰী আৰু সেৱা কাৰ্যৰ মুঠ মুদ্ৰামূল্য। জীৱন ধাৰণৰ মানৰ বিভিন্ন নিৰ্দেশকসমূহৰ ভিতৰত ইয়াকো ধৰিব পাৰি। অৱশ্যে এইক্ষেত্ৰত বহু সীমাবদ্ধতা আছে।

**মুদ্ৰাস্ফীতি (Inflation) :** সাধাৰণ দামৰ স্তৰৰ একেৰাহে চলি থকা বৃদ্ধি।

**মৃত্যু-হাৰ (Mortality Rate) :** 'Mortality' (মৰণশীলতা) শব্দটো 'Mortal' (মৰণশীল) শব্দৰ পৰা উদ্ভৱ হৈছে। Mortal (মৰণশীল) শব্দটো আহিছে আকৌ লেটিন শব্দ Morsৰ পৰা। ইয়াৰ অৰ্থ হ'ল মৃত্যু। মৃত্যুৰ হাৰ হ'ল প্ৰতিহাজাৰ মানুহৰ ভিতৰত বছৰি মৃত্যু (ৰোগৰ বাবে বা সাধাৰণভাৱে হোৱা)ৰ সংখ্যা। ই ৰোগ প্ৰৱণতা হাৰৰ পৰা পৃথক। ৰোগ প্ৰৱণতা হাৰ হ'ল মুঠ জনসংখ্যাৰ তুলনাত ৰোগযুক্ত মানুহৰ সংখ্যা।

**ৰপ্তানী-আমদানি নীতি (Export-Import Policy) :** ৰপ্তানী আৰু আমদানি সম্পৰ্কীয় চৰকাৰী নীতিসমূহ।

**ৰপ্তানী বৃদ্ধি (Export Promotion) :** অধিক অৰ্থনৈতিক বৃদ্ধি আৰু বৈদেশিক মুদ্ৰা অৰ্জনৰ লক্ষ্য আগত ৰাখি সামগ্ৰীৰ ৰপ্তানী বৃদ্ধি কৰিবলৈ ৰাজকোষীয় আৰু বাণিজ্যিক সমৰ্থন আৰু বৈদেশিক বাণিজ্যৰ প্ৰতিবন্ধক আঁতৰোৱা পদক্ষেপ সম্বলিতে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী।

**ৰপ্তানী শুল্ক (Export Duty) :** এখন দেশৰ পৰা ৰপ্তানীকৃত সামগ্ৰীৰ ওপৰত কৰ।

**ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান (Public Sector Establishments) :** চৰকাৰৰ মালিকীস্বত্বাধীন আৰু চৰকাৰৰ দ্বাৰা চলোৱা সকলো প্ৰতিষ্ঠান। এইবোৰ স্থানীয় চৰকাৰ, ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে নিজাববীয়াকৈ বা যৌথভাৱে চলাব পাৰে।

**ৰাজকোষীয় /ৰাজস্ব-নীতি (Fiscal Policy):** চৰকাৰী ব্যয় মিতাবলৈ বিত্তীয় সম্পদ আহৰণ আৰু আৰ্থিক কাৰ্যসমূহৰ নিয়ন্ত্ৰণৰ বাবে চৰকাৰৰ সকলো পৰিকল্পিত কাৰ্য।

**ৰাজ্যিক বিদ্যুৎ বোৰ্ডসমূহ (State Electricity Boards : SEBs) :** এইবোৰ ৰাজ্যিক প্ৰশাসনৰ একোটা অংশ। ইহঁতৰ কাম হৈছে সংশ্লিষ্ট ৰাজ্যবোৰত

বিদ্যুৎ শক্তিৰ উৎপাদন, প্ৰেৰণ আৰু বিতৰণ কাৰ্য সম্পাদন কৰা।

**ৰোগ প্ৰৱণতা (Morbidity) :** ৰোগত পৰাৰ প্ৰৱণতা। ই এজন ব্যক্তিক ক্ষণস্থায়ীভাৱে অক্ষম কৰি ব্যক্তিজনৰ কৰ্মত প্ৰভাৱ পেলায়। দীৰ্ঘদিনীয়া ৰোগ প্ৰৱণতাই মৃত্যু মুখলৈ ঠেলি দিব পাৰে। আমাৰ দেশৰ ৰোগ প্ৰৱণতাৰ দুটা মুখ্য কাৰণ হৈছে তীব্ৰ শ্বাসজনিত সংক্ৰমণ (Acute Respiratory Infection) আৰু ডায়েৰিয়া (Diarrhoea)।

**শক্তি দক্ষতা ব্যুৰ' (Bureau of Energy Efficiency – BEE) :** ই এটা চৰকাৰী সংস্থা। এই সংস্থাৰ লক্ষ্য হৈছে স্ব-নিয়ন্ত্ৰণ আৰু বজাৰনীতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি নীতি আৰু কৌশল বিকশিত কৰা। ই অৰ্থ ব্যৱস্থাৰ বিভিন্ন খণ্ডত শক্তিৰ সংৰক্ষণ বৃদ্ধি কৰাৰ লগতে বিদ্যুৎ শক্তি ব্যৱহাৰৰ ক্ষেত্ৰত অপচয় ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

**শিশুৰ মৃত্যু হাৰ (Infant Mortality Rate : IMR) :** এখন দেশত কোনো এক নিৰ্দিষ্ট বছৰত জন্ম লোৱা প্ৰতি হাজাৰ জীৱিত শিশুৰ ভিতৰত যিমান সংখ্যক শিশু এবছৰ বয়স পূৰ্ণ নৌ হওঁতেই মৃত্যু মুখত পৰে।

**শুল্ক (Tariff) :** আমদানিৰ ওপৰত আৰোপিত এবিধ কৰ। ইয়াক বস্তুগত একক (যেনে প্ৰতি টনত) বা মূল্যৰ ওপৰত আৰোপ কৰা হয়। বিভিন্ন উদ্দেশ্যত শুল্ক আৰোপ কৰা হয়। এনে উদ্দেশ্যসমূহৰ ভিতৰত আছে চৰকাৰী ৰাজহ বৃদ্ধি, ৰাজসাহায্য বা নিম্নমজুৰিৰে উৎপাদিত আমদানিকৃত সামগ্ৰীৰ পৰা দেশীয় উদ্যোগক ৰক্ষণা-বেক্ষণ, দেশীয় নিয়োগ বৃদ্ধি আন্তৰ্জাতিক পৰিশোধৰ হিচাপৰ ঘাটিৰ হ্ৰাস ইত্যাদি। শুল্কৰ জৰিয়তে চৰকাৰৰ ৰাজহ বৃদ্ধি হোৱাৰ উপৰিও আন্তৰ্জাতিক বাণিজ্যিৰ পৰিমাণ হ্ৰাস হয় আৰু ই ভোক্তাৰ বাবে আমদানিকৃত সামগ্ৰীৰ দাম বৃদ্ধি কৰে।

**শুল্ক প্ৰতিবন্ধক (Tariff Barriers) :** কৰৰ ৰূপত আমদানিৰ ওপৰত চৰকাৰে আৰোপ কৰা সকলো নিয়ন্ত্ৰণ।

**শ্ৰম আইন (Labour Laws) :** শ্ৰমিকসকলৰ স্বাৰ্থৰ সুৰক্ষা হেতু চৰকাৰে নিৰ্দ্ধাৰণ কৰা সকলো নীতি-নিয়ম।

**শ্ৰমিক জনসংখ্যা অনুপাত (Worker-Population Ratio) :** মুঠ শ্ৰমিকৰ সংখ্যাক জনসংখ্যাৰে হৰণ কৰি পোৱা ৰাশি। ইয়াক শতাংশত প্ৰকাশ কৰা হয়।

**শ্ৰমিক সংঘ (Trade Union) :** শ্ৰমিকসকলৰ সংগঠন। মজুৰি, সা-সুবিধা, কৰ্ম অৱস্থা আদি ক্ষেত্ৰত সদস্যসকলৰ স্বাৰ্থ সুৰক্ষাৰ অৰ্থে এনে সংগঠন গঠিত।

**ষ্টক বজাৰ (Stock Market) :** এটা অনুষ্ঠান, যাৰ জৰিয়তে ষ্টক আৰু অংশ পত্ৰসমূহৰ ক্ৰয়-বিক্ৰয় হয়।

**ষ্টক বিনিময় কেন্দ্ৰ (Stock Exchange) :** চৰকাৰ আৰু ৰাজহুৱা কোম্পানীসমূহৰ নিৰাপত্তা পত্ৰ (Secutiry)সমূহ কিনা-বেচা কৰা বজাৰ। ই ষ্টকৰ দালালসকলক কোম্পানীৰ ষ্টক আৰু অন্যান্য নিৰাপত্তা পত্ৰসমূহৰ ক্ৰয়-বিক্ৰয়ৰ সুবিধা প্ৰদান কৰে।

**সংগ্ৰথনগত/গাঁথনিমূলক সংস্কাৰ নীতি (Structural Reform Policies) :** অৰ্থব্যৱস্থাৰ দক্ষতা আৰু প্ৰতিযোগিতাৰ অৰ্হতা বৃদ্ধিৰ বাবে

উদাৰীকৰণ, নিয়ন্ত্ৰণমুক্তকৰণ (deregulation) আৰু ব্যক্তিগতকৰণৰ দৰে দীৰ্ঘকালীন ব্যৱস্থাসমূহ।

**সংস্থানিক / আনুষ্ঠানিক বৈদেশিক বিনিয়োগ (Foreign Institutional Investment) :** ষ্টক, বণ্ড বা অন্যান্য বিত্তীয় পৰিসম্পদৰ ৰূপত বৈদেশিক বিনিয়োগ। এনে বিনিয়োগে ব্যৱসায় প্ৰতিষ্ঠানৰ পৰিচালনাৰ ওপৰত সক্ৰিয়তা বা অন্য নিয়ন্ত্ৰণ নঘটায়।

**সংস্থানিক / আনুষ্ঠানিক বৈদেশিক বিনিয়োগকাৰী (FIIs) :** বিদেশীমূলৰ বেংকিং আৰু অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠানসমূহ; যেনে— বাণিজ্যিক বেংক, বিনিয়োগ বেংক, মিউচুৱেল ফাণ্ড, পেন্সন ফাণ্ড বা এনেধৰণৰ অন্যান্য সংস্থানিক বিনিয়োগকাৰী। ষ্টক বজাৰৰ জৰিয়তে ষ্টক বা বণ্ডত কৰা ইহঁতৰ বিনিয়োগে উল্লেখযোগ্য প্ৰভাৱ পেলায়।

**স্ব-নিয়োজিত (Self-Employed) :** সেই সকল লোক যিসকলে নিজাববীয়াকৈ কৃষি বা অনা কৃষি প্ৰতিষ্ঠান চলায় নাইবা এজন বা ততোধিক অংশীদাৰ লৈ স্বাধীনভাৱে ব্যৱসায় বা অন্য জীৱিকাত নিয়োজিত হয়। কেনেকৈ, কেতিয়া আৰু ক'ত উৎপাদন আৰু উৎপাদিত সামগ্ৰী বিক্ৰী কৰিব নাইবা কাৰ্য সম্পাদন কৰিব সেই বিষয়ত সিদ্ধান্ত গ্ৰহণৰ স্বাধীনতা এওঁলোকৰ থাকে।

**সমাংশ (Equities) :** কোম্পানী এটাৰ আদায়ীকৃত মূলধন বা ষ্টক (stock)ৰ অংশ। অংশধাৰীসকলক কোম্পানীটোৰ ভোটাধিকাৰ আৰু লভ্যাংশৰ অধিকাৰ সম্পন্ন মালিক বুলি ধৰা হয়।

**সামাজিক নিৰাপত্তা (Social Security) :** বয়োজ্যেষ্ঠ লোক, অক্ষম ব্যক্তি, উদ্বাস্তু (গৃহহীন), বিধৱা মহিলা আৰু ল'ৰা-ছোৱালীৰ ভৌতিক (বস্তুগত) নিৰাপত্তা নিশ্চিত কৰাৰ উদ্দেশ্যে চৰকাৰীভাৱে বা ব্যক্তিগত পৰ্যায়ত গ্ৰহণ কৰা ব্যৱস্থা। এই ব্যৱস্থাই পেন্সন, গ্ৰেচুইটি (উপদান), ভৱিষ্যনিধি, মাতৃত্বকালীন সুবিধা, স্বাস্থ্য যতন ইত্যাদি সামৰি লয়।

**সু-বাধ্যতা (Better Compliance) :** চৰকাৰী বিধি মনা বা তাৰ প্ৰতি বাধ্য হোৱা। সাধাৰণতে চৰকাৰলৈ কৰ আৰু মাচুল আদায়ৰ ক্ষেত্ৰত প্ৰযোজ্য।

**সুযোগ ব্যয় (Opportunity Cost) :** এটা বিশেষ মান বা কাৰ্যৰ সম্পৰ্কত সুযোগ ব্যয়ৰ সংজ্ঞা দিয়া হয় আৰু ই বাদ দিয়া বিকল্প পছন্দ বা কাৰ্যৰ মূল্যৰ সমান।

**সুস্থিৰকৰণ ব্যৱস্থা (Stabilisation Measures):** আন্তৰ্জাতিক পৰিশোধৰ হিচাপত দেখা দিয়া অস্থিৰতা আৰু উচ্চ হাৰৰ মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিবলৈ গ্ৰহণ কৰা মৌদ্ৰিক আৰু ৰাজকোষীয় ব্যৱস্থাৱলী।

——— xx ———